সঙ্গম

বার্ষিক আলোচনী

২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ বর্ষ

সুৰেন দাস মহাবিদ্যালয়, হাজো

SURENDRA DAS COLLEGE LIBRARY
HAJO, KAMRUP

তত্বাৱধায়ক ঃ ড° মীনা কুমাৰী দেৰী
সম্পাদক ঃ শিখৰজ্যোতি দাস
২০১৮-১৯ বর্ষ

তত্বাৱধায়ক ঃ ড° ৰঞ্জু ঠাকুৰীয়া
সম্পাদক ঃ তৌহীদুল ইছলাম
২০১৯-২০, ২০২০-২১ বর্ষ

মহাবিদ্যালয় চৌহদৰ স্থিৰ আলোক চিত্ৰ

সঙ্গম

সুৰেন দাস মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষ

ত্ৰিবিংশতিতম, চতুৰ্বিংশতিতম আৰু পঞ্চবিংশতিতম সংখ্যা

SURENDAS COLLEGE LIBRARY
Estd.
Date.
HAJO, KAMRUP

SANGAM

SUREN DAS COLLEGE MAGAZINE

SESSION : 2018-19, 2019-20 & 2020-21

Vol.- 23rd, 24th & 25th

তত্ত্বাৰধায়ক ঃ ড° মীনা কুমাৰী দেৰী
সম্পাদক ঃ শিখৰজ্যোতি দাস
২০১৮-২০১৯

Prof. in-Charge : Dr. Mina Kumari Devi
Editor : Sikharjyoti Das
2018-2019

তত্ত্বাৰধায়ক ঃ ড° ৰঞ্জু ঠাকুৰীয়া
সম্পাদক ঃ তৌহীদুল ইছলাম
২০১৯-২০২০, ২০২০-২০২১

Prof. in-Charge : Dr. Ranju Thakuria
Editor : Tauhidul Islam
2019-2020, 2020-2021

সংগম

সুৰেন দাস মহাবিদ্যালয়ৰ বার্ষিক আলোচনী

২০১৮-২০১৯, ২০১৯-২০২০ আৰু ২০২০-২০২১ বর্ষ

সম্পাদনা সমিতি

২০১৮-২০১৯ বর্ষ

সভাপতি ঃ ড° হিৰণ্য কুমাৰ শর্মা
অধ্যক্ষ, সুৰেন দাস মহাবিদ্যালয়, হাজো

তত্ত্বাৱধায়ক ঃ ড° মীনা কুমাৰী দেৱী

সম্পাদক ঃ শিখৰজ্যোতি দাস

শিক্ষক সদস্য ঃ ড° আলী আকবৰ হুছেইন
ড° ৰিপিমা বুজৰবৰুৱা
ড° ৰঞ্জু ঠাকুৰীয়া
ড° বিনীতা দাস
বিশ্বজিৎ কলিতা
আহমেদ মুকুট চৌধুৰী
ৰাজীৱ দাস
অনিৰুদ্ধ মেধি

ছাত্র সদস্য ঃ নিপু কলিতা
ভিতালী দাস
ইফতিকাৰ হুছেইন

সম্পাদনা সমিতি

২০১৯-২০২০ আৰু ২০২০-২০২১ বর্ষ

উপদেষ্টা ঃ ড° প্রবীণ চন্দ্র দাস

সভাপতি ঃ ড° হিৰণ্য কুমাৰ শর্মা,
অধ্যক্ষ, সুৰেন দাস মহাবিদ্যালয়, হাজো

তত্ত্বাৱধায়ক ঃ ড° ৰঞ্জু ঠাকুৰীয়া

সম্পাদক ঃ তৌহীদুল ইছলাম

শিক্ষক সদস্য ঃ ড° ৰমেন মেধি, মুনীন্দ্র দাস,
ড° অমূল্য কলিতা, ড° জয়ন্ত কুমাৰ দাস,
ড° বিনীতা বৈশ্য, ৰাহুল কুলি,
ড° বিনীতা দেৱী, চুমি কাথাৰ,
ড° ভনিতা নাথ, তৃষা ৰাণী দাস

ছাত্র সদস্য ঃ আবুল কালাম
নাজমা চুলতানা
আব্দুল মতিন

"গুৰু শিষ্যৰ 'মণিকাঞ্চন সংযোগে' যুগে যুগে মানৰ সমাজত ৰূপান্তৰৰ সূচনা কৰিছে। 'সংগম' আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ এইবাৰৰ সংখ্যাৰ বেটুপাতখনিয়ে এই কথাকে ক'ব বিচাৰিছে।"

বেটুপাতৰ পৰিকল্পনা ঃ ড° ৰঞ্জু ঠাকুৰীয়া
বেটুপাতৰ অলংকৰণ ঃ ড° জয়ন্ত কুমাৰ নাথ

অলংকৰণ ঃ জিতেন পাটগিৰি

মুদ্রণ ঃ টেক্‌নোপ্রিণ্ট, পাঠশালা, বজালী, অসম

আলোচনীখনত সন্নিবিষ্ট হোৱা লেখনিসমূহৰ মতামত লেখকৰ নিজা। তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

শ্রদ্ধাঞ্জলি

যিসকল প্রয়াত কৃতবিদ্য মহান ব্যক্তিৰ অক্লান্ত পৰিশ্রম আৰু বিৰল ত্যাগৰ বিনিময়ত হাজো অঞ্চলৰ লেখত ল'বলগীয়া অন্যতম শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ে প্রতিষ্ঠা লাভ কৰিলে লগতে বিগত সময়ছোৱাত আমাৰ মাজৰ পৰা হেৰাই যোৱা ছাত্র-ছাত্রী, কবি সাহিত্যিক, শিক্ষাবিদ তথা সন্ত্রাসবাদীৰ হাতত প্রাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত সকলোকে শ্রদ্ধাৰে সুঁৰৰিছোঁ।

সম্পাদনা সমিতি

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Prof. Pratap Jyoti Handique
Vice Chancellor
Phone : 9435012920
E-mail ID : vc@gauhati.ac.in

Message

It gives me immense pleasure to know that Suren Das College, Hajo is going to publish its College Magazine entitled **"SANGAM"** for the year 2018-2019 and 2019-2020. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

P. J. Handique

Date: 12.04.2022

(Pratap Jyoti Handique)

Address : Guwahati-781014 Assam:India Phone : 7099023760 Web : www.gauhati.ac.in

অধ্যক্ষৰ মেজৰ পৰা.....

জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্ব

বিজ্ঞানৰ অন্তহীন জয়যাত্রাৰে মানৱ জীৱনে আজি সার্থকতা লাভ কৰিছে। মানৱ সভ্যতাই উন্নতিৰ চৰম সীমা প্রায় অতিক্রম কৰিলে যদিও মানৱ মন যেন আজিও ক্ষান্ত হ'ব পৰা নাই। জীৱনৰ সুখ-স্বাচ্ছন্দ্য, ভোগ-বিলাসত মত্ত হৈ মানুহ যেন বিজ্ঞানৰ হাতৰ পুতলাত পৰিণত হৈ এক যন্ত্রলৈ পর্যবসিত হ'বলৈ ধৰিছে। এই পার্থিৱ প্রাপ্তিয়ে যে শেষ সত্য নহয়, এই চিন্তাই আজি মানুহক চিন্তান্বিত নকৰাকৈ থকা নাই। আজি সমগ্র মানৱ সমাজ লেশহীন সমস্যাৰ গ্রাসত পতিত, সন্ত্রাস - নির্মমতা - বিশ্বাসহীনতা, মূল্যবোধহীনতাই যেন আজি বিশ্বৰ চাৰিওফালে মানৱক ত্রাসিত কৰি ৰাখিছে। আধুনিক বিশ্বত মানুহ পার্থিৱভাৱে যিমান ঐশ্বর্যবান নহওঁক কিয়, মানসিকভাৱে মানুহ যেন দিনে দিনে পংগু হ'বলৈ গৈ আছে। আৰু এইখিনিতে মনত উদয় হৈছে এই কথাখিনি ভাৰতীয় সংস্কৃতিত হাজাৰ হাজাৰ বছৰ ধৰি ঋষিমুনি সকলৰ, শিল্পী সাধকৰ, দার্শনিক চিন্তাবিদৰ মনত অহৰহ দোলা দি অহা এটা প্রশ্ন হৈছে— জীৱনৰ লক্ষ্য কি আৰু ইয়াৰে উত্তৰৰ সন্ধান কৰিবলৈ যাওঁতে সৃষ্টি হৈছে অজস্র দর্শনৰ, মতবাদৰ লগতে অলেখ অমৰ সাহিত্যৰাজি। আমাৰ এই ক্ষুদ্র আলোচনাত ইমানবোৰ তাত্ত্বিক বিশ্লেষণৰ মাজলৈ নগৈ সৰলভাৱে দুটামান কথা ক'ব খুজিছো।

এটা কথা আমি আটায়ে জানো যে, পানীৰ কোনো নির্দিষ্ট বৰণ নাই, যি পাত্রত থোৱা হয় তাৰ আকাৰ বা বৰণ গ্রহণ কৰে। আমি প্রত্যেক আত্মাৰূপী মানুহকে যদি পানী বুলি ধৰি লওঁ, তেতিয়া ক'ব পাৰো যে আত্মাই যি ক্ষেত্রতে অৱস্থান কৰে, যাৰ সংস্পর্শতে থাকে, সেইমতেই তাৰ চাৰিত্রিক ৰূপ গঢ় লয়। গতিকে মানুহে নিজে কৰিব লাগিব জীৱনৰ স্বর্ণপাত্রৰ সন্ধান। সি কি ৰূপ লাভ কৰিব, তাৰ লক্ষ্য কি হ'ব, লক্ষ্যৰ উদ্দেশ্য কি হ'ব, তাৰ ওপৰতে নির্ভৰ কৰিব জীৱনে কিমান মহানতা লাভ কৰিব বা জীৱন কিমান ক্ষণভঙ্গুৰ হ'ব।

মানুহৰ জীৱনৰ লক্ষ্য হ'ব লাগিব ভূমিৰ পৰা ভূমালৈ। ভূমিৰ দৃষ্টি অতিক্রমি ভূমাৰ প্রতি মানুহৰ মনৰ উত্তৰণৰ বাবে এক আধ্যাত্মিক আৰু পাৰমার্থিক জীৱনৰ সন্ধান কৰিবলৈ মানৱ মনৰ যাত্রা হ'ব লাগিব অবিৰত। ভূমামুখী জীৱনে তাৰ লক্ষ্যত উপনীত হ'বলৈ যাওঁতে অধ্যৱসায়ৰ জৰিয়তে যি মহৎ গুণাৱলী কর্ষণ কৰিব তাৰ ভেঁটিতে তিলতিলকৈ গঢ়ি উঠিব জীৱনৰ মহান ব্যক্তিত্বৰ সৌধ। কাৰোবাৰ জীৱনৰ লক্ষ্য শিক্ষক হোৱা। কেৱল বৃত্তি হিচাপে নলৈ আমৃত্যু জ্ঞান প্রদানৰ লগতে সমাজলৈ তেওঁৰ যদি উত্তৰ দায়িত্ব হিচাপে লয় তেতিয়াই পার্থিৱতাতে আৱদ্ধ হোৱা শিক্ষক বৃত্তিটোৱে ভূমাৰ স্পর্শ লাভ কৰিব আৰু তাৰ মাজৰে প্রকাশ পাব তেওঁৰ ব্যক্তিত্বৰ অমল সৌন্দর্য্য।

জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্ব সম্পর্কে ক'বলৈ যাওঁতে বিশ্বৰ তিনিগৰাকী মহান আত্মাৰ জীৱন কাহিনীলৈ সততে চকু যায়। সেই তিনিগৰাকী আন কোনো নহয়। তেওঁলোক হ'ল যথাক্রমে ভাৰতীয় সংস্কৃতিৰ সর্বকালৰ শ্রেষ্ঠ পুৰুষ শ্রীকৃষ্ণ, বিশ্বক আলোকৰ সন্ধান দিওঁতা যীশুখ্রীষ্ট আৰু ভাৰতীয় তৰুণ প্রজন্মৰ বাবে সদায়ে আদৰণীয় মহান পুৰুষ কর্ণ। তিনিওজনৰে জীৱনৰ গভীৰ সাদৃশ্য আছে। প্রথমজনৰ জন্ম পুতি গন্ধময় কাৰাগাৰত, দ্বিতীয়জনৰ আস্তাবলত আৰু তৃতীয়জনৰ জন্ম মুহূর্ততে মাতৃয়ে নিজে নিক্ষেপ কৰিছে নদীৰ গর্ভত। কিন্তু বিস্ময়কৰভাৱে তিনিওজনে জীৱনৰ সেই কঠোৰ মুহূর্ত, কঠোৰ সময় অতিক্রম কৰি মহাজীৱনৰ ফালে ধাৱিত হৈছে আৰু মানৱ সমাজলৈ দি গৈছে আলোকসন্ধানী জীৱনৰ আদর্শ। জীৱনৰ কঠোৰতা, নির্মমতা, তুচ্ছ-তাচ্ছিল্য অতিক্রম কৰি তেওঁবিলাকে জীৱনৰ লক্ষ্য স্থিৰ কৰিছিল ভূমাৰ দিশলৈ। পার্থিৱ পৃথিৱীতে তেওঁলোকে স্বর্গৰ সন্ধান কৰি জীৱনক দান কৰিলে মহানতা। আজি নৱ প্রজন্মই এনেদৰেই নিজৰ জীৱনৰ লক্ষ্য স্থিৰ কৰিব লাগিব আৰু তাৰ মাজেৰে নিজৰ ব্যক্তিত্বৰ সৌধও নির্মাণ কৰিব লাগিব। এইক্ষেত্রত মানৱ জীৱনৰ বাবে অতি প্রয়োজনীয় মহৎ গুণাৱলী, সাধুতা, নিয়মানুৱর্তিতা, আত্মসংযম, কর্তব্যপৰায়ণতা, সত্যবাদিতা কর্ষণ কৰিব লাগিব। এই গুণাৱলীৰ বর্ণিল সমাহাৰতহে ব্যক্তিত্বৰ আলোক উজ্বলি উঠিব। এনে ব্যক্তিত্বসম্পন্ন এচাম তৰুণেহে সমাজৰ ৰূপান্তৰ ঘটাব পাৰিব।

আধুনিক ভাৰতৰ দ্রষ্টা তথা দিক্ নির্ণয়কাৰী চিন্তানায়ক স্বামী বিবেকানন্দই ভাৰতৰ বাবে যে আজি প্রকৃত মানুহৰ দৰকাৰ সেই সম্পর্কে এনেদৰে কৈছিল— "মানুহ, প্রকৃত মানুহ হ'লেই সকলো হ'ব। আমাক লাগে শক্তিশালী, বীর্যবান, বিশ্বাসী আৰু আন্তৰিকতাপূর্ণ তৰুণৰ দল। উঠি অহা যুৱক-যুৱতীসকলৰ ওপৰতেই মোৰ আশা...। সিংহৰ নিচিনা তেজস্বীতাৰে তেওঁলোকে সকলো সমস্যাৰ সম্মুখীন হ'ব। সেয়েহে আমি এক মহান আদর্শ আগত ৰাখি জীৱন অর্পণ কৰো আহা এয়ে আমাৰ প্রতিজ্ঞা আৰু দৃঢ় সংকল্প হওক।" শেষত কাঠোপনিষদত থকা সেই মহান উক্তিৰে সামৰিছো—

"উত্তিষ্ঠত জাগ্রত প্রাপ্য ৱৰান্নিৱোধত"

— অর্থাৎ "উঠা সাৰ পোৱা আৰু লক্ষ্য স্থান নোপোৱালৈ নৰ'বা।"

অইন বছৰৰ দৰে এইবেলিও সুৰেন দাস মহাবিদ্যালয়ৰ বার্ষিক আলোচনী (২০১৯-২০ ইং বর্ষ) যেন প্রকাশৰ অন্তিম পর্যায়ত উপনীত হোৱাত অতিশয় সুখী হৈছো।

ছাত্র-ছাত্রীসকলৰ সুপ্ত সাহিত্যিক প্রতিভা বিকাশৰ ক্ষেত্রত আলোচনীৰ উল্লেখযোগ্য ৰৰঙণি আছে। আশা কৰিছো, আমাৰ মহাবিদ্যালয়ৰ আলোচনী 'সংগম' খনো মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীখিনিৰ বৌদ্ধিক প্রতিভাৰ প্রকাশ আৰু বিকাশৰ এখন সাৰুৱা ক্ষেত্র হওক।

অধ্যক্ষ হিচাপে যোগদান কৰা দিনৰে পৰা আমি এইটো দিশত ব্রতী হৈ আছো যে সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীৰ যেন কেৱল শৈক্ষিক দিশতেই নহয়, শাৰীৰিক, বৌদ্ধিক, মানসিক তথা প্রায়োগিক সকলো দিশতেই উত্তৰণ ঘটে।

পৰিশেষত, মহাবিদ্যালয়ৰ প্রকাশিতব্য আলোচনীখন সর্বাংগসুন্দৰ হোৱাৰ কামনাৰে।

(ড° হিৰণ্য কুমাৰ শর্মা)
অধ্যক্ষ
সুৰেন দাস মহাবিদ্যালয়, হাজো

সম্পাদনা সমিতি- ২০১৮-২০১৯ বর্ষ

ড° হিৰণ্য কুমাৰ শর্মা
সভাপতি

ড° মীনা কুমাৰী দেৰী
তত্ত্বাৱধায়ক

শিখৰজ্যোতি দাস
সম্পাদক

SUREN DAS COLLEGE LIBRARY
Estd.....
Date.....
HAJO : KAMRUP

ড° আলী আকবৰ হুছেইন
শিক্ষক সদস্য

ড° ৰিপিমা বুজৰবৰুৱা
শিক্ষক সদস্যা

ড° ৰঞ্জু ঠাকুৰীয়া
শিক্ষক সদস্যা

ড° বিনীতা দাস
শিক্ষক সদস্যা

বিশ্বজিৎ কলিতা
শিক্ষক সদস্য

আহমেদ মুকুট চৌধুৰী
শিক্ষক সদস্য

ৰাজীৱ দাস
শিক্ষক সদস্য

অনিৰুদ্ধ মেধি
শিক্ষক সদস্য

নিপু কলিতা
ছাত্র সদস্য

ভিতালী দাস
ছাত্রী সদস্যা

ইফতিকাৰ হুছেইন
ছাত্র সদস্য

সম্পাদনা সমিতি- ২০১৯-২০২০ আৰু ২০২০-২০২১ বর্ষ

ড° প্রবীণ চন্দ্র দাস
উপদেষ্টা

ড° হিৰণ্য কুমাৰ শর্মা
সভাপতি

ড° ৰঞ্জু ঠাকুৰীয়া
তত্ত্বাৱধায়ক

তৌহীদুল ইছলাম
সম্পাদক

ড° ৰমেন মেধি
শিক্ষক সদস্য

মুনীন্দ্র দাস
শিক্ষক সদস্য

ড° অমূল্য কলিতা
শিক্ষক সদস্য

ড° জয়ন্ত কুমাৰ দাস
শিক্ষক সদস্য

ড° বিনীতা বৈশ্য
শিক্ষক সদস্যা

ৰাহুল কুলি
শিক্ষক সদস্য

ড° বিনীতা দেৱী
শিক্ষক সদস্যা

চুমি কাথাৰ
শিক্ষক সদস্যা

ড° ভনিতা নাথ
শিক্ষক সদস্যা

তৃষা ৰাণী দাস
শিক্ষক সদস্যা

আবুল কালাম
ছাত্র সদস্য

নাজমা চুলতানা
ছাত্রী সদস্যা

আব্দুল মতিন
ছাত্র সদস্য

তত্ত্বাৱধায়িকাৰ একলম....

(১)

আজি মর্মান্তিকভাৱে অনুভৱ কৰিছো যে সময় এতিয়া কঠিন। চৌদিশে বিপর্য্যস্ত আমাৰ আশা। তথাপি বহু দ্বিধা, কুণ্ঠা, সংশয়ৰ মাজতো উন্নতিৰ প্রত্যাশা আমাৰ মাজত আছে। কাৰণ সকলো প্রতিকুলতাক নেওচি সফলতা আনিব পাৰে কেৱল মানুহে। আন্ধাৰ আৰু ক্ষয়িষ্ণু সময়তো যিয়ে পোহৰৰ বাবে সংগ্রাম কৰি আছে আমি সেই জীৱনক মহীয়ান কৰা সংগ্রামী যোদ্ধাৰ সহযোদ্ধা হ'ব লাগিব। ইবচেনৰ মতে, "The strongest mans is he who stands most alone". প্রকৃততে পৰিৱর্তনৰ কাৰণে আমি আটায়ে আত্মশক্তিত বলীয়ান হ'ব লাগিব। পোহৰ ক'ত বুলি আর্তনাদ কৰিলেই সূর্য্যৰ জন্ম নহয়। সূর্য্য জন্মৰ বাবে লাগিব সাধনা আৰু সাহস।

পৰিৱর্তিত সময়ৰ লগত খোজ মিলাই নতুন শিক্ষানীতিয়ে দেশৰ প্রগতিত কিমান দূৰ সহায় কৰিব সেয়া বর্তমান সময়ত চিন্তাৰ বিষয়। পাঠদান কক্ষত শিক্ষক আৰু ছাত্র-ছাত্রীয়ে সন্মুখীন হোৱা অসুবিধা, পৰীক্ষানীতিত দেখা দিয়া বেমেজালি আৰু ডিগ্রীধাৰী হোৱাৰ পিছত নিবনুৱা জীৱন-যাপনৰ সন্দর্ভত এই শিক্ষানীতিয়ে কি ভূমিকা লয় সেয়া সময়েহে ক'ব। আমি ক'ব বিচাৰিছো আজি সমাজখন নিকা কৰিবৰ বাবে আত্মপ্রত্যয়ৰ নতুন সৌধ ৰচনা কৰিবৰ কাৰণে ছাত্র-ছাত্রী, শিক্ষক-কর্মচাৰী, সাহিত্যিক সকলোৰে ভালেখিনি দায়িত্ব আছে।

(২)

মানৱৰ ভিতৰত থকা অনুভৱ শক্তি নিঃসৰিত হৈ যেতিয়া পোহৰৰ দিশে আগবাঢ়ে তেতিয়াই সেই শক্তি হৈ পৰে এক অভিনৱ শক্তি। অনুভৱ জীৱনৰ মহাশক্তি। সাহিত্য সাধনা অনুভৱৰেই ফচল। কিন্তু সেই ফচল অংকুৰণৰ বাবে সাৰুৱা পৰিৱেশ এটাৰ নিতান্তই আৱশ্যক।

(৩)

মহাবিদ্যালয় এখনত কোমল বয়সীয়া ছাত্র-ছাত্রীৰ মাজত থকা প্রতিভা বিকাশৰ প্রথম খোজটো মহাবিদ্যালয়ৰ আলোচনীখনৰ যোগেদিয়ে আৰম্ভ হয় যদিও এনে আলোচনীসমূহক সাধাৰণতে গুৰুত্ব দিয়া নহয়। কিন্তু মহাবিদ্যালয় আলোচনীৰ ওখোৱা-মোখোৱা পথ অতিক্রমিয়ে এদিন মসৃন পথত খোজ পেলোৱাৰ প্রতিভা অংকুৰিত হয়।

এনেধৰণৰ উন্মেষশালী প্রতিভাৰ অনাঘ্রাত বিচিত্র সুৱাস সুহৃদয়জনৰ বুকুলৈ বোৱাই দিয়াৰ উদ্দেশ্য আগত ৰাখিয়ে আমাৰ মহাবিদ্যালয়ৰ আলোচনী 'সংগম'ৰ সৃষ্টি হৈছিল। মহাবিদ্যালয়ৰ আলোচনী এখন প্রকাশ কৰি উলিওৱাটো চখৰ কথা নহয়, নহয় নিজক প্রতিষ্ঠা কৰাৰ আহিলা। ইয়াত আছে মাথোন সৃষ্টিশীল কর্মত নিয়োজিত হৈ থকাৰ নির্লোভ তাগিদা। আমাৰ এই অন্তৰৰ তাড়নাত যিসকল সুহৃদয় লেখক-লেখিকা তথা মৰমৰ ছাত্র-ছাত্রীয়ে সঁহাৰি জনাই আলোচনীখন প্রকাশ কৰাত সহায় কৰিলে, আটাইসৱঁলৈ আমাৰ আন্তৰিক ধন্যবাদ তথা শুভকামনা জনালোঁ।

মহাবিদ্যালয় আলোচনী 'সংগম' তুলি দিলো আপোনাসৱৰ হাতত। বৰ অসমৰ বর্ণিল জীৱন প্রৱাহ যুগ-যুগান্তৰলৈ প্রৱাহিত কৰি ৰখাত সংগমে যদি কিছু হ'লেও অৰিহণা যোগাব পাৰে, তাতেই আমাৰ শ্রমৰ সার্থকতা বিচাৰি পাম। শেষত সংগম দীর্ঘজীৱি হওঁক— এয়ে আমাৰ ভগৱানৰ ওচৰত প্রার্থনা।

ড° ৰঞ্জু ঠাকুৰীয়া
তত্ত্বাবধায়িকা

Editorial...

Tauhidul Islam
Editor, Magazine Department
Suren Das College, Hajo
Students' Union
2019-2020 & 2020-2021

In the beginning of editorial page, I cordially thank the respected teachers, my dear friends and all the students of Suren Das College, Hajo. On this occasion, I also pay my heartfelt respect to the founder of our college and the heroic soldiers who sacrificed their lives for the nation.

I take immense pleasure, pride and feel privileged to be the Editor of Suren Das College magazine for the session 2019-2020 & 2020-2021 and shall remain grateful to all of my friends of our college for giving this great opportunity.

The editorial page is an essential component of all the magazines. Through this the editor gets the opportunity to write a few words and has to come up with his own thoughts for the readers.

Literature is the backbone of any nation. Literature reveals a nation's civilization, its national life, ideas, feelings etc. Magazine is the best medium for the study of literature and the students develop their latent talent through magazine. Besides the college Magazine reflects the different aspects of any school or college.

Editing a magazine is a very difficult task. The society will judge how far I have succeeded in fulfilling its responsibility.Many thanks to the students and my respected teachers for enriching the magazine with their unique writings. I would like to express my gratitude to the Honourable principal Dr. Hirany Kumar Sarma sir who has been very much involved in publication of this magazine. I would also like to express my sincere gratitude to the supervisor Dr. Ranju Thakuria ma'am, Vice-Principal Dr. Ali Akbar Hussain sir, Mr. Biswajit Kalita sir, Dr. Rupanjali Hazarika ma'am, Mr. Rahul Kuli sir, Mrs. Sumi Kathar ma'am, Mr. Aniruddha Medhi sir, Mr. Nayan Jyoti Baishya, the faculty members of Editorial Board and all the student-members for their help in editing the magazine.

At the end of my report, I once again apologize to everyone for the mistakes I might have committed during my tenure.

Glory be to Suren Das College.
Jai Ai Axom.

..... সূচীপত্র .....

প্রবন্ধ ঃ

- বিহু বিশ্বায়ন আৰু লাহৰী-ধন-মালতীহঁত... ✍ মেগন কছাৰী /১৫
- অসমৰ জাতি-জনজাতিৰ মাজত প্ৰচলিত বসন্ত উৎসৱ ✍ ড° ৰঞ্জু ঠাকুৰীয়া /২১
- সংস্কৃতি আৰু মূল্যবোধত বিশ্বায়নৰ প্ৰভাৱ ✍ ড° বিনীতা দাস /২৬
- পুথিভঁৰাল ✍ দীপামণি ভৰালী /২৯
- মামণি ৰয়ছম গোস্বামী আৰু নৱনীতা দেৱসেনৰ উপন্যাসৰ নাৰী চৰিত্ৰ ✍ ড° ভনিতা নাথ /৩১
- শীলভদ্ৰৰ গল্প ঃ বিশেষতঃ চিঠিৰ উল্লেখসহ ✍ ড° বিনীতা বৈশ্য /৩৮
- দেবব্ৰত দাসৰ 'ধূসৰতাৰ কাব্য' ✍ চুমি কাথাৰ /৪২
- একবিংশ শতিকাৰ গৰাহত মিচিং সমাজত যাদু-মন্ত্ৰ আৰু 'মৰু'ৰ প্ৰভাৱ ✍ ৰাহুল কুলি /৪৫
- সমাজত নাৰীৰ স্থান ✍ ৰিতুমণি তালুকদাৰ /৪৭
- ক'ৰোনা মহামাৰীয়ে মানৱ সভ্যতাক দি যোৱা নতুন শিক্ষা ✍ চিত্ত�ৰঞ্জন কলিতা /৪৯
- ইতিহাসৰ পটভূমিত হাজো ✍ অপৰ্ণা ডেকা /৫১
- নিবনুৱা সমস্যা আৰু বৰ্তমানৰ যুৱ প্ৰজন্ম ✍ আৰ্জুমণি চুলতানা /৫৪
- মানৱ জীৱনত মূল্যবোধৰ গুৰুত্ব ✍ বেগম মনিজা আখতাৰ /৫৫
- হাজোৰ এটি চমু পৰিচয় ✍ ৰছিদা খাতুন /৫৭
- মাডাৰ টেৰেছা ✍ জাহানুৰ আহমেদা /৫৯
- দৌল উৎসৱ ✍ ধনশ্ৰী মেধি /৬১
- ঐতিহাসিক স্থান হাজো ✍ মুচফিকা আহমেদ /৬২

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে প্ৰস্তুত কৰি উলিওৱা ক্ষুদ্ৰ গৱেষণা পত্ৰৰ কিয়দাংশ —

- কাৰ্বি জনগোষ্ঠীৰ লোক উৎসৱ ✍ ৰবিতা কলিতা /৬৫
- কাৰ্বি জনগোষ্ঠীৰ সাজ-পাৰ ✍ মঞ্জুৰী কলিতা /৬৮
- কাৰ্বি জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ✍ এচমিৰাৰা বেগম /৭১
- কাৰ্বি জনগোষ্ঠীৰ লোকসাহিত্য ✍ প্ৰতীক্ষা মজুমদাৰ /৭৮
- কাৰ্বি জনগোষ্ঠীৰ খাদ্যাভ্যাস ✍ দিপীকা দাস /৮৫
- অসমৰ প্ৰাকৃতিক পৰ্যটনৰ সমস্যা আৰু সম্ভাৱনীয়তা ✍ মনিষা বেগম /৯১

চুটিগল্পৰ সঁফুৰা ঃ

- দোষী কোন ✍ জিন্তী মালাকাৰ /৯৭
- আজি কিয় নকৰোঁ ✍ বিতোপন কলিতা /৯৯
- বন্ধুত্ব ✍ হেলেনা খাতুন /১০০
- এটি নিৰ্জন পথৰ কাহিনী ✍ চুমি ৰাণী দাস /১০১
- জীৱনত উৎসাহ যোগাব পৰা .... ✍ কিশোৰ কলিতা /১০২
- মহাযুদ্ধৰ মহানায়ক ✍ চিত্তৰঞ্জন কলিতা /১০৩
- ক'ৰোনা মহামাৰী আৰু বৰ্তমান জীৱন যাত্ৰা ✍ পিংকুমণি তালুকদাৰ /১০৬
- পৃথিৱীৰ অসুখ ✍ নাজমা চুলতানা /১০৮
- ব্যাধিয়ে পোৰা বালিঘৰ ✍ প্ৰীতিৰেখা দাস /১১১
- লক্‌ডাউনৰ সুখ-দুখ ✍ প্ৰবাল উপাধ্যায় /১১৫
- ৰুক্ষ জীৱনগাঁথা ✍ ডলি মালাকাৰ /১১৮
- ক'ৰোনা মহামাৰী আৰু বৰ্তমান জীৱন যাত্ৰা ✍ সুৰভি বৰ্মন /১২০
- প্ৰকৃত বন্ধুজন আৰু প্ৰকৃত যোদ্ধাজন ✍ বিশাল ডেকা /১২১
- ক'ৰোনা মহামাৰী আৰু বৰ্তমান জীৱনযাত্ৰা ✍ বিতোপন কলিতা /১২২
- কলিকতা হৈ বঙ্গোপসাগৰ ফুৰি আহিলোঁ ✍ দিপান্দীতা মহন্ত /১২৪
- গাঁৱৰ ল'ৰা ✍ ৰঞ্জুমা বেগম /১২৬
- সাম্প্ৰতিক সময়ৰ বিশ্ব ✍ ভূমিকা কুমাৰ /১২৬
- অন্ধ বিশ্বাস ✍ মিছ ৰিতুমণি বেগম /১২৭
- অমানিশা ✍ ধৰিত্ৰী কলিতা /১২৭
- সাম্প্ৰতিক সময় ✍ জ্যোতিৰাণী বৰ্মণ /১২৮
- ৰেগিং ✍ ৰিতুমণি বেগম /১২৮
- বিশ্বাস ✍ ধীৰাজ কুমাৰ /১২৯
- ফাগুন মাহক লৈ মনৰ কিছু কল্পনাৰ কথা ✍ মুছফিকা আহমেদ /১৩০
- দাঁত ✍ শিখৰজ্যোতি দাস /১৩১
- চিঞৰ ✍ ভৃগু দাস /১৩২

কবিতাৰ কৰণি ঃ

- মানুহ ✍ ইমদাদ আহমেদ /১৩৩
- এজাক অচিনাকি বতাহ ✍ ছালমা চুলতানা /১৩৩
- মেঘে সলালে পোছাক ✍ অসীমা ৰেজ বৰুৱা /১৩৩

সূচীপত্র .....

- মৰমৰ স্কুল ✍ মুচফিকা আহমেদ /১৩৪
- উভতি নহা দিনবোৰ ✍ মণিষা বেগম /১৩৪
- জীৱন যাত্রা পথ ✍ চিলিমা পাৰবিন /১৩৫
- নতুন সৃষ্টিৰ সন্ধানত ✍ ডিম্পী বৰুৱা /১৩৫
- নাৰী ✍ শিল্পা ঠাকুৰীয়া /১৩৬
- শৰতৰ নিশা ✍ ৰবষা কলিতা /১৩৬
- জীৱন যেন এপাহি ৰক্তজবা ✍ অপর্ণা ডেকা /১৩৬
- অসম ✍ আমিছা বেগম /১৩৭
- মৰহা ফুলৰ সুবাস ✍ ফাৰহানা বেগম /১৩৭
- এইখন মোৰ দেশ ✍ বিতুমণি বেগম /১৩৮
- বেদনা ✍ চেহনাজ চুলতানা /১৩৮
- এটি ফুল ✍ নার্জিনা বেগম /১৩৮
- আমি অসমীয়া ✍ মুর্ছিদা বেগম /১৩৯
- স্রোতস্বিনী ✍ দেৱাঞ্জলী শইকীয়া /১৩৯
- ফাগুন ✍ ফিৰুজা বেগম /১৩৯
- আশাৰ মৰীচিকা ✍ আফিয়া চুলতানা /১৪০
- বেদনা ✍ চুস্মিতা তালুকদাৰ /১৪০
- মোৰ আই ✍ ভূমিতা কুমাৰ /১৪১
- মাৰ সৈনিকজন ✍ বিতুমণি বেগম /১৪১
- দেশভক্তিৰ সোণৰ শিকলি ✍ ভৃগু দাস /১৪২
- দেশপ্রেম ✍ শিখৰজ্যোতি দাস /১৪২
- জীৱন ✍ সুৰভী বর্মন /১৪৩
- চোতাল ✍ সবিতা কলিতা /১৪৩
- সান্ত্বনা ✍ চাহনোৱাজ আহমেদ /১৪৪
- নীৰৱ ৰবযুণজাক ✍ আর্জুমণি চুলতানা /১৪৪
- সপোন কুঁৰৰী ✍ নিংকুমণি তালুকদাৰ /১৪৫
- কলম ✍ হেলেনা খাতুন /১৪৫
- জ্ঞানদাতা ✍ ইমৰান হ'ক চৌধুৰী /১৪৬
- ফাগুনৰ ৰঙে কি আনে ✍ কিশোৰ কলিতা /১৪৬
- ফাগুন ✍ জিতুল কোঁৰৰ /১৪৭
- ফাগুনৰ স্মৃতি ✍ মনোৱাৰ হুছেইন /১৪৭
- ফাগুনৰ ৰং বলিয়া এজাক বতাহ ✍ চিত্তৰঞ্জন কলিতা /১৪৮
- ফাগুনৰ ৰং ✍ অলিভা কলিতা /১৪৮
- তোমাৰ অপেক্ষাত ✍ জিন্তী মালাকাৰ /১৪৯
- ৰ'হাগ, তুমি অনন্যা ✍ হেলেনা খাতুন /১৪৯
- এক মহান শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয় ✍ হলেনা খাতুন /১৫০
- বসন্তৰ ৰং ✍ লক্ষ্যজিৎ বৰুৱা /১৫১
- বসন্তৰ ৰং ✍ বিপুল গোস্বামী /১৫২
- বসন্তৰ ৰং ✍ ভাস্কৰ বৰুৱা /১৫২
- হায় মোৰ বসন্ত ✍ অংকিতা গোস্বামী /১৫৩
- চিৰস্থায়ী বসন্তৰ হেজাৰ ৰং ✍ কিন্নৰী ডেকা /১৫৪
- Vasant K Rang ✍ Trisha Paul /১৫৫
- বসন্তৰ ৰং ✍ মাহমুদুল হাচান /১৫৬

English Section

- Inculcation of Value Education Among Adolescents ✍ Dr. Papari Deka Choudhury /১৫
- Socio-Economic Conditions of Nayanpur Village of Hajo a Case Study ✍ Abhijit Baishya, ✍ Bitupan Das, ✍ Sanjib Bhandear Kayasthya, ✍ Archana Patowary, ✍ Bhaswati Choudhury and ✍ Parishmita Das /১৬৪
- Cryopreservation : A way towards infertility and biodiversity conservation ✍ Dr. SangitaMedhi /১৬৮
- Wimen in Science ✍ Dr. Kanan Kumari Ojah /১৬৯
- Learning - in Lockdown ✍ Ms Amilee Konwar /১৭২
- Understanding the Origin of Life ✍ Dr. Mukesh Sharma /১৭৪
- Indian Agriculture Acts & Farmer's Anticipation ✍ Trikha Rani Das /১৭৫
- Civil Service Examination (UPSC) ✍ Tauhidul Islam /১৭৭
- Remember, Woman Yasminul Choudhury /১৮০
- I'm no more here ✍ Tauhidul Islam /১৮০
- I Like to be.... ✍ Nandita Talukdar /১৮০

বিবিধ শিতান

- ছাত্র একতা সভাৰ বিভাগীয় প্রতিবেদন /১৮৩-২০০
- List of Teaching Staff /২০১
- সুৰেন দাস মহাবিদ্যালয়ৰ বর্তমানলৈ প্রকাশিত আলোচনীসমূহৰ তত্ত্বাৱধায়ক আৰু সম্পাদকসকলৰ তালিকা /২০৫

প্রবন্ধৰ শৰাই

অতিথি লেখক....

বিহু বিশ্বায়ন আৰু লাহৰী-ধন-মালতীহঁত...

মেগন কছাৰী

SUREN DAS COLLEGE LIBRARY
Estd.....
Date.....
HAJO, KAMRUP

একালত পৰশ্রমজীৱি ৰঘুমলা শ্রেণীৰ হাতত কপাল ফুটা কৃষক-কৃষিজীৱি জনসাধাৰণ কেৱল অর্থনৈতিক শোষণ বঞ্চনাৰেই বলি হোৱা নাছিল, সামাজিকভাৱেও তেওঁলোক আছিল ভীষণ উপেক্ষিত। পদে পদে সম্ভ্রান্ত শ্রেণীটোৰ পৰা কৃষক-কৃষিজীৱি শ্রেণীটোৱে লঘু-লাঞ্ছনা সহিব লগা হৈছিল। উপহাস আৰু অপমান আছিল। তেওঁলোকৰ জীৱন লগৰী। কিন্তু সমস্যাটো হৈছে আৰোপিত প্রায় সকলো কথা শৰীৰে পেশীয়ে সহিলেও মনে তাক সহিব নোখোজে।

হালবাই হালধি ঘঁহিলি মালতী
ভৰি মেলি ঘঁহিলি তেল।
কচুৰা হাটলৈ নাযাবি মালতী
এতাই বেয়া কথাৰ মেল।

দেহাত হালধি, তেল ঘঁহা মালতীৰ দৰেই আন কোনোবা মালতীয়ে হাট বজাৰত ইজনে সিজনৰ কথা সদৰী কৰি 'বেয়া কথাৰ মেল' মাৰিছিল বা মেল মাৰিব পাৰে বুলি ভাবিব নোৱাৰি। কর্মহীন লোকৰহে 'বেয়া কথাৰ মেল' মৰা অভ্যাস এটা গঠন হ'ব পাৰে আৰু তেনে লোকৰহে হাট বজাৰত মেল মাৰিবলৈ আজৰি সময়ত থকাটো সম্ভৱ। এই মেল্‌কী, মেলুৱৈসকলৰ হাতত নাচনী-মালতীহঁতে যাতে অপমানিত, অপদস্থ হ'ব নালাগে; সেই কথাকেই বিহুৱা ডেকাই সকীয়াই দিছে। মালতীক কচুৰা হাটলৈ যাবলৈ মানা কৰিছে।

১৯১৮ চনৰ পৰা ১৯২১ চনৰ ভিতৰত সংগ্রহ কৰা আৰু ১৯২৩ চনৰ পৰা ১৯২৯ চনৰ ভিতৰত সাত খণ্ডৰ ভিতৰত প্রকাশিত 'অসমীয়া সাহিত্য চানেকী'ৰ প্রথম কাণ্ডৰ অন্তর্গত ওপৰত উল্লেখিত বিহুগীত ফাঁকিয়ে অসমীয়া পৰজীৱি মধ্যশ্রেণী/মধ্যবিত্ত শ্রেণীটোৱে মূলতঃ কৃষক-কৃষিজীৱি, শ্রেণীটোৰ সমাজ জীৱন, সাংস্কৃতিক আৰু লোকবিশ্বাসক কিমান হীনদৃষ্টিৰে অৱলোকন কৰিছে সেই কথাবোৰে সাক্ষী দিয়ে। এই কথাৰ আভাস ইতিহাসত এনেদৰে পোৱা যায় 'চৈত্রৰ বিহু সংক্রান্তিৰ পৰা সাতদিন কোনো কোনো ঠাইত ইতৰ লোকসকলে স্ত্রী-পুৰুষে কোনো প্রকাশ্য স্থানলৈ গৈ নৃত্য-গীত কৰে। সেই সময়ত অবাচ্য ও অশ্লীল গীত

গোৱা নিল্ৱজভাৱে ভংগী দেখুৱা হয়। এইটি নিয়ম শীঘ্রে দেশৰ পৰা গুচিলে বৰ উপকাৰ হয় আৰু সুনিতাৰ সংস্থাপন কৰা হয়।"— গুণাভিৰাম বৰুৱা, আসাম বুৰঞ্জী।

'... ইংৰাজৰ ভিতৰতো নিলাজ ৰং-ধেমালি থাকিব পাৰে, কিন্তু বিহুৰ দৰে কু-বৃহৎ আকাৰৰ নহয়।'

'... সভ্য জাতিৰ নাচ-গান আৰু অসমৰ বিহুক কল্পনাৰে দুজনী সাজি চকুৰ আগত থিয় কৰিলে দেখা যায় যে আগৰজনীয়ে যেন সুন্দৰ কাপোৰ আৰু অলংকাৰ পিন্ধি কাণত মিঠা লগা গীত গাই থিৰ ভাবেৰে নাচিছে। শেহৰজনী (বিহুৱে) কুৰূপা আৰু নাঙঠ হৈ দেও দি ফুৰিছে। সঁচাকৈয়ে বিহুত যেনে নিলাজ কথাবোৰ বকে, শুনিলে কাণত হাত দি শ্ৰীবিষ্ণু সুঁৰৰি পলাব লাগে। এইবিলাক অসভ্য কাণ্ড আমাৰ লাজ অপমানৰ কথা' (কমলাকান্ত ভট্টাচার্য, আবাহন) কচুৱা হাতলৈ মালতী কিয় যাব নালাগে আৰু তাত মালতীক লৈ কোনে বেয়া মেল মাৰে, সমালোচনা কৰে ইয়াৰ পিছত আৰু বুজিবলৈ কষ্ট নহয়, বেজাৰ, বেদনাভৰা অপমান অসহায় অৱস্থাক প্রতিনিধিত্ব কৰা হৃদয়স্পর্শী অতিজন নিচনা শ্রেণীটোৰ ওপৰত শোষণৰ তীব্রতা আৰু স্বৰূপকো উন্মোচিত কৰে। যথা—

হেৰা মোৰ লাহৰী নেপাওঁ মই আহৰী
তোমাকে দিবলৈ গুৱা
কাবৌটি কৰিছো দুই ভৰি ধৰিছো
আজিলৈ উভতি যোৱা।

যেতিয়া মন গ'লে, মন খালেই মিলনৰ স্বার্থত জাতিকুল নেচেতা দিবলৈকো গ্রাম্য সমাজৰ কোনো ডেকা অসীম সাহসী হৈ উঠে। তেতিয়া আমি এই কথা বুজো যে তেওঁক কোনো বাধ্যবাধকতা অথবা বন্ধনে গ্রাস কৰিবলৈ সমর্থ হোৱা নাই। তেওঁ যিদৰে সাহসী, সেইদৰেই তেওঁ স্বাধীন, সার্বভৌম। কিন্তু যিয়ে কামৰ ভৰ-হেঁচাৰ কৱলত প্রাণৰ পুতলি লাহৰিক গুৱাই এখন যাঁচিবলৈ এটা মাত্র পল বা কেইটামান ছেকেণ্ডো খৰচ কৰিবলৈ অসমর্থ আৰু তেওঁৰ এই দুর্দশা চাই নাথাকিবলৈ কাতৰ অনুৰোধ জনাই, তেতিয়া আমি এই কথাকেই বুজো যে সেই পহুৰাল ডেকা নিজ ধৰণে স্বাধীন নহয়। তেওঁৰ কোনো নিজৰ স্বাধীনতা নাই। তেওঁ ভীষণভাৱে পৰাধীন।

আহৰিবিহীন কামৰ ভৰত লাহৰি তামোল এখন যাঁচিবলৈকো চিদ্র নোপোৱা এয়া কোনো পহুৰাল ডেকাৰ কণ্ঠস্বৰ নেকি বাৰু!

লাহৰীকৈ গুৱা এখন যাঁচিবলৈ ফাঁক উলিয়াবলৈ নোপোৱা ওপৰৰ বিহুগীত ফাঁকিয়ে শ্রমজীৱি মানুহৰ মানসিক দ্বন্দ্ব-সংঘাতৰ কেঁকনি-গেঁথনি, কণ্ঠস্বৰকে পৰিস্ফুট কৰে, কৰিছে

নিশ্চিতভাৱে এই কণ্ঠস্বৰ ভাহি আহিছে সামন্তীয় শাসন শোষকৰ কেঁকোৱা চেপাত জর্জৰিত হোৱা এসময়ৰ সমাজখন আন্ধানৰ পৃষ্ঠাবোৰৰ পৰা, যি কণ্ঠস্বৰ পৰৱর্তী কালৰ নতুন সমাজ সামাজিক ব্যৱস্থাৰ মাজত আজিও সজীৱভাৱে প্রতিধ্বনিত হৈ আছে।

এইখিনিতে ইয়াত কিছু কথা উল্লেখ কৰা উচিত আৰু প্রাসংগিক হ'ব। তথ্য মতে, একালৰ আছাম কোচবিহাৰ অঞ্চল ছোৱালীৰ মূল্যজনে প্রতি ১২ টকাৰ ১৫ টকা, কোচ জাতিৰ ল'ৰাৰ মূল্য জনে প্রতি ২৫ টকা আৰু কলিতা জাতিৰ ল'ৰাৰ মূল্য জনে প্রতি ৫০ টকাকৈ আছিল। ১৭৮৭ খ্রীঃ মানত ব্রিটিছ শাসনে সংগ্রহ কৰা এই তথ্যৰ বিপৰীতে ১৮০৮ খ্রীঃত এজন গোলাম বা বন্দী দাম কুৰি টকা আছিল আৰু আহোম-অসমৰ পৰা একালত এই বন্দীক বিদেশলৈ ৰপ্তানি কৰা হৈছিল।

এই সন্দর্ভত উল্লেখিত তথ্য মতে যেতিয়া ব্রিটিছ চৰকাৰে গোলাম বন্দী প্রথা ১৮৪২-৪৩ চনত বন্ধ কৰে আৰু সেই সকলৰ খালাচ দিয়ে তেতিয়া কামৰূপ আৰু আসাম দেশত হাহাকাৰ লাগে হাহাকাৰৰ সৃষ্টি হয়।

গোলাম বন্দী খালাচ দিয়াৰ বিৰুদ্ধে কামৰূপ সকলে মহন্ত আৰু ব্রাহ্মণে যৌ প্রতিক্রিয়া প্রকাশ কৰে। মহন্ত আৰু ব্রাহ্মণে যুত শিৱ পূজা কৰি পূর্বৰ দৰেই দাস-দাসী ব্রহ্মত্তোৰ বাহাল ৰাখিবলৈ দৰ্খাস্ত দিয়াৰ বিপৰীতে ভাল লোকৰ দুর্গতিৰ আশংকাৰ অর্থ হৈছে নির্মম অ-মানৱীয় শ্রম-শোষণৰ যোগেদি এচাম ভাল মানুহ, ভাল লোকে ভালদৰেই সুখে-সন্তোষে দিন যাপন কৰিছিল।

দৰিদ্রতাই কেবল মনকেই কষ্ট নিদিয়ে। কপট দৰিদ্রতাই মানুহৰ প্রেম-ভালপোৱা, হাঁহি-কান্দোনৰ মানসিক জগতখনকে অহৰহ পদাঘাট কৰি থাকে, কষ্ট দিয়ে। অতীজৰ বিহুগীতত সমাজ জীৱনৰ এই কৰুণ সত্য স্পষ্টভাৱেই ধ্বনিত হৈ উঠিছে, যথা—

'ধনে দি পঠিয়াই / লংফুলৰ হাচতি / আমি দি পঠিয়াম কি? / ধনৰে আগতে / বাতৰি ক'বাগৈ / আমি দুখীয়াৰে জী'—

অসমীয়া সাহিত্যৰ চানেকী, সম্পাদনাঃ হেমচন্দ্র গোস্বামী।

ওপৰৰ বিহুগীতফাঁকিত পৰিস্ফুট হোৱা হীনমান্যতাৰ

হেতুও এয়াই। হীনমান্যতাৰ হেতুৰ উৎস কেতিয়াও স্ব-সৃষ্ট নহয়। শ্রেণীভেদৰ শুদ্ধ বগা ধুতি-পেন্ট আৰু কলা চামৰাৰ জোতাৰ তলত পিষ্ট হোৱা সমগ্র গণ জীৱনৰ হীনমান্যতাৰ ইয়াত প্রকাশ ঘটিছে। এই হীনমান্যতা, দুখ-দৰিদ্র, বৈষম্য, নির্যাতন, অৱসানৰ অর্থে সম্ভ্রান্ত শ্রেণীটোৱে অতীজৰ কোনোদিনেই কোনো উদ্যোগ লোৱা দেখা নগ'ল। তাহানি কালৰ ৰজাৰ দিনেই বোলা হওঁক বা পৰৱর্তী কালৰ প্রজাৰ দিনেই বোলা হওঁক, কৃষক, কৃষিজীৱি, শ্রমজীৱি শ্রেণীৰ বিপৰীতে সম্ভ্রান্ত অথবা মধ্যবিত্ত শ্রেণীৰ আনুগত্য প্রকাশ এইদৰে পোৱা যায়— 'আমাৰ নতুন ৰজা সম্রাট পঞ্চম জর্জ / আমি অতি আনন্দৰে তেওঁৰ প্রতি আমাৰ ৰাজভক্তি দেখুৱাওঁ। বিশ্বব্রহ্মাণ্ডৰ সম্রাট পৰমেশ্বৰে তেওঁক দীর্ঘায়ু কৰক, এয়ে আমাৰ প্রার্থনা।'— বাঁহী, সম্পাঃ লক্ষ্মীনাথ বেজবৰুৱা। যিহেতু বিহুৰ সৃষ্টিৰ উৎসৰ সৈতে সম্পর্কহীন, সেয়ে জাতীয় উৎসৱটোক জাতীয় হিচাপে ৰাখিও প্রয়োজনীয় সংশোধন ঘটোৱাৰ অধিকাৰ সর্বসাধাৰণ শ্রেণীটোৰ হাতত পূৰামাত্রাই আছে।

আমি ভাবো যে, কৃষক-কৃষিজীৱি শ্রেণীটোৰ অর্থবহ উৎসৱটো এচাম মধ্যবিত্ত, উচ্চ মধ্যবিত্ত শ্রেণীৰ আমোদ-প্রমোদৰ অনুষ্ঠানলৈ ঘটা ৰূপান্তৰে এদিন কৃষক-কৃষিজীৱি শ্রেণীটোক গুৰুতৰভাৱে ক্ষতিগ্রস্ত কৰিব।

ব'হাগ বিহুটো জাতীয় উৎসৱ হিচাপেই পালন হওঁক, ইয়াত সকলো শ্রেণীৰ মানুহেই থাকক, কিন্তু কৃষক-কৃষিজীৱি শ্রেণীটোক প্রত্যক্ষভাৱে জড়িত ৰখাৰ উদ্যোগ আনুষ্ঠানিক বিহু মঞ্চসমূহে ল'ব লাগিব। কৃষক-কৃষিজীৱি শ্রেণীটোক আনুষ্ঠানিক বিহুৰ ওচৰ চপাই অনা আৰু তেওঁলোককো বিহুৰ আনন্দ-উলাহৰ অংশীদাৰ কৰিলেহে বিহু পালনৰ প্রকৃত তাৎপর্য ৰক্ষা পৰিব।

বিহু কুঁৱৰীৰ ওঁঠত বর্হমথুৰিৰ ৰং গুচি কৃত্রিম ৰঙৰ লেপন পৰিছে, বিহুগীতত ধান-মাহ, গৰু-মাটি, কৃষকৰ হুমুনিয়াহৰ বিপৰীতে মোবাইল ফোন, লংপেন্ট পিন্ধা সমাজ বিচ্ছিন্ন ডেকা-গাভৰুৰ স্থূল আকাংক্ষাৰ প্রকাশ ঘটিছে। সকলো কু-লক্ষণৰ সৈতে ইয়াক ৰিজাব পাৰি। কিন্তু ইয়াৰ মাজত থকা সুপ্ত লক্ষণটো হৈছে সদায়ে সাম্রাজ্যবাদী শক্তি, শাসক-শোষক পক্ষৰ অনুগত শ্রেণীটোৱে কৃষক-কৃষিজীৱি শ্রেণীটোৰ আপোন উৎসৱ বিহুক পৰিকল্পিতভাৱে কাঢ়ি নিয়াৰ চক্রান্ত চলাইছে।

এনে চক্রান্তই কেৱল অসমীয়া মধ্যবিত্ত, উচ্চ মধ্যবিত্ত, শাসক-শোষক শ্রেণীটোৰ স্বার্থকেই পূৰণ নকৰে। ইয়াত সাম্রাজ্যবাদৰ স্বার্থ পূৰণৰ অভিপ্রায় ব্যক্তিগভাৱে আমি ৰিণিৰিণি দেখিবলৈ পাইছো। তাৰ আগেয়ে এই পৰিকল্পিত কার্যসূচী কি, কিয় আৰু ইয়াক কিদৰে কার্যকৰী কৰা হৈছে সেই কথা হৃদয়ংগম কৰাটোৱেই হৈছে এই মুহূর্তত আটাইতকৈ গুৰুত্বপূর্ণ কথা।

এই কথা আলোচিত হৈছে যে লোকসংগীতৰ চিৰায়ত যি আবেদন, সি আর্তি সেয়া বিশ্বায়িত ক্ষয়িষ্ণু সংস্কৃতিত তাণ্ডৱ নৃত্য আৰু উদ্দাম কোলাহলে কাঢ়ি নিছে। সন্দেহ নাই যে বিশ্বায়িত ক্ষয়িষ্ণু সংস্কৃতিৰ নেতিবাচক কু-প্রভাৱে পৃথিৱীৰ চুকে-কোণে কম-বেছি পৰিমাণে সকলো লোক-সংস্কৃতি, লোক সংগীতকেই প্রভাৱিত কৰিছে আৰু ইয়াৰ প্রকৃত স্বৰূপ, তাৎপর্যক ধীৰ গতিৰে গ্রাস কৰাৰ অভিযান ইতিমধ্যেই আৰম্ভ কৰা হৈছে। এই সন্দর্ভত উদাহৰণস্বৰূপে বিজ্ঞ গৱেষক পণ্ডিতে আঙুলিয়াই দিছে যে বাংলাদেশ আৰু পশ্চিমবংগ এই ভৌগোলিক পৰিসীমাৰ ক্ষেত্রখনত জীয়াই থকা বাউল লোকসংগীত আজি বিশ্বায়নৰ কু-প্রভাৱৰ দ্বাৰা ভীষণভাৱে জর্জৰিত। বাউল লোকসংগীত মূলতঃ একালত সিদ্ধাচার্যসকলে গানৰ মাজেদি প্রচাৰ কৰা বৌদ্ধ ধর্মৰ ভাৱাদর্শৰ সৈতে জড়িত আছিল। এই বাউল গানৰ উপজীব্য আছিল বৌদ্ধ সিদ্ধাচার্যসকলৰ শূন্যবাদ আৰু অদৃষ্টবাদ।

দূৰ অতীতৰ পৰা প্রচলিত হৈ অহা এই বাউল লোকসংগীতৰ সৈতে জড়িত শিল্পীসকলে একালত পৰিধান কৰা পোছাক আছিল নানা ৰঙেৰে বর্ণিল "আলখাল্লা" নামৰ এবিধ টাপলি মৰা বিশেষ পোছাক। আনহাতে পূর্ববঙ্গত এই বাউল গায়কৰ পোছাকৰ ৰং আছিল শুধ বগা। গৱেষকৰ সমীক্ষাই দেখুৱাইছে যে আজিৰ তাৰিখত বাউল গায়কসকলৰ পোছাকৰ ৰং একে হৈ থকা নাই। বাউল গায়কসকলৰ পোছাকৰ ৰং অধিক উজ্জ্বল আৰু ৰঙা হোৱাৰ লগতে কোনো কোনোৱে চিল্কৰ পোছাকো পিন্ধিবলৈ লৈছে। তেনেকৈয়ে বাউল গানৰ তাল আৰু কথায়ো একেই পৰিৱর্তনৰ সাজ পিন্ধিছে। ই এতিয়া আৰু বৌদ্ধ ধর্মৰ ভাৱাদর্শ অথবা সিদ্ধাচার্যসকলৰ শূন্যবাদ আৰু অদৃষ্টবাদক প্রতিনিধিত্ব নকৰে। তথ্য অনুসৰি এই পৰিৱর্তন ইমানেই তীব্র যে ঠাইভেদে নাৰী-পুৰুষৰ আদি ৰসাত্মক ৰসালাপ ভৰা কথা আৰু মূলৰ পৰা বিচ্ছিন্ন তালেৰেও বাউল গানে নতুনকৈ আত্মপ্রকাশ কৰিছে।

ঐতিহ্যপূর্ণ বাউল লোকসংগীত আজি এচাম লোকৰ বাবে হৈ পৰিছে জীৱিকাৰ উৎস আৰু এইটো কাৰণতেই আজিৰ ভোগবাদী সংস্কৃতিৰ দ্বাৰা আচ্ছন্ন ভিন ভিন শ্রেণীৰ মানুহৰ ৰুচি

অনুযায়ী প্রাচীন বাউল লোকসংগীতক বিকৃত কৰা হৈছে। মূলতঃ বিশ্বায়নৰ অভিপ্রায়মূলক উদ্দেশ্য আৰু লক্ষ্য সাধনৰ স্বার্থত পৰিকল্পিতভাৱে তৈয়াৰ কৰা বাতাবৰণেই যে জনজীৱনৰ লোকসংস্কৃতিক বিক্রয়যোগ্য পণ্যলৈ ৰূপান্তৰ কৰে, কবি আহিছে, ইয়াৰ ভাল উদাহৰণ হিচাপে নিশ্চিতভাৱে আজিৰ বাউল লোকসংগীতৰ ক্ষেত্রখনক চিহ্নিত কৰিব পৰা যায়। সময় প্রবাহৰ স্বাভাৱিক পৰিৱর্তনৰ মাজেদি জীয়াই থকা এই লোকসংগীতৰ অতি শেহতীয়া বিচ্যুতিয়ে এই কথাকেই দাঙি ধৰিছে যে শ্রোতা-দর্শকক মুগ্ধ কৰিব পৰাকৈ আকর্ষণীয় পণ্যলৈ ৰূপান্তৰিত হোৱাৰ স্বার্থতেই বাউল সংগীতে নিজৰ অর্থবহ, স্বকীয় ৰূপ হেৰুৱাব লগা হৈছে।

এনে পৰিৱর্তন সম্পর্কত নীৰৱ প্রশ্রয়ে নিপীড়িত-নিস্পেষিত শ্রেণীটোৰ শোষণ বিৰোধী বল-বীর্য কাঢ়ি নি ভৱিষ্যতে ৰাইজক সাম্রাজ্যবাদী শক্তিৰ ক্রীড়নত পৰিণত কৰিব। কাৰণ, এই কথা লুকাই থকা নাই যে আজি সমগ্র সংস্কৃতিয়ে ভোগবাদী সংস্কৃতিৰ একেই বেহ-ৰূপ, সাজোন-কাচোন অথবা আকাৰ-প্রকাৰৰ সাঁচত ঢালি বিশ্বৰ সমগ্র মানুহকে বস্তুগত কামনা পূৰণৰ স্থূল নিমখীয়া সাগৰত নিমজ্জিত কৰিব বিচৰা হৈছে। বিশ্বায়নেই হৈছে ইয়াৰ সূত্রধাৰ।

এই বিশ্বায়ন মাৰফৎ স্বকীয়, স্বাধীন আপোন সত্তা মচি বা নিঃশেষ কৰি অভিপ্রায়মূলক আৰু আৰোপিত এক সত্তাৰ ধ্বজা উৰুৱাব খোজা বিশ্বায়নৰ বিৰুদ্ধে প্রকৃত সচেতনতাক গঢ় নিদিলে হয়তো অচিৰেই হাজাৰ বছৰীয়া সংস্কৃতি, সাংস্কৃতিক সমল, পুৰণি স্মৃতিৰ অৱশেষ অথবা প্রাণহীন 'ফচিল' লৈ ৰূপান্তৰিত হৈ পৰিব।

ব্যক্তিগতভাৱে আমি এই কথা অনুভৱ কৰো— বিশ্বায়িত বাউল লোকসংগীত এই পৰিণতিৰ আধাৰত অসমৰ সকলো লোকসংগীত, লোকনৃত্য অথবা লোক-সংস্কৃতিৰ ভৱিষ্যত সম্পর্কে সংশ্লিষ্ট দায়িত্ব আটাইয়ে গভীৰভাৱে আৰু দায়ৰদ্ধ হোৱাৰ সময় আহি পৰিছে।

সম্ভৱতঃ সেই সকিয়নীক আমি গুৰুত্বসহকাৰে বিচাৰ কৰা উচিত হ'ব, য'ত কোৱা হৈছে— 'ধ্বংসাত্মক বিশ্বায়নৰ বিৰুদ্ধে সাংস্কৃতিক প্রতিবাদ অতি গুৰুত্বপূর্ণ। তথাপি সংস্কৃতি বা গোষ্ঠীগত সংস্কৃতিৰ সন্মুখত বিপদ এতিয়াও পুৰামাত্রাই আছে আৰু সাম্প্রতিক সময়ত যি সমগ্র সমাজে ধনতন্ত্রৰ বিশ্বায়নৰ ওচৰত আত্মসমর্পণ কৰিবলগীয়া হৈছে, তাতেই এই বিপদৰ অস্তিত্ব বেছিকৈ অনুভূত। বিশ্বায়নৰ বিৰুদ্ধে যি প্রতিবোধ গঢ়ি উঠিছে সেয় বহুমাত্রিক আৰু সংস্কৃতিও ইয়াৰ অন্তর্ভূক্ত...।— সাম্রি আমিন/ফ্রাঁসোয়ে উতাৰ।

কোনো কাৰণতেই এই সকিয়নীয়ে নির্ধাৰিত কৰি দিয়া কর্তব্য পালনক এক আনুষঙ্গিক কথা হিচাপে গণ্য কৰা উচিত নহ'ব। এই বিষয়া সন্দর্ভত আমি প্রতিজনেই একোজন আপোচবিহীন সক্রিয় যোদ্ধা— এনে মনোভাৱ এটা আজি তাৰিখত অতি জৰুৰী হৈ উঠিছে।

উপসংহাৰ ঃ

দেউতা ঈশ্বৰৰ অথবা জন্মগত কিস্বা বংশগতভা দেউতা ঈশ্বৰৰ সেৱা-সৎকাৰ কৰি আহা, তৈল মর্দনত পাকৈ শ্রেণীটোৰ হাতত লাঞ্ছনা-বাঞ্ছনা খাওঁতেই যাৰ চৈধ্যতা পুৰু গুচি গ'ল। কেনে আছে বাৰু সেই চৈধ্য পুৰুষৰ সন্তান আজি তাৰিখৰ মালতী-ধন-লাহৰীহঁত।

কচুৰা হাটলৈ গৈ দেখিলো বাটৰ কাষতে মঞ্চ এখন আৰ তাত বিহুৰ এক উদুলি-মুদুলি, খদমদম্ পৰিৱেশ। তথাপি চে শূন্যতা, কিবা এক নির্জনতা। সকলো আছে, কোনোবা নাই। কপূ গ'ল মালতীজনী, লাহৰী আৰু ধনহঁত?

ইঘৰ-সিঘৰকৈ বিচাৰি অৱশেষত দেখিলো বিহুবুলি মৰি কচি চিকুণ কৰি থোৱা মাটিৰ ঘৰৰ কাঠিত ৰ'দ লৈ মালতী ব আছে। কিবা এক মলিন ভাব। মেখেলাৰ তলৰফালে ওলাই থ তাইৰ ভৰিৰ আঙুলিত জেতুকাৰ ৰং, হাতৰ তলুৱা আৰু আঙুলিত সেই একেই জেতুকাৰ বোল।

একপ্রকাৰ তিৰস্কাৰৰ সু�ৰতেই কৈ উঠিলো— ইয়াত কৰি আছা মালতী? তোমাৰ চৈধ্য পুৰুষে তৈয়াৰ কৰি থৈ যো স্রজি থৈ যোৱা বিহু ঢোলৰ শব্দত গোটেইখন জগত খহি যা খহি যাওঁ কৰিছে আৰু তুমি ইয়াত অকলে এনেকৈ বহি আছা!

আমাৰ প্রশ্ন তাই অদ্ভুত বুলি ক'লে আৰু যথেষ্ট সহি জনালে যে আমাৰ এই জগত দর্শন ভুৱা আৰেগ আ আত্মপ্রতাৰণাৰে ভৰা। প্রায় একে উশাহতে তাই নিজৰ কথা ক' লাহৰী আৰু ধনহঁতৰ কথাও ক'লে। আৰু অৱশেষত যি ক ক'লে তাৰ সাৰমর্ম হ'ল— আমি কুকুৰীকণা নোহোৱাহেঁতে আৰু আমাৰ কর্ণভ্রম নোহোৱাহেঁতেন কেতিয়াও ধন, লাহ মালতীৰ অনুপস্থিতি স্বত্বেও বিহু ঢোলৰ মাতত জগতখন খ যোৱাৰ কথা উচ্চাৰণ কৰিব নোৱাৰিলোহেঁতেন।

মালতীৰ কথাই আমাৰ কলিজাত কাঁইটে বিন্ধা দি বিন্ধিবলৈ ধৰিছে। তেওঁবোৰ বিৰিঙি উঠিছে। ভাবিছো লাহৰী, ধন, মালতীহঁতৰ উপস্থিতিৰে গোটেই জগতখনক বিহুৰ বতৰত কিদৰে সৰৱ কৰিব পৰা যায়। সেয়ে এনে উদ্দেশ্যযুক্ত, সামান্য আৰু সংক্ষিপ্তভাৱৰ বুৰবুৰণি মৰসাহেৰে তলত দাঙি ধৰাৰ প্রয়োজনবোধ কৰিলো—

(১) জাতীয় পোছাক মুগাৰ মেখেলা-চাদৰ বিহু নৃত্যৰ সকলো নাচনীৰ বাবে বাধ্যতামূলক হোৱাটো উচিত নহয়। বিপৰীতে স্বাভাৱিক জীৱন-যাত্রাত উঠোতে-বহোতে ব্যৱহাৰ কৰা ৰঙীণ বা ৰংহীন মেখেলা-চাদৰ ব্যৱহাৰ কৰিও আনুষ্ঠানিক বিহু মঞ্চ বা মুকলি বিহু মঞ্চ বা মুকলি বিহুৰ নাচনীয়ে বিহুনৃত্য কৰাৰ অধিকাৰক নিঃসংকোচে স্বীকৃতি দিব লাগে। কাৰণ নির্দিষ্ট চর্ত কৰি বিহুৰ বতৰত কাৰোবাক ৰং-ৰহইচ কৰাৰ পৰা বা বিহু নচাৰ পৰা বঞ্চিত কৰা কেতিয়াও উচিত কথা হ'ব নো�ৱাৰে।

(২) আনুষ্ঠানিক বিহু মঞ্চত প্রতিযোগিতাৰ মাজেদি বিহু কুঁৱৰী, কোঁৱৰ, সম্রাজ্ঞী ইত্যাদি নির্বাচন কৰাৰ ধুম আৰু ধাৰণাক বিসর্জন দিয়াটো মংগলজনক হ'ব। কাৰণ যিহেতু বিহুৰ সৃষ্টিকর্তা মূলতঃ কৃষিজীৱি, শ্রমজীৱি শ্রেণী আৰু এই উৎসৱ পালনৰ এক নির্দিষ্ট অর্থ আছে। সেয়ে ইয়াৰ সতে সংগতিবিহীন কুঁৱৰী, কোঁৱৰ, সম্রাজ্ঞী, ৰজা, ৰাণী ইত্যাদি সম্পূর্ণৰূপেই ৰাজকীয় মর্যদা, সেয়ে লোক উৎসৱ এটিক জীয়াই ৰখা, জনপ্রিয় কৰা আৰু উৎসাহিত কৰাৰ নামত ৰাজহুৱাভাৱে কাৰোবাক প্রদান কৰা এনে মর্যদাই কৃষক, কৃষিজীৱি, শ্রমজীৱি, নিচনা শ্রেণীটোৰ ওপৰত চলা মধ্যযুগীয় ৰজাৰ ৰাজকীয় নিপীড়ন, বর্বৰতাৰ ইতিহাসক স্মিতিৰ গহুৰলৈ ঠেলি দিয়াৰ সম্ভাৱনাক সঞ্জীৱিত কৰি তুলিব পাৰে। তেনে নামাকৰণেৰে বঁটা বাহন প্রদান কৰা কার্যই সর্বসাধাৰণ নিচলা শ্রেণীৰ সৃষ্টি বিহুক উপহাস কৰাৰ লগতে নিপীড়িত শ্রেণীটোকো অপমানহে কৰা হয়। সেয়েহে বঁটা বাহন প্রদান বেলিকা সবাৰে গ্রহণযোগ্য বিকল্প নামাকৰণ ব্যৱস্থা সম্পর্কে চিন্তা কৰিব পৰা যায়।

(৩) বিহুগীত আৰু হুঁচৰিত নির্দিষ্ট ধর্মৰ দেৱ-দেৱতাৰ উল্লেখ আৰু হুঁচৰিত গৃহস্থক আশীর্বাদ দিয়াৰ নির্দিষ্ট ধর্মীয় ধৰণ-কৰণ আজিৰ তাৰিখত বাতিল হোৱা উচিত। এনে সিদ্ধান্তই অসমৰ হিন্দু, মুছলমান, খ্রীষ্টান আদিকে ধৰি সকলো ধর্মীয় সমাজৰ লগতে বিহু উৎসৱক একান্ত হ'বলৈ আৰু স্বতঃস্ফূটভাৱে অংশগ্রহণ কৰিবলৈ বাট মুকলি কৰিব। ভৱিষ্যতলৈ দৃষ্টি ৰাখি গ্রহণ কৰা এনে সাহসী, প্রগতিশীল পদক্ষেপেহে সঁচা অর্থত বিহুক জাতীয় উৎসৱ হিচাপে দিয়া মান্যতাৰ নতুন অংকুৰ ৰোপণ কৰাৰ লগতে সার্বজনীন ভাৱধাৰাৰ পুলি-পোখা মেলাত প্রয়োজনীয় সাৰ-পানী যোগাব।

(৪) জাতীয় উৎসৱ বুলিলে যাতে বছৰটোৰ কেইটামান দিন সকলো পাহৰি আৰু পেটত কামি মাৰি হ'লেও কৃষক, কৃষিজীৱি, শ্রমজীৱি, নিচলা শ্রেণীটোৱে ৰাজহুৱাভাৱে আনন্দ উৎসৱত ভাগ ল'ব পাৰে তালৈ লক্ষ্য ৰাখি এই শ্রেণীটোৰ সৈতে সংগতি ৰাখি আনুষ্ঠানিক বিহু মঞ্চসমূহে কিছুমান উৎসৱ কেন্দ্রীয় প্রতিযোগিতা অনুষ্ঠিত কৰিব পাৰে। এনে প্রতিযোগিতাই বৃহত্তৰ অঞ্চলৰ প্রতিখন গাঁও আৰু চুবুৰীকে সামৰি লোৱা উচিত।

(৫) অডিঅ', ভিডিঅ', চিনেমা আৰু টিভি ইত্যাদি আধুনিক প্রযুক্তিৰ গাত ভেজা দি যিহেতু গোটেই বছৰ বা বছৰৰ পিছত বছৰ ধৰি কণ্ঠশিল্পীসকলে অপৰিসীম অর্থনৈতিক স্বচ্ছলতা আহৰণ কৰাৰ বাট মুকলি হৈছে আৰু অসমত এতিয়া এই প্রযুক্তিয়ে ভাল ব্যৱসায় কৰিবলৈ সক্ষম হৈছে, সেয়ে ইয়াৰ সৈতে জড়িত তথা অর্থনৈতিকভাৱে উপকৃত কণ্ঠশিল্পীসকলে বিহু মঞ্চত নিজে ধার্য কৰা টকা-পইচাৰ মাননিৰ বিনিময়ত গীত পৰিৱেশন কৰা, কার্যসূচী বাতিল কৰা সম্পর্কে সহৃদয়তাৰে বিবেচনা কৰা উচিত। জাতীয় উৎসৱ বুলিলেই মূলতঃ অর্থনৈতিকভাৱে পিছপৰা ৰাইজৰ অজ্ঞাতে, সংগোপনে বিহুৰ বিচ্যুতিক স্বাভাৱিক হিচাপে গ্রহণীয় কৰি তোলাৰ ক্ষেত্রত প্রত্যক্ষভাৱে প্রভাৱিত কৰিবলৈ লৈছে মূলতঃ বিহুগীতৰ অডিঅ' আৰু ভিডিঅ' কেছেট-চিডিসমূহে। সেয়ে জাতীয় অনুষ্ঠান, সংগঠন আৰু চিন্তাশীল বুদ্ধিজীৱিসকলে এই সংক্রান্তত প্রয়োজনীয় ইতিবাচক মতামত সহকাৰে বিচ্যুতি কিস্বা বিকৃতিৰ বিৰুদ্ধে জনমত গঠনেৰে প্রকৃত সচেতনতা গঢ় দিবলৈ আগবাঢ়ি অহা উচিত। অসমৰ দহটা অঞ্চলৰ স্ব-নির্বাচিত দহখন বিহু মঞ্চত যাতায়াত (কেৰল ইন্ধন) খৰচ আৰু প্রয়োজনবোধে মঞ্চত গীত পৰিৱেশনৰ বাবে আনুষংগিক ব্যৱস্থাপনা খৰচৰ অর্ধাংশৰ বিনিময়ত প্রতিজন কণ্ঠশিল্পীয়ে মঞ্চ বিহুৰ সাংস্কৃতিক সন্ধিয়াত অংশগ্রহণ কৰিবলৈ আগবাঢ়ি অহা উচিত। এনে বাতাবৰণ গঢ় দিয়াৰ দায়িত্ব মূলতঃ শিল্পীসকলৰ। জাতীয় উৎসৱৰ নামত ব্যক্তিগত ক্ষুদ্র সাময়িক লাভ-লোকচানৰ হিচাপটোক গৌণ দৃষ্টিৰে চালে ই সম্ভৱ হৈ উঠাৰ লগতে শিল্পীসকলক ৰাইজে যথাযোগ্য প্রকৃত শিল্পীৰ মর্যদা দিয়াৰ বাটো মুকলি কৰিব। তেনে শিল্পীৰ বাবে বিহুৰ বতৰত

ৰাইজে আশা পালি ৰ'ব, যিয়ে ৰাইজৰ পৰা ফুটাকড়ি এটা নোলোৱাকৈ মহানগৰৰ পৰা দূৰণিৰ স্ব-নির্বাচিত গ্ৰামাঞ্চলত হঠাৎ ভুমুকি মাৰি আকস্মিক সাংস্কৃতিক সন্ধিয়াৰ বাতাবৰণ এটা নির্মাণ কৰিব।

(৬) ৰাইজৰ অজ্ঞাতে, সংগোপনে বিহুৰ বিচ্যুতিক স্বাভাৰিক হিচাপে গ্ৰহণীয় কৰি তোলাৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰিবলৈ লৈছে মূলতঃ বিহুগীতৰ অডিঅ' আৰু ভিডিঅ' কেছেট-চিডিসমূহে। সেয়ে জাতীয় অনুষ্ঠান, সংগঠন আৰু চিন্তাশীল বুদ্ধিজীৱিসকলে এই সংক্ৰান্তত চিন্তা কৰাটো প্ৰয়োজনীয়। ইতিবাচক মতামত সহকাৰে বিচ্যুতি কিম্বা বিকৃতিৰ বিৰুদ্ধে জনমত গঠনেৰে প্ৰকৃত সচেতনতা গঢ় দিবলৈ আগবাঢ়ি অহা উচিত। এনে মতামত সম্বলিত পৰামৰ্শ আৰু পথ নির্দেশনাক অৱজ্ঞা কৰি আধুনিক প্ৰযুক্তিৰ মাধ্যমেৰে বিহুগীতৰ ব্যৱসায় কৰা নির্দিষ্ট বেপাৰী তথা দায়ৱদ্ধহীন শিল্পীসকলক ৰাজহুৱাভাৱে যথাযোগ্য গৰিহণা প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে তেওঁলোকৰ ব্যৱসায় কৰ্মৰ ওপৰত গণ নিষিদ্ধকৰণৰ ব্যৱস্থা কার্যকৰী কৰিব পৰা যায়।

(৭) ৰঙপেটা জিলাৰ মাজেৰে বৈ যোৱা লুইতৰ কোনো এটা চাপৰিত বিহুৰ এটা দোকমোকালিত হাছান, আক্ৰাম, ফজল, খুড়াকে ধৰি জীয়ৰী-বোৱাৰী, ডেকা-ডেকেৰী, শিশু আটাইয়ে বিহুগীত, ঢোল, তাল, গগনাৰ মাতত আগতীয়াকৈ সাৰ পাই গ'ল। পঞ্চাশজনীয়া বিহু দলটিক সিপাৰৰ গঞাই আগবাঢ়ি থ'বলৈ আহিছে। চাপৰি ৰাইজে বিহুৰা দলটিক আথে-বেথে আদৰিলে। বেলিয়ে কঁকাল পোনাবলৈ নৌপাওঁতেই চাপৰিৰ লটপচী নাজমা, চাকিনা, নাজনীন আৰু ডেকাবোৰে বিহুগীত গাবলৈ, নাচিবলৈ ধৰিলে। বিহুৰা দলটিয়ে তেওঁলোকৰ আৰু এঘুমটি বা দুঘুমটিমান লাগে, তাৰ পিছত জলপান আৰু তাৰ পিছত দিনটোলৈ বিহু মাৰিব। কথামতেই কাম আৰু বেলি ডুবালৈকে তেওঁলোকে নাচিলে। পিছদিনা চাপৰিৰ ডেকাবোৰে লুইতৰ দক্ষিণ পাৰলৈ বিহুৰা দলটিক নাৰেৰে পাৰ কৰি থ'বলৈ গ'ল আৰু হাছান খুড়াৰ হাতেৰে ৰাইজে হাটে-বাটে প্ৰয়োজনত খৰচ কৰিবলৈ সাতশ টকাৰ আদৰ-চেনেহৰ মাননি এটাও দিলে। সিপাৰত তেওঁলোকে কোনোবা এখন বা দুখন গাঁৱত এবেলা নাচিব আৰু গোৱালপাৰালৈ যাব গোৱালপাৰাত দুদিন কটাই কোকৰাঝাৰত নাচিবগৈ। তাৰ পিছ বঙাইগাঁৱত এবাতি কটাই ঘৰলৈ উভতিব। যাওঁতে জনাই থৈ গ নগাঁৱত এই ৰঙপেটাৰেই দুটা বিহুৰা দল লগ পাই থৈ আহি আৰু লখিমপুৰৰ পৰা তিনিটামান মিচিং আৰু দুটামানে দেউ বিহু দল ভাগে ভাগে নামনি অসমলৈ আহিব। ইয়ালৈও আহি যা পাৰে। তাৰ আগেয়ে তেওঁলোক কামৰূপ হৈ নলবাৰীত নাচিব ভিতৰুৱা গাঁৱত।

আনহাতে বিহু বতৰ বুলিয়েই প্ৰথম পর্যায়ত নিজ খৰচৰেই গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাঁও, নলবাৰী, দৰঙ পৰা গৈ এইকেইদিন ৰাভা ছাথাৰ নৃত্যৰ দল, বড়োৰ বৈচাগ বাৰদৈচিখলা, বাগৰুম্বাই উজনি অসমৰ গাঁৱে-গাঁৱে এটা উখল মাখল পৰিবেশৰ সৃষ্টি কৰিছেগৈ।

ব'হাগ বিহু বসন্ত উৎসৱ বতৰতেই এনে এটা কাল্পনি নির্মল উৎসৱমুখৰ পৰিবেশ উজনি-নামনি সমগ্ৰ অসমত বাস্তৱায়িত কৰা অসুবিধা ক'ত আৰু কিমানটা বছৰত এনে নির্ম বতৰৰ এনে নির্মল প্ৰচেষ্টা বাস্তৱত ৰূপ পাব বুলি ভাবিব পা বাৰু? এই কথা নিশ্চিত যে কিছু দিশত মালতী-ধন-লাহৰীইঁ নিজে গা-উজান নিদিলে এনে চিন্তাই বাস্তৱত কেতিয়াও কার্যকৰ ৰূপ নাপাব। আলোচিত কথাবোৰ চালিজাৰি চালে প্ৰয়োজনী দায়িত্ব তথা কর্তব্য নির্ধাৰণ কৰিবলৈ স্বাভাৰিকতেই হয়তো কি চিন্তা, সময়ৰ প্ৰয়োজন হ'ব। কিন্তু কঁকাল ঘুৰাই নাচিবলৈতো চি নালাগে। লাগে আবেগ মন। বেলিকৈ কিয় এই বেলিয়েই উজনি নামনিত উখল-মাখল এচাটি বতাহ বোৱাই দি যায়, যি কথা হয়তো এটা সুদূৰপ্ৰসাৰী নতুন বাট উন্মোচন কৰিব। অকৃত্ৰিম আৱে ঢালি কঁকাল ঘুৰাই ঘুৰাই নাচিব, গাব জনা উজনিৰ পাকৈত নাচনি ঢুলীয়া লাহৰী-ধন-মালতীহঁতক এই খবৰটি কোনোবাই দিবনে!

আশা কৰো বিষয়-কথাবোৰ সকলো শ্ৰেণীৰ ৰাইজে দৰে গমি চাব। দকৈ চিন্তা কৰাৰ দায়িত্ব মূলতঃ সর্বসাধাৰণ শ্ৰেণী লগতে এই শ্ৰেণীটোৰ শুভাকাংক্ষীসকলৰ।

◈ ◈ ◈

অসমৰ জাতি-জনজাতিৰ মাজত প্ৰচলিত
বসন্ত উৎসৱ

— ডঃ ৰঞ্জু ঠাকুৰীয়া
অসমীয়া বিভাগ

কোনো বিশিষ্ট সময়ত অনুষ্ঠিত বিশেষ উদ্দেশ্য আৰু তাৎপর্য নিহিত থকা অনুষ্ঠানকে উৎসৱ বুলি কোৱা হয়। উৎসৱ লোক সমাজৰ সামাজিক আচৰণৰ ভিতৰুৱা।

চিকাৰীজীৱি আদিম লোকসমাজে খাদ্য পুৰি খাবলৈ যেতিয়াই শিকিলে, ক'বলৈ গ'লে তেতিয়াই উৎসৱৰ জন্ম, চিকাৰ কৰি অনা জীৱ-জন্তু জুইত পুৰি থকাৰ সময়তে তেওঁবিলাকে মনৰ আনন্দত দেহৰ অঙ্গী-ভঙ্গী প্ৰদর্শন কৰি নাচ-গান কৰিছিল। তাৰ ফলত শ্ৰমৰ কষ্ট লাঘৱ হৈছিল আৰু তেনেদৰেই আদিম লোক সমাজৰ মাজত অৱসৰ বিনোদনৰ আৱন্তণি ঘটিছিল। কালক্ৰমত দেহৰ অঙ্গী-ভঙ্গীয়ে নৃত্য-গীত আৰু সময়ত ইবোৰেই উৎসৱ-অনুষ্ঠানলৈ ৰূপান্তৰ ঘটিছিল। কাৰণ সকলো উৎসৱ-অনুষ্ঠানৰ অন্তৰালত নিহিত থাকে শ্ৰমৰ কষ্ট লাঘৱ কৰাৰ উদ্দেশ্য আৰু খাদ্য-বংশ বৃদ্ধিৰ কামনা।

আদিম লোক সমাজত মানুহৰ প্ৰধান অভাৱ আছিল দুটা মানুহৰ অভাৱ আৰু খাদ্যৰ অভাৱ। প্ৰকৃতিৰ প্ৰতিকূল পৰিৱেশত নিজকে জীয়াই ৰাখিবলৈ আদিম লোক সমাজৰ প্ৰয়োজন আছিল অধিক মানুহৰ লগতে প্ৰচুৰ খাদ্যৰ। সেয়ে সেই সময়ত খাদ্য বৃদ্ধিৰ আৰু মানুহ বৃদ্ধিৰ কামনাৰে তেওঁবিলাকে উর্বৰতা বৃদ্ধিৰ যাদু, পূজা-উপাসনা আদি অনুষ্ঠিত কৰিবলৈ লৈছিল। এইক্ষেত্ৰত তেওঁবিলাকৰ মনত সৃষ্টি হোৱা ধাৰণাত প্ৰকৃতি আৰু নাৰী উভয়ে আছিল সমপর্যায়ৰ, অসীম শক্তিৰ অধিকাৰিণী। কাৰণ প্ৰকৃতি ধৰিত্ৰীৰ দৰে নাৰীৰো আছে বংশ বৃদ্ধি কৰিব পৰা অসীম প্ৰজনন শক্তি। গতিকে নাৰী আৰু প্ৰকৃতিক এক পৰম শক্তি বুলি বিশ্বাস কৰি তেওঁলোকে নাৰী আৰু প্ৰকৃতিক অধিক উর্বৰা কৰিবলৈ কিছুমান ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ডৰ আয়োজন কৰিছিল। পৃথিৱীৰ সর্বত্ৰ পালন কৰা বসন্ত উৎসৱৰ অন্তৰালত নিহিত হৈ আছে আদিম লোকসমাজৰ উপৰি উক্ত নাৰী আৰু প্ৰকৃতিৰ উর্বৰতা বৃদ্ধিৰ কামনা।

কোনো অঞ্চলৰ উৎসৱ-অনুষ্ঠানৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে ইয়াৰ অধিবাসী বা জনগাঁঠনিৰ বিভিন্ন দিশ আলোচনা কৰা অত্যন্ত প্ৰয়োজনীয়।

কিয়নো সেই অঞ্চলৰ জন-জীৱন সম্পৰ্কে নজনাকৈ সেই অঞ্চলৰ লোকসংস্কৃতি অধ্যয়ন কৰাটো সমীচিন নহয়।

অসমৰ জনগোষ্ঠীক জনজাতীয় আৰু অজনজাতীয়— এই দুটা বহল ভাগত বিভক্ত কৰিব পাৰি। জনজাতিৰ ভিতৰ— বড়ো, কছাৰী, ৰাভা, লালুং, গাৰো, কাৰ্বি, মিচিং, দেউৰী, চুতীয়া, ডিমাচা আদি গোষ্ঠীৰ লোক আছে। চাহ জনগোষ্ঠীৰ লোকসকল অসমৰ জনগাঁঠনিৰ ঘাই সুঁতিটোৰ লগত একীভূত হৈছে। অজনজাতীয় গোষ্ঠীৰ ভিতৰত অন্তর্ভুক্ত কৰিব পাৰি— বর্ণ হিন্দু, অনুসূচীত জাতি, অন্যান্য পিছপৰা শ্রেণী আদি। ভাষাতাত্ত্বিক প্রজাতীয় প্রমাণৰ ফালৰ পৰা অসম নেগ্রিটো আৰু এচিয়াটিক, তিব্বত বর্মীয় আৰু আর্য্যলোকৰ বাসস্থলী। ত্রয়োদশ শতিকাৰ লগে লগে আহোমসকল আৰু মুছলমানসকলৰ আগমন ঘটে। বৃটিছ আগমনৰ লগে লগে অসমত খ্রীষ্টধর্মৰ প্রসাৰ ঘটে।

অসমত বসবাস কৰা উপৰিউক্ত জনজাতি-অজনজাতিৰ লোকসকলে প্রায় একে উর্ৰৰা ধাৰণা বশৱর্তী হৈ বসন্তকালীন লোক উৎসৱসমূহ পালন কৰে। কৃষি প্রাচুর্য্যৰ বাবেই যে এই উৎসৱসমূহ পালন কৰা হৈছিল তাক অলপ গমি চালেই উমান পোৱা যায়। অ'ষ্ট্রিক, মংগোলীয়, ন'র্ডিক, দ্রাবিড় ইত্যাদি বিভিন্ন নৃ-গোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠা বাবে-বৰণীয়া অসমীয়া সংস্কৃতিত বসন্তকালীন উৎসৱ-অনুষ্ঠানে ঐক্য আৰু সম্প্রীতিৰ সমন্বয় আৰু সংহতিৰ বিৰাট তাৎপর্য বহন কৰিছে। তলত বিভিন্ন জনগোষ্ঠীৰ মাজত প্রচলিত এনে কেইটামান উৎসৱৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল—

অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু

কৃষিজীৱি অসমীয়াৰ প্রায়বো উৎসৱ-পার্ৱণেই কৃষিমুখী। বসন্ত কালত পানী পাই অসমৰ প্রকৃতিৰাণী সাজি-কা গাভৰুজনী হে উঠে। প্রকৃতিৰ ৰূপে-ৰ প্রকৃতিপ্রেমী অসমীয়াৰ মনতে আনন্দ জোৱাৰ আনে, ঠন ধৰি উঠা গছ-লতিকা লগতে ঠন ধৰি উঠে ধাননিড়ৱা। কৃষি নি অসমীয়াই সেয়ে বিহু পাতে খেতি আৱন্তণিতে, বাঢ়নি কালত আৰু খে চপোৱাৰ বতৰত। বিশেষকৈ খেতি আৱন্তণিত ব'হাগ মাহৰ প্রকৃতিৰ ৰম্য ৰূপে যেন অসমীয়া ডেকা গাভৰুক উতলা কৰে। শস্য বৃদ্ধিৰ কামনাৰে, জীৱ-জন্তুৰ মঙ্গ কামনাৰে ডেকা-গাভৰুৰে মিলি বিহু পাতে। ৰাতি বিহু কৰে, গী নৃত্যৰ তালত যৌৱনৰ ৰাগিত ডেকা-গাভৰুৰে এই বিহুতে যুৱ জীৱনৰ পাতনি মেলে। লোক মানসৰ উর্ৰৰা ধাৰণাত জন্ম হো বিহুৰ বিভিন্ন লোকাচাৰত প্রকাশ পায় বৃদ্ধিৰ কামনা। জাতি-ধ নির্বিশেষে প্রত্যেক অসমীয়াই বসন্তকালীন ৰঙালী বিহু উদ্‌যাপ কৰে বাবেই ই জাতীয় উৎসৱৰ মর্যদা লাভ কৰিছে।

অসমীয়াৰ প্রাণৰ সৈতে বিহুৰ যি নিবিড় সম্বন্ধ বিতোপনভাৱে ফুটি ওলাইছে সদায় শুনি থকা এই ফাঁকি বিহুগীততে—

"অতিকৈ চেনেহৰ মুগাৰে মহুৱা
অতিকৈ চেনেহৰ মাকো
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।"

ভৈয়ামৰ অসমীয়াই পালন কৰা বসন্তকালীন এই ৰঙালী বিহু সাতদিন জুৰি পালন কৰা হয়। চ'তৰ সংক্রান্তিৰ দিন গৰু বিহু। গৰু বিহুৰ পৰা সাতদিন জুৰি আৰম্ভ হোৱা বিহুৰেই সাত বিহু— গৰু বিহু, মানুহ বিহু, হাত বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু, ছেৰা বিহু। নামনি অসমৰ কোনো কোনো ঠাইত 'সোঁসাই বিহু' ও পতা হয়। ই সম্ভৱতঃ পৰৱর্তী বৈষ্ণৱ ধর্মৰ প্রভাৱৰ ফলত সৃষ্টি হোৱা লোকাচাৰ।

গৰু বিহুৰ দিনা ৰাতিপুৱাই গৰুক মাহ-হালধি, তেল সানি গা ধুৱাই নতুন পঘা আঁৰি দি দীঘলতি-মাখিয়তিৰ পাতেৰে গৰুৰ গাত কোবোৱাৰ অন্তৰালত উর্ৰৰা বিশ্বাস জড়িত হৈ আছে। গধুলি পদুলিৰ পৰা গোহালিলৈকে শুকান ধান খেৰ, তুঁহ, দীঘলতি-মাখিয়তি পাত আদি জ্বলাই ধোঁৱাময় কৰি তোলা হয়, ইয়াকে 'জাগ' দিয়া বুলি কোৱা হয়। এই ধোঁৱাই মহ-ডাঁহ আঁতৰোৱাৰ উপৰিও অপদেৱতাক খেদি পঠিয়াই বুলি লোকসমাজে বিশ্বাস কৰে।

অঞ্চল বিশেষে গৰু বিহু, মানুহ বিহু বা সাত বিহুৰ ভিতৰৰ যিকোনো এদিন এশ এবিধ শাক খোৱাৰ নিয়ম আছে। কিছুমানে ইয়াত সাত শাকেতি বা সাথেক তোলা বিহু বোলে। 'সাত বিহুৰ শাক শুকতি দেহাত দেই বল' বুলি বিশ্বাস কৰি এশ এবিধ নহ'লেও সাতবিধ বা ন বিধ শাক তোলাৰ নিয়ম।

ব'হাগ বিহু ৰং-ধেমালিৰ উৎসৱ। বিহুবলীয়া ডেকা-গাভৰুৰে সেয়েই ব'হাগ বিহুত নানান খেল-ধেমালি ও কৰে। তাৰ ভিতৰত কড়ি খেল উল্লেখযোগ্য। কড়ি প্রজননৰ প্রতীক। ৰং-ধেমালিৰ উপৰিও ব'হাগ বিহুৰ আটাইতকৈ উল্লেখযোগ্য লোকাচাৰ হ'ল বিহুৰ সাতদিনত বিহুগীত গোৱা আৰু নচা। বিহুগীতৰ এটা ঘাই লক্ষণ হ'ল— তাৰ নাচৰ লগত সম্বন্ধ। বিহুগীত আৰু নাচৰ প্রধান উদ্দেশ্য হ'ল— আদিতে এই গীত আৰু নৃত্য আছিল মন্ত্রমূলক, য'ত নিহিত আছে শস্য বৃদ্ধিৰ কামনা, দ্বিতীয়তে ই আছিল চহা লোকৰ যৌন মিলনৰ সহায়ক। বিহু নাচত শৰীৰৰ যি যি অংশ সঞ্চালিক হয় আৰু গীততে চেনাই-চেনেহীৰ যি সম্বন্ধ প্রকাশ পায়, তালৈ চাই বিহুগীত আৰু নাচৰ প্রেৰণা উর্ৰৰা বিশ্বাস বুলি ক'ব লাগিব। "চীন দেশতো দুই হেজাৰ-আঢ়ৈ হাজাৰ বছৰ আগেয়ে বসন্তকালত ডেকা-গাভৰুৰে ৰং-ধেমালিৰ মাজত বিয়াৰ বাচনি কৰা চানেকি পোৱা গৈছে।" (প্রফুল্ল দত্ত গোস্বামী) বিহু গীতটো তাৰ চানেকী পোৱা যায়—

"চ'তে চ'তে গৈ ব'হাগে পালেহি
ফুলিলে বাবৰি ফুল।
তোমাৰ লগতে মৰো যদি মৰিম ঐ
এৰি যাম নিজৰে কুল।" (ব'হাগী)

পণ্ডিতসকলে অসমীয়াৰ বিহুৰ অস্তিত্ব বিচাৰি প্রাচীন ভাৰতত পালন কৰা "বিঘুৱণ" উৎসৱৰ ওচৰ পাইছে। বিহু তাৰে পৰাই উৎপত্তি হৈছে নে নাই সঠিক ক'ব নোৱাৰিলেও দুয়োটা উৎসৱৰে মূল উদ্দেশ্য কিন্তু একেটাই— খেতি-বাতিৰ মংগল কামনা। আর্য-অনার্যৰ সাংস্কৃতিক সমন্বয়ত বর্তমান ৰূপ লোৱা বিহুত অনেক নতুন নতুন কথা সোমাই পৰিছে। পৰিৱর্তনৰ ধাম-খুমীয়াত যাতে অসমীয়াৰ বাপতি সাহোন বিহুৰ মূল ঐতিহ্য লোপ নাপায় সেয়ে সুধী সমাজৰ আশা।

বড়োসকলৰ 'বৈশাগু' ঃ

বড়োসকলে বসন্তকালত 'বৈশাগু' উৎসৱ পালন কৰে। এই উৎসৱত বড়ো ডেকা-গাভৰুৰে মানুহৰ ঘৰে ঘৰে গৈ বৈশাগু নাচ নাচে আৰু গীত গাই।

বড়োসকলে সাতদিন ধৰি এই উৎসৱ পালন কৰে আৰু প্রত্যেকটো দিনৰে একোটা সুকীয়া সুকীয়া নাম দিয়ে। যেনে— মাগৌ দোমাহী (গৰু বিহু), মান্‌সি দোমাহী (মানুহ বিহু), সাইমা দোমাহী (কুকুৰ বিহু), অমা দোমাহী (গাহৰি বিহু), দাউনি দোমাহী (কুকুৰা বিহু), হাঁহ-পাৰ বিহু আৰু মিতিৰ-কুটুম্বৰ বিহু।

ৰাভাসকলৰ বসন্ত উৎসৱ 'ৰায়খো' ঃ

বড়োসকলৰ দৰেই অসমৰ ৰাভাসকলে জেঠ মাহত 'ৰায়খো' উৎসৱ পালন কৰে। কেতিয়াবা অনাবৃষ্টি নিবাৰণৰ বাবে বাখোৰ আয়োজন কৰা হয়। ই প্রধানতঃ কৃষিভিত্তিক বসন্ত উৎসৱ। ৰায়খো উৎসৱৰ আনুসঙ্গিকভাৱে ৰাভা ডেকা-গাভৰুৰে 'ছাথাৰ' নৃত্য পৰিৱেশন কৰে। ছাথাৰ নৃত্যৰ সৈতে জড়িত ছাথাৰ গীত বিহুগীতৰ দৰেই প্রেমমূলক গীত।

বিহুগীতত যেনেদৰে ৰঙে-ৰূপে ভৰা বসন্তকালীন অসমৰ প্রকৃতি জগতখন সুন্দৰকৈ জিলিকি আছে, ৰাভাসকলৰ ছাথাৰ গীততো প্রকৃতিয়ে মুখ্য ভূমিকা গ্রহণ কৰিছে। ৰায়খো উৎসৱৰ আগমনৰ বতৰা পাই যেন প্রকৃতিৰাণী সাজি-কাচি ওলাই আহিছে। গছে-পাতে, ফুলে-মূলে, চৰাই-চিৰিকটিয়ে নৱৰূপ ধাৰণ কৰি উৎসৱৰ আনন্দ উপভোগ কৰিবলৈ ওলাই অহা দেখি ঘৰত মন মাৰি বহি থকা ডেকা-গাভৰুৰে মন বান্ধি ৰাখিব পৰা নোৱাৰি ৰায়খো তলীলৈ ওলাই আহিল—

"ৰায়খো ডাংকায় নায়ছে
ৰিবাজো ৰাম চিৰুপাল।
মান্দাৰ পাৰো নুকেছে পামছু পাৰো নুকেছে
ল'গা পালো ৰায় ৰিবাজো চিমে।।"

(অসমীয়া অর্থ ঃ ৰায়খোৰ বতৰা পাই ৰামশালিকা চৰাইৰ পাল আহিল, মদাৰ আৰু শিমলু ফুল দেখি লগে লগে আমিও

আহিলো।)[১]

গীতফাঁকিৰ বৰ্ণনাৰ মাজেৰে প্ৰকৃতিপ্ৰেমী ৰাভা সমাজৰ প্ৰাকৃতিক উপাদানৰ ওপৰত থকা সহজাত প্ৰীতি তথা প্ৰকৃতিৰ এখনি স্পষ্ট প্ৰতিচ্ছবি দাঙি ধৰিছে।

মিছিংসকলৰ 'আলি আই লৃগাং' ঃ

মিছিংসকলৰ কৃষিভিত্তিক বসন্ত উৎসৱ হ'ল আলি আই লৃগাং। আহু বা বাওধান সিঁচিবৰ বতৰত ফাগুন মাহৰ প্ৰথম বুধবাৰে পৃথিৱী মাতৃ আৰু পূৰ্বপুৰুষসকলক সন্তুষ্ট কৰিবলৈ এই উৎসৱ পতা হয়। ধান, আলু আদি শস্য ৰোপণ কৰি সেইবোৰ নগজালৈকে অৰ্থাৎ পাঁচদিন গেনা পালন কৰা হয়। গেনা পালন কৰা পাঁচদিনত মাটি খন্দা, বাঁহ কটা ইত্যাদি কাম কৰা নহয়। এই দিনকেইটাত কুকুৰা, কণী খোৱা নিষেধ। কণী অংকুৰণৰ প্ৰতীক।

মিছিংসকলে বুধবাৰ দিনটোক পৰম পবিত্ৰ দিন হিচাপে গণ্য কৰে। আলি আই লৃগাংৰ অৰ্থই হৈছে খেতিৰ বীজ সিঁচাৰ আৰম্ভণি। আলি আই লৃগাং উৎসৱৰ লগত সংগতি ৰাখি মিছিং ডেকা-গাভৰুৱে মিলি 'গুমৰাগ নৃত্য' কৰে। গুমৰাগ নৃত্যৰ লগত গোৱা গীতৰ নাম ঐনিতম। 'ঐনিতম' বিহুগীতৰ দৰেই প্ৰণয়মূলক গীত।

ছুগ্ৰামিছাৰা ঃ

মিছিংসকলৰ দৰেই লালুংসকলৰ বাবেও বুধবাৰ সকলোতকৈ পবিত্ৰ দিন। সেয়েহে তেওঁলোকে চ'তৰ সংক্ৰান্তিৰ দিনাৰ পৰা বিহু আৰম্ভ নকৰি বিহুৰ পিছৰ বুধবাৰৰ পৰাহে বিহু আৰম্ভ কৰে। তিৱা বা লালুংসকলৰ বসন্ত উৎসৱৰ নাম 'ছুগ্ৰামিছাৰা'। এই উৎসৱত নৃত্য-গীতৰ প্ৰাধান্য অধিক। এই নৃত্যৰ প্ৰসংগত গোৱা গীতবোৰ যৌন ভাৱপুষ্ট আৰু এই নৃত্যত ডেকা-গাভৰু-বোৱাৰী সকলোৱে অংশগ্ৰহণ কৰে।

বিচুদাবেৰা গীত আৰু নৃত্য ঃ

দেউৰী সম্প্ৰদায় অসমৰ এটি উল্লেখযোগ্য উপজাতি। অজনজাতীয় অসমীয়া ৰঙালী বিহুৰ দৰে দেউৰীসকলৰ ৰঙালী বিহু গীত, পদ, নৃত্য, বাদ্যৰ সমষ্টি। ব'হাগ মাহৰ প্ৰথম বুধবাৰৰ পৰা দেউৰী সম্প্ৰদায়ৰ ব'হাগ বিহুৰ আৰম্ভণি হয়। তেওঁলোকে চ'তৰ সংক্ৰান্তিৰ দিনাই বিহু আৰম্ভ নকৰে, বিহুৰ পিছৰ বুধবাৰৰ পৰাহে আৰম্ভ কৰে। কাৰণ তেওঁবিলাকৰ বাবে বুধবাৰেই সবাতোকৈ পবিত্ৰ বাৰ। জনজাতিসকলে চান্দ্ৰ মতে গণনা কৰিছে পবিত্ৰ দিন উলিয়ায়। দেউৰী সমাজত ৰঙালী বিহু আঠদিনীয়াকৈ উদ্‌যাপন কৰা হয়। এই সময়তে অসমীয়া ডেকা-গাভৰুৰ দৰে দেউ ডেকাসকলে পৰি�ৱেশন কৰে বিচুদাবেৰা গীত আৰু নৃ ডেকাসকলে দীঘলীয়াকৈ জাপ মাৰি সঘনে খোজ দি এই কৰে। সন্ধিয়াৰ লগে লগে দেওশালৰ পৰা এই নৃত্য আৰম্ভ হয়। শেষত আটায়ে গাঁৱৰ এমুৰত কোনেও নেদেখা ঠাইত গীত-পদ গায় বিহুক বিদায় সম্ভাষণ জনায়। বিদায় বেলা ত আটি দুখ প্ৰকাশ কৰি বিচুদাবেৰা গীত গায়—

"য় হৈয়া হৈয়া শদিয়া বাজ নৱা দুনুমদে য় হৈ।
য় হৈ বা হৈয়া কুন্দিমামায়া বাহৰ চছালে নন্।
লাওয়া লাহাম ঐ য় হৈয়া।।"[২]

বাঁহ পূজা ঃ

গোৱালপাৰা জিলাৰ হাজংসকলে ব'হাগ মাহ কৰে। এই উৎসৱ দৱঙৰ দেউল আৰু কামৰূপৰ ভঠৈ বাঁহপূ লোক উৎসৱ। কৃষি নিৰ্ভৰশীল হাজংসকলৰ কৃষিবে সম্ পূজাত তিনিডাল বাঁহক বিশেষ ধৰণে সজাই পৰাই ন্ত্রীক তাৰে এডালত ক'লা আৰু আন এডালত বগা চোঁৱৰ লোৱা হয়। লোকবিশ্বাস মতে ইয়াৰে এজন মহাদেৱ আৰু ান্ধি পাৰ্বতীৰ প্ৰতীক। এই বাঁহ দুডাল পোতা ঠাইতে আন এ আনন্দ পুৰণা জাকৈ, খালৈ, নাঙল আদি আঁৰি দিয়া হয় ালবাঁ তিনিদিনত গাঁৱৰ ডেকা ল'ৰা-ছোৱালীয়ে ঘৰে ঘৰে চোঁ উৎস বাঁহ নচুৱাই ফুৰে। বাঁহ নচুৱাসকলক 'বাহুৱা' বোলে। ৰি লগে

বাঁহ পূজা অনুষ্ঠানৰ লগত উৰ্বৰ বিশ্বাস জড়িত কামৰূপৰ ভঠেলী উৎসৱৰ দৰে ইয়াতো যৌনধৰ্মী গীত হৈ আ হয়। পদ গে

অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰ মেঘালয়ৰ জনজাতীয় তীৰ্থসকলৰ মূল সংস্কৃতি হ'ল অ মঙ্গোলয়ড কৃষিভিত্তিক গ্ৰাম্য সংস্কৃতি। এই আটাইবোৰ ল অ মাজেৰে সমধৰ্মী বসন্ত উৎসৱৰ পয়োভৰ দেখা যায়। নজাতি

অন্যান্য জনজাতিৰ বসন্ত উৎসৱৰ দৰে মিজোস মাহত নৃত্য-গীত প্ৰধান 'চাপচাৰ ফুট' নামৰ উৎসৱ পাকলে সেইদৰে টিৰাপ জিলাৰ নক্তে, টাংছা আৰু টুট্‌ছাসকলোন কৰ অসমীয়াৰ বিহুৰ দৰে তিনিটা বিহু পাতে। এই বিহু ধৰ্মী তেৱা 'লকু' বোলে। ব'হাগ মাহত আহু ধান সিঁচাৰ বত উৎস অনুষ্ঠানটোক কয় 'কাপ্‌-খুট লকু'। ব'হাগ বিহুৰ নিশাত উৎসৱটো গাহৰি-কুকুৰা মাৰি ভোজ-ভাত খোৱাৰ উপৰি চনা ও দেখা

গগনা বজাই বিহুগীত গাই আৰু নাচে। নক্তেসকলৰ লকু অৱশ্যে পাঁচটা। এই জনজাতিসকলৰ ডেকা-গাভৰুৱে লকুৰ সময়ত গগনা বজাই আবেগিক ভাৱ বিনিময় কৰে।

নাগালেণ্ডৰ আও, আঙ্গামী, লঠা, চেমা আদি প্ৰধান জনজাতিসকলৰ মাজত বেলেগ বেলেগ নামত বসন্ত উৎসৱৰ পয়োভৰ দেখা যায়। আওসকলৰ দুটি কৃষিভূমি বিহুৰ সমধৰ্মী উৎসৱ হ'ল 'চুংৰেম' আৰু 'মোৱাডচু'। আঙ্গামীসকলে পালন কৰা 'চেক্ৰেঞি' উৎসৱ সকলো ফালৰ পৰাই ভৈয়ামৰ ব'হাগ বিহুৰ সমপৰ্যায়ৰ উৎসৱ। বসন্তৰ পয়োভৰতে 'টাংখুল' নগাসকলে পাঁচদিনীয়াকৈ শস্য সিঁচা উৎসৱ পাতে।

মণিপুৰৰ মেইটেইসকলৰ ব'হাগ মাহত অনুষ্ঠিত নৃত্য-গীত প্ৰধান 'চই'ৰওৱা' উৎসৱো বসন্তোৎসৱ। মেঘালয়ৰ খাচীসকলে এপ্ৰিল মাহত 'কাৱ্ৰেই ছংছাৰ' উৎসৱ পালন কৰে। এই উৎসৱতো পুৰুষ আৰু কুমাৰী ছোৱালীয়ে নৃত্য কৰে।

অৰুণাচল বাৰে বৰণীয়া জনজাতিৰ বসতি। ইয়াৰ প্ৰতিটো জনজাতিৰে স্বকীয় বৈশিষ্ট্য সম্পন্ন সংস্কৃতি আছে। মন্‌পা, শ্বেৰদুকপেন আদি বৌদ্ধ জনজাতিসকলে বসন্তকালত বুদ্ধৰ জন্ম বৰ উলহ-মালহেৰে পালন কৰে। আদিসকলৰ মাজত 'আয় দৰুং' আৰু 'আমদাং দৰুং' নামৰ দুটি বিহুৰ সমধৰ্মী উৎসৱ উলহ-মালহেৰে পালন কৰে। আপাটানিসকলৰ 'ম্লকু' একশাৰীৰে সমধৰ্মী বসন্ত উৎসৱ।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে অসমৰ পাহাৰে-ভৈয়ামে বসবাস কৰা বিভিন্ন জনজাতিৰ মাজত বিভিন্ন ৰূপত কৃষিভিত্তিক বসন্তকালীন লোক উৎসৱসমূহ অনুষ্ঠিত হৈ আহিছে। বসন্তকালীন এই উৎসৱসমূহলৈ অলপ গমি চালেই কেইটামান সাধাৰণ বৈশিষ্ট্য চকুত পৰে। যেনে—

(১) এই উৎসৱসমূহৰ সৱহভাগেই উৰ্বৰা বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। ব'হাগ বিহুৰ এমাহ আগৰপৰাই ৰাতি বিহু অনুষ্ঠিত হয়। পথাৰত যেতিয়া আহু-বাওধান লহপহকৈ বাঢ়িবলৈ ধৰে; তেতিয়াই যৌনধৰ্মী গীত গাই নাচিলে পৃথিৱীৰ উত্তেজনা বাঢ়ে আৰু শস্য বৃদ্ধি হয়। ওপৰত কৈ অহাঁৰ দৰে পৃথিৱীৰ সৰ্বত্ৰ থকা এই লোকবিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই অসমৰো পাহাৰে-ভৈয়ামে থকা সকলো জাতি-জনজাতিৰ মাজত প্ৰচলিত বসন্তকালীন উৎসৱৰ গীত-মাতত আদি ৰসৰ সোৱাদ আৰু জুতি পোৱা যায়।

(২) বেছিভাগ গীত-নৃত্যই পতা হৈছিল বঁট, আঁহত নাইবা জৱী গছৰ তলত। এইবোৰ গছৰ সামান্য গুটি একোটাৰ ভিতৰত নিহিত থাকে বিশাল গছজোপাৰ সৃজনী শক্তি। বঁট, আঁহত গছ আদি বাছি লোৱাৰ মূলতে এটা উৰ্বৰা ধাৰণা।

(৩) এই উৎসৱসমূহৰ গীত-নৃত্যৰ লগত সংগত কৰা হয় ঢোল। ঢোল আটাইবোৰ জাতি-জনজাতিৰে ব্যৱহাৰ কৰা উমৈহতীয়া লোকবাদ্য। ইয়াৰ উপৰিও টকা, গগনা, পেঁপা, বাঁহী, ছিকুং, ছেৱজা, টোকাৰী আদি বাঁহেৰে তৈয়াৰী বাদ্যহে এই গীত-নৃত্যসমূহত ব্যৱহাৰ কৰা হয়।

(৪) জাতি-জনজাতিৰ মাজত প্ৰচলিত এই সমূহ বসন্ত উৎসৱৰ আন এটা উমৈহতীয়া বৈশিষ্ট্য হ'ল ৰাজহুৱা ভোজ-ভাতৰ আয়োজন।

(৫) অসমৰ পাহাৰে-ভৈয়ামে থকা সমূহ জাতি-জনজাতিৰে জীৱন কৃষি নিৰ্ভৰশীল। সেয়ে বসন্ত উৎসৱসমূহৰো মূল প্ৰেৰণা শস্য বৃদ্ধিৰ কামনা। উৎসৱৰ সময়ছোৱাত বেছিভাগ জনজাতিৰ মাজত প্ৰচলিত এটা নিয়ম হ'ল— উৎসৱৰ সময়ত গাঁৱৰ মানুহ বাহিৰলৈ নাযায় আৰু বাহিৰা মানুহো গাঁৱত সোমোৱাটো নিষেধ। তদুপৰি উৎসৱৰ দিনকেইটাত গাঁৱৰ মানুহে কোনো শাৰিৰীক শ্ৰম নকৰে। এই নিয়মটোকে গেনা বোলে। গেনা প্ৰত্যেক জনজাতিৰ মাজতে দেখিবলৈ পোৱা এটা সাধাৰণ নিয়ম।

আলোচনা কৰিলে দেখা যায় যে বৰ অসমৰ পাহাৰে-ভৈয়ামে পালন কৰা বসন্তকালীন উৎসৱসমূহৰ মাজত মূলগত ঐক্য পৰিলক্ষিত হয়।

◈ ◈ ◈

প্ৰসঙ্গ পুথি ঃ

১। অসমৰ লোক সংস্কৃতিৰ আভাস ঃ ড° নবীন চন্দ্ৰ শৰ্মা।
২। অসমৰ সংস্কৃতি ঃ লীলা গগৈ।
৩। অসমৰ লোক সংস্কৃতি ঃ ড° বিৰিঞ্চ কুমাৰ বৰুৱা।
৪। অসমৰ লোক উৎসৱ ঃ ড° প্ৰমোদ ভট্টাচাৰ্য্য।

সংস্কৃতি আৰু মূল্যবোধত বিশ্বায়নৰ প্ৰভাৱ

ড° বিনীতা
মুৰব্বী অধ্যাপিকা, শিক্ষা বি
সুৰেণ দাস কলেজ, হা

বিশ্বায়নৰ ধাৰণাটো গোটেই নতুন ধাৰণা নহয়। আধুনিক অৰ্থনীতিৰ জনক বুলি পৰিচিত আদাম স্মিথে তেখেতৰ ১৭৭৬ চনত প্ৰকাশিত "Wealth of Nation" নামৰ গ্ৰন্থখনত বিশ্বায়নৰ ধাৰণাটো প্ৰথমে উপস্থাপন কৰিছিল। আনকি অতীজৰে পৰা ইংলেণ্ড, চীন, ভাৰতৰ দৰে সকলো দেশে গোলকীয় বাণিজ্যৰ লগত জড়িত হৈ পৰিছিল। কিন্তু বিংশ শতিকাৰ শেষৰ ফালেহে এই বিশ্বায়নৰ বতাহজাকে জনসাধাৰণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নয়নৰ ফলত সময় আৰু দূৰত্বৰ ব্যৱধান হ্ৰাস হৈ বিভিন্ন ৰাষ্ট্ৰৰ মাজত তাৎক্ষণিক যোগাযোগ সম্ভৱপৰ হৈ উঠিছে। যাৰ ফলত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰসমূহৰ মাজত থকা আন্তৰ্জাতিক সীমা প্ৰায় নাইকিয়া হৈছে আৰু পৃথিৱীখন এখন গোলকীয় গাঁৱত পৰিণত হৈছে। বিশ্বায়নৰ প্ৰভাৱতেই বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক জীৱন একত্ৰীকৰণ হৈছে। এক কথাত বিশ্বায়ন শব্দই বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে আত্মনিৰ্ভৰশীলতাক বুজায়। ২০০০ চনত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে বিশ্বায়নৰ চাৰিটা মূল দিশ নিৰ্ধাৰণ কৰিছিল— বাণিজ্যিক লেনদেন, বিনিয়োগ ব্যৱস্থা, ব্যক্তিৰ প্ৰব্ৰজন আৰু জ্ঞানৰ সম্প্ৰসাৰণ। মেনফ্ৰেদ ষ্টিগেৰ মতে বিশ্বায়নৰ মূল দিশসমূহ হৈছে— অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু আদৰ্শমূলক।

সমাজ বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ ধাৰণা হৈছে সংস্কৃতি। কোনো এখন সমাজৰ সংস্কৃতি অবিহনে সেই সমাজৰ বিষয়ে অধ্যয়ন অসম্ভৱ। সমাজ আৰু সংস্কৃতি একেলগে আগবাঢ়ে। বিভিন্নজনে সংস্কৃতিৰ অৰ্থ বিভিন্ন ধৰণে ব্যাখ্যা কৰা দেখা যায়। কিছুমানৰ মতে সংস্কৃতি বিশ্বজনীন মনোভাৱ। আন কিছুমানৰ মতে ই হ'ল জীৱন ধাৰণৰ মানদণ্ড ব্যৱস্থা। আকৌ কিছুমানৰ মতে সংস্কৃতি হ'ল প্ৰথা, আচাৰ-ব্যৱহাৰ আৰু পৰম্পৰাৰ এক সামগ্ৰিক ব্যৱস্থা। কিছুমানে কলা, সংগীত, স্থাপত্য কলা, সাহিত্যৰ অগ্ৰগতিক

> বিশ্বায়ন হ'ল নব্য উদাৰতাবাদৰ এক ধাৰণা, যাৰ প্ৰভাৱ মানৱীয় মূল্যবোধৰ ওপৰত দেখিবলৈ পোৱা যায়। সেয়েহে পৰিৱৰ্তিত সময়ৰ লগত সংগতি ৰাখি সামাজিক মূল্যবোধ কিছু পৰিমাণে পৰিৱৰ্তন কৰিব লাগে। বিশ্বায়নে সামাজিক মূল্যবোধৰ পৰিৱৰ্তন সাধন কৰি বৰ্তমান সমাজৰ বাবে প্ৰাসংগিক নতুন মূল্যবোধ গঠনৰ পোষকতা কৰে।

সংস্কৃতি বুলি আখ্যা দিয়ে। সংস্কৃতিক আকৌ কিছুমানে ভাষাৰ পাৰ্গতালিতেই সীমাবদ্ধ ৰাখিছে অৰ্থাৎ যদি এজন ব্যক্তিয়ে বেছি ভাষা জানে তেঁৱেই সংস্কৃতিবান ব্যক্তি। দৰাচলতে সংস্কৃতি হৈছে এক সামগ্ৰিক অৱস্থা। অৰ্থাৎ প্ৰত্যেজন ব্যক্তি এক সামাজিক পৰিৱেশত জন্মলাভ কৰে য'ত ঘৰ, অট্টালিকা, মেচিন, সা-সঁজুলিসমূহ মানুহে নিজৰ সুবিধা আৰু ব্যৱহাৰিক যোগ্যতা অনুসৰি তৈয়াৰ কৰি ব্যৱহাৰ কৰিবলৈ লয়, য'ত বিভিন্ন বিশ্বাস, পৰম্পৰা, মনোবৃত্তি, বিভিন্ন সামাজিক ব্যৱহাৰ, সাজ-পোছাক, খাদ্যাভ্যাস আদি উমৈহতীয়াভাৱে প্ৰয়োজন আৰু সুবিধা অনুসৰি ব্যৱহাৰ কৰিবলৈ লয়। যিহেতু সংস্কৃতি শব্দটোৰ ইংৰাজী প্ৰতিশব্দ "Culture" লেটিন ভাষাৰ Cultura" শব্দৰ পৰা আহিছে যাৰ অৰ্থ "To Cultivate" মানে মাটি চহোৱা কাৰ্য। চহ কৰা কাৰ্য্যস্বৰূপে সংস্কৃতিয়ে মানুহৰ মনত উচ্চ, সামাজিক, নৈতিক, আধ্যাত্মিক মূল্যবোধ বিকশাই তোলে। যাৰ ফলত সংস্কৃতিয়ে ব্যাপক দৃষ্টিভঙ্গীৰে মানুহৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চাল-চলন, শিক্ষা-দীক্ষা, ধৰ্মীয় বিশ্বাস, খাদ্যাভ্যাস, সাজ-পাৰ, মাত-কথা, নৃত্য-গীত, ঘৰ-দুৱাৰ, আচ-বাব, শিল্প কাৰ্য, সাহিত্য সকলো দিশকে সামৰি লয়। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱো এই সাংস্কৃতিক জগতত বিদ্যমান। বিশ্বায়নে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায়ত বিশ্বজগতৰ মাজত সাংস্কৃতিক আদান-প্ৰদান সম্ভৱ কৰি তুলিছে। সাংস্কৃতিক বস্তুগত আৰু অবস্তুগত সকলো দিশৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।

বিশ্বায়নৰ ফলত অন্য দেশৰ সফল শৈক্ষিক কাৰ্য্যসূচীবোৰ ভালদৰে জানি বিভিন্ন দেশৰ মাজত শৈক্ষিক সংহতিৰ ভাৱ গঢ় লৈ উঠিছে। ইয়ে এখন দেশৰ সংস্কৃতিৰ ধাৰা আন এখন দেশত বিস্তাৰিত কৰিছে। প্ৰযুক্তিক দক্ষতাৰ ফলত ভাৱবৰ্ষইও অন্য দেশৰ লগত [illegible]নভাৱে আগুৱাই যাবলৈ সক্ষম হৈছে। এইখিনিতে বৰ্তমান বিশ্বজুৰি চলি থকা অতিমাৰী (Covid_19)ৰ ফলত অন্য দেশৰ তুলনাত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাও পিছ পৰি থকা নাই। প্ৰযুক্তিবিদ্যাৰ সহায়তে বৰ্তমান ঘৰতে বহি আমি Google Classroom ৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমৰ যাৱতীয় প্ৰয়োজন পূৰাবলৈ সক্ষম হৈছো। তাৰোপৰি বৰ্তমানেও বহু ছাত্ৰ-ছাত্ৰী ঘৰতে বহি শ্ৰেণীকোঠাৰ মাদকতা এতিয়াও লাভ কৰি আছে। এয়াই পৰিৱৰ্তন। পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত সভ্যতা-সংস্কৃতিৰ মূল্যবোধেও পৰিৱৰ্তন লাভ কৰে। পৰিবহন ব্যৱস্থাৰ দ্ৰুত উন্নতিও এই পৰিৱৰ্তনশীল সমাজ আৰু বিশ্বায়ন তথা বিজ্ঞান মনস্কতাৰ ফল। ইয়াৰ উপৰিও বিশ্বায়নৰ ফলত উদাৰীকৰণ প্ৰক্ৰিয়া আৰু অৰ্থনীতিৰ বিশ্বজনীন সংহতকৰণে মহিলাসকলক নিজ অধিকাৰবোৰৰ প্ৰতি সচেতন কৰি তুলিছে। যাৰ জৰিয়তে ভাৰতীয় সমাজ-সংস্কৃতিত মহিলাৰ স্বাধীনতা প্ৰসাৰিত হৈছে। সেয়েহে হয়তো '৯০ৰ দশকৰ তুলনাত বৰ্তমান অৰ্থনৈতিক আৰু সামাজিক ক্ৰিয়াকলাপত নাৰীৰ অংশগ্ৰহণৰ পৰিমাণ বৃদ্ধি পাইছে। উৎপাদন, ৰপ্তানি সম্বন্ধীয় শিল্প উদ্যোগৰ উপৰিও সশস্ত্ৰ আৰু পুলিচ বাহিনীতো মহিলাই অংশ লৈছে। অৰ্থাৎ বিশ্বায়নৰ ফলত লিংগ বৈষম্য হ্ৰাস পাবলৈ লৈছে আৰু বিভিন্ন পৰিস্থিতিত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰটো পুৰুষৰ সমানে মহিলাসকলেও ভাগ ল'ব পৰা হৈছে বা মহিলাৰ মতামতকো পুৰুষ সমাজে গুৰুত্ব প্ৰদান কৰিবলৈ লৈছে।

বৰ্তমান ভাৰতবৰ্ষত দেশী-বিদেশী বিভিন্ন উৎসৱো উদ্‌যাপিত হয়। খাদ্যাভ্যাসৰ ক্ষেত্ৰখনৰো পৰিৱৰ্তন মন কৰিবলগীয়া। বিদেশী খাদ্য বৰ্তমান ভাৰতৰ চুকে-কোণে সুলভ হৈ পৰিছে। বিভিন্ন বিদেশী খাদ্য— পিজ্জা, বাৰ্গাৰ, চীনা বা ইটালীয়ান খাদ্যবোৰে ভাৰতৰ বজাৰ দখল কৰি লৈছে।

ঠিক তেনেকৈ পৰম্পৰাগত সাজ-পোছাকৰ ক্ষেত্ৰটো বিশ্বায়নৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। যাৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন জাতি-জনগোষ্ঠীয় সাজ-সজ্জা, সকলো জাতি-জনগোষ্ঠীৰে সাজ-সজ্জাত দেখিবলৈ পোৱা যায়। ভাৰতৰ মুগা, এৰী পাতৰ কাপোৰেও বিশ্বৰ বজাৰ দখল নকৰাকৈ থকা নাই নিশ্চয়। বিশ্বায়নে এইটো সহজ কৰি তুলিছে যে সকলোৱে সকলোৰে সাজ-সজ্জা ব্যৱহাৰ কৰক খাদ্য ব্যৱস্থাৰ বিষয়ে জানক বা বুজক। সেয়ে হয়তো বৰ্তমান যুৱ প্ৰজন্মইও যি সাজ পিন্ধি গাড়ী-মটৰ চলোৱাত সুবিধা হ'ব পাৰে বা বজাৰ সমাৰলৈ গ'লে সুবিধাজনক হয় লগতে শালীনতাও বজাই ৰাখিব পাৰি সেই সাজকে নিজৰ কৰি লৈছে।

আজি পৰিৱেশ্য কলাৰ ক্ষেত্ৰখনতো বিশ্বায়নৰ প্ৰভাৱ

সুন্দৰকৈ পৰা পৰিলক্ষিত হয়। যাৰ ফলত ভাৰতীয় নৃত্য-গীত, শাস্ত্রীয়ই হওঁক বা জনগোষ্ঠীয়ই হওঁক বিশ্বব্যাপী খ্যাতি অর্জন কৰিছে। এইক্ষেত্রত ভাৰতীয় যুৱ সমাজো পিছ পৰি থকা নাই। কাৰণ ভাৰতীয় যুৱ-যুৱতীসকলৰ মাজতো হিপ্‌হপ্‌, চাল্‌চা, বেলি আদি বিদেশী নৃত্যই জনপ্রিয়তা লাভ কৰিছে।

বিশ্বায়ন হ'ল নব্য উদাৰতাবাদৰ এক ধাৰণা, যাৰ প্রভাৱ মানৱীয় মূল্যবোধৰ ওপৰত দেখিবলৈ পোৱা যায়। সেয়েহে পৰিৱর্তিত সময়ৰ লগত সংগতি ৰাখি সামাজিক মূল্যবোধ কিছু পৰিমাণে পৰিৱর্তন কৰিব লাগে। বিশ্বায়নে সামাজিক মূল্যবোধৰ পৰিৱর্তন সাধন কৰি বর্তমান সমাজৰ বাবে প্রাসংগিক নতুন মূল্যবোধ গঠনৰ পোষকতা কৰে। প্রয়োগবাদ দর্শনৰ চিন্তাধাৰাতো এনেধৰণৰ পৰিৱর্তন গ্রহণযোগ্য। সেয়েহে হয়তো বর্তমান পৰিৱেশ পৰিস্থিতিত ব্যৱহাৰিক যোগ্যতা অনুসৰি জীৱন ধাৰণৰ মানদণ্ডও সলনি হৈছে।

ভাৰতীয় সংবিধানে সকলো নাগৰিককে স্বাধীনতাৰ অধিকাৰ প্রদান কৰিছে। ১৪ৰ পৰা ১৮ নং অনুচ্ছেদলৈ সমতাৰ অধিকাৰ নির্ধাৰণ কৰা হৈছে। ইয়াৰ উপৰিও ১৯৪৮ চনৰ ১০ ডিচেম্বৰত গৃহীত হোৱা মানৱ অধিকাৰৰ সার্বজনীন ঘোষণা পত্রতো মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। ঘোষণা পত্রত প্রস্তৱনাৰ মূল কথাখিনি আছিল যে বিশ্ব শান্তি, ন্যায় আৰু স্বাধীনতাৰ ভেঁটি হিচাপে মানুহৰ মৌলিক স্বাধীনতা আৰু আ মর্যদাৰ অধিকাৰক অবিচ্ছিন্ন আৰু সম-অধিকাৰ হিচাপে ৰ স্বীকৃতি দিয়া প্রয়োজন। প্রস্তাৱনাই ঘোষণা কৰা মতে ম অধিকাৰক অসম্মান আৰু ঘৃণা কৰা কার্য্যই জঘন্যতম কা গতিকে সকলো মানুহে যাতে বিশ্বাস আৰু মতপ্রকাশৰ স্বাধীন ভয় আৰু অভাৱত পৰা স্বাধীনতা লাভ কৰিব পাৰে তাৰ ৰ সকলোৱে এক সুস্থ পৰিৱেশ ৰচনা কৰিব লাগে। প্রস্তাৱ সেয়েহে মানুহক স্বেচ্ছাচাৰী শাসন, দমনৰ পৰা মুক্ত কৰি আই অনুশাসন প্রতিষ্ঠা, ৰাষ্ট্রসমূহৰ মাজত বন্ধুত্বপূর্ণ সম্পর্কৰ বিৱ পুৰুষ-মহিলাৰ সম অধিকাৰ স্বীকৃতি, সামাজিক উন্নতি আৰু জী ধাৰণৰ উন্নত মানদণ্ড প্রতিষ্ঠাৰ বাবে সামগ্রিকভাৱে সকলো ৰ জনসাধাৰণৰ মনত উমৈহতীয়া বুজাবুজিৰ ভাৱ সৃষ্টি কৰাত ও প্রদান কৰিছে।

গতিকে বুজা যায় যে সমাজ পৰিৱর্তনশীল। স পৰিৱর্তন হোৱাত শিক্ষাই সঁহাৰি জনায়। আনহাতে অ পা�ৱস্পৰিক, সাংস্কৃতিক, অর্থনৈতিক সম্বন্ধই গোটেই বিশ্বখন এখন গাঁও আৰু সকলো জনগণকে এই বিশ্বায়নৰ ফলত হোৱা গাঁৱৰ বাসিন্দা তথা সকলো পুৰুষ-মহিলাকে মানৱ স স্বৰূপে গঢ় দিয়াটোৱে হৈছে উন্নত পৰিৱর্তনশীল সমাজ ব্যৱ উদ্দেশ্য।

◈ ◈ ◈

"সৰু কাম ঘিণ কৰা তুমি ?
বৰলৈ তোমাৰ হেঁপাহ ?
একো নকৰাহে অপমান
সৰু-বৰ মনৰ বিকাশ।"

— লক্ষ্মীনাথ বেজবৰুৱা

পুথিভঁৰাল

দীপামণি ভৰালী, হাটখোৱা
সুৰেন দাস কলেজ পুথিভঁৰাল

পুথিভঁৰালৰ বিষয়ে লিখাৰ আগতে পুথিভঁৰাল (Library) প্রতিষ্ঠাপকজনৰ বিষয়ে একলম লিখিব ওলাইছো।

১৮৯২ চনৰ আগষ্ট মাহৰ ৯ তাৰিখে তামিলনাডুৰ তাঞ্জোৰ জিলাৰ চিয়ালী গাঁওত ভাৰতৰ প্রথমজন লাইব্রেৰিয়ান প্রতিষ্ঠাপক চিয়ালী ৰামমৃত ৰঙ্গনাথৰ জন্ম হয়। তেখেতৰ জন্মদিনটো প্রত্যেক বছৰে "ৰাষ্ট্রীয় লাইব্রেৰী" দিৱস হিচাপে পালন কৰা হয়।

১৯২৪ চনত মাদ্রাজ বিশ্ববিদ্যালয়ত পোনপ্রথমবাৰৰ বাবে পুথিভঁৰাল অধ্যক্ষ পদত নিযুক্তি হয়। তেখেতৰ বিখ্যাত পুথিখন হ'ল "Five Laws of Library Science"। এই কিতাপখনতে তেখেতে Library Science ৰ পঞ্চসূত্র বিচাৰি পাইছিল।

পুথিভঁৰালৰ ইতিহাস অতি প্রাচীন। খৃষ্টীয় প্রথম শতিকাত ৰোম নগৰীত প্রথম পুথিভঁৰাল স্থাপন কৰা হয়। তাৰ পিছৰ পৰা চীন, মিচৰ, তিব্বত আৰু বেবিলন নগৰত প্রাচীন পুথিভঁৰালৰ নিদর্শন পোৱা যায়।

বর্তমান জগতত পুথিভঁৰালৰ ব্যাপক প্রচলন হৈছে। ভাৰতৰ কলিকতা, মুম্বাই, দিল্লী আদি নগৰত জাতীয় পুথিভঁৰাল আৰু ৰাজ্যসমূহত কেন্দ্রীয় পুথিভঁৰাল গঢ়ি উঠাৰ উপৰিও জিলাই জিলাইও পুথিভঁৰাল স্থাপন কৰা হৈছে।

প্রাচীন ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালৰ নাম উল্লেখযোগ্য। ইয়াৰ ভিতৰত লণ্ডনৰ বৃটিছ মিউজিয়াম লাইব্রেৰী (পুথিভঁৰাল), ফ'ৰাচীৰ বিব্লিওথিক নেচনেল লাইব্রেৰী আৰু কলিকতাত থকা নেচনেল লাইব্রেৰীৰ নাম উল্লেখ কৰিব পাৰি।

গ্ৰন্থৰাজিসমূহ য'ত সু-শৃংখল আৰু সুৰক্ষিতভাৱে ৰখা হয় সিয়েই পুথিভঁৰাল। পুথিভঁৰাল, অতীত বৰ্তমান আৰু ভৱিষ্যতৰ যোগসূত্ৰ। পুথিভঁৰালে জ্ঞান পিপাসুক নিত্য নতুন জ্ঞানৰ সন্ধান দিয়ে। পুথিভঁৰালবোৰত আগৰ দিনৰ কিছুমান সাঁচিপাতৰ পুথি, বেজালী মন্ত্ৰ আদি সংৰক্ষণৰ ব্যৱস্থা আছে। আগৰ দিনত তালপাত, সাঁচিপাত আদিত লিখা হৈছিল আৰু সংৰক্ষণো সহজ নাছিল আৰু এতিয়া কাকত আৰু ছপাশাল আৱিস্কাৰৰ ফলত কিতাপ যথেষ্ট সুলভ হৈছে। আৰু পুথিভঁৰালবোৰত আজিকালি বিজ্ঞানসন্মত পদ্ধতিৰে পুথি-পাঁজিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

পুথিভঁৰালত বিভিন্ন ধৰণৰ কিতাপ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পঢ়াৰ সুবিধাৰ কাৰণে বাতৰি কাকত, প্ৰান্তিক, বাৰ ওঠৰ, গৰিয়সী, সখী, India Today, University News, Reference Book, Journal ইত্যাদি বহুত ধৰণৰ কিতাপ আছে। আজিকালি পুথিভঁৰালবোৰ ডিজিটেল হৈ পৰিছে যদিও কিতাপৰ প্ৰয়োজন কোনেও নুই কৰিব নোৱাৰে। কলেজৰ পুথিভঁৰালবে ছাত্ৰ-ছাত্ৰীৰ মাচুল আৰু চৰকাৰী (UGC) ৰ সাহায্যৰ দ্বাৰাই স্থাপি আৰু ছাত্ৰসভাৰ দ্বাৰা পৰিচালিত হয়।

পুথিভঁৰালৰ যথেষ্ট উপকাৰিতা আছে। ছাত্ৰ-ছাত্ৰীৰ জ্ঞ বুদ্ধি বুজি শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক কিতাপ বাছি দিয়ে। দুখী ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ কাৰণে কলেজবোৰত বুক বেংকৰ ব্য আছে।

পুথিভঁৰালত কলেজৰ ছাত্ৰ-ছাত্ৰীক কিতাপ দিয়াৰ নি নিয়ম থাকে। কিতাপ এখন ছাত্ৰ-ছাত্ৰীক ১৫ দিনৰ কাৰণে দি হয় আৰু কিতাপখন নি পঢ়োতাবো দায়িত্ব থাকে। কিতাপ নিৰ্দিষ্ট সময়ত ঘুৰাই নিদিয়াটো বৰ বেয়া কথা আৰু এনে বহুমূলী কিতাপ আছে সেইবোৰ ছাত্ৰ-ছাত্ৰীক ঘৰলৈ নিব দিয়া নহয়। কিতাপবোৰ পঢ়াৰ কাৰণে Reading Room ৰ ব্যৱস্থা আছে

গতিকে ছাত্ৰ-ছাত্ৰীসকলে এইক্ষেত্ৰত বিশেষ গুৰুত্ব লাগে। সমাজত যিমানে পুথি অধ্যয়নৰ স্পৃহা বাঢ়িব সিমানে জ্ঞ সাহিত্য আৰু জ্ঞানৰ ভঁড়াল চহকী হ'ব। আমি অকল জ্ঞানৰ কাৰ পুথি নপঢ়ো, আনন্দৰ কাৰণেও পঢ়ো। পুথি অধ্যয়ন কৰি আনন্দৰ নিচিনা আনন্দ আন একোৰে পৰা পোৱা নাযায়।

◈ ◈ ◈

"আমাৰ ভাষা ভঁৰালত লোণ, ধান-চাউল আছে, ভাষা শাকনিত শাক-পাচলি আছে, ভাষা বিলত মাছ আছে, কিন্তু আমি সেইবোৰ গোটাই আনি ৰান্ধি-বাঢ়ি খাব নেজানি ভোঁকত আঁত শুকাই মৰি কান্দি কৈছোঁ- আমি দুঃখিত প্ৰাণী, আমাৰ একো নাই, আমি চকু নেমেলি পাটীতে পৰি টোপনিৰ জালত বি বিয়াইছোঁ, পোহৰ নাই এন্ধাৰ।"

— লক্ষ্মীনাথ বেজবৰুৱা

মামণি ৰয়ছম গোস্বামী আৰু নৰনীতা দেৱসেনৰ উপন্যাসৰ নাৰী চৰিত্ৰ ঃ

এক তুলনামূলক বিচাৰ

ড° ভনিতা নাথ
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ,
সুৰেন দাস মহাবিদ্যালয়, হাজো

বৰ্তমান বিশ্বায়নৰ যুগত গোটেই পৃথিৱীখনেই ক্ষুদ্ৰ হৈ ছে। বিশ্বায়নৰ লগত সংগতি ৰাখি সাহিত্য অধ্যয়নৰ ক্ষেত্ৰখনতো নিত্য-নতুন পৰিৱৰ্তনে দেখা দিছে। এনে ধৰণৰ পৰিৱৰ্তনৰ ভিতৰত তুলনামূলক সাহিত্য অধ্যয়ন অন্যতম। তুলনামূলক সাহিত্য হ'ল সাহিত্যৰ অধ্যয়ন সম্পৰ্কীয় এক দৃষ্টিভংগী। এই দৃষ্টিভংগীৰ অধ্যয়নে সাহিত্য কৰ্মসমূহৰ বা কলাকৰ লেখকসকলৰ বিষয়ে ব্যাপক তথা পৰ্যাপ্ত জ্ঞান দান কৰিব পাৰে। বিভিন্ন ভাষাৰ, বিভিন্ন দেশৰ সাহিত্যসমূহৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ সন্ধান ইয়াৰ মুখ্য কৰ্ম।"

ভাৰতৰ সাহিত্যিক স্থিতি বৈচিত্ৰমণ্ডিত। এই বৈচিত্ৰৰ মাজেই ভাৰতবৰ্ষত তুলনামূলক সাহিত্যৰ প্ৰকৃতি, পৰিসৰ কিছু ভিন্ন। তুলনামূলক সাহিত্যই যিহেতু একাধিক সাহিত্যক জড়িত কৰি সাহিত্যৰ অধ্যয়ন কৰে সেয়েহে এই জড়িতকৰণৰ প্ৰকৃতি অধ্যয়নত সামৰি লোৱা সাহিত্য কেইবিধৰ ওপৰত নির্ভৰশীল। অৱশ্যে ভাৰতৰ সাহিত্যিক স্থিতিৰ ক্ষেত্ৰত এক ৰাষ্ট্ৰৰ ভিতৰতে অনেকবিধ (অসমীয়া, বাংলা আদি) সাহিত্যৰ অস্তিত্বৰ পৰিপ্ৰেক্ষিতত ভাৰতত সাহিত্যৰ তুলনামূলক অধ্যয়নৰ কথাটো কিছু সুকীয়া হৈ পৰে। আলোচ্য বিষয়বস্তুৰ ক্ষেত্ৰত ভাৰতীয় সাহিত্যৰ ভিতৰুৱা অর্থাৎ অন্তর্দেশীয় (Traditional) আৰু সমান্তৰাল অধ্যয়ন পদ্ধতি (Parallel Study) ৰে সহায় লোৱা হৈছে। কিয়নো ভাষা, সাহিত্য তথা সংস্কৃতিৰ ক্ষেত্ৰত অসমৰ চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ লগত অসমৰ ভালেখিনি মিল আছে। গতিকে, অসম আৰু পশ্চিমবংগৰ দুগৰাকী জনপ্ৰিয় ঔপন্যাসিক মামণি ৰয়ছম গোস্বামী আৰু নৰনীতা দেৱসেনৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহ তুলনামূলক দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়াস কৰা হৈছে।

মামণি ৰয়ছম গোস্বামী অসমীয়া সাহিত্য জগতৰ স্বনামধন্য ঔপন্যাসিক। তেওঁৰ দ্বাৰা সৃষ্ট উপন্যাসসমূহে অসমীয়া উপন্যাস সাহিত্যত এক সুকীয়া আসন দখল কৰি আছে। তেওঁৰ প্ৰতিখন উপন্যাসেই সমাজৰ জাজ্বল্যমান সমস্যাৰ প্ৰতিফলন ঘটাবলৈ সক্ষম হৈছে। সমস্যাৰ অভ্যন্তৰত প্ৰৱেশ কৰি তাৰ খুঁটি-নাটি পৰীক্ষা কৰিহে তাক উপন্যাসত উপস্থাপন কৰাৰ ফলত উপন্যাসসমূহে বাস্তৱৰ পৰশ লাভ কৰিছে। আনহাতে বাংলা সাহিত্য জগতত স্বকীয়ত্বৰ পৰিচয় দাঙি ধৰা প্ৰখ্যাত ঔপন্যাসিক হৈছে নৰনীতা দেৱসেন। তেওঁৰ উপন্যাসত আধুনিক জীৱন যাত্ৰাত নাৰীৰ জীৱন প্ৰবাহ, মুক্ত নাৰীৰ জীৱন তথা তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যা, প্ৰজন্মৰ

ব্যৱধান, আদর্শগত সংঘাত আদিৰ প্ৰতিফলন ঘটিছে। যদিওবা দুয়োগৰাকীৰে উপন্যাসবে বিষয়বস্তু আৰু চৰিত্ৰত ভিন্নতা আছে তথাপিও অসমীয়া আৰু বাংলা সাহিত্য জগতৰ দুয়োগৰাকী ঔপনাসিকাৰ উপন্যাসৰ তুলনামূলক অধ্যয়নৰ প্ৰয়োজনীয়তাক নুই কৰিব নোৱাৰি। দুয়োগৰাকীয়ে স্বকীয় বৈশিষ্ট্যবে নিজা নিজা আঞ্চলিক ভাষালৈ মূল্যৱান অৱদান আগবঢ়াইছে। তেওঁলোকৰ উপন্যাসে দুয়োটা ভাষাৰে সাহিত্যক সমৃদ্ধিশালী তথা বৈশিষ্ট্যমণ্ডিত কৰিবলৈ সক্ষম হৈছে। এই দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসৰ তুলনামূলক অধ্যয়নৰ দ্বাৰা অসমীয়া আৰু বাংলা ভাষাৰ মাজত থকা কিছুমান উমৈহতীয়া লক্ষণ বিচাৰি উলিয়াব পৰা যায়। তদুপৰি সৰ্বভাৰতীয় সাহিত্যৰ মাজত থকা সংহতিৰ বিষয়েও জনাৰ যথেষ্ট থল আছে। অৱশ্যে এটা কথা লক্ষণীয় যে দুয়োগৰাকী ঔপন্যাসিকেই ভিন্ন সামাজিক সমস্যাক পাঠকৰ আগত দাঙি ধৰিছে। তদুপৰি প্ৰতিখন উপন্যাসবে সমস্যাবাজি আৰু বক্তব্য ভিন্ন হোৱাত উপন্যাসসমূহক একেশাৰীতে থব নোৱাৰি। ভিন্ন ৰুচিৰ পাঠকৰ বাবে ভিন্ন স্বাদৰ উপন্যাস সৃষ্টি কৰি দুয়োগৰাকী নিজৰ নিজৰ সাহিত্যক্ষেত্ৰত একক আৰু অনন্য হৈ উঠিছে। কিন্তু দুয়োগৰাকী ঔপন্যাসিকেই এটা দিশত সমৰূপতা স্থাপন কৰিবলৈ সক্ষম হৈছে। সেয়া হৈছে চৰিত্ৰ সৃষ্টিৰ দক্ষতা। বিশেষকৈ সবল ৰূপত অংকিত নাৰী চৰিত্ৰসমূহে উপন্যাসৰাজিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। মামণি ৰয়ছম গোস্বামী আৰু নৱনীতা দেৱসেনৰ উপন্যাসৰ অন্যান্য দিশ সমূহৰ লগতে নাৰী চৰিত্ৰসমূহৰ কার্যকলাপ, মানসিক অন্তঃৰ্দ্বন্দ্ব, সামাজিক স্থিতি, তেওঁলোকৰ সবল পদক্ষেপ নিত্যন্তই আলোচনাযোগ্য।

উপন্যাসত চৰিত্ৰৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূৰ্ণ। বিশেষকৈ চৰিত্ৰ প্ৰধান উপন্যাসত লেখক-লেখিকাৰ নিজস্ব জীৱন দৰ্শন প্ৰতিফলিত হয়। গতিকে চৰিত্ৰটোৰ কার্যকলাপ তথা বক্তব্যৰ জৰিয়তে পাঠকে অকল চৰিত্ৰটো সম্পৰ্কেই নহয়, সেই চৰিত্ৰটোৰ জুমুঠিত ৰক্ত-মাংস থাপি জীৱন্ত ৰূপ দিয়া লেখকগৰাকীৰ জীৱন দৰ্শন সম্পৰ্কীয় দৃষ্টিভংগীৰ বিষয়েও অৱগত হয়।

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহলৈ দৃষ্টি নিক্ষেপ কৰিলে কাহিনীতকৈ চৰিত্ৰৰ প্ৰাধান্য দেখিবলৈ পাওঁ।

উদাহৰণস্বৰূপে, 'চেনাবৰ সোঁত'ৰ সোণী, 'অহিৰণ'ৰ নির্মল 'নীলকণ্ঠী ব্ৰজ'ৰ সৌদামিনী, 'দতাঁল হাতীৰ উঁয়ে খো হাওদা'ৰ গিৰিবালা, সৰু গোঁসানী, 'মামৰে ধৰা তৰোৱাল নাৰায়ণী, 'ছিন্ন মস্তাৰ মানুহটো'ৰ ডৰথী ব্ৰাউনৰ চৰিত্ৰ উপন্যাসৰ কাহিনীক কেনেদৰে দৃঢ়তা প্ৰদান কৰিছে এই ক প্ৰতীয়মান হয়। ঠিক সেইদৰে নৱনীতা দেৱসেনৰ উপন্যাসৰাজি ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। বিশেষকৈ নাৰী চৰিত্ৰসমূহ বক্তব্য তথা কার্যকলাপে উপন্যাসসমূহক স্বকীয়তা প্ৰদ কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে 'প্ৰবাসে দৈবের বশে বিপাশা, 'ফিনিক্স'ৰ বিপাশা, ৰোহিণী, 'অভিজ্ঞান'ৰ সালম পুষ্পা, 'ঘূৰ্ণি'ৰ ৰিমঝিম, 'ঠিকানা'ৰ শিপ্রা, ঝিল্লী আদি না চৰিত্ৰলৈ আঙুলিয়াব পাৰি।

আমাৰ আলোচনাত দুয়োগৰাকী ঔপন্যাসিক উপন্যাসত চিত্ৰিত সবল নাৰী চৰিত্ৰ কেইটিমানৰ ওপৰত চ আলোচনা কৰা হ'ল —

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ নাৰী চৰিত্ৰ ঃ

সৌদামিনী ঃ

মামণি ৰয়ছম গোস্বামীৰ ব্ৰজধামৰ পটভূমিত ৰচি উপন্যাস 'নীলকণ্ঠী ব্ৰজ'ৰ নায়িকা সৌদামিনী। ডা০ ৰায়চৌধুৰী উচ্চ শিক্ষিতা জীয়ৰী সৌদামিনী সৰুৰেপৰাই খেয়ালী মন অধিকাৰী আৰু নিঃসংগতা তাইৰ চিৰলগৰী। স্বামী সুব্ৰ

কিছুদিনৰ বাবে তাইৰ নিঃসংগতাক ভৰাই তুলিছিল। কিন্তু স্বামীৰ মৃত্যুৰ পিছত তাই আকৌ নিঃসংগ হৈ পৰিল। সময়ে তাইৰ স্বামীৰ স্মৃতিও মনৰপৰা মচি পেলালে আৰু তাইৰ হৃদয়ত ঠাই পালে এগৰাকী খ্ৰীষ্টান যুবকে। তথাপি তথাকথিত উচ্চ হিন্দু সমাজে বিচাৰে সেই তৰুণী বিধৱা ব্ৰতচাৰিণী হৈয়েই থাকক। এক ভৰ যৌৱনৰ তৰুণী হিচাপে তাই স্বাভাৱিক জৈৱিক লিপ্সাৰ তাড়না, ভোগৰ বাসনাৰ তাগিদা যিমানেই তাইৰ বাবে অসহ্য নহওঁক কিয়, দ্বিতীয়বাৰ স্বামী গ্ৰহণৰ কথা বা কাৰোবাক এনে অৱস্থাতো প্ৰেমিক হিচাপে গ্ৰহণ কৰাৰ কথা আৰু উঠিব নোৱাৰে। সকলো ইন্দ্ৰিয়ানুভূতি দেহজ কামনা যেনেকৈয়েই নহওঁক কিয়, দমন কৰি তাই ঈশ্বৰৰ ওচৰত মাথোন নিজকে সমর্পন কৰিব লাগিব। এয়া সমাজৰ দাবী আৰু সেই সমাজ অনুগামী সৌদামিনীৰ পিতৃ-মাতৃৰ দাবী।[২]

এক পৱিত্ৰ ধর্মীয় পৰিৱেশত নিজৰ সকলো দুর্যোগ পাহৰি পূণ্যার্জনৰ বাবেই পিতৃ-মাতৃয়ে সৌদামিনীক বৃন্দাবনলৈ লৈ আনিছে। কিন্তু বহুত চেষ্টা কৰিও মাক-দেউতাকে তাইৰ মনৰ পৰিৱর্তন আনিব নোৱাৰিলে। সৌদামিনীৰ মনঃস্তাত্বিক বিশ্লেষণত প্ৰতিফলিত হয় যে তাইৰ অৱদমিত যৌন বাসনাই সুৰুঙা পালেই বাট বিচাৰিবলৈ আৰম্ভ কৰে। উদাহৰণস্বৰূপে, অন্ধকাৰ কোঠাত নিঃসংগতাৰ মাজত থাকিও তাই নিজৰ শৰীৰটো পৰীক্ষা কৰি চায়ঃ "যোৱা সাত বছৰৰ এই মানসিক অত্যাচাৰেও তাইৰ শৰীৰত কোনো স্থায়ী চিহ্ন ৰাখিব পৰা নাই। নাই নাই নিজৰ লগত যেন কোনোমতেই বুজা পৰা হোৱা নাযায়।"

আন এদিন তাই পাণ্ডা চৰণবিহাৰী গৌতমক প্ৰশ্ন কৰিছিল "কিয় আপোনাৰ মন নেযায় মোক মৰম কৰিবৰ? মানুহে কয় মই এতিয়াও সেই বুঢ়ী তিৰোতাবোৰৰ দৰে হোৱা নাই?" মনৰ কেনে এক অস্থিৰ মুহূর্তত এগৰাকী উচ্চ শিক্ষিতা নাৰীয়ে উপযাচি এনে প্ৰস্তাৱ দাঙি ধৰিব পাৰে?

সৌদামিনীয়ে স্বাভাৱিক দৈহিক কামনাক কোনোমতেই আওকাণ কৰিব নোৱাৰি ক্ৰমান্বয়ে অদ্ভুত ধৰণে অসুখী হৈ পৰিছিল। পিতৃ ৰায়চৌধুৰীয়ে উক্ত কথা লক্ষ্য কৰি অৱশেষত খ্ৰীষ্টান যুবকজনক চিঠি লিখি মাতি পঠিয়াইছিল আৰু জীয়েকৰ সৈতে মিলনৰ বাট প্ৰশস্ত কৰি তুলিছিল। দুয়োৰে মিলন হ'ল সঁচা, কিন্তু তাই বিবেকৰ দংশনত বেয়াকৈ পৰাজিত হ'ল। তাই মৃত্যুৰ দিশে আগবাঢ়ি গ'ল অথচ এটা প্ৰশ্ন সকলোৰে বাবে এৰি থৈ গ'ল — "কিন্তু এই একেবাৰে শেষ মুহূর্তলৈ পানীৰ একেবাৰে ওচৰ পোৱালৈকে মাত্ৰ এটি প্ৰশ্নই তাইৰ বুকু বিদীর্ণ কৰি পেলালে, কিয় এনে হ'ল? কিয়?"

"সৌদামিনীৰ দীর্ঘদিনৰ ক্ষোভ, বঞ্চনা আৰু যন্ত্ৰণাৰ কাহিনী লেখিকাই অতি আন্তৰিকতাৰে অংকন কৰিছে। প্ৰেম আৰু দৈহিক বাসনাৰ প্ৰতি সৌদামিনীৰ বুভুক্ষা আছে, কিন্তু সেয়া গ্ৰহণ কৰিবলৈ তেওঁ আগবাঢ়ি আহিব নোৱাৰে। কেতিয়াবা প্ৰেম হৈ পৰে তেওঁৰ বাবে প্ৰেৰণা আৰু পথ প্ৰদর্শক জ্যোতি, কেতিয়াবা হৈ পৰে গভীৰ অন্ধকাৰ সদৃশ। এই ছাঁ-পোহৰৰ চিত্ৰকল্প একাধিকবাৰ ব্যৱহাৰ কৰি লেখিকাই সৌদামিনীৰ দ্বিধাগ্রস্ত অৱস্থা অংকন কৰিছে। সৌদামিনীৰ আকাংক্ষা, সংশয়, আত্মগ্লানি আৰু আত্মহত্যাই পাঠকৰ মনত সৃষ্টি কৰা কাৰুণ্যই লেখিকাৰ চৰিত্ৰাংকনৰ সফলতাৰেই ইংগিত দিয়ে।"[৩]

গিৰিবালা ঃ

গিৰিবালা 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰ। দক্ষিণ কামৰূপৰ দামোদৰীয়া সত্ৰৰ অধিকাৰ গোঁসাইৰ ছোৱালী গিৰিবালাই পৰিয়ালৰ ঐতিহ্য, পৰম্পৰা, প্ৰচলিত ধর্মবিশ্বাস মতে পালন কৰা কঠোৰ সংস্কাৰসমূহৰ বাবে পদে পদে সমাজৰ লাঞ্ছনা-গঞ্জনাক মুৰ পাতি লব লগা হৈছে। পৰম্পৰা ৰক্ষা কৰিবলৈ পুষ্পিতা হোৱাৰ আগতে খৰখেদাকৈ চৰিত্ৰহীন লাতু গোঁসাইৰ লগত গিৰিবালাক বিয়া দিয়া হৈছিল আৰু কিশোৰী কালতে তাই বিধৱা হৈছিল। পৰস্ত্রীগামী স্বামীৰ অৱহেলা আৰু লাঞ্ছনা, অন্ধবিশ্বাসী শহুৰেকৰ ঘৰৰ অত্যাচাৰ, বৈধব্য ব্ৰতৰ যন্ত্ৰণা সহিব নোৱাৰি তাই মাকৰ ঘৰত আশ্রয় লৈছে। স্বাধীনচিতীয়া, প্ৰতিবাদী মনৰ গিৰিবালাই স্বামীৰ স্মৃতি মনৰপৰা মচি পেলাইছে। সামাজিক ৰীতি-নীতিয়ে জোৰপূর্বক ব্ৰতচাৰিণী কৰা গিৰিবালাই লোকচক্ষুৰ আঁৰত খাঁহিৰ মাংস মুখত ভৰাই ধৰা পৰাত সমাজৰ পৰা পাইছে কটু গঞ্জনা-চৰ-ভুকু-কিল। এক বিশেষ অনুকূল পৰিৱেশত নিজৰ অৱদমিত যৌনাকাংক্ষা পূৰণৰ বাবে খ্ৰীষ্টান মার্ক চাহাবৰ ওচৰত আত্মসমর্পন কৰিবলৈ আগবাঢ়িছে যদিও সংযমী মার্ক চাহাবে নিজৰ দৃঢ়তা অটুট ৰাখে। অথচ দুয়োকে একেটা কোঠাতে পাই নিৰপৰাধী

মার্ক চাহাবক ৰাইজে তিৰস্কাৰ কৰি সত্ৰৰপৰা খেদি পঠিয়ায় আৰু গিৰিবালাক প্ৰায়শ্চিত্তৰ বিধান দিয়ে। সেই প্ৰায়শ্চিত্তৰ বিধিৰ পালনৰ মাজেৰেই অনাকাংক্ষিতভাৱে গিৰিবালাই আত্মহত্যা কৰি বিধৱাৰ ওপৰত চলি থকা সমগ্ৰ অমানৱীয় ব্যৱস্থাটোৰ বিপক্ষে মৰ্মভেদী প্ৰতিবাদ সাব্যস্ত কৰিছে। "প্ৰথিতযশা সমালোচক ডঃ হীৰেন গোঁহাইৰ মতে বিধৱাৰ ওপৰত চলা সমস্ত নিগ্ৰহৰ বিৰুদ্ধে বিদ্ৰোহিণী হৈ উঠিছিল গিৰিবালা।" তাৰ ফল গিৰিবালাৰ বাবে অৱশেষত আছিল জ্বলা জুইত আত্মজাহৰ সিদ্ধান্ত। গোটেই জীৱন ধৰি জ্বলি থকা জুইকুৰা শেষত এদিন ভমকৈকে আচল জুইৰ শিখা হৈ তেওঁৰ দেহ ভস্মীভূত কৰিছিল। গতিকে সাহিত্যত গিৰিবালা এক অবিস্মৰণীয় চৰিত্ৰ।"[৪]

নাৰায়ণী ঃ

'মামৰে ধৰা তৰোৱাল' উপন্যাসৰ এক উল্লেখযোগ্য নাৰী চৰিত্ৰ হ'ল নাৰায়ণী। তাই কোম্পানীৰ ডেইলী পেইড হৰিজন শ্ৰমিক তথা ৰুগীয়া কংকালসাৰ শ্ৰমিক শিবু ধাছলাৰ পত্নী আৰু এটি কেঁচুৱাৰ মাতৃ। তাই এফালে যেনেকৈ কষ্টসহিষ্ণু, সাহসী, ধৈৰ্যশীল আৰু সন্তান আৰু স্বামীৰ প্ৰতি দায়বদ্ধা আনফালে ৰূঢ় বাস্তৱ আৰু অনাকাংক্ষিত ভৱিষ্যতৰ বাবে ভীতিগ্ৰস্তা। কিন্তু ঔপন্যাসিকাই নাৰায়ণী চৰিত্ৰত চিত্ৰিত কৰা আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল চৰম প্ৰৱঞ্চনাৰ বিপৰীতে নাৰীৰ চৰম প্ৰতিশোধ ল'বপৰা শক্তি।

যৌৱনাৱস্থাৰ ৰূপহী, ৰাংঢালী নাৰায়ণীৰ সপোনৰ সাম্ৰাজ্য চাৰখাৰ কৰি কোম্পানীৰ চাহাব এজনে "কুঁহিয়াৰৰ সিঠাৰ দৰে চোবাই" অন্তঃসত্বা কৰি এৰি যোৱাত পৰিস্থিতিৰ মেৰপাকত পৰি শিবু ধাছলাৰ সৈতে সংসাৰ আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত যক্ষ্মাৰোগত আক্ৰান্ত স্বামী আৰু কেঁচুৱাৰ ভৱিষ্যতৰ চিন্তাতে নাৰায়ণী অথাই সাগৰত পৰিছিল। কিন্তু প্ৰৱঞ্চক প্ৰেমিক, ইঞ্জিনীয়াৰজনে যেতিয়া তাইৰ দুৰ্দশাগ্ৰস্ত অৱস্থাৰ প্ৰতি সহানুভূতিশীল হৈ টকাৰ টোপোলা আগবঢ়াইছিল, তেতিয়া তাই সেই টকা পূৰ্ণ চিত্তে প্ৰত্যাখ্যান কৰিছিল। অন্ন, বস্ত্ৰ, বাসস্থান তথা সংস্থাপনহীনতাই নিশ্চিত মৃত্যুৰ গৰাহলৈ আগবঢ়াই নিয়াৰ সময়তো তাই প্ৰৱঞ্চক প্ৰেমিকৰ অনুকম্পা গ্ৰহণ কৰিব পৰা নাছিল। নাৰীত্বক অৱমাননা কৰা পুৰুষৰ প্ৰতি অবিশ্বাসী নাৰায়ণীয়ে জীৱন জীৱিকাৰ সন্ধানত উপায়ন্তৰ হৈ ঠাকুৰ চাহাবক দেহদান কৰে যদিও ধ্বজ্জ্বভংগ ৰোগত আক্ৰ চাহাবৰপৰা তাইৰ কোনো বিপদ নহয় বুলি ভাবিছিল। চাহাবৰ প্ৰৱঞ্চনাত নাৰায়ণী অন্তঃসত্বা হয় আৰু প্ৰতিশো জুইত দগ্ধ হৈ ঠাকুৰ চাহাবক কুঠাৰেৰে ঘপিয়াই হত্যা ক এই ঘটনা প্ৰতিশোধ আৰু ক্ষোভকেন্দ্ৰিক ক্ৰিয়া-প্ৰতিক্ৰি বহিঃপ্ৰকাশ মাত্ৰ আৰু ইয়াৰ মাজেৰে প্ৰকাশি উঠিছে ন চৰম প্ৰতিশোধ লব পৰা শক্তি।

বিচিত্ৰ নাৰী মনৰ অধিকাৰী নাৰায়ণীয়ে যশোধ সীমাহীন আস্থা আৰু শ্ৰদ্ধাৰ দৃষ্টিৰে চাইছিল যদিও যশোধ নিজৰ মনৰ কথা ব্যক্ত কৰিবলৈ লওঁতে তাই প্ৰশ্ন কৰিছে "ে প্ৰতি এই দৰদ কিয় তোৰ? তোৰ এই দৰদ শম্ভু পাছে বসুমতী বুঢ়ী, লিচু লেঙেৰা, এইবোৰৰ প্ৰতিও আছেনে?" বিচিত্ৰ নাৰীমনহু "নাৰাণীয়ে সতী, সতীত্ব আদি সামা মূল্যবোধতকৈ প্ৰাণী মাত্ৰৰে স্বাভাৱিক আকাংক্ষা প্ৰাণ ৰ চিন্তাত উদ্বাউল হৈছে। হৃদয় স্তূপীকৃত দুখ, ক্ষোভ, প্ৰতি সকলোখিনি তাই এটা মাথোঁ বাক্যৰেই প্ৰায় প্ৰকাশ ক — "মোৰ খুচী মই ৰাণ্ডীগিৰি কৰি খাম।" পৰিস্থিতি নাৰায়ণীক এই বাক্য উচ্চাৰণ কৰিবলৈ বাধ্য কৰিছে।[৫] নাৰী কেনেকুৱা অসহায় অৱস্থাত বা নিৰুপায়ত পৰি দেহোপজীৱিনী ৰূপান্তৰিত হ'ব পাৰে, তাৰ স্পষ্ট উপলব্ধি কৰিব পাৰি নাৰায় চৰিত্ৰৰ জৰিয়তে। গতিকে নাৰায়ণী 'মামৰে ধৰা তৰোৱা উজ্জ্বলতম চৰিত্ৰ আৰু মামণি ৰয়ছম গোস্বামীৰ অপূৰ্ব সৃ

নৱনীতা দেৱসেনৰ উপন্যাসৰ নাৰী চৰিত্ৰ ঃ

বিপাশা ঃ

নৱনীতা দেৱ সেনৰ 'প্ৰবাসে দৈবেৰ বশে' উপন্যা প্ৰধান নাৰী চৰিত্ৰ বিপাশা। লেখক কবি বিপাশাই লণ্ডনত থ ইংৰাজীতে লেখা-মেলা কৰে। নিম্ন মধ্যবিত্ত পৰিয়ালৰ বাঙ কন্যা বিপাশাই প্ৰেমিক সমীৰৰ বাবেই ৰাজনীতি তথা বিপ্ল অ-আ, ক-খ, নুবুজাকৈয়ে সেই ক্ষেত্ৰখনত ভৰি দিছি পৰাধীনতাৰ শৃংখল ভাঙিবলৈ কৰা বিপ্লৱৰ ফলত সমী কাৰাবাস খাটিবলগীয়া হৈছিল আৰু বিপাশা এৰেষ্ট হো আগেয়েই পিতৃয়ে জোৰপূৰ্বক লণ্ডনলৈ পলুৱাই পঠিয়াইছি

বিপাশাই প্ৰায়েই স্ব-ভূমি আৰু প্ৰেমিক সমী সোঁৱৰণ কৰি নষ্টালজিয়াত ভোগে। এই নষ্টালজিয়া তীব্ৰ

হৈ উঠিছে পূৱ ইউৰোপৰ চেকোস্লাভিয়াত অনুষ্ঠিত লেখক-শিল্পীৰ এক সন্মিলনত নিজকে অৱহেলিত অনুভৱ কৰি। ঔপনিৱেশিক সাম্ৰাজ্যবাদৰ তলতীয়া দেশৰ প্ৰতিনিধি হিচাপেই নহয়, সেই দেশ শাসন কৰা অত্যাচাৰীসকলৰ ভাষা (ইংৰাজী ভাষা)ৰ জৰিয়তে সাহিত্য সৃষ্টি কৰা বাবে বা "নকল শিল্প সৃষ্টি" কৰা বাবেও। এই সন্মিলনতে ঘোষণা কৰা হৈছিল যে 'শিল্পীদের খেয়ালি পনাটা সম্পূৰ্ণ বানিয়ে তোলা বুৰ্জোয়া ভণ্ডামি মাত্ৰ। একটা সামাজিক লাইসেন্স নিয়ে নেওয়া আর কি, যা খুশি তাই করবার জন্য।" পৰৱৰ্তী সময়ছোৱাত অৱহেলিত, নিঃসংগ বিপাশাৰ ৰাজনীতিক তথা সাহিত্য সমালোচক য়োহানৰ সৈতে অন্তৰংগতা গঢ়ি উঠে। কাৰণ, দুই নিঃসংগ ব্যক্তি নষ্টালজিয়াত ভাৰাক্ৰান্ত। য়োহানৰ জীৱনৰপৰা সমাজবাদত বিশ্বাসী মাক আঁতৰি গৈছে, আনহাতে আস্থা বা বিশ্বাসহীনতাত ভুগি পত্নী কাট্ৰিনাও আঁতৰি গৈছে। আনহাতে বিপাশাইও হেৰুৱাইছে বিপ্লৱী তথা কমিউনিষ্ট মতাদৰ্শত বিশ্বাসী প্ৰেমিক সমীৰক। সেয়েহে মানসিকভাৱে আনৰ প্ৰেমত বন্দী দুয়োগৰাকী নৰ-নাৰীয়ে যৌনতা বা শাৰীৰিক মিলনৰ মাজেদি জীৱনৰ ক্ষতিপূৰণ বিচাৰি লৈছে আৰু ৰাজনৈতিক ব্যৰ্থতা আৰু বাস্তৱতাৰ সীমাৱদ্ধতাৰ উৰ্দ্ধত মানৱিক সম্পৰ্কৰ শাশ্বত স্মৃতি দাঙি ধৰিবলৈ সক্ষম হৈছে।

শেষলৈ বিপাশাৰ মনৰ পৰিৱৰ্তন ঘটিছিল। তাই পলায়নবাদী চৰিত্ৰৰ চেকা আঁতৰাবলৈ বিচাৰিছিল। মনৰ সকলো অন্তৰ্দ্বন্দক জয় কৰি বিপাশাই স্বদেশ প্ৰত্যাৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। উল্লেখযোগ্য কথা এয়ে নিজৰ আপোনজনক হেৰুৱাই প্ৰৱাসত থাকি, অৱহেলিত, অপমানিত হৈও বিপাশাই জীৱনৰ গতি অবিৰতভাৱে বোৱাই ৰাখিছে। জীৱন যুদ্ধত সাহসেৰে মুখামুখি হৈ তাক নিঃশেষ নকৰি যোগাত্মক চিন্তাৰে আগুৱাই যোৱাটো গুৰুত্বপূৰ্ণ কথা। সেয়েহে নৱনীতা দেৱসেনৰদ্বাৰা সৃষ্ট বিপাশা এক সবল নাৰী চৰিত্ৰ।

তদুপৰি অত বছৰে প্ৰৱাসত থাকিও বিপাশাৰ হৃদয়ৰপৰা স্বদেশ স্বজাতি-স্বভাষাৰ প্ৰতি মোহ কমা নাছিল। সেয়ে সাহিত্য সন্মিলনলৈ গৈ বিপাশাই স্বদেশৰ লগত সেই ঠাইৰ বিভিন্ন কথা তুলনা কৰি চাইছিল। প্ৰেমিক সমীৰৰ প্ৰতি থকা হৃদয়ৰ টানো বিপাশাই নিঃশেষ কৰিব পৰা নাছিল। সেয়ে ঔপনিৱেশিক শোষণকাৰীসকলৰ ভাষা ইংৰাজীত লেখা মেলা কৰা কথাটোৱে বিপাশাৰ হৃদয়ত হুলে বিন্ধা দি বিন্ধিছিল। এক কথাত বিপাশা জাতীয়তাবাদী প্ৰাণৰ চৰিত্ৰ। সেয়ে প্ৰতিষ্ঠিত আন্তৰ্জাতিক লেখিকা হৈও অৱশেষত ইংৰাজী ভাষা পৰিত্যাগ কৰাৰ সিদ্ধান্ত লৈছিল। অথচ বিপাশাই স্কুল কলেজত পঢ়া দিনত মাতৃভাষা শিকাই নাছিল। তথাপিও নতুনকৈ শিকাৰ সিদ্ধান্তবে, মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধামিহলি দৃষ্টি গ্ৰহণ কৰিছিল। স্ব-দেশ স্বজাতিৰ আকৰ্ষণে বিপাশাক নতুনত্ব আৰু আশাবাদেৰে টোৱাই গৈছিল।

নৱনীতা দেৱসেনৰ একে নামৰে আন এক নাৰী চৰিত্ৰ 'বিপাশা' ঃ

বিপাশা 'ফিনিক্স' উপন্যাসৰ অন্যতম নাৰী চৰিত্ৰ। 'প্ৰবাসে দৈবের বশে' উপন্যাসৰ বিপাশাই পৰৱৰ্তী উপন্যাস 'ফিনিক্স'ত পৰিপূৰ্ণতা লাভ কৰাই নহয়, অসামান্য ৰূপত প্ৰতিভাত হৈছে। বিপাশা দুটা শক্তিৰ বলত জীয়াই আছিল। সেয়া হ'ল— প্ৰতিভা আৰু যৌৱন। উদ্ভিন্ন যৌৱনা বিপাশা মধ্য বয়সতো পুৰুষৰ বাবে বহু আকাংক্ষিত নাৰী। নিত্য-নতুন পুৰুষে তেওঁৰ প্ৰেমত বলিয়া হয়, আনহাতে নিজস্ব প্ৰতিভাৰ বলত বিপাশা গোটেই পৃথিৱীতে সমাদৃতা। কিন্তু প্ৰথমাৱস্থাৰ বিপাশা আছিল মাক-বাপেকৰ আলাসৰ লাড়ু, কুৰি বছৰ বয়সত বাপেকৰ জোৰপূৰ্বক আদেশত বিদেশলৈ গৈ সদায়ে নিজৰ দেশৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল। বিপাশা উভতি গৈছিল নিজৰ দেশলৈ। কিন্তু সময় সলনি হৈছিল, পৰিস্থিতি সলনি হৈছিল। সকলো কথাই অচিনাকি হৈ পৰিছিল বিপাশাৰ। উভতি আহিছিল বিপাশা, সলনি হৈছিল তাই। জৰ্জ অ্যাণ্ডাৰসনৰ সৈতে বিবাহ-পাশত আৱদ্ধ হৈও বান্ধোন মুক্ত হৈ ওলাই আহিছিল আৰু মুক্ত বিহংগৰ জীৱন-যাপন কৰিছিল। সন্তান ৰোহিণীকো নিজৰ লগত ৰাখিব বিচৰা নাছিল। কিন্তু ৰোহিণীৰ কন্দা-কটাত ৰাখিবলৈ বাধ্য হৈছিল। বিপাশা সদায়ে ব্যস্ত থাকিছিল নিজৰ কেৰিয়াৰগ্ৰাফ উৰ্দ্ধগামী কৰাৰ চিন্তাত আৰু বিশেষজ্ঞ হৈ উঠিছিল পোষ্ট কোলোনিয়াল ফেমিনিজম থিয়ৰীৰ। সেইদৰে মধ্য বয়সতো বিপাশাৰ জীৱনত প্ৰেমিকৰ অভাৰ নাছিল। যাক লৈ জীয়েক ৰোহিণীৰ সৈতে মতবিৰোধ ঘটিছিল আৰু ৰোহিণীয়ে ঘৰ এৰি গুচি গৈছিল। ৰোহিণী হৈ পৰিছিল ফিল্ম মেকাৰ আৰু কা-ন ফিল্ম ফেষ্টিভ্যালত প্ৰদৰ্শিত 'দ্য প্যাৰট

গ্রীণ শাড়ি' নামৰ ফিল্মখন সম্পর্কে দিয়া সাক্ষাৎকাৰত ৰোহিণীয়ে মাতৃৰ সফলতা-বিফলতাৰ বিৱৰণ দাঙি ধৰিছিল আৰু মাকে নিজৰ ভুল বুজিবলৈ সক্ষম হৈছিল। ৰোহিণীৰ মাক সম্পৰ্কীয় বৰ্ণনা ঃ "আমাৰ মা সৰ্বত্ৰ সফল। তিনি ভালো দেখতে, ভালো লেখেন, ভালো পড়ান, ভালো নাচেন, ভালো আড্ডা দিতে পৰেন, ভালো প্ৰেম কৰতে পাৰেন, জীবনে শুধু দুটি কাজে তিনি সফল হতে পাৰেননি। এক, নিজের মেয়েকে বশ কৰতে পাৰননি, এইখানে মা পূৰ্ণ ব্যৰ্থ হয়েছেন। আৰ দুই, বহু বছৰ ধৰে তিনি বাৰংবাৰ শুৰু কৰে, একান্ত চেষ্টা কৰে চলেছিলেন একটি উপন্যাস লেখবাৰ। উপন্যাসটা মায়ের মনের মধ্যে তৈৰি ছিল, কিন্তু কিছুতেই সেটা লেখা শেষ হচ্ছিল না। বাৰ বাৰ ব্যৰ্থ হয়ে শেষ পৰ্যন্ত অক্ষমতাৰ ৰাগে আৰ মনের কষ্টে মা পাণ্ডুলিপিটা পুৰিয়ে ফেলেন।" গতিকে সেই অবাধ্য ছোৱালীজনীয়ে মাকে লিখাত অসমৰ্থ, অসম্পূৰ্ণ উপন্যাসখনৰ ভিত্তিতে ফিল্ম প্ৰস্তুত কৰি মাকক সফল কৰি তুলিছিল। কাৰণ, মাকৰ পৰাজয় তাই সহ্য কৰিব নোৱাৰে। ৰোহিণীৰ এই সাক্ষাৎকাৰে বিপাশাক অসম্ভৱ গৌৰৱান্বিত কৰি তুলিছিল আৰু নিজৰ জীয়েকক বুজি উঠাই নহয়, নিজকো বুজিবলৈ সক্ষম হৈছিল। জীৱন পৰিপূৰ্ণ অনুভৱ কৰিছিল বিপাশাই "জীৱনে এত পৰিপূৰ্ণ তাঁৰ কোনও দিনও লাগেনি নিজেকে।"

বাংলা সাহিত্যত বিপাশা এক অসাধাৰণ নাৰী চৰিত্ৰ। নৱনীতা দেৱসেনে এই চৰিত্ৰটোক প্ৰথম উপন্যাস 'আমি অনুপম'ৰ পৰাই অংকন কৰিছে। কিন্তু এই চৰিত্ৰটোৱে 'ফিনিক্স' পখী হৈ পূৰ্ণতা লভিছে 'ফিনিক্স' উপন্যাসত। সচাঁকৈয়ে "বিপাশার মত চরিত্র বাংলা সাহিত্যে কখনও আসেনি।"

ৰোহিণী ঃ

'ফিনিক্স' উপন্যাসৰ আন এক গুৰুত্বপূৰ্ণ নাৰী চৰিত্ৰ ৰোহিণী। জৰ্জ আৰু বিপাশাৰ সন্তান ৰোহিণী সৰুৰে পৰাই চিন্তাশীল আৰু মাতৃৰ সম্পূৰ্ণ বিপৰীত দিশত অৱস্থানৰত। মাতৃ বিপাশা যেনেকৈ চঞ্চল নিজৰা, তাৰ বিপৰীতে জীয়েক ৰোহিণী স্নিগ্ধ জোনাক সদৃশ। মাকৰ বেপোৱোৱা জীৱনশৈলী আশৈশৱ দেখি ৰোহিণী বিতুষ্ট হৈ ঘৰ এৰি গুচি গৈছিল। সৰুতেই পিতৃ-মাতৃৰ বিচ্ছেদ ঘটিলেও পিতৃ জৰ্জৰ সৈতে ৰোহিণীৰ এক মধুৰ সম্পৰ্ক আছিল। ৰোহিণীয়ে পিতৃ সম্পৰ্কে এঠাইত ব্যক্ত কৰিছে "জীৱন গড়ার প্রেরণার ব্যাপারে সি বলতে কী, মা ব্যস্ত মানুষ, মার কাছে ততটা নয়, বাবার কা আমি যতটা বেশি প্রেরণা পেয়েছি।"

প্ৰতিভা আৰু যৌৱনৰ শক্তিৰে অগ্ৰগামিনী, নি অপ্ৰতিদ্বন্দী বিপাশাৰ সন্মুখত স্বয়ং জীয়েক ৰোহিণী প্ৰতিদ্বন্ হিচাপে থিয় দিছিল। এই প্ৰতিদ্বন্দ্বিতা কোনো সন্মুখ সমৰ হোৱা প্ৰতিদ্বন্দ্বিতা নাছিল। এই প্ৰতিদ্বন্দ্বিতা উপলুঙা বা হে কৰাৰ উদ্দেশ্যে নাছিল। অপৰাজিতা মাতৃক সদায়ে অপৰাজি ৰূপে চাবলৈ সুস্থ দৃষ্টিভংগী তথা কাৰ্যপন্থাৰে কৰা প্ৰতিযোগি যিয়ে বিপাশাৰ ধ্যান-ধাৰণা, বিশ্বাস তথা জীৱন সম্পৰ্কে দৃষ্টিভংগীকেই সলনি কৰি দিছিল।

ৰোহিণীৰ চৰিত্ৰৰ আন এক উল্লেখযোগ্য দিশ হ নাৰীবাদী চিন্তাধাৰাৰ সম্যক প্ৰতিফলন। কা-ন ফিল্ম ফেষ্টিভ্যাল 'দ্য প্যাৰট গ্ৰীণ শাড়ি' চলচ্চিত্ৰ প্ৰদৰ্শনীৰ সময়ছোৱাত হো এক সাক্ষাৎকাৰত তেওঁৰ বক্তব্যৰ মাজেৰে নাৰীবাদ সম্পৰ্কী চিন্তাধাৰ প্ৰতিফলিত হৈছে। স্বাভিমানী ৰোহিণীয়ে শিল্প ক্ষেত্ৰ স্ত্ৰী-পুৰুষৰ বিভাজন মুঠেই পচন্দ নকৰে। উদাৰ মানসিকত পৰিপক্ক ৰোহিণীয়ে সংকীৰ্ণতাক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে নাৰীয়ে কেৱল নাৰীৰ সৈতেই প্ৰতিযোগিতাত লিপ্ত হ নেকি? শিল্প সাহিত্যতো নাৰীৰ কাৰ্যকলাপ ভিন্ন হ'ব তেওঁলোকৰ দৰ্শকো অকল নাৰীয়েই হ'ব নেকি? নাৰী বেলেগ এখন নাৰীৰ পৃথিৰী গঢ়ি তুলি বেলেগে জীয়াই থাকি নেকি? এনে ধৰণৰ আচহুৱা চিন্তাধাৰা কেতিয়াও বাস্তৱ হ নোৱাৰে। গতিকে পৰিপক্ক যুক্তিৰে ৰোহিণীয়ে নাৰীবাদ সম্পৰ্কী নিজস্ব মত ব্যক্ত কৰিবলৈ সক্ষম হৈছে। এয়া অকল ৰোহিণী মত নহয়, ৰোহিণীৰ জৰিয়তে পাঠকলৈ ঔপন্যাসিক নৱনীত দেৱসেনৰ নাৰীবাদ সম্পৰ্কীয় দৃষ্টিভংগীৰ প্ৰক্ষেপন।

ৰোহিণী অন্য এক অৰ্থতো সাহসী। ৰোহিণীয়ে কা সৈতে প্ৰেমৰ সম্পৰ্ক স্থাপন নকৰি বা বিবাহপাশত আবদ্ধ নহ তিনিমহীয়া সন্তান এটি তুলি লৈছিল। গতিকে এটা ক অনস্বীকাৰ্য যে বাংলা সাহিত্যত ৰোহিণী চৰিত্ৰৰ চিত্ৰণ সৰ আৰু শক্তিশালী ৰূপত কৰা হৈছে। উপন্যাসৰ নায়িকা নহ'লে এক এৰাব নোৱাৰা অতি গুৰুত্বপূৰ্ণ চৰিত্ৰ হিচাপে ৰোহিণ উজ্জ্বল ৰূপত প্ৰতিভাত হৈছে।

তুলনামূলক বিচাৰ ঃ

ওপৰোক্ত আলোচনাৰ ভিত্তিত আমি নিম্নোক্ত ধাৰণাত উপনীত হ'ব পাৰো —

১। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ চৰিত্ৰত ঋণাত্মক চিন্তাৰ পয়োভৰ দেখা যায়। যেনে— গিৰিবালা, সৌদামিনীৰ মৃত্যুৰ চিত্ৰণ। তাৰ বিপৰীতে নৱনীতা দেৱসেনৰ প্ৰতিটো চৰিত্ৰ যোগাত্মক চিন্তাৰ অধিকাৰী। নিজৰ প্ৰেমিকক হেৰুৱাই নিঃসংগ বিপাশাই মৃত্যু চিন্তা কৰাৰ পৰিৱৰ্তে য়োহানৰ সৈতে হোৱা মিলনৰ জৰিয়তে মানসিক শূন্যতাৰ অৱসান ঘটাইছে। বিবাহ বিহঃৰ্ভূত এই মিলন স্বীকৃতিযোগ্য নহ'লেও বিবেকৰ দংশনত দংশিত হোৱা নাই। তাৰ যোগেদি বিচাৰি লৈছে জীৱনৰ পৰিপূৰ্ণতা। ঠিক সেইদৰে গিৰিবালা আৰু সৌদামিনীয়েও মার্ক চাহাব আৰু খ্ৰীষ্টান প্ৰেমিকৰ সৈতে মিলিত হৈ বিবেকৰ দংশনত দংশিত হৈ আত্মজাহ নিদি যোগাত্মক চিন্তাৰে জীৱন যুদ্ধৰ সন্মুখীন হ'ব পাৰিলেহেঁতেন।

একেলগে কাৰণ, মানুহ মাত্ৰৰে স্বাভাৱিক আশা-আকাংক্ষা, কামনা-বাসনা পূৰণ কৰাটো দোষণীয় হ'ব নোৱাৰে। অৱদমিত আশা-আকাংক্ষাই মানুহক মানসিকভাৱে অসুখী কৰি তুলি জীৱনটোক তিলতিলকৈ ধ্বংসৰ গৰাহলৈ ঠেলি দিব পাৰে। তাৰ জ্বলন্ত উদাহৰণ — সৌদামিনী আৰু গিৰিবালাৰ আত্মহত্যা। অনুৰূপ পৰিস্থিতিত বিপাশাই (প্ৰবাসে দৈৱৰে বশে) জীৱন যুদ্ধত জয়ী হৈ প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।

(২) দুয়োগৰাকী ঔপন্যাসিকৰে চৰিত্ৰৰ কার্যাৱলীত সামাজিক প্ৰভাৱ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে প্ৰতিফলিত হৈছে। গিৰিবালা, সৌদামিনীয়ে সংৰক্ষণশীল, পৰম্পৰাবাদী সমাজত বাস কৰাৰ বিপৰীতে বিপাশা, ৰোহিণীয়ে লণ্ডনৰ আধুনিক জীৱন-ধাৰাত উন্মুক্তভাৱে বাস কৰে। গতিকে সামাজিক প্ৰভাৱেও চিন্তাধাৰাৰ পৰিৱৰ্তনত বিশেষ তাৎপর্য বহন কৰিছে।

(৩) মামণি ৰয়ছম গোস্বামীয়ে সৌদামিনী, গিৰিবালা, নাৰায়ণী আদি চৰিত্ৰৰ মাজেৰে চৰিত্ৰৰ মনস্তাত্ত্বিক দিশটোক অধিক প্ৰস্ফুটিত কৰিবলৈ সক্ষম হৈছে। আনহাতে নৱনীতা দেৱসেনৰ বিপাশা, ৰোহিণী আদি চৰিত্ৰত ব্যক্তিত্বৰ সবল দিশটোৰ চিত্ৰায়ণ হৈছে।

(৪) সৌদামিনী, গিৰিবালা, নাৰায়ণী প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি বীতশ্ৰদ্ধ। কিন্তু তাৰ বাবে হাতে কামে কার্যপন্থা গ্ৰহণ কৰিব নোৱাৰি বা প্ৰকাশ্যে বিদ্ৰোহ কৰিব নোৱাৰি, মৃত্যুৰে প্ৰতিবাদ সাব্যস্ত কৰিছে। কিন্তু বিপাশা, ৰোহিণীয়ে সমাজ ব্যৱস্থাৰ বিপক্ষে অথচ নিজৰ সপক্ষে কাম কৰি আগুৱাই গৈছে, নিজৰ মনৰ অন্তঃদ্বন্দ্বৰ সৈতে যুঁজি থকা নাই। নিঃসংগ অৱস্থাত নিজৰ শৰীৰৰ স্বাভাৱিক প্ৰয়োজনীয়তাক স্বীকাৰ কৰি যৌনতাৰ মাজেৰে জীৱনটো উপভোগ্য কৰি তুলিছে আৰু কর্মজীৱনতো উচ্চ আসনত অধিষ্ঠিত হৈছে (বিপাশা চৰিত্ৰ)। ঔপন্যাসিকাই বিপাশা সম্পৰ্কে কৈ গৈছে— "প্রেম করাও খুবই জরুরি, প্রেম বিনা বাঁচা অকল্পনীয়, কিন্তু কাজ প্রেমেরেও আগে। তিনি মুক্ত প্রাণ, ফ্রি স্পিৰিট, বন্ধনহীন চিত্ত। জীৱনই তাঁক এমনভাৱে বাঁচতে শিখিয়েছে। .... তাঁৰ প্রয়োজন, ... অল্প বয়েসি পুরুষেরা তাঁর উদ্ধত যৌৱনকে তপ্ত করে রাখত।"

(৫) মামণি ৰয়ছম গোস্বামী আৰু নৱনীতা দেৱসেনৰ মাজৰ উল্লেখযোগ্য সাদৃশ্য হ'ল— নাৰীৰ যৌনাকাংক্ষাক স্বাভাৱিক ৰূপত সাহসিক চিত্ৰায়ণ। সৌদামিনী, গিৰিবালা, বিপাশা ইয়াৰ প্ৰকৃষ্ট উদাহৰণ।

(৬) দুয়োগৰাকী ঔপন্যাসিকাৰে উপন্যাসত নাৰী চৰিত্ৰৰ সবল উপস্থিতি লক্ষণীয়। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত সৌদামিনী, গিৰিবালা অথবা নাৰায়ণীৰ বাবেই উপন্যাসৰ কাহিনীয়ে অগ্রগতি লাভ কৰাই নহয়, উক্ত চৰিত্ৰ কেইটিৰ অনুপস্থিতিত উপন্যাস অসম্পূৰ্ণ হৈ ৰ'ব। একেদৰে নৱনীতা দেৱসেনৰ উপন্যাসৰাজিতো বিপাশা, ৰোহিণী অবিহনে কাহিনী সংৰচনা অসম্ভৱৰূপে পৰিগণিত হ'ব।

মুঠতে সাদৃশ্য বৈসাদৃশ্যৰ দৃষ্টিভংগীৰে কৰা আলোচনাতে আলোচ্য বিষয়বস্তুত কেবাটাও দিশ পৰিস্ফুট হৈছে। গতিকে ইয়াক তত্ত্বগতভাৱে ফঁহিয়াই চালে বিস্তৃত আলোচনাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি।

◈ ◈ ◈



শীলভদ্রৰ গল্প ঃ

বিশেষতঃ চিঠিৰ উল্লেখসহ

ড° বিনীতা বৈ
অসমীয়া বিভ

শীলভদ্রৰ পৰিচয় ঃ

ধুবুৰী জিলাৰ গৌৰীপুৰত ১৯২৪ চনত শীলভদ্রৰ জন্ম হয়। শৈক্ষিক জীৱন গৃহভূমিতে আৰম্ভ কৰি প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ শীলভদ্রই ঐতিহ্যমণ্ডিত কটন কলেজত বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰে। তাৰ পাছত বাংলাদেশৰ কাৰমাইকেলা মহাবিদ্যালয়ৰ পৰা গণিত বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৪৬ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গণিত বিষয়ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৪৭ চনত তেওঁ কটন মহাবিদ্যালয়ত গণিতৰ অধ্যাপক হিচাপে কৰ্মত যোগদান কৰে। কটন মহাবিদ্যালয়ত দুবছৰ শিক্ষকতা কৰাৰ পাছত তেওঁ ঠিকাদাৰ, সাংবাদিক আৰু চাহ বাগিচাৰ সহকাৰী পৰিচালক হিচাপে কাম কৰিবলৈ লয়। ১৯৫৭ চনত শীলভদ্রই অসম অভিযান্ত্রিক মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে যোগদান কৰি সেই পদবীৰ পৰা ১৯৮২ চনত অৱসৰ গ্ৰহণ কৰে। এই কৰ্মময় জীৱনটোৰ লগতে শীলভদ্রৰ সাহিত্যিক জীৱনো সাঙোৰ খাই আছে।

শীলভদ্রৰ সাহিত্য কৃতি ঃ

গল্পকাৰ হিচাপে সফল ৰামধেনু যুগৰ এইগৰাকী গল্পকাৰৰ সাহিত্যিক জীৱনৰ শুভাৰম্ভ উপন্যাস ৰচনাৰেই হয়। ১৯৭১ চনত তেওঁৰ প্ৰথম উপন্যাস সংকলন 'মধুপুৰ আৰু তৰংগিনী' প্ৰকাশ পায়। গল্পকাৰ হিচাপে অধিক খ্যাতি অৰ্জন কৰা শীলভদ্রৰ ১৯৭৫ চনত প্ৰথম গল্প সংকলন 'বাস্তৱ' প্ৰকাশ পায়।

শীলভদ্রৰ উল্লেখযোগ্য গল্প সংকলনবোৰ হ'ল— কোনো ক্ষোভ নাই, সমুদ্রতীৰ, তৰুৱা কৰম, উত্তৰণ, দায়িত্ব অ
অন্যান্য গল্প, আকৌ মধুপুৰ, মধুপুৰ বহুদূৰ, তৰ্পণ, চিঠি অ
অন্যান্য গল্প, আপোন মানুহ, জীৱনৰ ৰং ইত্যাদি।

শীলভদ্রৰ অনুবাদ গ্ৰন্থ হ'ল— ৰিপভান উইংকল অ
কেইটামান গল্প, ৰূপান্তৰ।

শীলভদ্রৰ সাহিত্য কৃতিৰ স্বীকৃতি ঃ

সাহিত্য কৃতিৰ স্বীকৃতি হিচাপে শীলভদ্রই কেইবাটা
বঁটা লাভ কৰে। ১৯৯০ চনত 'অনুসন্ধান' উপন্যাসৰ বাবে অ
প্ৰকাশন পৰিষদ বঁটা আৰু ১৯৯২ চনত দায়িত্ব আৰু অন্যান্য
শীৰ্ষক গল্প সংকলনৰ বাবে ভাৰতীয় পৰিষদৰ বঁটা আৰু ১৯
চনত শীলভদ্রই সাহিত্য অকাডেমি বঁটা 'মধুপুৰ বহু দূৰ'
সংকলনৰ বাবে লাভ কৰে। সাহিত্য ক্ষেত্রটো তেওঁ আগবঢ়ো
জীৱনযোৱা অৱদানৰ বাবে ২০০২ চনত তেওঁক অসম উপত্য
সাহিত্য বঁটাৰে সন্মানিত কৰা হয়। এইগৰাকী গল্পকাৰৰ
ফেব্রুৱাৰী ২০০৮ চনত মৃত্যু হয়।

শীলভদ্রৰ গল্পৰ বৈশিষ্ট্য ঃ

ৰামধেনু যুগৰ গল্পকাৰ শীলভদ্রৰ গল্পৰ বিশেষত্বৰো
বাবে তেওঁৰ গল্পৰ বিশেষ স্থান আছে—

(ক) প্ৰতিতীবাদ আৰু বাস্তৱবাদ শীলভদ্রৰ গল্পৰ বৈশিষ্ট্য। বাস্তৱ
নতুন দিশ নিৰ্ণয় কৰি শীলভদ্রৰ গল্পই অসমীয়া চুটিগল্পক নতু
প্ৰদান কৰিছে।

(খ) গল্পৰ কাহিনী আৰু বিষয়বস্তু প্ৰাত্যাহিক জীৱনবোধেৰে নিৰ্মিত।

(গ) শীলভদ্রৰ গল্পৰ আন এটা বৈশিষ্ট্য হ'ল অনাড়ম্বৰ শৈলী আৰু অতি বাস্তৱধৰ্মী জীৱন চিত্রণ। এই প্ৰসংগত "সাধাৰণ মানুহৰ নিত্যন্তন জীৱনধাৰাৰ হৰ্ষ-বিষাদ মিহলি কেতবোৰ সমস্যাক তেওঁ গল্পবোৰত উপস্থাপিত কৰিছে, ... তেওঁৰ গল্প পঢ়িলেই অনুভৰ কৰিব পাৰি যে চেখভ, মোপাছাঁ, আদি গল্পকাৰৰ দৰে শীলভদ্রৰো গল্পৰ বেছিভাগ চৰিত্রৰ ম'ডেল কোনো নহয় কোনো এজন জীৱন্ত বা বাস্তৱ ব্যক্তি।[১]

(ঘ) নৈৰ্ব্যক্তিকতা আন এটা প্ৰধান বৈশিষ্ট্য।

(ঙ) শীলভদ্রৰ গল্পত ব্যংগ-হাস্য ৰূপ এটা পোৱা যায়। এই ব্যংগ-হাস্য ৰূপৰ ক্ষেত্রত তেওঁৰ গল্পত সমাজৰ শাসক, শোষক শ্রেণীৰ ভণ্ডামিৰ চিত্র প্রকাশ পায়। অৱশ্যে ই মার্জিত ৰূপত প্রকাশ পোৱা দেখা যায়।

(চ) শীলভদ্রৰ কাহিনীয়ে সংবেদনশীল চৰিত্রৰ সৃষ্টি কৰে যদিও চৰিত্রই বাস্তৱধৰ্মী কথা-বার্তা, কর্মৰ মাধ্যমেৰে আগবাঢ়ে। প্রহ্লাদ কুমাৰ বৰুৱাৰ মন্তব্য এটা এইখিনিতে উল্লেখ কৰিব পাৰি— "শীলভদ্রৰ গল্পত চিত্রিত হোৱা বাস্তৱধৰ্মী চৰিত্রবোৰৰ কথা-বার্তা, আচৰণ আৰু কর্মৰ মাজেদিয়ে লেখকগৰাকীয়ে চৰিত্রক মনস্তাত্বিক বিচাৰ বিশ্লেষণ কৰিবলৈ প্রভূত যত্ন কৰিছে।"[২]

(ছ) বাস্তৱ কাহিনীৰ উপযুক্ত ভাষা শীলভদ্রৰ গল্পত লক্ষ্য কৰা যায়। স্থানীয় গোৱালপৰীয়া ভাষাবো সুৰ এটি বিদ্যমান।

(জ) অতীতৰ প্রতি সন্মোহন তেওঁৰ গল্পৰ মাজত লক্ষ্য কৰা যায়। ইয়াৰ মাজতে ইতিহাসৰ ৰূপৰেখা প্রতিভাত হৈ উঠে। মধুপুৰ, বহুদূৰ, চিঠি আদি তেনে ধৰণৰ চুটিগল্প।

(ঝ) চুটিগল্পৰ আংগিকৰ ক্ষেত্রত শীলভদ্র সচেতন। কম কথাত, কম পৰিসৰত চুটিগল্পৰ বিশেষত্ব শীলভদ্রৰ গল্পত ৰক্ষিত হোৱা দেখা গৈছে। প্রহ্লাদ কুমাৰ বৰুৱাৰ মত এটি উল্লেখ কৰিব পাৰি এইখিনিতে— "শীলভদ্রৰ গল্পত বর্ণনাৰ পৰিমিতি যিদৰে লক্ষ্য কৰা যায় ঠিক সেইদৰে বিষয়বস্তু আৰু ভাৱবস্তু কেন্দ্রিক কল্পনাৰ ঐক্য সূত্রও লক্ষ্য কৰা যায়। চুটিগল্পৰ এনে সকলো গুণ থকাৰ বাবে শীলভদ্র এগৰাকী সফল লেখক।"[৩]

(ঞ) গল্পকাৰে গল্পত অনুভূতি জগাই তুলিব পৰা এবিধ উপাদান হ'ল শ্লেষ (Irony)। Irony may be defined as contrast, a disparity between what actually is and what ought to be, it is one form of contrast and can be found in all aspects of modern fiction.[৪]

শীলভদ্রইও শ্লেষৰ প্রয়োগ কৰা দেখা যায়। 'চিঠি' নামৰ গল্পটোত চিঠিৰ গুৰুত্ব বঢ়াবলৈ যিখিনি কথা কৈছে সেয়াও যেন একপ্রকাৰ শ্লেষেই। চিঠিৰ মূল্য এখন চিঠিয়েই বুলি প্রসংগক্রমে ৰবীন্দ্রনাথৰ চিঠিৰ কথা উল্লেখ কৰিছে। চিঠিৰ গুৰুত্ব বঢ়াবলৈ কৰা কার্যই যেন চিঠি কেন্দ্রবিন্দুৰ জৰিয়তে আধুনিক মানুহৰ সংশয়ক আধুনিক নিসংগতাক বিদ্রুপ কৰিছে— "ক'ৰ পৰা চিঠি আহিব? কোনে চিঠি দিব? সংগত প্রশ্ন। কোনে তেওঁক চিঠি দিব আৰু কিয় দিব? এইটো তেওঁৰ পৰিবাৰৰ উদাসীনতা নে অভিমান? চৌধুৰীৰ প্রতি অনুকম্পাওটো হ'ব পাৰে। কঙালৰ দৰে কিয় তেওঁৰ এই মানসিক অৱস্থা।"[৫]

(ট) চুটিগল্প ৰচনাৰ এটি বিশেষ বৈশিষ্ট্য হ'ল ইংগিত ধর্মিতা। চেকভৰ গল্পত এই বৈশিষ্ট্য পোৱা যায়। গল্পৰ পৰিসৰ যিহেতু কম গতিকে বক্তব্যক ইংগিতেৰে পৰিপূর্ণ কৰিবলগীয়া হয়। চমকপ্রদ প্রতীকৰ পৰিৱর্তে গতানুগতিক জীৱনৰ পৰা প্রতীক আহৰণ কৰি বিবিধ ভাৱক মূর্ত কৰি তোলা হয়। সমালোচক O Faoline এ চমকপ্রদ প্রতীকৰ পৰিৱর্তে সাধাৰণ কথাকে প্রতীক হিচাপে ব্যৱহাৰ কৰিছে। শীলভদ্রই 'চিঠি'ত এক চমক সৃষ্টি কৰি লাহে লাহে সামৰণি মাৰিছে। সেয়ে বৈ বৈ এক গভীৰ ব্যঞ্জনাৰ স্পন্দন তোলে গল্পৰ কাহিনীটোয়ে। চমক দি নাটকীয়ভাৱে গল্পটো শীলভদ্রই সামৰণি মৰা বাবে গল্পৰ বিষয়ে আকর্ষিত কৰিছে। এইখিনিতে প্রখ্যাত গল্পকাৰ Frank O' Conner এ নাটকৰ জ্ঞান নথকাকৈ এজন ভাল গল্পকাৰ হ'ব নোৱাৰে বুলি কৰা ধাৰণা শীলভদ্রৰ ক্ষেত্রত পুৰামাত্রাই খাটিছে।

(ঠ) শীলভদ্রৰ গল্পৰ ভাষা পোন আৰু সৰল। কথনগত কৌশল স্পষ্ট। খেদহীন ভাষাৰ মাজত স্বকীয়তা বিৰিঙি উঠে। তেওঁৰ বহু গল্পত গোৱালপৰীয়া স্থানীয় ভাষাৰ জঁতুৱা প্রক্ষেপ কৰা দেখা যায়। ভাষাৰ এনে প্রয়োগে বাস্তৱগন্ধী গল্পৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। এম. কামালুদ্দিন আহমেদৰ মত এটি প্রণিধানযোগ্য— "প্রতিতীবাদৰ জৰিয়তে শীলভদ্রই বাস্তৱতাতে নতুন নতুন অর্থ আৰোপ কৰে। নির্মেদ এই ভাষাই সময়ৰ ধাৰণাক উপকৰণ হিচাপে লৈ তাৰ অভিষ্ট সিদ্ধি (বাস্তৱতাৰ সন্ধান)ৰ ফালে আগবাঢ়ে।"[৬]

চিঠি গল্পৰ কাহিনী ঃ

চিঠি গল্পৰ কাহিনী হ'ল এটা গতানুগতিক বাস্তৱ জীৱন কাহিনী। গল্পটোত দুজন বন্ধুৰ মাজত থকা এটা গভীৰ সম্বন্ধক চিঠিৰ জৰিয়তে বুজা গৈছে। চাকৰি জীৱনৰ পৰা অৱসৰ লোৱাৰ পাছত ভূদেৱ চৌধুৰীয়ে বন্ধু প্রশান্ত শর্মালৈ এখন চিঠি লিখে। সেই চিঠিখনক কেন্দ্র কৰিয়েই কাহিনীৰ আৰম্ভ আৰু সমাপ্তি ঘটে।

ভূদেৱ চৌধুৰীয়ে চিঠিখন প্ৰশান্ত শৰ্মালৈ পঠিয়াই বন্ধুৰ আগ্ৰহপূৰ্ণ সহাৰি মিশ্ৰিত চিঠিৰ উত্তৰলৈ অপেক্ষা কৰি আছে। চিঠিৰ বাবে ভূদেৱ চৌধুৰী অপেক্ষা কৰি কৰি অধীৰ হয়। আৰু ঘৰলৈ চিঠি অহা-নহা খবৰটো প্ৰত্যেক দিনাই চৌধুৰীয়ে ঘৈণীয়েকক সোধে। ঘৈণীয়েকেও নীৰসভাৱে উত্তৰ দিয়ে যে, চিঠি অহা নাই বা চিঠিনো তেওঁলৈ ক'ৰ পৰা আহিব সেই কথা। চৌধুৰীয়ে বহু অপেক্ষা কৰাৰ পাছতো চিঠি নাহে। ডিব্ৰুগড়ত চাকৰি কৰা সময়ছোৱাত ন-কইনা গৰাকীক ঘৰত এৰি থৈ গৈ আকৌ তাৰ পৰা চিঠি পঠিয়ায়। সেই সময়তো চিঠিৰ উত্তৰলৈ অপেক্ষা কৰাৰ কথা প্ৰসংগক্ৰমে ভূদেৱ চৌধুৰীৰ মনলৈ আহে। লগতে বাংলা সমাজত ৰবীন্দ্ৰনাথ ঠাকুৰৰ চিঠি কিমান মূল্যবান সেই কথাও গল্পকাৰে ভূদেৱ চৌধুৰীৰ উপলব্ধিৰ মাজত স্থাপন কৰে। অৱশ্যে বহুত অপেক্ষাৰ পাছত ভূদেৱ চৌধুৰীয়ে উত্তৰ পালে যে প্ৰশান্ত শৰ্মাৰ মৃত্যু হৈছে। তাৰ পাছত ভূদেৱ চৌধুৰী প্ৰশান্ত শৰ্মাৰ ঘৰলৈ যায় আৰু তালৈ গৈ ভূদেৱ চৌধুৰীৰ চিঠিখন পোৱাৰ পাছত প্ৰশান্ত শৰ্মা আনন্দিত হোৱা বুলি বাৰ্তাটো ভূদেৱ চৌধুৰী লাভ কৰে। এক কাৰুণ্যৰ মাজেৰে গল্পকাৰে কাহিনীটো এইদৰেই সামৰণি মাৰিছে।

চিঠি গল্পৰ চৰিত্ৰ ঃ

'চিঠি' গল্পটোত মুখ্য চৰিত্ৰ ভূদেৱ চৌধুৰী। ভূদেৱ চৌধুৰীক গল্পকাৰে এটা গতানুগতিক জীৱন-যাপন কৰা বৈচিত্ৰ্যহীন অথচ মনস্তাত্ত্বিক চৰিত্ৰৰ ৰূপত অংকন কৰিছে। ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ অৰ্থাৎ বন্ধুলৈ থকা আন্তৰিক আকৰ্ষণৰ বাবে প্ৰশান্ত শৰ্মালৈ চিঠি লিখিছে। এনেয়ে 'তই' সম্বোধন ধৰা প্ৰশান্তক ভূদেৱ চৌধুৰীয়ে চিঠি লিখোতে 'তুমি' সম্বোধন লিখে। কিন্তু তাত চৌধুৰী সন্তুষ্ট হ'ব নোৱাৰা হেতুকে শেষত 'তুমি' কাটি পুনৰ 'তই' সম্বোধন ব্যৱহাৰ কৰে। বন্ধুৰ প্ৰতি থকা স্নেহৰ গভীৰতাই চৰিত্ৰটোক এটা সম্পৰ্কৰ প্ৰতি দেখুওৱা আস্থা প্ৰতিফলিত কৰে। এগৰাকী সৎ, নিষ্ঠাবান ব্যক্তিৰহে এটা সম্পৰ্কৰ প্ৰতি এনে আস্থা থাকে।

গল্পকাৰে এই চৰিত্ৰটোক এটা মনস্তাত্ত্বিক চৰিত্ৰৰ ৰূপত তুলি ধৰিব চেষ্টা কৰিছে। চিঠি এখন লিখিয়েই ভূদেৱ চৌধুৰীয়ে দায়িত্ব বাবে দায়িত্ব সামৰা নাই। তেওঁ চিঠিৰ উত্তৰ অহাটো অপেক্ষা কৰিছে। চিঠি এখনৰ বাবে অপেক্ষা কৰা কাৰ্যই বন্ধুৰ প্ৰতি থকা আন্তৰিকতাক প্ৰতিফলিত কৰিছে। লগতে এলাগী হ'ব ধৰা এটা যোগাযোগ মাধ্যমৰ পৰা 'চিঠি' এখনৰ বা উত্তৰৰূপী আন এখন 'চিঠি'লৈ অপেক্ষা কৰাৰ তাড়নাই সেই মাধ্যমটোৰ প্ৰতি এটা গুৰুত্বপূৰ্ণ আস্থা ৰখা কাৰ্যই এগৰাকী সামাজিকভাৱে সচেতন হিচাপেও তেওঁক চিহ্নিত কৰিছে।

গল্পকাৰে ভূদেৱ চৌধুৰীৰ জৰিয়তেই গল্পটোৰ মূল প্ৰধানকৈ এখন চিঠিৰ মূল্য যে মানুহৰ জীৱনত অপৰিসীম কথা ব্যক্ত কৰিছে। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ চিঠিৰ প্ৰভাৱ গ সমাজস্থ জৰিয়তেই চিঠি এখনৰ মূল্য বহু সময়ত সুদূৰপ্ৰ তাক কৌশলেৰে ব্যক্ত কৰিছে।

গল্পকাৰে ভূদেৱ চৌধুৰীৰ চৰিত্ৰটো অনুভূতিশ হিচাপে প্ৰতিপন্ন কৰিছে। চিঠি এখনক লৈ ভূদেৱ চৌধুৰী হোৱা থৌকি বাথৌ ভাৱ, অনুভূতি যেনেধৰণে প্ৰকাশ যেনে— ঘৈণীয়েকলৈ চিঠি লিখা প্ৰসংগ, ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰসংগ, প্ৰশান্ত শৰ্মাই চিঠিখন পালে তাৰ পাছত হ'ব পৰা প পৰিৱেশৰ মধুৰ অনুধাবনৰ আৰু চিঠিক লৈ হ'ব পৰা আলোড়নে চৰিত্ৰটোক অনুভূতিশীল চৰিত্ৰৰ স্থানলৈ "চিঠি এখনে তাত যি লিখা থাকে তাতোকৈ বহুতো কঢ়িয়াই আনে। মই ভালে আছোঁ, আশা কৰোঁ তোমাৰ সামান্য কেইটামান শব্দই মনত কিমান আলোড়ন সৃষ্টি পাৰে। কিমান বিভিন্ন অনুভূতিৰ উত্তাল তৰংগ সৃষ্টি পাৰে।[৭]"

ঘৰ-গৃহস্থীৰ দায়িত্ব বুজা এগৰাকী ব্যক্তি, এগৰাকী স্বামী, এগৰাকী মৰমীয়াল তথা প্ৰকৃত বন্ধুৰ ৰূপত গল্পকাৰে চৌধুৰীৰ চৰিত্ৰটো অতি সুন্দৰকৈ অংকন কৰিছে।

প্ৰশান্ত শৰ্মা গল্পটোৰ আন এটা শক্তিশালী চৰিত্ৰ। প্ৰশান্ত শৰ্মা গোটেই গল্পটোত জীৱন্ত ৰূপত অনুপস্থিত। চৌধুৰীয়ে প্ৰশান্তলৈ চিঠি লিখাৰ মাধ্যমেৰেহে প্ৰশান্ত শৰ্মাৰ গল্পটোত অনুভৱ কৰা যায়। কিন্তু প্ৰশান্ত শৰ্মা কাৰোবাৰ অনুভৱতহে জীয়াই আছে। চৌধুৰীয়ে চিঠিখন পঠিয়াই চিঠিৰ উত্তৰ অপেক্ষা কৰি শেষত প্ৰশান্ত শৰ্মাৰ ভতিজাক শৰ্মা ঢুকোৱা খবৰটোহে পায়। খবৰটো পাই চৌধুৰী মৰ্মাহ আৰু হাস্পতাললৈ শৰ্মাৰ খবৰ কৰিবলৈ যাবলৈ সাজু হয়। প লগত লৈ শৰ্মাৰ ঘৰ গৈ ওলায়। তাত গৈ শৰ্মাৰ পৰি চিঠিখনে পোৱা স্থান আৰু মান দেখি ভূদেৱ চৌধুৰীৰ হ'লেও বন্ধুত্বৰ যোগাযোগৰ মাধ্যম চিঠিক লৈ অনুভূ মনটোত সন্তুষ্টিৰ বা লাগে। গল্পটোত প্ৰশান্ত শৰ্মা এটা চৰিত্ৰ। কাৰণ প্ৰশান্ত শৰ্মাই কোনো কাৰ্য কৰা নাই। তথাপি এটা ক্ৰিয়াশীল চৰিত্ৰ। কিয়নো গল্পটোৰ মূল বক্তব্য চিঠি এটা হেৰাই যাবলৈ ধৰা মাধ্যম, যাৰ লগত মানুহৰ

ভালপোৱা, আৱেগ, অনুভূতি জড়িত; সেই বিশেষ বক্তব্যক পোহৰলৈ অনা কাৰ্যত প্ৰশান্ত শৰ্মা একপ্ৰকাৰ মুখ্য অৱলম্বন। সেয়ে প্ৰশান্ত শৰ্মা চৰিত্ৰটোৰ স্থান গল্পটোত নুই কৰিব নোৱাৰি।

ভূদেৱ চৌধুৰীৰ পত্নী গল্পটোৰ আন এটা নাৰী চৰিত্ৰ। এগৰাকী গৃহিনী হিচাপে তেওঁ স্বামীৰ ভাল-বেয়া সকলো খবৰ ৰাখে। গতানুগতিক জীৱনত ভূদেৱ চৌধুৰী উত্তম সহযোগী। প্ৰেম, সহানুভূতি, নম্ৰতা, দায়িত্ববোধেৰে তেওঁ এগৰাকী সুযোগ্য জীৱন সংগী হিচাপে গুৰুত্বপূৰ্ণ চৰিত্ৰ।

ইয়াৰ উপৰিও গল্পটোত মৃত প্ৰশান্ত শৰ্মাৰ পত্নী, ভতিজা আদি পাৰ্শ্ব চৰিত্ৰ বিদ্যমান। গল্পৰ কাহিনীৰ অগ্ৰগতিত কম-বেছি পৰিমাণে এইবোৰ চৰিত্ৰৰ অৱদান আছে।

চিঠি গল্পৰ বৈশিষ্ট্য ঃ গল্পটোত এটা যোগাযোগ মাধ্যমক সকলোৰে দৃষ্টিগোচৰ কৰিব বিচৰা হৈছে। সকলো যোগাযোগ মাধ্যমেই সামাজিক মাধ্যম। লাহে লাহে অকৰ্মণ্য হ'ব আগবঢ়া এটা মাধ্যমৰ সৈতে বন্ধুত্বৰ দৰে আৱেগময় সম্পৰ্ক এটা কিদৰে অনুভূতিশীলভাৱে জড়িত তাক গল্পটোত গল্পকাৰে প্ৰতিফলিত কৰিব বিচাৰিছে।

(ক) গল্পটোত চৰিত্ৰ সৃষ্টি নাইবা কাহিনী কথন গল্পকাৰৰ উদ্দেশ্য নহয়। গল্পকাৰৰ উদ্দেশ্য 'চিঠি'ৰ দৰে এলাগী হ'ব ধৰা মাধ্যমটোৰ লগত জড়িত হৃদয়ানুভূতি পোহৰলৈ অনা। সেয়ে গল্পটোত একোটা পৰিস্থিতিহে মূৰ্ত হৈ উঠিছে। নলিনীধৰ উট্টাচার্যৰ এটি মত এইখিনিতে উল্লেখ কৰিব পাৰি এনেদৰে— "শীলভদ্ৰৰ চুটিগল্পৰ আৰম্ভণি আৰু সামৰণি বিজুলী চমকৰ দৰে আকস্মিক আৰু উজ্জ্বল; ঘটনাৰ বিৱৰণ নোহোৱাকৈয়ে তেওঁৰ চুটিগল্প মানৰ পৰিস্থিতিৰ গৰ্ভত নাটকীয়ভাৱে দেখা দিয়া চৰিত্ৰৰ দ্বন্দ্ব-সংঘাতৰ সংহত ৰূপায়ন। ...চৰিত্ৰবোৰেই স্মৃতি, কল্পনা আৰু মননৰ সহায়ত পাখি মেলি নিজকে বিস্তাৰ কৰে আৰু অৱশেষত এটা বিন্দুত ৰৈ যায়হি। তাতেই গল্পবোৰৰ সৌন্দৰ্য, বিন্দুত সিন্ধুৰ আভাস।[৮]

(খ) গল্পটোত নাটকীয় পৰিস্থিতিৰ উদ্ভৱ দেখা যায়।

(গ) চাক্ষুষ্মান বিষয় এটা লৈ সেই বিষয়টোৰ সামাজিক দায়ৱদ্ধতা দৃষ্টিগোচৰ কৰা হৈছে।

সামৰণি ঃ ৰামধেনু যুগৰ এগৰাকী সময় সচেতন, সামাজিক বিষয় সচেতন গল্পকাৰ হিচাপে শীলভদ্ৰৰ অসমীয়া গল্প সাহিত্যত বিশেষ স্থান আছে। তেওঁ বাস্তৱতাক নিখুঁত ৰূপত সৰু বিষয়ৰ মাজেৰেই গল্পত প্ৰাণ দিছে।

হোমেন বৰগোহাঞিয়ে শীলভদ্ৰৰ গল্পৰ প্ৰসংগত কৰা এটি যথাৰ্থ মত এইখিনিতে উল্লেখ কৰিব পাৰি— "শীলভদ্ৰৰ গল্প পঢ়ি থাকোতে লেখকজনৰ বিষয়ে ধাৰণা হয়, তেৱোঁ যেন স্পেনিয়ার্ড দাৰ্শনিক জোছে ওৰটেগা ওৰাই গেছেটৰ দৰে ক'ব পাৰে ঃ 'মই নিজে জীৱনটো যাপন নকৰো, মই কেৱল আনৰ জীৱন-যাপন পৰ্যবেক্ষণ কৰোঁ।'[৯]

◈ ◈ ◈

পাদটীকা ঃ

১। শীলভদ্ৰ নিৰ্বাচিত গল্প (সম্পা.) হীৰেণ গোহাঁই, পৃ. পাতনি।
২। অসমীয়া চুটিগল্পৰ অধ্যয়ন, প্ৰহ্লাদ কুমাৰ বৰুৱা, পৃ. ২৭৫।
৩। উল্লিখিত গ্ৰন্থ, পৃ. ২৭৫।
৪। সাহিত্য সংজ্ঞা আৰু আংগিক, পৰাগ কুমাৰ ভট্টাচার্য, পৃ. ১১৯।
৫। সাহিত্য সৌৰভ, পৃ. ৬৪।
৬। অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱর্তন, (সম্পা.) অপূর্ব কুমাৰ বৰা, পৃ. ৩৩৭-৩৩৮।
৭। পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৬৫।
৮। পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. পাতনি।
৯। উল্লিখিত গ্ৰন্থ, পৃ. পাতনি।

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। গোহাঁই হীৰেণ ঃ শীলভদ্ৰ নিৰ্বাচিত গল্প, চেতনা প্ৰকাশ, প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৯৪ চন।
২। বৰা, অপূৰ্ব কুমাৰ, অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱর্তন, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ, প্ৰথম প্ৰকাশ, ২০১২ চন।
৩। বৰুৱা, প্ৰহ্লাদ কুমাৰ, অসমীয়া চুটিগল্পৰ অধ্যয়ন, বনলতা, গুৱাহাটী-১, তৃতীয় প্ৰকাশ, ২০০৮ চন।



দেবব্রত দাসৰ 'ধূসৰতাৰ কাব্য' ঃ

এক আলোকপাত

চুমি ক
সহকাৰী অধ্য
অসমীয়া বি

দেবব্রত দাস (জন্ম ১৯৫০) সাম্প্রতিক কালৰ এগৰাকী ঔপন্যাসিক তথা গল্পকাৰ। তেওঁ প্রথমে গল্পৰ যোগেদি অসমীয়া সাহিত্যত ভুমুকি মাৰে। প্রথম গল্প 'মৰাজোন' ১৯৭৩ চনত সাপ্তাহিক 'জন্মভূমি' কাকতত প্রকাশ পায়। তেখেতৰ আন আন গল্পসমূহ হ'ল— 'অর্পিতাৰ এৰাতি', 'অর্পিতাৰ অন্য এৰাতি', 'হয়তোবা সপোন', 'নির্মালীৰ সপোন' আদি। দাস ঔপন্যাসিক হিচাপে জনপ্রিয়তা অর্জন লাভ কৰিছে। তেওঁৰ ৰচিত উপন্যাসৰ সংখ্যা সীমিত। তেখেতৰ প্রথম উপন্যাস 'গধুলিৰ পৰা গধুলিলৈ' ১৯৮৩ চনত প্রকাশ পায়। তেওঁৰ আন আন উপন্যাসসমূহ হ'ল— 'পুতলা নাচৰ সাধু' (১৯৯৫), 'ধূসৰতাৰ কাব্য' (২০০৪), 'সপোনৰ দৰে দিঠকৰ দৰে', 'ৰবষাৰ প্রথম সুবাস' আদি। মুঠতে দাসে গল্পকাৰ আৰু ঔপন্যাসিকাৰ হিচাপে এক সুকীয়া প্রকাশভংগী আৰু বৈচিত্রময় ৰচনাশৈলীৰে উপন্যাস ৰচনা কৰি অগতানুগতিক ধাৰাৰে পাঠক সমাজক নতুনত্বৰ সোৱাদ দিবলৈ সক্ষম হৈছে।

দেবব্রত দাসৰ 'ধূসৰতাৰ কাব্য' ২০০৪ চনৰ জুলাই মাহৰ পৰা ২০০৫ চনৰ ডিচেম্বৰ মাহলৈকে 'গৰীয়সী' আলোচনীত প্রকাশ পায় আৰু ২০০৫ চনৰ ডিচেম্বৰ মাহত এই উপন্যাস গ্রন্থৰূপ লয়। দাসে উল্লেখ কৰা মতে 'ধূসৰতাৰ কাব্য' উপন্যাসখনৰ কাহিনী বা ঘটনা কোনো পৰিকল্পনা নকৰাকৈ ৰচনা কৰা হয়। এই উপন্যাসখনত উত্তৰ আধুনিকতাবাদী লক্ষণ ফুটি উঠিছে। অসমীয়া সাহিত্যত অতি কম পৰিমাণৰ ঔপন্যাসিকৰ হাতত উত্তৰ আধুনিকতাবাদৰ লক্ষণ প্রভাৱ পৰা দেখা যায়। সাম্প্রতিক কালত সঘনে আলোচ্য বিষয় হ'ল উত্তৰ আধুনিকতাবাদ। ইংৰাজী 'Post Modernism' শব্দটোৰ অসমীয়া প্রতিশব্দ হ'ল উত্তৰ আধুনিকতাবাদ। উত্তৰ আধুনিকতাবাদ আৰম্ভ হয় ১৯৬০ চনত। উত্তৰ আধুনিকতাবাদ আধুনিকতাৰ উত্তৰ নহ আধুনিকতাবাদৰহে উত্তৰ। উত্তৰ আধুনিকতাবাদ সাহিত্যৰ ও পশ্চিমীয়া জগতৰ অনেক মন্তব্য পোৱা যায়। এষ্টনী গীডেন্ মতে— "Post Moderinsm is pluralistic and deverse", হলৰ মতে— "Post Modernity is form of libera fragmentation". মিশ্বেল ফুকোৰ মতে— "Post Moder is power knowledge relationship", পি ব্রুকৰ মতে— " term post modernism describes a mood and condi of radical indeterninancy and a tone of self consci certainities in personal, intellectual and political ওপৰত উল্লেখিত সংজ্ঞাবোৰৰ পৰা উত্তৰ আধুনিকতাবাদৰ সংজ্ঞা পোৱা নাযায়।

উত্তৰ আধুনিকতাবাদৰ ওপৰত পণ্ডিতসকলে দিয়া বি মতবাদক বিচাৰ বিশ্লেষণ কৰি উত্তৰ আধুনিকতাবাদৰ কিছু সাধাৰণ বৈশিষ্ট্যৰ কথা উল্লেখ কৰিব পাৰি। এই বৈশিষ্ট্যবোৰ ত উল্লেখ কৰা হ'ল—

(ক) উত্তৰ আধুনিকতাবাদী যুক্তিৰ গাঁথনি বা কেন্দ্রীয়ত অস্বীকাৰ কৰি জীৱন আৰু জগতৰ বিসংগতিবোৰ মানি লৈ

(খ) উত্তৰ আধুনিকতাবাদৰ অনিশ্চয়তাক চৰম বিন্দুৰ ফালে যোৱা পৰম্পৰাগত শিল্পৰূপ আৰু সংযুক্তি অস্বীকাৰ কৰিছে

(গ) উত্তৰ আধুনিকতাবাদৰ পৰিহাসধর্মী অনুকৰণ কৰে আৰু অ কাহিনীৰ দিশ পৰিৱর্তন কৰায়।

(ঘ) উত্তৰ আধুনিকতাবাদ প্রচলিত নিয়মৰ বিৰোধ পৰম্পৰাগতভাৱে চলি অহা সকলো নিদর্শন ভাঙি সক

ক্ষেত্রতে নতুন শৈলী, নতুন দৃষ্টিভংগী প্রৱর্তন কৰে।

(ঙ) উত্তৰ আধুনিকতাবাদে সমগ্রতাৰ (Totalety) ধাৰণাক অস্বীকাৰ কৰে, তাৰ বিপৰীতে খণ্ডিতকৰণ বা ডুখুৰীয়াক শুদ্ধ বুলি ভাবে।

উপন্যাসখনত উত্তৰ আধুনিকতাবাদৰ বৈশিষ্ট্য লক্ষ্য কৰিলে দেখা যে, উপন্যাসৰ শিৰোনামা ধূসৰতা অর্থাৎ সত্যৰ ধূসৰতাত উত্তৰ আধুনিকতাবাদ সোমাই আছে। উপন্যাসখনত শেখৰৰ পত্নী মন্দিৰা দুই সন্তান এৰি হঠাৎ এদিন ঘৰৰ পৰা অন্তর্ধান হয়। মন্দিৰাই অস্পষ্ট টোকা এটা এৰি থৈ যায়। শেখৰে তথাপি মন্দিৰাক বিভিন্ন ঠাই শ্বিলং, গোৱালপাৰা, কামৰূপ, ভুটান আদিত বিচাৰি ফুৰে। শেখৰ আৰু মন্দিৰাৰ মাজত কোনোধৰণৰ কাজিয়া হোৱা নাছিল, সেয়েহে মন্দিৰাই বিবাহিত জীৱন আধৰুৱা কৰি ক'লৈ গ'ল বুলি ভাবি শেখৰ হতভম্ব হৈ পৰিছে। উপন্যাসখনৰ শেষত শেখৰে মন্দিৰাক বিচাৰি পালে যদিও কিহৰ কাৰণে মন্দিৰাই শেখৰক এৰি আঁতৰি গৈছিল এই কথা শেখৰে বুজিব নোৱাৰিলে। আনকি শেখৰৰ লগতে পাঠকৰ মনতো কৌতূহল হৈ থাকিল। সকলো আবৃত হৈ থাকিল কেৱল ধূসৰতাৰ মাজত। উপন্যাসত মাজে মাজে লেখকে নিজৰ নাম উল্লেখ কৰিছে। ই উত্তৰ আধুনিকতাবাদৰ ৰচনাশৈলী। কোনো কোনো উত্তৰ আধুনিকতাবাদী ঔপন্যাসিকে নিজৰ কাহিনী, চৰিত্রবোৰ পাঠকৰ আগত ভাগ্য নিয়ন্তা বুলি দাঙি ধৰে। আনফালে দেখা যায় যে, শেখৰে পত্নীহাৰা হৈ ককৰকাই ফুৰিছে। ইয়াৰ মাজতে পাঠকৰ মনত তেওঁৰ প্রতি সহানুভূতিশীল, সমমর্মী এক হাস্যৰস অথবা লঘু পৰিৱেশৰ সৃষ্টি কৰিছে। পার্শ্ব চৰিত্রৰ কার্যকলাপবোৰ কিছু হাস্যৰস। প্রায়বোৰে পাঠকক হাস্য সোৱাদ দিছে। ইয়ো একপ্রকাৰৰ উত্তৰ আধুনিকতাবাদৰ শৈলী।

উপন্যাসখনত মূল ঘটনাৰ লগতে বহুকেইটা উপঘটনা সংঘটিত হৈছে। ঘটনাৰ কাহিনী কাল্পনিক। মুঠকে ১৩ টা অধ্যায়ৰ অন্তৰালত বহু ঘটনা সংঘটিত হৈছে। উপন্যাসখন সুমন্ত আৰু কৰুণাৰ ডবা খেলৰ আঁত ধৰি আৰম্ভ কৰিছে। মূল ঘটনা হ'ল— শেখৰৰ অনুপস্থিত তেওঁৰ পত্নী মন্দিৰা দুটি সন্তান এৰি হঠাৎ এদিন অন্তর্ধান হ'ল আৰু ঘৰত তেওঁ অস্পষ্ট টোকা এৰি থৈ গৈছে। 'মই মোক বিচাৰি যাবলৈ ঠিক কৰিলো, আনে মোক নিবিচাৰাই ভাল' (পৃ. ৯)। এই কথা জানি শেখৰ হতভম্ব হ'ল। কিয়নো দুয়োৰে মাজত কোনোধৰণৰ কাজিয়া হোৱা নাছিল কিন্তু হঠাৎ কিয় শেখৰক এৰি গ'ল। মনৰ দুখত তথাপি শেখৰে পত্নীৰ অনুসন্ধান কৰে। এই কথা শেখৰে কাকো নজনালে কিয়নো শেখৰে জানিছিল যে, এই কথা সমাজে গম পালে তেওঁৰ লগতে মন্দিৰাকো হেয় জ্ঞান কৰিব। শেখৰে পত্নীৰ অনুসন্ধানত প্রথমে গোলাঘাটলৈ যাত্রা কৰিলে। চুবুৰীৰ গৌৰী বাইদেউৰ লগত মন্দিৰাৰ আত্মীয়তা থকাৰ বাবে শেখৰে গৌৰী বাইদেউৰ বায়েক ৰীণাৰ পৰা মন্দিৰাৰ বিষয়ে কিবা খবৰ পাব বুলি খবৰ লওঁতে গোলাঘাটৰ নার্চ শ্যামলী বড়োৰ লগত মন্দিৰাৰ যোগাযোগ আছে বুলি জানিব পাৰে। সেই সময়তে গোলাঘাট আহি দেখে যে, গোলাঘাট দৈয়াং টেঙানীৰ মাটিহীন বাসিন্দাৰ ওপৰত অমানসিক অত্যাচাৰ চলিছে। টেঙানীৰ পৰা গোলাঘাটলৈ শোভাযাত্রা কৰি অহা ভূমিপট্টা বিচৰা ভূমিহীন লোকৰ ওপৰত পুলিচৰ লাঠিচালনা, কন্দোৱা গেছ ব্যৱহাৰ কৰিছে। বহুত মানুহ আহত হৈছে।

তাৰ মাজতে সুমন্ত খুড়াকৰ ঘৰত বন কৰা সুমলাৰ গর্ভৱতী বায়েকৰ পুলিচৰ লাঠিচালনাত গর্ভপাত হৈছে। মুঠতে উপন্যাসখনত গোলাঘাটৰ দৈয়াং টেঙানীৰ ম্যাদী পট্টা লাভ কৰিবলৈ বিচৰা অসহায় লোকসকলৰ ৰাজনৈতিক দিশ ফুটি উঠিছে। এই অধ্যায়ৰ শেষত মানিক আহমেদৰ তাৎপর্য্যপূর্ণ মন্তব্য হ'ল বহু বছৰ ধৰি দৈয়াং টেঙানীবাসীয়ে ভূমি পট্টাৰ আশাত দিন অতিবাহিত কৰিছিল। নিজৰ প্রাপ্যৰ দাবীত জনসাধাৰণে ৰাজপথলৈ ওলাই আহিছিল। ঔপন্যাসিক শেখৰ আৰু মন্দিৰাৰ জীৱনত সংঘটিত ঘটনাৰ মাজলৈ সোমাই যাবলৈ এনেবোৰ ঘটনা অতি কৌশলেৰে সংযোগ কৰিছে।

পত্নীৰ অনুসন্ধানত শেখৰে আন বন্ধু-বান্ধৱীৰ পৰা অজ্ঞাতে থাকি মেঘালয়লৈ পত্নীক অনুসন্ধান কৰিছে। পত্নীৰ অনুসন্ধাৰ মাজতে লেখকে সেই সময়ত মেঘালয় চৰকাৰৰ বিষয়ববীয়াসকলৰ ক'ৰাপচনৰ যি অস্থিৰতা আহি পৰিছিল। সেই ৰাজনৈতিক দিশটোক সুন্দৰ ৰূপত দাঙি ধৰিছে। শেখৰে চাকৰিসূত্রে ইম্ফললৈ যাব লগা হয়। ইয়াৰ মাজতে লেখকে ইম্ফলৰ ৰাজনৈতিক দিশ এটা দাঙি ধৰিছে। শেখৰে গুৱাহাটীলৈ উভতাৰ দিনা ইম্ফল বন্ধ আছিল। তথাপি চহৰৰ মূল ৰাস্তাটোত আর্মি, চি.আৰ.পি.এফ., অসম ৰাইফল্চৰ পেট্রলিঙৰ বাবে চৰকাৰী গাড়ী এখন দুখন চলি আছিল। ঠায়ে ঠায়ে ধর্মঘট চলি আছে। ঠায়ে ঠায়ে পোৱা টায়াৰ জ্বলি আছে। সেই ঠাইবোৰত পানী ডোঙা। কিয়নো ধর্মঘট কৰা ৰাইজক ভেদিবলৈ কন্দুৱা গেছ বা ফায়াৰ ব্রিগেদৰ হোজ পাইপেৰে ৰাইজৰ মাজত পানী চতিয়াইছিল। মুঠতে মণিপুৰৰ পৰিস্থিতি অতিকৈ গুৰুত্ব। আকৌ ঔপন্যাসিকে ইম্ফলৰ যাত্রা আঁত ধৰি মনোৰমা হাংজামৰ হত্যাৰ কাহিনী বর্ণনা কৰিছে। মণিপুৰৰ মনোৰমা থাংজামৰ ওপৰত অসম ৰাইফল্চৰ নির্মম অত্যাচাৰ আৰু বলাৎকাৰৰ বলি হৈ হত্যাৰ প্রতিবাদত মণিপুৰৰ

মহিলাসকলে নগ্ন হৈ গাত 'কাম ৰেপ আচ' বেনাৰ লৈ ৰাজপথলৈ ওলাই আহে। ইয়াত মণিপুৰৰ নাৰীসকলৰ অসুৰক্ষিত আৰু জাগৰণ ভাৱ প্ৰকাশ পায়। এনেদৰে উপন্যাসখনত মূল ঘটনাৰ লগতে কেইবাটাও ঘটনা সংযোগ কৰিছে। দাসে উপন্যাসখনত সুন্দৰ আশ্ৰমৰ বৰ্ণনা দাঙি ধৰিছে। শেখৰে তাতো মন্দিৰাক বিচাৰি গৈছে। তেতিয়া আশ্ৰমবাসী নাম কীৰ্তনত ব্যস্ত হৈ আছিল। স্বামী প্ৰতাৰণা, সংসাৰৰ ঘাত-প্ৰতিঘাত, শাহু-বোৱাৰীৰ মত বিৰোধৰ আদিৰ পৰা বিৰত থাকিবলৈ এখন সুন্দৰ আশ্ৰমৰ প্ৰয়োজন আছে বুলি লেখকে ভাবে।

উপন্যাসখনত বহুতো পুৰুষ-মহিলা চৰিত্ৰৰ সমাৱেশ ঘটাইছে। কাহিনীৰ মূল চৰিত্ৰ শেখৰ আৰু মন্দিৰাৰ যোগেদি আগবাঢ়ি গৈছে। উপন্যাসখনৰ নাৰী চৰিত্ৰ মন্দিৰা শেখৰৰ পত্নী আৰু দুই সন্তানৰ মাতৃ। শেখৰে পিতৃ-মাতৃ অনুমতিৰ অবিহনে মন্দিৰাক বিয়া কৰায়। শেখৰৰ মাকে মন্দিৰাক গ্ৰহণ নকৰে। শেখৰৰ মাকৰ বোৱাৰীৰ প্ৰতি থকা আক্ষেপ অভিযোগ কেতিয়াবা নাতিনীয়েকৰ মৰমত পাহৰাই বাখিলেও মনৰ পৰা একেবাৰে শেষ হৈ যোৱা নাছিল। ইয়াৰ মাজতে এদিন মন্দিৰা অন্তৰ্ধান হ'ল। তাই এবাৰো স্বামী শেখৰ আৰু দুই সন্তানৰ কথা নাভাবিলে। প্ৰকৃততে মন্দিৰাই কিয় ঘৰ ৰি গুচি গ'ল তাক জনা নগ'ল। শাহু বোৱাৰীৰ মাজত থকা মতবিৰোধ নে শেখৰৰ জেবিনাৰ সৈতে থকা দৈহিক সম্বন্ধ নে মন্দিৰাই কিতাপৰ মাজত লুকাই ৰখা সুব্ৰত নামৰ যুৱকৰ প্ৰতি আকৰ্ষণ। এই সকলোবোৰ প্ৰশ্নৰ অন্তৰালত শেখৰে গম পালে যে, মন্দিৰাই শ্যামলৰ পৰা শেখৰৰ আন নাৰীৰ সৈতে সম্পৰ্ক থকাৰ কথা জানিব পাৰিলে। শেখৰৰ মতে তেওঁৰ আন নাৰীৰ সৈতে সম্পৰ্ক থাকিলেও মন্দিৰাক মৰম নকৰাকৈ থকা নাছিল। কিন্তু কোনো নাৰীয়ে নিজৰ স্বামীক অন্য নাৰীৰ সৈতে ভগাব নিবিচাৰে। মুঠতে উপ্যনাসখনত নাৰীৰ দুখ, নিৰাপত্তা, নাৰীত্ব অপমান, নাৰীৰ মনস্তত্ব আদি চিত্ৰ ফুটাই তুলিছে।

উপন্যাসখনৰ সিদ্ধাৰ্থ এটি গতানুগতিক চৰিত্ৰ। সিদ্ধাৰ্থই নিম্ন-মধ্যবিত্ত ছোৱালী আৰতীক ভাল পায়। আৰতীয়ে মন্দিৰাৰ অনুপস্থিতিত শেখৰৰ ঘৰত থাকি সকলোবোৰ কাম নিয়মি পালন কৰিছিল। উপন্যাসখনৰ আন এটা চৰিত্ৰ হ'ল আহমেদ। তেওঁ প্ৰতিটো অধ্যায়ৰ অন্তত এটি তাৎ আগবঢ়ায়। ঔপন্যাসিকে মানকি আহমেদৰ চ পাঠকক অতি ওচৰ চপাই নিছে। মানিক আহমেদ দেখা যায়। তেওঁ ভাঙৰ চিলিম দুহাতেৰে সাৱটি বহি থাকে। তেওঁৰ সংসাৰৰ প্ৰতি নিৰ্লিপ্ত। কি আহমেদে সংসাৰৰ জ্ঞান আৰু নিজস্ব ৰীতিৰে ম

উপন্যাসখনত বন্ধুৰ সহযোগিতা দে বিপদত ইজনে আনজনক সহায় কৰাৰ লগতে ইজনে আনজনৰ সংগী হৈ পৰে। শেখৰৰ ব অনুসন্ধান কৰাত সহায় কৰিছিল। ইয়াৰ উপৰি উকীল, ৰবিন, অভিজিৎ আদি চৰিত্ৰসমূহে সহযোগিতা কৰিছে।

উপন্যাসখনত সংঘটিত ঘটনাসমূহত বন্ধুৰ প্ৰেম, নিৰাপত্তা, নাৰীৰ অসুৰক্ষিত, আশা উত্তেজনা, প্ৰাপ্তি-অপ্ৰাপ্তি ফুটাই তুলিছে। সকলো মাজত সুখৰ অনুসন্ধানত ব্যস্ত হৈছে। ঔপ আশ্ৰমৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। মুঠতে উ তথা ভাৰতৰ ৰাজনৈতিক দিশ এটা প্ৰতিফলি

দেবব্ৰত দাসৰ 'ধূসৰতাৰ কাব্য' এখন দাসে ৰচনা কৰা উপন্যাসসমূহৰ ভিতৰত 'ধূস উপন্যাসখনত লেখকে মানুহৰ মনস্তত্ব আৰু গ ধৰিছে। উপন্যাসখনৰ অতি কম পৰিসৰতে চৰিত্ৰ তুলি ধৰিছে। তেখেতে অসমীয়া ভাষা ধাৰাৰ পৰৰ্তন কৰিছে। মুঠতে দেবব্ৰত দাসে আ উপন্যাস সাহিত্যলৈ যি অৱদান আগবঢ়াইছে উপন্যাস সাহিত্যলৈকে এক লেখতল'বলগীয় 'ধূসৰতাৰ কাব্য' সদায় অসমীয়া সাহিত্যৰ কা ৰ'ব।

◈ ◈ ◈

সহায়ক গ্ৰন্থ ঃ ১। দাস, দেবব্ৰত ঃ ধূসৰতাৰ কাব্য (২০১৭, আগষ্ট), বনলতা প্ৰকাশ, গুৱাহাটী-০১।

সমালোচনা গ্ৰন্থ ঃ ১। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ উপন্যাস আৰু অসমীয়া উপন্যাস (জুন, ২০১৫), বনলতা প্ৰকাশ, গুৱাহা
২। শৰ্মা, ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া উপন্যাসৰ গতি ধাৰা (২০১৩), সৌমাৰ প্ৰকাশ, বিহাবাৰী -০১।
৩। ভৱালী, শৈলেন ঃ অসমীয়া উপন্যাসৰ গতি প্ৰকৃতি সাহিত্য একাডেমি ৰবীন্দ্ৰ ভৱন নতুন দিল্লী, প্ৰ গুৱাহাটী-০৮।
ম প্ৰকাশ ২০০২

একবিংশ শতিকাৰ গৰাহত মিচিং সমাজত

যাদু-মন্ত্ৰ আৰু 'মৰু'ৰ প্ৰভাৱ

ৰাহুল কুলি
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ



বৰ্তমানৰ যুগ যান্ত্ৰিকতাৰ যুগ; বিশ্বায়নৰ যুগ। তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব বিকাশকেই বিশ্বায়নৰ মূল কাৰণ বুলি কোৱা হয়। কিন্তু বিশ্বায়নৰ পৰিসৰ সিমানতেই সীমাবদ্ধ হৈ থকা নাই। বিভিন্ন ধৰণৰ তথ্য আৰু ন ন আধুনিক যন্ত্ৰপাতিৰ আবিষ্কাৰৰ উপৰিও বিশ্বায়নে প্ৰভাৱ পেলাইছে সমাজ কিম্বা সামাজিক জীৱন প্ৰবাহ আৰু ভাষা-সাহিত্য-সংস্কৃতি সকলোতেই। বিশ্বায়নে মানৱ সমাজৰ মনত অতি আধুনিকতাৰ মনোভাৱ গঢ় দিছে। আধুনিক মানুহৰ অতি আত্মকেন্দ্ৰিক প্ৰৱণতা, বস্তুবাদী চেতনা, যৌথ পৰিয়ালৰ ভাঙোনমুখী প্ৰৱণতা আৰু একক পৰিয়ালৰ সৃষ্টি, অভিজাত সুলভ জীৱন প্ৰবাহ, নগৰকেন্দ্ৰীক মানসিকতা, গ্ৰাম্যাঞ্চলবাসী জনগণৰ নগৰমুখী অভিযান, কল-কাৰখানাৰ প্ৰতিষ্ঠা, জ্ঞান আহৰণৰ তাগিদা, আধুনিক মানৱৰ বিলাসী সপোন, নাৰীৰ স্বাতন্ত্ৰ্য, পুৰুষ- নাৰীৰ সম অধিকাৰৰ প্ৰসংগ, জাতীয়তাবাদী-অ-জাতীয়তাবাদী মনোভংগী, পৰম্পৰাগত বিশ্বাস-অন্ধবিশ্বাসৰ পৰিত্যাগ ইত্যাদি অজস্ৰ বিপৰীতমুখী ক্ৰিয়া-প্ৰতিক্ৰিয়াই বিশ্বায়নৰ ফলশ্ৰুতিস্বৰূপে পৰম্পৰাগত সমাজৰ মাজত খোপনি পুতিছেহি। কিন্তু একবিংশ শতিকাৰ এই গৰাহত আমি থিয় দিও বিশ্বায়নৰ যুগত সৃষ্টি হোৱা আধুনিক সংস্কৃতি তথা আধুনিক মনোবৃত্তিবোৰ গ্ৰহণ কৰাৰ বিপৰীতে ডাইনী, যাদু-মন্ত্ৰৰে মানুহ মৰা আদি বহু নিষিক্ত খবৰে মাজে সময়ে অসমৰ সমাজ জীৱন অস্থিৰ কৰি তোলা দেখা যায়। জীৱন্তে বস্তাত ভৰাই হাত-ভৰি ৰছীৰে বান্ধি পানীত পেলাই দিয়াৰ উপৰিও বহুতৰ সমাজচ্যুতও হৈছে। এই জটিল সন্ধিক্ষনত সুস্থভাৱে বিচাৰ কৰি চালে দেখা যায় যে— শৈক্ষিক আৰু আৰ্থ-সামাজিকভাৱে পিছ পৰি থকা জনজাতিসকলৰ মাজতে ডাইনী বা তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ সকলোতকৈ বেছি। উল্লেখনীয় যে ভূত-পিশাচ পোহা, যাদু, তন্ত্ৰ-মন্ত্ৰৰে মানুহ মৰা প্ৰথা জনজাতিসকলৰ নিজা নহয়। সেইবোৰ অ-জনজাতীয় সমাজৰ পৰা জনজাতিসকলৰ মাজত অনুপ্ৰবেশ ঘটিছে বুলি এচাম পণ্ডিতে ক'ব খোজে।

আধুনিক সভ্যতাই মানুহক কোঙা কৰি পেলোৱাৰ সময়তো অসমৰ অন্যতম প্ৰাচীন বাসিন্দা মিচিংসমাজৰ মাজত বহুলভাৱে চৰ্চিত 'মৰু' বা ডাইনী সন্দেহক আধুনিক সভ্যতাই এতিয়াও উটুৱাই নিব পৰা নাই। ইতিহাসৰ কোনছোৱা সময়ত আৰু ক'ৰ পৰা এই যাদুবিদ্যা, তন্ত্ৰ-মন্ত্ৰ, মৰু বা ডাইনী মিচিং সমাজত সোমাল ইয়াৰ উত্তৰ পোৱা কঠিন। কিন্তু মৰুনী বা ডাইনী সন্দেহ অতি প্ৰাচীন কালৰ পৰা আমাৰ মিচিং সমাজত সামাজিক ব্যাধি ৰূপে পৰিগণিত হৈছে। মৰু কৰা মানে তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা কোনো ব্যক্তিক বিভিন্ন যাতনা ভোগাই অৱশেষত তিল্ তিল্‌কৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়ে বুলি বিশ্বাস কৰে। সাধাৰণতে যাদু বা মন্ত্ৰ মাৰি পঠিওৱা ব্যৱস্থাটোক বাণ মৰা বুলি কোৱা কয়। এই বাণ কেইবা প্ৰকাৰৰ থাকে। যেনে— টেকেলী বাণ, অগ্নিবাণ, বায়ুবাণ, বৰুণবাণ, ইত্যাদি। টেকেলী বাণত মানুহজনৰ পেট ফুলি উঠে, বায়ুবাণত অলিয়া বলিয়া হয় আৰু অগ্নিবাণত পেট গৰম হৈ দেহ মন পুৰি যোৱা অৱস্থা হয় বুলি বিশ্বাস কৰে। এনে ধৰণৰ অসুখ আৰু শংকা হ'লে বেজ জ্ঞানীৰ কায চাপে। বেজে আকৌ প্ৰথমে কোনে কামটো কৰিছে সেইটো উলিয়াবলৈ বাছনি চলায়। বাছনি চলোৱা নিয়মো বেজ লৈ বেলেগ বেলেগ

হোৱা পৰিলক্ষিত হয়। কিছুমানে সৰু ল'ৰা-ছোৱালীৰ হাতৰ নখত তেল জাৰি সানে আৰু সেই তেলত মৰু কৰা ব্যক্তিজনৰ ছবি ভাঁহি আহে বুলি বিশ্বাস কৰে। আৰু কিছুমানে লাঠি বাঁসৌকা জাৰি সেই লাঠি বা সৌকাৰে মৰ্ৱনী বা ডাইনী বিচাৰ কৰে। মৰ্ৱনী বা ডাইনী বুলি সন্দেহ কৰা ব্যক্তি গৰাকীক গাঁৱৰ বাইজে শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰে। এনে সন্দেহৰ বশৱৰ্তী হৈ কোনো কোনোৱে নিজৰ পিতৃ-মাতৃক সন্তানে হাত উঠোৱা, পিতৃ-মাতৃয়ে নিজৰ সন্তান পৰিত্যাগ কৰা, ভাই-ককাই আৰু আত্মীয় স্বজনৰ মাজত শত্রুতা জন্মা, সমাজৰ পৰা এঘৰীয়া কৰা আদি বহুতো ছবি আমাৰ সমাজত দৃষ্টিগোচৰ হয়। কিন্তু প্রশ্ন হয় যে— একবিংশ শতিকাৰ বিজ্ঞানৰ চৰম উন্নতিৰ যুগত তন্ত্র-মন্ত্রৰ দ্বাৰা মানুহ মাৰিব পৰাটো কিমান বিশ্বাসযোগ্য? আৰু দ্বিতীয় প্রশ্নটো হ'ল— সঁচাই যদি তন্ত্র-মন্ত্রৰ দ্বাৰা মানুহ মাৰিব পাৰে তেতিয়াহ'লে আধুনিক প্রযুক্তিবিদ্যাৰে নির্মিত অস্ত্র-শস্ত্রৰ প্রয়োজনেইবা কি? মৰ্ৱৰ দ্বাৰা মানুহক বা জীৱ হত্যা কৰিব পৰা হ'লে চৰকাৰে নিশ্চয় তেনে ব্যক্তিক নিয়োগ কৰি দেশৰ শত্রু আৰু দুর্নীতিগ্রস্থ বদমাচ লোকক নিঃশেষ কৰি সমাজ তথা দেশৰ কল্যাণ সাধন কৰিব পাৰিলেহেঁতেন। কিন্তু আজিলৈকে তেনে ব্যৱস্থা হাতত ল'ব পৰা নাই বা হাতত লোৱা নাই কিয়? কাৰণ সেইবোৰ আমাৰ সমাজত প্রচলিত একো একোটা পৰম্পৰাগত লোকবিশ্বাস কিম্বা অন্ধবিশ্বাসৰ বাহিৰে একো নহয়। সেয়েহে সময় বাগৰি যোৱাৰ লগে লগে উন্নত সমাজে এই অন্ধবিশ্বাসসমূহৰ মোহ এৰি পেলাইছে। কিন্তু আমাৰ মিচিং সমাজে মৰু বা তন্ত্র-মন্ত্রৰ অলৌকিক শক্তিৰ বিশ্বাস আজিও এৰিব পৰা নাই। যাৰ ফলত এনে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ প্রায়ে ডাইনী সন্দেহত অপ্রীতিকৰ জঘন্য ঘটনা সংঘটিত হৈ আহিছে আৰু আছে। এনেবোৰ কার্য-কলাপে আমাৰ সমাজখন আধুনিক সভ্যতাৰ পৰা কেইবা শতিকা পিচু�ৰাই থকাৰ কথাকে প্রতিপন্ন কৰিছে আৰু অন্য সমাজৰ আগত আমি লজ্জিত হ'ব লগা হৈছে।

অকল যাদু-মন্ত্র বা মৰু বুলিয়েই নহয় আমাৰ সমাজত মানুহৰ জ্বৰ-নৰীয়া হ'লে ডাক্তৰ চিকিৎসাৰ সলনি দেৱতাৰ নামত টোপোলা আগ কৰি, পূজা-পাতল আদি কৰি নৰীয়াক চিকিৎসা কৰে। সাধাৰণতে সৰু-সু�ৰা জ্বৰ, কাঁহ, মুখৰ বিষ আদি হ'লে দুই এদিনৰ ভিতৰতে ভাল হৈ উঠে। তাকে পূজা-পাতল বা দেৱতালৈ কিবা আগ কৰাৰ কাৰণে ভাল হ'ল বুলি বিশ্বাস কৰে। কিন্তু জটিল ৰোগসমূহ উপযুক্ত চিকিৎসাৰ অবিহনে আৰোগ্য হোৱাটো কঠিন। বেমাৰী হৈ নৰীয়া পাটীত পৰি থাকিব লগা হ
বেজালী কৰা ব্যক্তিসকলৰ ওচৰ চাপে। বেজে দুই
ঔষধ খুৱাই ৰোগীক আৰোগ্য কৰিব নোৱাৰিবে
জনে মঙ্গল চাই ক'ব এইয়া কোনোবা মৰু জনালে
ইয়াক যথেষ্ট টকা-পইছা দি মৰুৰ চিকিৎসা নকৰি
বেজে নানা বুদ্ধিৰে ৰোগীক বেমাৰ চোৱাৰ না
থাকে। এনেদৰে দিন বাগৰি যোৱাৰ লগে লগে
যায়; শেষত ৰোগীক ভাল কৰিব নোৱাৰি কয়গৈ ম
মন্ত্র যথেষ্ট শক্তিশালী আৰু এওঁৰ তন্ত্র-মন্ত্র এলাকে
নোৱাৰি আৰু এই মৰু কৰা ব্যক্তিজন যেতিয়ালৈ
তেতিয়ালৈকে এই গাঁৱৰ মানুহৰ অচিন ৰোগত
এই কথা শুনাৰ লগে লগে ৰোগীৰ মনত ভয়
মানসিকভাৱে আৰু দুগুণ দুর্বল হৈ পৰে আৰু
সাবতি ল'ব লগা হয়। গতিকে পূজা-পাতল, যাদু-
কালৰে পৰা আমাৰ সংস্কৃতিত পৰম্পৰাগত
বা বিশ্বাস কৰি আহিছো তথাপিও ইয়াক আমি
সম্পদ হিচাপে ধৰি থাকিলে নহ'ব। এইবোৰ
সমাজক আধুনিক সভ্যতাৰ পৰা বহু নিলগত
সভ্যতাৰ লগত নিজকে খাপ খুৱাই নিবলৈ হ'
কৰিব লাগিব আমাৰ সমাজৰ পৰম্পৰাগত
মনোবৃত্তি তথা ধৰণ-কৰণ, চলন-ফুৰণ আৰু
ইত্যাদি দিশসমূহ। কাৰণ সভ্যতাই বিশ্বাস কৰে
মৃত্যুমুখী। সেয়ে অন্ধবিশ্বাসবোৰৰ দূৰীকৰ
নকৰিলে সুদূৰ ভৱিষ্যতে আমাৰ মিচিং অধ্যু
ভীষণ পৰিস্থিতিৰ সন্মুখীন হ'ব আৰু হৈয়েই থা
অন্ধবিশ্বাসবোৰ আঁতৰাবৰ বাবে আমাৰ সমাজ
সংগঠন যেনে— টি. এম. পি. কে., এম. এম.
কে., বানী কৌবাং, দৃবী কৌবাং ইত্যাদিবোৰে বি
ঠাইত সভা-সমিতি পাতি অন্ধবিশ্বাসসমূহৰ অ
উদাহৰণ সহ বহলভাৱে ব্যাখ্যা কৰি মৰু
অন্ধবিশ্বাস দূৰীকৰণৰ বাবে প্রয়াস কৰা উচি
বিজ্ঞানৰ অভূতপূর্ব সফলতা, মানৰ সভ্যতা-স
পৰিৱর্তৰ সময়ত এনে চিন্তা-চর্চাবোৰে সমগ্র
এক প্রত্যাহৱানস্বৰূপ হৈ পৰিছে। এনেধৰণৰ
নকৰিলে একবিংশ শতিকাত ভৰি দিয়া মানৱ
অন্য সমাজৰ আগত আমি লজ্জিত হ'ব লাগি

সমাজত নাৰীৰ স্থান

ৰিতুমণি তালুকদাৰ
সহকাৰী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

নাৰী ক্ষমতাময়ী, নাৰী কৰুণাময়ী। সৃষ্টিৰ মূল চালিকাশক্তি নাৰী আদর্শ, দয়া, মমতা, ত্যাগ আদি বিভিন্ন গুণৰ অধিকাৰী।

৮ মার্চৰ দিনটো সমগ্র বিশ্বত 'আন্তর্জাতিক নাৰী দিৱস' (International Women's Day) হিচাপে পালন কৰা হয়। মানৱ জাতিৰ ঘাই শিপাডালেই হৈছে নাৰী। চকুৰ প্রতিটো দৃষ্টিৰ আঁৰত যেনেদৰে লক্ষ্য বিদ্যমান ঠিক তেনেদৰে, প্রতিজন পুৰুষৰ আঁৰত এগৰাকী নাৰী বিদ্যমান। নাৰী অবিহনে পৃথিৱীৰ সকলো অস্তিত্বহীন, অন্তঃসাৰশূন্য। কিন্তু পৰিতাপৰ বিষয় এয়াই যে আমাৰ পিতৃতান্ত্রিক সমাজ ব্যৱস্থাত পুৰুষৰ সমানে আগবাঢ়ি যোৱাৰ বাটত প্রতিগৰাকী নাৰীয়েই বিভিন্ন ক্ষেত্রত শাৰিৰীক তথা মানসিকভাৱে বহুতো প্রত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। সেয়েহে নাৰীয়ে নিজকে কেতিয়াও স্বাধীন বুলি পৰিগণিত কৰিব পৰা নাই, যাৰ ফলত নাৰীয়ে বহুক্ষেত্রত সমাজৰ কাম-কাজবোৰতো আগ-ভাগ লোৱাৰ সলনি পিছ পৰি থকা দেখা যায়। কিয়নো এনে সমাজ ব্যৱস্থাত নাৰীক কোনোধৰণৰ মূল্য দিয়া হোৱা নছিল, সকলো ক্ষেত্রতেই নাৰীয়ে পুৰুষৰ ওপৰত নির্ভৰশীল হ'ব লগা হৈছিল। এইখিনিতে আমি প্রায়ে দেখিবলৈ পাওঁ যে বহুক্ষেত্রত নাৰীয়ে নাৰীৰ প্রধান শত্রু। আজিৰ তথাকথিত কিছু শিক্ষিত নাৰীয়ে সভা-সমিতিত নাৰী নির্যাতনৰ বিৰুদ্ধে ভাষণ দিয়ে, কিন্তু সময়ত নিজৰ ঘৰৰ কাম কৰা ছোৱালী অথবা বোৱাৰীজনীৰ ওপৰত শোষণ চলায়।

আমাৰ দেশৰ বেছিভাগ নাৰীয়েই দুখ, নির্যাতন, অসুৰক্ষিত অৱস্থাত দিন অতিবাহিত কৰিবলগীয়া হৈছে, যাৰ বাবে তেওঁলোকে সমাজৰ কামত পিছ পৰি ৰয়। এইখিনিতে মন কৰিবলগীয়া যে যদিও পুৰুষবিহীনভাৱে কোনো নাৰীয়ে কোনো কামত সফলতা লাভ কৰিব নোৱাৰে কিন্তু নাৰী অবিহনে এখন সফল সমাজ গঢ় দিব নোৱাৰি। আজিৰ নাৰীয়ে উচ্চ পদবীধাৰী আৰু উচ্চশিক্ষাৰে শিক্ষিত হৈ আত্মনির্ভৰশীল

হে পৰিছে, অভিভাৱকসকলেও কন্যা সন্তানক শিক্ষা দিয়াত আগভাগ লোৱা দেখা গৈছে কাৰণ, এগৰাকী ছোৱালীয়ে ভৱিষ্যতলৈ মাতৃৰূপে তেওঁৰ সন্তানক শিক্ষা দিব। এটি শিশুৰ আদি শিক্ষাগুৰুজনেই হ'ল তেওঁৰ মাতৃ। সেয়ে, নাৰীসকলৰ মাজত লুপ্ত হে থকা প্ৰতিভাক বিকশিত কৰি সমাজ তথা পৰিয়ালৰ প্ৰতি বৰঙণি আগবঢ়োৱাত প্ৰতিগৰাকী নাৰীৰো দায়িত্ব আছে।

গাঁওৰ মহিলাসকল এইক্ষেত্ৰত বহু আগবাঢ়ি গৈছে। তেওঁলোকে নিজকে নিজে চিনিব পাৰিছে যে কেৱল পুৰুষৰ ওপৰত নিৰ্ভৰ কৰি যে এখন সংসাৰ চলিব নোৱাৰে সেই কথা প্ৰায় নাৰীয়েই উপলব্ধি কৰিছে আৰু আত্মনিৰ্ভৰশীলতাৰ বিভিন্ন পথত অগ্ৰসৰ হৈছে। বৰ্তমান পৃথিৱীৰ প্ৰায় সকলো দেশেই নাৰীক পুৰুষৰ সৈতে সংবিধানত সম-অধিকাৰ প্ৰদান কৰিছে যদিও নাৰীৰ প্ৰতি থকা শোষণকাৰী মনোভাৱ পুৰুষ সমাজৰ পৰা আঁতৰ হোৱা নাই। বিভিন্ন দিশত নাৰীসকল আগবাঢ়ি গৈছে যদিও ৰথীয়া এজন নহ'লে চলা-ফুৰা কৰাটো এতিয়াও এটা শংকাৰ বিষয় হৈ আছে, কিয়নো দৈনিক সংঘটিত হত্যা, অপহৰণ, বলাৎকাৰ আদি ঘটনাই নাৰীসকলৰ মনত শংকাৰ সৃষ্টি কৰিছে। আমাৰ দেশত পৰ্যাপ্ত সুবিধা থকা স্বত্বেও নাৰীসকল শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত যথেষ্ট পিছ পৰি আছে, নিজৰ নামটো লিখিব নজনা মহিলা আমাৰ সমাজত এতিয়াও আছে। এমুঠি নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লেই নাৰীমুক্ত হোৱা বুলি ক'ব নোৱাৰি। নাৰীৰ প্ৰতিনিধিত্ব সুনিশ্চিত কৰাৰ উদ্দেশ্যেই পঞ্চায়তীৰাজ অনুষ্ঠানসমূহত মহিলাৰ বাবে ৩৩.৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে যদিও অধিক সংখ্যক মহিলাই প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা নাই, কাৰণ নাৰীসকলে লিগিৰী হৈ জীৱন কটাবলগীয়া হৈছে।

কিন্তু বৰ্তমান ইউৰোপ, আমেৰিকাৰ উদ্যোগবোৰত নাৰীক পুৰুষতকৈ অধিক পৰিশ্ৰমী আৰু কাৰ্যক্ষম হিচাপে গণ্য কৰা হৈছে। প্ৰতিটো পৰিয়াল নাৰীগৰাকীক কেন্দ্ৰ কৰিয়েই পৰিচালিত হে থাকে। এগৰাকী নাৰীয়ে যদি পৰিয়ালৰ সকলে নৈতিক গুণেৰে সমৃদ্ধ কৰাত বলিষ্ঠ পদক্ষেপ লয়, তেন্তে সমাজ স্খলন আৰু দুৰ্নীতিৰ কবলৰ পৰা দেশ মুক্ত হৈ পৰিব। ৰাষ্ট্ৰসংঘই সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰক্ৰিয়াত অংশ কৰিবলৈ নাৰীসকলৰ অধিকাৰক স্বীকৃতি দিছে।

স্বাধীনতা লাভৰ পিছতো ভাৰতবৰ্ষৰ অনেক আইনী সাংবিধানিক অধিকাৰ থকা স্বত্বেও আজিৰ নাৰীসমাজ পুৰুষতান্ত্ৰিক ব্যৱস্থাৰ বলি হে আহিছে। সেয়েহে প্ৰত্যেক গৰাকী নাৰীক উচ্চশিক্ষাৰে শিক্ষিত কৰি নিজৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে অৱগত কৰোৱাৰ সময় সমাগত। তদুপৰি নাৰী সাৱলীকৰণ, নাৰীৰ আত্মনিৰ্ভৰশীলতা আদি দিশৰ ওপৰ অধিক গুৰুত্ব দিয়া উচিত। নাৰীসকলৰ অৱদানক সমাজে দিয়া উচিত কিয়নো, এখন সুস্থ সমাজ তেতিয়াহে সম্ভৱ যেতিয়া নাৰীসকলৰ স্বাভিমানক গুৰুত্ব দিয়া হয় আৰু তেওঁলোকক জীৱন-যাপনৰ সুযোগ দিয়া হয়।

অৱশেষত ক'ব পাৰি যে, প্ৰতিজন পুৰুষৰ আঁৰত এগৰাকী নাৰী বিদ্যমান। এগৰাকী নাৰীৰ অনুপ্ৰেৰণাই পুৰুষৰ জীৱনৰ পৰিৱৰ্তন আনি দিব পাৰে। যিগৰাকী নাৰীয়ে নিজৰ দুখ-কষ্ট পাহৰি, স্বাৰ্থহীনভাৱে আনৰ বাবে সকলো ত্যাগ কৰিব পাৰে, তেওঁৰেই প্ৰকৃত নাৰীৰ স্থান পাব পাৰে। প্ৰতিগৰাকী নাৰী সকলোৰে মাতৃ, যাব দয়া, মৰম আৰু ধৈর্য্যৰ তুলনা নাই। নাৰী সৃষ্টিৰ বীজ ৰোপণ কৰিব পৰাৰ ক্ষমতা থকা উচিত। তেওঁ নিৰ্যাতিতা, লাঞ্ছিতা আৰু অৱহেলিত নাৰীসকলৰ উত্তৰণৰ নাৰীসকলেই আগবাঢ়ি আহিব লাগিব। কাগজে-কলমে, মিটিঙে নহয় হাতে-কামে কৰিলেহে সফল হ'ব আৰু এখন সৱল সমাজ গঢ় লৈ উঠিব। য'ত নাৰী আৰু পুৰুষৰ মাজত কোনোধৰণৰ বৈষম্য নাথাকিব আৰু সকলোৱে সমমৰ্যদাসম্পন্ন জীৱন-যাপন কৰিব পাৰিব।

◈ ◈ ◈

.... ক'ভিদকালীন চিন্তা

ক'ৰোনা

মহামাৰীয়ে মানৱ সভ্যতাক দি যোৱা নতুন শিক্ষা

চিত্তৰঞ্জন কলিতা
স্নাতক প্ৰথম ষান্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ



২০২০। এটা ব্যতিক্ৰমী বৰ্ষ। ক'ৰোনা মহামাৰীয়ে ৰূপ ধাৰণ কৰি মানুহৰ জীৱনশৈলী সলাই দিয়া এটা বৰ্ষ। সমগ্ৰ পৃথিৱীতে আতংকৰ সৃষ্টি কৰিছে এই মহামাৰীয়ে। যাৰ ফলত ২০২০ বৰ্ষৰ মাৰ্চ মাহৰ পৰা সমগ্ৰ দেশতেই তালাবন্ধ (Lock Down) দিব লগা হ'ল। এই তলাবন্ধই মানুহৰ জীৱন যাত্ৰাই সলনি কৰি দিলে।

ক'ৰোনা ভাই�ৰাচৰ উৎপত্তি হৈছিল চীন দেশৰ য়ুহান নগৰ এখন চহৰত। ক'ৰোনা ভাইৰাচে আক্ৰমণ কৰিলে যি ব্যক্তি ৰোগ হয়, তাক ক'ভিড-১৯ (Covid_19) বুলি কোৱা হয়। অৰ্থাৎ Co- Corona, Vi- Virus আৰু D- Disease, 2019। ক'ৰোনা ভাইৰাচ যিহেতু চীনত উৎপত্তি হৈছিল, সেয়েহেতিকে চীনতেই এই ভাই�ৰাচৰ সংক্ৰমণ আৰম্ভ হৈছিল। তাৰ পিছত ইখনৰ পিছত সিখন দেশত সংক্ৰমণ আৰম্ভ কৰিছিল শেষত ভাইৰাচে। স্পেইন, ৰাচিয়া, ইটালী আনকি ছুপাৰ পাৱাৰ আমেৰিকাও সাৰি যোৱা নাই এই ক'ৰোনা ভাইৰাচৰ পৰা। সঠিংগভাৱে ক'বলৈ গ'লে এই ভাইৰাচ বৰ অহংকাৰী। মাতি নিনিলে নিজে ই নাযায়। সামাজিক সংক্ৰমণৰ দ্বাৰা এই ভাইৰাচ বিয়পি পৰে।

ক'ৰোনা ভাইৰাচে সকলো দেশতে বিধ্বংসী ৰূপ ধাৰণ কৰাৰ বাবেই প্ৰত্যেক দেশেই তলাবন্ধ (Lock Down) ঘোষণা কৰিলে। ফলস্বৰূপে যিয়ে যি ঠাইত আছিল, তাতেই আৱদ্ধ থাকিবলগীয়া হ'ল। সকলোৱে ঘৰৰ ভিতৰত আৱদ্ধ হে ৰ'ল। কিছুমানে জীৱিকা স্থগিত ৰখাৰ বাবে হাহাকাৰ কৰিবলগীয়া হ'ল। পেটে-ভাতে খাই থকা মানুহবোৰৰো তলি উদং হ'ল। সৰু সৰু চাকৰি কৰা লোকসকলৰ, সাধাৰণ বেপাৰীবোৰৰো চলিবলৈ টান হৈ পৰিল। কৃষক সমাজৰ আলৈ-আথানি হ'ল। প্ৰয়োজনীয় ব্যৱস্থা নোপোৱাৰ বাবে শস্য পথাৰ শূণ্য কৰিবলগীয়া হ'ল। উপাৰ্জনৰ পথ বিচাৰি ঘৰৰ পৰা ওলাই যোৱা যুবকসকলৰো মহামস্কিল হে পৰিল। তেওঁলোকৰ এফালে ঘৰৰ চিন্তা, আনফালে ৰুদ্ধ হোৱা উপাৰ্জনৰ পথৰ চিন্তা। ইয়াৰ উপৰিও শৈক্ষিক জগততো লক্‌ডাউনৰ কিছু প্ৰভাৱ নপৰাকৈ থকা নাই। ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাতো সমস্যাৰ সৃষ্টি হৈছে। মুঠতে ক'ৰোনা ভাইৰাচৰ বাবে ঘোষিত লক্‌ডাউনে সমগ্ৰ মানুহকে যাতনাৰ শিক্ষা দিছে।

লক্‌ডাউনে কেৱল মানুহক যাতনাই দিয়া নাই, ই বহুক্ষেত্ৰত ইতিবাচক ৰূপে থিয় দিছে। কিছুমান নতুন কথা, নতুন চিন্তা, নতুন কামৰ সূচনা হৈছে।

লক্‌ডাউনৰ বাবে প্ৰকৃতিয়ে প্ৰাণ পাই উঠিছে। কিয়নো বন্ধ হৈ পৰিছে ঔদ্যোগিক কাৰুকাৰ্য, বন্ধ হৈ পৰিছে ভূমি খনন, বৃক্ষছেদন। পাহাৰবোৰ গছ-গছনিৰে পৰিপূৰ্ণ হৈ পৰিছে। কাৰণ ৰাস্তা-ঘাট সকলো বন্ধ। গাড়ীৰ ধোঁৱা, শব্দ এতিয়া আৰু নাই। চৌদিশে বিশুদ্ধ বায়ুৰ

বতাহ। হাবি-বননিৰ দৰে বাস্তা-ঘাটো এতিয়া শব্দ প্রদূষণবিহীন। চৌদিশে এতিয়া মাথোঁ সেউজীয়া আৰু সেউজীয়া। নদীৰ পানীবোৰো পৰিস্কাৰ হ'বলৈ ধৰিছে। মুঠতে ভূমি প্রদূষণ, জল প্রদূষণ, শব্দ প্রদূষণ, বায়ু প্রদূষণ আদি সকলো প্রদূষণেই হ্রাস পাবলৈ ধৰিছে। পশু-পক্ষীবোৰো যেন আনন্দিত হৈ পৰিছে। জন্তুবোৰে এতিয়া বাস্তাই-ঘাটে কোনো ভয় নোহোৱাকৈ মুক্ত বিচৰণ কৰিব পাৰিছে। বনৰ পক্ষীবোৰো আকাশত উৰি শান্তি পাইছে। পক্ষীবোৰে যেন আনন্দত মতলীয়া হৈ গীত গাইছে। মুঠতে প্রকৃতিয়ে যেন এক নতুন ৰূপ, নতুন পোহৰ পাইছে। সমগ্র প্রকৃতি জগতেই শান্ত সমাহিত, জীপাল হৈ পৰিছে।

ক'ৰোনা মহামাৰীয়ে ভাৰতীয় আদর্শ পুনৰ এবাৰ শীর্ষ স্থানত আৰোহণ কৰালে। সামাজিক সংক্রমণৰ জৰিয়তে যিহেতু ক'ৰোনা ভাই�ৰাচ হয়, সেয়েহে বিদেশী অভিবাদন নিয়ম যেনে— কৰমর্দন কৰা, আলিংগন কৰা আদিবোৰ সকলোবোৰ দেশতে নিষিদ্ধ কৰা হৈছে। এইবোৰৰ সলনি অভিবাদন জনাবলৈ ভাৰতীয় আদর্শৰ অন্যতম ধ্বজাবাহক অভিবাদন "নমস্কাৰ" কৰাটো সকলো দেশৰ নাগৰিকে মানি লৈছে। ইয়াৰ দ্বাৰা এইটো প্রমাণিত হৈছে যে প্রাচীন ঋষি-মুনিৰ দেশ ভাৰতবর্ষৰ আধ্যাত্মিক তথা নৈতিক ব্যৱস্থা সকলোৰে বাবে সমাদৃত।

ক'ৰোনা মহামাৰীয়ে সমগ্র পৃথিৱীক মানৱতাৰ শিক্ষা দিলে। মানুহে মানুহৰ কাম কৰাৰ সুযোগ পালে। মানুহৰ শ্রেষ্ঠ ধর্ম যে মানৱতা, তাক পুনৰ এবাৰ প্রমাণ কৰি দেখুৱালে এই মহামাৰীয়ে।

এই মহামাৰীৰ দ্বাৰা লাখ লাখ মানুহৰ মৃত্যু হোৱাত, সকলোবোৰ যেন মৃত্যু উপত্যকালৈ পৰিণত হৈছে। যাতে ইয়াৰ পৰা হাত সাৰিব পাৰে তাৰ বাবে সকলোবোৰ দেশে লক্‌ডাউন দিলে। লক্‌ডাউনৰ দ্বাৰা পৃথিৱীবাসীক বুজোৱা হ'ল যে ঘৰৰ ভিতৰত আৱদ্ধ হৈ থাকিলে ক'ৰোনা সংক্রমণ নহয়। কিন্তু আনফালে চাবলৈ গ'লে লক্‌ডাউনে ইয়াকেই সুবিধা কৰি দিলে যে মানুহৰ কথা ভাবিবলৈ, জীৱন ৰক্ষা কৰিবলৈ, আনৰ বাবে সহায় কৰিবলৈ। অর্থাৎ এইবোৰৰ মূল মানৱতা। ধন-জন, টকা-পইচা, ঘৰ-সম্পত্তি আদিতকৈ যে মানুহৰ জীৱনৰ মূল্য বেছি বুজাই দিলে এই মহামাৰীয়ে। ধনী-নিৰ্ধন লৈ কৰা অহংকাৰ অর্থহীন সেয়াও বুজাই দিলে এই মহামাৰীয়ে। এই মহামাৰীয়ে ধনী-দুখীয়া, উচ্চ-নীচ একোকে নামানে। অর্থাৎ প্রত্যেক মানুহ যে সমান তাকে দেখুৱালে।

যিহেতু ক'ৰোনা সংক্রমণ নহ'বৰ বাবে সকলো মানুহক ঘৰত থাকিবলগীয়া হ'ল, লক্‌ডাউনে মানুহক এটা ৰাস্তা জীৱন দিলে। সকলো মানুহে কামত ব্যস্ত হৈ থাকে লক্‌ডাউনৰ বাবে প্রত্যেকেই নিজৰ কাম কৰিব লগা হোৱা কৰিব পৰা নাই। ফলত দিনটোত অজস্র সময় পাইছে। নিজৰ পৰিয়ালক সময় দিব পাৰিছে। পৰিয়ালৰ প্রত্যে সদস্যৰ লগত প্রাণ খুলি কথা পাতিব পাৰিছে। নিজৰ ভাল কামসমূহ কৰিব পাৰিছে। ব্যস্ত মানুহবোৰে যেন নিজৰ শৈশ পাইছে।

প্রতিটো দিন যে প্রত্যেকজনৰ বাবে অনুভৱী হৈ দিনটোত উঠাৰ পৰা বাতি শোৱালৈকে কর্মব্যস্ত মানুহেই নতুবা এজন ছাত্রই হওঁক সকলোৰে কেৱল নিজৰ কামত লগা হয়। ছাত্র-ছাত্রীৰ কথা ক'বলৈ গ'লে দিন-ৰাতি কেৱ কামেই প্রধানকৈ কৰে, পঢ়া-শুনা। কিন্তু লক্‌ডাউন শিক্ষানুষ্ঠানসমূহ বন্ধ হ'ল। ছাত্র-ছাত্রীসকলে বহু নতুন শিকিব পাৰিছে। মুকলি মনেৰে থাকিব পাৰিছে। অভিনয় সংগীতবোৰ শিকিব পাৰিছে। ভাল লগা ছবি আঁকিছে, গান চিনেমা চাইছে, প্রয়োজনীয় নহিৰা কিতাপ পঢ়িছে। নানা খেল খেলিব পাৰিছে। ছাত্র-ছাত্রীসকলৰ মনত থকা বিভিন্ন বোজা, সেই বোজা নোহোৱা হৈছে। সময়মতে নিজৰ পঢ়িছে। কিছুমানে হয়তো নতুনকৈ ফুলনি পাতিছে।

মুঠতে এই সময়ছোৱাই মানৱ সমাজক এটি জীৱনশৈলী উপহাৰ দিলে। ক'ৰোনা মহামাৰীয়ে মানৱ সমাজক কেইটামান নতুন শিক্ষা দিলে, যি শিক্ষাই প্রত্যেকজন নতুন অভিজ্ঞতা দিলে। যাৰ বাবে ২০২০ বর্ষটো প্রত্যেকজন ছাত্রীৰ বাবে এটি চিৰস্মৰণীয় বর্ষ হৈ ৰ'ব।

◈ ◈ ◈



ইতিহাসৰ পটভূমিত হাজো

অপর্ণা ডেকা
স্নাতক প্রথম ষান্মাসিক (কলা শাখা)

ধর্মীয় বিশ্বাস আৰু সহনশীলতাৰ নিদর্শন পূণ্য তীর্থভূমি হাজো। এফালে শাক্ত, শৈৰ আৰু বৈষ্ণৱৰ মিলনতীর্থ; আনফালে হিন্দু, মুছলমান আৰু বৌদ্ধ ধর্মীৰ বিচৰণ আৰু বিশ্বাসৰ তীর্থস্থানৰ প্রাণকেন্দ্র হাজো।

'ইতিহাস' এটি সংস্কৃত শব্দ। যি গ্রন্থ বা পুথিত পুৰণি দিনৰ বিৱৰণী তথ্য পোৱা যায় সেয়ে ইতিহাস।

'হাজো' নাম আৰু তীর্থস্থান একোটা মুদ্রাৰ দুটা পিঠিৰ নিচিনা। হাজো মানেই তীর্থস্থানৰ মিলনভূমি। মন্দিৰ, মছজিদ আৰু সত্ৰৰ সমন্বয় ক্ষেত্র। ধর্মক্ষেত্র-তীর্থক্ষেত্র হাজো অতীতত সংস্কৃত চর্চাৰ মুখ্য স্থান আছিল। ভাগৱত চর্চাৰ প্রাণকেন্দ্র আছিল হাজো। হাজোলৈ তীর্থযাত্রী আহে পূণ্য অর্জন কৰিবলৈ। পর্যটক আহে দর্শন কৰিবলৈ আৰু ইতিহাস, সংস্কৃতি বুজিবলৈ। গৱেষক আহে গৱেষণাৰ সত্যৰ সন্ধান কৰিবলৈ।

অসমৰ প্রখ্যাত বুৰঞ্জীবিদ ডঃ সূর্যকুমাৰ ভূঞা সম্পাদিত অসম বুৰঞ্জী আৰু পু�ৰাতত্ব বিভাগৰ দ্বাৰা প্রকাশিত ১৯৩০ চনৰ কামৰূপৰ বুৰঞ্জী'ত লিখা আছে হাজোৰ পর্বতসমূহ—

(ক) হাজোৰ মাধৱৰ পর্বতৰ নাম মণিকূট।
(খ) কেদাৰ পর্বতৰ নাম মদনাচল।
(গ) কামেশ্বৰ পর্বতৰ নাম গোকর্ণ।
(ঘ) মোকাম পর্বতৰ নাম গৰুড়াচল।

হাজো নাম ঃ

মাধৱ কন্দলীয়ে 'ৰামায়ণ'ত উল্লেখ কৰিছে কামৰূপ মধ্যে সাৰ হাজোৰ তীর্থস্থান মণিকূট পর্বতত অৱস্থিত। ইয়াতেই জনার্দন হয়গ্রীৱৰ মন্দিৰ। অপূর্ণভৱ, গোকর্ণ, হৰ-কামেশ্বৰ, কেদাৰ আদি থানেৰে হাজো চিৰ পৱিত্র। ইয়াতেই মাধৱ ভক্ত অনেক 'তন্ত্রীয়ে' বাস কৰিছিল। পৱিত্র স্থান হাজোত কৃষ্ণৱ কিঙ্কৰ ৰত্ন পাঠকে বাস কৰিছিল আৰু তেওঁ লোকসমাজত ভাগৱত শাস্ত্র প্রৱর্তাইছিল। তেওঁৰেই পুত্র হৰিচৰণে সনাতন ধর্মত পঞ্চদেৱতাৰ পূজা প্রচলিত। হাজোত গণেশ, শিৱ, দুর্গা আৰু বিষ্ণুৱ মন্দিৰ থকালৈ চাই অনুমান হয় যে একালত ইয়াত সূর্য মন্দিৰো আছিল। কালক্রমত ধ্বংসপ্রাপ্ত হ'ল।

ডঃ বাণীকান্ত কাকতিয়ে হাজো শব্দৰ গঠনৰ ক্ষেত্রত তিব্বতধর্মী বৰো ভাষাৰ হা/গৌজী - 'হা' মানে 'মাটি' আৰু 'গাজৌ' মানে 'ওখ' অর্থাৎ হাজৌ/হাজো শব্দৰ অর্থ ওখ মাটি,

পাহাৰ, পৰ্বত বুলি আখ্যা দিছে। হাজো নামে এজন কোঁচবংশীয় ৰজা সেই সময়ত ক্ষমতাসম্পন্ন হৈ উঠে। এওঁৰেই কোচবিহাৰত ৰাজ্য স্থাপনকৰ্তা বিশ্বসিংহৰ মাতামহ। ১৫২২ খ্ৰীষ্টাব্দত বিশ্বসিংহই কোচবিহাৰৰ সিংহাসনত বহি ৰাজ্য শাসনৰ নতুন প্ৰণালী প্ৰৱৰ্তন কৰে। সেইমতে ২০ জন পাইকৰ ওপৰত এজন ঠাকুৰীয়া, ১০০ জনৰ ওপৰত এজন শইকীয়া, ১০০০ জনৰ ওপৰত হাজাৰি ইত্যাদি নিযুক্ত হ'ল। শোণিতপুৰ আৰু মিথিলাৰ পৰা ওঠৰগৰাকী কন্যা আনি তেওঁলোকক বিবাহ কৰায়। হাজো চহৰৰ সৈতে কোচবিহাৰ ৰাজ্যৰ যে এক গৌৰৱোজ্জ্বল অধ্যায় জড়িত হৈ আছে সেইকথা বহুতৰে অজ্ঞাত। হয়গ্ৰীৱ মাধৱ মন্দিৰ বা থাল কাটি ব্ৰহ্মপুত্ৰৰ দৈর্ঘ্য কমোৱাৰ বাবেই নহয় হাজো যে এসময়ত কোঁচৰজা নৰনাৰায়ণৰ পুত্ৰ মহাৰাজা লক্ষ্মীনাৰায়ণৰ ৰাজধানী আছিল সেই কথা প্ৰায় পাহৰণিৰ গৰ্ভত লীন হৈছে। এই প্ৰসংগত খ্ৰীষ্টধৰ্ম প্ৰচাৰক ষ্টিফেন কাছিলাৰ এখন চিঠিৰ পৰা জনা যায়। ১৬২৭ চনৰ ৪ অক্টোবৰত লিখা (লক্ষ্মীনাৰায়ণৰ লগত খ্ৰীষ্ট ধৰ্মযাজক দুজনৰ সাক্ষাৎকাৰ সম্বন্ধীয় এক বিশদ বিৱৰণ কাছিলাই পৰ্তুগালত থকা তেওঁৰ সম্প্ৰদায়ৰ পৰিচালনা সমিতিলৈ পঠিয়াইছিল) এই চিঠিৰ পৰা জনা যায় যে মহাৰাজ লক্ষ্মীনাৰায়ণে তেওঁৰ ৰাজধানী হাজোত থকা এক বিশাল ৰাজপ্ৰসাদত বাস কৰিছিল।

হাজোৰ পঞ্চতীৰ্থ ঃ

শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ মন্দিৰ, শ্ৰীশ্ৰী গণেশ মন্দিৰ, শ্ৰীকামেশ্বৰ মন্দিৰ, শ্ৰীশ্ৰী কেদাৰ মন্দিৰ আৰু শ্ৰীশ্ৰী কমলেশ্বৰ মন্দিৰ হাজোৰ পঞ্চতীৰ্থ। এই পঞ্চতীৰ্থৰ উপৰি মুছলমানসকলৰ পুতস্থান তথা গৌৰৱৰ সাক্ষী পোৱামক্কা দৰগাহ ছবিফ আছে। মহাৰাজ লক্ষ্মীসিংহৰ ৰাজত্ব কালছোৱাৰ ভিতৰত ১৭৭৪ চনত হাজোৰ মদনাচল পাহাৰত প্ৰতিষ্ঠাপিত শ্ৰীশ্ৰী জয়দুৰ্গা দেৱালয় শক্তিপীঠ।

ব্ৰহ্মপুৰাণ, শ্ৰীমদ্ভাগৱত, কালিকাপুৰাণ, দেৱীভাগৱত, মৎস্যপুৰাণ, শ্ৰীমন্তশংকৰদেৱ বিৰচিত কীৰ্তন পুথি আদিৰ উপৰিও বিভিন্ন বুৰঞ্জীত হয়গ্ৰীৱ সম্বাদ, হাজো আৰু উল্লিখিত হাজোৰ তীৰ্থস্থানসমূহৰ বিৱৰণী আৰু তথ্য পোৱা যায়।

শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ মন্দিৰ ঃ

যুগ যুগ ধৰি ভাৰতীয় সংস্কৃতিৰ সৰ্ব-ধৰ্ম সমন্বয়ৰ ঐতিহ্য বহন কৰি অহা হাজোৰ হয়গ্ৰীৱ মাধৱ দেৱালয় গুৱাহাটীৰ পৰা বত্ৰিশ কিলোমিটাৰ উত্তৰ-পশ্চিমে মণি পৰ্বত নামৰ এটি সৰু পাহাৰৰ ওপৰত অৱস্থিত। মহাভাৰতৰ শান্তি পৰ্বত বিষ্ণুৰ হয়গ্ৰীৱ মাধৱ অৱতাৰ সম্পৰ্কে উল্লেখ আছে। বিষ্ণু শুই থাকোতে আৰু ব্ৰহ্মা বিষ্ণুৰ নাভিত থাকোতে বিষ্ণুৰ নাভিৰ পৰা মধু আৰু কৈ নামৰ দুটা দৈত্যৰ জন্ম হয়, এই দৈত্য দুটাই ব্ৰহ্মাৰ হাতৰ পৰা কাঢ়ি নি বসাতল পোৱাত ব্ৰহ্মাই বিষ্ণুৰ নিদ্ৰা ভংগ কৰি উদ্ধাৰৰ বাবে তেওঁক অনুৰোধ জনায়। বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধ আৰু বেদ উদ্ধাৰ কৰি ব্ৰহ্মাক বুজায় দিয়ে। তাৰ পাছত বি সমুদ্ৰত মহাশয়নত নিমগ্ন হয়। মধু কৈটভে বিষ্ণুক যুদ্ধলৈ আ কৰাত বিষ্ণুৱে দুয়োকে বধ কৰে। মৎস্য পুৰাণৰ মতে ভগ হয়গ্ৰীৱ অৱতাৰ মৎস্য আৰতাৰৰো আগৰ। বিশ্বব্ৰহ্মাণ্ড পুৰি যোৱাত ভগৱানে হয়গ্ৰীৱ ৰূপত বেদ পুনৰ ৰচনা কৰে; কি পুৰাণৰ মতে ভগৱানে হয়গ্ৰীৱ ৰূপ ধৰি মণিকূট পৰ্বততে জ্বৰা বধ কৰে। এই জ্বৰাসুৰে ঔৰ্ব ঋষিৰ তপস্যা ভঙ্গ কৰিছিল। ভ বিষ্ণুৱে হয়গ্ৰীৱ ৰূপত জ্বৰাসুৰকে ধৰি পাঁচজন অসুৰক বধ ঔৰ্ব ঋষিয়েই এই হয়গ্ৰীৱ মাধৱ দেৱালয় প্ৰতিষ্ঠা কৰে অতীজৰে পৰা কোৱা হৈছে।

হয়গ্ৰীৱ মাধৱৰ মূৰ্তিটো বুদ্ধমূৰ্তি বুলি বৌদ্ধ (ল সকলে পূজা কৰে। 'যোগিনীতন্ত্ৰ'ত এই তীৰ্থস্থানক মণিপীঠ বুলি কোৱা হৈছে আৰু এই তীৰ্থ তিনিক্ৰোশ ব্যাপী আছে। দক্ষিণ মুখত কামেশী, পশ্চিম মুখত হয়গ্ৰীৱ, উত্তৰ মুখত লিঙ্গ আছে।

পণ্ডিতসকলে ঠাৰৰ কৰা মতে শ্ৰীশ্ৰী হয়গ্ৰীৱ মন্দিৰ নৱম-দশম শতিকাৰ ভিতৰত নিৰ্মিত বিষ্ণুতীৰ্থ। মূল বেদীত ভগৱান বিষ্ণুৰ অৱতাৰ শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ, বাওঁ দাৱব্ৰহ্মা দ্বিতীয় জগন্নাথ, বিষ্ণুৰ বাহন গৰুড় পক্ষী, সোঁ চলন্ত মাধৱ বংশীগোপাল ধাতুৰে নিৰ্মিত মূৰ্তি আৰু বাসু মূৰ্তি আছে। শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ আদৰৰ মহামুনি।

মাধৱ দেৱালয় বিষ্ণুতীৰ্থ শ্ৰীক্ষেত্ৰৰ জগন্নাথ ম সমপৰ্যায়ত সমাদৃত আৰু পূজিত। জগন্নাথ পৰম্পৰাগত প্ৰচলিত এক প্ৰথা। হয়গ্ৰীৱ সংস্কৃত শব্দ, 'হয়' মানে 'ঘোঁৰা', মানে 'মূৰ' বা 'ডিঙি'। অৰ্থাৎ ঘোঁৰাৰ মুখাকৃতিৰ বিষ্ণুৰ অৱতাৰ। মধু আৰু কৈটভ অসুৰে চুৰকৈ নিয়া বেদ উদ্ধাৰ কৰি কাৰণে বিষ্ণুৱে এই মূৰ্তি ধাৰণ কৰে।

শ্ৰীশ্ৰী গণেশ মন্দিৰ ঃ

নিজ হাজোৰ দক্ষিণ প্ৰান্তত, হাজো বংশৰ পথৰ দী প্ৰকাণ্ড শিলত কটা বিগ্ৰহ। মন্দিৰৰ বাহিৰৰ পৰা দেখাত বহুত হাতীৰ নিচিনা। 'মহাতীৰ্থ অসম' নামৰ গ্ৰন্থখনিৰ বৰ্ণনা অনু 'গণেশ মন্দিৰ' (হাজো) হয়গ্ৰীৱ মাধৱ মন্দিৰৰ নিচেই কা

মন্দিৰৰ স্থানত এটা ডাঙৰ শিলৰ ১০-১১শ শতিকাতে সুন্দৰকৈ কটা এই মূৰ্তিটোৰ ওপৰতে এটা ইটাৰ মন্দিৰ নিৰ্মিত হয়। হাজোলৈ তীৰ্থ কৰিবলৈ যোৱা যাত্ৰীসকলে প্ৰথমে এইটো মন্দিৰতে পূজা দি লয়।

শ্ৰীশ্ৰী কামেশ্বৰ মন্দিৰ ঃ

শ্ৰীশ্ৰী গণেশ মন্দিৰৰ পৰা অলপ নিলগত দক্ষিণ দিশে গোকৰ্ণ পৰ্বততে শ্ৰীশ্ৰী কামেশ্বৰ মন্দিৰ। শিৱলিঙ্গ ৰূপত কামেশ্বৰ শিৱ। কোনো কোনো লোকৰ মতে অতীজত হোৱা এইটো ব্ৰাহ্মণ মন্দিৰ আছিল। আনহাতে, আন কিছু লোকৰ মতে মদন কামদেৱৰ মন্দিৰ আছিল। নিঃসন্দেহে এই মন্দিৰ আহোম যুগৰ কীৰ্তি। প্ৰাচীন মন্দিৰ ধ্বংস হোৱাৰ পৰৱৰ্তী ৰূপ বৰ্তমানৰ কামেশ্বৰ মন্দিৰৰ।

শ্ৰীশ্ৰী কেদাৰ মন্দিৰ ঃ

শ্ৰীশ্ৰী কামেশ্বৰ মন্দিৰৰ পৰা পূৱৈ পকী পাহাৰীয়া ৰাস্তাৰে প্ৰায় ডেৰ কিলোমিটাৰ দূৰত মদনাচল পৰ্বততে শ্ৰীশ্ৰী কেদাৰ মন্দিৰ অৱস্থিত। এই মন্দিৰৰ প্ৰতিষ্ঠাপক আৰু প্ৰতিষ্ঠাকাল সম্বন্ধে সঠিক তথ্য পোৱা নাযায়। মন্দিৰৰ পূৱফালৰ প্ৰৱেশদ্বাৰত থকা শিলালিপিখনৰ পৰা জনা যায় ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত বিশ্বসুকন দুৱৰাই ৰাজ বদান্যতাত মন্দিৰ সংলগ্ন চৌহদৰ বেৰ নিৰ্মাণ কৰে। পৰৱৰ্তী সময়ত বুলনি চ'ৰালৈ ৰূপান্তৰিত কৰা হয়।

কামৰূপৰ ভিতৰতে এইটোৱে এটা প্ৰাচীন শৈৱ পীঠ। শ্ৰীশ্ৰী কেদাৰ অৰ্ধনাৰীশ্বৰ, নাগোপৱীতধাৰী, ত্ৰিশূল আৰু জটাধাৰী। গংগা ৰূপী সতী শিৱৰ পত্নী জঁটাৰ বান্ধোনত শিৱক লিংগ ৰূপতহে পূজা কৰা হয়। যিবোৰ লিংগত শিৱ অকলে বিৰাজমান তাত নিৰামিষ ভোগ আৰু যি লিংগত অৰ্ধনাৰীশ্বৰ অৰ্থাৎ শিৱ আৰু পাৰ্বতী একেলগে বিৰাজমান বুলি কল্পনা কৰা হৈছে তাত শিৱক পঠা ছাগলীৰ সলনি খাহী ছাগলীহে মুচৰি মাৰি ভোগৰূপে অৰ্পণ কৰা হয়। অসমৰ শিৱ পূজাৰ এই বৈশিষ্ট্যটো মন কৰিবলগীয়া।

শ্ৰীশ্ৰী কমলেশ্বৰ মন্দিৰ ঃ

শ্ৰীশ্ৰী কেদাৰ মন্দিৰৰ পূৱ দিশে অলপ নামনিৰ ফালে শ্ৰীশ্ৰী কমলেশ্বৰ মন্দিৰ, কমলেশ্বৰ নামে শিৱলিংগ। সনাতনীয় শাস্ত্ৰসমূহে 'হৰি-হৰ' অৰ্থাৎ বিষ্ণু-শিৱৰ অভিন্নতাত মান্যতা প্ৰদান কৰি আহিছে। অনন্ত কন্দলীৰ ৰামায়ণৰ অযোধ্যা কাণ্ডত বৰ্ণিত হৈছে এনেদৰে— "কেদাৰ কমল। লিঙ্গৰূপ ধৰি। আছা যাত হৰি-হৰ।"

এই মন্দিৰটোৰ তথ্য সম্বন্ধে বুৰঞ্জী নিমাত যদিও আনুমানিক ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত নিৰ্মাণ হয়। প্ৰণিধানযোগ্য যে ১৭৭৪ খ্ৰীষ্টাব্দৰ পিছত হাজোত ৰাজানুগ্ৰহত কোনো মন্দিৰ নিৰ্মাণ হোৱাৰ তথ্য পোৱা নাযায়। পুৰণি দিনৰ হাজোৰ শেষ মন্দিৰটো হ'ল শ্ৰীশ্ৰী জয়দুৰ্গা দেৱালয় কমলেশ্বৰ মন্দিৰৰ দক্ষিণ-পশ্চিম দিশে অৱস্থিত। মহাৰাজ লক্ষ্মীসিংহই ১৭৭৪ খ্ৰীষ্টাব্দত নিৰ্মাণ কৰে।

পোৱামক্কা ঃ

হাজোৰ আটাইতকৈ ওখ টিলা গৰুড়াচলৰ ওপৰত ইছলামধৰ্মীৰ পৱিত্ৰতম মক্কাৰ পৱিত্ৰতাৰ পোৱা ভাগ লৈ পোৱামক্কা অৱস্থিত। এই ঠাইত এটি প্ৰাচীন মছজিদ আছে, তাৰ বেৰত ফাচী ভাষাত লিখা এখন লিপি বিদ্যমান। লিপিখনৰ মতে দিল্লীৰ শ্বাহানশ্বাহ শ্বাহজানৰ ৰাজত্বকালত মছজিদটি নিৰ্মাণ কৰিছিল। মছজিদৰ সন্মুখতে এটি প্ৰাচীন কবৰ আছে, সেইটি ষোড়শ শতিকাৰ ইছলাম প্ৰচাৰক গিয়াছুদ্দিন আউলিয়াৰ কবৰ। এৱেঁই পোনতে হাজোত মুছলিম উপনিৱেশ আৰু পোৱামক্কাৰ মছজিদ স্থাপন কৰে, মীৰ লটফুল্লাই তাক পুনঃ নিৰ্মাণ মাত্ৰ কৰে। কথিত আছে, মছজিদৰ ভেঁটিৰ কাৰণে মক্কা ছৱিফৰ পৰা অলপ মাটি অনা হৈছিল। চুজাবাদ বা হাজোৰ নতুন মছজিদৰ আধাৰশিলা আবুল ঘাজী চুজাউদ্দিন মহম্মদ শ্বাহ হাজোৰ শাসক থকা কালত লটফুল্লাই স্থাপন কৰিলেও তেওঁৰ পুতেক নিয়ামতুলাইহে নিৰ্মাণ সম্পূৰ্ণ কৰে বুলি কথিত আছে, গিয়াছুদ্দিনে কেদাৰনাথৰ মঠ ভাঙিবলৈ যাওঁতে খটখটিতে তেজ বতিয়াই মৰে। হিন্দু-মুছলমান উভয়েই গিয়াছুদ্দিনৰ কবৰত সেৱা দি নানা মানসে দৰ্শনার্থে হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰাটো ওঠৰ গছৰ খুঁটাত ডোল ফহতি বান্ধিছিল।

হাজো 'পঞ্চতীৰ্থ' বুলি কোৱাৰ উপৰিও মিলনৰ তীৰ্থ বুলিও কোৱা হয়। কাৰণ ইয়াত হিন্দু-মুছলিম সকলোৱে একেলগে অতীজৰে পৰা ভাই ভাই হিচাপে চলি আহিছে। হাজোলৈ প্ৰতিবছৰে দৰ্শক, ভক্ত, তীৰ্থযাত্ৰী, পৰ্যটক আদিৰ সংখ্যা বৃদ্ধি হৈ আহিছে। হাজোৰ আন্তঃগাঁথনি, ৰাস্তা-ঘাট, যাতায়ত ব্যৱস্থা আৰু যোগাযোগৰ ক্ষীপ্ৰ উন্নয়নৰ প্ৰয়োজন। দৰ্শক, পৰ্যটক আৰু গৱেষকসকলৰ বাবে বিশেষ সেৱাৰ প্ৰয়োজন। মন্দিৰসমূহৰ লগতে বিভিন্ন স্থানত সিঁচৰতি হৈ থকা শৈলমূৰ্তি আৰু শৈলভাস্কৰ্যসমূহৰ ওপৰত গৱেষণাৰ অতি প্ৰয়োজন। সেৱাৰ মনোবৃত্তিৰে কাম কৰাৰ মানসিকতা গঢ় দিব পাৰিলে পৰ্যটন উদ্যোগে গঢ় ল'ব আৰু হাজোৰ অৰ্থনীতিৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন হ'ব বুলি আশা কৰিব পাৰি।

নিবনুৱা সমস্যা আৰু বৰ্তমানৰ যুৱ প্ৰজন্ম

আৰ্জুমণি চুলতা
স্নাতক পঞ্চম ষাণ্মাসিক

বৰ্তমান সময়ত দেখা দিয়া জটিল সমস্যাসমূহৰ ভিতৰত নিবনুৱা সমস্যা এক অন্যতম সমস্যা। সাধাৰণ অৰ্থত কাম নোপোৱা মানুহখিনিয়ে নিবনুৱা। ৰক্ত পিপাসুৰ বেশেৰে আহি ইংৰাজে ভাৰতৰ ৰক্ত-মাংস চেপি চেপি মধু আহৰণ কৰি ভাৰতক অকল দৰিদ্ৰতাৰ জ্বলন্ত কুণ্ডতেইহে যে এৰি থৈ গ'ল এনে নহয়, ভাৰতৰ শিক্ষিত শ্ৰেণীৰ লোকসকলক কেৱল আমোলাৰহে উপযুক্ত কৰি ভাৰতৰ জনতাক দাস মনোবৃত্তি উপহাৰ দি নিবনুৱা কৰি থৈ গ'ল। অৰ্থনীতিত নিবনুৱাৰ সংজ্ঞা এনেদৰে দিয়া হৈছে— "কৰ্মক্ষম মানুহে নিযুক্তিৰ প্ৰতি ইচ্ছুক হৈ যেতিয়া কৰ্মসংস্থাপন নাপায় অক্ষম হৈ বহি থাকিবলগীয়া হয় সেই লোকসকলক নিবনুৱা বুলি কোৱা হয়।" অৰ্থাৎ কাম কৰিবৰ বাবে ইচ্ছা আৰু সামৰ্থ্য থকাৰ পিছতো যিবোৰ মানুহে কাম বিচাৰি নাপায় তেওঁলোকেই নিবনুৱা।

আজিৰ ভাৰতৰ যুৱ প্ৰজন্মক লাগে মাত্ৰ চাকৰি। কৃষিকাৰ্য, শিল্পকাৰ্য বৰ্তমানৰ শিক্ষিত যুৱক-যুৱতীসকলৰ দৃষ্টিত সৰু কাম। বে-চৰকাৰী অনুষ্ঠানৰ চাকৰিও মৰ্যদাহীন। মৰ্যদা আছে চৰকাৰী চাকৰিত, এই দৃষ্টিভংগীৰ বশৱৰ্তী হৈয়ে আজি ভাৰতৰ শিক্ষিত শ্ৰেণীয়ে কৰ্মহীন হৈ দেশত নিবনুৱা সমস্যাৰ সৃষ্টি কৰিছে। আৰু স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত ই এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। স্বাধীনতাৰ পাছত দেশৰ উন্নয়ন দ্ৰুততৰ কৰিবৰ বাবে উদ্যোগ গঢ়ি উঠাৰ প্ৰয়োজন হ'ল। উদ্যোগ গঢ়ি উঠিল, কিন্তু তাৰ গৰাকীসকল কোন? এবিধ ভাগেই ধনীক শ্ৰেণীৰ। বৃহৎ শিল্প গঢ়ি উঠাত কুটীৰ শিল্পবোৰ মৰা গ'ল। তাৰ ফলত হাজাৰ হাজাৰ মানুহ কৰ্মহীন হৈ পৰিল। দেশৰ বৃহৎ পৰিমাণৰ মাটি নানা পথেৰে ধনীক শ্ৰেণী, জমিদাৰ শ্ৰেণীৰ হাতত হস্তগত হোৱাত অসংখ্য কৃষক ভূমিহীন হৈ পৰিছে। তাৰ ফলতো নিবনুৱাৰ সৃষ্টি হৈছে। দেশৰ জনসংখ্যা দ্ৰুত গতিত বাঢ়ি যোৱাত নিবনুৱাৰ সংখ্যাও প্ৰতিবছৰে কৌটিৰ হিচাপত বাঢ়ি গৈছে। ভাৰতৰ জনসংখ্যা নিয়ন্ত্ৰণ নকৰি হয়তো নিবনুৱাৰ সংখ্যাও বাঢ়ি যাব। কি যে ভয়াৱহ পৰিণতি ঘটিব ভাৰতবাসীৰ!!! নিবনুৱা সমস্যা সৃষ্টিৰ ক্ষেত্ৰত শিক্ষানীতিও বহু পৰিমাণে দায়ী। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই আজি গঢ়িছে সঁচা, কিন্তু কৰ্মী, কৃষক গঢ়িব পৰা নাই। কিন্তু এখন দেশৰ শিক্ষিত সকলো যুবক-যুবতীয়ে চাকৰিত নিযুক্তি দিয়া সম্ভৱনে? অসম্ভব। তেনেস্থলত প্ৰতিবছৰে স্কুল, কলেজ, বিশ্ববিদ্যালয়ৰ পৰা বাহিৰ হোৱা লাখ লাখ শিক্ষিত যুৱক-যুৱতী নিবনুৱা নহৈ কি হ'ব? তেনেহ'লে শিক্ষিত আৰু অশিক্ষিত নিবনুৱা কৰ্মসংস্থাপন কি ৰূপে কৰা যায়? এই ভয়াৱহ পৰিস্থিতিয়ে জাতি দেশ কঁপাই তুলিছে।

ভয়াবহ নিবনুৱা সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত গভীৰ চিন্তা-চৰ্চা কৰি যুৱ প্ৰজন্মক ভৱিষ্যতৰ বাট দেখুৱাব লাগে। ক্ষেত্ৰত ভূমিনীতি সংশোধন কৰি চোৱাংভাৱে থকা নাৰ্হেক্টৰ মাটি ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰি গাঁও অঞ্চল নিবনুৱাসকলক সংস্থাপন দিব লাগে। কৰ্মমুখী শিক্ষানীতি কৰি উৎপাদন কৰ্মৰ প্ৰতি শিক্ষিত যুৱ প্ৰজন্মক আগ্ৰহান্বিত স্ব-নিয়োজনক্ষম কৰাৰ ব্যৱস্থা কৰিব লাগে। কৃষি, শিল্প, বাণিজ্য আদি সকলো উৎপাদনশীল কৰ্মতে যাতে শিক্ষিত যুৱ প্ৰজন্ম নিয়োজিত হয় তেনে নীতি গ্ৰহণ কৰা উচিত। প্ৰতিবছৰে কোটি কোটি নিবনুৱা সৃষ্টি হ'ব নোৱাৰে, তাৰ কাৰণে পৰিকল্পনাৰ যোগেদি জন্ম নিয়ন্ত্ৰণৰ দ্বাৰা ক্ৰমবৰ্দ্ধমান জনসংখ্যা বৃদ্ধি হ্ৰাস কৰিব লাগে।

এনেদৰে পৰিকল্পিতভাৱে কাৰ্যপন্থা হাতত লৈ হয়তো কিছু নিবনুৱা সমস্যাৰ সমাধান হ'ব পাৰে আৰু সমৃদ্ধিময় ভাৰত গঢ়ি তোলাৰ স্বপ্ন দিঠকত পৰিণত হ'ব।

◈ ◈ ◈

সুবেন দাস মহাবিদ্যালয়, হাজো

মানৰ জীৱনত মূল্যবোধৰ গুৰুত্ব

বেগম মনিজা আখতাৰ
স্নাতক তৃতীয় ষাণ্মাসিক

মূল্যবোধৰ ধাৰণাটো সাম্প্ৰতিক কালৰ অতি প্ৰয়োজনীয় তথা গুৰুত্বপূৰ্ণ দিশ হিচাপে বিবেচিত হোৱাটো সৰ্বজনবিদিত। কিয়নো সমগ্ৰ শিক্ষা প্ৰক্ৰিয়াটোক অধিক অৰ্থপূৰ্ণ কৰি তোলাৰ ক্ষেত্ৰত মূল্যবোধে এক উল্লেখযোগ্য ভূমিকা পালন কৰা পৰিলক্ষিত হয়। মূল্যবোধৰ জৰিয়তে ভিন ভিন সময়ত ব্যক্তিসকলে তেওঁলোকৰ ব্যক্তিগত তথা সামাজিক জীৱনত আকাংক্ষিত দিশত শৃংখলাৱদ্ধভাৱে আগুৱাই যাব পাৰে। ইয়াৰ অন্যথা সমাজ জীৱনত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত উজুতি খাবলগীয়া হয়।

মূল্যবোধ হ'ল এখন দেশৰ দৰ্শন তথা শিক্ষা ব্যৱস্থাৰ এৰাব নোৱাৰা এক অংগস্বৰূপ। এইবোৰ হ'ল জীৱনৰ নিৰ্দেশনাত্মক নীতি, যিয়ে ব্যক্তিৰ সৰ্বাঙ্গীন বিকাশ সাধনৰ লগত জড়িত। অৰ্থাৎ মূল্যবোধ মানে হ'ল ব্যক্তিৰ আত্মবিকাশত প্ৰকাশিত যিকোনো মানৱীয় কাৰ্য চিন্তা বা ধাৰণা, অনুভৱ, সংবেদন আৰু আৱেগ।

আলপোৰ্টৰ মতে, "মূল্যবোধ হ'ল এজন মানুহে অগ্ৰাধিকাৰৰ দ্বাৰা কৰি যোৱা কৰ্মৰাজিৰ ওপৰত বিশ্বাস।" গতিকে মূল্যবোধ হৈছে কিছুমান নিৰ্দেশনাত্মক নীতি যিয়ে ব্যক্তিৰ আচৰণক নিৰ্দেশনা প্ৰদান কৰে।

মূল্যবোধৰ কেইটামান বৈশিষ্ট্য হ'ল—

(ক) মূল্যবোধ ব্যক্তিৰ অন্তর্নিহিত গুণ নহয়, ই আৰ্জিত গুণ।
(খ) মূল্যবোধ সমাজৰ সদস্যসকলৰ আন্তঃক্ৰিয়াৰ যোগেদি সৃষ্টি হয় আৰু বিকশিত হয়।
(গ) মূল্যবোধ হ'ল এক গতিশীল প্ৰক্ৰিয়া। সময়ৰ আৰু পৰিস্থিতিৰ প্ৰেক্ষাপটত ই সলনি হৈ থাকে।
(ঘ) মূল্যবোধ ব্যক্তিৰ আৱেগৰ দ্বাৰা প্ৰভাৱিত হয়।

মূল্যবোধ মানৱ জীৱনৰ অতি গুৰুত্বপূৰ্ণ দিশ হিচাপে পৰিগণিত হৈ আহিছে। মূল্যবোধবিহীন জীৱন অৰ্থহীন হৈ পৰে অৰ্থাৎ নিজকে এগৰাকী সুস্থ নাগৰিক বা সুস্থ ব্যক্তিত্বৰ অধিকাৰী কৰি তুলিবলৈ মূল্যবোধৰ জ্ঞানেৰে চহকী হ'বই লাগিব এই কথা ধ্ৰুৱপ। আকৌ বিশ্বৰ কল্যাণৰ বাবে, দেশৰ কল্যাণৰ বাবে বা এটা জাতিৰ কল্যাণৰ বাবে কাম কৰাৰ ক্ষেত্ৰত মূল্যবোধৰ প্ৰয়োজনীয়তা বহলভাৱে অনুভৱ কৰা হয়। নিৰ্দিষ্ট এটা লাইনত ট্ৰেইন এখনৰ যাতায়াত ব্যৱস্থা অব্যাহত যিদৰে

থাকে ঠিক সেইদৰে মানৱ সমাজৰ সদস্যসকলৰ জীৱন যাত্রা উপযুক্ত গতিত চলিবলৈ মূল্যবোধৰ গুৰুত্ব সিমানেই। তলত মানৱ জীৱনত মূল্যবোধৰ গুৰুত্ব সম্পর্কে আলোচনা কৰা হ'ল—

(ক) সমাজৰ মানদণ্ড অনুসৰি কোনো লোকৰ আচৰণ সুস্থ গতিত পৰিবাহিত কৰাৰ বাবে মূল্যবোধৰ গুৰুত্ব সর্বাধিক।

(খ) উপযুক্ত আৱেগ-অনুভূতিৰ বিকাশত ইয়াৰ গুৰুত্ব অনুভৱ কৰা হয়।

(গ) কোনো ব্যক্তিৰ শুদ্ধ বা উপযুক্ত নৈতিক আচৰণ গঢ়াত ইয়াৰ প্রয়োজনীয়তা বা গুৰুত্ব কোনো গুণে কম নহয়।

(ঘ) মূল্যবোধে ব্যক্তিসকলৰ জ্ঞান তথা বোধশক্তিসমূহৰ বিকাশ ঘটোৱাৰ উপৰিও উপযুক্ত নীতি-নিয়ম পালনৰ ক্ষেত্রত সহায় কৰিব পাৰে।

(ঙ) সমাজৰ সকলো শ্রেণীৰ লোকৰ মাজত সামগ্রিক ব্যক্তিত্বৰ বিকাশ সাধনৰ বাবে শান্তি স্থাপনৰ বাতাবৰণ সৃষ্টি কৰি মূল্যবোধে জনসাধাৰণক পৃথিৱীত সুস্থভাৱে জীয়াই থকাৰ বাবে প্রেৰণা যোগাবলৈ সক্ষম হৈছে।

(চ) শক্তিশালী চৰিত্রৰ অধিকাৰী হোৱাৰ বাবে মূল্যবোধে আমাক সকলো ক্ষেত্রতে সহায় কৰিব পাৰে, যি শক্তিশালী চৰিত্রৰ অধিকাৰিতাই সমাজত সন্মান বুটলিবলৈ সক্ষম কৰি তুলিব পাৰে।

(ছ) মূল্যবোধে মানুহৰ মানসিক দিশ শক্তিশালী তথা তেজস্বী কৰি তোলাত সহায় কৰিব পাৰে।

(জ) কোনো ব্যক্তিক সাহসী ব্যক্তি হিচাপে গঢ়ি তোলাৰ ক্ষেত্রত মূল্যবোধে যথেষ্ট পৰিমাণে সহায় কৰা দেখা যায়।

(ঝ) মূল্যবোধে মানুহৰ স্বার্থপৰতা গুণ আঁতৰ কৰি ত্যাগৰ মনোভাৱ বৃদ্ধিত অৱিহণা যোগাব পাৰে।

(ঞ) মূল্যবোধে মানুহৰ বিভিন্ন পৰিস্থিতিত আৰু বিভিন্ন অৱস্থাত উপযুক্ত আচৰণ প্রদর্শন কৰিবলৈ প্রেৰণা যোগাব পাৰে, যেনে— কথোপকথন, আচৰণ, বহা আচৰণ, খোৱা আচৰণ, পোছাক পিন্ধা আচৰণ, গাড়ী চলোৱা আচৰণ, খেল খেলা আচৰণ ইত্যাদি।

(ট) মূল্যবোধে বিশ্বাস আৰু মনোভাৱক নির্দেশনা তথা পৰিচালনা কৰে।

(ঠ) মূল্যবোধে মানুহৰ মাজত উদয় হোৱা ভুল বুজাবুজি, স
খং, আনক বেয়া পোৱা ভাৱ আদি গুণবোৰ আঁতৰ কৰি
ইতিবাচক দিশৰ উদ্ভাৱনত অৱিহণা যোগাব পাৰে, যাৰ ফল
মানুহ হিচাপে জীৱন অতিবাহিত কৰাত সহায়ক হ'ব পাৰে

(ড) সামাজিক মর্যদা লাভ, নেতৃত্বৰ বিকাশ, ক্ষমতাৰ বিকাশ
সাধনৰ ক্ষেত্রত মূল্যবোধে মূল ছাবি হিচাপে কাম কৰিব গ

(ঢ) মূল্যবোধে ব্যক্তিৰ চিন্তা-ভাৱনা, অনুভূতি, ক্রিয়াকলাপ
প্রভাবিত কৰে আৰু জীৱনত আনন্দ, তৃপ্তি, সুখ-শান্তি আৰ
মান আদিক সংলগ্ন কৰে। মূল্যবোধ হ'ল নৈতিকতাৰ
যিবোৰ প্রতিটো প্রজন্মই নিজৰ লগতে পৰৱর্তী প্রজন্মৰ ক
বাবে বিকশাই তোলে।

(ণ) বহনক্ষম বিকাশ আৰু সামাজিক প্রগতিৰ বাবে মূল্যবোধ
প্রয়োজনীয়। মূল্যবোধৰ সহায়ত ব্যক্তিৰ দেহ-মন আৰু
মাজৰ ভাৱসাম্য স্থাপন সম্ভৱ হৈ উঠে। সমাজ জীৱনৰ
প্রয়োজনীয় সামাজিক গুণ যেনে— সহযোগিতা, পৰোপকা
সহানুভূতিশীলতা, সহনশীলতা আদি মূল্যবোধৰ দ্বাৰা
তোলা সম্ভৱ।

গতিকে ক'ব পাৰি যে মানৱ জীৱনৰ সর্বাঙ্গীন
বাবে মূল্যবোধ অপৰিহার্য। কিয়নো বর্তমান আমাৰ সমাজ
ক্রমান্বয়ে নৈতিক, আধ্যাত্মিক তথা সৌন্দর্যবোধমূলক
মূল্যবোধ হ্রাস পাই আহিছে যাৰ ফলস্বৰূপে সমাজৰ মানুহৰ
খিয়লা-খিয়লি, অধিকাৰ, সন্দেহ, প্রবণতা আদি দেখা
লগতে বিশৃংখলতাৰ সৃষ্টি কৰিছে। বিভিন্ন জাতি, ধর্মীয়
আজিৰ সমাজত সামাজিক দূৰত্ব বাঢ়ি অহাৰ কাৰণে সংঘ
সৃষ্টি হৈছে। সেয়েহে এই অমানৱীয় গুণ তথা কার্যকলাপ
নাইকীয়া কৰি ছাত্র-ছাত্রীসকলৰ লগতে আন আন ব্যক্তিসক
নিজ নিজ ব্যক্তিত্বৰ সুস্থ বিকাশ কৰি তুলি তাৰ জৰিয়তে
সুস্থ তথা আদর্শ সমাজ গঢ়ি তুলিবৰ বাবে মূল্যবোধ মানৱ জী
অতি প্রয়োজনীয় বুলি অনুভৱ কৰা হৈছে।

◈ ◈ ◈



হাজোৰ এটি চমু পৰিচয়

ৰছিদা খাতুন
স্নাতক ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

"হাজো হেন নাম পৱিত্র উত্তম
থানা কামৰূপ মাজে
মণিকূট গিৰি শিখৰত আছে
হয়গ্রীৱ দেৱৰাজে।।" (ৰামায়ণ অযোধ্যাকাণ্ড)

অসমৰ অন্যতম বৈষ্ণৱ কবি অনন্ত কন্দলীয়ে এনেদৰে হাজোৰ কথা বর্ণনা কৰিছিল। এইখন হাজোত পৱিত্র তীর্থস্থান, হয়গ্রীৱ, কেদাৰেশ্বৰ, কমলেশ্বৰ আৰু গণেশ মন্দিৰ আদিৰ লগতে ধর্মৰ পৱিত্র মহা-মিলনৰ মহা-মহা-আর্ঘ-সংঘাত ৰচিত হিন্দু-মুছলমান, বৈদ্যৰ পৱিত্র জীৱন্ত মধুৰ সম্বন্ধ। য'ত আছে পৱিত্র শিল্পী-সংস্কৃতি, উৎসৱ-পার্বণৰ মনোমুগ্ধকৰ বিমোহিত ৰূপ, য'ত স্ফূর্তি-তামাচা আৰু উচ্চ-নীচ, ধনী-দুখীয়া, জাত-পাতবিহীন মধুৰ সমন্বয় আৰু সংহতি। হাজো এটি বিস্তৃত এলেকাৰ নাম। অসম উৱকাৰ ৰাজহ বিভাগৰ নথি অনুসৰি হাজো ৰাজহ চক্রৰ অধীনত ১৩৭ খন গাঁও। মুঠ এলেকাৰ মুঠ মাটিকালিৰ পৰিমাণ ২,৬৯,৪৫৯ বিঘা ১৯ লেচা।

হাজোৰ পৱিত্রতা একোটা নিশাৰ ভিতৰতে গঢ়ি উঠা নাই। প্রাচীন কালৰে পৰা অসমৰ ইতিহাসত এই স্থানৰ গুৰুত্ব আছি আহিছে। হাজোৰ নাম সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন মতবাদ দাঙি ধৰিছে। ড° বাণীকান্ত কাকতিয়ে হাজোক বড়ো নাম বুলি সন্দেহ কৰে। হা-মানে মাটি আৰু গজৌ মানে ওখ মাটি। মুছলমান জাতিৰ এটা চামে হজ শব্দৰ পৰা হাজো আৱিভূত হৈছে বুলি সন্দেহ কৰে। একাদশ শতিকাত কালিকা পুৰাণত হাজোক মণিকূট বা অপূর্ণভৰ বুলি বর্ণিত কৰিছিল। অপূর্ণভৰ শব্দৰ অর্থ হ'ল যি ঠাইত পদার্পণ কৰিলে ব্যক্তিয়ে নিজৰ কামনা-বাসনাৰ অন্ত পেলাব পাৰে। চতুর্থ শতিকাত ৰচিত যোগিনীতন্ত্র গ্রন্থতো বিষ্ণুপুষ্পৰ বুলি বর্ণিত। একেদৰে ওঠৰ শতিকাত এই স্থানক মণিকূট ধাম বুলি বর্ণোৱা হৈছে। হাজোৰ হয়গ্রীৱ মাধৱ মন্দিৰ হিন্দুসকলৰ বাবে এক পৱিত্র ধাম। বিভিন্ন শিল্প কর্মৰ বাবে হাজো ইতিহাস প্রসিদ্ধ। বিশেষকৈ পিতল শিল্পৰ ক্ষেত্রত হাজোৰ এক সুনাম আছে। তাৰোপৰি মৃত শিল্প, পুষ্প শিল্প আৰু বয়ন শিল্পৰ বাবেও হাজো প্রসিদ্ধ। মৃত শিল্প হাজোৰ এক উল্লেখযোগ্য ব্যৱসায়। এক বৃহৎ অঞ্চলৰ লোক এই ব্যৱসায়ৰ সৈতে জড়িত।

সাহিত্য চর্চাৰ ক্ষেত্রতো হাজোৰ বৰঙণি উল্লেখযোগ্য। অনন্ত কন্দলি, ৰাম সৰস্বতী, দুর্গাবৰ, কুমাৰিণ ভট্ট আদি লেখকৰ জন্মস্থান হাজোত। আকৌ লোক-সংস্কৃতিৰ ক্ষেত্রত হাজোৰ নিজস্ব বৈশিষ্ট্য আছে। লোকগীত, লোককলা, লোকক্রীড়া, লোক ঔষধ, লোক উৎসৱ আৰু লোক বিশ্বাসত হাজোই নিজৰ অস্তিত্ব অটুট ৰাখিছে।

অতি প্রাচীন কালৰে পৰা হিন্দু-মুছলমান আদি সকলোৱে ভক্তি ভাৱেৰে এই দর্গাহলৈ আহি নিজৰ মনোকামনা পূৰণৰ অর্থে গিয়াছ উদ্দিন চাহাবৰ নাম সশ্রদ্ধে স্মৰণ কৰে। প্রতি বছৰৰ মাঘ মাহৰ ৩০ তাৰিখে পোৱামক্কা দৰগাহত উৰুচ মোৱাৰক পালন কৰে। সেইদিনা পূর্ণ উৰুচ আৰু এইটো দিনতে পোৱামক্কা হৈ পৰে পূর্ণ মক্কা। ইছলামসকলৰ উৰুচৰ উৎস ইতিহাস বিচাৰিলে পোৱা যায়। ইছলাম ধর্ম প্রাণ প্রতিষ্ঠাকাৰী নবীবৰ হজৰত মহম্মদ (ছঃ) তেওঁৰ জীৱনকালত প্রতি বছৰে ধর্মযুদ্ধত শ্বহীদ হোৱা পূণ্যপ্রাণ ব্যক্তিসকলৰ কৰৰলৈ গৈ তেওঁলোকক ছালাম, লগতে পৱিত্র কো�ৰাণ পঢ়ি শ্বহীদসকলৰ সদ্গতি কামনা কৰিছিল। পিছত ইয়াৰ পৰম্পৰাতেই ইছলামসকলৰ মনত মৃত কোনো পীৰ বা পূণ্যাত্মা ব্যক্তিৰ কৰৰস্থলীলৈ গৈ তেওঁৰ মৃত্যু তিথিত তাত তেওঁক

ছালাম দি শ্রদ্ধাৰে সোঁৱৰণ কৰি দোৱা আৰু দৰুদ পঢ়ি চিন্নি (ভোগ) মিঠাই বিতৰণ কৰাৰ দস্তুৰ গঢ়ি উঠিছে। যাক জিয়াৰত বা মুলাকাত বুলি কোৱা হয়। ইয়েই মূলতঃ উৰুচ। অর্থাৎ আন প্ৰকাৰে ক'বলৈ গ'লে মৃত কৰৱস্থিত সেই পূণ্যাত্মাৰ ব্যক্তিজনাক দেখা কৰা বা মিলনৰ এটি লৌকিক ক্ৰিয়া কাণ্ডৰ বিমোহিত ৰূপৰ নামেই মিলন বা দেখা কৰা। সেয়ে এই মিলনপূৰ্বক উৎসৱেই উৰুচ। এই উৰুচক উদ্দেশ্য কৰিয়েই গৰুড়াচল পাহাৰৰ নামনিত এখন মেলা বহে। এই মেলাত মুছলমানলোকৰ বাহিৰেও হিন্দুসকলৰো সমাগম হয়। সাধাৰণতে মাঘৰ দোমাহীৰ পৰা আৰম্ভ হোৱা উৰুচ উৎসৱ একাদিক্ৰমে ফাগুন মাহলৈকে চলি থাকে। কিন্তু ৩০ মাঘত বিশেষভাৱে উদ্‌যাপন কৰা হয়।

হাজো অঞ্চলৰ পিতল শিল্প এটি লোকসংস্কৃতি অধ্যয়ন। হাজোৰ স্থানীয় মৰিয়াপট্টি অঞ্চললৈ গৈছিলো। বর্তমান এই মৰিয়া অঞ্চলটোত প্ৰায় ৩৪৫ ঘৰ মানুহে বসবাস কৰি আছে। তেওঁলোক আটাই কেইঘৰেই মুছলিম সম্প্ৰদায়ৰ মানুহ। এই অঞ্চলৰ প্ৰতিঘৰ মানুহে পিতল শিল্পৰ লগত জড়িত হৈ আছে।

হাজোৰ পিতল শিল্প অসমৰ গৌৰৱ। তদুপৰি মৃৎ শিল্প, জাল শিল্প, কাঠ শিল্প, কমাৰ শিল্প, স্বৰ্ণ শিল্প, বাঁহ-বেতৰ কাম, তাঁতশিল্প, ৰাজমিস্ত্ৰী আদি বিভিন্ন প্ৰকাৰৰ শিল্প সামগ্ৰী প্ৰাচুৰ্য্যৰ কথাও মন কৰিবলগীয়া।

হাজো পিতলৰ বাচনৰ কাম ভৰালীতোলাৰ কিছুমান হিন্দু আৰু মুছলিম পট্টীৰ মুছলমান মৰিয়াসকলে প্ৰধানতঃ এই কাম কৰে। তেওঁলোকে প্ৰস্তুত কৰা এই পিতলৰ বাচনসমূহৰ ভিতৰত কলহ, টো, খৰাহি, চৰিয়া, থালি, গছা, চাকি, শৰাই, দুলাৰি, জাপি, ঠগি, ধূপদানি, ঘূনাগানি, ফুলদানী, লোটা আদিয়ে প্ৰধান। তদুপৰি এই শিল্পীসকলে তেওঁলোকৰ শিল্পী সুলভ নিপুণতাৰ চানেকি দেখুৱাবলৈ সাজে চকুৰোৱা হৰিণ, জাপি, হাতী, ঘোঁৰা, ষাঁড়গৰু, ভাটো, ঈগল, সিংহ, ময়ুৰ, বাঘ আদি।

এই শিল্প হাজো অঞ্চলত অতীতৰ পৰা সম্ভৱতঃ আহোম ৰাজত্বৰ দিনৰ পৰা প্ৰচলন হৈ আহিছে। মৰিয়াপট্টিৰ পিতলৰ শিল্পীসকলে তেওঁলোকৰ কেঁচা সামগ্ৰী গুৱাহাটীৰ পৰা আনে। এই কেঁচা সামগ্ৰীসমূহ টিনপাত আকৃতিত থাকে। এই শিল্পত হাতুৰী, পায়েন, চাতুৰী, চেউন, শুৱাগা, কেঁচী, ফাইল আৰু নেয়াজী ইত্যাদি থাকে। এই শিল্পত ইন্ধন হিচাপে কয়লা ব্যৱহাৰ কৰে। এই শিল্পৰ লগত গোটেই কেইঘৰ মানুহে জড়িত হৈ আছে। মহিলাসকলেও এই শিল্পত প্ৰত্যক্ষভাৱে জড়িত হৈ তেওঁলোকৰ সামগ্ৰীসমূহ সাধাৰণতে সৰ্থেবাৰী, গুৱা বিজয়নগৰ আদি ঠাইত বিক্ৰী কৰে। ইয়াৰ উপৰিও স্থানীয় যেনে— ভঠেলী মেলা, মনসা মেলা, দুর্গা পূজাৰ মেলা ত বিক্ৰী কৰা দেখা যায়। বর্তমান পিতল শিল্পৰ আমাৰ মাজত কমিছে।

হাজো মৰিয়াপট্টি গাঁওখনৰ প্ৰাকৃতিক সৌন্দৰ্য মনোমোহা। এই লোকবোৰ বহু মৰমীয়াল আৰু ভাল। এই গাঁ জনবসতি ঘন। এই গাঁওখনৰ প্ৰায়ভাগ মানুহ দুখীয়া আৰু এই অঞ্চলৰ পিতল শিল্পটো অসম বিখ্যাত। অসমৰ বিভিন্ন এই বাচনবোৰে বিভিন্ন লোকে বিক্ৰী কৰিবলৈ লৈ যায়। বাচনবোৰ হাজো হয়গ্ৰীৱ মাধৱ মন্দিৰটোত যোগান ধৰা হয়। অঞ্চলটোৰ এই মুছলিমপট্টী গাঁওখনৰ মানুহবোৰৰ হিন্দু সম্প্ৰ মানুহবোৰৰ লগত বহু মিল আছে।

বর্তমান পিতল শিল্পৰ আদৰ সমাজত বেছি ভাল যদিও এই শিল্পটোৰ লগত গাঁওখনৰ গোটেই মানুহ জড়ি আছে, কিন্তু এই শিল্পটো বেছি সমাদৰ লাভ কৰিব পৰা বর্তমানেও এই শিল্পটোৰ অৱস্থা অতি শোচনীয়। আর্থিক ৰ ভাল নহয়।

শেষত ক'ব পাৰি যে, হাজোৰ এই মুছলি গাঁওখনলৈ গৈ খুবেই ভাল লাগিল। সেই শিল্পটোৰ লগত লোকসকলৰ শাৰিৰীক পৰিশ্ৰম, সেই শিল্পটোত ব্যৱহাৰ কেঁচামালসমূহ কিদৰে প্ৰয়োজন হয় সেই বিষয়ে আমি হ'লো আৰু এই শিল্পটোৰ লগত মহিলাবোৰে কিদৰে জড়ি থাকে, সেই কথাও আমি গম পালো। সেই অঞ্চললৈ গৈ বহুত উপকৃত হ'লো।

এই শিল্পটো যাতে অসম বা ভাৰতবর্ষৰ বিভিন্ন সমাদৰ লাভ কৰে তাৰ বাবে সকলোৱে বিভিন্ন ধৰণৰ হাতত ল'ব লাগিব। এই শিল্পটো কালৰ সোঁতত নিঃশেষ হৈ আৰু ভৱিষ্যত প্ৰজন্মই এইবোৰৰ বিষয়ে অধ্যয়ন বা সুযোগ-সুবিধা পায়।

◈ ◈ ◈

মাডাৰ টেৰেছা

জাহানুৰ আহমেদা
স্নাতক তৃতীয় ষান্মাসিক

পৰিচয় ঃ

প্ৰত্যেক মানুহৰ এগৰাকী মাতৃ থাকে। যিয়ে সন্তানক সকলো দুখৰ পৰা ৰক্ষা কৰে। ডাঙৰ-দীঘল কৰে, বেমাৰত শুশ্ৰূষা কৰে, মৰম কৰে, মনত ভয় সোমালে তেওঁ আমাক অভয় দিয়ে। ঠিক তেনেকুৱা দৃষ্টিৰে পৃথিৱীৰ এগৰাকী মাতৃ পালে যিগৰাকী মাতৃৰ মৰমৰ ছাঁয়াত থাকি মাতৃত্বৰ মৰম অনুভৱ কৰিব পাৰিছিল। অৱশ্যে এইগৰাকী মাতৃ তেওঁৰ মাতৃত্বৰ সীমা এটা পৰিয়াল বা এখন সমাজত আৱদ্ধ নাছিল, তেওঁৰ মৰমৰ হাতে সকলো বিশ্বকে আকোঁৱালি লৈছিল। তেওঁ মাতৃ সমস্ত বিশ্বৰ যাক কোৱা হয় 'মাডাৰ'। এইগৰাকী মাতৃয়ে সংসাৰৰ বাহিৰত থাকিও মাতৃৰ মৰমেৰে বিশ্বৰ গৃহহীন, দলিত, শিশু, আবাল বৃদ্ধক বুকুৰ মাজত সাৱটি লৈ মহান মাতৃত্বত পৰিণত হৈছিল। এনে দৃষ্টিৰে তেওঁ 'মাডাৰ বা মা' যাৰ নাম মাডাৰ টেৰেছা।

জন্ম ঃ

মাডাৰ টেৰেছাৰ যুগোশ্লা'ভিয়াৰ আদ্রিয়াটিক সাগৰৰ পাৰত স্কোপজে চহৰত ১৯১০ চনৰ ২৬ আগষ্ট তাৰিখে জন্ম হয়। সেই ঠাইৰ মানুহে তেওঁক মাতিছিল এগনেচ গনদজা বোৱদজিয়ু বুলি। তেওঁলোকৰ পৰিয়াল আছিল আলবেনিয়ান। তেওঁৰ পিতৃ হৈছে নিকোলা আৰু মাতৃ হৈছে দ্রনদা। নিকোলাই ডাক্তৰৰ সহকাৰী হিচাপে কাম কৰিছিল যদিও পাছলৈ এখন মুছৰ দোকানো দিব লগা হৈছিল।

সৰু অথচ সুখী পৰিয়ালটোৰ সুখ বেছিদিন স্থায়ী হ'বলৈ নাপালে। সুখৰ সংসাৰখন গছকি মৰমৰ দেউতাকে তেওঁলোকক এৰি পৃথিৱীৰ পৰা বিদায় ল'লে। দেউতাকৰ মৃত্যুৱে তেওঁলোকৰ সৰু পৰিয়ালটোলৈ অন্ধকাৰ নমাই আনিলে। যিটো সময়ত দেউতাকে তেওঁলোকক অকলশৰীয়া কৰি এৰি থৈ গৈছিল সেই সময়ত এগনেছৰ বয়স হৈছিল মাত্র সাত বছৰ। সাত বছৰীয়া এগনেছে বুজি পাইছিল সমস্ত পৰিৱেশৰ কথা। সেয়েহে তেওঁ দেউতাকৰ অবর্তমানত ভাগি নপৰি সকলো ক্ষেত্রতে মাকক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল, যাতে তেওঁলোকে জীয়াই থাকি কিবা এটা কৰিব পাৰে।

শৈশৱ আৰু শিক্ষা ঃ

স্কোপজেত মাডাৰ টেৰেছাই প্ৰাথমিক স্কুলৰ শিক্ষা লাভ কৰে। স্কুলত পঢ়া দিনৰে পৰা তেওঁ মেধা শক্তিৰ আছিল। সুখ্যাতিৰে প্ৰাথমিক শিক্ষা শেষ কৰি তেওঁ চাৰ্বয়ান উচ্চ বিদ্যালয়ত ভর্তি হৈছিল। সৰুতে তেওঁৰ প্ৰিয় বিষয় আছিল সংগীত, ভূগোল আৰু বুৰঞ্জী। তেওঁ সুন্দৰকৈ মেণ্ডেলিনো বজাব পাৰিছিল। তেওঁ সময়ে সময়ে গীর্জাৰ গায়ক দলৰ লগতো যোগদান কৰিছিল আৰু গান পৰিৱেশন কৰিছিল কনচার্টত। তেওঁৰ সৰুৰেপৰা অন্তৰত মানৱ সেৱাৰ ভাৱ এটা উদয় হৈছিল। তেওঁ বাঞ্ছা কৰিছিল সন্ন্যাসিনী আৰু মিছনেৰী জীৱন। এই আকাংক্ষা বাস্তৱত ৰূপ দিবলৈ তেওঁ স্থানীয় জেচুইট পাদ্রীসকলক লগ কৰে। কাৰণ এই জেচুইট পাদ্রীসকলে ভাৰতত থাকি মিছনাত কাম কৰিছিল। জেচুইট পাদ্রীসকলে তেওঁৰ আয়াৰলেণ্ডৰ ল'ৰেটো সন্ন্যাসিনীসকলৰ লগত যোগদান দিবলৈ পৰামর্শ দিলে। তেতিয়া তেওঁৰ বয়স মাত্র বাৰ বছৰ আছিল। এই বাৰ বছৰীয়া ছোৱালী গৰাকীয়ে যীশুৰ

বাণী বাহিৰত প্ৰচাৰ কৰিবলৈ ওলাল। ১৯২৮ চনত তেওঁ আমেৰিকাৰ ৰাজধানী ডাবলিনৰ ল'বেটো মঠত উপস্থিত হ'ল। মঠত তেওঁৰ নাম হ'ল টেৰেছা।

বিশ্বজনীন মাতৃ মাডাৰ ঃ

তেওঁৰ বিশেষত্ব পৃথিবীৰ ক্ষুধাতুৰ, ভোকাতুৰ, দুখীয়া, অসুখীয়া সকলো লোকেই তেওঁৰ মনত এক। সকলো মানুহেই ভগৱানৰ সন্তান। গতিকে তেওঁলোকক অৱহেলা কৰিব নালাগে। তেওঁলোকক সমাজৰ এজন হৈ জীয়াই থকা অধিকাৰ দিব লাগিব। সেই সকলক সেৱা কৰা উদ্দেশ্য আৰু লক্ষ্য তেওঁৰ আছিল যিসকলক কলিকতাৰে হওক নাইবা ভিয়েটনামৰে আঘাতপ্ৰাপ্ত লোকেই হওক নতুবা ছোমালিয়াৰ ভোকাতুৰ শিশুৰেই হওক তেওঁ ভাবা, ধৰ্ম, ধনী, দুখীয়া, উচ্চ-নীচ নিৰ্বিশেষে সকলোকে সেৱা কৰিছিল ভগৱানৰ আশীৰ্বাদ মুৰত লৈ।

তেওঁৰ হৃদয় সদায় কৰুণাৰে ভৰি আছিল। অলিয়ে গলিয়ে থকা সকলক তুলি আনি গা পা ধুৱাই আলয়ত আশ্ৰয় দিছিল। তেওঁ বেমাৰীৰ ওচৰত আঁঠু লৈ তেওঁলোকক মৰমেৰে পানী খুৱাই দিছিল। তেওঁ সদায়ে ভাবিছিল এই পৃথিবীত যেন কোনেও অনাদৰত মৰিব নালাগে। এবাৰ তেওঁ এগৰাকী মহিলাক মৃত্যু দুৱাৰডলিৰ পৰা উঠাই আনি আলয়ত চিকিৎসা কৰি তেওঁক জীয়াই তুলিবলৈ চেষ্টা কৰিছিল। কিন্তু কিছুসময়ৰ পিছত মহিলাগৰাকীয়ে অতি শান্তিৰে মাডাৰৰ বাহুত মুৰ থৈ মৃত্যুক আঁকোৱালি লৈছিল। মৃত মানুহ গৰাকীৰ ওঁঠত বৈ যোৱা পৰম শান্তিৰ হাঁহিটোৱে মাডাৰক উৎসাহ দিছিল যে কোনো মানুহ কুকুৰ-মেকুৰীৰ দৰে অনাদৰত মৰিব নালাগে। অন্ততঃ একো কৰিব নোৱাৰাজনকো শেষ যাত্ৰাত শান্তিৰে যাবলৈ দিব পাৰি। এই আশাৰে তেওঁ সেই সকলক বাটৰ পৰা তুলি লৈছিল। তেওঁ কৈছিল— "তোমালোক পৰমাত্মাৰ ওচৰলৈ যাবা গতিকে প্ৰসন্ন আৰু নম্ৰতাৰে যোৱা।"

মানুহৰ বাবে নিজৰ জীৱনত সকলো সুখ ত্যাগ কৰা মানুহগৰাকীয়ে মানুহৰ দুখ-দুৰ্গতিক নিজৰ বুলি গ্ৰহণ কৰি শান্তি লভিছিল। আৰু সৰ্বান্তকৰণেৰে সকলোৰে মাজত ঠিয় হৈ এগৰাকী বিশ্বমাতৃ ৰূপত অৱতীৰ্ণ হৈ পৃথিৱীত খ্যাতি ৰাখি থৈ গৈছে।

সন্মান আৰু পুৰস্কাৰ ঃ

মানৱতাৰ জয়গান গাই মানুহক ভালপোৱা মানুহগৰাকীয়ে মানৱ সেৱাৰ বাবে লাভ কৰিছিল অজস্ৰ পুৰস্কাৰ আৰু সন্মান। বিশ্বৰ আগশাৰীৰ বঁটাসমূহৰে তেওঁক সন্মান যাঁচি তেওঁক এগৰাকী অনন্য নাৰী হিচাপে পৰিচিত কৰা হৈছিল কামৰ যে সদায় স্বীকৃতি আছে সেই কথা মাডাৰে প্ৰমাণিত সন্মান-পুৰস্কাৰসমূহে প্ৰমাণ কৰে। তেওঁ মানৱ সেৱাৰপ্ৰতি লাভ কৰে ভাৰত চৰকাৰৰ পৰা। সেয়া ১৯৬২ চনৰকথা। ৰাষ্ট্ৰপতিয়ে তেওঁক ভাৰতৰ সৰ্বোচ্চ সন্মান 'ভাৰতৰত্ন' বিভূষিত কৰে। সেই একেটা বছৰতে তেওঁ লাভ কৰিলে 'নে বঁটা'।

১৯৭১ চন, এই চনতে তেওঁক শান্তিৰ বঁটা প্ৰদান কৰ সেই একেটা চনতে তেওঁ লাভ কৰিলে জন এফ আন্তঃৰাষ্ট্ৰীয় বঁটা। ১৯৭৯ চনত তেওঁক শান্তি নোবেল বঁ হৈছিল। নোবেল বঁটাৰ ধনৰ পৰিমাণ আছিল নব্বে হাজাৰ সিখিনি তেওঁ দুখীয়াসকলৰ কাৰণে খৰচ কৰিছিল। তেওঁ সৰ্বোত্তম সন্মান 'পদ্মশ্ৰী' উপাধিৰে সন্মানিত কৰা হৈছি

বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ কোনো আনুষ্ঠানি নাথাকিলেও তেওঁৰ কৰ্মই তেওঁলৈ কঢ়িয়াই আনিছিল ডক্টৰেট উপাধি।

পৃথিৱীৰ বিখ্যাত বিখ্যাত সন্মান তথা বঁটাসমূ পোৱা ধন তেওঁ দুখীয়াসকলৰ কামত ব্যৱহাৰ কৰি শান্তি তেওঁ কৈছিল যে এই ধন তেওঁলোকৰে, তেওঁলোকৰ

সামৰণি ঃ

পৃথিৱীৰ বুৰঞ্জীত যিসকল অসাধাৰণ লোকৰ মহানুভবতা উপলব্ধি কৰা যায় সেই সকলৰ ভিতৰত টেৰেছাও অন্যতম আছিল। তেওঁৰ বিভিন্ন মানৱীয় কাৰ্য্য এক আসাধাৰণ বিৰল ব্যক্তিত্বৰ অধিকাৰী মহিলা কৰি মানৱ সেৱাৰে বিশাল সাম্ৰাজ্য স্থাপন কৰা মাডাৰ গৰাকী আছিল প্ৰেম আৰু শান্তিৰ অস্ত্ৰ। যীশুৰ অমিয়া বাণী মাডাৰে ধৈর্য, সংযম আৰু সহিষ্ণুতাৰে মানুহৰ মাজত বীজ সিঁচিছিল। তেওঁ জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে পাৰ্থক্যৰ কথা বিচাৰ নকৰি সকলোৰে সেৱা কৰিছিল ধৰ্ম'— এই মন্ত্ৰৰে অনুপ্ৰাণিত হৈ যিসকলে তেওঁক সহায় আহিছিল, সেই সকলৰ বাবে তেওঁৰ মন্দিৰৰ দুৱাৰ খোলা

এনে এগৰাকী মাডাৰ আজি আমাৰ মাজত হ'লে মৃত্যু হয়, মাডাৰৰো মৃত্যু হ'ল আৰু মাডাৰক পৰা কাঢ়ি লৈ গ'ল। ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰত তেওঁ শৰীৰৰ অৱসান ঘটিল। আচলতে তেওঁৰ মৃত্যু হোৱা কৰ্মই তেওঁক অমৰ কৰিহে ৰাখিছে।

দৌল উৎসৱ

ধনশ্ৰী মেধি
তৃতীয় ষান্মাসিক

দৌল বা হোলী উৎসৱ হৈছে ঋতুকালীন ৰং আৰু আনন্দৰ উৎসৱ। এই দৌল উৎসৱক ভাৰতবৰ্ষৰ ভিন্ন জাতি-সম্প্ৰদায়ৰ হিন্দু ধৰ্মাৱলম্বী লোকে বিভিন্ন নামেৰে পালন কৰা দেখা যায়। এই উৎসৱক হোলী, ফাকুৱা, ফল্গু উৎসৱ, বসন্তোৎসৱ আৰু দেউল উৎসৱ আদি নামেৰে বিভিন্ন ৰাজ্যত পালন কৰা হয়। ওড়িশা, বিহাৰ, পশ্চিমবংগ আদিতো বিভিন্ন নামেৰে আনন্দৰ উৎসৱ পালন কৰা হয়।

ভাৰতীয় ধৰ্মীয় দৰ্শনত চৰিত্ৰৰ মাজেদি সাহিত্য সংস্কৃতিৰ বিকাশ সাধন কৰাৰ লগতে এক আধ্যাত্মিক ধৰ্মীয় কৃত্য সাধন কৰা হয়। সেইবাবেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে লিখিছিল এইদৰে—

"ৰংগে ফাল্গু খেলে চৈতন্য বনমালী
দুহাতে ফাল্গুৰ ফাগু সিঞ্চন্ত মুৰাৰী"

অৰ্থাৎ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নগাঁৱৰ ৰৰদোৱা ধামত শংকৰদেৱৰ একৈশ বছৰ বয়সত ৰৰদোৱা ধামত সাতখলপীয়া বৈকুণ্ঠৰ পাট কৰি লৈ বলোৱাম আতৈক ফাকুগুড়ি আনিবলৈ সৰুবাপুৰুষলৈ পঠাই দহ দিনৰ অন্তত সাতটা কড়িৰ বিনিময়ত সাত কলহ প্ৰাকৃতিক ফাকুগুড়ি আনিছিল।

তাৰ পাছত সন্ধ্যাৰা দলৈক পঞ্জিকাত দিন বাৰ চাই ফাগুন মাহৰ পূৰ্ণিমা তিথিত শুভ দিন চাই দৌল উৎসৱ পালন কৰিছিল।

দৌল উৎসৱত ভক্তসকলে ইজনে সিজনক ফাকু ৰং সানি ৰং-ধেমালি কৰিছিল।

তেতিয়াৰ পৰা ফাগুন মাহৰ শুক্লা পূৰ্ণিমাত এই দৌল উৎসৱ পালন কৰিছিল। এই দৌল উৎসৱত কৃষ্ণ সংস্কৃতিৰ ভক্তি ধৰ্মৰ বৰ্ণনাৰে পূজা-অৰ্চনা, সংযম আৰু আধ্যাত্মিক দৃষ্টিভংগীৰে স্বকীয় বৈশিষ্ট্য সানি এই দৌল উৎসৱ পালন কৰি আহিছে ভক্তসকলে। ই অতি প্ৰাচীন আৰু ধৰ্মীয় উৎসৱ। ফাগুন মাহত অনুষ্ঠিত হোৱা দৌল পাঁচদিনীয়াকৈ পালন কৰে। ইয়াক ডেকা দৌল আৰু চ'ত মাহত পালন কৰা দৌলক বুঢ়া দৌল বুলি কয়। চ'ত মাহৰ উৎসৱ তিনিদিনীয়াকৈ পালন কৰা হয়।

হোলী উৎসৱ উপলক্ষে গোৱা গীতবোৰত যথেষ্ট প্ৰাণৱন্ত আৰু উদ্দীপনাময় কৃষ্ণলীলাৰ সাৱলীল বৰ্ণনা থাকে। ই আধ্যাত্মিক চিন্তা-চেতনা প্ৰসূত এক ধৰ্মীয় পৱিত্ৰ উৎসৱ। প্ৰতিটো হোলী গীতৰ মূৰ্ছনাত মঞ্জুৰিত হৈ উঠে শ্ৰীকৃষ্ণৰ ফাকু খেলৰ কথা। ঈশ্বৰ কৃষ্ণৰ লীলা মাধুৰ্যৰ যেন ই এক পৰম প্ৰকাশ। সেয়েহে শংকৰদেৱৰ অনূদিত ভাগৱত গ্ৰন্থত পোৱা যায়—

"দন্ত চত্ৰ চামৰ ধৰিয়া ভক্তচয়
জয় জয় কৃষ বুলি ফাগু সিধয়।"

ইয়াৰ উপৰি হোলী গীতত পোৱা যায় এইদৰে—

"আহা সখী আহা বাইহঁত যাওঁ বৃন্দাবন
সবে মিলি ফাকু খেলো কৃষ্ণৰ সংগে।।"



ঐতিহাসিক স্থান

হাজো

মুচফিকা ত
তৃতীয় বা

অসমৰ কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত, গুৱাহাটীৰ পৰা প্ৰায় ২৪ কিঃমিঃ দূৰত্বত অৱস্থিত এখন ঠাই হৈছে হাজো। হাজোক হিন্দু আৰু মুছলিম ধৰ্মৰ এক প্ৰাচীন তীৰ্থস্থান বুলিও জনা যায়।

হাজো শব্দটো বড়ো শব্দ 'হাজো'ৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল 'পাহাৰ'। অৱশ্যে 'কালিকা পুৰাণ'ৰ মতে হাজোৰ পুৰণি নাম আছিল মণিকূট।

তীৰ্থনগৰী হাজো অসমৰ এক উল্লেখযোগ্য তীৰ্থস্থান। অতি গৌৰৱৰ কথা যে হাজোত পাঁচখন তীৰ্থস্থান আছে। যাৰ বাবে হাজোক পঞ্চতীৰ্থ বুলিও জনা যায়। পঞ্চতীৰ্থ কেইখনৰ নামবোৰ হ'ল— মণিকূট পাহাৰত অৱস্থিত হয়গ্ৰীৱ মাধৱ মন্দিৰ, মদনাচল পাহাৰত অৱস্থিত কেদাৰ মন্দিৰ, কেদাৰ মন্দিৰৰ কাষতে আছে কমলেশ্বৰ মন্দিৰ, কামেশ্বৰ মন্দিৰ আৰু গণেশ মন্দিৰ। হিন্দু ধৰ্মৰ পাঁচটা তীৰ্থস্থান বা পঞ্চতীৰ্থ হাজো পৰ্যটকৰ বাবে আ স্থান। আনহাতে মুছলমানসকলৰ পৱিত্ৰ তীৰ্থস্থান হাজোৰ গৰুড়াচল পাহাৰৰ শিখৰত অৱস্থিত। হিন্দু, মুছলম এনেধৰণৰ উপাসনাস্থলীৰ সহাৱস্থানৰ বাবে হাজোক সমন্ব বুলিও কোৱা হয়।

পঞ্চতীৰ্থৰ উপৰিও হাজো পিতল শিল্পৰ বাবেও কিন্তু দুখৰ বিষয় অতীতৰ পৰাই অসম বিখ্যাত হাজো শিল্পৰ পৰিচয় অসমতে সীমাৱদ্ধ হৈ থাকিল, অসমৰ চা পাৰ হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম আ নহ'ল। বৰ্তমান হাজোৰ পিতল শিল্পৰ অৱস্থা মৃতপ্ৰায় চৰকাৰ আৰু সচেতন ৰাইজৰ সহযোগে এই শিল্পটৈ উজ্জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰি

◈ ◈ ◈



মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে প্ৰস্তুত কৰি উলিওৱা ক্ষুদ্ৰ গৱেষণা পত্ৰৰ কিয়দাংশ

কার্বি জনগোষ্ঠীৰ লোক উৎসৱ ঃ এটি সমীক্ষাত্মক অধ্যয়ন

(ডিমৰীয়া অঞ্চলৰ ছকুৰিপাৰা গাঁওৰ বিশেষ উল্লেখসহ)

ৰবিতা কলিতা
স্নাতক চতুর্থ যান্মাসিক, অসমীয়া বিভাগ

গাৱঁবি জনগোষ্ঠীৰ উৎসৱ-পার্বণ ঃ

কাৱ্বিসকলৰ মাজত প্রচলিত উৎসৱ-পার্বণসমূহৰ ভিতৰত প্রধানকৈ চাৰিটা পূজা পালন কৰা হয়—

(ক) দেহাল পূজা
(খ) হাতী পূজা
(গ) মাল পূজা
(ঘ) দোমাহী কিকান

দেহাল পূজাটো প্রতিবছৰৰ ফাগুন মাহৰ প্রথম সপ্তাহৰ মঙ্গলবাৰে পালন কৰে। ইয়াৰ উপৰিও কার্বিসকলে বিভিন্ন পূজা-পাতল কৰা দেখা যায়—

চিন্থং আৰনামৰ পূজা ঃ ইংলং কেৰক বা হিমালয়ৰ দেৱতা চিন্থং। এই দেৱতাক শক্তিৰ সাৰণে পূজা কৰা হয়। বগা ডাক দিয়া মতা কুকুৰা, বগা পঠা ছাগলী এই পূজাত বলি দিয়া হয়।

পেং আৰনামৰ পূজা ঃ পেং গৃহৰ এইজন দেৱতালৈ বছৰেকত এটা ছাগলী বলি দিয়ানেৰে অর্পণ কৰা হয়। প্রতিবছৰে এবাৰ এই দেৱতাৰ পূজা কৰাটো বাঞ্ছনীয়। পূজাৰ সময়ত ছাগলীৰ শিং, কুকুৰাৰ পাখি বেৰত গুজি থ'ব লাগে।

হাকেতেৰ পূজা ঃ কৃষিজীৱি কার্বিসকলে অতীত গৈ খেতিৰ কাম আৰম্ভ কৰাৰ আগতে হেম্ফু, মুক্রাং আৰু ৰাছিন পূজা চড়ায় বতৰৰ দেৱী হাঙৈমুক আমন্ত্রণ জনায়। এই পূজা সর্বসাধাৰণ ৰাইজৰ হ'কে কার্বি ৰজা আৰু ৰাজপৰিয়াল বর্গইহে কৰে। ৰাজ পুৰোহিত কাথাৰবুৰাই পূজাৰ কামভাগ কৰে।

চ'জুন পূজা ঃ চ'জুন পূজা কার্বি সমাজৰ ধর্মীয় জীৱনৰ শ্রেষ্ঠ নিদর্শন বুলি ক'ব পৰা যায়। চ'জুন পূজাত পূজিত দেৱতাসকল 'স্বর্গৰ দেৱতা' বুলি বিশ্বাস কৰি অহাৰ বাবে এই পূজা 'স্বর্গ পূজা' নামেৰেও জনাজাত। এই পূজা সাধাৰণতে ঘৰুৱাভাৱে আয়োজন কৰা হয়। কোনো কোনো অঞ্চলত অৱশ্যে ৰাজহুৱাভাৱে কৰা দেখা যায়। যাক 'ৰেক আপির্থাৎ' বুলি কোৱা হয়। এই পূজা ৩-৪ বছৰৰ অন্তৰে অন্তৰে কৰা হয়। এই পূজাৰ মুখ্য দেৱতা হ'ল 'বাৰিথে' (ইন্দ্র), 'আৰপি' (ৰুদ্র) আৰু 'বীৰেন' (অগ্নি) আদি দেৱতাসকল।

জনশ্রুতিমতে 'লংলে কিৰিপ' নামে এজন বৰ চহকী কার্বি খেতিয়ক আছিল। লংলে কিৰিপৰ ভাল অৱস্থা সহ্য কৰিব পৰা নাছিল ছিনিং কিৰিপে। সেয়ে ছিনিংপই লংলেৰ পথাৰৰ পকা ধান খাবলৈ কিছুমান পোক পঠাই দিলে। বুধিয়ক লংলেই ইয়াৰ প্রতিকাৰ স্বৰূপে পোকবোৰ খাবলৈ কিছুমান শালিকা (কোনো কোনোৱে ফেঁচা বোলে) চৰাই খেতিত এৰি দিলে। দ্বিতীয়বাৰ ছিনিংপই সৰগৰ পৰা শিল-বৰষুণ পঠালে। এইবাৰো লংলেই খেতিত চালি সাজি দিলে। অৱশেষত হিংসাত উপায়হীন হৈ ছিনিংপই স্বর্গৰ পৰা মর্তলৈ নামি আহে। লংলেই তেতিয়া তৰোৱাল লৈ খেদি গ'ল কিন্তু ছিনিংপই লংলেৰ হাতৰ পৰা তৰোৱালখন কাঢ়ি লৈ নিজে গাহৰি ৰূপ লৈ তৰোৱালখন এটা দাঁতলৈ ৰূপান্তৰ কৰিলে। সেই গাহৰিক স্তুতি কৰা হ'ল আৰু সকলোৱে

মিলি বৰাহমেধ যজ্ঞ সমাপন কৰিলে। ইয়াকেই চ'জুনৰ বাবে অতি অপৰিহার্য। এই গাহৰিটো দুই তিনি বছৰৰ আগৰে পৰা ভগৱানৰ নামত উচৰ্গা কৰি থ'ব লাগে।

চ'জুন পূজা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। প্ৰথম দিনা এটা বা দুটা, দ্বিতীয় দিনা দুটা বা তিনিটা আৰু তৃতীয় দিনা তিনিটা বা চাৰিটা গাহৰি বলি দিয়া হয়। মুঠতে গৃহস্থৰ অপায়-অমঙ্গলৰ দূৰীকৰণৰ বাবেই চ'জুন পূজা অনুষ্ঠিত কৰা হয়।

কার্বিসকলৰ পূজা-পাতলবোৰত চাউল, পিঠাগুড়ি, তুলসী, ধূনা, কলপাত, হালধি, এঙাৰ, বটগছ, জৰীগছ, বাঁহৰ সৰু সৰু ডাল-পাত, বনৰীয়া গছ-লতা আদি সামগ্ৰীবোৰ ব্যৱহাৰ কৰা হয়। তুলসী আৰু ধূনা তেওঁলোকৰ বাবে অতি পৱিত্ৰ বস্তু।

কার্বিসকলৰ বিবাহ পদ্ধতি ঃ ছোৱালী এজনী ঘৰৰ বোৱাৰী কৰিবলৈ হ'লে কার্বি সামাজিক প্ৰথানুযায়ী তিনিবাৰ কন্যা পক্ষৰ ঘৰলৈ মাননী সহ দৰাপক্ষৰ পৰা যাব লাগে।

(১) দৰা ঘৰীয়াৰ গৃহিনীৰ লগত দুই বা তিনিজনী বিবাহিতা মহিলা লগত লৈ কন্যা ঘৰলৈ মদ এবটল লৈ আলহী স্বৰূপে উপস্থিত হৈ কন্যা ঘৰৰ গৃহিনীৰ সৈতে নানা বিষয়ত কথোপকথন ককাৰ ইচ্ছা কথা ব্যক্ত কৰে। এই প্ৰক্ৰিয়াক 'নেংপি নেংছ কাচিং কি' অর্থাৎ বিয়নী মেল বুলি কোৱা হয়।

(২) বিয়নী মেলত সন্মতিৰ ইঙ্গিত পোৱা পিছত এইবাৰ সঠিক উত্তৰ পাবলৈ প্ৰয়োজনীয় মাননী হৰবং লগত লৈ মোমাইৰ ঘৰত উপস্থিত হৈ পুনৰ কথা-বতৰা হয়। ইয়াক 'কেপাতিনি' (নিশ্চয়তা নির্ধাৰণ) বোলা হয়। তৃতীয়বাৰত হৰবং লৈ মোমাই ঘৰলৈ গৈ বিবাহৰ দিন-বাৰ নির্ধাৰণ কৰা হয়। এইদৰে যথাক্ৰমে তিনিটা দফা কাম সমাধান হোৱা পাছত এটা শুভ দিন নির্ধাৰণ কৰি কন্যা ঘৰলৈ দৰা পক্ষৰ লোক বিয়া বৰযাত্ৰী হৈ যায়। কন্যা ঘৰত ৰাতি মোমাই থকা নিয়মে হৰবং আৰু মদ অর্পণ কৰাৰ লগে লগে বিবাহ প্ৰক্ৰিয়া আৰম্ভ হয়। সমূহ ৰাইজৰ উপস্থিতিত দৰা-কইনা উভয় পক্ষৰ মাজত প্ৰশ্নোত্তৰ প্ৰদান কৰা পদ্ধতিত কথোপকথন হয়। এই পদ্ধতিৰ পাছত মোমাই পক্ষই তেওঁলোকক অর্পণ কৰা মাননী হৰবংটো হাতত লৈ ইষ্ট দেৱতা প্ৰমুখ্যে আন দেৱ-দেৱতাৰ আশীষ বিচাৰি কিছুমান শ্লোক মাতা হয়। বিয়াত দৰা-কইনা উভয় পক্ষৰ মাজত বিয়াগীতৰ যোগেদি পৰস্পৰ উদ্দেশ্য আৰু মতামতৰ বিনিময় কৰা হয়। বিয়াৰ দিনা ৰাতি সকলো নিয়ম যথাযথ সমাধা কৰি পিছৰ দিনাও কৰণীয় কামবোৰ শেষ কৰি যথা সময়ত কন্যাজনী লৈ দৰাঘৰত উপস্থিত হোৱা পাছত বিবাহৰ বিবাহ কার্য দ্বিতীয় পর্যায়ৰ নীতি-নিয়ম পালন কৰা হয়। কার্বি সমাজৰ অপৰিহার্য সন্মান হৈছে হৰবং (লাওপানী)। ইয়াৰ অবিহনে কার্বি সমাজৰ বিবাহ-সবাহ এখন সম্পন্ন হ'ব নোৱাৰে।

চ'মাংকান ঃ চ'মাংকান কার্বিসকলৰ জাতীয় উৎসৱ সদৃশ। শ্ৰাদ্ধ উপলক্ষে আয়োজিত ই এক পৰম্পৰাগত ধর্মীয় অনু পূর্ব জন্মৰ কর্মফলত বিশ্বাসী কার্বিসকলে মৃতকৰ উৎসৱ আ পূর্ণ ভাৱে পাতে। সময় সুবিধা সাপেক্ষে বসন্তকালত আয়ে কৰা নৃত্য-গীত প্ৰধান চ'মাংকানৰ ফলত মৃতকৰ আত্মাই মুক্তি চিৰশান্তি লাভ কৰে বুলি কার্বিসকলে বিশ্বাস কৰে।

চাৰিন আলুন গীতি ৰামায়ণ ঃ কার্বি সমাজত ৰামায়ণৰ গীত আলুন অতি প্ৰাচীন কালৰে পৰা মানুহৰ মুখে মুখে প্ৰচলি আহিছে। চাৰিন আলুনত ৰামায়ণৰ ঘটনাটোক চমুকৈ ৰূপ হৈছে। কার্বিসকলে নিজৰ সমাজ জীৱনৰ ৰহণ সনি আলুন'ত ৰাম-সীতাৰ যন্ত্ৰণা আৰু বেদনাদায়ক কাহিনী কার্বি লোকসকলক আকর্ষিত কৰিছিল।

কার্বিসকলৰ লোক উৎসৱ ঃ লোকসমাজত পুৰ পৰম্পৰাগতভাৱে চলি অহা সকলো ধৰণৰ ৰাংময় মৌখিক সাহিত্য ৰা ৰাচিক কলাৰ অন্তর্গত। চলি অহা লোককাহিনী, সাধুকথা, গীত, প্ৰৱচন, ফকৰা পটন্তৰ, সাঁথৰ, মন্ত্ৰ আদি এই ভাগ অন্তর্ভূক্ত।

সামাজিক লোকাচাৰ অধ্যয়নৰ ভিতৰত পৰে এক বুজন সংখ্যক লোকে অংশগ্ৰহণ কৰা লোক উৎসৱ সমা আদি। এনে উৎসৱ-অনুষ্ঠান আদি ধর্মীয় অথবা ধর্মনিৰপে ধৰণৰে হ'ব পাৰে। লোক ধর্ম, লোক ঔষধ আদিৰ অধ্যয়ন ভাগতে অন্তর্ভূক্ত। এনেধৰণে লোকসংস্কৃতিৰ পৰিধিলৈ লোৱা বিষয়ৰ বিস্তৃতি বিশাল লোককলা, লোক উৎসৱ, লোক সা লোক আহিলা, লোক পোছাক-পৰিচ্ছদ, লোক অর্থ লোকাচাৰ, লোকবিশ্বাস, লোক ঔষধ পাতি, লোকসভ লোকনৃত্য, লোক অভিনয়, লোক অংগী-ভংগী, লোকসাহিত্য (লোকগীতি, লোককাব্য, লোককাহিনী, পুৰাবৃত্ত, লোকোক্তি, প্ৰবাদ-প্ৰবচন, ফকৰা যোজনা, সাঁথৰ, ইত্যাদি। কার্বি সমাজতো বিভিন্ন লোক উৎসৱ আছে, যিবো কার্বি জনগোষ্ঠীক প্ৰবাহমানতা দান কৰিছে।

চ'মাংকান ঃ কার্বিসকলৰ চ'মাংকান অথবা মৃতকৰ শ্ৰাদ্ধৰ অ তেওঁলোকৰ জাতীয় উৎসৱ সদৃশ। পূর্বজন্মৰ কর্মফল বিশ্বাসী কার্বিসকলে মৃতকৰ শ সৎকাৰ আদর্শনীয়ৰূপে কৰে। মৃতকৰ কাহিনীক লৈ অভিজ্ঞ তিৰোতা অথবা ওছেপীয় ভাত-আঞ্জা চাৰ্হে গীত গায়। মৃতকৰ মৃত্যু উৎসৱ কার্বিসকলে মহা ধুমধা পাতে। সময়-সুবিধা অনুসৰি তেওঁলোকে এই উৎসৱ পাতে। বসন্ত কালতেই চ'মাংকান পতা দেখা যায়। চ'মাংকানৰ প্ৰ অর্থ হৈছে খাচীয়া নৃত্য। খাচীয়াসকলৰ ৰীতিৰে মৃতকৰ

অনুষ্ঠান নৃত্যসহ পালন কৰাৰ বাবেই হয়তো চ'মাংকান নাম হ'ল। গাৰো, লুচাই, মিজো, জয়ন্তীয়াসকলেও একেদৰে মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠান পাতে।

এই চ'মাংকান নৃত্য অথবা উৎসৱ আয়োজনৰ ফলত মৃতকৰ আত্মাই দুখ-ক্লেশৰ পৰা মুক্তি লাভ কৰি শান্তি পায় বুলি কার্বিসকলে বিশ্বাস কৰে। চ'মাংকানৰ প্ৰথম দিনটোক ৰ্ক-কেহুম বোলে। এই দিনটোত হাতত ঢাল-তৰোৱাল লৈ নৃত্য-গীত সহকাৰে মৃতকৰ অস্থি ধানখেৱেৰে সজা মৃতকৰ প্ৰতিকৃতিৰ ভিতৰত সযতনে থৈ দিয়ে। দ্বিতীয় দিনটোক কান্‌ছ অথবা সৰু নাচ, তৃতীয় দিনটোক কান্‌পি বা ৰৰনাচ বোলে। অন্তিম দিনা ৰানজাৰ কেকু অনুষ্ঠানৰ মাধ্যমেৰে মৃত ব্যক্তিগৰাকীৰ পার্থিৱ সংস্কাৰ কার্য শেষ কৰে। গোটেই কেইদিন ওছেপীৰ ভূমিকা গুৰুত্বপূর্ণ।

চ'মাংকানত ঢোল-পেঁপা, ঢাল-তৰোৱালৰ লগতে জাম্বিলী আথন লৈ দলে-বলে ৰাইজে যোগদান কৰে। এখন গাঁৱৰ লোকে আন গাঁৱৰ লোকসকলক মহা সমাৰোহেৰে আদৰে। গাভৰুৱে জিৰ ঈক আৰু ডেকাহঁতে ৰ'জাৰ মূৰত লৈ বৃত্তাকাৰে নাচ-গান কৰি আনন্দ প্ৰকাশ কৰে।

আচলতে এই চ'মাংকানৰ মাধ্যমেৰে কার্বি জাতিৰ ঐতিহ্য অথবা লোকসংস্কৃতিৰ প্ৰতিফলন সুন্দৰকৈ প্ৰকাশ পায় বুলি ক'ব পাৰি।

ৰংকেৰ পূজা ঃ গাঁওৰ খেতিয়কসকলে জুম খেতিত নমাৰ আগতে সমূহীয়াভাৱে ৰংকেৰ পূজাৰ আয়োজন কৰে। কোনো গাঁও বা অঞ্চলত যেতিয়া খৰাং বতৰ হয় আৰু যাৰ ফলত খেতিবাতি নষ্ট হৈ যায়, বেমাৰ-আজাৰ, অপায়-অমংগল আৰু দুর্ভিক্ষ আদিয়ে দেখা দিয়ে তেতিয়া সেই অঞ্চলৰ 'হাবে' (গাঁওবুঢ়া) জনৰ তত্ত্বাৱধানত সমূহীয়াভাৱে ৰংকেৰ পূজাৰ আয়োজন কৰা হয়।

সাধাৰণতে ৰংকেৰ দুই ধৰণৰ—

(ক) পির্দা ৰংকেৰ আৰু

(খ) ৰাতিৰ বা আজ' ৰংকেৰ।

কিন্তু অঞ্চলভেদে পৰিৱেশ পৰিস্থিতি অনুযায়ী কেবাধৰণৰো ৰংকেৰ, পির্দা ৰংকেৰ, আজ' ৰংকেৰ অনুষ্ঠিত কৰে। এই পূজাত হেম্ফু, মুক্ৰাং, ৰাছিনজা, ছনপি, ছাৰচং, থাপপি, থানক্রেহিনি, বামনক্রেহিনি, মাই নিবত, লংহে, লংলে, আহি ঈ আদি দেৱতাসকলক আৰাধনা কৰা হয়।

ৰংকেৰ পূজাৰ বিশেষত্ব ঃ

(ক) ৰংকেৰ পূজা ব্যক্তিগত পূজা নহয়, ই গাঁৱৰ মংগলার্থে কৰা সামূহিক পূজা।

(খ) এই পূজাত গৃহ দেৱতাৰো বেদী স্থাপন কৰা হয়।

(গ) তিৰোতাই অংশগ্ৰহণ কৰিব নোৱাৰে।

(ঘ) গাঁওখনক ৰোগ, ব্যাধি, মহামাৰীৰ পৰা ৰক্ষা কৰা, হিংস্ৰ জন্তুৰ আক্রমণৰ পৰা পৰিত্রাণ কৰে।

(ঙ) জুমতলীত কাম কৰোতে বিপদ-বিঘিনি নহ'বলৈ আৰু খেতিৰ শ্ৰীবৃদ্ধিৰ বাবে।

ৰফং ৰংকেৰ ঃ এই ৰংকেৰ এটা বৃহৎ অঞ্চলৰ মংগলৰ বাবে কৰা হয়। ই দুদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। পাঁচ বছৰৰ মুৰে মুৰে এই ৰংকেৰ পতা হয়। ইয়াত হেম্ফু, মুক্ৰাং, ৰাছিনজা, ৰং আলং, চিষ্ঠং আৰ নাম আদি দেৱতাসকলক আৰাধনা কৰা হয়। ৰফং ৰংকেৰৰ প্ৰথম দিনা দেংজা পুৰোহিতৰ প্ৰাধান্য থাকে। অতীজৰ কথা বাদ দি বর্তমানে এই পূজাত পঠা ছাগলী বলি দিয়া হয়।

দ্বিতীয় দিনা লাখি কেকুৰ পূজা কৰি 'মিনু' বা পূজাৰ ধান ভগাই দিয়া হয়। প্ৰত্যেকে এই ধান নিজৰ কঠীয়া ধানৰ লগত মিহলাই ৰাখে।

কার্বি দেহাল থান ঃ কার্বিসকলে মহাদেৱ বা শিৱক আৰাধনা কৰে। তেওঁলোকে আৰাধনা কৰিবলৈ উপাসনাৰ বাবে 'দেহাল থান'লৈ যায়। দেহাল থানৰ বটগছত বুঢ়া দেৱতাৰ জুমুখি ওলোমাই ৰাখে। এই থানত উপাসনা গৃহ থাকে। উপাসনা গৃহত মাটিৰে টিপ সাজি তাত মহাদেৱ নাইবা শিৱবাবা নাইবা জনজাতীয়সকলে কোৱাৰ দৰে বুঢ়া দেৱতাক উপাসনা কৰে। মুঠৰ ওপৰত কার্বিসকলৰ দেহাল থান হ'ল লোক দেৱতা শিৱক উপাসনা কৰা থান।

ভাৰতৰ পূৱ প্ৰান্তত, তাৰ পিছত অসম ভূমিত অতি প্ৰাচীন কালৰ পৰা আহিছে বিভিন্ন জাতি-জনজাতি, কালক্রমত বিভিন্ন জাতিৰ স্বকীয় আচাৰ-ব্যৱহাৰ আৰু সংস্কৃতিৰ ধাৰাসমূহ দ্রুতগতিত ৰূপান্তৰিত হৈ একত্রিত সমাজ আৰু কৃষ্টিত পৰিণত হয়। আৰু এই জাতি আৰু সৃষ্টিয়ে হ'ল বিভিন্ন জনগোষ্ঠীৰ সংমিশ্রণৰ সমন্বয় প্ৰক্রিয়াৰে সৃষ্টি হোৱা অসমীয়া জাতি আৰু সংস্কৃতি।

বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত কার্বি জনগোষ্ঠী অন্যতম। কার্বিসকলৰ সংস্কৃতিও অসমীয়া সংস্কৃতিৰ অংগস্বৰূপ।

পৰিশেষত কোৱা ভাল যে, বোঁৱতী সুঁতিৰ দৰে সময়ৰ প্ৰভাৱত কিছুমান সাংস্কৃতিক উপাদান হেৰাই যায়। আন বিভিন্ন জাতি-জনগোষ্ঠীৰ সান্নিধ্যত কিছুমান নতুন নতুন ৰাজনীতি, শিল্পৰ কলাৰ জন্ম হৈ সংস্কৃতি অধিক গতিশীল কৰি তোলে।

◈ ◈ ◈

কার্বি জনগোষ্ঠীৰ সাজ-পাৰ

এটি সমীক্ষাত্মক অধ্যয়ন

(ডিমৰীয়া অঞ্চলৰ ছকুৰিপাৰা গাঁওৰ বিশেষ উল্লেখসহ)

মঞ্জুৰী কলিতা
স্নাতক চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ



কার্বি জনগোষ্ঠীৰ সাজ-পাৰ ঃ

সাজ-পাৰ বা সাজ-পোছাক সভ্যতাৰ দান। অসমত বসবাস বিভিন্ন জনজাতিৰ ভিন্ন ৰঙৰ সাজ-পাৰে অসমখনৰ সৌন্দর্যক বৃদ্ধি তুলিছে। অসমৰ সকলো জনজাতিৰ সাজ-পোছাকৰ নিজস্ব বৈশিষ্ট্য আ লগতে তেওঁলোকে নিজ হাতেৰে বোৱা কাপোৰ-কানি তেওঁলো সমাজত দেখিবলৈ পোৱা যায়।

কার্বি জনজাতি লোকৰ সাজ-পোছাকৰ লগত অন্য জনজা বহুতো পার্থক্য দেখা যায়। কার্বি জনগোষ্ঠীৰ পুৰুষ আৰু মহিলাৰ বি ধৰণৰ সাজ-পাৰ আছে। সেই সাজ-পাৰৰ বিষয়ে তলত আলোচনা ক হ'ল।

পুৰুষৰ সাজ-পাৰ ঃ

কার্বি সমাজৰ পুৰুষৰ সাজ-পাৰবোৰ অতি মনোৰম। তেওঁলো প্রধান সাজ-পাৰসমূহ হৈছে—

চই ইক (চোলা) ঃ কার্বি পুৰুষবোৰৰ বহুতো ধৰণৰ চোলা আছে। ত ভিতৰত প্রধান হৈছে চই ইক। এই চই ইক (চোলা) ডেকাসকলে প কৰা দেখা যায়।

চই আং ঃ ই একপ্রকাৰৰ চোলা। ইয়াৰ ৰঙৰ বাবে এই কাপোৰযোৰ ব বয়সীয়া লোকে পৰিধান কৰে।

চাই হানময় ঃ চাই হানময় কার্বিসকলৰ আটাইতকৈ পুৰণি চোলা। ৰঙৰ সুতাৰে চাই হানময় তৈয়াৰ কৰা হয়। এই চোলাটো বিশেষকৈ গৃহ লৈ অর্পণ কৰা সময়ত পৰিধান কৰা দেখা যায়।

ৰিকং কৌপিন ঃ ৰিকং হৈছে কঁকালত মৰা এখন দীঘলীয়া কাপো এইডালৰ এটা মূৰ কঁকালৰ পৰা আঁঠুলৈকে ওলোমাই পিন্ধা হয়।

প'হ (পাগুৰি) ঃ প'হ নামৰ সাজ এবিধো পুৰুষৰ বৰ প্রিয়। এই প'হ পুৰুষৰ মনত অসমীয়া বিহুৱানখনৰ দৰে মৰমৰ। গামোচাখনৰ দুয়োফালে গছ, চৰাই, ফুল, পখিলা আদিৰ চানেকি থাকে।

সুৰেন দাস মহাবিদ্যালয়, হাজো

ছাতৰ (চুৰিয়া) ঃ ছাতৰ হৈছে পুৰুষসকলে ব্যৱহাৰ কৰা চুৰিয়া। এই 'ছাটৰ'খনো কার্বি পুৰুষৰ অতি সন্মানীয় আৰু মৰমৰ। এইখনে সকলো ডেকা-বুঢ়াৰ বাবে প্রযোজ্য।

জাম্বৰং (মোনা) ঃ জাম্বৰং বিভিন্ন প্রকাৰৰ ৰঙৰ পোৱা যায়। জাম্বৰং পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰা দেখা যায়।

কার্বি সমাজৰ পুৰুষসকলৰ সাজ-পাৰবোৰ অতি মনোমোহা। তেওঁলোকে কেইবা ধৰণৰ হাত কটা চোলা পৰিধান কৰে।

মহিলাৰ সাজ-পাৰ ঃ

কার্বি সমাজৰ পুৰুষসকলৰ দৰে মহিলাসকলৰ সাজ-পোছাকবোৰ দেখিবলৈ অপূর্ব। কার্বি মহিলাসকলে প্রধানকৈ ব্যৱহাৰ কৰা সাজ-পোছাকবোৰ হৈছে—

পিনি (মেখেলা) ঃ পিনি মানে মেখেলা। এই পিনি কেইবা প্রকাৰৰ পোৱা যায়। কার্বি তিৰোতাসকলে আঁঠুলৈকে পৰাকৈ কঁকালত পিন্ধা দেখা যায়।

পেককৰ প্রকাৰ ঃ পেকক মানে চাদৰ। কার্বি মহিলাই পেককো কেইবাধৰণে বোৱা দেখা যায়। যেনে—

পে জং এৎ ঃ হালধীয়া আৰু ৰঙা সুতাৰে দীঘ লৈ বগা সুতাৰে বাণি বোৱা হয়।

পে জাং ফং ঃ কমলা, ৰঙা দীঘ লৈ বগা সুতাৰে বাণিৰে পে জাং ফং বোৱা হয়। কম বয়সীয়া মহিলাসকলে বিশেষ উৎসৱ, পূজা, পার্বণত পৰিধান কৰে।

পেলৰু ঃ ৰঙা আৰু বগা সুতাত দীঘ আৰু বগা সুতাত বাণি লগোৱা হয়। কিছুমান বগা আৰু সেউজীয়া ৰঙৰ সুতাৰেও তৈয়াৰ কৰে। পেলৰু দেখিবলৈ পামৰ গছ এবিধৰ পাতৰ ৰঙৰ দৰে।

পে দুফিৰচ ঃ দুটা ৰঙৰ দীঘ আৰু দুটা বাণিৰে পে দুফিৰচ বোৱা হয়। ৰঙা আৰু কমলা ৰঙৰ চেক্ চেক্ ধৰণৰ চাদৰখন দুফিৰচ কোৱা হয়। গাভৰু ছোৱালীসকলে পৰিধান কৰে।

এনেদৰে মহিলাৰ সাজ-পাৰবোৰত অফুৰন্ত সৌন্দর্য দেখা পোৱা যায়।

কার্বি জনগোষ্ঠীৰ সাজ-পাৰৰ সৈতে অন্যান্য দিশ ঃ

কার্বি জনগোষ্ঠীৰ সাজ-পাৰৰ কিছুমান উল্লেখনীয় দিশ আছে। জনজাতিসকলৰ তিৰোতাসকলে সাধাৰণতে কাপোৰ বোৱাত পাৰ্গত। তেওঁলোকে প্রায়বোৰ কাপোৰ বৈ ল'ব জানে। কার্বি জনজাতিৰ সাজ-পোছাকসমূহৰ নিজা সাংস্কৃতিক বৈশিষ্ট্য আছে। এই সাজ-পাৰসমূহৰ লগত জড়িত কিছুমান অন্যান্য দিশ জড়িত হে আছে। তাৰে কিছুমান দিশ তলত আলোচনা কৰা হ'ল।

বয়ন পদ্ধতি ঃ

কার্বি বয়ন শিল্পৰ মাজেদি কার্বি নাৰীৰ কলা-কুশলতা আৰু সৌন্দর্যবোধৰ পৰিচয় পোৱা যায়। কার্বি লোকসকলে তাঁতশাল 'পে থেৰাং'খনৰ সা-সঁজুলিবোৰৰ যোগেদি প্রয়োজনীয় সাজ-পোছাকসমূহ তৈয়াৰ কৰি উলিয়ায়। অসমীয়া তাঁতশালৰ সঁজুলিৰ দৰে 'থেৰাং'ত প্রয়োজন হোৱা সা-সঁজুলিবোৰো বাঁহ আৰু বেতেৰে ঘৰতে প্রস্তুত কৰি লোৱা হয়। যেনে— 'ঠেপুন', 'ঠেলাংপং', 'ঠেহু', 'ঠেনিং', 'উৰেকছু', 'উৰেকপী', 'ইংথি', 'হাৰপি', 'হানঠাৰি', 'লাংপং', 'দাং', 'বাৰলিম' আদি।

এই বাঁহ-বেতৰ সঁজুলিৰ উপৰিও গছৰ পাত, ছাল, শিপা আদিৰ পৰা ৰং উলিয়াই কাপোৰত ৰঙীণ চানেকি তোলে।

সাজ-পাৰ পৰিধানৰ উল্লেখনীয় দিশ ঃ

কার্বিসকলৰ সাজ-পাৰৰ উল্লেখনীয় দিশ বুলিলে এটা কথা ক'ব পাৰি যে এই জনগোষ্ঠীৰ লোকসকলে সাজ-পাৰ প্রস্তুত কৰোতে গাঢ় ৰঙৰ সুতা ব্যৱহাৰ কৰে। যেনে— ক'লা, ৰঙা, নীলা আদি। ই চৌখিনতাৰ পৰিচায়ক।

সাজ-পাৰ আৰু অলংকাৰ ঃ

অসমৰ প্রত্যেকটো জনগোষ্ঠীৰে পৰম্পৰাগত সাজ-পোছাক আছে। কার্বি সকলো ইয়াৰ ব্যতিক্রম নহয়। তেওঁলোকৰো জাতীয় পৰম্পৰাগত সাজ-পাৰ আৰু আ-অলংকাৰ আছে। পুৰুষসকলে সাধাৰণতে 'চ'ই' (চোলা), 'ছাতৰ', 'ৰিকং', 'প'হ' আদি কাপোৰবোৰ পৰিধান কৰে। কার্বি সাজ-পোছাকবোৰত সৌন্দর্যপ্রিয়তা ফুটি উঠিছে।

কার্বি নাৰীসকলৰ মাজত 'মাৰ্বং হমক্রি আপিনী'ৰ আদৰ বেছি। কার্বি নাৰীয়ে পৰিধান কৰা অন্যান্য উল্লেখযোগ্য সাজ-পাৰ হ'ল— পে ছাৰপী, খন-জাৰী, পে ছেলেং, দুকফিৰ্ছু ইত্যাদি।

সাজ-পাৰৰ আদৰৰ দৰে কার্বি সমাজে অলংকাৰবোৰকো একেলগে প্রাধান্য দি আহিছে। প্রাচীন কালৰে পৰা একেলগে অলংকাৰসমূহৰ লগত ৰীতি-নীতি বান্ধি ৰখা হৈছে।

কার্বি মহিলাসকলক সাধাৰণতে সোণ পিন্ধিবলৈ অনুমতি দিয়া নাছিল। কেৱল পুৰুষেহে স্বর্ণ অলংকাৰ পিন্ধিব পাৰিছিল।

কার্বি মহিলাসকলে ডিঙিত পিন্ধা এবিধ বিশিষ্ট ৰূপৰ গহণা হৈছে লেক। ৰূপৰ মুদ্রা আৰু ৰংচঙীয়া মণিৰে লেক তৈয়াৰ কৰা হয়। আনহাতে, কার্বি পুৰুষসকলে সোণৰ লেক পৰিধান কৰে। পুৰুষে পৰিধান কৰা লেকৰ পৰম্পৰাগত নাম হৈছে লেকৰোৱে, লেকছ'বাই আৰু লেকমান্দুলি। মহিলাসকলে কাণত পিন্ধা গহণাক ন' থেংপি বুলি কোৱা হয়। কার্বি পুৰুষেও কাণত

অলংকাৰ পিন্ধে। পুৰুষে কাণত পিন্ধা সোণ বা ৰূপেৰে তৈয়াৰী অলংকাৰক ন'ৰিক বুলি কোৱা হয়।

কার্বিসকলে আঙুঠিক আৰুনান বুলি কয়। আন সম্প্রদায়ৰ মহিলাৰ দৰে কার্বি মহিলায়ো ব্রেচলেট পিন্ধে, ইয়াক বই বুলি কোৱা হয়।

কার্বি জনগোষ্ঠীয় সাহিত্যত সাজ-পাৰ ঃ

অতীজৰে পৰা কার্বি লোকসকলে নিজে তৈয়াৰ কৰি উলিওৱা কাপোৰ-কানি ব্যৱহাৰ কৰা দেখা যায়। আজিও সেই পৰম্পৰাতো বজাই ৰাখি আছে। তেওঁলোকৰ সাজ-পাৰো অন্য জনগোষ্ঠীসকলৰ সৈতে তুলনা কৰিব নোৱাৰি। কিয়নো কার্বি সাজ-পাৰ পৰিধান কৰা আৰু তৈয়াৰ কৰা ধাৰণাটো বহুত বেলেগ যেন দেখা যায়। এই সাজ-পাৰ তৈয়াৰ কৰাত কার্বি নাৰীসকলে বিশেষ ভূমিকা পালন কৰে। তেওঁলোকে নিজে তৈয়াৰ কৰি পিন্ধে আৰু ঘৰৰ অন্য মানুহৰ বাবেও তৈয়াৰ কৰি দিয়ে। কার্বি সমাজত সাজ-পাৰৰ অধিক গুৰুত্ব থকা দেখা যায়। কিয়নো বিয়া-বাৰু, চমাংকান আদি উৎসৱতো সাজ-পাৰৰ বিশেষ অবদান থাকে। তেওঁলোকে পুৰুষ-মহিলাৰ বাদেও আন আন বেলেগ ধৰণৰ কাপোৰ প্রস্তুত কৰিব জানে। যেনে— পেলু অর্থাৎ বিচনা চাদৰ, মহিলাসকলৰ 'পিনিকু' আৰু পুৰুষসকলৰ 'পেলু আমাৰ' আদি।

কার্বিসকলৰ সাজ-পোছাকবোৰ বিশ্বত জিলিকি উঠিছে। কার্বি পৰম্পৰাসমূহ জীয়াই ৰখাত ৰীতি-নীতি তথা প্রথাসমূহে সাহিত্যত যথেষ্ট ৰৱঙণি যোগাই আহিছে।

বর্তমান সময়ত কার্বি জনগোষ্ঠীৰ সাজ-পাৰৰ ক্ষেত্রত পৰিদৃষ্ট পৰিৱর্তন ঃ

বর্তমান সময়ত অকল কার্বি জনগোষ্ঠী বুলিয়ে নহয় মানুহৰ প্রত্যেক জাতি-জনগোষ্ঠীৰ সাজ-পাৰতেই পৰিৱর্তন পৰিলক্ষিত হৈছে। কার্বি জনগোষ্ঠীৰ মানুহখিনিৰ সাজ-পাৰৰ ক্ষেত্রতে হওঁক বা তেওঁলোকৰ উৎসৱ-অনুষ্ঠান বা তেওঁলোকৰ যি খাদ্য সম্ভাৰ সকলোতে পৰিৱর্তন পৰিলক্ষিত হৈছে।

কার্বি জনগোষ্ঠীৰ মানুহখিনিয়ে বিশেষকৈ মহিলাৰ ক্ষেত্রত ঘৰুৱা ক্ষেত্রত পিন্ধা সাজ-পাৰ আৰু উৎসৱ-অনুষ্ঠানত ব্যৱহৃত সাজ-পাৰৰ মাজত পার্থক্য আছে। কিন্তু বহু সময়ত দেখিবলৈ পোৱা গৈছে যে তেওঁলোকে শাৰী, মেখেলা-চাদৰ এইধৰণৰ সাজ-পাৰ পৰিধান কৰে। কিন্তু আগৰ সময়ত তেওঁলোকৰ ধৰা-বন্ধা নিয়ম আছিল যে ঘৰুৱা কাম-কাজত বা দৈনন্দিন ব্যৱহৃত সাজ-পাৰতকৈ উৎসৱ-অনুষ্ঠানত পৰিধান কৰা সাজ-পাৰ কিছু নির্ধাৰিত ধৰা-বন্ধা নিয়ম আছিল। কিন্তু বর্তমান সময়ত সেই পাৰৰ নিয়মো উঠি গৈছে। যুৱ প্রজন্মই পাশ্চাত্যৰ যি যেনে— জিন্স, টপ, কুর্তা আদি পৰিধান কৰা দেখা মহিলাসকলেও তেওঁলোকৰ পৰম্পৰাগত সাজ-পাৰৰ মেখেলা-চাদৰ, শাৰী, মেক্সি এইধৰণৰ সাজ-পাৰৰ কৰিব লোৱা দেখা গৈছে আৰু পুৰুষৰ সাজ-পাৰৰ আজিকালি পৰিবর্তন হোৱা দেখিবলৈ পোৱা যে জিন্স, কোট-পেন্ট বর্তমান সময়ত পৰিধান কৰা দেখা যায়।

গৱেষণীয় বিষয়ৰ সিদ্ধান্ত গ্রহণ ঃ

আমাৰ গৱেষণা পত্রখনত ইতিমধ্যে বিভিন্ন আলোচনা কৰা হৈছে আৰু এই আলোচনাৰ অন্তত কেইটামান সিদ্ধান্তত উপনীত হ'ব পাৰো—

(১) কার্বি জনগোষ্ঠীৰ সাজ-পাৰৰ নিজস্বতা জনগোষ্ঠী ভেদে ভেদে সাজ-পাৰবোৰো ভিন্ন বৈশিষ্ট্য ধৰণৰ সাজ-পাৰবে নিজা নিজা বৈশিষ্ট্য আছে। ভিন হয়। পোছাকযোৰ তাৰে ভিতৰত অন্যতম। কার্বিসকলৰ

(২) তেওঁলোকৰ বয়ন পদ্ধতিটো চকুত পৰিছে বেছিভাগ কাপোৰ নিজহাতে প্রস্তুত কৰে। আৰু কার্বি লোক বঙৰ চানেকিবে কাপোৰবোৰ তৈয়াৰ কৰে। তেতেওঁলোকে কলা, বঙা, নীলা আদি ৰংবোৰ ব্যৱহাৰ কৰা ওঁলোকে দেখা যায়।

(৩) কার্বি জনগোষ্ঠীৰ বিশেষকৈ মহিলাসকলে দৈনন্দিন সাজ-পাৰ আৰু উৎসৱ-অনুষ্ঠানত ব্যৱহৃত সাজ-পাৰৰ পার্থক্য আছে। তেওঁলোকে নির্দিষ্টভাৱে পৰিধান কৰিবেই লাগিব।

উপসংহাৰ ঃ

'কার্বি জনগোষ্ঠীৰ সাজ-পাৰ ঃ এটি সমীক্ষাত্মক অধ্যয়ন' এই গৱেষণীয় বিষয়টো সঁচাকৈ এটি তাৎপর্যপূর্ণ বিষয় আছে। বিষয়টোৰ আলোচনাৰ পৰা আমি দেখিবলৈ পালো যে কার্বি জনগোষ্ঠী এটা বৃহৎ জনগোষ্ঠী আৰু এই জনগোষ্ঠীটোৰ সাজ-পাৰ বা খাদ্য সম্ভাৰ বা অন্যান্য সকলোতে বিশেষ বিশেষ বৈশিষ্ট্য কিছুমান দেখিবলৈ পোৱা গৈছে। এই জনগোষ্ঠীটোৰ এক ঐতিহ্য আছে। সাজ-পাৰৰ ক্ষেত্রতো এই ঐতিহ্য পৰিলক্ষিত হৈছে। আমাৰ গোটেই আলোচনাটোত এই কথাবোৰ আলোচনা হৈছে।

◈ ◈ ◈

কার্বি জনগোষ্ঠীৰ সামাজিক লোকাচাৰ

(ডিমৰীয়া অঞ্চলৰ বিশেষ উল্লেখসহ)

এচমিৰাৰা বেগম
স্নাতক চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ

লোকাচাৰৰ ধাৰণা ঃ

সংস্কৃতি এক মিশ্রণ প্রক্রিয়া। এই প্রক্রিয়াৰ জৰিয়তে মানুহে জ্ঞান, বিশ্বাস, কলা, নীতি, আইন, আচাৰ-ব্যৱহাৰ আদি সকলো দিশ আহৰণ কৰে। লোক সংস্কৃতিৰ অন্যতম উপাদান লোকাচাৰসমূহ লোক সমাজত পৰম্পৰাগতভাৱে চলি আহিছে। এখন সমাজত বসবাস কৰা লোকসকলৰ সামাজিক জীৱনৰ পাৰস্পৰিক ক্রিয়াৰ সমষ্টিয়ে হ'ল লোকাচাৰ। সমাজত বসবাস কৰা লোকসকলে সমাজ তথা জাতিটোৰ সর্বাঙ্গীন মঙ্গল কামনাৰে প্রয়োজনীয় বুলি ভবা কাম-কাজসমূহকে আমি লোকাচাৰ আখ্যা দিওঁ। "ধর্মানুষ্ঠান, পূজা-পাতল, সাধু-উপন্যাস, পুৰাণ-কাহিনী, প্রকৃতিৰ ব্যাখ্যা, সামাজিক প্রথা, ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, আইন-কানুন, নৃত্য-নাট্য, অভিনয়, ক্রীড়া, কৌতুক পৰম্পৰা আদি লোক-সংস্কৃতিৰ সামগ্রিক দিশসমূহৰ বুকুতেই বিলীন হৈ আছে সামাজিক লোকাচাৰ বা লোক প্রথাসমূহ।"

'লোক' শব্দটোৰ বিষয়ে ভিন্নজনে ভিন্ন মত দিছে— ওয়াকিল আহমেদে 'লোক' শব্দৰ প্রসংগত এনেদৰে লিখিছে— "লোককাদেৰ বলবো? এর আভিধানিক অর্থ হ'ল People in General জনসাধাৰণ।"

নবীন চন্দ্র শর্মাই 'লোকাচাৰ' সম্পর্কে লিখিছে— "মানুহ যেতিয়াৰে পৰা আছে তেতিয়াৰে পৰা আচাৰ-অনুষ্ঠানসমূহৰ জন্ম, উদ্ভৱ আৰু বিকাশ হৈছে আৰু মানুহৰ অগ্রগতিৰ লগে লগে আচাৰ-অনুষ্ঠানবোৰো ৰূপান্তৰ-পৰিৱর্তন আদি ঘটিছে। ব্যক্তিগত বা পৰিয়ালগত আচাৰ-অনুষ্ঠানবোৰেই লাহে লাহে সামাজিক আচাৰ-অনুষ্ঠানৰ বহল পৰিধি লাভ কৰে। লোক সমাজত পৰম্পৰাগতভাৱে প্রচলিত অথবা সমাদৃত আচাৰ-অনুষ্ঠানেই পৰিমার্জনৰ জৰিয়তে শাস্ত্রীয় বা আনুষ্ঠানিক আচাৰ-অনুষ্ঠানলৈ

ৰূপান্তৰিত হয়। অৱশ্যে এইটোও সত্য যে অনেক আনুষ্ঠানিক বা পৰিশীলিত আচাৰ-অনুষ্ঠানো লোক জীৱনত প্ৰৱেশ কৰি লোক আচাৰ-অনুষ্ঠান স্বৰূপে পৰিগণিত হয়।"

মানুহৰ জন্মৰ পৰা মৃত্যুলৈ সমগ্ৰ জীৱনৰ বিভিন্ন ঘটনাৰ লগত লোকাচাৰসমূহ জড়িত হৈ আছে। পুৰুষানুক্ৰমে চলি অহা এই লোকাচাৰসমূহে মানুহৰ আচৰণৰ ভেটি সুদৃঢ় কৰে, সমাজৰ গাঁথনি আৰু শান্তি শৃংখলা বজাই ৰাখে আৰু মানুহক সমাজমুখী কৰি তোলে। মানৱ সভ্যতাৰ উত্তৰণৰ লগে লগে পৃথিৱীৰ প্ৰতিটো ধৰ্ম-বৰ্ণই তেওঁলোকৰ নিজস্ব সমাজ ব্যৱস্থা তথা নীতি উদ্ভাৱন কৰিবলৈ ধৰে। তেনেকৈয়ে প্ৰত্যেক জনগোষ্ঠীৰ তেনে ব্যৱস্থা নিজে গঢ় লৈ উঠে। প্ৰত্যেকজন মানুহেই জীৱনৰ অতি গুৰুত্বপূৰ্ণ কাৰ্যসমূহ পৰম্পৰাগত আৰু পৰিশীলিত কিছুমান ৰীতি-নীতিৰ মাজেৰে পালন কৰি আহিছে। ভৈয়ামৰ কাৰ্বি জনগোষ্ঠীৰ লোকসকলেও জীৱনৰ অনুসংগ হিচাপে জন্ম, মৃত্যু আৰু বিবাহ প্ৰভৃতি বিভিন্ন সামাজিক লোকাচাৰসমূহ পালন কৰি আহিছে।

লোকাচাৰে সামৰি লোৱা দিশসমূহ ঃ

মানুহৰ জন্মৰ পৰা মৃত্যুলৈ সমগ্ৰ জীৱনৰ বিভিন্ন ঘটনাৰ লগত লোকাচাৰসমূহ জড়িত হৈ আছে। পুৰুষানুক্ৰমে চলি অহা এই লোকাচাৰসমূহে মানুহৰ আচৰণৰ ভেটি সুদৃঢ় কৰে, সমাজৰ গাঁথনি আৰু আন্তঃশৃংখলা বজাই ৰাখে আৰু মানুহক সমাজমুখী কৰি তোলে। মানৱ সভ্যতাৰ উত্তৰণৰ লগে লগে পৃথিৱীৰ প্ৰতিটো ধৰ্ম-বৰ্ণই তেওঁলোকৰ নিজস্ব সমাজ ব্যৱস্থা তথা নীতি উদ্ভাৱন কৰিবলৈ ধৰে। তেনেকৈয়ে প্ৰত্যেকজন মানুহেই জীৱনৰ অতি গুৰুত্বপূৰ্ণ কাৰ্যসমূহ পৰম্পৰাগত আৰু পৰিশীলিত কিছুমান ৰীতি-নীতিৰ মাজেৰে পালন কৰি আহিছে। ভৈয়ামৰ কাৰ্বি গোষ্ঠীৰ লোকসকলেও জীৱনৰ অনুষংগ হিচাপে জন্ম, মৃত্যু আৰু বিবাহ প্ৰভৃতি বিভিন্ন সামাজিক লোকাচাৰসমূহ পালন কৰি আহিছে।

লোকাচাৰ হৈছে পৰম্পৰাগতভাৱে পালন কৰি অহা কিছুমান বিশেষ আচাৰ-নীতি আৰু ক্ৰিয়া-কলাপৰ সমষ্টি। পৰম্পৰাগত জীৱন প্ৰণালীৰ ওপৰত গঢ় লোৱা এনে সামাজিক লোকাচাৰবোৰে ব্যক্তিগত ক্ৰিয়া-কলাপতকৈ সামাজিক লোক আচৰণৰ ওপৰতহে গুৰুত্ব দিয়ে। ৰিচার্ড এম ডৰচনে সামাজিক লোকাচাৰক লোকবিদ্যাৰ এটা বিভাগ হিচাপে দেখুৱাইছে। তেওঁ পুনৰ লোকবিশ্বাস, আচাৰ-অনুষ্ঠান, বেজ-বেজালি, ক্ৰিয়া-কৰ্ম, উৎসৱ-অনুষ্ঠান আদিকে সামাজিক লোকাচাৰত অন্তৰ্ভূক্ত কৰিছে। নবীন চন্দ্ৰ শৰ্মাই সামাজিক লোকাচাৰক চাৰিটা ভাগত বি কৰিছে, সেইকেইটা হৈছে— উৎসৱ-অনুষ্ঠান, অৱসৰ বি আৰু খেল-ধেমালি, লোক ঔষধ আৰু লোক ধৰ্ম।

কাৰ্বি জনগোষ্ঠীৰ জন্ম সম্পৰ্কীয় লোকাচাৰ ঃ

অসমৰ কাৰ্বিসকল এক অন্যতম জনজাতি। কাৰ্বিসকলে নিজস্ব পৰম্পৰা ৰক্ষা কৰি বিভিন্ন আচাৰ-অ লোকবিশ্বাসসজনিত নীতি-নিয়মক পৰম্পৰাগতভাৱে পালন আহিছে। তেওঁলোকে পালন কৰি অহা বিভিন্ন আচাৰ-অ ভিতৰত জন্ম, মৃত্যু আৰু বিবাহৰ অনুষ্ঠানসমূহ উল্লেখযো

কাৰ্বি সমাজত কেঁচুৰা এটি ভূমিষ্ঠ হোৱাৰ লগে গাঁৱৰ বয়সস্থ তিৰোতাসকলে সমস্বৰে চিঞৰে 'নেবাক অৰ্থাৎ কুকুৰ, শিয়াল কোনো ব্যনপ্ৰাণী বা প্ৰকৃতিৰ দ্বাৰা কোনো অপঘাত যাতে সদ্য জন্মপ্ৰাপ্ত শিশুটিৰ ক্ষেত্ৰত নহয় সমাজত শিশু জন্ম হ'লেও পৰিয়ালটো অশুচি হোৱা বুজায় নোহোৱালৈ কোনোধৰণৰ উৎসৱ-অনুষ্ঠান আদিত তেওঁ অংশগ্ৰহণ নকৰে। শিশুৰ নাড়ী সৰাৰ সাতদিনৰ পাছত আংতাৰ' (ডাইনী, যখিনী নাশক) পূজা বা অপায়-অমংগল পূজা কৰি শিশুটিৰ মঙ্গল কামনা কৰা হয়। 'আনাড়ী কিৰত' কটা ছুৰা) কেঁচুৰাৰ নাড়ী সৰাৰ পিছত কাৰ্বিসকলৰ প্ৰথমতে দিন-বাৰ চাই হৰ (মদ) তৈয়াৰ কৰি প্ৰয়োজনীয় সামগ্ৰী যোগাৰ কৰে। কেঁচুৰা এটি ভূমিস্থ হোৱাৰ পিছত 'চাৰনুক' (চেঁচুৰ দ্বাৰা নাড়ী কটা পৰ্ব) নাড়ীডাল কটা হয়। ইয়াৰ ফলত ন কোনো ক্ষতি বা অসুবিধা নহয় বুলি তেওঁলোকৰ সমাজত পূ বা প্ৰচলিত ধাৰণা আছে। 'আপুন আংতাৰ' পূজা পদ্ধতি অ বাঁহৰ এক আঙুলি ডাঙৰ তঙালৰ পৰা পাতলকৈ বে এটা তৈয়াৰ কৰা হয় এক বৰ্গক্ষেত্ৰ আকাৰৰ। তাৰ পাছত মজি এচুঙা পানীৰে মচি-কাচি লৈ পিঠাগুড়িৰে বৰ্গ আকাৰে পূৰণ দি পাত্ৰটো বহুৱাই ওপৰত এযোৰা আগলি কলগাত দি সাঁ হাৰমল, কিহ কিফেক টেঙা, তিতা, মদ আদি সজাই লোৱাৰ পি পিঠাগুড়ি তিয়াই ওপৰত সিঁচি দিয়ে। কাঠাৰ বা পুৰোহিত ৰঙা মাইকী কুকুৰা এজনী পানী ছটিয়াই শুচি কৰি 'আতাম' (পাঠ কৰে।

'তে হেম হেম হেম
তে হেম হেম হেম
তে হেম হেম হেম

আপোন আচি, ই আংতাৰ আচি ই পুচি
নাড়ী কিৰত আফেক কিৰত
আবি কিজাৎ আফেক কিজাং
হেম চুৰা ৰেত চুৰা, ৰাংতিক চুৰা বিতিক চুৰা
দিন বাছি ছু বাছি তুন পাংঠিৰ দাং পাংঠিৰ
কাঠাৰ চিৰান যামু চিৰান
হানথৰ পাদ হাৰ মদল পাদ
কিহ পাদ কিফেক পাদচি
নাংচিকল আঠেয়ে নাংচিদল আঠেয়ে।'

এই নীতি-নিয়মখিনি অর্থাৎ পূজাখিনি সৰু অৱস্থাত নকৰিলেও মৃত্যুৰ আগমূহুর্তত হ'লেও ভৈয়ামৰ কাৰ্বিসকলে কৰিবলৈ বাধ্য হয়। তেওঁলোকে বিশ্বাস কৰে যে উক্ত পূজা নকৰাকৈ থাকিলে মৃত্যু ওচৰ নাচাপে আৰু লোকজনৰ নানা অমংগল হ'ব পাৰে। ডিমৰীয়াৰ কাৰ্বি সমাজত নতুনকৈ জন্ম হোৱা শিশুসকলৰ 'আমিনচি' বা 'কনটেং' চোৱা প্ৰচলিত হৈ আছে। 'আমিনচি' মানে 'পূৰ্বাত্মা'। সদ্য জন্মপ্ৰাপ্ত শিশুটি আগৰ জন্মত কোন আছিল, পৰিয়ালৰ আত্মীয় সদস্য আছিল নেকি এইবোৰ নির্ণয় কৰা প্ৰথাক 'আমিনচি' চোৱা বুলি কোৱা হয়। নিজৰ বংশৰ পৰিয়ালৰ অথবা আত্মীয়ৰ কোনো ব্যক্তিৰ আত্মাই নৱজাত শিশুৰ দেহত থিতাপি লৈ জনম লোৱা বুলি আৱহমান কালৰ পৰাই বিশ্বাস কৰি আহিছে। কোনো নৱজাত সন্তানে যদি মাতৃদুগ্ধ পান কৰিব নোখোজে, অনবৰতে শিশুটি কন্দা-কটা কৰি থাকে, অথবা শুই থকা, শুকাই ক্ষীণাই যোৱা আদি অস্বাভাৱিক লক্ষণ দেখা পালে 'আমিনচি' চোৱায়।

বর্তমান আধুনিক সভ্যতাৰ উন্নতিৰ শিখৰ পোৱাৰ সময়তো ডিমৰীয়া কাৰ্বি সমাজত 'আমিনচি' নির্ণয় কৰা প্ৰথা ব্যাহত হোৱা নাই। কাৰ্বিসকলে এই প্ৰথা বিভিন্ন কাৰণত সভ্যতা থকা বুলি মানি লয়। কাৰণ ধর্মীয় পৱিত্ৰ গ্ৰন্থসমূহতো পূৰ্বাত্মা পুনৰ জন্ম হয় বুলি উল্লেখ আছে। কাৰ্বিসকল পূৰ্ব জন্মত বিশ্বাসী। তেওঁলোকৰ বিশ্বাস যে সন্তান জন্মৰ জৰিয়তে নিজ বংশৰ পূৰ্বৰ কোনো মৃতলোক পৰিয়াললৈ ঘূৰি আহে। গতিকে শিশুসকলৰ নেমাৰ-আজাৰ আদি বিভিন্ন অস্বাভাৱিক কাৰণত ডিমৰীয়াৰ কাৰ্বিসকলে উক্ত লক্ষণসমূহ প্ৰতিকাৰৰ অর্থে 'আমিনচি' চোৱায়।

আন এক প্ৰক্ৰিয়াৰে কাৰ্বি সমাজত শিশুৰ নামকৰণ কৰা হয়। এই অনুষ্ঠানটোক 'অছ আমেনৰ কিৱি' (কেঁচুৰাৰ নামকৰণ) বোলে। সন্তান এটিয়ে গর্ভত স্থিতি লোৱা দিনৰে পৰা ভূমিস্থ হোৱালৈকে বা তাৰ পিছলৈকে সন্তানসম্ভৱা বা সন্তান জন্ম দিয়া মহিলাগৰাকীয়ে ভালেমান নিয়ম-নীতিৰ মাজেৰে চলিবলগীয়াত পৰে। শুচি হওঁতে কাঠাৰজনে আতাক (শ্লোক) মাতে—

'তে হেম হেম হেম
তে চুমিৰ প্লাং চুমিৰ ৰাংফ্রি
তে কেং চুৰাতাং ৰাংতিক চুৰাতাং
তে কাঠাৰ চিৰান মেলে চিৰান
চুৰে চিৰান ইংৰি চিৰান
লাবা আছ' লাবা আছ'
... তে লাবা আছ' লাবা আছ'।'

জান বা জুৰিৰ পাৰত শুচি হৈ অহাৰ পিছত চোতালৰ মাজত নাইবা সুবিধাজনক ঠাই এডোখৰ গোৰৰ-মাটিৰে মচি লৈ শুকান পিঠাগুড়ি ছটিয়াই এখিলা সৰু আগলি কলপাতেৰে ঢাকি ৰখা এটি মদৰ চুঙা আৰু বন-বাঁহৰ সৰু দীঘলীয়া চুঙাত 'ইংৰিছৰে' (কাঁইট জাতীয় উদ্ভিদ) আৰু পানী ভৰাই থয়।

এনেদৰে কাঠাৰজনে বিভিন্ন ধৰণৰ পূজা-পাতল কৰি কেঁচুৰাটোৰ নাম কেনেকুৱা হ'ব গৃহস্থক সোধে। যদি কেঁচুৰাটো পূৰ্বপুৰুষৰ কোনো এজন হৈ জন্ম লৈছে তেতিয়াহ'লে তাৰ নাম পূৰ্বপুৰুষৰ নামেৰেও থব পাৰে বা পূৰ্বপুৰুষৰ নামৰ প্ৰথম আখৰটোও থব পাৰে। আন নামেৰে নামকৰণ কৰিলেও বাধা নাই। নামটো থোৱাৰ পিছত কাঠাৰজনে কলপাতত থোৱা কুকুৰা চৰাইৰ তেজ অকণমান কুকুৰা পাখি এডালেৰে কেঁচুৰাটিৰ কপালত সানি দি পূৰ্বপুৰুষৰ নাম ধৰি বা প্ৰথম আখৰেৰে থোৱা নামটিৰে নাম ধৰি মাতে আৰু জিভাত অকণমান 'মদ' আৰু 'বীৰকিলুত'ত নিয়া চাউল পাচিৰ পৰা সিঁজোৱা ভাত অকণমান মুখত দিয়ে। এনেদৰে কাৰ্বি সমাজত শিশুৰ নামাকৰণ অনুষ্ঠানটোৰ সামৰণি পৰে।

কাৰ্বি জনগোষ্ঠীৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ ঃ

মানৱ সমাজৰ সমাজ ব্যৱস্থাত বিবাহ প্ৰথাৰ গুৰুত্ব অধিক। এই প্ৰথাৰ লগত সামাজিক ৰীতি-নীতি, ধর্মীয় পৰম্পৰা, বিবিধ লোকাচাৰ জড়িত হৈ আছে। ভৈয়ামৰ কাৰ্বিসকলেও নিজস্ব নীতি-নিয়মৰ মাজেৰে পৰম্পৰাগতভাৱে বিবাহ অনুষ্ঠিত কৰি আহিছে।

"বিবাহ মাথো ৰীতি-নীতি নহয়, ই মানৱ সমাজৰ ভেটি। এইবাবেই বিবাহক মানৱ সমাজৰ এটা স্থায়ী আকাৰ বুলি ক'ব পাৰি। বিবাহেই মানুহৰ জৈৱিক উদ্দেশ্যৰ আৰু মানুহৰ সামাজিক উদ্দেশ্যৰ সামঞ্জস্য স্থাপন কৰে।"

কার্বিসকলৰ বিবাহ পদ্ধতি বৈশিষ্ট্যপূর্ণ। কার্বি সমাজৰ লোকবিশ্বাস মতে কার্বিসকলৰ প্রথম বৈবাহিক অনুষ্ঠানৰ শুভাৰম্ভ হৈছিল হেম্ফুৰ ভনীয়েক ৰাছিংজা আৰু লংমুক্রাং দেৱতাৰ মাজত। এই বিবাহ পদ্ধতিক মুৰিৰংছ'পী অর্থাৎ মুৰিং নগৰবাসীয়ে গ্রহণ কৰিছিল। ৰেলংবি আৰু হাৰলংবি নামৰ প্রবাদ পুৰুষে মুৰিং নগৰবাসীৰ এই বিবাহ প্রথমবাৰৰ বাবে প্রত্যক্ষ কৰে আৰু তেওঁলোকৰ সন্তানৰ মাধ্যমেদি কার্বি সমাজত বিবাহৰ শুভাৰম্ভ হয়।

কার্বিসকলৰ বিবাহ প্রথা কুল বা গোত্রকেন্দ্রিক। একে উপাধি আৰু সম গোত্রীয়ৰ মাজত সম্পর্ক সদায় ভাই-ককাই বা বাই-ভনীৰ দৰে। তেওঁলোকে য'তেই নাথাকক তেওঁলোকৰ মাজত কেতিয়াও বিয়া হ'ব নোৱাৰে। কার্বি সমাজত একে ফৈদ বা গোত্রৰ মাজত বিবাহ নিষিদ্ধ আৰু বৈবাহিক সম্বন্ধ ঘটিলেও তাক অবৈধ বুলি নিষিদ্ধ কৰা হয়। তলত কুল বা গোত্রসমূহ উল্লেখ কৰা হ'ল, যিবোৰৰ মাজত কার্বি সমাজত বৈবাহিক সম্পর্ক নঘটে। কিবা কাৰণত দুর্ভাগ্যজনকভাৱে বিবাহ হ'লেও তেওঁলোকে সমাজৰ নীতি অনুযায়ী প্রায়শ্চিত্ত হ'বলগীয়া হয়।

ইংহি গোত্র ঃ ৰংহাং, ৰংপী, ৰংচন, ইংহি, বুংৰুং উপাধিধাৰী আৰু ইয়াৰে শাখাসমূহৰ মাজত বিয়া হ'ব নোৱাৰে।

ৰে গোত্র ঃ তেৰাং, ৰে, ক্রং, ইংজাল, ইংআৰ উপাধিধাৰী আৰু ইয়াৰ শাখাসমূহৰ মাজত বিবাহ নিষিদ্ধ।

ইংতি গোত্র ঃ ইংতি, হেনছেক, ইংলেং, বংজাং, টাৰো আদি উপাধিৰ মাজত হোৱা বিবাহ অবৈধ বুলি গণ্য কৰা হয়।

তেৰন গোত্র ঃ কংকাত, লাংনে, মেজি, মিলিক আদি উপাধিধাৰীৰ মাজত বিবাহ নহয়।

টুমুং (টিমুং) ঃ টিমুং, কেলেং (কিলিং), ফাংছো উপাধিধাৰীৰ মাজত বিবাহ সম্বন্ধ নঘটে।

কার্বিসকল পিতৃপ্রধান। ল'ৰাই আনৰ ছোৱালী বিয়া কৰাই নিজৰ পিতৃগৃহলৈ অনাৰ নিয়ম অতীতৰ পৰা চলি আহিছে। কিন্তু অনিবার্য কাৰণবশতঃ দুই এজন কার্বি ল'ৰাই ঘৰজোঁৱাই (গভীয়া) হোৱা প্রথাকো বাধা আৰোপ কৰা নাই। ল'ৰাই পৈতৃক সম্পত্তিৰ উত্তৰাধিকাৰী হ'লেও সম্পত্তিধাৰী লোকে বিয়া দিয়াৰ পিছতো নিজ কন্যাক মৰমতে সম্পত্তিৰ কিছু অংশ দিব পাৰে। এইক্ষেত্রত কার্বি সমাজে কোনো হস্তক্ষেপ কৰা নাই। কিন্তু কার্বি সমাজত বিবাহক কেন্দ্র কৰি 'যৌতুক' প্রথাৰ প্রচলন অতীতৰ পৰাই নাই।

কার্বি সমাজত বিবাহৰ ক্ষেত্রত মোমায়েকৰ গুৰুত্বপূর্ণ। মোমায়েকৰ ছোৱালী বিয়া কৰাৰ পৰাটো ৰ ভনীয়েকৰ পুতেকলৈ নিজৰ ছোৱালী বিয়া দিব পৰাটো সমাজত গৌৰৱৰ কথা। অকল গৌৰৱৰ কথাই নহয়, ইয়াক কর্ম বুলিও অতীজৰে পৰা মানি আহিছে। সামাজিক ফাল এই বিবাহেই উত্তম বিবাহ। কার্বি সমাজত "হনজেংকে মোমায়েকৰ ছোৱালী হোৱাৰ পিছত অভিভাৱকে গৈ ছো হাতত সূতা বান্ধি হ'বলগীয়া "বোৰাৰী" কৰাৰ প্রতিশ্রুতি দি পৰম্পৰা আছিল। বর্তমান এই পৰম্পৰা প্রায় লুপ্ত হোৱা যায়। অৱশ্যে মোমায়েকৰ কন্যা সন্তান না থাকিলে অথৱা নিমিলিলে নিজ ফৈদৰ বাহিৰে আন ফৈদৰ ছোৱালী বিবাহ পাৰে। ইয়াতো মামাকে আগভাগ লৈ ভাগিনৰ বাবে ছো চাই দিবলগীয়া হয়।

বিবাহৰ পিছত পত্নীয়ে স্বামীৰ উপাধি গ্রহণ নকৰে। সন্তানে পিতৃৰ উপাধি গ্রহণ কৰে। কার্বি সমাজত বিধৰা বি প্রচলন আছে কিন্তু এই বিবাহত আৱদ্ধ মানুহজন বিধৱাগৰ মৃত স্বামীৰ গোষ্ঠীৰ হ'ব লাগিব। সেইদৰে স্বামী–স্ত্রীৰ মাজত বিচ্ছেদ হ'লেও ইচ্ছানুসৰি দুয়োগৰাকীয়ে পুনৰ নতুনকৈ সৈতে বৈবাহিক সম্পর্ক স্থাপন কৰিব পাৰে। তেনে বিবাহত স্বামীৰ গোষ্ঠীৰ সৈতে একে নহ'লেও সমাজৰ বাবে দোষ নহয়।

কার্বি সমাজত বিবাহ পদ্ধতি বেদবিহীত নহয়। যজ্ঞও কৰা নহয়। তেওঁলোকৰ নিজস্ব সামাজিক নীতি-নি দ্বাৰাহে বিবাহ সম্পন্ন হয়। তথাপিও আধুনিকতাৰ প্রভাৱত পদ্ধতিৰ মাজত কিছুক্ষেত্রত তাৰতম্য ঘটা বুলি ক'ব পাৰি।

কার্বিসকলৰ মাজত প্রধানকৈ তিনিপ্রকাৰৰ বিবাহ পদ্ধ প্রচলিত হৈ আছে— হৱহাক (বৰ বিয়া), বোকাবুম (মজলী বিধৱ বিয়া) আৰু হেম দেখা ৰংবংলুকা (পিতৃ-মাতৃ হীন গৃহস্থই কিন্তু সমাজে নজনা)।

এই তিনিপ্রকাৰৰ বিবাহৰ উপৰিও সমাজত কেতিয় নুহুহৰহাক বা মোমায়েকৰ ঘৰত পতা বিয়া আৰু ৰাচোংথো পলুৱাই নিয়া বিয়াৰো প্রচলন আছে। গতিকে চাবলৈ গ'লে ভৈয়া কার্বি সমাজৰ মাজত পাঁচ প্রকাৰৰ বিবাহৰ প্রচলন আছে।

এনেদৰে দেখা যায় যে ডিমৰীয়া অঞ্চলৰ তেওঁলোকৰ জনজাতিসকলৰ মাজত পৰম্পৰাগত বিভিন্ন লোকাচাৰ

নীতি-নিয়মৰ মাজেৰে বিবাহ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানবোৰে কার্বিসকলৰ জীৱনৰ এটি সুৰীয়া পৰম্পৰাৰ বাতৰি দিয়ে।

কার্বি জনগোষ্ঠীৰ মৃত্যু সম্পর্কীয় লোকাচাৰ ঃ

জন্মিলে মৰিব লাগে পৃথিৱীৰ সেয়া চিৰন্তন নীতি। মানৰ সভ্যতাই যিদিনাৰ পৰাই গঢ় ল'ৰলৈ আৰম্ভ কৰিছিল সিদিনাৰ পৰাই সমাজত সংস্কৃতিয়েও গজালি মেলিলে। সমাজ ব্যৱস্থাৰ মাজেৰে সংস্কৃতিও আগবাঢ়িল। তেনে এটি সামাজিক বৈচিত্রতাৰ মাজেৰে কার্বি সমাজো আগবাঢ়ি গ'ল। কেঁচুৱা জন্মৰ আগে পিছে বা বিবাহ উৎসৱৰ নিয়ম-নীতিবোৰ যেনেদৰে পালন কৰি আহিছে, তেনেদৰে মৃত্যু সম্পর্কীয় নীতি-নিয়মখিনিও পালন কৰি আহিছে।

ডিমৰীয়া অঞ্চলত ভৈয়ামৰ কার্বিসকলে পালন কৰা অনুষ্ঠানৰ ভিতৰত এটি অন্যতম অনুষ্ঠান হ'ল "কিথিকার্হি" (মৃত ব্যক্তিৰ শ্রদ্ধাঞ্জলি অনুষ্ঠান)। "চমাংকান" পার্বত্য অঞ্চলত বিশেষতৈ কার্বি আংলঙত বসবাস কৰা কার্বি জনগোষ্ঠীৰ এটি উল্লেখযোগ্য উৎসৱ।

যদিও 'চমাংকান' পাহাৰত বসবাস কৰা কার্বি জনগোষ্ঠীৰ এটি উল্লেখযোগ্য উৎসৱ কিন্তু ভৈয়ামত বাস কৰা ডিমৰীয়া অঞ্চলৰ কার্বিসকলে 'চমাংকান' নাপাতে। তাৰ সলনি তেওঁলোকে 'কিথিকার্হি' (মৃতকৰ শ সৎকাৰ অনুষ্ঠান) পাতে। 'চমাংকান' উৎসৱৰ সমান জাক-জমকতা বা উলহ-মালহ ইয়াত পৰিলক্ষিত নহ'লেও নিজস্ব ধর্মীয় নিয়ম-নীতি পালিত হোৱা দেখা যায়।

ভৈয়ামৰ কার্বিসকলে মৃতকৰ সৎকাৰ বা অন্ত্যেষ্টিক্রিয়া দুই প্রকাৰে সম্পন্ন কৰে। শৱদাহ আৰু সমাধি। অতীজৰে পৰা কার্বিসকলে মৃতকৰ অন্ত্যেষ্টিক্রিয়া জুইত দাহ কৰি সম্পন্ন কৰে কিন্তু কেতিয়াবা কম বয়সীয়া নাইবা কোনো শিশুৰ মৃত্যু হ'লে সমাধিৰে সৎকাৰ কৰা হয়। ব্যক্তি এজনৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে গাঁৱৰ ৰাইজে চাউল, মদ, কণী, তামোল-পাণ, ধূপ, ফুল আদি লৈ মৃতকৰ ঘৰত উপস্থিত হয় আৰু বিহিত কৰণীয় কাম যেনে— শ্মশানত চিতা সজোৱা, মৃত ব্যক্তিজনক শ্মশানলৈ নিয়াৰ বা শ-চাণ্ডি (চন্দল)খন সজোৱা কামত আগভাগ লয়।

মৃত ব্যক্তিজনক গা ধুৱাই নতুন বস্ত্রৰে ৰৱঘৰৰ মুধচৰ খুঁটাৰ ওৰি (নুমপে আৰি)ত পূৱা-পশ্চিমা (নিক্লান নিতু) বা উত্তৰা-দক্ষিণা (নিচুৎ পিতেং) পোনে পোনে শুৱাই ৰাখে। মৃতকৰ মুৰ শিতান আৰু ভৰি পথানৰ দুয়োকাষত ধূপ-ধূনা জ্বলাই সুগন্ধি কৰি ৰখা হয়। মৃত ব্যক্তিজনক শ্মশানলৈ নিয়াৰ আগতে তেওঁলোকক খাদ্য অর্পণ কৰা নিয়ম ভৈয়ামৰ কার্বি সমাজত প্রচলন হৈ আছে। উক্ত খাদ্যৰ বাবে চাউল, কণী আৰু কুকুৰাৰ (সৰু) মাংসৰে তেল, নিমখ আৰু কোনো মছলা নিদিয়াকৈ এক সিদ্ধ আহাৰ তৈয়াৰ কৰা হয়। মৃত ব্যক্তিজনক ৰৱঘৰতে খাদ্য অর্পণ কৰা হয়। খাদ্য প্রস্তুত হোৱাৰ লগে লগে এটা বাচনত খাদ্যখিনি ৰাখে। সেই সময়ত আগলি কলপাত এখন কাষতে থৈ দিয়ে। পৰিয়ালৰ লোকে এজন এজনকৈ নিজৰ বাওঁহাতেৰে লোৱা খাদ্যখিনি মৃতকৰ মুখত লগাই দি আগলি কলপাতখনত ৰাখে। ইয়াক কার্বিসকলে 'কিথি আন কিবাক' বোলে। এই নিয়মটো 'চমাংকান' উৎসৱতো দেখা যায়। সেইদৰে চুঙাত ৰঙা পানী, মদ আৰু তামোল-পাণ দি মৃতকক সেৱা জনায়। তেতিয়া কাঠাৰে এনেদৰে শ্লোক ফাঁকি গাই খাদ্য অর্পণ কৰে।

'তে নাং অমুক প' — নাং তামুকী পে (মৃতকৰ নাম কাঢ়ি)
নাং প্লেল দাম' — ইং হয় দাম'
নাং মিনি পাৰাকে
আর্ণাম চিপ্লাঙ' — আর্ণি চিপ্লাঙ'
লাছি, হালিকে
খেতি পাদছি — আম' পাদ'ছি
ভোগ তুন্‌ছি — পিয়া তুনছি
ভাগিদ' — যুগি দ'
ৰংবংদ' — ৰংথে দ'
গত দ' — গিয়াতি দ'।'

কার্বি সমাজত কোনো লোকৰ মৃত্যু হ'লে ওচৰ-চুবুৰীয়া, জ্ঞাতি-কুটুম্বৰ লগতে গাঁৱৰ সকলোকে খবৰ দিয়া হয়। তেওঁলোকে মৃতকৰ ঘৰলৈ আহোঁতে লগত চাউল, তামোল-পাণ, মদ আৰু কণী এটা লৈ অহাটো নিয়ম। তাৰ পাছত তেওঁলোকৰ পৰম্পৰাগত নিয়মৰ মাজেৰে মৃতকক শ্মশানত দাহন কৰে। এই কার্য সম্পন্ন হোৱাৰ পিছত শ্মশানলৈ যোৱা সকলোৱে নদী, পুখুৰী আদি গা ধুই জুইৰ শিখা পাৰ হ'ব লাগে আৰু ঘৰলৈ আহি চাউল, তুলসী পাত আদি মিশ্রিত পানী ছটিয়াব লাগে। যেতিয়ালৈকে দহা অথবা শ্রাদ্ধ পতা নহয় তেতিয়ালৈকে পৰিয়াল তথা বংশৰ লোকে নিৰামিষ আহাৰ আৰু তেলত নভজা আহাৰহে গ্রহণ কৰাৰ নিয়ম। ডিমৰীয়া অঞ্চলৰ কার্বিসকলে দহ দিনত বা কোনো কোনোৱে সাত বা আঠ দিনত দহা আৰু পিছত শ্রাদ্ধ অনুষ্ঠিত কৰে। অৱশ্যে আর্থিকভাৱে দুর্বল লোকসকলে দহা আৰু শ্রাদ্ধ

একেদিনাই অনুষ্ঠিত কৰাও পৰিলক্ষিত হয়।

সম্প্রতি কার্বি জনগোষ্ঠীৰ সামাজিক লোকাচাৰবোৰৰ অহা পৰিৱর্তনৰ বিভিন্ন দিশসমূহ ঃ

জন্ম সম্পর্কীয় লোকাচাৰৰ পৰিৱর্তন ঃ

প্রাচীন কালত পুত্র সন্তান লাভ কৰাৰ বাবে প্রবল আকাংক্ষা আৰু তেনে আকাংক্ষা পূৰণার্থে বিভিন্ন লোকাচাৰ আৰু প্রতীকধর্মী অনুষ্ঠানৰ প্রচলন আছিল। বর্তমান নাৰী আৰু পুৰুষৰ সমধিকাৰৰ মূল্যবোধ প্রতিষ্ঠা হৈ অহাৰ লগে লগে সি ক্রমান্বয়ে লোপ পাবলৈ ধৰিছে। অৱশ্যে কার্বি সমাজত ছোৱালী সন্তানৰ জন্মক লৈ কোনোদিনে পক্ষপাতিত্বৰ ভাৱধাৰা সোমোৱা নাই। ৰঞ্চ বর্তমানৰ শিক্ষিত এচামে ছোৱালী সন্তানক লৈ গৌৰৱবোধ কৰাহে পৰিলক্ষিত হয়।

আগৰ দিনত গর্ভধাৰণ কৰিলে বোৱাৰী এগৰাকীয়ে সামাজিক তথা যৌথ পৰিয়ালৰ কটকটীয়া বান্ধোনৰ মাজত নিয়ম-নীতিসমূহ পালন কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া নগৰ, চহৰ, গাঁও সকলোতে গর্ভৱতীগৰাকী প্রথমে স্বাস্থ্যকেন্দ্রলৈ গৈ পৰামর্শ গ্রহণ কৰে।

কার্বি সমাজত প্রসৱকালীন বিষ-বেদনা, নাড়ী কটা, উৰুলি দিয়া আদি নিয়মবোৰ নোহোৱা হৈছে। প্রসৱত কষ্ট পালে অস্ত্রোপচাৰৰ দ্বাৰা কেঁচুৱাৰ জন্ম দিয়াটো এতিয়া সাধাৰণ ঘটনাত পৰিণত হৈছে। কোনো কোনো অভিভাৱকে অস্ত্রোপচাৰৰ বাবে আগতীয়াকৈ দিন-সময় আদি জ্যোতিষীৰ তাত গৈ ঠিক কৰি অনাও দেখা যায়।

গতিকে নামকৰণৰ লগতে বিভিন্ন অন্ধবিশ্বাসৰ পৰা বর্তমান সময়ৰ লোকসকলে দূৰত থকা হৈছে। আজিকালি নামকৰণৰ ক্ষেত্রত পঞ্জিকাৰ সহায় লয়।

মুঠৰ ওপৰত শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ উন্নতিয়ে কার্বি জনগোষ্ঠীৰ জন্ম সম্পর্কীয় লোকাচাৰসমূহত ভালেমান পৰিৱর্তন ঘটাবলৈ সক্ষম হৈছে।

মৃত্যু সম্পর্কীয় লোকাচাৰৰ পৰিৱর্তন ঃ

মৃতদেহ দাহ কৰা নিয়মটো আর্য হিন্দুসকলৰ নিয়ম আছিল যদিও আন জনগোষ্ঠীসমূহৰ মাজতো ই বিস্তাৰিত হ'বলৈ ধৰে। বর্তমান দুই এখন ঠাইৰ বাহিৰে বা মৃতকৰ স্ব-ইচ্ছাতহে পোতা কার্য সম্পন্ন হয়। তাৰ বাহিৰে প্রায়বোৰ ঠাইতে দাহ কৰা পদ্ধতিটো সমাজ স্বীকৃত নিয়মত পৰিণত হ'বলৈ ধৰিছে।

কার্বি সমাজত একেদিনাই শ্রাদ্ধ পতা অনুষ্ঠান নোহোৱা হৈছে। পাঁচদিন বা সাতদিন শ্রাদ্ধ পতা নিয়মটো এঠাইত থাকিলেও এঘাৰ দিন বা তেৰ দিনত মৃতকৰ কাম-কাজ শেষ কৰাৰ নিয়মটোহে সর্বাধিক প্রচলিত নিয়মত পৰিণত হৈছে। ঘৰৰ ভিতৰত কাৰোবাৰ মৃত্যু হ'লে ঘৰটো পুৰি পেলোৱা, নুসুচি হোৱা আদি ধাৰণা সমাজত সলনি হৈছে। এতিয়া প্রজন্মই চুৰা বোলা ধাৰণাটোকেই মানিব নোখোজে।

নব্য বা বাথৌ পন্থৰ লোকসকলে মৃতকৰ ঘৰখন বুলি নকয়। আগতে ঘৰখন চুৰা বুলি চাকি-বন্তি জ্বলোৱা নাছিল, এতিয়া পাবিলে সদায়েই চাকি-বন্তি জ্বলোৱা হয়। মৃতকৰ নামত বলি বিধানৰ কোনো প্রয়োজন নাৰাখি ফুল-তুলসী মৃতকৰ আত্মাক বিদায় দিয়ে।

এনেকৈয়ে ডিমৰীয়া অঞ্চলৰ বাসিন্দাসকলৰ পৰা পৰা মতে কার্বি সমাজতো মৃত্যু সম্পর্কে বহুতো পৰিৱর্তন বুলি জানিব পৰা গৈছে।

বিবাহ সম্পর্কীয় লোকাচাৰৰ পৰিৱর্তন ঃ

সময়ৰ সোঁতত বিবাহ সম্পর্কীয় লোকাচাৰবোৰো আটাইতকৈ বেছি পৰিৱর্তন সাধন হৈছে। ডিমৰীয়া জনৰ ভালেমান বিবাহ পদ্ধতিৰ প্রচলন আছিল যদিও বর্তমান সামগ্রিকভাৱেও ছোৱালী চাই-চিতি বিয়া কৰোৱা পদ্ধতিটো সকলোৰে গ্রহণযোগ্য পদ্ধতি হিচাপে মানি লোৱা দেখা যায়। ঢোকা থকা, ছোৱালী টানি লৈ যোৱা, ঘৰ জোঁৱাই ৰাখি বিবাহ আদি প্রথাৰ বিলুপ্তি সাধন হৈছে। তদুপৰি নিজ জনগোষ্ঠী বর্ণৰ মাজতহে বিয়া হ'ব পৰা সামাজিক নিয়মটো সলনি হৈ বর্তমান সময়ত সকলো জাতি-জনগোষ্ঠীৰ মাজত বৈবাহিক সম্পর্ক স্থাপন হৈছে।

মন্দিৰ আৰু আদালতত বিবাহ ঃ

বর্তমান সময়ত বিবাহ সম্পন্ন কৰাৰ ক্ষেত্রত মন্দিৰ আদালতে এক উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিব ধৰিছে। বিশেষকৈ আর্থিকভাৱে দুর্বল লোকসকলৰ বাবে মন্দিৰত বিবাহ-পাশত আবদ্ধ হ'ল। এই মুক্রাং আৰু ৰাছিংজাৰ সতি-সন্ততিসকলেই হ'ল কার্বিসকল। হেম্ফু দেৱতা ডাঙৰ, মুক্রা আৰু ৰাছিংজা সৰু। গতিকে তেওঁলোকতকৈ সৰু সন্তান বিলাকেই হ'ল কাৰ্বি। 'ছ' মানে 'সন্তান' আৰু 'আকিবি' মানে 'সৰু'। গতিকে 'ছ আকিবি'ৰ পৰাই কালক্রমত কার্বি শব্দটো উৎপত্তি হৈছে।

(গ) ডিমৰীয়া অঞ্চলত বসবাস কৰা কার্বি জনগোষ্ঠীয় সমাজত নিজস্ব পৰম্পৰাগত সামাজিক লোকাচাৰৰ জৰিয়তে জীৱন নির্বাহ কৰি আছে। তেওঁলোকৰ সমাজত জন্ম, মৃত্যু আৰু বিবাহৰ লগত পৰম্পৰাগতভাৱে বিভিন্ন সামাজিক ৰীতি-নীতি পালন কৰি আহিছে।

(ঘ) কার্বি সমাজত কেঁচুৱা এটি জন্ম হোৱা লগে লগে গাঁৱৰ বয়সস্থ তিৰোতাসকলে সমস্বৰে 'নেবাক নেবাক' অর্থাৎ বোলে, কুকুৰ, শিয়াল, কোনো বন্যপ্রাণী বা প্রকৃতিৰ দ্বাৰা হোৱা কোনো অপঘটনা যাতে সদ্য জন্মপ্রাপ্ত শিশুটিৰ ক্ষেত্রত নহয়। শিশুটিৰ নাড়ী সৰাৰ সাত দিন 'আপুন আংতাৰ' পূজা বা অপায়-অমংগল নাশক পূজা কৰি শিশুটিৰ মঙ্গল কামনার্থে নামকৰণ কৰা হয়।

(ঙ) ডিমৰীয়া অঞ্চলত বসবাস কৰা কার্বিসকলে পালন কৰা অনুষ্ঠানৰ ভিতৰত এটি অন্যতম অনুষ্ঠান হ'ল 'কিথিকার্হি' অর্থাৎ মৃত ব্যক্তিৰ শ্রদ্ধাঞ্জলি অনুষ্ঠান। মৃত ব্যক্তিৰ কাৰণে গোটা বাঁহ দুডালক লৈ পথালি কামি আৰু দীঘল কামিৰে চাঙিখন সজোৱা হয়। চাঙিখন সজাৰ পিছত তুলসীৰ পানী ছটিয়াই শুদ্ধ কৰা হয়। মৃত ব্যক্তিজনক চিতাত জ্বলাই আত্মাৰ কামনার্থে প্রার্থনা জনায়। এনেদৰে ডিমৰীয়া অঞ্চলৰ কার্বিসকলে মৃতকৰ আদ্যশ্রাদ্ধ সম্পন্ন কৰে।

(চ) মানৰ সমাজৰ সমাজ ব্যৱস্থাত বিবাহ প্রথাৰ গুৰুত্ব অধিক। কার্বিসকলৰ মাজত প্রধানকৈ তিনিপ্রকাৰৰ বিবাহ পদ্ধতি প্রচলিত হৈ আছে। যেনে— হৱহাক বিবাহ, বোকাবুচম বিবাহ আৰু হেম দেখা ৰংবংনুকা বিবাহ। এনেদৰে ডিমৰীয়া অঞ্চলৰ কার্বি জনগোষ্ঠীৰ লোকসকলে বিবাহ কার্য সম্পন্ন কৰে।

(ছ) সাম্প্রতিক বিশ্বায়ন বা গোলকীকৰণৰ কাৰণে সমগ্র বিশ্বৰ ভাষা, সাহিত্য, সংস্কৃতিৰ লগতে অর্থনৈতিক, সামাজিক, ৰাজনৈতিক ইত্যাদি দিশবোৰতো কিছু পৰিৱর্তন ঘটা দেখিবলৈ পোৱা যায়। ডিমৰীয়া অঞ্চলত বসবাস কৰা কার্বি জনগোষ্ঠীৰ লোকসকলো ইয়াৰ ব্যতিক্রম নহয়। সাম্প্রতিক বিশ্বায়নৰ প্রভাৱ আধুনিক শিক্ষা, উন্নত অর্থনীতি, উন্নত যোগাযোগ, আন্তঃবৈবাহিক, উন্নত স্বাস্থ্যখণ্ড, সাংস্কৃতিক সম্প্রসাৰণ ইত্যাদিৰ কাৰণে কার্বি জনগোষ্ঠীয় সমাজত পৰম্পৰাগতভাৱে প্রচলিত বিভিন্ন সামাজিক লোকাচাৰ— জন্ম, মৃত্যু, বিবাহ আদিত জড়িত নীতি-নিয়মসমূহৰ ক্ষেত্রত কিছু পৰিৱর্তন ঘটিছে। যেনে— জন্মৰ ক্ষেত্রত জড়িত ৰীতি-নীতিসমূহ, আন্তঃবৈবাহিক ক্ষেত্রত জড়িত ৰীতি-নীতিসমূহ।

◈ ◈ ◈

সাধেৰা দাস মহাবিদ্যালয়, হাজো

কার্বি জনগোষ্ঠীৰ লোকসাহিত্য

এক সমীক্ষাত্মক অধ্যয়ন (ডিমৰীয়া অঞ্চলৰ বিশেষ উল্লেখনসহ)

প্রতীক্ষা মজুমদাৰ
স্নাতক চতুর্থ ষাণ্মাসিক, অসমীয়া বিভাগ

কার্বি শব্দৰ আঁতিগুৰি ঃ বিভিন্ন জাতি-জনজাতিৰে পৰিবেষ্টিত হৈ আছে অসম নামৰ ভু-খণ্ড। আন আন জনজাতিৰ লগতে অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বসবাস কৰা উল্লেখনীয় জনজাতি হ'ল কার্বিসকল। আদিতে "মিকিৰ" নামেৰে পৰিচিত লোকসকলে নিজকে কার্বি বা আলেং বুলিহে উল্লেখ কৰিছিল। কার্বি ভাষাত "আলেং" শব্দৰ অর্থ ওখ হেলনীয়া ঠাই। এনে ওখ ঠাইত বাস কৰা অর্থত এই নামেৰে পৰিচয় দিয়ে। কিন্তু, বর্তমান তেওঁলোকক "কার্বি" বুলিহে জনা যায় আৰু জিলাখনৰ নামো "কার্বি আংলং" জিলা নামেৰে নামকৰণ কৰা হৈছে। কার্বিসকল বিভিন্ন জিলাত সিঁচৰিত হৈ আছে যদিও কার্বি আংলং মিকিৰ পাহাৰতে সংখ্যাগৰিষ্ঠ কার্বি লোক থুপ খাই থকাটো ঐতিহাসিক প্রমাণ থকাত এই জিলা কার্বিসকলৰ স্বায়ত্ব শাসিত জিলা হিচাপে পৰিগণিত হয়। অৱশ্যে ইয়াৰ বাবে কার্বিসকলে সংগঠিত ৰূপত যুঁজ দিব লগা হৈছিল।

কার্বি জনগোষ্ঠীৰ নৃ-গোষ্ঠীয় পৰিচয় ঃ নৃ-তাত্ত্বিক দৃষ্টিকোণেৰে কার্বিসকল মংগোলীয় প্রজাতিৰ আৰু ভাষিক দিশৰ পৰা তেওঁলোক চীন-তীব্বতীয় ভাষা পৰিয়ালৰ তিব্বতধর্মী শাখাৰ কুকী চীনৰ অন্তর্গত। খিলঞ্জীয়া জনগোষ্ঠীসকলৰ অন্যতম এই কার্বিসকল। এওঁলোকৰ সংখ্যাগৰিষ্ঠ লোক অসমৰ পার্বত্য জিলা কার্বি আংলঙতে বসবাস কৰে যদিও ভৈয়ামৰ কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ জিলাতো বসবাস কৰি আছে।

কার্বিসকলৰ প্রব্রজন আৰু বর্তমান বাসস্থান ঃ খিলঞ্জীয়া জনগোষ্ঠী কার্বিসকলৰ

লিখিত ইতিহাস নথকাৰ বাবে তেওঁলোকৰ
পতন তথা ক্রমবিকাশৰ সম্পর্কে নিশ্চিত
পোৱা নাযায়। কিন্তু পৌৰাণিক আখ্যান
কিংবদন্তি আৰু আহোম বুৰঞ্জীত উ
কিছুমান ঘটনাৰ লগতে বৃটিছ আৰু ভ
পণ্ডিতৰ লিখনিসমূহৰ পৰা কার্বি জন
বাসস্থান তথা প্রব্রজন সম্পর্কে কিছু তথ্য
যায়। কার্বিসকলৰ আদি বাসস্থান মধ্য এ
কালক্রমত তেওঁলোকে ভাৰতৰ উত্ত
কোণেদি অসমত প্রৱেশ কৰে। তেওঁলোক
বাসস্থান সম্পর্কে বিভিন্ন মত পোৱা যায়।
কোনোৰ মতে কার্বিসকল তিব্বতবর্মী, কু
আৰু নগা, বড়োসকলৰ সংমিশ্রণত উৎপ
জাতি। কোনো কোনোৱে আকৌ কার্বি
অসমৰ আদিম অধিবাসী বুলিও মতপোষ
বাৰেলং তেৰাঙৰ "The History of
নামৰ গ্রন্থত উল্লেখ আছে যে কার্বি
তিব্বতত প্রায় ৯০০ বছৰ থকাৰ পিছত
আৰু "নংকুলাৰ" পাহাৰীয়া অঞ্চলত বস

কৰিছিল। তেওঁলোকে সেই ঠাইখনৰ নাম দিছিল "মিৰিংৰচুপী" বা "মিৰিং মুৰং"।

কার্বিসকলৰ মাজত প্রচলিত বিভিন্ন কাহিনীৰ পৰাও তেওঁলোকৰ প্রব্রজন সম্পর্কে জানিব পৰা যায়। তেওঁলোকৰ মাজত প্রচলিত এনে এক কিংবদন্তি অনুসৰি ১৫০০ খ্রীঃৰ পৰা প্রায় চাৰিশ (৪০০) বছৰীয়া কছাৰী শাসনৰ সময়ত ডিমাপুৰ নাইবা তাৰ আশে পাশে পূর্বৰে পৰা বসতি কৰি থকা কার্বিসকলৰ ওপৰত কছাৰীসকলৰ অত্যাচাৰ নাইবা নগাৰ আক্রমণৰ বাবে তেওঁলোকে স্থানৰেণ তথা ৰংখং অঞ্চললৈ আহি নিগাজিকৈ ৰাজ্য পাতি থাকিবলৈ লয়। কার্বিসকলৰ প্রব্রজনৰ আন এটা কাৰণ হ'ল— এটা সময়ত কার্বি বা মিকিৰসকলে থকা ৰাজ্যখন কছাৰী ৰাজ্যৰ অন্তর্গত আছিল। ফলত তেওঁলোক কছাৰী ৰজাসকলৰ তলতীয়া হৈ বসবাস কৰিবলগীয়া হৈছিল। কছাৰী ৰাজ্যৰ মহামায়া গোঁসানীৰ খানত বলি দিবলৈ কছাৰী ৰজাই মিকিৰ মানুহ ধৰি আনিছিল। এনে ঘটনাৰ ফলত এই জনগোষ্ঠীৰ লোকসকলে লুমবাদং পাহাৰ ত্যাগ কৰি মত্তৰ লাংথিং মাহুৰত থাকিবলৈ লৈছিল। কিন্তু এই ঠাইতো কার্বিসকলক কছাৰীসকলে উপদ্রৱ কৰিছিল। আন এক জনশ্রুতি মতে, কছাৰী ৰজাৰত পোহনীয়া বাঘ পোৱালিক গাখীৰ খুৱাবলৈ মিকিৰ তিৰোতাৰ মতানৈক্য ঘটিছিল। এনেদৰে কছাৰী ৰজাৰ অত্যাচাৰৰ পৰা হাত সাৰিবলৈ তেওঁলোক পলাই গৈ 'ডিয়ু' নদী পাইছিল আৰু কপিলী পাৰ হৈ ৰংখাং পর্বতমালাৰ 'চেচেং' পাহাৰত স্থায়ী বসতি স্থাপন কৰিছিল। কার্বিসকলক নেতৃত্ব দিছিল 'কাছেং' নামৰ এজন ব্যক্তিয়ে আৰু ঠাইখনৰ মুৰব্বীৰ দায়িত্বত আছিল 'ৰাংখুক্রাং'। পৰম ঈশ্বৰে মানৰ ৰূপ ধাৰণ কৰি সেই ঠাইখনত পদার্পণ কৰিছিল। তেঁৱেই হ'ল কার্বিসকলৰ আৰাধ্য দেৱতা 'হেস্ফু'। তেওঁৰ ভগ্নী 'ৰাছিজাং'ৰ বিবাহ হৈছিল ৰাংখুক্রাংৰ জ্যেষ্ঠ সন্তান লাংথুক্রাঙৰ লগত। মিৰিং ৰংছুপীত বহু বছৰ থকাৰ পিছত এই জনগোষ্ঠীৰ লোকসকলে চীন দেশৰ 'চলৱিন' উপত্যকাত বসতি স্থাপন কৰিছিল। পাছত তেওঁলোকে চীন দেশ ত্যাগ কৰি ব্রহ্মদেশত প্রৱেশ কৰিছিল আৰু বিভিন্ন সময়ত ভাগ ভাগ হৈ এটি ভাগে উত্তৰ পূৱ ভাৰতত প্রৱেশ কৰিছিল। আন সকলেও বিভিন্ন পথেদি ভুটান, ছিকিম, নেপাল হৈ ব্রহ্মপুত্রৰ উত্তৰ পাৰত বসতি কৰিবলৈ লৈছিল। কার্বিসকলৰ পৌৰাণিক গীত 'লক্ষী কে প্লাং'ত থকা বর্ণনাৰ পৰা তেওঁলোক আদিতে কুকি লোকৰ সান্নিধ্যত থকাৰ কথা জানিব পৰা যায়। কার্বিসকলৰ অসম তথা ভাৰতত আগমনৰ সঠিক সময় নিৰূপণ কৰিব পৰা নাযায়। কনকলাল বৰুৱাৰ মতে, "According to chronology we may unclaubledly accept the dibeta - Burman Speakers as the successors of the Khasi - Vgntengs and perhaps the other procceding tribes 'the Mikir'. তেওঁ উল্লেখ কৰে যে তিব্বতবর্মী ভাষাগোষ্ঠীয় লোকসকলৰ ভিতৰতে বড়োসকল প্রাচীন অসমলৈ খাছিয়া, ছিনটেং আৰু মিকিৰ অর্থাৎ কার্বিসকলৰ পিছতহে আহিছিল। গতিকে, কার্বিসকলৰ অসম প্রৱেশৰ সময় অন্ততঃ খৃষ্টপূর্ব হাজাৰ বছৰ।

কার্বিসকলৰ জনসংখ্যা ঃ ২০০১ চনৰ লোকপিয়ল মতে, কার্বিসকলৰ মুঠ জনসংখ্যা ৪,১৯,৫৩৪। কামৰূপ মহানগৰ জিলাত দক্ষিণ পূৱ অংশত গুৱাহাটী মহানগৰৰ পাছত লাগি থকা অঞ্চলটো হ'ল ডিমৰীয়া। এই অঞ্চলটোৰ মাটিকালি ২৬°২৭ বর্গ কিলোমিটাৰ। ডিমৰীয়া অঞ্চল ২৬° উত্তৰ অংশৰ পৰা ২৬°১ উত্তৰ অংশলৈ আৰু ১°৪৫ পূৱ দ্রাঘিমাৰ পৰা ৯২°৫ দ্রাঘিমালৈ বিস্তৃত। বর্তমান ডিমৰীয়া উন্নয়ন খণ্ডই সামৰি লোৱা অঞ্চলটোকেই ডিমৰীয়া বুলি জনা যায়। ডিমৰীয়া, পাণবাৰী আৰু সোণাপুৰ এই তিনিখন মৌজাই ডিমৰীয়া উন্নয়ন খণ্ডৰ পৰিসীমা। ডিমৰীয়া অঞ্চলৰ পূৱ দিশত আছে মৰিগাঁও জিলাৰ গোভা মৌজা (অতীতৰ গোভা ৰাজ্য), দক্ষিণত মেঘালয় ৰাজ্যৰ ৰি-ভয় জিলা, উত্তৰ দিশত কামৰূপ মহানগৰ জিলাৰ চন্দ্রপুৰ ৰাজহ চক্র আৰু মৰিগাঁও জিলাৰ মায়ং উন্নয়ন খণ্ড আৰু পশ্চিমত গুৱাহাটী মহানগৰ। অঞ্চলটোত ১৪৪ খন ৰাজহ গাঁও আৰু পঞ্চায়ত আছে।

লোকসাহিত্য সংজ্ঞা, বৈশিষ্ট্য আৰু শ্রেণীবিভাগ ঃ

লোকসাহিত্য ঃ

লোকসাহিত্য পৃথিৱীৰ প্রতিখন দেশৰ জাতীয় ভাষা সাহিত্যৰ প্রধান উৎস। সাহিত্য হ'ল জনজীৱনৰ সৈতে নিবিড় সম্পর্ক থকা লোকসাহিত্যই বা মৌখিক সাহিত্যই মাণিক সদৃশ হৈ পৃথিৱীৰ সাহিত্যৰ ভেটি নির্মাণত অৰিহণা যোগাই আহিছে। কোনো এটা জাতিৰ অতীতৰ বিষয়ে জানিবলৈ হ'লে সেই জাতিটোৰ ধর্ম, নীতি, আচাৰ-ব্যৱহাৰ, আনন্দ, উৎসৱ, লোকবিশ্বাস আদিৰ লগতে জাতিটোৰ মাজত আদিম কালৰে পৰা মুখে মুখে চলি অহা গীত-পদ, ফকৰা যোজনা, সাঁথৰ, মালিতা, সাধুকথা আদিৰ বিষয়ে জনাৰ আৱশ্যক হৈ পৰে। "জাতিৰ আদিম অৱস্থাৰ পৰা সভ্যস্তৰলৈ আঁত নিছিগাকৈ চলি অহা জনশ্রুতিয়েই লোকসাহিত্য"। আকৌ "সাহিত্য যুগ বিভাগ অনুসৰি সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মানুহৰ মুখে মুখে আঁত নিছিগাকৈ চলি অহা জনশ্রুতিয়েই হ'ল লোকসাহিত্য"। আনহাতে, জন সাহিত্যৰ পটভূমি হৈছে গাঁও আৰু পথাৰ। প্রেৰণা হৈছে

জনসাধাৰণৰ সুখ-দুখ, আশা-নিৰাশা, কাম-কাজ, প্ৰেম-বিৰহ, বিশেষ এটা সামাজিক আবেষ্টনীলৈহে এইবিলাকৰ সৃষ্টি হয়।

লিখিত সাহিত্যৰ সৃষ্টিৰ আগতে চহা গাঁৱলীয়া বা মানুহৰ মুখে মুখে প্ৰচলিত বিভিন্ন গীত, পদ, প্ৰবাদ, প্ৰবচন ৰচনা কৰি মৌখিকভাৱেই প্ৰচলন হোৱা সাহিত্যকেই লোকসাহিত্য বা মৌখিক সাহিত্য বা জনসাহিত্য বোলে।

লোকসাহিত্যৰ বৈশিষ্ট্য ঃ "লোক জীৱনৰ পটভূমিত তথা লোক মনৰ চিন্তা-চেতনা, আৱেগ-অভিৰুচি, ভাৱ-কল্পনাৰ আধাৰত ৰচিত লোকসাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ গৱেষক পণ্ডিতসকলে এনেদৰে দাঙি ধৰিছে। যেনে—

(১) লোকসাহিত্য জনসাধাৰণৰ মুখে মুখে প্ৰচলিত আৰু পৰম্পৰা আশ্ৰিত। জাতীয় সাহিত্যৰ এই শ্ৰেণীত ব্যক্তি বিশেষৰ কল্পনাৰ স্ফূৰণৰ ঠাই নাই। এই শ্ৰেণী সাহিত্য কেৱল ব্যক্তি বিশেষৰ আনন্দ-বিনোদনৰ কাৰণে সৃষ্টি নহয়। ই সমাজৰ উমৈহতীয়া সৃষ্টি। সমাজৰ সৰ্বজনৰ ভাৱ, চিন্তা আৰু কল্পনাৰ ই মিলন তীৰ্থ আৰু সমস্ত সমাজৰ আনন্দ-বিনোদনৰ কলাক্ষেত্ৰ।

(২) লোকসাহিত্যৰ জৱিয়তে সমাজ জীৱন অকৃত্ৰিম আৰু স্বতঃস্ফূৰ্তভাৱে অভিব্যক্ত হয়। ইয়াৰ ভাষা অজটিল, প্ৰকাশভঙ্গী পোনপটীয়া।

(৩) লোকসাহিত্যত গঞ্জাঁ লোকৰ জীৱন সৃষ্টি, জীৱন নিৰ্বাহ, প্ৰণালী আদিৰ লগতে গাঁৱলীয়া সমাজৰ সামগ্ৰিক চিত্ৰ প্ৰতিফলিত হয়।

(৪) লোকসাহিত্যত প্ৰকৃতিয়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি থাকে। নানাধৰণৰ গছ-গছনি, নৈ, জান-জুৰি, পৰ্বত-ভৈয়াম, ফল-ফুল, চৰাই-চিৰিকটি আদিৰ বৰ্ণনাৰে লোকসাহিত্য প্ৰোজ্জ্বল।

(৫) ঐন্দ্ৰজালিক আখ্যান বা পৰিস্থিতিৰ সমাৱেশ লোকসাহিত্যৰ অন্যতম বৈশিষ্ট্য। এনে আখ্যান বা পৰিস্থিতি ৰূপায়নৰ বাবেই জনসমাজৰ মাজত লোকসাহিত্যৰ আদৰ বেছি।

(৬) লোক সমাজৰ মাজত প্ৰচলিত নানান বিশ্বাস, অবিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পৰ্ব আদিৰ বৰ্ণনায়ো লোকসাহিত্যত উল্লেখনীয় ঠাই অধিকাৰ কৰি আছে।

(৭) লোকসাহিত্যই লোকজীৱনৰ অতীতৰ ইতিহাস কয়, বৰ্তমানৰ বিৱৰ্তনৰ ধাৰা সম্পৰ্কে সম্যক আভাস দাঙি ধৰে আৰু ভৱিষ্যতৰ বিষয়েও ভৱিষ্যতবাণী প্ৰচাৰ কৰে।

(৮) লোকসাহিত্য মুখে মুখে প্ৰচলিত হ'লেও কোনো কোনো ক্ষেত্ৰত, সি লিখিত সাহিত্যৰ ৰূপ পৰিগ্ৰহণ কৰি অভিজাত স্তৰ লাভ কৰিব পাৰে। সেইদৰে লিখিত সাহিত্যও মুখ পৰম্পৰা প্ৰচলিত হৈ লোকসাহিত্যৰ অন্তৰ্ভুক্ত হ'ব পাৰে। লোকসাহিত্যই হওক কিম্বা লিখিত সাহিত্যই হওক, উভয়ৰ অন্যান্য ক্ৰিয়া অনবৰতে চলি থাকে।

(৯) লোকসাহিত্য নান্দনিক মাধুৰ্যৰেও সমৃদ্ধ। [illegible] যুগে কবি-সাহিত্যিকসকলে তেওঁলোকৰ নৈমিত্তিক [illegible] বিবিধ উপাদানৰ পৰশেৰে প্ৰোজ্জ্বল কৰিবলৈ প্ৰয়াস [illegible]

(১০) লোকসাহিত্যৰ ভাষা কথিত ভাষাৰ শব্দ [illegible] ৰীতিৰে সমৃদ্ধ।

লোকসাহিত্যৰ শ্ৰেণীবিভাগ ঃ

অসমৰ লোকসাহিত্যৰ ক্ষেত্ৰত দেখি [illegible] লোকসাহিত্যৰ ভাগকেইটা হাজো অঞ্চলত প্ৰচলিত [illegible] ক্ষেত্ৰতো দেখিবলৈ পোৱা যায়।

তলত লোকসাহিত্যৰ শ্ৰেণীবিভাগ বা উপ- [illegible] উল্লেখ কৰা হ'ল— (ক) লোকগীত, (খ) প্ৰবাদ-[illegible] (গ) সাধুকথা।

কাৰ্বি জনগোষ্ঠীৰ লোকসাহিত্য ঃ

কাৰ্বিসকলৰ লোকসাহিত্য অতি চহকী। [illegible] লোকসাহিত্যৰ আলোচনালৈ যোৱাৰ আগতে 'লোকস [illegible] তাক জনা দৰকাৰ। সাহিত্যিক শশী শৰ্মাই তেখেতৰ "লোকসাহি [illegible] লোকসাহিত্য" নামৰ কিতাপত লিখিছে— "লোকসাহি [illegible] সমাজে ৰচনা কৰা সাহিত্য। লোকসাহিত্য সাধাৰণতে [illegible] বাগৰি আখৰ জ্ঞান থকা কৃষক-শ্ৰমিক, গৰখীয়া-নাৱৰীয় [illegible] কাৰিকৰ, বণিক-বেপাৰী, শিপিনী-ৰোৱনী আদি ভিন ভি [illegible] লিপ্ত শ্ৰমকাৰী মানুহৰ গীত-মাত, নাট-সাধু, যোজনা- [illegible] অতিকথা আদিকে বোলা হয় লোকসাহিত্য"।

লোকতত্ত্ববিদসকলৰ কোনো কোনোৱে লোকসা [illegible] লোকশ্ৰুতি বা লোকতত্ত্বও (Folklore) বোলে। কাৰণ, [illegible] মাজেদি লোকবিশ্বাস, সংস্কাৰ, আচাৰ-অনুষ্ঠান, নাট-নৃত্য [illegible] লোক শিল্পৰো স্পষ্ট আভাস পোৱা যায়। সমাজ বিজ্ঞা [illegible] নৃতাত্ত্বিকেও অনাখৰী মানুহে মুখে মুখে ৰচনা কৰা অতিকথা, [illegible] যোজনা, দৃষ্টান্ত, কবিতা, গীত আদিকেই বুলিছে লোকশ্ৰু [illegible] লোকতত্ত্ব।

লোকসাহিত্যই যিয়েই যি নাম নিদিয়ক [illegible] লোকসাহিত্য কিন্তু প্ৰকৃত অৰ্থতেই লোক সমাজৰ সাহিত্য [illegible] ই গীতিময়, এই গীত সাধাৰণতে শ্ৰমৰ গীত। শস্য ৰোপণ, [illegible] বানন, খুন্দন, কাটন (সূতা কটা), বোৱন, নাও খেল বা [illegible] চলোৱা, নিচুকণি আদি ভিন ভিন শ্ৰমক কেন্দ্ৰ কৰি ৰচিত [illegible]

ভিন গীত। আনকি নগৰৰ শ্ৰমিক সংঘৰ কাম-কাজৰ বা বিক্ষোভৰ ধ্বনিকো (শ্লে'গান) বুলিবলৈ লোৱা হৈছে লোকতত্ত্ব বা লোকশ্ৰুতি, লোকসাহিত্যক গীতিময়ো বোলা হয়। সাধাৰণতে সাধুকথা আদি কথা বা গদ্যত কোৱা হয়। কিন্তু দেখা যায় যে সাধুকথাৰ কাহিনীও গীতিময়েই, প্ৰায়ভাগ সাধুৱে আধা গীত, আধা কথা; গীতৰ সংযোগে সাধুক গীতৰ সদৃশ কৰি তোলে। গতিকে, লোকসাহিত্যক লোকগীত বোলা বিভ্ৰান্তিকৰ কথা নহ'ব যেন অনুভৱ হয়।

ড° উপেন ৰাভা হাকাচামদেৱে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰকাশ কৰা 'অসমীয়া জাতি আৰু সংস্কৃতি' কিতাপখনত লিখিছে— "লোকগীত, ফকৰা যোজনা, সাধুকথা আদি লোকসাহিত্যৰে কাৰ্বি ভাষা তেনেই চহকী। কাৰ্বি ভাষা মূলতে কুকি-চীন ভাষা গোষ্ঠীৰ পৰাই জন্ম লাভ কৰা যদিও অসমীয়া প্ৰভৃতি অন্যান্য প্ৰতিৱেশী ভাষাসমূহৰ পৰা ঋণসূত্ৰে লাভ কৰা শব্দ সম্ভাৰ আৰু অন্যান্য ভাষাগত উপাদানেৰে ই সমৃদ্ধ। ৰামায়ণৰ মধুৰ প্ৰকাশ 'ছাবিন আলুন', সকৰুণ কাহিনী গীত 'হাঈনু আলুন' (হাঈনু— লঙৰ প্ৰণয় গীত), ৰুকাছেন আলুন (কাছেন ককাৰ গীত), 'কাছিং আলুন' (কাছিঙৰ গীত), 'লাৰতা আলুন' (লাৰ তাৰ গীত), "হানৰী আলুন (হানৰীৰ গীত), যৌনগন্ধী গীত— 'কাপাফেৰ', মহাপ্ৰস্থানৰ গীত— 'হৰণ জাটাং', সৃষ্টিতত্ত্ব বিষয়ক গীত— 'মুছেৰা কেহিৰ', বিয়া গীত— 'থেলু আলুন', জোৰা নাম— 'চ'কৰে আলুন', নিচুকণি গীত— 'অছ' কেবেই', আছ'পাদক আলুন, প্ৰণয় গীত— বংঐ আলুন, চাক্সন পোক মতা গীত— ছিংকাই আলুন, কৰ্মগীত/যতৰৰ গীত— মিচুং ক্ৰেত আলুন, সন্তানৰ অশৌচ খেদা বিধি সম্পৰ্কীয়— ক্লংক আথেকাৰ বিতি, বৈবাহিক নিয়মৰ পৰম্পৰা বৰ্ণিত— আদাম আস্থাৰ কাংথুৰ ইত্যাদি লোকগীত (পৰম আলুন), ছেআমান, ছেআতাম, আন্টাম ফিপু প্ৰভৃতি স্তোত্ৰ মন্ত্ৰ গীত, বয়োবৃদ্ধ লোকৰ মাজত প্ৰচলিত বিভিন্ন ফকৰা যোজনা (ছাৰ লামখে), ৰাহাতা কুংনৰ (শতৎ কোঁৱৰ, চংহ ৰেচ' (ভেখলী ৰজা), ৰৰামজী (ময়ুৰী), হাৰম'ক্যং (হাৰ পেটেলা), জাংৰেট (মাউৰা), বকলাপ' (অকৰা) ইত্যাদি সাধুকথা (আতম)ৰে কাৰ্বি লোকসাহিত্য খুন্দ খাই আছে।

কাৰ্বিসকলৰ আজো ককাহঁতে প্ৰকৃতিৰ মাজতে বসবাস কৰিছিল। প্ৰকৃতিৰ পৰাই তেওঁলোকে আহাৰ, আশ্ৰয় সকলো পাইছিল। সেয়েহে, তেওঁলোকে প্ৰকৃতিৰ বিভিন্ন অৱস্থা বুজিবলৈ চেষ্টা কৰিছিল। দিন-ৰাতি, আউসী-পূৰ্ণিমা, সূৰ্য গ্ৰহণ, চন্দ্ৰ গ্ৰহণ, ৰ'দ-বতাহ-বৰষুণ, ভূমিকম্প, জন্ম-মৃত্যু, জৰা-ব্যাধি এই সকলোবোৰ আছিল তেওঁলোকৰ বাবে পৰম বিস্ময় আৰু কৌতূহলৰ বিষয়। সেইবাবে প্ৰকৃতিৰ ৰহস্য বুজিবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

সাহিত্যিক শশী শৰ্মাই তেখেতৰ "অসমৰ লোকসাহিত্য" নামৰ কিতাপত আৰু লিখিছে— "হ্য-ঈমু কাৰবি জনসমাজৰ মাজত এখন জনপ্ৰিয় লোককাব্য। ইয়াত প্ৰেমৰ সৌন্দৰ্য্য, মাধুৰ্য্য আৰু গভীৰতা যি অনুপম সহানুভূতিৰে চিত্ৰিত হৈছে, সিনো কোনো সদাশয় সামাজিকক মুগ্ধ নকৰাকৈ থাকিব। এই কাব্যখনত এঠাইত নায়িকা হা ঈৰ ৰূপ যৌৱনৰ বৰ্ণনা দি ব্যঞ্জনাৰ সহায়ত কৈছে—

চিনাম কে চিনাম
বাজে যে চিনাম
দেং হংকুপ ততজ্ঞান
দেং হংকুপ তুৰদাং।

— (হ্য ঈ) সঁচাকৈয়ে ৰূপৰতী। ঘৰৰ সন্মুখত বহিলে চোতালখনেই পোহৰ হৈ উঠে।

এনে ভাৱ-অনুভূতিৰে ব্যঞ্জনাময় কবিতা, কাব্য বা গীতক জানো কোনো ৰসজ পটুৱৈয়ে মূল বুলি অভিহিত কৰিবলৈ সাহ কৰিব।"

কাৰ্বি লোকসাহিত্যৰ পৰিসৰ ঃ কাৰ্বি লোকসাহিত্যৰ পথাৰখন বিশাল, সীমাহীন আৰু গভীৰভাৱে ভৰপূৰ। তেওঁলোক পুনৰ্জন্মত বিশ্বাসী। তেওঁলোকৰ সংস্কৃতি, লোকসাহিত্য অকল জীৱনব্যাপীয়ে নহয়, এইবোৰ মৃত্যুৰ পৰা আন এটা জন্মলৈ বিস্তৃত বুলি তেওঁলোকে বিশ্বাস কৰে। কাৰ্বি লোকসাহিত্যৰ তথ্য তলত দিয়া বিভিন্ন দিশসমূহৰ পৰা আলোচনা কৰিব পাৰি। সেইবোৰ হ'ল—

(১) পিৰথে কেপ্লাং (পৃথিৱীৰ জন্ম)
(২) কাৰ্বি কেপ্লাং (কাৰ্বি জাতিৰ জন্ম কাহিনী)
(৩) হেম্ফু কেপ্লাং (হেম্ফু দেৱতাৰ অৱতাৰৰ কাহিনী)
(৪) কুৰ কেপ্লাং (কাৰ্বি গোত্ৰৰ কাহিনী)
(৫) ৰংকিকিম (কাৰ্বি প্ৰথম গাঁও সংগঠনৰ ইতিবৃত্ত)
(৬) ৰকেবাত (গাঁওবুঢ়া প্ৰথাৰ আৰম্ভণি আৰু অভিষেক)
(৭) লখী কেপ্লাং (ধানৰ উৎপত্তি)
(৮) বিৰিক কেপ্লাং (জলকীয়াৰ উৎপত্তি)
(৯) হানছ কেপ্লাং (আদাৰ উৎপত্তি)
(১০) বঙই আলুন (বনগীত)
(১১) তু-আ-এ (নিচুকণি গীত)

(১২) ডেকা চাঙৰ মজিয়াত গঢ়ি উঠা ৰিংনৎচিন্দি (কৃষিযাত্রা গীত)
(১৩) দেংবালি (মানুহ আৰু গছ সম্পৰ্কৰ গীত)
(১৪) মৃতকৰ আত্মাৰ সদ্‌গতিৰ উদ্দেশ্যে গোৱা বিননি গীত
(১৫) দহাত নাচোতে গোৱা যৌনগন্ধী গীত
(১৬) মন্ত্ৰ
(১৭) ফকৰা যোজনা আৰু সাধুকথা
(১৮) হাঈমু ইত্যাদি।

সাহিত্যিক পদ্ম পাটবেদৰ সম্পাদিত "জনজাতি সমাজ সংস্কৃতি" নামৰ কিতাপখনত ড° বীৰেন্দ্ৰ নাথ দত্তদেৱে লিখিছে— "কার্বি লোকসাহিত্যৰ ভিতৰেদি সমুজ্বল হৈ উঠা আন এটা বৈশিষ্ট্য হ'ল ন্যায় আৰু সততাৰ প্ৰতি তেওঁলোকৰ ঐকান্তিকতা। সততা আৰু ন্যায়ৰ শ্ৰেষ্ঠতা আৰু অসততা আৰু অন্যায়ৰ অপকৰ্ম বহুসংখ্যক কার্বি লোক কাহিনী আৰু গীতৰ এয়ে উপজীব্য"। এইটো তাৎপৰ্যপূৰ্ণ যে কার্বি পৰম্পৰা মতে তেওঁলোকৰ আদি ৰজাজনৰ নাম 'সৎ বেচ' অৰ্থাৎ সৎ ৰজা। তেওঁলোকৰ সাধুকথা আৰু অন্যান্য কাহিনীৰ নায়ক-নায়িকাসকল ঘাত-প্ৰতিঘাতৰ সন্মুখীন হয়। কেতিয়াবা তেওঁলোকৰ জয় হয়, বহু সময়ত তেওঁলোক দুৰ্যোগত পতিত হয়, তথাপি তেওঁলোক পৰাজিত নহয়। কিয়নো সততা আৰু ন্যায়ৰ পক্ষত থকাটোৱেইতো শ্ৰেষ্ঠ জয়।

কার্বি লোকসাহিত্যত প্ৰতিফলিত বহুতো বিষণ্ণতা আছে। এই বিষণ্ণতাৰ আঁৰত তেওঁলোকৰ গোষ্ঠী জীৱনৰ অতীত ইতিহাসৰ স্মৃতিৰ সম্পৰ্ক থাকিব পাৰে বুলি ধাৰণা হয়। তেওঁলোকৰ কাহিনী আপু কিংবদন্তিৰ মাজেৰে বিধৃত অতীত স্মৃতিয়ে কয় যে সৰলতা আৰু বিশ্বস্ততাৰ প্ৰতিদানত তেওঁলোক বাৰে বাৰে অন্যায়, আক্ৰোশ আৰু নিষ্ঠুৰতাৰ বলি হৈ আহিছে। কার্বি কিংবদন্তি, য'ত ঐতিহাসিক সত্যৰ চমকনি আছে তাত অৰ্থাৎ তেওঁলোকৰ গোষ্ঠী স্মৃতিত থকা ক্ষত চিহ্নৰ আভাস পোৱা যায়।

কার্বি লোকসাহিত্যৰ বৈশিষ্ট্য ঃ কার্বি সমাজত পুৰাণধৰ্মী আখ্যানবোৰে এক গুৰুত্বপূৰ্ণ আসন দখল কৰি আছে। তেওঁলোকৰ হাড়ে-হিমজুৰে মিলি থকা এই আখ্যানবোৰৰ কাহিনী আৰু গীত-মাতৰ আদর্শ অনুসৰণ কৰিয়েই কার্বি সমাজত বিয়া-বাৰু, মৃতকৰ কর্ম, সামাজিক ৰীতি-নীতি আৰু সামাজিক অনুশাসন চলি আহিছে। এইবোৰৰ সৰহভাগেই মৌখিক বুৰঞ্জী। পৰম্পৰা মতে, কার্বি সমাজৰ প্ৰতিখন গাঁৱতে একোজন গায়ক থাকে। কার্বি গীত-মাতৰ সৰহ সংখ্যক গীত-মাতেই তেওঁলোকৰ কণ্ঠস্থ। মৃতকৰ দহা কার্যৰ সময়ত মৃতকৰ বিদেহ আত্মাক বিননি গীতেৰে স্মৰণ কৰিব লাগে। এই বিননি গীত গোৱা গায়িকাজনীক "চাইপী" আৰু গীতবোৰক 'কাচেই" নামেৰে জনা যায়।

কার্বি লোকসাহিত্যৰ স্বৰূপ ঃ কার্বি সমাজত বাংছিনাৰ কলাগুৰুৰে সৰ্বপ্ৰথমে গীত-মাত, ছন্দ আৰু সুৰৰ সৃষ্টি কার্বি লোকগীতত কোৱা হৈছে—

"কাৰবি কে আৰে লুনাতেন
কাংকাই বেং আলুন হাংজ।"

— অৰ্থাৎ তাহানিতে কার্বি সমাজত কোনো নাছিল। তেওঁলোকে অৰ্থহীন বেৰেৰিবাং গীত গাইছিল। "Cacaphany" বুলি জনা যায়। কিন্তু বাংছিনাই এই ধ্বনি কৰে। বাংছিনাৰ লগত লংমিৰজেং আৰু ছিং মিৰজেং ভাতুয়ে কার্বি লোকসাহিত্যক বহুদূৰ আগবঢ়াই কার্বিসকলৰ লুনছে কেপ্লাঙত আখ্যানমূলক গীতসমূহ কার্বি সমাজত এইবোৰ হ'ল Meta Folklore। কার্বি "লুন" অৰ্থাৎ গীতৰ সমাদৰ বহুত।

কার্বি লোকসাহিত্যৰ ছন্দ ঃ কার্বি লোকসাহিত্য ছন্দময়। লগত অহা দেবদূত লংমিজেং আৰু ম্লিৰজেঙে স্বৰ্গৰ এশবিধ বসৰ সৃষ্টি কৰি কার্বি লোকসাহিত্যৰ পাতনি বুলি জনা যায়। লোকগীতৰ মতে—

"নাংথানপ দেই লতুন মুফাৰ
নাংজিৰ মিৰজেং গুছছ।"

— অৰ্থাৎ তোমালোকক এতিয়া মিৰজেং গীত শুনাব। কার্বি লোকসাহিত্যত প্ৰায় ঊনেশবিধ ছন্দ জনা যায়। সেইবোৰ হ'ল— (১) লংৰি (২) তামপে (৩) (৪) বলট্ (৫) বানছান (৬) সাবেট্ (৭) ৰাংন (৮) মাহিন (১০) মানডুং (১১) চিটেং (১২) ছেংলং (১৩) (১৪) জাবা (১৫) আক্ষন (১৬) এংলেট (১৭) ছেংদক (১৯) চিহ্ন।

তদুপৰি কার্বি তিৰোতাসকলে গোৱা গীতত কিছুমান ছন্দ হ'ল— 'এ', 'অ', 'ছি' আদি। তদুপৰি ৰূপহী গাভৰুহঁতৰ নামানুসাৰে কিছুমান ছন্দৰ নামাকৰণ আনহাতে, "লামলিৰ" অৰ্থ অলংক্ৰাৰিক, যিবোৰ মন্ত্ৰ, গীত-মাত আদিত ব্যৱহাৰ কৰা হয়।

কার্বি লোকসাহিত্যৰ শ্ৰেণী ঃ কার্বি লোকসাহিত্যসমূহ সমাজত ভূমিকা অনুসৰি তলত দিয়া ধৰণে ভাগ কৰিব পাৰি। সেইবোৰ হ'ল— (ক) পুৰাণধৰ্মী লোকসাহিত্য (খ) জীৱনমুখী লোকসাহিত্য (গ) মৌখিক লোকসাহিত্য (ঘ) বুৰঞ্জীমূলক লোকসাহিত্য, (ঙ) প্ৰবাদধৰ্মী লোকসাহিত্য (চ) মন্ত্ৰ আৰু স্তুতিমূলক লোকসাহিত্য (ছ) সাধুকথামূলক লোকসাহিত্য (জ) ফকৰা যোজনামূলক লোকসাহিত্য আদি।

(ক) পুৰাণধৰ্মী লোকসাহিত্য ঃ বাঘৰ উৎপত্তি (থাপ কেপ্লাং), তিতালাওৰ উৎপত্তি (বং কেপ্লাং), বিয়া-বাৰুৰ আখ্যান (পিহ' পাংদুন), কেলংৰি আৰু হাবেলংবিৰ উপাখ্যান (বেলংবি, হাবেলংবি), মোমাই বিচৰা গীত (ৰ্কাতাপ), চাঙৰ চুবা খেদা গীত, মৃতকৰ আত্মাৰ সদ্‌গতিৰ বাবে দহাৰ প্ৰৱৰ্তক পিৰেং বাংৰেঙৰ আখ্যান (থিৰেংবাংৰে), ঢোলৰ উৎপত্তিৰ গীত, পৰম দেৱতা হেম্ফুৰ অৱতাৰৰ আখ্যান আৰু কার্বিৰ লোক দেৱতাসকলৰ, বিশেষকৈ বিভিন্ন অৱতাৰৰ আখ্যানসমূহ হ'ল পুৰাণধৰ্মী লোকসাহিত্য।

(খ) জীৱনমুখী লোকসাহিত্য ঃ হাইমুং আলুন (হাইৰ গীত), বঙই আলুন (বনগীত), হানৰি আলুন (হানৰিৰ প্ৰেমগীত), বৰএং আলুন (বৰএং গাভৰুৰ গীত), তু-আ-এ আৰু লাদুং লাদুং (নিচুকণি গীত), নিমছ কেৰং নৃত্যত গোৱা জিলি আলুন (যৌনগন্ধী গীত), আপাতি আলুন (অশ্লীল গীত), ধানৰ গাজ চিঙিবলৈ যাওঁতে গোৱা গীত (হান উপচৰ আলুন) আৰু বিভিন্ন প্ৰণয়মূলক গীত এই লোকসাহিত্যৰ অন্তর্গত।

হাইমুৰ গীতসমূহ কার্বি লোকসাহিত্যৰ নান্দনিক চেতনাৰ উৎকৃষ্ট নিদর্শন। কার্বিৰ এহাল প্ৰেমিক-প্ৰেমিকাৰ জীৱনৰ সংঘাতক লৈ গঢ়ি উঠা এই মর্মস্পর্শী কাব্য কার্বি জনজীৱনৰ এক দলিল। কার্বি লোক সমাজত ই পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে জিলিকি থাকিব। তদুপৰি নিছুকণি গীতসমূহো কার্বি লোকসাহিত্যত এক গুৰুত্বপূৰ্ণ আসন দখল কৰি আছে।

(গ) মৌখিক লোকসাহিত্য ঃ কার্বিসকলৰ মুখে মুখে বাগৰি অহা বিভিন্ন কিংবদন্তি আৰু জনবিশ্বাসৰ ফলতে গঢ়ি উঠিছে মৌখিক লোকসাহিত্য। লিখিত বুৰঞ্জী নাথাকিলেও কার্বিসকলে তেওঁলোকৰ জাতীয় বীৰসকলৰ বিজয়গাঁথা মুখে মুখে আবৃত্তি কৰি সেইবোৰ জীয়াই ৰাখিছে।

(ঘ) বুৰঞ্জীমূলক লোকসাহিত্য ঃ অজিত ছিংনাৰদেৱে সম্পাদনা কৰা 'কার্বি সংস্কৃতিৰ ইতিহাস' নামৰ কিতাপখনত বসন্ত দাসদেৱে লিখিছে— "১৬৫০-১৭০০ খ্ৰীষ্টাব্দত লিখা 'দেওধাই অসম বুৰঞ্জী'ত কার্বি বীৰাঙ্গনা ৰংফাৰপী বংবেৰ কথা লিখা আছে। কাহিনীৰ মতে কছাৰী ৰজাৰ এটি পোহনীয়া বাঘ পোৱালি আছিল। ৰজাই নৱ মনিচৰ গাখীৰ খুৱাই বাঘ পোৱালিটোক ডাঙৰ-দীঘল কৰিবলৈ ইচ্ছা কৰিছিল। গতিকে, কার্বি মাতৃসকলৰ ওপৰত অত্যাচাৰ চলিল। এদিন ৰজাৰ সৈন্য এটাই ৰংফাৰপীৰ পৰা গাখীৰ সংগ্ৰহ কৰিবলৈ বল প্ৰয়োগ কৰাত তাই কুঠাৰেৰে ঘপিয়াই সৈনিকটোক বধ কৰিলে।"

ঠিক তেনেকৈ বুৰঞ্জীত কার্বি বীৰ থং নকবে, বাইছাৎ ইত্যাদিৰ নামো উল্লেখ আছে। যিবোৰ কার্বি লোকসাহিত্য অমূল্য সম্পদ।

(ঙ) প্ৰবাদধৰ্মী লোকসাহিত্য ঃ হানৰিৰ গীত, লাৰটাৰ গীত, কাছিং আলুন ইত্যাদি, যিবোৰৰ ঐতিহাসিক মূল্য কম সেই গীত-মাতবোৰকে প্ৰবাদধৰ্মী লোকসাহিত্য বুলি ভবা হয়। এই প্ৰবাদসমূহৰ ইতিহাস নহ'লেও কার্বি জনমানসত ইয়াৰ গুৰুত্ব সীমাহীন।

(চ) মন্ত্ৰ আৰু স্তুতিমূলক লোকসাহিত্য ঃ কার্বিসকলৰ লোকবিশ্বাসত অনেক দেৱ-দেৱী আছে। এই দেৱ-দেৱীসকলক উদ্দেশ্য কৰি গোৱা বা উচ্চাৰণ কৰা মন্ত্ৰ বা দেৱতাক জনোৱা প্ৰার্থনাসমূহে এই শ্ৰেণীৰ লোকসাহিত্যৰ অন্তর্ভুক্ত। জৰা-ফুঁকা কৰোতে ব্যৱহাৰ কৰা মন্ত্ৰসমূহো এই শ্ৰেণীৰ ভিতৰত পৰে।

(ছ) সাধুকথামূলক লোকসাহিত্য ঃ কার্বি সমাজত উল্লেখযোগ্য সাধুবোৰৰ ভিতৰত ৰৰেকপি নিমছ' (বনকুকুৰাৰ সাধু), ডালিমেৰে কুংৰি, ছিতাকামৰ, মাউৰা কৰহন, মীৰ তাহিন, পিৰথিমি, ৰূপ তাইনোদি উল্লেখযোগ্য। ৰামৰ কাহিনীৰ "ৰাম-লখন-আতম" আৰু গীতৰ ৰূপত গোৱা ৰামায়ণক কার্বিসকলৰ মাজত "ছাবিন আলুন" বুলি জনাজাত। লোক পৰম্পৰা অনুযায়ী ই মৌখিক ৰূপতে চলি আহিছে। তেওঁলোকৰ মতে সীতা এগৰাকী আদর্শৱান নাৰী। ঝুমতলীত পোৱা ম'ৰা চৰাইৰ কণীৰ পৰা সীতাৰ জন্ম হোৱা বুলি তেওঁলোকে বিশ্বাস কৰে। তেওঁলোকে বিশ্বাস কৰে যে ঝুমতলীত ল'ৰাহঁতে কণী এটা পোৱা দেখি জনক ৰজাই কণীটো কাঢ়ি নি ধোৱাচাঙৰ কাষৰ খালৈত থৈ দিলে। সেই কণীৰ পৰাই সীতাৰ জন্ম হ'ল।

(জ) ফকৰা-যোজনামূলক লোকসাহিত্য ঃ কার্বিসকল ফকৰা-যোজনাতো বৰ চহকী। তেনে এফাঁকি ফকৰা-যোজনা হ'ল—

"আবেং কংলে লকৰপ চিতা
বঁজাৰু আছ'
কাং বেং দুনকে কৈ কৈ পুছি পু"।

— অৰ্থাৎ ডেউকা ভাঙি গ'লেও ভীমৰাজ পখীৰ পোৱালিয়ে টক টক বুলি মাতিবই। (অৰ্থাৎ ৰজাৰ ক'লা ভিক্ষাৰী হ'লেও ৰজাৰ স্বভাৰ নেৰে)।

"আবেং অং তে চেহেতা অক।

— অৰ্থাৎ মোমাই নথকাজনৰ বাবে কেঁকোৰাই মাছ।

এনেধৰণৰ ফকৰা-যোজনাসমূহৰ পৰা কার্বিসকলৰ

লোকসাহিত্য যে উচ্চস্তৰৰ আছিল তাক সহজে ধাৰণা কৰিব পাৰি।

উল্লেখযোগ্য যে, কাৰ্বি আজো ককাইতৰ স্বপ্নৰ মূল্যবোধ আছিল বাস্তৱতকৈ পৰম সত্য। কাৰ্বি লোকসাহিত্যৰ ভঁৰাল কিছুমান অতিৰঞ্জিত বুলি কোনো কোনোৱে ভাবিলেও ই গৱেষকসকলৰ বাবে তাৎপর্যপূর্ণ। গতিকে এই কথা খাটাংকৈ ক'ব পাৰি যে কাৰ্বি লোকসাহিত্যই হ'ল অসমৰ লোকসাহিত্য ভঁৰাল। কাৰ্বি জনগোষ্ঠীৰ চেতনা, পূর্বপুৰুষসকলৰ নান্দনিক ৰুচিবোধ, লোকবিশ্বাস, ধর্মীয় বিশ্বাস আদি নানা উপাদানেৰে কাৰ্বিসকলৰ লোক-কৃষ্টিৰ ভঁৰাল সমৃদ্ধ হৈ আছে আৰু হৈ থাকিব।

কাৰ্বি লোকসাহিত্যৰ আন এটি ভাগ "ছাবিন আলুন" ঃ "ছাবিন আলুন" কাৰ্বি লোকসাহিত্যৰ আন এটি দিশ। সমাজত ৰামৰ কাহিনী গীতৰ লগতে গদ্য ৰূপেৰে পৰিৱেশন কৰা হয়। সম্পূর্ণৰূপে "ছাবিন আলুন" গাবৰ বাবে দুই বা তিনিদিনৰ প্রয়োজন হয়। সম্ভৱতঃ ৰামায়ণৰ গীতক নিজৰ সংস্কৃতিৰ ভিতৰুৱা কৰা জনজাতিসকলৰ ভিতৰত বোধহয় একমাত্র কাৰ্বিসকল। তেওঁলোকে ৰামায়ণৰ কাহিনীক আপোন কৰি লোৱাৰ ব্যাখ্যা ড° বীৰেন্দ্র নাথ দত্তই দাঙি ধৰিছে এনেদৰে— "ৰাম হ'ল সততা আৰু ন্যায় পৰায়ণতাৰ প্রতীক। আনহাতে ৰাৱণ হ'ল অন্যায় আৰু অশুভ শক্তিৰ প্রতিনিধি। এই শুভ-অশুভৰ সংঘাতত অৱশেষত সৎ শক্তিৰ জয় আৰু অসৎ শক্তিৰ পৰাজয় ৰামায়ণৰ কাহিনীৰ এই গাঁথনিতো বহুতো পৰস্পৰাগত কাহিনীৰ লগত মূলগতভাৱে একে। অর্থাৎ ৰামায়ণত কাৰ্বি সমাজে নিজকে পৰস্পৰাগত প্রমূল্যৰ প্রতিফলন পোৱা নাই বাবে তাক নিজৰ সমাজ জীৱনৰ বহুণ সানি "ছাবিন আলুন" নামেৰে নিজ ঐতিহ্যৰ ভিতৰুৱা কৰি লৈছে।"

ইয়াৰ উপৰিও যৌনগন্ধী গীত, সৃষ্টিতত্ত্ব বিষয়ক গীত, শাও-শপনিৰ গীত, কর্মগীত ইত্যাদিৰ মাজেদি "পী লখিমী"ৰ হুকে কৰা সংগ্রামৰ ইতিহাস আৰু আধ্যাত্মিক উৎকর্ষৰ কথা বর্ণিত বিভিন্ন লোকগীতে কাৰ্বি লোকসাহিত্য চহকী কৰিছে।

কাৰ্বিসকলৰ ফকৰা-যোজনা [illegible] তেওঁলোকৰ জীৱন সম্পর্কে দৃষ্টিভংগী, ৰস ই[illegible] যোজনাবোৰত সুন্দৰকৈ প্রকাশ পাইছে। [illegible] তেওঁলোকৰ এক নিবিড় সম্পর্ক আছিল। প্রকৃ[illegible] কোনোবা ব্যক্তিৰ আচৰণৰ মিল থাকিলে [illegible] কৰিছিল ফকৰা-যোজনাবোৰ জটিল বস্তুটো সহ[illegible] মাধ্যম আছিল এই ফকৰা-যোজনাবোৰ।

অতি প্রাচীন কালৰে পৰা কাৰ্বি স[illegible] ভেল্কিবাজিৰ প্রচলন আছে। যিহেতু তেওঁ[illegible] দেৱীক পূজা কৰে, গতিকে প্রতিজনা দেৱ-[illegible] মন্ত্র পাঠ কৰে। কাৰ্বিসকলে ভাল-বেয়া দুয়োবি[illegible] অহিত কৰিবৰ কাৰণেও তেওঁলোকে [illegible] তেওঁলোকে সন্তান এটি ভূমিস্থ হোৱাৰ লগে[illegible] মন্ত্রৰে আদৰে। তেনেদৰে দেৱতাৰ আগত[illegible] বলি দিয়াৰ সময়ত বিভিন্ন মন্ত্র পাঠ কৰি পৰি[illegible] বেমাৰ-আজাৰ হ'লে তেওঁলোকে ভূতে [illegible] আনকি অৰণ্যলৈ যাওঁতে বিভিন্ন জীৱ-[illegible] তেওঁলোকে বেমাৰ ব্যৱহাৰ কৰে।

"কাৰ্বি জনগোষ্ঠীৰ লোকসাহিত্য[illegible]" (ডিমৰীয়া অঞ্চলৰ বিশেষ উল্লেখসহ) শীর্ষক বিষয়টি বি[illegible] অধ্যয়ন কৰা হৈছে। গৱেষণা পত্রিকাখনিৰ [illegible] গুৰুত্ব, পৰিসৰ, পদ্ধতি আৰু সমল আদি [illegible]

আলোচনাৰ পৰা দেখা যায় সুদূ[illegible] পৰা প্রব্রজিত হোৱা কাৰ্বিসকলে প্রথমে [illegible] বসবাস কৰিছিল। অসমৰ ভৈয়াম অঞ্চল[illegible] কাৰ্বিসকলৰ সামাজিক জীৱন পদ্ধতি, স[illegible] স্বকীয় বিশেষত্ব পৰিলক্ষিত হয়।

◈ ◈ ◈

সহায়ক গ্রন্থঃ ১। শুৰালকুছি-জ্যোতি ঃ স্মৃতিগ্রন্থ, অসম সাহিত্য সভাৰ ৭৫ সংখ্যক শুৰালকুছি অধিবেশন, ২০২০ খ্রীষ্টাব্দ।
২। হাকাচাম, ড° উপেন ৰাভা ঃ অসমীয়া জাতি আৰু সংস্কৃতি, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী।

কার্বি জনগোষ্ঠীৰ খাদ্যাভ্যাস

এক সমীক্ষাত্মক অধ্যয়ন

(ডিমৰীয়া অঞ্চলৰ বিশেষ উল্লেখসহ)

দিপীকা দাস
স্নাতক চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ



কার্বি অসমৰ আদিমবাসী। সকলো জাতিৰে নিজস্ব পৰম্পৰাগত খাদ্য প্রণালী আছে। ঠিক তেনেদৰে কার্বিজাতিয়েও নিজস্ব খাদ্য প্রণালী প্রস্তুত কৰে। তাৰে তলত আলোচনা কৰা হ'ল।

পানীয় জাতীয় খাদ্য ঃ কার্বিসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ অপৰিহার্য পানীয়বিধ হ'ল হৰলাং বা মদ। ঘৰতে তৈয়াৰ কৰা এই পানীয় তেওঁলোকে সভা-সমিতিৰ লগতে বিভিন্ন উৎসৱ-পার্বণ আৰু দৈনন্দিত জীৱনত নিজেও ব্যৱহাৰ কৰে। তেওঁলোকে মদ খোৱাৰ আগমূহূর্তত দেৱতালৈ মদ অর্পণ কৰে। আলহী-অতিথি আহিলে মদেৰে আপ্যায়ন কৰে। পূজা-পাতলৰ লগতে মৃতকৰ শ্রাদ্ধতো মদ নহ'লে নহয়। বিবাহৰ সময়তো মদেৰে ডাঙৰক সন্মান জনাই মদেৰে মাননী ধৰাৰ লগতে বিবাহস্থলীতো মদ খোৱা হয়। কইনা চোৱা, জোৰণ, আঙুঠি পিন্ধোৱা আদি সকলোতে মদৰ প্রয়োজন। যিকোনো নতুন আলহী বা সম্ভ্রান্ত ব্যক্তিক মাননী ধৰিবলৈ হৰলাং লাগিবই। কার্বি লোকসকলে খেতি কৰিবলৈ বা অন্য কোনো কামৰ বাবে ওলাই যাওঁতে মদৰ পাত্র এটি লগত ৰাখে। জন্মৰে পৰা মৃত্যুলৈকে কার্বি সমাজত মদ বা হৰলাং অত্যন্ত প্রয়োজনীয় পানীয়। মদৰ লগতে তেওঁলোকৰ সামাজিক জীৱনৰ প্রতিক্ষেত্রতে তামোল-পাণৰ ব্যৱহাৰ অপৰিহার্য।

আমিষ খাদ্য আৰু নিৰামিষ খাদ্য ঃ আমি খাদ্য বুলি ক'লে কার্বি লোকসকলৰ গাহৰি অতিকৈ প্রিয় খাদ্য। গাহৰিৰ মাংস বাঁহৰ টেঙা গাজেৰে ৰন্ধা কালাংদাং কার্বিসকলৰ এবিধ প্রিয় খাদ্য। কার্বিসকলে গাহৰিৰ মাংস বাঁহৰ চুঙাত সিজাই খায়। কলডিলৰ লগত গাহৰি মাংসৰে সৈতে ৰান্ধি খায়। বনাবলৈয়ো সহজ হোৱাৰ লগত খাবলৈ সোৱাদ হয়। গাহৰি মাংস ৰ'দত বা ধোঁৱাচাঙত দি শুকুৱাই লৈ দুদিনমানৰ পিছত ৰান্ধিলে খুব সোৱাদ লগা হয় যিটো কার্বিসকলে প্রায়ে ৰান্ধে। গাহৰি মাংস আৰু মাটি মাহৰ খাৰেৰে আঞ্জাও ৰন্ধা হয়।

কার্বিসকলৰ নিৰামিষ খাদ্য বুলি ক'লে কচু, মাটি দাইল, কল পচলা আদি। কার্বিসকলে কচুৰ লগত ৰঙালাও, বেঙেনা, অমিতা আদি খাৰ দি ৰান্ধি খায়। কার্বিসকলে

মাটি দইলৰ লগত গাহৰি মাংসৰে আঞ্জাও বনাই খাবলৈ বৰ সোৱাদ হয়। কল পচলা আৰু গাহৰি মাংসৰে বনালে খাবলৈ সোৱাদ হয়, কাৰ্বিসকলৰ অতিকৈ প্ৰিয়। খাদ্য পাচলিৰ ভিতৰত কচু কাৰ্বিসকলৰ জাতীয় খাদ্য।

শুকাই খোৱা খাদ্যভাগ ঃ কাৰ্বিসকলে গাহৰি মাংস, শুকান মাছ, হৰিণাৰ মাংস আৰু চাই নামৰ বনৰীয়া মিথুনৰ মাংস তেওঁলোকে ৰ'দত বা ধোঁৱাচাঙত শুকুৱাই সংৰক্ষণ কৰি থয় আৰু পিছত বিভিন্ন পাচলিৰ লগত খাৰ দি বনাই খায়। শুকান মাংস আৰু শুকান মাছ কাৰ্বিসকলৰ অতি প্ৰিয়। শুকান হৰিণা মাংসৰে বেঙেনা বা অমিতাৰ খাৰৰ আঞ্জা কাৰ্বিসকলৰ এবিধ প্ৰিয় খাদ্য। কাৰ্বিসকলে কিছুমান শাকৰ পাত নিমখ আৰু নহৰু দি কেৰাহীত শুকানকৈ ভজা হয়। কোনো তেল ব্যৱহাৰ নকৰাকৈ কেৰাহীত শুকানকৈ ভাজি সিজোৱাকে কাৰ্বনু পাক্ৰেং বুলি কোৱা হয়। শুকান মাছৰ লগত হানচেৰং টেঙাৰ আঞ্জা কাৰ্বিসকলৰ মাজত বৰ প্ৰিয়। হানচেং টেঙাৰ শাক তাৰাৰ লগত (তৰা গছৰ ভিতৰৰ কোমল অংশ) শুকান মাছ দি ৰন্ধা হয়। থেচ'ৰংমান, হানচেং আৰু বেঙেনাৰ লগত শুকান মাছ দিয়া কালাংদাং তেওঁলোকে খাই ভাল পায়। হেনেচেক কচৰ লগত শুকান মাছ দিয়া খাৰৰ আঞ্জা কাৰ্বিসকলৰ প্ৰিয় খাদ্য।

গছৰ পাত জাতীয় খাদ্য ঃ কাৰ্বিসকলে ল'পং পাত (মদিনা পাত), ৰৰেক জকাচু (মান ধনিয়া) পাত, ডিমৰু আদি মচলা হিচাপে ব্যৱহাৰ কৰে। নিমখ, জলকীয়া আৰু লপংপাত দি মাছৰ টেঙা জোলৰ কালাংদাং ৰন্ধা হয়। কাৰ্বিসকলে চাউলো কলপাত বা ল'ৰো পাতেৰে মেৰিয়াই জোখ মতে পানী দি বাঁহৰ চুঙাত সিজাই খায়। বাঁহৰ টেঙা, গাজৰ লগত আদা, নহৰু বা জিৰলাং, জলকীয়া, নিমখ আৰু ল'পং পাতেৰে গাহৰি বনালে খাবলৈ বৰ সোৱাদ হয়। কাৰ্বিসকলে বিহপাত, তিলপাত আদিও জলকীয়া দি বান্ধি খায়। আমৰলি পৰুৱাও তেওঁলোকে গছৰ পাতেৰে বান্ধি খায়। কাৰ্বিসকলে মৰাপাটো জাতীয় খাদ্য হিচাপে ব্যৱহাৰ কৰে। মৰাপাট ভাজি খাবলৈ বৰ সোৱাদ হয়। মৰাপাট ৰ'দত শুকাই শুকান মাছ বা মাংসৰ লগত নিমখ, জলকীয়াৰে ভাজিলে খুব সোৱাদ হয়। কাৰ্বিসকলে খুবে এই খাদ্য খায়। কাৰ্বিসকলে ডিমৰু পাত গাহৰি মাংসৰ লগত ভীমকলৰ খাৰ, জলকীয়া, নহৰু, নিমখ আদি দি বনালে খাবলৈ সোৱাদ হয়।

কাৰ্বি জনগোষ্ঠীৰ লোক খাদ্যভাগ ঃ

কাৰ্বি লোকসকলৰ প্ৰধান আহাৰ হৈছে ভাত। চৰাই, গাহৰি, ছাগলী আদিৰ মঙহ কাৰ্বি লোকসকলৰ প্ৰিয়। এৰী পলুৰ লেটা, শুকান মাছ আৰু শুক্তি আদিও খাদ্য ব্যৱহাৰ কৰে। পূজা-পাৰ্বণ আদিত হৰ (মদ) নিতাঁতে আৰু সন্মানীয়।

কাৰ্বিসকলৰ পৰম্পৰাগত ৰন্ধন প্ৰণালীত মচলাৰ ব্যৱহাৰ প্ৰায় নাই বুলিয়েই ক'ব পাৰি। তেনে কাৰ্বিসকলে তিলৰ গুড়ি প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰে। মচলাৰ পৰিবৰ্তে প্ৰাকৃতিক পৰিৱেশত পোৱা বিভিন্ন যেনে— ল'পং পাত (মদিনা পাত), জিৰলাং নামৰ নহৰু, তিহাছ' নামৰ পাহাৰীয়া হালধী, ৰৰেক জকাচু (মান পাত আদি মচলা হিচাপে ব্যৱহাৰ কৰে।

কাৰ্বিসকলৰ ৰন্ধন প্ৰণালীত সাধাৰণতে ছয়বিধ খাদ্যসমূহ তৈয়াৰ কৰা হয়। এই পদ্ধতিবোৰক কালাংদাং উপ, কাংমই, কিফি, কাংথু, কিমুং আৰু কাৰ্নু পাক্ৰেং হয়। তিতা আৰু টেঙাৰ ব্যৱহাৰ কাৰ্বি ৰন্ধনত প্ৰায়েই মাংস আৰু শুকান মাছ কাৰ্বিসকলৰ প্ৰিয়। কেঁচা খোৱাতকৈ শুকান কৰি 'তুমান' খোৱাহে তেওঁলোকে কৰে। ঠিক তেনেদৰে কিছুমান মাংস বিশেষকৈ হৰিণ চাই নামৰ বনৰীয়া মিথুনৰ মাংস তেওঁলোকে ৰ'দত বা শুকুৱাই সংৰক্ষণ কৰি থয় আৰু পিছত বিভিন্ন পাচলিৰ খাৰ দি বনাই খায়। গাহৰি মাংস ৰ'দত বা ধোঁৱাচাঙত লৈ দুদিনমানৰ পিছত ৰান্ধিলে খুব সোৱাদ লগা কাৰ্বিসকলে প্ৰায়ে ৰান্ধে।

কালাংদাং ঃ কোনো তেল ব্যৱহাৰ নকৰাকৈ মাছ-মাংস পাচলি আদি সিজোৱাকে কালাংদাং বুলি কোৱা হয়। এই শাক-পাচলি, মাছ বা মাংস আদা, নহৰু, জলকীয়া, নিমখ গুড়ি বা হালধীৰ মিশ্ৰণেৰে সৈতে মাত্ৰ এটা জোখ মতে সিজোৱা হয়। গাহৰিৰ মাংস, মুগীঁৰ মাংস আৰু মাছ কাৰ্বিসকলৰ এবিধ প্ৰিয় খাদ্য। এটা পাত্ৰত জোখমতে

গাহৰি মাংসৰ সৈতে বাঁহৰ টেঙা গাজৰ লগত আদা, নহৰু বা জিৰলাং, জলকীয়া, নিমখ আৰু ল'পংপাত দি সিজোৱা হয়। হালধী আৰু ল'পংপাতৰ পৰিৱৰ্তে তিলৰ গুড়ি দিও গাহৰি আৰু বাঁহৰ টেঙা গাজেৰে কালাংদাং ৰান্ধিব পাৰি।

ঠিক তেনেকৈ মুগীঁৰ মাংসৰো কাৰ্বিসকলে আদা, নহৰু আৰু তিলৰ গুড়িৰে কালাংদাং বনায়। মাংসৰ লগত কিছুমান পাচলি দিয়ো মুগীঁৰ কালাংদাং ৰন্ধা হয়। মাছ আৰু বাঁহৰ টেঙা গাজেৰে আদা, নহৰু, নিমখ, জলকীয়া আৰু ল'পংপাত দি মাছৰ টেঙা জোলৰ কালাংদাং ৰন্ধা হয়।

কাংমই ঃ খাৰ দি প্ৰস্তুত কৰা খাদ্য প্ৰণালীকে 'কাংমই' বুলি কোৱা হয়। কাৰ্বিসকলে কচু, ৰঙালাও, বেঙেনা, অমিতা আদি খাৰ দি ৰান্ধি খায়। খাৰৰ আঞ্জাত সাধাৰণতে সৰু শুকান মাছ আৰু তিলৰ গুড়ি দিয়া হয়। শুকান হৰিণা মাংসৰে বেঙেনা বা অমিতাৰ খাৰৰ আঞ্জা কাৰ্বিসকলৰ এবিধ প্ৰিয় খাদ্য। গাহৰি মাংস আৰু মাটি মাহৰ খাৰৰ আঞ্জাও ৰন্ধা হয়।

কিমুং ঃ বাঁহৰ চুঙাত মাছ-মাংস বা শাক আদি আদা, নহৰু, হালধী, জলকীয়া, নিমখ দি জুইত সিজোৱাকে 'কিমুং' বুলি কোৱা হয়। কাৰ্বিসকলে গাহৰিৰ মাংস, মুগীঁৰ মাংস আৰু মাছ বাঁহৰ চুঙাত সিজাই খায়। কলৰ পাত নতুবা ল'ৰোপাতত মেৰিয়াই মাংস বা মাছ আদা, নহৰু হালধী, জলকীয়া আৰু নিমখ মিহলাই কেঁচা কোমল বাঁহৰ চুঙাত ভৰোৱা হয় আৰু জুইত দি সিজোৱা হয়। কাৰ্বিসকলে চাউলো কলপাত বা ল'ৰোপাতেৰে মেৰিয়াই জোখমতে পানী দি বাঁহৰ চুঙাত সিজাই খায়। বাঁহৰ চুঙাত দাইল আৰু ৰঙা চাহো সিজাই খাব পাৰি।

কাংথু ঃ কলপাত বা হালধী হাতত মাছ-মাংস আৰু শাক আদি আদা, নহৰু, হালধী, জলকীয়া, ল'পং আৰু নিমখ দি জুইৰ আঙঠাৰ মাজত থৈ ভাগত সিজোৱাকে কাংথু বুলি কোৱা হয়। কাৰ্বিসকলে সৰু মাছেৰোৰ সাধাৰণতে কলৰ পাততে দি 'কাংথু' কৰি খায় ভাল পায়। 'মুছি' নামৰ কাঠফুলাৰ 'কাংথু' এবিধ জনপ্ৰিয় খাদ্য।

কিফি ঃ মাছ বা মাংসৰ টুকুৰা জুইৰ আঙঠাত সিজোৱাকে 'কিফি' বুলি কোৱা হয়। পাহাৰীয়া নদীৰ ডাঙৰ মাছ আৰু গাহৰি মাংস কাৰ্বিসকলে 'কিফি' কৰি খাই ভাল পায়।

কাৰ্নু পাক্ৰেং ঃ কোনো তেল ব্যৱহাৰ নকৰাকৈ কেৰাহীত শুকানকৈ ভাজি সিজোৱাকে 'কাৰ্নু পাক্ৰেং' বুলি কোৱা হয়। কিছুমান শাকৰ পাত নিমখ আৰু নহৰু দি কেৰাহীত শুকানকৈ ভজা হয়।

কাৰ্বিসকলৰ খাদ্য তালিকাত প্ৰায়েই টেঙা বা তিতা আঞ্জা থাকে। টেঙাৰ ভিতৰত হানচেৰং (টেঙামৰা), দেলাপ (মধুশুলেং) আৰু হানচে শাকৰ টেঙা আঞ্জা কাৰ্বিসকলৰ মাজত বৰ প্ৰিয়। হানচেৰং টেঙা বিশেষকৈ শুকান মাছ নতুবা কেঁচা মাছ আৰু গাহৰিৰ মাংসৰ লগতো ৰন্ধা হয়। হানচে টেঙাৰ শাক তাৰাৰ লগত (তৰা গছৰ ভিতৰৰ কোমল অংশ) শুকান মাছ দি ৰন্ধা হয়। তাৰোপৰি মাছ আৰু গাহৰিৰ লগতো হানচেং টেঙা আঞ্জা ৰন্ধা হয়। তিতা আঞ্জাৰ ভিতৰত জক আন (তিতা ফুল), ৰিহ' থেচ'কেহ' (তিতা ভেকুৰি) আৰু থেচ'ৰংমান (ভিত তিতা) কাৰ্বিসকলৰ প্ৰিয়। থেচ'ৰংমান, হানচেৰং আৰু বেঙেনাৰ লগত শুকান মাছ দিয়া কালাংদাং তেওঁলোকে খাই ভাল পায়।

কাৰ্বিসকলে পৰম্পৰাগত খাদ্যৰ শাক-পাচলি পাহাৰৰ হাবি-জংঘলৰ প্ৰাকৃতিক পৰিৱেশৰ পৰা সংগ্ৰহ কৰে। বিশেষকৈ দুনকেক (ঢেঁকীয়া), লাং দুং (কলডিল), তাৰা, হানথু (ভজাগুটি), মেহেক, কি কাংনেক (বগী তৰা), ফি লাংদুং (ৰামছৰ), ৰ'ছ'পিবন, হান ৰ'অক, চ'ছত, হান ছাংবি, হান ৰিছাং, হানথাই, হান ৰিপ', ফ্লেৰক্লুং (নেফাফু) আদি শাকবোৰ। তাৰে ভিতৰত তিতাজাতীয় শাক-পাচলি জক আন, ৰিহ' (কাউৰি কেৰেলা) আৰু টেঙাজাতীয় শাক-পাচলি হানচে, দেলাপ, হানচেৰং আদি শাকবোৰ আজিকালি বাৰীতে ৰোৱাৰ ব্যৱস্থা কৰিছে।

কাৰ্বি সমাজত বনৰীয়া কাঠফুলা বৰ প্ৰিয়। খোৱাৰ উপযোগী বনৰীয়া কাঠফুলা কাৰ্বিসকলে অতীজৰে পৰা নামকৰণ কৰি চিনাক্ত কৰি আহিছে। সেইকাৰণে বনৰীয়া কাঠফুলা খাই মৃত্যু হোৱাৰ ঘটনা খুব কম। মুচকপুন, মুপ্লং, মুলকচ', মুৰিক, মো আৰনান, মো ফ্লাকফ্লাক, মুচি আৰু মুফাং আদিয়েই হ'ল কাৰ্বিসকলে খোৱা কাঠফুলা। কাঠফুলা কাৰ্বিসকলে কাংমই নতুনবা কাংথু কৰি খায়।

কাৰ্বিসকলে কচু আৰু আলুজাতীয় খাদ্য পাচলিৰ উপৰিও কিফি বা কিউপ পদ্ধতিৰে সিজাই ৰঙা চাহৰ লগত পৰিৱেশন কৰা হয়। ৰুই ফাৰকং, ৰুইদক, ৰুই চুদ', ৰুই ল'ৰু, ৰুই পাতম, ৰুই ল'বং আদি আলুবোৰ কাৰ্বিসকলে ঝুম খেতি পথাৰত খেতি কৰি আহিছে। হেনতং, হেন দংদাৰ, হেনচেক মেক আং, হেঞ্জেক মেকলক, হেন কেমে, হেন পংছি, হেন ক'ৰে আৰু থাবনাই

আহেন আদিয়েই হ'ল কার্বিসকলে ঝুম খেতিত কৰা কচু। কার্বিসকলে এৰী পলুৱ লেটা, ইংকেত, মৌ পোৱালি, আৰ্তি আতি (আমৰলি টোপ) আদি বিভিন্ন কীট-পতংগ খাদ্য হিচাপে খায়।

কার্বিসকলৰ কেইটামান পৰম্পৰাগত জনপ্ৰিয় খাদ্য হ'ল চাউলৰ পিঠাগুড়িৰ লগত বন্ধা মুৰ্গীৰ মাংসৰ আঞ্জা, বিশেষকৈ ই পূজাৰ সময়ত বন্ধা হয়। আৰু পূজাৰ প্ৰসাদ হিচাপে খোৱা হয়। গাহৰি মাংসৰ লগত কচু আৰু গাজ টেঙাৰ আঞ্জা, মুৰ্গীৰ মাংসৰ লগত ৰঙালাও, কচুপাতৰ লগত গাহৰি মাংসৰ আঞ্জা, মাছৰ লগত হে দংদাৰ আৰু বাঁহ গাজ টেঙাৰ আঞ্জা, গাহৰিৰ মাংসৰ লগত মাটি মাহৰ খাৰৰ আঞ্জা, হাস্তু আৰু হেনচেক কচুৰ শুকান মাছ দিয়া খাৰৰ আঞ্জা ইত্যাদি।

কার্বি জনগোষ্ঠীৰ পূজা-পাতল ঃ

কার্বিসকলে হেম্ফু দেৱতাক তেওঁলোকৰ পৰম আৰাধ্য দেৱতা হিচাপে গণ্য কৰে। হেম্ফু দেৱতাৰ বাহিৰেও আন দুগৰাকী দেৱ-দেৱী হৈছে মুক্ৰাং আৰু ৰাছিনজা। ৰাছিনজা হেম্ফুৰ ভনীয়েক তথা শক্তি অধিষাত্ৰী দেৱী আৰু শান্তি প্ৰদায়িনী মাতৃ। কার্বি সমাজত পালিত বিভিন্ন ধৰণৰ পূজাৰ ভিতৰত ৰংকেৰ, আৰনাম কেথে বা চ'জুন আৰু ৰলকেতেৰ পূজা প্ৰধান।

ৰংকেৰ ঃ এয়া হৈছে এক কৃষিভিত্তিক সমূহীয়া পূজা। ঝুম খেতিৰ আগমূহুৰ্তত এই পূজা কৰা হয়। অপায়-অমংগল, বেমাৰ-আজাৰ, দুৰ্ভিক্ষৰ সময়তো গাঁৱৰ 'হাবে' বা গাঁওবুঢ়াৰ তত্ত্বাৱধানত ৰাজহুৱাভাৱে এই পূজা কৰা হয়। ৰংকেৰ পূজা মূলতে দুবিধ— পিৰ্দা ৰংকেৰ আৰু ৰাতিৰ বা আজ ৰংকেৰ। ইয়াৰ বাহিৰেও অঞ্চলভেদে আন কেইবাপ্ৰকাৰৰ ৰংকেৰ পূজা পালন কৰা হয়। ৰংকেৰ পূজাৰ ভিতৰুৱা এবিধ উল্লেখযোগ্য ৰংকেৰ হৈছে ৰেক্সি বা দেংজা ৰংকেৰ। য'ত অতীজত নৰবলি দিয়া হৈছিল। গৰু, ম'হ পালকসকলে পোহনীয়া জন্তুবোৰৰ অপায়-অমংগলৰ পৰা বচাবলৈ 'ছৰ্কং' ৰংকেৰ পালন কৰে। আজ' ৰংকেৰ পূজা ৰাতি পতা হয়। 'পিদা' ৰংকেৰ গাঁৱৰ পৰা দূৰত পতা হয়, য'ত তিৰোতাৰ প্ৰৱেশ নিষিদ্ধ।

আৰনাম কেথে বা চ'জুন ঃ ই হৈছে কার্বিসকলৰ ব্যক্তিগত পূজা। এই পূজাৰ মূল দেৱতা হৈছে 'ৰাৰিথে' (ইন্দ্ৰ), আৰপি (ৰুদ্ৰ) আৰু বীৰেন (অগ্নি)। এই পূজা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। পূজাত গাহৰি আৰু কুকুৰা চৰাই বলি দিয়া হয়। পূজাৰ অন্তত বিশেষ

বিশেষ ব্যক্তিসকলক স-সন্মানে মদ আৰু মাংস আগবঢ়া

ৰ'লকেতেৰ ঃ এই পূজা বছৰেকত একাৰ পতা হয়। সা ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ কোনো এক শুক্লপক্ষত অনুষ্ঠিত পূজা সৰ্বসাধাৰণ ৰাইজৰ হৈ পিন্‌পসকলে অৰ্থাৎ কার্বি ৰাজপৰিষদ বৰ্গহিহে কৰে। ৰাজপুৰোহিত 'কাথাৰ্ৰুৰ' সম্পন্ন কৰে। ৰ'লকেতেৰ পূজাত হেম্ফু, মুক্ৰাং আৰু একেলগে পূজা দিয়া হয়।

কার্বি জনগোষ্ঠীৰ উৎসৱ-পার্বণ ঃ

কার্বিসকলৰ বিবাহ পদ্ধতি ঃ ছোৱালী এজনীক ঘৰ কৰিবলৈ হ'লে কার্বি সামাজিক প্ৰথানুযায়ী তিনিবাৰ ঘৰলৈ মাননী সহ দৰাপক্ষৰ পৰা যাব লাগে।

(১) দৰাঘৰীয়াৰ গৃহিণীৰ লগত দুই বা তিনিজনী বিবাহি লগত লৈ কন্যা ঘৰলৈ মদ এবটল লৈ আলহী স্ৱৰূপে উ কন্যা ঘৰৰ গৃহিণীৰ সৈতে নানা বিষয়ত কথোপকথন ছোৱালীজনীক বোৱাৰী হিচাপে পাবলৈ থকাৰ ইচ্ছাৰ কৰে। এই প্ৰক্ৰিয়া 'নেংপি নেংছ কাচিং কি' অৰ্থাৎ বুলি কোৱা হয়।

(২) বিয়নী মেলত সন্মতিৰ ইংগিত পোৱা পিছত এই উত্তৰ পাবলৈ প্ৰয়োজনীয় মাননী হৰৱং লগত লৈ মো উপস্থিত হৈ পুনৰ কথা-বতৰা হয়। ইয়াক 'কেপাতিনি' নির্ধাৰণ) বোলা হয়। তৃতীয়বাৰত হৰৱং লৈ মোমাই বিবাহৰ দিন-বাৰ নির্ধাৰণ কৰা হয়। এইদৰে যথাক্ৰমে তি কাম সমাধা হোৱা পাছত এটা শুভ দিন নির্ধাৰণ কৰি দৰাপক্ষৰ লোক বিয়া বৰযাত্ৰী হৈ যায়। কন্যা ঘৰত থকা নিয়মে হৰৱং আৰু মদ অৰ্পণ কৰাৰ লগে লগে বিবাহ আৰম্ভ হয়। সমূহ ৰাইজৰ উপস্থিতিত দৰা-কইনা উভয় প্ৰশ্নোত্তৰ প্ৰদান কৰা পদ্ধতি কথোপকথন হয়। এই পদ্ধতি মোমাই পক্ষই তেওঁলোকক অৰ্পণ কৰা মাননী ৰৱৰং লৈ ইষ্ট দেৱতা প্ৰমুখ্যে আন দেৱ-দেৱতাৰ আশীষ বিচাৰি শ্লোক মাতা হয়। বিয়াত দৰা-কইনা উভয় পক্ষৰ মাজত যৌগেদি পৰস্পৰৰ উদ্দেশ্য আৰু মতামতৰ বিনিময় কৰা দিনা ৰাতি সকলো নিয়ম যথাযথ সমাধা কৰি পিছৰ দিনা কামবোৰ শেষ কৰি যথা সময়ত কন্যাজনী লৈ দৰাঘৰীয়ে যাত্ৰীয়ে স্ব-গৃহাভিমুখে যাত্ৰা কৰে। বিয়া যাত্ৰীয়ে দৰাঘৰত

হোৱা পাছত বিবাহৰ বিবাহ কার্য দ্বিতীয় পর্যায়ৰ নীতি-নিয়ম পালন কৰা হয়। কার্বি সমাজৰ অপৰিহার্য সন্মান হৈছে হৰৱং (লাওপানী) ইয়াৰ অবিহনে কার্বি সমাজৰ বিবাহ-সবাহ একো সম্পন্ন হ'ব নোৱাৰে।

কার্বিসকলৰ মৃতকৰ সংস্কাৰ ঃ কার্বি লোকসকলে মৃতকৰ আত্মাৰ সদ্‌গতিৰ কাৰণে মৃত্যুৰ পিছত কৰা কাঠ সংস্কাৰ বা খৰি দিয়া কার্যই শেষ নহয়। খৰি দিয়া পাছত পুনৰ মৃতকৰ আত্মাৰ শান্তি কামনা কৰি এটা ডাঙৰ মৃত্যু উৎসৱ উদ্‌যাপন কৰা হয়। এই উৎসৱকে চ'মাংকান অর্থাৎ দহা বা শ্ৰাদ্ধ। কার্বিসকলৰ বিশ্বাসমতে 'চ'মাংকান' নকৰিলে মৃতকৰ আত্মাই সম্পূৰ্ণৰূপে পাপ-তাপ, দুখ-ক্লেশ আদিৰ পৰা পৰিত্ৰাণ নাপায়। অনন্ত অনুসৰি 'চ'মাংকান' তিনিপ্ৰকাৰে পতা হয়। যেনে— সাধাৰণ পর্যায়'কান ফ্লাফ্লাং, মধ্যম পর্যায়'লাংটুক আৰু উচ্চ পর্যায়'হার্ণে।

'চ'মাংকান'ৰ প্ৰথম দিনা মৃতকৰ পৰিয়াল-পৰিজনে বাইজক লগত লৈ ঢোলে-ডগৰে নিজৰ 'থিৰি' বা শ্মশানশালীলৈ গে প্ৰতিজন মৃতকৰ চিতাশালি (টিপিত)ৰ পৰা অস্থিৰ সলনি কড়ি (ছ'বাই) এটাকে হাড়ৰ প্ৰতীক ৰূপে গাভৰু এগৰাকীয়ে বোকোচাত কৰি লৈ গৃহস্থৰ ঘৰলৈ আনে। সেয়া যেন মৃতকে পুনৰ জীৱন লাভহে কৰিছে। তেতিয়া মৃতকৰ নিয়ম-নীতি জনা 'ওচেপী' এগৰাকী প্ৰতিকী ৰূপত জীৱন লাভ কৰা ব্যক্তিকেইজনক ৰান্ধি-বাঢ়ি খুৱায়। তাৰ পাছতেই 'ওচেপী' গৰাকীয়ে ঘোষণা কৰে যে এইসকল ব্যক্তিৰ পুনৰ টান নৰিয়া আৰু ওজাই মংগল চাই কয় যে এই সুৰ ভাহি আহে আৰু তেতিয়াৰ পৰাই আৰম্ভ হয় একে লেখাৰিয়ে বিননি তুলি কন্দাৰ পৰম্পৰা। যি গৰাকী মহিলাই বিননি তুলি কান্দে তেওঁক 'কাচাহেপী' বা 'লুঞ্চেপী' বোলে। বিননিত গোন্ধা হয় মৃত ব্যক্তিজনৰ জীৱিত কালৰ মনৰ হেঁপাহৰ কথা। দ্বিতীয় দিনা বিভিন্ন গাঁওৰ পৰা দহা বা শ্ৰাদ্ধৰ থলীলৈ ৰাইজ আহে। বয়সস্থ পুৰুষ-মহিলাই হওঁক বা ডেকা-গাভৰুৱেই হওঁক, প্ৰত্যেকেই মৃতকলৈ মদ, ভাত, বিড়ি, চাধাৰ লগতে খনীয়া তামোল একোখনো যাঁচে। গৃহস্থ ঘৰেও আলহীসকলক সন্মান যাঁচি মদ-পানী খুৱায়। তাৰ লগতে দ্বিতীয় দিনাই 'চ'মাংকান' নাচিবলৈ বিভিন্ন গাঁৱৰ পৰা ডেকা-গাভৰুৰ শিল্পী দলসমূহ আহি মৃতকৰ ঘৰত উপস্থিত হয়। তেওঁলোকে নিজৰ লগত প্ৰতিখন গাঁৱৰ কার্বি জাতীয় প্ৰতীক 'জাম্বিলী আথন' একোটা আনিছিল। 'চ'মাংকান' উৎসৱ কার্বিসকলৰ কৃষ্টিৰ প্ৰাণ বুলি ধৰা হয় যদিও 'জাম্বিলী আথন' কার্বি কৃষ্টিৰ আত্মা বুলি কোৱা হয়। ইহঁলোক আৰু পৰলোকৰ মাজত যোগসূত্ৰ সংস্থাপনার্থে এই প্ৰতীক ব্যৱহাৰ কৰা হয়। তৃতীয় দিনাৰ আবেলিপৰত ঢোলে-ডগৰে মৃতকৰ প্ৰতীক ৰূপৰ খেৰৰ জুমুঠি কেইটা পুনৰ শ্মশানলৈ নিয়া হয়। তেতিয়া এক কৰুণতাৰে ভৰা পৰিৱেশৰ সৃষ্টি হয়। শ্মশানশালিনী চিতাৰ জুইত জুমুঠিবোৰ তুলি দিয়া হয়। কার্বিসকলৰ মতে তেতিয়াহে যেন মৃতকৰ আত্মাই সিপুৰীলৈ যাত্ৰা কৰে আৰু স্বর্গপ্ৰাপ্তি হয়।

ছ'কুৰিপাৰা গাঁওখনৰ জনশ্রুতি বা কিংবদন্তি ঃ

কার্বি জনগোষ্ঠীৰ লোকখাদ্য (ডিমৰীয়া অঞ্চলৰ বিশেষ উল্লেখসহ) শীর্ষক গৱেষণা কর্মত ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিদর্শ হিচাপে অসমৰ কার্বি জনগোষ্ঠীৰ অধ্যুষিত অঞ্চল হিচাপে ডিমৰীয়াৰ অন্তর্গত ছ'কুৰিপাৰা গাঁওখন নির্বাচন কৰা হৈছে। গাঁওখনৰ বর্ণনা এটি তলত দাঙি ধৰা হ'ল—

গাঁওখনৰ চাৰিসীমা ঃ ছ'কুৰিপাৰা গাঁওখনৰ উত্তৰে আছে থাকেক লাংচেং (পাহাৰ), পূৱে আছে চন্দ্ৰজাৰি চুবা, দক্ষিণে তেতেলীগুৰি পথাৰ, দক্ষিণবাম, বমানী, দুৱনী বিল আৰু পশ্চিমে আছে পবিতৰালৈ যোৱা গোপীনাথ বৰদলৈ পথ। উত্তৰ আৰু দক্ষিণ দিশে দূৰত্ব পাঁচ কিলোমিটাৰ আৰু পূৱ আৰু পশ্চিমে প্ৰায় সাত কিলোমিটাৰ।

ভৌগোলিক অৱস্থান ঃ ছ'কুৰিপাৰা গাঁওখন ৯২° ৰ পৰা ৯২°১৫ মিনিট দ্রাঘিমাংশ আৰু ২৬° ৰ পৰা ২৬°১৫ মিনিট অক্ষাংশৰ মাজত অৱস্থিত। ছ'কুৰিপাৰা গাঁওখন কামৰূপ মহানগৰ জিলাৰ সোণাপুৰ ৰাজহ চক্ৰৰ তেতেলীগুৰি ৰেভিনিউ গাঁৱৰ এখন গাঁও। গাঁওখনৰ পূর্বতে ১২০ ঘৰ মানুহে বাস কৰিছিল যদিও বর্তমান সময়ত বিভিন্ন সম্প্ৰদায়ৰ লোক যেনে— কোচ, বড়ো, তিৰা আদি লোকসকলে কার্বি লোকসকলৰ লগতে একেলগে গাঁওখনত বাস কৰাত ডেৰশ ঘৰ মানুহে বর্তমান সময়ত বাস কৰে। বর্তমান সময়ত ছ'কুৰিপাৰা গাঁওখন বিভিন্ন জনগোষ্ঠীৰে মিলনৰ এক সমন্বয়ৰ সমাজ হিচাপে পৰিগণিত হৈছে।

ছ'কুৰিপাৰা নামটোৰ উৎপত্তি ঃ জনপ্ৰবাদ মতে বহু বছৰৰ আগতে এজন বৈৰাগী (সন্যাসী) আহি কার্বি লোকেৰে পৰিপূর্ণ এটি বৃহৎ বসতিপূর্ণ এলেকাত আহি উপস্থিত হৈছিল। এনে এখনি বসতিপূর্ণ এলেকা দেখি বৈৰাগীজন অতিকৈ আচৰিত হৈ পৰিছিল। তেওঁ

মুঠ ঘৰৰ সংখ্যা উলিয়াবলৈ ভিক্ষাৰ চলেৰে এলেকাটিত গৈ ঘৰ গণনা কৰা আৰম্ভ কৰিছিল। শেষ পর্যায়ত তেওঁ প্রায় ১২০ টা মানুহৰ ঘৰ হিচাপ কৰি উলিয়াইছিল। যেতিয়া সেই ঘন বসতিপূর্ণ এলেকাটিত ছয়কুৰি মানুহৰ ঘৰ ওলাইছিল তেতিয়াই তেওঁ সেই বসতিপূর্ণ এলেকাটিৰ নাম দিয়ে 'ছয়কুৰিপাৰা'। তেতিয়াৰ পৰা বর্তমান সময়লৈ 'ছয়কুৰিপাৰা' বুলিয়েই চলি আহিছে। কিন্তু সময়ৰ লগে লগে এই 'ছয়কুৰিপাৰ' নামটো চমুকৈ 'ছ'কুৰিপাৰা' বুলি কোৱা দেখা যায়।

কার্বি জনগোষ্ঠীৰ লোকখাদ্যলৈ অহা পৰিৱর্তিত ৰূপ ঃ

কার্বি সমাজত পৰম্পৰাগতভাৱে পতা বিবাহৰ অনুষ্ঠানসমূহত গাহৰি মাংস আৰু চাউলৰ পৰা বনোৱা মদ 'জৌ'ৰ প্রচলন উভৈনদী আছিল। আজিকালি ঘৰত বনোৱা মদৰ বাহিৰেও বিলাতী সুৰাৰ প্রচলন অধিক হোৱা দেখা গৈছে। দেখা যায় যে চহৰাঞ্চলৰ মানুহে বিলাতী সুৰা পছন্দ কৰে আৰু গাঁৱৰ মানুহে পৰম্পৰাগতভাৱে বনোৱা মদ বেছি ভাল পায়। গাহৰি মাংসৰ বাহিৰেও খাহী বা পঠাৰ মাংসও বিয়াসমূহত আয়োজন কৰা দেখা যায়। বর্তমান কার্বি সমাজত নিৰামিষ আহাৰৰ বিশেষ আয়োজন কৰা দেখা যায়। যেনে— কচু, মাটি দাইল, কলপচলা আদি।

উপসংহাৰ ঃ

কার্বি (মিকিৰ) জনগোষ্ঠীৰ লোকখাদ্য ঃ এক সমীক্ষাত্মক অধ্যয়ন (ডিমৰুৱা অঞ্চলৰ বিশেষ উল্লেখসহ) শীর্ষক বিষয়টি বিভিন্ন অধ্যায়ৰ জৰিয়তে অধ্যয়ন কৰা হৈছে।

গৱেষণা গ্রন্থখনিৰ অৱতৰণিকাত প্রস্তাৱিত গৱেষণাৰ বিষয় আৰু পৰিসৰ, গুৰুত্ব আৰু তাৎপর্য, উদ্দেশ্য আৰু লক্ষ্য, বিষয়বস্তু, প্রমেয়, পদ্ধতি আৰু সমল, পূর্ণ মূল্যায়ন, খতিয়ান দেখুওৱা হৈছে।

প্রথমতে কার্বি জনজাতিসমূহৰ পৰিচয়মূলক টোকা ধৰা হৈছে। তেওঁলোকৰ ন-গোষ্ঠীয় পৰিচয়, প্রব্রজন আৰু বর্তমান বাসস্থান, কার্বি শব্দৰ আঁতিগুৰি আৰু জনসংখ্যা সম্পর্কে অধ্যায়ত আলোচনা কৰা হৈছে।

লগতে কার্বি জনজাতিসকলৰ অন্যান্য খাদ্য যেনে— পানীয় জাতীয় খাদ্য, আমিষ খাদ্য আৰু নিৰামিষ খাদ্য, গুথোৱা খাদ্যভাগ আৰু গছৰ পাতজাতীয় খাদ্য সম্পর্কে আলোচনা দাঙি ধৰা হৈছে। ডিমৰীয়া অঞ্চলৰ কার্বিসকলৰ লোকখাদ্য সম্পর্কে আলোচনা আগবঢ়োৱা হৈছে। এই জনজাতিসমূহৰ পৰম্পৰাগত জনপ্রিয় খাদ্য, এই লোকসকলৰ প্রধান আহাৰ কি মচলা, বিভিন্ন ধৰণৰ মাংস আৰু অন্যান্য খাদ্যসমূহৰ সম্পর্কে অধ্যয়ন আগবঢ়োৱা হ'ল। কার্বি জনজাতিসমূহৰ পূজা-পাতল সম্পর্কে আলোচনা কৰা হ'ল। এই লোকসকলে পালন কৰা পূজা-পাতল কেনেধৰণে অনুষ্ঠিত কৰা হয়, এই পূজাত কি কি বলি দিয়া হয়, পূজালৈ অহা অতিথিক কেনেকৈ সন্মান আগবঢ়োৱা হয় সেই সম্পর্কে অধ্যয়ন দাঙি ধৰা হৈছে। অৱশেষত কার্বি জনজাতিসকলৰ উৎসৱ-পার্বণ সম্পর্কে দাঙি ধৰা হৈছে। কার্বি জনজাতিসকলৰ বিবাহ পদ্ধতি আৰু মৃতকৰ সংস্কাৰ সম্পর্কে অধ্যায়ত আলোচনা কৰা হৈছে। লগতে ছ'কুৰিপাৰা গাঁওৰ জনশ্রুতি বা কিংবদন্তি সম্পর্কে আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়ত কার্বি জনগোষ্ঠীৰ লোকখাদ্যলৈ পৰিৱর্তিত ৰূপ সম্পর্কে আলোচনা কৰা হৈছে।

◈ ◈ ◈

"এই পৃথিৱীত য'তবিলাক মস্কিলৰ কাম আছে তাৰ ভিতৰত সমালোচনা কৰাটোও এটা। কিন্তু আশ্চর্য্যৰ বিষয় এইহে যে সেইটো কাম সৰহভাগ মানুহে ইমান ঢিলা বুলি ভাবে যে খেৰণিয়ে বননিয়ে সমালোচক।"

— লক্ষ্মীনাথ বেজবৰুৱা

অসমৰ প্রাকৃতিক পর্যটনৰ সমস্যা আৰু সম্ভাৱনীয়তা

মনিষা বেগম
স্নাতক তৃতীয় ষান্মাসিক

অসম যাৰ অর্থ হৈছে অসমান। সঁচাকৈয়ে প্রাকৃতিক সৌন্দর্য্যৰে ভৰপূৰ অসমৰ প্রাকৃতিক পৰিৱেশ অতি বিনন্দীয়া। পাহাৰ-ভৈয়াম, নদ-নদী, বাৰেৰহণীয়া সংস্কৃতি আৰু প্রকৃতিৰ সেউজীয়া আঁচলৰে আৱৰি থকা এজনী যৌৱনা গাভৰু। মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ, জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভা আদি মহান মহান ব্যক্তিসকলৰ পৰশত অসমত কেতিয়াবা মাতৃ ৰূপত, কেতিয়াবা গাভৰু ৰূপত, আকৌ কেতিয়াবা সাত বাই-ভনীৰ ৰূপত প্রকাশিত হৈ আহিছে। অসমৰ আপুৰুগীয়া সম্পদ এশিঙীয়া গড়, সোণালী বান্দৰ, চিতা বাঘ, কপৌ ফুল, মুগা পলু, চাহ পৃথিৱীত বিখ্যাত। পর্যটন বিভাগৰ প্রচুৰ সম্ভাৱনীয়তা থকা এইখন অসমতে বিভিন্ন ধর্মৰো অৱস্থিতি পোৱা যায়। বিখ্যাত কামাখ্যা ধামৰ পৰা আজান পীঠৰ দৰগাহলৈ, উষা-অনিৰুদ্ধৰ প্রেমৰ গাঁথাৰ পৰা আহোমৰ ৰমণী জয়মতীৰ দেশত্যাগলৈ, বৃহত্তৰ নদী-দ্বীপ মাজুলীৰ পৰা ক্ষুদ্রতম দ্বীপ উমানন্দলৈ অসমত বহুতো সম্পদৰ অৱস্থিতি বিদ্যমান। অসমৰ পর্যটনৰ ভেটি হৈছে বন্যপ্রাণী, প্রাকৃতিক সৌন্দর্য্য, বৈশিষ্ট্যপূর্ণ উদ্ভিদ আৰু প্রাণী, পৱিত্র ধাম, সেউজ চাহ বাগান, খৰস্রোতা নদী, বর্ণিল আৰু নানাৰঙী সংস্কৃতি। অসমত পর্যটন উদ্যোগৰ সম্ভাৱনীয়তা প্রচুৰ আৰু এইক্ষেত্রত বাণিজ্যিকৰণৰ যথেষ্ট থল আছে। ১৯ শতিকাত শিল্প বিপ্লৱে সৃষ্টি কৰা পৰিৱেশ-পৰিস্থিতি, মানুহৰ ৰুচিবোধৰ পৰিৱর্তন আদিৰ ফলত ভ্রমণৰ এক জটিল আৰু আধুনিক ধাৰণা 'পর্যটন' আৰু 'পর্যটন'ৰ সকলো দিশ সামৰি 'পর্যটন উদ্যোগ'ৰ সৃষ্টি হ'ল বুলি ক'ব পাৰি। কোনো এখন ঠাইলৈ ব্যক্তিয়ে ভ্রমণলৈ যোৱাৰ আগতে যোগাযোগ, পৰিৱেশ, লোকাচাৰ, খাদ্যাভ্যাস আদি সম্পর্কে অৱগত হয়। অসমৰ প্রাকৃতিক পর্যটনৰ ক্ষেত্রখনত সমস্যাও নথকা নহয়। ইয়াতে বিভিন্ন সমস্যাই গা কৰি উঠিছে।

অসমৰ প্রাকৃতিক পর্যটনৰ সমস্যাসমূহ ঃ

(ক) অসমৰ পর্যটনৰ ক্ষেত্রত মূলধনৰ বিনিয়োগ পর্যাপ্ত পৰিমাণৰ নহয়।

(খ) ৰাজ্যখনৰ পর্যটনৰ স্থলসমূহৰ বিষয়ে চলোৱা তেনেই সীমিত প্রচাৰ কার্যসূচীৰ বাবে বিদেশী পর্যটকসকল আকর্ষিত নহয়।

(গ) পর্যটন স্থলীসমূহলৈ যাবলৈ অনুন্নত পৰিবহণ ব্যৱস্থা।

(ঘ) পর্যটন স্থলীসমূহৰ উপযুক্ত উন্নয়নৰ বাবে সু-পৰিকল্পনাৰ অভাৱ।

(ঙ) ৰাজধানী চহৰখনৰ বাহিৰে জিলা সদৰ বা অন্য স্থানসমূহৰ বুনিয়াদী সা-সুবিধাৰ শোচনীয় অৱস্থা।

(চ) ৰাজ্যখনৰ বিভিন্ন অংশলৈ আকাশী পৰিবহণ ব্যৱস্থাৰ অভাৱ।

(ছ) অসমত প্রায়ে দেখা দিয়া বিদ্রোহী সমস্যাৰ বাবে অসম ভ্রমণ কৰাৰ ক্ষেত্রত পর্যটকসকলে কৰা শংকাবোধ।

অসমৰ এই পর্যটন সমস্যাসমূহ দূৰ কৰিবলৈ হ'লে সু-পৰিকল্পিতভাৱে আন্তঃগাঁথনিবোৰৰ উন্নতি কৰিব লাগিব। ব্যক্তিগত খণ্ডক জড়িত কৰিব লাগিব, কিন্তু পৰিকল্পনাবোৰ চৰকাৰে সু-সংগঠিতভাৱে কৰিব লাগিব। পর্যটক এজন অসমলৈ আহি বিশেষ কর্তৃপক্ষক যোগাযোগ কৰাৰ লগে লগে পর্যটকজনৰ ইচ্ছা অনুযায়ী ভ্রমণৰ ব্যৱস্থা থাকিব লাগিব। একাদিক্রমে সকলো পর্যটনস্থলী প্রদর্শনৰ ব্যৱস্থা থাকিব লাগিব। লগতে খোৱা-লোৱা, থকাৰ উপৰি পর্যটনস্থলীবোৰ সুন্দৰভাৱে সজাই-পৰাই তোলা, পৰিস্কাৰ শৌচালয়ৰ ব্যৱস্থা আদিবোৰ কৰিব লাগিব।

মূল সমস্যা হ'ল পর্যটকক আকর্ষিত কৰিব পৰা আন্তঃগাঁথনি, পর্যটকৰ বাবে সা-সুবিধা, সংগঠিত পর্যটনথলী। বহু কৌটি টকা ৰাজহৰ ধন খৰচ কৰি প্রিয়ংকা চোপ্রাক ব্রেণ্ড এম্বেছাডৰ কৰি প্রচাৰৰ বাবে নিয়োগ কৰিলেও অসমলৈ পর্যটক

নাহে যদিহে অসমলৈ অহাৰ পাছত থকা, খোৱা, নিৰাপত্তা, পৰিবহণ, পৰ্যটনস্থলীবোৰলৈ যোৱাৰ বাবে সংগঠিত ব্যৱস্থা নাথাকে তথা পৰ্যটনস্থলীবোৰ উপভোগ্য আৰু দৰ্শনযোগ্য নহয় আৰু তেওঁলোকে বুজি পোৱা ভাষাত বুজাই কোৱা বা ব্যাখ্যা কৰাৰ সুবিধাবোৰ নাথাকে।

ৰাজ্যখনৰ পৰ্যটনৰ স্থলসমূহৰ বিষয়ে চলোৱা প্ৰচাৰ তেনেই সীমিত। এইটো এটা ডাঙৰ সমস্যা। কি কাৰণে দৰ্শন কৰিবলগীয়া, কেনেকৈ যাব পাৰি, ক'ত থাকিব পাৰি আদি তথ্য ইণ্টাৰনেট মাধ্যমৰ ছ'ছিয়েল নেটৱৰ্কিং চাইটবোৰৰ জৰিয়তে বাইজৰ আগত দাঙি ধৰিব লাগে। তাৰ ফলত আমাৰ ৰাজ্যখনৰ লগতে পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা লোকসকলে সেই দৰ্শনি কৰিবলগীয়া ঠাইবোৰৰ বিষয়ে আভাস পাবলৈ সক্ষম হ'ব।

অনুন্নত পৰিবহণ ব্যৱস্থা। এজন পৰ্যটক যদি গুৱাহাটী বিমানবন্দৰ বা ৰে'লৱে ষ্টেচনত উপস্থিত হয় তাৰ পৰা তেওঁক পৰ্যটন বিভাগৰ লোকে চম্ভালি লৈ কোনেও ঠগিব লোৱাকৈ পৰিবহণৰ ব্যৱস্থা কৰে, পৰ্যটকজনৰ সামৰ্থ অনুযায়ী হোটেল বা থকাৰ ব্যৱস্থা কৰি দিয়াটো দৰকাৰী।

আন এক গুৰুত্বপূৰ্ণ সমস্যা হ'ল পৰ্যটকজনে পৰ্যটনস্থলীবোৰ দৰ্শন কৰাৰ প্ৰকৃত সুবিধা তথা দৰ্শনৰ সামগ্ৰী। কোনো এজন পৰ্যটক ওড়িশাৰ পুৰী চহৰৰ হোটেল এখনত থাকি তেওঁ ইচ্ছা কৰা ধৰণে ফুৰাৰ তথা দৰ্শনৰ সুবিধা আছে। পুৰাই পৰ্যটকজনক কণ্ডাক্টেড টুৰিষ্ট বাছে লৈ যায় আৰু পুৰীৰ পৰা আৰম্ভ কৰি ৰাষ্টাতে সমস্ত পৰ্যটন মন্দিৰ, থলীবোৰ প্ৰদৰ্শন কৰাই বাছখনে সন্ধিয়া হোটেলত থৈ যায়। কিন্তু গুৱাহাটীলৈ পৰ্যটক এজন আহিলে নিজে সিদ্ধান্ত ল'ব লাগে কামাখ্যালৈ যাব নে বশিষ্ঠলৈ যাব নে উমানন্দলৈ যাব আৰু সেই মতেই তেওঁ নিজে পৰিবহণ ব্যৱস্থা কৰিব লাগে।

বাট-পথ, যাতায়তৰ ব্যৱস্থা সুচল নহ'লে পৰ্যটকে বিৰক্ত অনুভৱ কৰিব পাৰে। পৰ্যটনস্থানলৈ যাতায়ত আৰু যোগাযোগ ব্যৱস্থা উন্নত কৰিব লাগিব। পৰ্যটনথলীৰ আশে-পাশে থকা লোকসকল অতিথিপৰায়ণ আৰু শিষ্টাচাৰী হ'ব লাগিব।

ৰাজ্যখনত পৰিৱেশ পৰ্যটনৰ প্ৰসাৰতা যেনেদৰে হ'ব লাগিছিল তেনেদৰে হোৱা নাই। ইয়াৰ বাবে আমাৰ জ্ঞান, উপযুক্ত আঁচনি, প্ৰচাৰ আৰু আন্তঃগাঁথনিৰ অভাৱ, পৰিৱেশ প্ৰকৃতি সুৰক্ষাৰ প্ৰতি থকা দায়ৱদ্ধতাই মূলতে জগৰীয়া। বানপানী, ভূমিকম্প, ভূমিস্খলন, বৃষ্টিপাত আদি প্ৰাকৃতিক সমস্যাসমূহৰ লগতে প্ৰকৃতিৰ সঞ্চালন নকৰাকৈ মানুহে জধেমধে গঢ়ি তোলা কৃত্ৰিম সমস্যাবোৰেও অসমৰ প্ৰাকৃতিক পৰ্যটনৰ সমস্যা হিচাপে গণ্য হৈছে।

কিন্তু যদি আমি এই সমস্যাসমূহক সু-পৰিকল্পিত সমাধানৰ চেষ্টা কৰো তেন্তে নিশ্চিতভাৱে অসমৰ পৰ্যটনে এক সুদূৰপ্ৰসাৰী ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম। পৰিৱেশ পৰ্যটনৰ সম্প্ৰসাৰণে প্ৰকৃতিৰ সন্তুলন তথা ভাৰসাম্য নিয়ন্ত্ৰণ কৰাটো যথেষ্ট সহায় কৰিব। লগতে ই পৰিবেশ আৰু প্ৰদূষণমুক্ত কৰোৱাত সহায় কৰিব। ইয়াৰ অনুকূল ফল পৰ্যটনে স্থানীয় অধিবাসীসকলৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক ইত্যাদি দিশসমূহকো সমৃদ্ধিশালী কৰিব বুলি ভৰসা পাৰি। যিহেতু পৰিবেশ পৰ্যটনে এনে এক ভাৰসাম্য বজাই পৰিবেশক উপভোগ কৰিব আৰু পৰিবেশৰ ভৌতিক নকৰাকৈ ইয়াৰ উন্নয়নৰ বাবে জ্ঞান আহৰণ কৰি সংৰক্ষণ চিন্তা-চৰ্চা কৰিব।

অসমৰ প্ৰাকৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা ঃ

সাম্প্ৰতিক বিশ্বত পৰ্যটন উদ্যোগটোৱে যথেষ্ট প্ৰসাৰতা লাভ কৰিছে। এইক্ষেত্ৰত আমাৰ দেশ ভাগ্যবান নাই। বিভিন্ন কাৰণৰ বশৱৰ্তী হৈ এজন পৰ্যটক শাৰীলৈ উন্নীত হয়। পৰ্যটকসকলৰ ভ্ৰমণৰ উদ্দেশ্যক আমি ইয়াক বিভিন্ন ভাগত যেনে— সাংস্কৃতিক পৰ্যটন, চিকিৎসা পৰ্যটন, ক্ৰীড়া পৰ্যটন, হেৰিটেজ পৰ্যটন, এডভেঞ্চাৰ পৰ্যটন, কৃষি-স্বাস্থ্য-বন্যস্থলী পৰ্যটন, গাঁৱলীয়া আদিত বিভক্ত কৰিব পাৰি। উল্লেখযোগ্য যে পৰ্যটন ভাগসমূহৰ ভিতৰত সাম্প্ৰতিক বিশ্বত আটাইতকৈ বেছি আৰু লাভজনক হিচাপে বিবেচিত হোৱা পৰ্যটনবিধ হৈছে পৰ্যটন অৰ্থাৎ ইক' টুৰিজিম। বৈশিষ্ট্য তথা উদ্দেশ্যৰ এই পৰ্যটনৰ প্ৰয়োজনীয়তাৰ ইতিবাচক ভূমিকা যথেষ্ট কথা বিশেষভাৱে মন কৰিবলগীয়া যে পৰ্যটন উদ্যোগ অন্তৰালত প্ৰকৃতিৰ অৱদানেই প্ৰথম তথা সৰহ। বিভিন্ন আৰু গৱেষণাৰ পৰাও এটা কথা দেখা দেখিকৈ প্ৰমাণ ভৌতিক পৰিৱেশৰ ওপৰত পৰ্যটনৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ এতেকে এই সমূহ দিশৰ পৰাও ক'ললে গ'লে পৰিবেশ প্ৰকৃতিৰ অবিহনে পৰ্যটন ক্ষেত্ৰখন কল্পনাহীন। পৰিবেশ হৈছে পৰ্যটন ক্ষেত্ৰখনৰ ন-কৈ সংযোজিত হোৱা এক সম্পদ। পৰ্যটনৰ প্ৰধান উপাদান তিনিটা হৈছে পৰিবেশ-প্ৰকৃতি, আৰু স্থানীয় বাসিন্দা। পৰিৱেশৰ ওপৰত কোনো ধৰণৰ অনিষ্ট তথা প্ৰভাৱ বিস্তাৰ নকৰাকৈ পৰিৱেশৰ লগতে ইয়াৰ

লোকসকলৰো যাতে উন্নতি সাধন হয় তাৰ প্ৰতিও লক্ষ্য ৰাখি প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সম্পদেৰে চহকী ঠাইসমূহত পৰ্যটকসকলৰ আগমনৰ যোগেদি যি প্ৰকাৰৰ পৰ্যটন গঢ়ি উঠে সেয়াই হৈছে মূলতঃ ইক' টুৰিজিম অৰ্থাৎ পৰিৱেশ পৰ্যটন। এই শ্ৰেণীৰ পৰ্যটনত অন্তৰ্ভূক্ত পৰ্যটকসকলৰ মূল উদ্দেশ্য হৈছে পৰিৱেশ প্ৰকৃতিৰ একো অনিষ্ট নকৰাকৈ বৰঞ্চ এই সমূহৰ সুৰক্ষা আৰু সংৰক্ষণৰ যোগেদি প্ৰকৃতিৰ ৰূপ-ৰং, সৌন্দৰ্য্য তথা ইয়াৰ নৈসৰ্গিকতাক উপভোগ কৰা।

পৰ্যটন উদ্যোগৰ ব্যক্তি বিশেষ আৰু বিভিন্ন সম্পদৰ সমন্বয়ৰ পৰিপ্ৰেক্ষিতত বিকাশ সাধন হয়। পৰ্যটন সম্ভাৱনীয়তাৰ সৈতে অঞ্চলটোৰ সামাজিক, ভৌগোলিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু পৰিৱেশৰ লগত জড়িত বিষয়সমূহে প্ৰাধান্য লাভ কৰে।

পৰ্যটন সম্ভাৱনীয়তাৰ দ্বাৰাহে পৰ্যটনৰ অগ্ৰগতি ঠাৱৰ কৰিব পাৰি। ভৱিষ্যতে অধিক হাৰত যাতে মুনাফা আদায় কৰিব পাৰি সেয়াই হৈছে মূল কথা।

পৰ্যটনৰ পৰিমাণ অৰ্থনীতিৰ দুটাৰ সুতৰ ওপৰত নিৰ্ভৰশীল— চাহিদা আৰু যোগান। চাহিদা বুলিলে পৰ্যটকে চাব বিচৰা বিষয়বস্তুৰ সঠিক উপস্থাপন আৰু সেই অনুপাতে স্থানীয় নাগৰিকে পৰ্যটকক যোগান ধৰা সা-সুবিধা, সৌন্দৰ্য্যৰ ওপৰত পৰ্যটনৰ গতিশীলতা নিশ্চিত হয়। এই নীতিৰ অন্তৰালত পৰ্যটনৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত সোমাই থাকে। ১৯৮২ চনৰ নৱেম্বৰ মাহত প্ৰথমবাৰৰ বাবে চৰকাৰে পৰ্যটনৰ পৰিকল্পনা নীতি ঘোষণা কৰিছিল। পৰ্যটন সম্ভাৱনীয়তা কাৰ্যকৰী চাৰিটা বিষয়ত হোৱা দেখা যায়—

(ক) আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ঃ ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰিবহণ অৰ্থাৎ বিমান, ৰে'ল, যান-বাহনৰ সেৱা, বিভিন্ন ৰাষ্ট্ৰৰ মাজত পৰ্যটকৰ ভ্ৰমণ ব্যৱস্থা, বাণিজ্যিক, প্ৰচাৰ কাৰ্যক্ৰমৰ সৈতে জড়িত।

(খ) ৰাষ্ট্ৰীয় পৰ্যায়ত ঃ ৰাষ্ট্ৰীয় পৰ্যায়ত পৰ্যটন নীতি, বাসস্থান, অন্যান্য সা-সুবিধা, সেৱা পৰিবহণ ব্যৱস্থা, বিধিগত ব্যৱস্থা, বিনিয়োগ ব্যৱস্থা, পৰ্যটনৰ বাণিজ্যিক নীতি, প্ৰচাৰ আৰু প্ৰসাৰ, সামাজিক, অৰ্থনৈতিক, ৰাজনীতি, সাংস্কৃতিক দিশসমূহ।

(গ) আঞ্চলিক পৰ্যায়ত ঃ আঞ্চলিক নীতিসমূহ, পৰিবহণ ব্যৱস্থা, বাণিজ্যিক নীতি, পৰ্যটনৰ স্থান, বাসস্থান, আকৰ্ষণ আৰু অন্যান্য সা-সুবিধা, বিধিগত নীতি-নিয়ম, বিনিয়োগ ব্যৱস্থা, আন্তঃগাঁথনি আদিৰ ওপৰত পৰ্যটন নিৰ্ভ�ৰশীল।

(ঘ) স্থানীয় পৰ্যায়ত ঃ স্থানীয় পৰ্যায়ৰ পৰিবহণ, বাসস্থান, খাদ্য, যাতায়ত, খোৱাৰ ধৰণ, শিক্ষাৰ মানদণ্ড আদিৰ সৈতে পৰিকল্পনাৰ সম্পৰ্কৰ কথা আলোচনা কৰা হ'ব।

পৰ্যটনৰ মূল আকৰ্ষণ হৈছে সেই অঞ্চলৰ সেৱাৰ বাবে ব্যৱহাৰ কৰা সম্পদ। এনে সম্পদসমূহ হৈছে—

(ক) প্ৰাকৃতিক সম্পদ ঃ উদ্ভিদজাত, জীৱকূল, জলবায়ু, বনজ, জলজ আদি সম্পদসমূহ।

(খ) সাংস্কৃতিক সম্পদ ঃ ঐতিহাসিক, সাংস্কৃতিক, পুৰাতাত্ত্বিক, স্থান স্মাৰক, ধৰ্মীয় অনুষ্ঠান, উৎসৱ-পাৰ্বণ, পৰম্পৰাৰ সৈতে জড়িত সম্পদ।

(গ) মানৱ সম্পদ ঃ আতিথ্য, পৰিকল্পনাৰ দক্ষতা, শ্ৰমশক্তি, কলাকাৰ আদি।

(ঘ) মূলধন ঃ আন্তঃগাঁথনি, ব্যয়, লাভ-লোকচান, বিত্তীয় স্থিতি আদি।

পৰ্যটনৰ উন্নীতকৰণৰ জৰিয়তে এখন দেশৰ অৰ্থনৈতিক দিশৰ কিছু ক্ষেত্ৰত টনকিয়াল কৰিব পাৰি। পৰ্যটনৰ সৈতে বজাৰ ব্যৱস্থাৰ সংযোগৰ ফলতেই থলুৱা সামগ্ৰী চকুত লগাকৈ সজাই-পৰাই বিক্ৰী কৰিব পাৰিলে অধিক লাভৱান হ'ব পাৰে। উদাহৰণস্বৰূপে, এখন সাগৰৰ তীৰক বা নদীৰ তীৰকো মনো�ৰঞ্জনৰ থলী ৰূপে ধৰিব পাৰি। কেৰালাৰ নদীৰ বুকুতে গঢ়ি উঠিছে পৰ্যটনৰ স্থলী। নদীত থকা নাওবোৰ একো একোটা পৰ্যটকৰ বাবে থকাৰ ৰুম হিচাপে নিৰ্মাণ কৰা দেখা যায়। ইয়াৰ ভিতৰতে থকা, খোৱা-লোৱাৰ ব্যৱহাৰ লগতে পৰিভ্ৰমণ কৰিব পাৰে। তদুপৰি সেই অঞ্চলৰ থলুৱা আচাৰ, ঐতিহাসিক স্মৃতিচিহ্ন আৰু লোকনৃত্য পৰিৱেশনৰ জৰিয়তে এক সুন্দৰ ক্ষেত্ৰ গঢ়ি তুলিব পাৰি।

এনেধৰণে প্ৰত্যেক অঞ্চলৰ লোক আৰু চৰকাৰে কিছুমান দিশ ন ৰূপ দি উন্নত কৰিব লাগে। ঐতিহাসিক স্মৃতিচিহ্ন, স্থাপত্য ভাস্কৰ্য আদিৰ ন ন ৰূপত বাহ্যিক দিশবোৰ উন্নত কৰিও পৰ্যটনৰ আকৰ্ষণ কৰিব পৰাৰ আঁচনি কৰিব লাগে। সেইদৰে কৃত্ৰিমতাৰে সৰু ল'ৰা-ছোৱালীৰ বাবে পাৰ্ক-উদ্যান প্ৰস্তুত কৰি আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰাৰ চেষ্টা কৰিলেহে পৰ্যটনৰ ব্যৱস্থা টনকিয়াল হ'ব।

গতিকে প্ৰত্যেক দেশৰ চৰকাৰ বা এই উদ্যোগসমূহে ন ন আঁচনি প্ৰস্তুত কৰি সময়ৰ লগে লগে কামসমূহ সফল ৰূপ দিব লাগে আৰু পুৰণি আঁচনিসমূহ সংশোধন কৰাৰ প্ৰয়োজন থাকে। এনেধৰণৰ পৰ্যটনৰ পৰিকল্পনাৰ আঁচনি গ্ৰহণ কৰিব পাৰিলে সফল হ'ব পাৰি।

কোনো এখন ঠাইলৈ ব্যক্তিয়ে ভ্ৰমণলৈ যোৱাৰ আগতে

যোগাযোগ, পৰিৱেশ, লোকাচাৰ, খাদ্যাভ্যাস আদি সম্পর্কে অৱগত হয়। যদি নিম্ন প্রয়োজনীয় দিশসমূহ সহজে লাভ নকৰে তেতিয়া সেই ঠাইৰ প্রতি আকর্ষিত নহয়। গতিকে তলত দিয়া বিষয়সমূহৰ প্রতি চকু ৰখাটো দৰকাৰ। পর্যটনস্থলী গঢ়ি তুলিবলৈ নিম্নতম নিয়মখিনি উন্নত কৰিব পাৰিলেহে পর্যটকৰ সমাগম বেছিকৈ হোৱা যাব। তলত এই সন্দর্ভত আলোচনা কৰা হ'ল—

(ক) জলবায়ু ঃ পর্যটকসকলে অৱসৰ বিনোদনৰ বাবেই হওক বা মানৰ মনৰ অৱসাদ দূৰ কৰিবলৈ হওক কিছুমান মৃদু জলবায়ুৰ ঠাই বিচাৰে। যেতিয়া বতৰ ভাল হয়, মৃদু হয়, নতুবা ভাল বতৰ হয়, তেতিয়া ভ্রমণৰ অভিজ্ঞতা সুখপ্রদ হয় আৰু বেয়া বতৰ হ'লে ভ্রমণৰ মাদকতা নোহোৱা হৈ পৰে। দেখা যায় যে সদায় গৰম ঠাইত বাস কৰা লোকে পাহাৰীয়া শীতল পৰিৱেশলৈ যাবলৈ ভাল পায়। পাহাৰীয়া শীতল জলবায়ুৱে সকলোকে প্রভাৱিত কৰা দেখা যায়। সেইদৰে সাগৰৰ পা�ৰৰ ঠাই বা নদীৰ তীৰৰ অঞ্চলবোৰ সকলো পর্যটকৰে আকর্ষণ হয়।

(খ) প্রাকৃতিক পৰিৱেশ ঃ প্রকৃতিৰ অনুপম দৃশ্যৰাজি আৰু সেইবোৰৰ নৈসর্গিক শোভাই পর্যটকসকলক আকর্ষণ কৰে। এখন ঠাইৰ পাহাৰ, পর্বত, মৰুভূমি, অৰণ্য, হাবি, বন, জলবায়ু আদিৰ কথা ক'ব লাগিব। যিবোৰ ঠাইত যান্ত্রিকতাৰ বহুল প্রয়োগ হোৱা নাই সেইবোৰ আকর্ষণ কৰা দেখা যায়। সেয়েহে প্রাকৃতিক পৰিৱেশসমূহৰ সৌন্দর্য্যময়ী, চাফ-চিকুণকৈ ৰখাৰ লগতে ন ন চকুত লগা আঁচনি তৈয়াৰ কৰিব লাগে।

(গ) ঐতিহ্য আৰু সাংস্কৃতিক বৈশিষ্ট্য ঃ কোনো এখন দেশৰ বা অঞ্চলৰ ঐতিহাসিক গুৰুত্ব সাংস্কৃতিক ঐতিহ্য আৰু বিচিত্রতাই পর্যটকসকলক আকর্ষিত কৰে। প্রাচীন সভ্যতাৰ নগৰ-চহৰবোৰ, গুহাবোৰ, স্থাপত্য-ভাস্কর্য আদিয়ে পর্যটকৰ আকর্ষণৰ কেন্দ্রবিন্দু হৈ পৰে। অসমৰ শিৱসাগৰ অঞ্চলৰ ৰাজমহলবোৰ, শিলৰ সাঁকো, লিপিবোৰ আকর্ষণীয়, তদুপৰি এই প্রাচীনতাৰ সৈতে জড়িত ৰহস্যময়ী কাহিনীবোৰ পর্যটকৰ আকর্ষণৰ কেন্দ্রবিন্দু হৈ পৰে।

(ঘ) সা-সুবিধা ঃ পর্যটনৰ সৈতে জড়িত বিষয় এটি হৈছে নূন্যতম সা-সুবিধা। ইয়াৰ ভিতৰত চিকিৎসা সেৱা, খোৱা-বোৱাৰ বন্দোৱস্ত, যোগাযোগ, বাট-পথ, হোটেল, অতিথিশালা আদি থকা-মেলাৰ সুবিধাসমূহ সুনির্দিষ্ট কৰা। নিজৰ ৰুচী মতে থকা-খোৱাৰ বাবে ৰুচীসন্মত হোটেলৰ ব্যৱস্থা, অতিথি পৰায়ণতা, অমায়িক ব্যৱহাৰ, তাৎপর্যপূ আন্তঃৰাষ্ট্রীয় পর্যায়ৰ হোটেল থাকিব লাগে, যাতে বিদেশী পর্যটকে সা-সুবিধা তাৰ পৰা ভালদৰে পাব পাৰে। এনেদৰে গঢ়ি উঠা হোটেলবোৰৰ জৰিয়তেও পর্যটকসকলৰ আগমন ঘটে। তদুপৰি বাট-পথ, যাতায়তৰ ব্যৱস্থা সুচল নহ'লে বিৰক্ত অনুভৱ কৰিব পাৰে।

(ঙ) থকা-খোৱাৰ সুবিধা ঃ থকা-খোৱাৰ সু-ব্যৱস্থাই পর্যটনস্থলীৰ অন্যতম প্রধান উপাদান। পর্যটকে থকা-খোৱাৰ লগতে খোৱাৰ আহাৰ ৰুচীসন্মতভাৱে লাভ কৰে। তাৰ প্রতি মনোযোগ দিব লাগে, তেতিয়াহে পর্যটকে আকৃষ্ট হয়। তদুপৰি সেই অঞ্চলৰ হোটেলসমূহে পৰম্পৰাগতভাৱে সেই ঠাইৰ থলুৱা খাদ্যৰ তালিকা এখনো খোৱা খাদ্যৰ তালিকাৰ ভিতৰত ৰাখিব পাৰে।

সংস্কৃতি আৰু প্রকৃতিৰ ফালৰ পৰা ইয়াৰ চহকী হৈয়ো অসম আজি পিছপৰা। পর্যটনৰ প্রচুৰ সম্ভাৱনীয়তা থকাৰ পাছতো চৰকাৰ আৰু জনসাধাৰণৰ অৱহেলাৰ ফলত এই সম্পদসমূহ অৱক্ষয় হৈ আহিছে। ইয়াৰ উপৰিও এই ঠাইসমূহৰ বিষয়ে কোনো তথ্য প্রকাশ সঠিকভাৱে নোহোৱাৰ বাবে প্রায় সংখ্যক পর্যটনকাৰী আজিও এই ঠাইসমূহৰ বিষয়ে বিদিত নহয়। গতিকে চৰকাৰ, প্রশাসন তথা জনসাধাৰণে যদি উন্নয়ন সাধন কৰিব পাৰে তেনেহ'লে অসমখন পর্যটকৰ বাবে সুন্দৰ পর্যটনস্থলী হৈ পৰিব। ফলত পর্যটন বিভাগটোৰ সমৃদ্ধিৰ লগতে চৰকাৰো উন্নতমানৰ আয় সংগ্রহৰ উৎস হৈ পৰিব।

শেষত এটা কথা ক'ব বিচাৰিছো যে বিশ্ব পর্যটন দিৱস পালনৰ দিনা এই বিষয়ে আলোচনা কৰাৰ সলনি বতৰৰ সকলো সময়তে আলোচনা কৰি পর্যটনৰ বিকাশৰ বাবে লোৱা আঁচনিবোৰ কার্যকৰী কৰাত সকলোৱে হাতে-কামে লাগিবলৈ আগবাঢ়ি অহা উচিত।

◈ ◈ ◈

SUREN DAS COLLEGE LIBRARY
Estd.....
Date.....
PAJO : KAMRUP

ছুটিগল্পৰ সঁফুৰা

দোষী কোন

জিন্তী মালাকাৰ
স্নাতক তৃতীয় ষান্মাসিক

শেৱালী এজনী গাঁৱলীয়া ছোৱালী। নামেই যেন তাইৰ পৰিচয় দিয়ে। শেৱালীয়ে যিদৰে নিজৰ গোন্ধেৰে চৌদিশে আমোলমোল কৰে, সমগ্র বসুন্ধৰাক এক মধুৰ সন্ধিক্ষণলৈ নি এক অচিন আৱেগত পৰশ দিয়ে, বিশ্ববাসীৰ মাজত এক নতুন জোৱাৰৰ সৃষ্টি কৰে। সেই গছজোপাৰে কোমল কলিটি যেন তাই। তেনেই কোমল যেন তাইৰ মন স্বভাৱৰ শান্ত-শিষ্ট, গাঁৱৰ অইন ছোৱালীৰ দৰে তাইৰ নাই চঞ্চলতা, গম্ভীৰ মনেৰে যেন নিজতেই ব্যস্ত। কাৰো বাবে ভাবিবলৈ সময় নাই। গাঁৱৰ সকলোৰে মাজত পৰিচিত। তাইৰ ৰূপ আৰু গুণৰ চর্চা সকলোৰে মুখৰ আগত। সকলোকে শ্রদ্ধা কৰে, সেয়ে তাই সকলোৰে মৰমৰ পাত্র।

প্রকৃতিৰ মাজত ডাঙৰ-দীঘল হোৱা, প্রকৃতিৰ লগত খেলা-ধূলা কৰা, প্রকৃতিৰ লগত কথা-বতৰা পতা শেৱালীৰ সন্মুখত যেন প্রকৃতিৰ সৌন্দর্যও পিছ পৰি যায়। প্রকৃতিৰ ৰং-বিৰঙৰ পখিলাবোৰ যেন তাইৰ বান্ধৱী। বতাহেও যেন তাইক সম্ভাষণ জনায় যায়। তাইৰ কোমল পৰশত যেন প্রকৃতিও আত্মহাৰা হয়। ৰামধেনুও যেন তাইক ৰ' লাগি দৃষ্টি নিক্ষেপ কৰে আৰু তাইৰ সৈতে উমলিবলৈ ধৰিত্রীৰ ওচৰত করুণ নিবেদন জনায়।

গাঁৱৰে এটা সভ্য পৰিয়ালৰ জীয়ৰী শেৱালী। কোনো বস্তুৰ অভাৱ নাই। দুখ কি বস্তু তাই নাজানে। মাকৰ যেন তাই চকুৰ মণি এটি ক্ষণো চকুৰ আগৰ পৰা আঁতৰ হ'ব নিদিয়ে। এতিয়া প্রকৃতিৰ সলনি কিতাপেই হৈছে তাইৰ লগৰী।

গাঁৱৰ দাঁতিত থকা এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীর্ণ হৈ বিদ্যালয় তথা মাক-দেউতাকলৈ কঢ়িয়াই আনিছিল গৌৰৱ। মাক-দেউতাকে মনতে সাঁচি ৰাখিছিল বহু সপোন। পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত দেউতাকে তাইক এটি মোবাইল ফোন উপহাৰ হিচাপে দিলে। এতিয়া তাই গাঁৱৰে এখন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্রী।

কলেজ বন্ধ থকাৰ বাবে তাই মাহীয়েকৰ ঘৰলৈ গৈছিল কেইদিনমান থাকিব বুলি। আবেলি সময়ত ফুৰিবলৈ যাওঁতে তাই হঠাৎ দেখা পাইছিল সন্মুখত থিয় হৈ তাইৰ ফালে ৰ' লাগি চাই থকা এজন অচিনাকী ল'ৰা। যাৰ মুখত আছিল এটি মিঠা হাঁহি, চকুৰ চাৱনিত আছিল মাদকতা। ল'ৰাজনে যেন পাহৰি গৈছিল সি ক'ত আছে।

ল'ৰাজনৰ নাম ৰাহুল। ৰাহুল স্নাতক দ্বিতীয় বর্ষৰ ছাত্র, লিখা-পঢ়াত

চোকা আছিল। স্বভাৱত চঞ্চল মনৰ। অৱশ্যে সি ধনী ল'ৰা নহ'লেও তাৰ লগত আছে এটা নিজাববীয়া মোবাইল ফোন আৰু এখন বাইক।

সেইদিনা ৰাতি তাৰ টোপনি নাহিল। গোটেই ৰাতি সি শেৱালীৰ কথা ভাবিলে। মন অধীৰ হৈ গ'ল তাইৰ লগত চিনাকী হ'বলৈ, তাইৰ বিষয়ে জানিবলৈ তাৰ মনত নতুন অনুভূতি জন্মিল। পিছদিনা আকৌ লগ পালে।

ৰাহুল ঃ হাই। তোমাৰ নাম শেৱালী নহয়নে?

শেৱালী ঃ হেল্ল'। কিন্তু তুমি মোৰ নাম কেনেকৈ জানিলা?

ৰাহুল ঃ তোমাৰ মাহীয়েৰাই তোমাক উদ্দেশ্যি মতা শুনিছো।

এনেদৰে ইজনে সিজনৰ লগত চিনাকী হ'ল। তাৰ পিছৰে পৰা সদায় আবেলি ফুৰিবলৈ যাওঁতে ইজনে সিজনৰ লগত কথা পাতে। এদিনাখন ৰাহুলে ক'লে—

ৰাহুল ঃ বেয়া নোপোৱা যদি তোমাৰ ফোন নম্বৰটো দিবা?

শেৱালী ঃ তোমাৰ নম্বৰটো দিয়া, মই ঘৰত গৈ ফোন কৰিম।

শেৱালীক সি নম্বৰটো দিলে। শেৱালী ঘৰলৈ যোৱাৰ আজি দুদিন হ'ল। এদিন অকলে কিবা ভাবি বহি আছিল এডোখৰ নিজান ঠাইত। তেনেতে ৰাহুলৰ মোবাইলত এটা মিছকল আহিল।

তাৰ মনত কৌতুহল হ'ল, কোনে ৰাৰু মোক মিছকল দিলে। তাকে ভাবি-গুণি সি ফোন কৰিলে—

ৰাহুল ঃ হেল্ল', কোনে কৈছে?

শেৱালী ঃ মই শেৱালী।

ৰাহুল ঃ শেৱালী তুমি।

তাৰ মন যেন আত্মহাৰা হৈ গ'ল। এনেদৰে সিঁহতে মাজে সময়ে কথা পাতিবলৈ আৰম্ভ কৰিলে। এদিনাখন হঠাতে ৰাহুলে ক'লে—

ৰাহুল ঃ তুমি যদি বেয়া নোপোৱা তোমাক কিবা ক'ব বিচাৰো।

শেৱালী ঃ কোৱা আকৌ। কথা কোৱা কোনোবাই কাৰোবাক বেয়া পায় নেকি?

ৰাহুল ঃ নহয় মানে, মানে, মানে মই ক'ব বিচাৰিছো যে।

শেৱালী ঃ কি মানে মানে কৰি আছা, কোৱা আকৌ।

ৰাহুল ঃ মানে মই তোমাক ভাল পাঁও। আৰু তুমি?

শেৱালীয়ে লাজ আৰু আনন্দতে সেই দিনা একো ক নোৱাৰিলে। কিন্তু ৰাহুলে যেন তাইৰ মনৰ কথা বুজি পেলালে তাইৰ মনত নতুন আশা জন্মিল। সকলো বস্তু ভাল লগা হ'ল ৰাহুলক লৈ নতুন নতুন সপোন দেখিবলৈ ধৰিল। সমগ্র ধৰ্ যেন ধুনীয়া হৈ পৰিল। দুয়ো দূৰে দূৰে থাকিলেও যেন আধুনি যুগৰ উন্নত সৃষ্টিৰ বাবে দুয়ো দুয়োৰে কাষত নুভৱ কৰিছে দিনত তাইক ৰাহুলে বহু কেইবাৰকৈ ফোন আৰু তি দোভাগী কথা পতা হ'ল। তাই মিছকল দি ফোনটো থ'ব পাওঁতেই ফোন কৰে। দুয়ো দুয়োকে জানিলে-বুজিলে। দু মিলি নদু সপোনৰ সূঁতাৰে নতুন কাপোৰ ব'বলৈ ধৰিলে। থাকিব নোৱাৰা হ'ল। এনেদৰে দিন বাগৰিল। ৰাহুলক ভাল পাবলৈ ধৰিলে।

কিছুদিনৰ পৰা শেৱালীৰ মন ব্যাকুল। তাইৰ খবৰ নোলোৱা হ'ল। তাইৰ পৰা আঁতৰি থা ফোন কৰিলে ভালকৈ কথা নাপাতে। এনেদৰে লাহে লাহে ৰাহুলে তাইৰ পৰা আঁতৰি গ'ল। দুচকুৰ কৰি আৰু সময়ক সকলো দোষ জাপি সকলো পাহৰিব কিন্তু নাই নোৱাৰিলে। তাইৰ জীৱন অন্ধকাৰে আ পঢ়া-শুনাত মন বহাব নোৱাৰে। তাইৰ বাবে সকলো বুকুৰ মাজত হাঁহি-কান্দোনৰ দোমোজা লৈ তাই মানসি আক্রান্ত হৈ পৰিল। নিশা সকলোৱে টোপনি মাৰে আগৰ সেই সোণালী দিনবোৰৰ কথা ভাবি থাকে। টোপ নাপায়।

মনৰ বেদনাত তাই সকলো হেৰুৱাই পেলাইছি সকলো পাহৰি যাব ধৰিলে, মনৰ বেদনা মনতে ৰৈ গ'ল খবৰ পালে এদিন, উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ৰিজাল্ট অনিচ্ছা স্বত্বেও গৈছিল নিজৰ খবৰ জানিবলৈ। কিন্তু নাপালে তাইৰ নিজৰ নাম আৰু ৰোল নম্বৰ।

শেৱালীৰ এই পতনৰ বাবে দায়ী কোন? তাই নি মোবাইল ফোন উপহাৰ হিচাপে দিয়া দেউতাক? নে সেই ফোনটো? নে তাই প্রেমত পৰা সেই ল'ৰাজন?

◈ ◈ ◈

আজি কিয় নকৰোঁ

(এটি সৰু প্রেৰণামূলক কাহিনী)

বিতোপন কলিতা
স্নাতক তৃতীয় ষান্মাসিক, কলা শাখা

এসময়ৰ কথা। এজন শিষ্যই তেওঁৰ গুৰুক বহুত আদৰ-সাদৰ কৰিছিল। গুৰুৱেও এই শিষ্যজনক বহুত মৰম-স্নেহ কৰিছিল। কিন্তু শিষ্যজন অধ্যয়নৰ প্রতি অমনোযোগী আৰু এলেহুৱা স্বভাৱৰ আছিল। সদায় অধ্যয়নৰ পৰা দূৰত থাকিব বিচাৰিছিল আৰু আজিৰ কাম কালিলৈ পেলাই থৈ দিছিল। গুৰু শিষ্যজনক লৈ চিন্তাত পৰিছিল। গুৰুৱে শিষ্যজন জীৱন সংগ্রামত পৰাস্ত হৈ যাব বুলি ভয় খাইছিল। এলাহে মানুহক অকর্মণ্য কৰি তুলিব পাৰে। এনেকুৱা মানুহে কর্ম নকৰাকৈ ফল উপভোগ কৰিব বিচাৰে। তেওঁলোকে শীঘ্রে সিদ্ধান্ত ল'ব নোৱাৰে আৰু যদি লয়ো সেই সিদ্ধান্তক কর্মলৈ ৰূপান্তৰিত কৰিব নোৱাৰে। তেওঁলোকে কেতিয়াও সজাগ হৈ নাথাকে। আনকি তেওঁলোকে ভাগ্যই দিয়া সুযোগৰো সদ্ব্যৱহাৰ কৰিব নাজানে।

গুৰুজনে মনতে শিষ্যজনৰ মংগলৰ বাবে বুদ্ধি এটি পাঙিলে। তেওঁ এদিন এটুকুৰা কলা শিল শিষ্যজনৰ হাতত তুলি দি ক'লে, "মই তোমাক এই যাদুৰ শিলটুকুৰা দি দুদিনৰ বাবে আন এখন গাঁৱলৈ যাম। এই শিলেৰে তুমি লোৰ বস্তু স্পর্শ কৰিলে লো বোৰ সোণলৈ ৰূপান্তৰিত হৈ যাব। কিন্তু মনত ৰাখিবা দ্বিতীয় দিনা সূর্যাস্ত হোৱাৰ পাছতে শিলটুকুৰা মই তোমাৰ পৰা লৈ ল'ম।"

শিষ্যজনে এই সুযোগ লাভ কৰি অতি আনন্দিত হ'ল। কিন্তু এলেহুৱা হোৱাৰ বাবে শিষ্যজনে প্রথম দিনটো তেওঁৰ সৈতে বহুত সোণ থাকিলে কিমান সুখী হ'ব, কিমান ধনী হ'ব, তেওঁৰ লগুৱা কিমান থাকিব, তেওঁ পানী খাব বিচাৰিলেও উঠিব নালাগিব আদি কল্পনা কৰিয়েই কটালে।

দ্বিতীয় দিনা যেতিয়া শিষ্যজনে ৰাতিপুৱা টোপনিৰ পৰা সাৰ পালে তেতিয়া শিষ্যজনৰ মনত পৰিল যে আজি সোণ পোৱাৰ দ্বিতীয় আৰু অন্তিম দিন। তেওঁ দৃঢ় প্রতিজ্ঞা ল'লে যে গুৰুই দিয়া শিলটোৰ দ্বাৰা আজি সম্পূর্ণ লাভ উঠাব। তেওঁ নির্ণয় ল'লে যে বজাৰৰ পৰা ডাঙৰ ডাঙৰ লো কিনি আনিব আৰু সেইবোৰক সোণলৈ ৰূপান্তৰিত কৰিব। লাহে লাহে সময় অতিক্রম হ'বলৈ ধৰিলে। শিষ্যজনে এতিয়া আৰু বহুত সময় আছে বুলি বহি থাকিল। তেওঁ ভাবিলে যে এতিয়া আৰু দুপৰীয়া আহাৰ গ্রহণ কৰাৰ পাছতে বজাৰলৈ যাম। কিন্তু আহাৰ গ্রহণ কৰাৰ পিছত তেওঁৰ বিশ্রাম কৰা অভ্যাস আছিল। সেয়েহে তেওঁ অলপ সময় জিৰণি লোৱাটো উচিত বুলি ভাবিলে। কিন্তু এলাহেৰে পৰিপূর্ণ তেওঁৰ শৰীৰটো গভীৰ নিদ্রাত লালকাল দিলে। তেওঁ টোপনিৰ পৰা সাৰ পালে আৰু দেখিলে যে সূর্যাস্ত হোৱাৰ সময় হৈছে। তেওঁ দৌৰি দৌৰি বজাৰলৈ গ'ল। কিন্তু গৈ থাকোতে শিষ্যজনে বাটতে গুৰুজনক লগ পালে আৰু গুৰুৰ ভৰিত ধৰি শিলটো আৰু এদিনৰ বাবে তেওঁক ৰাখিবলৈ দিবলৈ অনুৰোধ কৰিলে। কিন্তু গুৰু অমাস্তি হ'ল। ফলত শিষ্যজনৰ ধনী হোৱা সপোন সপোন হৈয়ে ৰ'ল। এই ঘটনাৰ দ্বাৰা শিষ্যজনে এটা বহুত ডাঙৰ শিক্ষা পালে। শিষ্যজনৰ নিজৰ এলাহৰ প্রতি বহুত ঘৃণা উপজিল। তেওঁ বুজি পালে যে তেওঁৰ এলাহ তেওঁৰ জীৱনৰ শত্রু। সেয়েহে তেওঁ প্রতিজ্ঞাৱদ্ধ হ'ল যে তেওঁ কেতিয়াও কাম পাছলৈ পেলাই নথয় আৰু এজন সজাগ আৰু সক্রিয় ব্যক্তি হ'ব।

এই কাহিনীটোৰ দ্বাৰা আমি এইটোৱেই গম পাঁও যে জীৱনত সফল হোৱাৰ বাবে এবাৰ নহয় এবাৰ ভাল সুযোগ আহে। কিন্তু কিছুমান মানুহে এই সুযোগ একমাত্র এলাহৰ বাবে হেৰুৱায়। সেয়েহে যদি জীৱনত সফল, সুখী, ধনী অথবা মহান ব্যক্তি হ'ব বিচাৰে তেন্তে এলাহ সম্পূর্ণৰূপে ত্যাগ কৰি নিজৰ ভিতৰৰ বিবেক, শ্রমশক্তি আদিক বিকশিত কৰিব লাগে। যেতিয়াই কোনো কাম লগে লগে কৰিব মন নাযাব, পাছত কৰিব মন যাব তেতিয়াই নিজকে নিজে প্রশ্ন কৰিব লাগে— "আজিয়েই কিয় নকৰোঁ"?

◈ ◈ ◈

বন্ধুত্ব

হেলেনা খাতুন
দ্বাদশ শ্রেণী

বামৰ কাষৰ পৰা উঠাই নি সোঁফালৰ বেঞ্চত বহুৱাই দি কৈছিল— "বাবা তুমি ইয়াতে বহা। তেতিয়াহ'লে ভালদৰে বোৰ্ডখন দেখিবা।" বাজে সিদিনা উঠি যাব খোজা নাছিল যদিও মাকৰ ভয়ত উঠি গৈছিল। সিঁহতৰ দুয়োজনৰ মনত বহুত দুখ লাগিছিল। ঘৰত বাজক মাকে বামৰ লগ হ'বলৈ মানা কৰিছিল। হাইস্কুলত সিঁহতে একেলগে নাম লিখিছিল। পঞ্চম শ্ৰেণী আৰু ষষ্ঠ শ্ৰেণীত দুয়ো আগৰ দৰে একে শাখাত আছিল। সপ্তম শ্ৰেণীত বাজে বামৰ শাখাৰ পৰা আন শাখালৈ গ'ল। তাত তাৰ লগত মিলা সম্ভ্ৰান্ত ঘৰৰ মানুহৰ ল'ৰা লগ পালে। লাহে লাহে বাজ বামৰ পৰা আঁতবি গ'ল। ঠিকাদাৰ দেউতাকে তাক হাত খৰচৰ বাবে দিয়া টকাবে প্ৰথমে কেন্টিনত খাবলৈ ধৰিলে আৰু তাৰ পিছত গুটখা আদিও খাবলৈ ধৰিলে। বামে তাক সেইবোৰ খাবলৈ হাক দিলে, কিন্তু সি নামানিলে। পৰীক্ষাৰ বিজাল্ট দিয়াৰ দিনাখন যেতিয়া বাজে ফেইল কৰা বুলি বামে গম পালে, তাৰ খুব বেয়া লাগিল। সি বাজৰ খবৰ ল'বলৈ গ'ল। বাজে তাৰ মুখলৈ চাই কান্দিছিল। বামে তাক সান্ত্বনা দিলে। বাজৰ মাকে অনুতপ্ত হৈ বামক ক'লে বোপা মোৰ ভুল হৈ গ'ল। ই ফেইল কৰাৰ মূলতে দোষী মইও। মই তাক তোমাৰ লগ হ'বলৈ দিয়া নাছিলো। আজিহে বুজিলো মানুহৰ উচ্চ-নীচ নাথাকে। বামে বাজহঁতৰ ঘৰৰ পৰা ওলাই যোৱাৰ পৰত মাকে বহু সময়লৈকে একেথৰে বামক চাই থাকিল। বাজে হুবমুৰকৈ বাহিৰলৈ ওলাই আহিল। মাকে ক'লে যোৱা বুলি সোধাত ক'লে— মা আজি বামৰ কলেজত নাম লিখাৰ তাৰিখ। মই এবাৰ খবৰ লৈ আহো। সি বা কেনেকৈ টকা-পইচা গোটাইছে। তাৰ কথা শুনি মাকেও তাক অলপ টকা হাতত গুজি দিলে। বাজে মাকৰ পৰা বিদায় লৈ বাস্তাত ভৰি দিলে। মাকে বাজ যোৱাৰ পিনে চাই আছিল। আজি যেন বাজেও এক নতুন পথৰ সন্ধান পাইছে। সি বামক লগ পাবলৈ খৰকৈ খোজ দিলে।

◈ ◈ ◈

বামে আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰি গুৱাহাটী কলেজত নামভৰ্ত্তি কৰিবলৈ যাব। অতি দুখীয়া ঘৰৰ ল'ৰা বামক নামভৰ্ত্তিৰ বাবে বিদ্যালয়ৰ শিক্ষক তথা কৰ্মচাৰীসকলে সহায়ৰ হাত আগবঢ়াইছে। আৰ্থিকভাৱে সবল বাজ বামৰ নলেগলে লগা বন্ধু আছিল। এসময়ত একেলগে পৰীক্ষা দিয়া বাজ এতিয়া মানসিক অন্তৰ্দ্বন্দ্বত ভুগি আছে, পৰীক্ষা বেয়া হোৱাৰ বাবে। বাম পঢ়াত চোকা আছিল যদিও পঢ়া-শুনাৰ কাৰণে যিখিনি সুবিধা পাব লাগিছিল সেইখিনি পোৱা নাছিল। বাজে কিন্তু তাক সহায় নকৰাকৈ নাথাকিছিল। আনকি স্কুলৰ জিৰণি সময়ত খাবলৈ নিয়া টিফিনখিনিও ভগাই খাইছিল। সিঁহতৰ মাজত গঢ় লৈ উঠা বন্ধুত্ব বাজৰ মাকে সহ্য কৰিব পৰা নাছিল। তাৰ আজিও মনত পৰে চতুৰ্থ শ্ৰেণীৰ এটা ঘটনা। সিদিনা মাকে বাজক স্কুলত থ'বলৈ গৈছিল। সদায় বামে তাৰ কাৰণে ঠাই ৰাখে। সিদিনাও ৰাখিছিল। বাজ গৈ বামৰ ওচৰত বহিল। পিন্ধন-উৰণত জধলা দেখি বাজৰ মাকে তাৰ পৰিচয় সুধিলে। বামে তেওঁক ক'লে— "খুৰীদেউ মোৰ নাম বাম। মোৰ দেউতাই হাজিৰা কাম কৰে।" তাৰ কথাখিনি শুনি মাকৰ মনটো সেমেকি গৈছিল। মাকে তাক

এটি নির্জন পথৰ কাহিনী

চুমি ৰাণী দাস
প্ৰথম ষান্মাসিক

এটি নির্জন পথত অকলশৰে ছোৱালীজনী বহি থকা দেখি নীৰৱ আগবাঢ়ি আহিল। ছোৱালীজনী বৰ ধুনীয়া। নাম তাইৰ অহল্যা। তাই এযোৰ হালধীয়া চুৰিদাৰ পিন্ধি আছে। সি ওচৰতে বহি তাইক সুধিলে, তুমি অকলশৰে ইমান ৰাতি ইয়াত কি কৰি আছা? তাই অচিনাকি মাতটো শুনা পাই থতমত্ খালে যদিও অকণমান সহায়ৰ আশাত ক'লে যে তাই এই অচিনাকি ঠাইখনত পৰিয়ালৰ সৈতে ফুৰিবলৈ আহিছিল। কিন্তু ভীৰৰ মাজত তাই হেৰাই থাকিল। তাই কিন্তু সেই মানুহজনৰ বিষয়ে অধিক জানিবলৈ ইচ্ছা নকৰিলে। দৰাচলতে তাইৰ চকুযুৰি নাই। নীৰৱে সেই মূহুৰ্তলৈ কথাটো গমেই পোৱা নাছিল। সি তাইক সিঁহতৰ ঘৰৰ ওচৰৰে অনাথ আশ্ৰমখনত থৈ আহিলেগৈ। তাতে তাইৰ থকা-খোৱাৰ সম্পূৰ্ণ বন্দোৱস্ত কৰিলে।

লাহে লাহে সিঁহত দুয়ো ভাল বন্ধু-বান্ধৱী হৈ পৰিল। নীৰৱে আশ্ৰমখনলৈ আহি তাইৰ লগত সময় অতিবাহিত কৰিবলৈ ধৰিলে। লাহে লাহে নীৰৱে অহল্যাৰ প্ৰেমত পৰিল। তেতিয়ালৈকে কিন্তু অহল্যাই নীৰৱৰ নামটোও নাজানে। নীৰৱেও তাৰ মনৰ কথাবোৰ তাইক খুলি নক'লে। এদিনাখন আশ্ৰমলৈ অহা ডাক্তৰ এজনে নীৰৱক ক'লে যে তাইৰ চকুযুৰিৰ ঠাইত আন এযোৰ চকু লগাই দিলে তাই সম্পূৰ্ণ সুস্থ হে উঠিব। এই কথাটো নীৰৱে অহল্যাক কোৱা নাছিল। হয়তো সি ভাবিছিল যে তাই মিছা আশা লৈ থাকিব পৰিয়ালৰ কোনো শুং-সূত্ৰ নোহোৱা ছোৱালীজনীক কোনেনো চকু এহাল দিব? তাতে তাইৰতো পইচাও নাই চকু এযোৰ কিনিবলৈ। নীৰৱে এই সকলোবোৰ কথা আশ্ৰমত চাফ-চিকুণ কৰা দীনদয়াল খুড়াকৰ বাহিৰে কাকো কোৱা নাছিল। এনেদৰেই নীৰৱৰ চিন্তা-ভাৱনাৰ মাজেৰে দিনবোৰ সময়ৰ সোঁতত আগবাঢ়ি গ'ল।

এদিনাখনৰ কথা, অহল্যাৰ কামৰ ব্যস্ততাৰ মাজতে এজন অচিনাকি যুৱক আহি তাইৰ ওচৰতে বহিলে। তাই যুৱকজনক বৰ বেয়া ব্যৱহাৰ কৰি তাইৰ কাষৰ পৰা আঁতৰি যাবলৈ ক'লে। ল'ৰাজন দেখাত ইমান সুশ্ৰী নাছিল তাতে তাৰ চকুহালো নাই। তাইনো তেনেকুৱা ল'ৰাক কিয় মাতিব? সেইদিনাখনৰে পৰা তাই আৰু ল'ৰাজনক ওচৰে-পাজৰে ক'তো দেখা নাপালে। তাইৰ এনেকুৱা আচৰণ দীনদয়ালৰ সহ্য নহ'ল আৰু তাইক ক'লে যে যিজন ল'ৰাক কেইদিনমান আগত খেদি পঠিয়াইছিল সেই ল'ৰাজন আন কোনো নহয়, তাইৰ চকুহাল দান কৰোতা তাইৰ প্ৰিয় বন্ধু নীৰৱ আছিল। লগতে তেওঁ এই কথাও ক'লে যে তাইক চকুহাল দান কৰাৰ কাৰণে তাক ঘৰৰ মানুহে আঁতৰাই পঠিয়াইছে। তেখেতৰ কথাবোৰ শুনি অহল্যা আৰু ৰৈ থাকিব নোৱাৰিলে। তাই নিজৰ অহংকাৰ আৰু ভুলবোৰ উপলব্ধি কৰি নীৰৱক বিচাৰি গ'ল।

দুদিনৰ অন্তত তাই সেই অচিনাকি পথটোৰ দাঁতিটোৰ কাষতে থকা চকীখনত নীৰৱক বহি থকা দেখিলে। তাই কৰা অপমানৰ বাবে তাৰ ওচৰত তাই ক্ষমা খুজিলে। আচৰিত! নীৰৱে একো অভিমান নকৰাকৈয়ে তাইক ক্ষমা কৰি দিলে। তাৰ পিছত দুয়ো ইজনে-সিজনৰ পৰা কেতিয়াও আঁতৰ নোহোৱাৰ প্ৰতিশ্ৰুতিৰে পুনৰ আশ্ৰমলৈ উভতি গ'ল।

◈ ◈ ◈



জীৱনত উৎসাহ যোগাব পৰা গৌতম বুদ্ধৰ দুটা চমু অনুপ্রেৰণামূলক গল্প

কিশোৰ কলিতা
স্নাতক প্রথম বর্ষ (বিজ্ঞান)

অনুপ্রেৰণামূলক গল্প নং ১ ঃ

এই পৃথিৱীৰ কোনো মানুহেই দুখীয়া নহয়

এসময়ৰ কথা। বুদ্ধদেৱে এখন গাঁৱত ধর্মসভাত বক্তৃতা দি আছিল। মানুহবোৰে নিজৰ বিভিন্ন সমস্যা লৈ তেওঁৰ ওচৰলৈ আহিছিল আৰু সমস্যাবোৰৰ সমাধান লৈ প্রসন্ন মনেৰে ঘৰলৈ উভতিছিল।

সেই সময়তে গাঁৱৰ বাস্তাৰ কাষত এজন দুখীয়া ব্যক্তি বহি আছিল আৰু বুদ্ধদেৱৰ ধর্মসভালৈ অহা-যোৱা কৰা ব্যক্তিসকলক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছিল। তেওঁ এটা বস্তু দেখি আচৰিত হৈছিল যে মানুহবোৰ ধর্মসভালৈ বহুত দুখ মনেৰে যায় কিন্তু যেতিয়া তেওঁলোকে সভাৰ পৰা ঘূৰি আহে তেওঁলোকক বহুত সুখী আৰু প্রফুল্লিত দেখা যায়। সেই দুখীয়া মানুহজনে ভাবিলে যে তেওঁৰো দেখোন নিজৰ সমস্যাৰ সমাধান বুদ্ধদেৱৰ দৰে ভগৱানৰ ওচৰত বিচাৰিব পাৰে। সেইটো ভাবিয়েই তেওঁ বুদ্ধদেৱৰ কাষ চাপিল। মানুহবোৰে শাৰী পাতি বুদ্ধদেৱৰ ওচৰত নিজৰ সমস্যাৰ বর্ণনা কৰি আছিল। যেতিয়া তেওঁৰ পাল আহিল তেওঁ পোনপ্রথমে বুদ্ধদেৱক প্রণাম কৰিলে আৰু সুধিলে, "প্রভু এই গাঁৱৰ প্রায়বোৰ মানুহেই সুখী আৰু ধনেৰে সমৃদ্ধ তেনেস্থলত মই দুখীয়া কিয়?"

এই কথা শুনি বুদ্ধদেৱে হাঁহিলে আৰু ক'লে, 'তুমি দুখীয়া আৰু ধনহীন এইবাবেই কাৰণ তুমি কাকোকে একো নিদিয়া।' এই কথা শুনি তেওঁ ক'লে, 'প্রভু মোৰ ওচৰত আনক দিবলৈ একোৱে নাই। মই নিজেই জীয়াই থকাটোও জটিল হৈ পৰিছে। মানুহক খুজি মাগি নিজৰ পেটটো বচাই আছোঁ।'

ভগবান বুদ্ধ অলপ সময় নীৰৱ হ'ল আৰু পুনৰ ক'লে, 'তুমি বহুত অজ্ঞানী, আনক দিবলৈ ভগবানে তোমাক বহুত দ্রব্য দিছে। তোমাক হাঁহি প্রদান কৰিছে যাৰ দ্বাৰা তুমি আনৰ মনত আশাৰ সঞ্চাৰ ঘটাব পাৰা। তোমাক এখন মুখ দিছে যাৰ সহায়ত মিঠা শব্দেৰে আনক প্রশংসা কৰিব পাৰা। দুখ হাত দিছে যাৰ সহায়ত আনক সহায় কৰিব পাৰা। ভগবানে দিয়া এই তিনিপাৰ বস্তু থকা কোনো মানুহ দুখীয়া বা ধনহীন হ'ব নোৱাৰে। ধনী-দুখীয়াৰ বিচাৰ মানুহৰ মনৰ এটা ভ্রমহে মাত্র, যিটোৰ অৱস্থিতি আমাৰ মনৰ বাহিৰত হোৱা উচিত। সদায় ভাল কাম কৰা, কষ্ট কৰা দৰিদ্রতা নিজেই আঁতৰি যাব। বুদ্ধৰ এই উপদেশত মানুহজন চমকি উঠিল আৰু এই উপদেশক জীৱনৰ আদর্শ হিচাপে গ্রহণ কৰিলে। নিজকে দুখীয়া বা ধনহীন বুলি তেওঁ আৰু কাহানিও দুখী নহ'ল।

অনুপ্রেৰণামূলক গল্প নং ২ ঃ

অহংকাৰৰ উপহাৰ

মহাত্মা বুদ্ধক দর্শন কৰিবলৈ এদিন এজন ডাঙৰ শেঠ (ব্যৱসায়ী) ৰতনচন্দ আহিছিল। তেওঁ লগত ধেৰ সামগ্রী বুদ্ধদেৱক উপহাৰ দিবলৈ লৈ আনিলে। উপহাৰবোৰ দেখি তাত উপস্থিত সকলোৱে শেঠক বা বা দিলে। গৌৰৱত শেঠৰ বুকু ফুলি উঠিল। বুদ্ধৰ সৈতে বার্তালাপ আৰম্ভ হ'ল। শেঠজনে ক'লে এই নগৰৰ অধিকাংশ চিকিৎসালয়, বিদ্যালয়, অনাথালয় তেওঁ নির্মাণ কৰিছে। আপুনি যিখন আসনত বহি আছে সেয়াও মই দানস্বৰূপে দিছো। শেঠে হিচাপ দি গ'ল এফালৰ পৰা। শেষত যেতিয়া বার্তালাপৰ শেষত বুদ্ধৰ ওচৰত বিদায় মাগিলে, বুদ্ধই ক'লে— "যিবোৰ ইয়ালৈ লৈ আনিছিলা সকলোবোৰ ইয়াত এৰি থৈ যোৱা।' শেঠজনে আচৰিত হৈ ক'লে— 'প্রভু মইটো সকলোখিনি উপহাৰ আপোনাৰ চৰণত সমর্পণ কৰিছো।'

বুদ্ধই ক'লে— 'তুমি যি অহংকাৰ লৈ ইয়ালৈ আহিছিলা আৰু সেয়া লৈ উভতি যাব খুজিছা। বাকী সাংসাৰিক বস্তুবোৰ মোৰ কোনো কামত নাহে। নিজৰ অহংকাৰ ত্যাগ কৰি যোৱা। সেয়াই মোৰ বাবে ডাঙৰ উপহাৰ।'

মহাত্মা বুদ্ধৰ কথা শুনি শেঠে নিজক বুজি ভুল পালে আৰু চৰণত স্পর্শ কৰিলে। ভিতৰৰ সকলো অহংকাৰ চকুপানী হৈ বুদ্ধৰ চৰণ ধুৱাই দিলে।

◈ ◈ ◈

সুৰেন দাস মহাবিদ্যালয়, হাজোৰ অসমীয়া বিভাগৰ উদ্যোগত মণিকূট সাহিত্য সমাজ, হাজোৰ সহযোগত অনলাইন চুটিগল্প লিখা প্রতিযোগিতা।

মহাযুদ্ধৰ মহানায়ক

চিত্তৰঞ্জন কলিতা
স্নাতক প্রথম ষান্মাসিক (ৰসায়ন বিজ্ঞান বিভাগ)

"আৰু কিমান সহ্য কৰিম যন্ত্রণা? কিমান? যুঁজি যুঁজি ভাগৰি পৰিছো মই। এতিয়া মই কি কৰোঁ"— শাক-পাচলি বেছি পোৱা পইচাখিনি হিচাপ কৰি সুন্দৰে হুমুনিয়াহ কাঢ়ি নিজকে নিজে ক'লে।

শাক-পাচলি বিক্রী কৰি সুন্দৰে বেছি টকা উপার্জন কৰিব পৰা নাই। কিয়নো সি বেপাৰী হোৱাৰ বেছিদিন হোৱা নাই। অর্থাৎ ব্যৱসায়ৰ অভিজ্ঞতা তাৰ নাই। বাধ্যত পৰিহে সুন্দৰ শাক-পাচলি বেপাৰী হ'বলগীয়া হৈছে। ক'ৰোনা মহামাৰীয়ে কৰা আর্থিক দুৰাৱস্থাৰ বাবে আজি সি শাক-পাচলিৰ ব্যৱসায়ত ধৰিছে। নহ'লে উপায় নাই। ঘৰ চলিব কেনেকৈ?

সুন্দৰ ঘৰৰ একমাত্র সন্তান। মাক-দেউতাকৰ আলাসৰ লাডু। সৰুৰে পৰাই সি পঢ়াত ভাল। প্রৱেশিকা পৰীক্ষাত ডিষ্টিংচনসহ উত্তীর্ণ হৈছিল। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাতো ষ্টাৰ নম্বৰ লাভ কৰি উত্তীর্ণ হৈছিল। তাৰ পিছত সি ওচৰৰে এখন মহাবিদ্যালয়ত বিজ্ঞান শাখাত বি.এ. পঢ়িছিল আৰু বর্তমান সি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞানৰ স্নাতকোত্তৰ ছাত্র। সুন্দৰৰ দেউতাক এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্রধান শিক্ষক। দেউতাকে খেতি-বাতিও কৰে। ঘৰখন কোনোমতে চলে। সুন্দৰক গাঁৱৰ সকলো মানুহে ভাল পায়। সুন্দৰেও সকলোৰে লগত মিলিজুলি থাকে। সি ভৱিষ্যতে এজন অধ্যাপক হৈ সমাজৰ সেৱা কৰিব বিচাৰে।

ইমানলৈকে কথাবোৰ ঠিকেই আছিল। কিন্তু হঠাৎ ক'ৰোনা মহামাৰীৰ বাবে তেওঁলোকৰ আর্থিক অৱস্থা বেয়ালৈ ঢাল খালে। দেউতাকৰ স্কুল লকডাউনৰ বাবে বন্ধ হোৱাত দৰমহাও নোপোৱা হ'ল, যিহেতু ব্যক্তিগত খণ্ডৰ বিদ্যালয়। ইফালে বানপানীৰ বাবে পথাৰত খেতিও ভাল হোৱা নাই। সুন্দৰে ঘৰে ঘৰে টিউচন কৰিছিল যদিও সি এই পৰিস্থিতিত এৰি দিলে। মুঠতে সকলো ফালৰ পৰা টকা অহা পথ বন্ধ হৈ পৰিল। ঘৰখনক আর্থিক দুৰৱস্থাই জুৰুলা কৰিলে। চাৰিওফালে অভাৱ হ'ব ধৰিলে। আনকি খোৱা-বোৱাতো অভাৱ হ'ল।

খোৱা-লোৱাৰ অভাৱৰ বাবে দেউতাকৰ শাৰিৰীক অৱস্থা ক্রমান্বয়ে বেয়া হ'বলৈ ধৰিলে। এদিন হঠাত জ্বৰ উঠিল আৰু Covid test কৰাত Covid Positive report আহিল। দেউতাকৰ এই বেমাৰে ঘৰখনক আৰু বেছি দুখ দিলে। দেউতাকক Home Isolation ত ৰখা হ'ল। সুন্দৰে ভাবিলে— যদি দেউতাক পুষ্টিকৰ খাদ্য খোৱাব নোৱাৰো, তেন্তে দেউতা কেনেকৈ সুস্থ হৈ উঠিব।"

কথাষাৰ ভাবিয়েই সি হুকহুকাই কান্দি পেলালে। সি এতিয়া কি কৰিব, কি নকৰিব ভাবিব ধৰিলে। বহু ভবাৰ অন্তত সি এটা উপায় বিচাৰি পালে। সি শাক-পাচলিৰ ব্যৱসায়ৰ কথা ভাবিলে। এম. এচ. চি. পঢ়ি অধ্যাপক হোৱাৰ সপোন দূৰত ৰাখি সি শাক-পাচলিৰ ব্যৱসায়ত ধৰিলে। ব্যৱসায়ৰ অভিজ্ঞতা নাই বাবে তাৰ দিনটোত বেছি উপার্জন নহয়। ইফালে চৰকাৰে দিয়া

নির্দেশনা অনুযায়ী সোনকালে ব্যৱসায়ো সামৰিব লগা হয়। তথাপি দেউতাকৰ বাবে প্ৰয়োজনীয় ঔষধ আৰু ফল-মূলৰ যোগান কিছু পৰিমাণে ধৰিব পাৰিছে।

এদিন শাক-পাচলিৰ ব্যৱসায় কৰি থাকোতেই হঠাৎ মূৰ ঘূৰাই মাটিত বাগৰি পৰিল সুন্দৰ। বহুতে দেখিলে। কিন্তু ক'ৰোনা মহামাৰীৰ সংক্ৰমণৰ ভয়ত কোনেও সুন্দৰক শুশ্ৰূষা নকৰিলে। শুশ্ৰূষা কৰাটো দূৰৰ কথা কোনেও কাষলৈকে নাহিল। কিন্তু বহু দূৰৰ পৰা এজন সুন্দৰতকৈ সৰু ল'ৰা আহিল। ল'ৰাজনে সুন্দৰক ওচৰৰ জিৰণি চ'ৰাটোলৈ লৈ আহিল, মূৰত পানী ঢালিলে। এইদৰে সি আলপৈচান ধৰিলে। অৱশেষত সুন্দৰক হস্পিতালত ভৰ্তি কৰা হ'ল। চিকিৎসাৰ সকলো খৰচ সৰু ল'ৰাজনে হাতত থকা ধনেৰে বহন কৰিলে। সুন্দৰৰ ঘটনাটোৰ খবৰ শুনি মাকৰ অৱস্থা নোহোৱা হৈছিল। কোনোমতে মাকে দেউতাকক নোকোৱাকৈ হাস্পতাললৈ লৰ দিছিল।

সুন্দৰ অলপ সুস্থ হৈ উঠি ল'ৰাজনৰ পৰিচয় সোধাত ল'ৰাজনে ক'লে— মোৰ নাম ৰবি। মোৰ কোনো নাই। আগতে ভঙা-চিঙা বস্তু বিচাৰি ভাতমুঠি যোগাৰ কৰিছিলোঁ। তাৰ পিছত দুবছৰমান এখন হোটেলত কাম কৰিলো। পিছে লকডাউনৰ বাবে কাম বন্ধ হৈ পৰিল। মলিকেও কাম কৰা ল'ৰাকেইটাক পইচা দিব নোৱাৰা হ'ল। এতিয়া মই য'তে যি পাঁও তাকে কৰি চলি আছোঁ।"

তাৰ কথা শুনি সুন্দৰৰ মুখৰ পৰা কেইটামান শব্দ আপোনা-আপুনি ওলাই আহিল— "পৃথিৱী সুখৰ ঠাই নহয়। মই আৰু সংগ্ৰাম কৰিব লাগিব।"

অৱশেষত সুন্দৰে ৰবিক নিজৰ লগত লৈ আহিলে। ৰবিৰ লগত সুন্দৰে ধুনীয়াকৈ পুনৰ ব্যৱসায় আৰম্ভ কৰিলে। লাহে লাহে আগতকৈ ব্যৱসায়ৰ উন্নতি হ'ব ধৰিলে। কিয়নো ৰবিয়ে ব্যৱসায় কৰাৰ কৌশল জানিছিল। দুয়োৰে উপাৰ্জনৰ টকাৰে ঘৰখন ভালকৈয়ে চলিল। সুন্দৰে ৰবিক কাম কৰা লগ হিচাপে পাই মনত দুগুণ সাহস পালে। তাতকৈ ডাঙৰ কথা যে সি জীৱন যুদ্ধৰ বাবে নতুনকৈ যুঁজিবলৈ সাহস পালে।

কিছুদিন পাছত দেউতাকৰ Covid negative আহিল। এতিয়া অন্তত সুন্দৰৰ মনৰ পৰা এটা ডাঙৰ চিন্তা আঁতৰিল। ঘৰখনলৈ কিছু শান্তি ঘূৰি আহিল। দুখৰ মাজতো যেন কিছু সুখে ভূমুকি মাৰিলে। ভাঙি যোৱা মনবোৰো যেন জীপাল হৈ পৰিল। দেউতাকৰ ক'ৰোনা ভাল হোৱা আনন্দই সুন্দৰৰ হৃদয়ত আন এ ধাৰণাৰ জোঁৱাৰ তুলিলে। সি ভাবিলে যে সি গোটেই গাঁওখনকে ক'ৰোনামুক্ত কৰি পেলাব। তাৰ এই মহৎ ইচ্ছাটোৰ কথা সি দেউতাকক জনালে— "দেউতা, তুমি ক'ৰোনামুক্ত হোৱাত অতি বহুত সুখী। আমাৰ হেৰাই যোৱা শান্তি ঘূৰি আহিছে। তুমি ক'ৰোনামুক্ত হোৱা বাবে আমি যিমান আনন্দ পাইছো, তাতকৈ বেছি আনন্দ পাম যদি সমগ্ৰ পৃথিৱীতেই এই মহামাৰী নোহোৱা হৈ যায়। সমগ্ৰ পৃথিৱীক ক'ৰোনামুক্ত কৰিব নোৱাৰিলেও, মই মোৰ গাঁওখনকতো ক'ৰোনামুক্ত কৰিব পাৰিম। তুমি এইক্ষেত্ৰত কি কোৱা দেউতা?"

সুন্দৰৰ কথা শুনি দেউতাকে ক'লে— "সুন্দৰ, তোক লৈ আমি গৌৰৱ কৰোঁ। ইমান কষ্ট কৰি তই এই দুৰ্দিনৰ সময়ত আমাক পোহপাল দি আছ। গাঁওখনক ক'ৰোনামুক্ত কৰাটো সহজ কাম নহয়। তথাপি মই তোক বাধা নিদিওঁ। কাৰণ মই জানো নিষ্ঠা আৰু সততাৰে কৰিলে যিমানেই জটিল কাম নহওঁক, সফলতা আহিবই।"

দেউতাকৰ কোৱা শেষ হোৱাৰ লগে লগে মাকে মাত দিলে— "তোৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে। তই পাৰিবিয়েই।"

মাক-দেউতাকৰ কথাত সুন্দৰ আনন্দিত হ'ল। সেইদিনাৰ পৰাই সি নিজৰ ব্যৱসায়ৰ লগতে গাঁওখনক ক'ৰোনামুক্ত কৰিবলৈ লাগি গ'ল। ঘৰে ঘৰে গৈ সি গাঁওবাসীক বুজালে। সকলোকে সাৱধানতাৰ কথা বিৱৰি ক'লে। চাবোনেৰে হাত ধোৱা, ছেনিটাইজাৰ ব্যৱহাৰ কৰা, মাস্ক পৰিধান কৰা আদি কথা বুজালে। প্ৰয়োজন সাপেক্ষে চাবোন, ছেনিটাইজাৰ, মাস্ক আদিৰো বিনিময় অনুসৰি যোগানৰ ব্যৱস্থা কৰিলে। সামাজিক দূৰত্বৰ কথা প্ৰত্যেকৰ ঘৰে ঘৰে ক'বলৈ ধৰিলে। সামাজিক দূৰত্বই যে ক'ভিড সংক্ৰমণৰ পৰা ৰক্ষা কৰে সেয়া সকলোৱে বুজি পালে। কাৰোবাৰ কিবা সৰু-সুৰা অসুখ, যেনে— জ্বৰ, কাহ, পানী লগা, উশাহ-নিশাহত কষ্ট আদি হ'লে শীঘ্ৰে পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিলে। গাঁওৰ Covid positive বোৰক আচুতীয়াকৈ ৰখাৰ প্ৰয়োজনীয়তাৰ কথা বুজালে। ক'ৰোনা সংক্ৰমণ কেনেকৈ ৰোধ কৰিব পাৰি বা গাঁৱত ক'ৰোনা প্ৰৱেশ কেনেকৈ নিষিদ্ধ কৰিব পাৰি তাৰ যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিলে। গাঁৱৰ কেইজনমান লোকৰ সহায়ত গাঁৱত

অচিনাকি বা অন্য ঠাইৰ মানুহৰ প্ৰৱেশৰ ক্ষেত্ৰত বেলেগ ব্যৱস্থা ৰাখিলে। এতিয়া কিবা কাৰণত কোনোবা বাহিৰলৈ ওলালে মাস্ক পৰিধান কৰে। বহুতৰ লগত সকলো সময়তে ছেনিটাইজাৰ বটল লগত থাকে। এই সকলোবোৰ কাম সকলোৱে জানিছিল যদিও হাতে কামে কৰা নাছিল। কিন্তু সুন্দৰৰ অক্লান্ত পৰিশ্ৰম আৰু প্ৰচেষ্টাত সকলোবোৰ হাতে কামে হৈ উঠিল। সুন্দৰে মানুহৰ সচেতনতাৰ ক্ষেত্ৰত আলোড়নৰ সৃষ্টি কৰিলে।

সুন্দৰে গাঁৱত এইবোৰ কাম কৰি থকাৰ লগতে নিজৰ ব্যৱসায়ো ৰবিৰ লগত চলাই নিলে আৰু সমান্তৰালভাৱে পঢ়া-শুনাতো কিছুসময় দিয়া কৰিলে। সুন্দৰে পাৰ্যমানে দুখীয়াসকলক সহায় কৰিলে। অসুবিধা কিবা এটা হ'লেই বহুতে এতিয়া সুন্দৰৰ নামটোৱেই লয়। শিক্ষাৰ ক্ষেত্ৰটো সুন্দৰে আলোড়নকাৰী বিভিন্ন কাৰ্যপন্থা হাতত ল'লে। বন্ধৰ সময়ত ঘৰতে বহি থকা ছাত্ৰ-ছাত্ৰীসকলক লৈ সি সামাজিক দূৰত্ব মানি মাজে মাজে পাঠদানৰ ব্যৱস্থা কৰিলে। পাঠদানৰ উপৰি অন্যান্য কাৰ্যকলাপ, যেনে— ছবি আঁকা, গান গোৱা, কবিতা আবৃত্তি কৰা আদি কথাবোৰো ছাত্ৰ-ছাত্ৰীবোৰক শিকালে। ইয়াৰ উপৰি ৰাজহুৱা খেলপথাৰত এটি অংশত সকলোৱে মিলি এখন বাগিচাও প্ৰতিষ্ঠা কৰিলে।

কিছুদিন পিছত গাঁৱত ক'ৰোনা সংক্ৰমণ কমিব ধৰিলে। যিবোৰ ইতিমধ্যে ক'ৰোনাত আক্ৰান্ত হৈছিল, সেইবোৰ মানুহ সুস্থ হ'বলৈ আৰম্ভ কৰিছে। সকলোৱে বন্ধৰ সময়ত বিভিন্ন আনন্দদায়ক কামত নিয়োজিত হৈ পৰিল। সুন্দৰে গাঁওৰ মানুহক এই বন্ধৰ সময়ত নিজকে কেনেদৰে মুক্ত কৰি ৰাখিব পাৰি তাৰবাবে বিভিন্ন উপায়ৰ কথা ক'লে। বয়জ্যেষ্ঠ মানুহক পুৰণি কাহিনী কোৱাৰ কথা ক'লে। বহুতক ঘৰতে খৰাহী, বিচনী আদি সজাব ল'লে। সুন্দৰৰ কথামতে তেওঁলোকে এইবোৰ কৰিলে। কেইজনমান গাঁৱৰ ডেকা ল'ৰাই ঘৰতে এনে বহি থকাতকৈ ভিডিঅ' বনাই ইউটিউবৰ চেনেল খোলাৰ কাম কৰিলে। লাহে লাহে গাঁৱৰ মানুহৰ মানসিকতাবো পৰিৱৰ্তন ঘটিল। ধনী মানুহে দুখীয়াক সহায় কৰা, চুবুৰীয়াৰ লগত সকলোৱে মিলিজুলি বসবাস কৰা, ইজনে সিজনৰ খা-খবৰ লোৱা আদিৰে গাঁওখন সুন্দৰৰ প্ৰচেষ্টাত সুন্দৰ হৈ পৰিল। গাঁওবাসীৰ এতিয়া বন্ধৰ সময়বোৰো আমনি নলগা হ'ল।

ইফালে সুন্দৰৰ দেউতাকেও আগৰ দৰে খেতি-বাতি কৰিবলৈ ধৰিলে। আজিকালি সুন্দৰেও সহায় কৰে। দেউতাকৰ খেতিৰ শস্য সুন্দৰে ৰবিৰ সৈতে বিক্ৰী কৰি ভাল পইচাও উপাৰ্জন কৰে।

এটা সময়ত গাঁওখন সম্পূৰ্ণ ক'ৰোনামুক্ত হ'ল। সুন্দৰৰ প্ৰচেষ্টাত যে গাঁৱৰ এনেবোৰ পৰিৱৰ্তন হৈছে সকলোৱে কথাটো বুজি উঠিল। সুন্দৰৰ বাবেই আজি গাঁওবাসীয়ে ক'ৰোনামুক্ত হ'ব পাৰিছে। সুন্দৰৰ এই পদক্ষেপক সকলোৱে অন্তৰেৰে প্ৰশংসা কৰিলে।

সুন্দৰৰ এই পদক্ষেপৰ কথা স্থানীয় বিধায়কৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ কাণত পৰিল। মুখ্যমন্ত্ৰীয়ে তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰিলে। তেখেত সুন্দৰহঁতৰ গাঁৱলৈ আহিল। গওঁগ ৰাইজে সুন্দৰৰ পদক্ষেপৰ কথা বিৱৰি ক'লে। সুন্দৰৰ পদক্ষেপক মুখ্যমন্ত্ৰীদেৱে প্ৰশংসা কৰিলে। মুখ্যমন্ত্ৰীদেৱে দেউতাকক সুন্দৰৰ বিষয়ে সোধাত দেউতাকে ক'লে— "সুন্দৰ, প্ৰকৃততে সুন্দৰ। কেৱল নামটোৱেই সুন্দৰ নহয়। তাৰ মনটোও সুন্দৰ। কামবোৰো সুন্দৰ। কেৱল সি নিজৰ পিতৃ-মাতৃৰ কথাকেই চিন্তা নকৰে, সি চিন্তা কৰে সমগ্ৰ পৃথিৱীৰ কথা, সমাজৰ কথা। সুন্দৰে কেৱল শৈক্ষিক পৰীক্ষাতেই ভাল ফলাফল দেখুওৱা নাই, ভাল ফলাফল দেখুৱাইছে জীৱনৰ পৰীক্ষাতো।"

দেউতাকৰ কথা শুনি মুখ্যমন্ত্ৰীদেৱে ক'লে— "সুন্দৰৰ এই মহান পদক্ষেপক মই অন্তৰেৰে সন্মান জনাইছোঁ। মই সুন্দৰৰ পঢ়া-শুনাৰ বাবে কিছু সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা কৰিম। লগতে ক'ভিড পৰিস্থিতি শাম কাটিলে সুন্দৰক ৰাজহুৱাভাৱে পুৰস্কৃত কৰা হ'ব।"

সুন্দৰে কেৱল শৈক্ষিক পৰীক্ষা, জীৱনৰ পৰীক্ষাতেই ভাল ফলাফল দেখুওৱা নাই। তেওঁ এইবাৰ মহাযুদ্ধত অৱতীৰ্ণ হৈছে আৰু বিজয় সাব্যস্তও কৰিছে। সুন্দৰৰ দৰে এজন ল'ৰা প্ৰত্যেক গাঁৱত থাকিলে সমগ্ৰ দেশেই ক'ৰোনামুক্ত হ'ব। ক'ৰোনা মহামাৰীৰ এই মহাযুদ্ধত গাঁওখনে বিজয়ৰ হাঁহি মাৰিবলৈ সক্ষম হৈছে। শক্তিশালী, নেতৃত্বৰ, অক্লান্ত পৰিশ্ৰমৰ আৰু চিন্তাশীল মানসিকতাৰ ◈ ◈ 'সুন্দৰ' এই মহাযুদ্ধৰ মহানায়ক।

ক'ৰোনা মহামাৰী আৰু বৰ্তমান জীৱন যাত্ৰা

পিংকুমণি তালুক
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান শাখ

সুপ্ত বুকুৰ মুক্ত বায়ুত বিয়পি গভীৰ আশাক ধ্বংস কৰি মানৱ দেহত আক্ৰমণেৰে ধৰাৰ বুকুত এক বলীয়া বতাহৰ দৰে বলীয়াভাৱে ধ্বংসলীলাৰ সৃষ্টি কৰিছে এইবিধ মাৰাত্মক ভাইৰাচ 'ক'ৰোনা মহামাৰী'য়ে। গভীৰ সপোনক ধ্বংস কৰি, এক বেদনাদায়ক, নিষ্ঠুৰ মনোভাৱৰ বিধ্বস্ত আশা সুমুৱাব দিছে, যাৰ ফলস্বৰূপে অতি বেদনাদায়ক, মৰ্মান্তিক ৰূপৰ নিকৃষ্ট আৱৰণে আৱৰি ধৰিছে ধৰাৰ বুকু। সানি দিছে কান্দোনৰ ৰোল, বিষাদৰ আৱিৰ, বেদনাৰ কোলাহল। মৰম ভালপোৱাবোৰ যেন হৈ ৰৈছে এক আত্মাবিহীন শিলৰ মূৰ্তি। মৰম পিয়াসী আশাৰ বুকুত সানি দিছে, ভোকাতুৰ মন খাদ্যৰ নহয়। আপোনাৰ মৰমৰ পৰা বঞ্চিত হোৱাৰ এক ভোকে যাৰ ফলত উচুপি উঠিছে বুকু, জিলিকি উঠিছে চকু, নিগৰি আহিছে দুটি নয়নেৰে জান-জুৰিৰ নিচিনা এক বোঁৱাকী পানীৰ গোপন ভাষা মাথোঁ।

ক'ৰোনা মহামাৰী হৈছে এটা মাৰাত্মক ভাই�ৰাছ। যাৰ উৎপত্তি চীন দেশৰ য়ুহান চহৰত হোৱা বুলি কোৱা হৈছে। হঠাতে উৎপত্তি হোৱা এই ভাইৰাছে গোটেই বিশ্বজুৰি এক সংহাৰী ৰূপ ধাৰণ কৰিছিল আৰু তাৰ পৰিণতি ২০২০ চনত হোৱা অত্যাধিক সংক্ৰমণেৰে ভয়াবহ ৰূপত পৰিস্ফুট হৈছিল। গোটেই বিশ্বজুৰি

ত্ৰাসৰ সৃষ্টি কৰাৰ ফলত মানৱ সমাজত জীৱনধাৰণৰ প্ৰণালীৰ মাজত অত্যাধিক প্ৰভাৱ পৰিছে লগতে জীৱন যাত্ৰাৰ পথ অন্যফালে গতি কৰিছে।

ক'ৰোনা মহামাৰীৰ প্ৰতি লক্ষ্য ৰাখি যেতিয়া গোটেই বিশ্বজুৰি তলাবদ্ধ (Lock Down) ঘোষণা কৰিছিল তেতিয়া অকল এখন দেশত নহয় সমগ্ৰ বিশ্বত তলাবদ্ধ লগাৰ উপৰিও মানৱ সমাজৰ অত্যাধিক ব্যক্তিৰ অৰ্থনৈতিক ব্যৱস্থাত Lock Down লাগি গৈছিল। বিশেষকৈ সাধাৰণভাৱে জীৱন-যাপন কৰা মানুহৰ মাজত Lock Down ঘোষণাৰ লগে লগে হাহাকাৰৰ সৃষ্টি হৈছিল। সপোনত নভবা ঘটনা তেতিয়া এই বিশ্বত ঘটিছিল। ক'ৰোনা মহামাৰীৰ বাবে বৰ্তমান জীৱন যাত্ৰাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিছিল আৰ্থিক ব্যৱস্থাত। জীৱন যাত্ৰাৰ যি পথত মানুহে বিৰহ বেদনাক নেওচি লাহে লাহে সেই জীৱন পথৰ অন্তিম ভাগলৈ যাত্ৰা কৰি আছিল, তাত সম্পূৰ্ণৰূপে বাধা দিছিল ক'ৰোনা মহামাৰীৰ সময়ত দেখা দিয়া আৰ্থিক সমস্যাবোৰে। স্তব্ধ হৈ গৈছিল মন, নিঃশেষ হৈ গৈছিল বহুত উজ্জ্বল ভৱিষ্যত, ক্লান্ত সময়বোৰেও যেন ক'লা আৰিৰ এটি লৈ আহিছিল। নিজৰ মাজতে যেন নিজকে হেৰাই পেলাইছিল পিতৃহাৰা সন্তানে, সন্তানহাৰা হোৱা পিতৃ-মাতৃয়ে। শেষবাৰৰ বাবেও অন্তিম বিদায়ৰ কোমল বুকুৰ উমাল আৱেগৰে ঢাকিব পৰা নাছিল নিজৰ বিষাদপূৰ্ণ মৰমবোৰ, চকুপানীবোৰেও যেন নীৰৱ হৈ ৰৈছিল। দুটি নয়নৰ মাজত এক অদ্ভূত গৰ্জনিৰ সৃষ্টি হৈছিল সেইজন মাতৃৰ বুকুত, শুনিব ইচ্ছা কৰিছিল মাত্ৰ শব্দ 'মা'। ক'ৰোনা মহামাৰীৰ অত্যাধিক সংক্ৰমণে গোটেই বিশ্বৰ শৈক্ষিক ব্যৱস্থাটো অত্যাধিক প্ৰভাৱ পেলাইছিল। শৈক্ষিক ব্যৱস্থাৰ শিক্ষাবৰ্ষবিলাক পিছুৱাই গৈছিল, Lock Down হোৱা বাবে ছাত্ৰ-ছাত্ৰীসকল স্কুল-কলেজলৈ যাব পৰা নাছিল। লগতে কিতাপৰ লগত কোনো ধৰণৰ relation হোৱা নাছিল। Lock Down ৰ বাবে ঘৰতে থাকি যদিও Online শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। তথাপি দৰিদ্ৰ পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে এই সুবিধাৰ পৰা বঞ্চিত হৈছিল। যেতিয়া Lock Down হোৱা নাছিল, তেতিয়াও কেনেবাকৈ হ'লেও স্মাৰ্টফোনৰ ব্যৱস্থা কৰিলেও যেতিয়া Lock Down হৈছিল তেতিয়া আৰ্থিক দৈন্যতাত ভুগিছিল আৰু খোৱা-বোৱাৰ বাবে অধিক কষ্ট কৰিছিল। তেনেস্থলত সেই সময়ত দুয়োফালে ব্যৱস্থা কৰাটো অধিক কঠিন হৈ পৰিছিল আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে এইবিলাক সমস্যাৰ বাবেও পিতৃ-মাতৃৰো মন ভাগি চূৰ্ণ-বিচূৰ্ণ হৈছিল। ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষা নিঃশেষ হৈ গৈছিল। উৰি ফুৰা ছাত্ৰ-ছাত্ৰীৰ মনটোৱেও যেন সপোনৰ ডেউকা ভাগি পৰিছিল। উৰিব পৰা নাছিল নিজৰ সপোনবিলাক লৈ। মাথো লগত আছিল এক বেদনাযুক্ত ডাৱৰে আৱৰা মন। ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতক লৈ হেতালি খেলিছিল ক'ৰোনা মহামাৰীয়ে। জীৱনৰ এক অচিন চুকত ঠেলা মাৰি থৈ দিছিল শিক্ষা ব্যৱস্থাক।

ইয়াৰ মাজত এটা কথা ইয়াত নিলিখিলে আধৰুৱা যেন লাগিব। কথাটো হ'ল— এই মহামাৰীৰ সময়ত কিছুমান ভাল মানুহে দৰিদ্ৰ লোকসকলৰ বাবে এসাঁজ ভাতৰ হ'লেও ব্যৱস্থা কৰিছিল। কিন্তু সমাজৰ এচাম নিজকে জনপ্ৰিয় কৰিবলৈ মানুহে ফটো উঠাই ছ'চিয়েল মিডিয়াত আপলোড কৰিছিল। তেনে মানুহে নিজকে চ'চিয়েল মিডিয়াত মহান বুলি স্বীকৃতি দিব বিচাৰিছিল। নিজৰ গুণ নিজে গাইছিল সেইচাম মানুহে। নিকৃষ্ট মনোভাৱৰ সেইচাম মানুহ আচলতে কুৎচিৎ মনৰ।

এই মহামাৰীৰ সময়ত ৰাজনৈতিক নেতা কিছুমানেও নিজৰ লাভৰ বাবে কাম কৰিছিল আৰু প্ৰশংসা কৰিছিল। লগতে সাধাৰণ লোকৰ মাজত গৈ নিজৰ মিছা আশ্বাস আৰু মিছা কথাৰে নিজৰ লাভ আদায়ৰ বাবে চলনা কৰিছিল।

জীৱন যাত্ৰা এই মধুময় পথত, আশাৰ বাটত, সপোনবোৰ ভাগি এই ক'ৰোনা মহামাৰীয়ে গোটেই বিশ্বক জুৰুলা কৰি পেলাইছিল।

◈ ◈ ◈



পৃথিৱীৰ অসুখ

নাজমা চুলতানা
স্নাতক তৃতীয় ষান্মাসিক (ইংৰাজী বিভাগ)

"চিৰ চেনেহী মোৰ ভাষা জননী।
ধন্যে পুণ্যে হৃৎ পাৱনী আই।।"

গানৰ rehearsal চলি থকাৰ মাজতে Cultural Secretaryৰ ফোনটো বাজি উঠিল।

তৃষা ঃ হেল্ল', হয় ছাৰ কওঁক। হয়, কলেজতে আছো। ....কি? (আচৰিত হৈ সুধিলে তাই) ... ঠিক আছে, ৰাখিছোঁ।

নয়ন ঃ কি হ'ল অ' নিশা? কিনো ক'লে ছাৰে? (উদগ্ৰীৱ হৈ সুধিলে সি)

তৃষা ঃ ইমানবোৰ কষ্ট এনেই গ'ল জানানে। সকলোবোৰ হৈ উঠাৰ পিছত এইবোৰ আকৌ কিয় হ'ব লাগে? (তাই আৱেগিক হৈ পৰিল)

নয়ন ঃ আৰে ভালদৰে ক'চোন, হৈছে কি? মই একো ধৰিব পৰা নাই।

নিশা ঃ ছাৰে কৈছে ক'ৰোনাৰ বাবে হেনো কাইলৈৰ পৰা স্কুল-কলেজ সকলো বন্ধ। আমাৰ বিদ্যালয় সপ্তাহখনো Cancel হ'ল। (এইবাৰ তাই উচুপি উঠিল)

ৰাতিপুৱাৰে পৰা উৎসৱমুখৰ হৈ থকা পৰি�ৱেশটো ক্ষন্তেকৰ বাবে নিতাল মাৰিলে। সকলোৱে মনবোৰ বিষণ্ণতাৰে ভৰি পৰিল। Rehearsal ৰ বাবে উলিওৱা বস্তুবোৰ সামৰি সকলো ঘৰাঘৰি গ'ল। (কথাখিনি শুনি তুষাৰৰো বহুত বেয়া লাগিল।)

ইছ্ ৰাম, আজি এসপ্তাহ ধৰি কিমান হেঁপাহেৰে সকলো যা-যোগাৰ কৰিছিলোঁ। গানৰ বিহাৰ্ছেল, খেলৰ বাবে লাগতিয়াল বস্তুবোৰ, পুৰস্কাৰ, মানপত্ৰ আদি সকলো প্ৰায় যোগাৰ হৈছিলেই। এতিয়ানো এইবোৰ হ'ব লাগেনে? মাহীৰো বিয়াখন Cancel হ'ব নে কি বাৰু? কাইলৈ কাপোৰ কিনিব যোৱা কথা আছিল। সকলোচোন আধৰুৱা হৈ গ'ল এতিয়া।

কথাবোৰ ভাবি ভাবি তাই ঘৰ আহি পালে।

ঃ কি হ'ল মাজনী? তোৰ মুখখনৰ দেখোন একেবাৰে উজ্জ্বলেই নাইকীয়া হৈ গ'ল। কাৰোবাৰ লগত কিবা কাজিয়া কৰিলি নেকি? (মাকৰ কথাত তাইৰ ভ্ৰম ভাগিল)।

ঃ হা.... নাই কৰা (কৰুণভাৱে উত্তৰ দিলে তাই)

ঃ তেতিয়া হ'লে কি হৈছে ক'চোন।

ঃ আমাৰ College Week ৰ সকলো প্ৰ'গ্ৰেম Cancel হৈছে।

ঃ অহ্.... সেয়াহে কথা। মইও পাইছোঁ News ত। কি কৰিবি উপায় নাই। বন্ধ দিছে ভালেই হৈছে দে, ঘৰৰ কামখিনি শিকি ল'ব পাৰিবি। মোৰো অলপ সহায় হ'ব। এনেও এদিন বিয়া হৈ এইবোৰ কাম কৰিবই লাগিব। গতিকে এতিয়া বন্ধ পাইছ, শিকি ল' কামখিনি।

ঃ মা, তুমিও মানে আৰু (খঙে এইবাৰ তাইৰ চুলিৰ আগ পালেগৈ)

তাইৰ অৱস্থাটো দেখি মাকৰো হাঁহি উঠি গ'ল। উচাৎ মাৰি তাই ৰুমৰ ভিতৰলৈ সোমাই গ'ল।

"দেশত দ্ৰুতগতিত বাঢ়িছে ক'ৰোনা আক্ৰান্তৰ সংখ্যা। একেদিনাই আক্ৰান্ত ১৭১৮ জন।"— টিভিৰ শব্দত তৃষা টোপনিৰ পৰা সাৰ পাই গ'ল। ততাতৈয়াকৈ তাই উঠি গৈ মুখ-হাত ধুই আহি দেউতাকৰ কাষত বহিলে।

ঃ হেৰা, চোৱাহিচোন কিমান ভয়ানক হৈছে পৰিস্থিতি। মানুহবোৰৰ যে একো গাত নালাগে। ইমান ভয়ানক ভাই�ৰাচ অলপ সজাগ হ'ব লাগে। (পিছৰখিনি কথা নিজকে নিজে কোৱাৰ দৰে ক'লে তৃষাৰ দেউতাকে)

ঃ অ' মা মোৰ bore লাগিছে আৰু। ফুৰিব যাব মন গৈছে।

ঃ পাগল হ'লি নেকি অ' তই? যা বাৰীৰ পিছফালৰ পৰা এবাৰ ফুৰি আহগৈ। (মাকৰ কথা শুনি তৃষাৰ ককায়েকে ডাঙৰ ডাঙৰকৈ হাঁহিব ধৰিলে। তাইৰ খং উঠি গ'ল।)

তৃষাই মোবাইলটো উলিয়াই Google ত Search কৰি চালে। আচলতে বেমাৰটো কি? তাত লিখা আছিল Covid_19 অর্থাৎ ক'ৰোনা ভাই�ৰাছ। ২০১৯ চনৰ ডিচেম্বৰ মাহত চীন দেশৰ য়ুহান চহৰত উৎপন্ন হোৱা এক মাৰাত্মক ভাই�ৰাছ। পৰৱৰ্তী সময়ত ই মহামাৰীৰ ৰূপ লৈ সমগ্ৰ বিশ্বতে বিয়পি পৰিছে। তাই ইয়াৰ লক্ষণ আৰু কেনেদৰে এই মাৰাত্মক ভাই�ৰাছৰ পৰা দূৰত থাকিব পাৰি তাৰ বিষয়ে পঢ়ি ল'লে। Lock Down, Quarantine, Social Distance, Isolation আদি নতুন শব্দ কেইটামানৰ সৈতে চিনাকি হ'ল।

ঃ কি যে দিন আহিল নহয় এইবোৰ। ঘৰৰ পৰা বাহিৰ ওলাব নোৱাৰ হ'লো। (তৃষাৰ ককায়েকে ভোৰ ভোৰাই উঠিল)

ঃ বন্ধ হোৱাই ভালেই পাইছোঁ। তহঁত গোটইকেইটা ঘৰতে আছ। এতিয়া অন্তত একেলগে বহি ভাত কেইসাঁজ খাব পাৰিম। নহ'লেচোন গোটেই কেইজনে একেলগে থাকিবলৈ সুবিধাই নাপাওঁ।

কথাখিনি শুনি তৃষাৰ মনতো এক অবুজ শিহৰণ জাগি উঠিল। আচলতে মাকবোৰ তেনেকুৱাই। ন মাহ গৰ্ভত ৰাখি কিমান কষ্টেৰে তালি-তুলি ডাঙৰ-দীঘল কৰিলে। এতিয়া চাৰিজন মানুহ একেলগে বহি ভাতসাঁজ খোৱাৰো সুবিধা নহয়। মাকৰ মুখলৈ চাই তৃষাৰ মনটো কিবা ভাল লাগি গ'ল।

ৰাতি সিঁহত গোটেইকেইটা একেলগে বহি ভাত খাই আছিল। তাৰ মাজতে ককায়েকে ক'লে—

ঃ অনিল দাক বোলে পুলিচে লৈ গ'ল। বাটত মাংসৰ দোকান বহাইছিলে বোলে। বহুত মানুহৰ ভিৰো হৈছিল।

ঃ একো বেয়া হোৱা নাই। মানুহে জীয়াই থকাৰ চিন্তা কৰিছে, সিঁহতে আকৌ মাছ-মাংস খাব নাপায় হাহাকাৰ লগাইছে দুদিন নহওঁতেই। (মাকৰ এইবাৰ খঙ উঠি গ'ল)

ঃ হয় দে, কি যে মানুহ নহয়। নিজেতো মৰিবই আমোকো মাৰিব। আমেৰিকা, জাপানৰ দৰে দেশবোৰতে ৰোগীৰ বাবে হস্পিতালত ঠাই নোহোৱা হৈছে। অথচ সিঁহতে চৰকাৰে বান্ধি দিয়া নিয়মবোৰ মানিও চলিছে। আমাৰ ইয়াতো যদি তেনেকুৱা হয়, আমি চোন কোনোৱে নাবাচিম। (মাকৰ লগত সুৰ মিলাই ক'লে তৃষাই)

ঃ আচলতে আমেৰিকা জাপানৰ কথা বেলেগ। তাৰ চিকিৎসা ব্যৱস্থা বা আৰ্থিক ব্যৱস্থা যিমান টনকিয়াল, মানুহবোৰো আৰ্থিকভাৱে যথেষ্টখিনি স্বচ্ছল আৰু যিখিনি দৰিদ্ৰ শ্ৰেণীৰ মানুহ আছে তাৰবাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু আমাৰ দেশখন বা ৰাজ্যখন তেনেকুৱা নহয়। ইয়াত দৰিদ্ৰ মানুহৰ সংখ্যাই বেছি। চৰকাৰো আৰ্থিকভাৱে বহুত সম্বল নহয়। দিন হাজিৰা কৰি বা পদপথৰ ব্যৱসায়ীবোৰ যেনিতেনি দুবেলা দুমুঠি যোগাৰ কৰে। গতিকে সিঁহতবোৰৰ বাবে এই বন্ধ প্ৰত্যাহ্বানস্বৰূপ। এদিন কামলৈ নগ'লে ভাতসাজৰ চিন্তা কৰিবলগীয়া মানুহখিনিৰ কেনেকুৱা অৱস্থা হৈছে ভাবাচোন। আজিকালিতো কোনেও কাৰো সহায়ৰ বাবে আগবাঢ়ি নাহে। Social Media ত মানুহৰ পৰা বাহঃ বাহঃ ল'বলৈ কিছুমানে সাহাৰ্য্য প্ৰদান কৰিব। কিন্তু এক কিলো চাউল বা আধা কিলো দালিৰে এটা পৰিয়াল কিমানদিন চলিব? তোমালোকে ভবাৰ দৰে কথাবোৰ ইমান সহজ নহয়। হয় আমি চৰকাৰী নিয়ম মানিব লাগিব। নিজৰ কাৰণে আৰু নিজৰ পৰিয়ালৰ কাৰণে। দুখীয়া মানুহখিনিক আমি আন্তৰিকভাৱে সহায় কৰিব লাগিব। সিঁহতক বুজাব লাগিব। কিন্তু অতি অজ্ঞানীখিনিয়ে ভুল নকৰে। এচাম মানুহ আছে, যিয়ে সোঁতৰ বিপৰীতে চলি ভাল পায়। সমস্যা আহে সমাধান লৈয়ে। আমি তাক বুজিব লাগিব আৰু সকলোৱে মিলি সমাধান কৰিব লাগিব। ভাল দিন নিশ্চয় আহিব। এতিয়া যোৱা তোমালোকে শুৱাগৈ। ৰাতিপুৱা ৰমেনক কৈছিলো দুবস্তা মান চাউল, দালি আৰু মিঠাতেল, পিয়াঁজৰ লগতে কিবাকিবি বস্তু অলপ দি যাব। কালি গাঁৱৰ দুখীয়া মানুহখিনিক ঘৰে ঘৰে দি আহিব লাগিব।

দেউতাকৰ কথা শুনি তৃষাৰ মনত দেউতাকলৈ শ্ৰদ্ধা আৰু সন্মান বাঢ়ি গ'ল। আজিলৈকে তাই দেউতাকৰ serious mood টো দেখি আছিল। কঠোৰ বুলি ভবা দেউতাকৰ ভিতৰতো এটা ইমান দয়ালু মন আছে তাই অনুভৱে কৰিব পৰা নাছিল। সঁচাকৈয়ে 'দেউতা' শব্দটো মহান। তাই সেই হাজিৰা কৰা ঠেলা-ৰিক্সা চলোৱা, দেউতাকবোৰৰ কথাও ভাবিলে। সঁচাকৈয়ে সন্তানৰ আগত সততে কঠোৰ হৈ থকা প্ৰতিজন দেউতাকৰ জীৱন কিমান কঠোৰ। সকলো প্ৰত্যাহ্বান তেওঁলোকে অকালে মূৰ পাতি লৈ নিজৰ ল'ৰা-ছোৱালীৰ বাবে কিমান ত্যাগ কৰিব পাৰে।

কথাবোৰ ভাবি ভাবি তাই বিচনাত পৰিল। মোবাইলটো হাতত তুলি লৈ WhatsApp টো খুলি কেইটামান Message ৰ Reply কৰি Status বোৰ চাব ধৰিলে। তাই সচৰাচৰ দেখি অহা Status বোৰৰ কিছু ব্যতিক্ৰম দেখিবলৈ পালে। ক'ৰোনাৰ আপডেটবোৰৰ লগতে চোন সকলোৱে নিজে আঁকা ছবি, নিজ হাতেৰে তৈয়াৰ কৰা বাঁহৰ সামগ্ৰী, বৈদ্যুতিক সামগ্ৰী, লগৰ ছোৱালীবোৰে বনোৱা বিভিন্ন ৰেচিপি, কেক আদিৰ ফটো ভিডিঅ'ৰে ভৰি আছে সকলোৱে Status।

মাজতে বহুতে কবিতা লিখিছে। বিভিন্ন অনলাইন প্রতিযোগিতাত অংশগ্রহণ কবি নিজৰ প্রতিভা দাঙি ধবিছে। ষ্টেটাছবোৰ লুটিয়াই থাকোঁতে কেতিয়া তাইৰ টোপনি আহিল গমেই নাপালে।

"ক্রিং ক্রিং ..... ক্রিং ক্রিং..." (পিছদিনা ৰাতিপুৱা) ফোনৰ শব্দ পাই তৃষা টোপনিৰ পৰা সাৰ পালে। তাই ফোনটো চাই দেখিলে অনুৰাধাই ফোন কৰিছে।

ঃ অ' ... অনু ক'...।

ঃ আৰে কি খবৰ তোৰ?

ঃ কিনো হ'ব আৰু খবৰ.. আছো ঘৰতে সোমাই। তোৰ ক'?

ঃ মোৰো ও একেই দে।

ঃ হয় তাকেই আৰু কি কৰিবি উপায় নাই।

ঃ হয় দে... কি যে দিন আহিল নহয়... তই Vaccine ৰ Registration কৰিলি নে নাই?

ঃ কিহৰ Vaccine?

ঃ আৰে Corona Vaccine ওলোৱা গমেই নাপাৰ নেকি তই?

ঃ অ' হয় নেকি? সঁচাকে গম নাপাওঁ অ'।

ঃ হে ৰাম...। কোনখন পৃথিৱীত যে থাক' নহয় তই। মই কৰিছো তই ও কৰি ল'বি।

ঃ ওহ ওহ কৰিব লাগিব।

ঃ দে এতিয়া ক্লাছ আছে উঠি Fresh হৈ ল'।

ঃ উম্ দে bye হা।

ফোনটো থৈ তাই মুখ-হাত ধুই আহি ইতিমধ্যে আৰম্ভ হোৱা Online Class টো Join কৰিলে। ক্লাছত ছাৰে বুজাই থকাৰ সময়ত তাইৰ WhatsApp ত এটা Notification আহিল। চাই দেখিলে তাইৰ লগৰে নিখিলে মেছেজ দিছে— "Cheawing gum, bubble gum kabhi khushi kabhi gum, Coronum lockdownum We are in Quarantinum." তাৰ মেছেজটো পঢ়ি তৃষাৰ হাঁহি উঠি গ'ল। আৰু তাতেই লাগিল কন্দল। তাইৰ Microphone টো On থকাৰ বাবে অট্টহাস্য গৈ Online ক্লাছৰ মজিয়া পালেগৈ। বাকীবোৰকো আৰু বাহানা হে লাগে। Online ক্লাছ গৈ, Kapil Sharma Show ত পৰিণত হ'লগৈ।

ঃ তৃষা অলপ serious হোৱা। Exam Online হ'ব যদিও tough হ'ব। গতিকে এই দুষ্টামিবোৰ অলপ দূৰত ৰাখি ভালদৰে মনোযোগ দি পঢ়া।

চাৰৰ কথাখিনি শুনি তাই লাজ পালে যদিও তাৰ মেছেজটোৰ কথা ভাবি মনে মনে হাঁহিয়েই থাকিল।

তাইৰ ক্লাছ শেষ হ'লত মাকে ভাত খাব মাতিলে। গোটেই কেইটাই একেলগে বহি ভাত খাই আছিল।

ঃ তই কি দিনৰ দিনটো Phone তে ব্যস্ত হৈ থাকিবি নেকি! মোকোতো অলপ সহায় কৰি দিব পাৰা। ভাতকেইটা খাই থাকোঁ কাপোৰকেইটা ধুই দিবিহি। (সুযোগ বুজি মাকে তৃষালৈ ফুটি এইভাগ আগবঢ়ালে)

ঃ নাই নোৱাৰোঁ এতিয়া। মোৰ কিবা লিখিব লগা আছে।

এনেকে কথা-বতৰা চলি থাকোঁতে দেউতাকৰ ফোনটো বাজি উঠিল।

ঃ হেল্ল'... কি? কেতিয়া? (আচৰিত হৈ সুধি আছু দেউতাকে) ইস্ ৰাম...। দে দে মই এপাক গৈ আহিম পাৰিলে

ঃ পেহীয়েৰাৰ হেনো ননদজনী ঢুকাল। গুৱাহাটীৰ হস্পিতালৰ পৰা ঘৰলৈ আনি আছে।

ঃ কেনেকৈ দেউতা? (তৃষাই আচৰিত হ'ল)

ঃ Positive পাইছিল বোলে।

ঃ তেতিয়াহ'লে তুমি যাব নালাগে নেকি?

ঃ চাওঁচোন কি হয়। তহঁতে ভয় কৰিব নালাগে। তোৰ কিবা লিখিব আছে বোলে। লিখগৈ যা।

খবৰটো শুনি তাইৰো বহুত বেয়া লাগিল। কিন্তু উপায়টো নাই। ভগৱানৰ ইচ্ছাৰ বিৰুদ্ধে মানুহে জানো কিবা কৰিব পাৰে। তাইৰো মন গৈছে পেহীয়েকৰ ওচৰত যাব। কিন্তু তাই বুজে যে মানুহ পৰিস্থিতি আৰু পৰিৱেশৰ দাস। তাই ভগৱানক প্ৰাৰ্থনা কৰিলে এই মহামাৰীৰ পৰা সকলোকে মুক্ত কৰিবলৈ।

তাই কথাবোৰ ভাবি ভাবি এখন উকা বহী আৰু কলমটো লৈ খিৰিকীৰ ওচৰত বহিল। তাই সংকল্প ল'লে ইমানদিনে লিখিম লিখিম বুলি ভাবি থকা গল্পটো আজি আৰম্ভ কৰিব। কিন্তু তাই কি লিখিব, ক'ৰ পৰা লিখিব একো উৰাদিহ পোৱা নাই।

বহু সময় এনেকে বহি থকা দেখি মাকে মাত লগালে— "তেনেকে বহি থাকিব নালাগে। কি লিখিব আছে আবেলি লিখিবি। এতিয়া কাপোৰকেইটা ধুই দে গৈ যা...।"

◈ ◈ ◈

ব্যাধিয়ে পোৰা বালিঘৰ

প্রীতিৰেখা দাস
স্নাতক চতুর্থ ষান্মাসিক (কলা শাখা)
কটন বিশ্ববিদ্যালয়

কাঠৰ খিৰিকীখনৰ কাষতে বিচনাখন লাগি আছে। বিচনাখনত পৰি মানুহজনে খিৰিকীৰে সিটো পাৰে থকা সেউজীয়াবোৰ আৰু আকাশৰ বিশাল নীলাখিনিলৈ চাই নানান ভাৰত বিভোৰ হৈ আছে। মাজে মাজে দুই এটা মাখি উৰি আহি তেওঁৰ গালে মুখে পৰি আমনি কৰিছে। বেমাৰে তেওঁৰ শৰীৰটো প্ৰাণহীন যেন কৰি পেলালেও মনটো কিন্তু সম্পূৰ্ণ সুস্থ হৈয়েই আছে। কাষৰ মানুহ এঘৰৰ পৰা ভাঁহি অহা জয়ন্ত হাজৰিকাৰ গীত এটিৰ মৃদু ধ্বনি তেওঁৰ কাণত পৰিল— "মোৰ মৃতদেহ বগা কাপোৰেৰে কোনোবাই ঢাকি দিলে..."। উফ্! কেনে শিহৰণকাৰী শব্দবোৰ!! তেওঁৰ মন-প্ৰাণ যেন জিকাৰ খাই উঠিল। কিছুমান ভাৰৰ হেন্দোলনিয়ে তেওঁৰ মনটো অস্থিৰ কৰি তুলিলে।

"বেমাৰটো হওঁতেই যদি মই সকলোৰে শেষ ঠিকনাত বগা কাপোৰখনেৰে ঢাক খালোহেঁতেন, তেতিয়া হয়তো মোৰ বাবে ঘৰখনে ইমান শাস্তি খাব নালাগিলহেঁতেন। ল'ৰাটোৱে অন্ততঃ পঢ়া-শুনা এৰি মোৰ দামী দামী ঔষধৰ খৰচ বহন কৰিবলগীয়া নহ'লহেঁতেন। খৰচবোৰ বেছি নহ'লে মানুহজনীয়ে হয়তো ইমানখিনি কষ্ট কৰিবলগীয়া নহ'লহেঁতেন। ভগৱানো যে কেতিয়াবা কিমান নিষ্ঠুৰ হৈ পৰে। নিমিষতে সপোনৰ বালিঘৰ একোটা পুৰি ছাৰখাৰ কৰি পেলায়। যেতিয়াই দেহ-মনৰ কষ্টত জীয়াই থকাৰ সাহসকণ হেৰুৱাই পেলাওঁ, তেতিয়াই মানুহজনীয়ে কপালত হাতখন ফুৰাই জীয়াই থকাৰ প্ৰেৰণা দি কয়— "আপোনাক চুৰাৰ আগত মৃত্যুৱে মোক চুব লাগিব।" মোৰ সাহসতে এদিন মানুহজনী জীৱন বাটৰ সংগী হৈ পৰিছিল। কিন্তু তেওঁক মই দিব পাৰিলো কি? অৱশ্যে তেওঁ কেতিয়াও এইবোৰক লৈ আক্ষেপো কৰা নাই। তেওঁ প্ৰায়েই কয়— "মৃত্যুৰ ক্ষণত কপালত ডাঙৰকৈ ৰঙা ফোঁটটো আৰু শিৰত দীঘলকৈ সেন্দুৰকণ আপুনি আঁকি দিব, তাতেই ইহসংসাৰত নোপোৱা সুখখিনি মোৰ আত্মাই ঢুকি পাব।" মানুহজনী সপ্তাহত এবাৰকৈ হ'লেও ঘৰলৈ আহেই। কিন্তু এইবাৰচোন তেওঁ নহা এমাহেই পাৰ হ'ল। কিয় জানো ইমানদিন তেওঁ ঘৰলৈ অহা নাই? খুব ব্যস্ত চাগে! ৰং আৰু বাণীয়ে মাকৰ লগত ফোনত কথা হৈ থাকে। বাকী মোৰটো এতিয়া কথা ক'বলৈ সামৰ্থ...।"— কাষতে লাগি থকা কোঠাটোৰ পৰা ভাঁহি অহা বাণীৰ উচুপনি শুনি তেওঁৰ চিন্তাবোৰত সিমানতে যতি পৰিল।

"ছেঃ কি বা হৈছে ছোৱালীজনীৰ? ৰঙো এতিয়ালৈ আহি পোৱা নাই। এবাৰ নিজেই ওচৰত গৈ সুধি চাব পৰা হ'লে...! বাণীৰ ওচৰত গৈ তাইৰ মনৰ বুজ ল'বলৈ মানুহজনৰ মনটো উদ্বিগ্ন হৈ পৰিল; কিন্তু তেওঁৰ দেহাটোৱে যে মনটোৰ লগ কোনোদিনে নিদিয়ে।

এনেতে ডাঙৰ মকৰা এটা খিৰিকীৰে সোমাই তেওঁৰ গাৰ ওপৰতে কিছুসময় ইফাল সিফাল কৰি লাহে লাহে গাৰ পৰা বিচনালৈ নামি গ'ল। তেওঁ কিন্তু একো প্ৰতিক্ৰিয়াই নেদেখুৱালে। মাথো চকুকেইটা আৰু সোঁহাতৰ আঙুলিকেইটাহে সামান্য লৰচৰ কৰিলে।

জেঠমহীয়া প্ৰচণ্ড ৰ'দ। মূৰৰ ওপৰত বেলিটোৱে খাওঁ খাওঁ মূৰ্তি ধৰিছে। গছৰ পাত এটা লৰিব পৰাকৈ বলা বতাহকণো যেন গৰমটোৱে শুহি পেলাইছে। এইহেন দুপৰীয়াটোতে চহৰ সংযোগী গাঁৱৰ মূল পকী পথটোৱে ৰঙে হাতত দা খন লৈ খৰ খোজেৰে ঘৰ অভিমুখে ৰাওনা হৈছে। অনবৰতে গাড়ী-মটৰ, মানুহৰে ভৰি থকা পথটোত আজি চকুকে ঢুকি পোৱালৈকে মানুহ এজন নাই। পথৰ দাঁতিত মাত্ৰ দুই এটা হাঁড়ে-চালে লগা নিশকটীয়া কুকুৰ পেট পেলাই পৰি আছে, কোনোটোৱে অসহায়ভাৱে ইফালে সিফালে চাই খাবলৈ কিবা অকণ পায় নেকি তাৰেই সন্ধান কৰিছে। আচলতে বেচেৰাহঁতৰ অৱস্থাটো অতি দুখলগা হৈছে। আগতেটো দোকানবোৰ খোলা থকা অৱস্থাত পেলনীয়া হ'লেও কিবা অলপ খাব পাইছিলেই, কিন্তু এতিয়াটো সেয়াও নাই। আজিকালি দোকানবোৰ প্ৰায় বন্ধ হৈয়েই থাকে। মানুহবোৰে বাৰু এই ভয়ংকৰ গৰমৰ প্ৰকোপত পৰাৰ ভয়ত নিজৰ সকলো সকাম বাদ দি

ঘৰবোৰতে সোমাই আছে নেকি? উম্‌হুম্‌হুম্‌হুম্‌... !!! কথাটো আচলতে তেনে নহয়। গাড়ী-মটৰৰ চলাচল কম হোৱা বাবেই নেকি অইন বছৰবোৰৰ তুলনাত এইবেলি গৰমটো কিছু কম যেনহে অনুভৱ হয়। প্ৰকৃততে আজি প্ৰায় এটা বছৰে দেওলগা বেমাৰটোৰে গোটেই পৃথিৱীখনত যিটোহে তাণ্ডৱ চলাইছে, তাৰেই পাৰ্শ্বক্ৰিয়া এইবোৰ। কত মানুহৰ জীৱন কাঢ়িলে, কত মানুহৰ জীৱিকা কাঢ়িলে, কত মানুহৰ বুকুৰ কুটুমজনক কাঢ়িলে তাৰ হিচাপ নাই। অৱশ্যে মানুহবোৰে নো দোষীব কাক? আজি অতবছৰে জীৱশ্ৰেষ্ঠ মানৱে প্ৰকৃতিৰ ওপৰত যিমানহে অত্যাচাৰ চলাই আহিছে; তাৰেই হয়তো ফল এয়া, হয়তো প্ৰকৃতিয়ে নিজেই নিজক নিকা কৰাৰ সিদ্ধান্ত লৈছে।

বিশ্বব্যাপী মহামাৰীটোৱে বহুতো পৰিয়ালৰ সুখ-শান্তি কাঢ়ি অমানিশা নমাইছে। বংহঁতৰ পৰিয়ালটোও তেনেহেই এটা দুৰ্ভগীয়া পৰিয়াল। এই এটা বছৰত ৰঙৰ জীৱনৰ গতিপথেই সলনি হৈ গ'ল। হাতত কাগজ-কলম লৈ ভৱিষ্যতে এজন সু-চিকিৎসক হোৱাৰ স্বপ্ন দেখা ল'ৰাটোৰ হাতত আদি দা-বোৱ। বেচেৰাই গাঁৱৰ ইঘৰে সিঘৰে গৈ হাজিৰা কাম বিচাৰি ঘুৰি ফুৰিছে। ল'ৰাটোৰ চোকা জ্ঞান-বুদ্ধি, পঢ়াৰ প্ৰতি ধাউতি দেখি গাঁৱৰ কেইবাজনো লোক লিখা-পঢ়াৰ ক্ষেত্ৰত তাক আৰ্থিকভাৱে কিছু সহায় কৰিবলৈ আগবাঢ়ি আহিছিল, সি নিজেও পঢ়াৰ বাবে স্কলাৰশ্বিপ এটা পাইছিল। কিন্তু কথা এষাৰ আছেনহয়— "দাতাই দিলেও বিধাতাই নিদিয়ে।" তাৰ জীৱনটো সেইষাৰ কথা ফলিল। কুৰি বছৰ নৌহওঁতেই ঘৰখনৰ প্ৰায় সমস্ত দায়িত্ব তাৰ ওপৰতেই আহি পৰিল। বৰ টনকিয়াল নহ'লেও সিঁহতৰ চাৰিজনীয়া পৰিয়ালটো কোনোৰকম দুবেলা দুসাঁজ সন্তোষেৰে খাব পৰাকৈ চলি আছিল। চহৰত দেউতাকৰ সৰুকৈ কাপো�ৰৰ দোকান এখন আছে। মাহটোত যিখিনি আয় হয় তাৰে ভালেখিনি দোকান ঘৰটোৰ ভাড়া আৰু দৈনিক যাতায়ততে খৰচ হয়। তথাপিও যি অলপ বাহি হয় তাৰেই দেউতাকে সিঁহতৰ প্ৰয়োজনসমূহ পূ�ৰাবলৈ যত্ন কৰি আহিছিল। কিন্তু যোৱা বছৰ মহামাৰীৰ প্ৰকোপত মাহ মাহ ধৰি সকলো দোকান-পোহাৰ বন্ধ হৈয়েই থাকিল। সিঁহতৰ পৰিয়ালটোৰ অৱস্থা পানীত হাঁহ নচৰা যেন হ'ল। কাৰোবাৰ ঘৰত কিবা কাম পালেই তাকেই কৰি দু-এপইচা আৰ্জি ল'ৰা-ছোৱালীকেইটাক শুদাই-নিকাই হ'লেও এসাঁজ খুওৱাৰ ব্যৱস্থা কৰিছিল। দিনে দিনে ঘৰখনৰ অৱস্থাটো আৰু বেছি বেয়াৰ ফালে ঢাল খালে। ইফালে অৰ্থ উপাৰ্জন প্ৰায় শূন্য, অন্যফালে দোকান ঘৰটোৰ বাবে মাহে মাহে দিবলগীয়া হৈ থকা ভাড়া বাঢ়ি অহা বোজা। এইবোৰ চিন্তাতে দেউতাকৰ যোৱাবেলি দুৰ্গাপূজাৰ সময়ত উচ্চ ৰক্তচাপৰ বাবে ষ্ট্ৰোক হ'ল। বহু চিকিৎসাৰ বলত মানুহটোৰ দেহত প্ৰাণটো ৰ যদিও দেহৰ বাওঁফালটো প্ৰায় সম্পূৰ্ণৰূপে পেৰালাইচি বিচনাখনতে কাঠ এটুকুৰাৰ দৰে পৰি থাকিবলগীয়া হ'ল। মহ প্ৰকোপ কিছু কমাৰ পিছত যেতিয়া চৰকাৰে দোকানবোৰ খোলাৰ অনুমতি দিলে, তেতিয়া মাকেই সাহস কৰি দোকানখন পুনৰ চলোৱাৰ সিদ্ধান্ত ল'লে। ৰঙে নিজে সেই ল'ৰ খুজিছিল যদিও মাকে একমাত্ৰ পুতেককৰ সেই অনুমতি নি কাৰণ চহৰবোৰত বেমাৰটোৰ প্ৰকোপ বেছি। চহৰৰ লগত পূ বিশেষ সম্পৰ্ক নথকা মাইকী মানুহ, সেয়ে অহা-যোৱা কৰ কিছু দিগদাৰ। সেইবাবে মাকে কাকুতি মিনতি কৰি হ'লেও অ কম ভাড়াত চহৰৰে চিনাকি মানুহ এঘৰত ৰাতিটো থাকিব পৰা সৰু ৰুম এটা ল'লে।

ভনীয়েকজনী ৰঙতকৈ প্ৰায় দহবছৰ মানেই সৰু, ইফালে দেউতাক হৈছে শোৱাপাটীখনৰে লগৰী। তেনেক্ষেত্ৰত ৰঙে অকলেই ঘৰখন চোৱাচিতা কৰিবলগা হ'ল। তাৰ পঢ়া-শুনা থমকি ৰ'ল, স্কলাৰশ্বিপৰ টকাকেইটাও দেউতাকৰ চিকিৎসাতেই খৰচ হ'ল। ঘৰৰ খৰচৰ জোৰা-টাপলি মাৰিবলৈ সি নিজেই লোকৰ ঘৰত দিন হাজিৰা কৰিবলৈ ধৰিলে। ভৱিষ্যতৰ বাবে সি দেখা স্বপ্নবোৰ যেন মাত্ৰ কেইটামান দিনৰ ভিতৰতে ধূসৰিত হৈ পৰিল।

"উফ্ মা!! — হঠাতে কিবা এটাত জোত-পোট খাই আঁঠুৰ ওপৰত ভৰটো দি আগফালে হাউলি ৰং পৰি গ'ল। সি তাৰ চেন্দেলযোৰলৈ চালে, এপাতাৰ ফিটাডাল চিঙি থাকিল। হ'ল বুলিনো একেযোৰ চেন্দেলৰে কিমানদিন চলিব পাৰিব। তথাপিও সি কোনোমতে চলা-ফুৰা কৰিব পৰাকৈ ফিটাডালৰ কিবা এটা ব্যৱস্থা কৰিব পাৰি নেকি টানিটুনি চালে।

এনেতে ছাইৰেন বজাই দুখনকৈ এম্বুলেঞ্চ তাৰ গন্তব্য একেবাৰে কাষেৰে পাৰ হৈ গ'ল। আৰু কোনোবা মহামাৰীৰ গ্ৰাসত পৰিল হ'বলা।

"ওৰাক্ থুই থুই... !!" মুখখন বিকটাই উঠিল ৰঙে। তলমুৰা হৈ বেছিকৈ হাউলি থকা বাবে গাড়ী দুখনে উৰুৱাই যোৱা ধূলিবোৰ তাৰ নাকে মুখে সোমাল।

গৰম আৰু ভাগৰত তাৰ উশাহবোৰ ঘন হ'বলৈ ধৰিলে। বহু চেষ্টা কৰিও চেন্দেলপাত ঠিক কৰিব নোৱাৰি সি সেইগাত হাততে তুলি ল'লে। ৰ'দত পকী ৰাস্তাটো জ্বলি থকা পতা অঙাৰৰ দৰে গৰম হৈছে। তথাপিও উপায় নাই; সান্ধ্য আইন চলাৰ সময় আৰম্ভ হোৱাৰ আগতে ঘৰ গৈ সোমাব লাগিব। ৰঙে এপাত চেন্দেল পিন্ধিয়েই ঘৰলৈ আকৌ খোজ দিলে। মাজে মাজে ল'ৰাটোৱে চকু দুটা মুদি ঢোক একোটা গিলিলে। তাৰ চকুৰ পৰা বৈ অহা

এটোপাল লোটক জ্বলা ফুটিবলৈ ধৰা ভৰিখনৰ পতাটোতে পৰিল।

বাণীয়ে বাৰাণ্ডাতে বহী মোবাইলটো পিটিকি আছিল। তাইৰ ওফন্দি থকা চকুহালি আৰু ৰঙা হৈ থকা তাইৰ জোঙা নাকটো দেখিলেই বুজিব পাৰি যে তাই কিছুসময় আগলৈকে কান্দি আছিল। চোতালত ভৰি থৈয়েই ৰঙৰ চকু ভনীয়েকৰ ওপৰত পৰিল। টিঙিচকৈ খঙটো উঠিল তাৰ। চিধাই গৈ সি ভনীয়েকৰ পিঠিত জোৰকৈ থাপৰ এটা দি তাইৰ পিনে ঘোপাকৈ চাই ৰ'ল।

হঠাতে হোৱা ঘটনাটোত বাণী উচপ্ খাই উঠিল। মুৰ তুলি তাই ককায়েকৰ পিনে চলচলীয়া চকুৰে চালে। ফৰফৰাই থকা পিঠিখন পিহি পিহি তাই চিঞৰি উঠিল— "দাদা তই মোক কিয় মাৰিছ? কিনো কৰিলো মই ক'চোন?" তাই কান্দিবলৈ ধৰিলে।

"ইমান কষ্টকৈ মোবাইলটো তোক অনলাইন ক্লাছ কৰিবলৈ আনি দিছো নে আবাবত সময়ত নষ্ট কৰি জীৱনটো ধ্বংসৰ পথলৈ ঠেলি নিবলৈ? ঘৰখনৰ ভালৰ বাবে নিজৰ সকলো সপোন দাহ কৰি লোকৰ ঘৰত কাম বিচাৰি ঘুৰি ফুৰো। কম পইচাৰ বিনিময়ত হ'লেও লোকৰ ঘৰৰ কত কি লেতেৰা বস্তু হাতেৰে চুই চাফ কৰিছো। বেমাৰ বিয়পাম বুলি কিছুমানে চোতাল গছকিলেই নানা ককৰ্থনা কৰি খেদি দিয়ে, তথাপিও লাজ-মান কাতি কৰি আকৌ পিছদিনা কাম বিচাৰি ওলাই গৈছো। কাৰ বাবে কৰি আছো এইবোৰ? এয়া দেখিছ, এইটো বাহুত দেউতাৰ ঔষধ আনিবলৈ যাওঁতে পুলিচে দিয়া লাঠিৰ কোবৰ দাগ। এতিয়াও বিষায় মাজে মাজে। পঢ়াত ক্ষতি হয় বুলি তোক কুটা এগছ কৰিবলৈ নিদিওঁ, মাথো পঢ়। সেইখিনিও নোৱাৰ নে কৰিব?"— ৰঙে খঙতে ফোঁপাবলৈ ধৰিলে।

"এঃ ... !! মই দেখোন পঢ়িয়েই আছিলো। এইমাত্ৰহে মোবাইলটো চুইছো, এনেই মাৰিলি তই মোক। আৰু হাত-ভৰি নোধোৱাকৈ কি চুইছ মোক? মোৰো যদি ক'ৰোনা হয়, তেতিয়া? এনেই আজি পুৰাৰ পৰা বেমাৰ মোৰ।"

"কি? কি বেমাৰ হৈছে অ' তোৰ?"— বেমাৰৰ কথা শুনি ৰঙৰ খঙটো সাউৎকৈ নোহোৱা হ'ল। কেতিয়াবা কিবা অলপ টানকৈ ক'লেও ভনীয়েকজনী তাৰ বৰ মৰমৰ। কিন্তু কামৰ বোজা আৰু মানসিক চাপ বেছি হোৱা বাবেই নেকি খঙটোৱে তাৰ লগেই লৈছে। দেউতাকহঁতেটো নাজানে সি যে তেওঁলোকৰ পৰা কিমান ডাঙৰ দুখৰ বোজা এটা লুকুৱাই নিজৰ মনতে সামৰি থৈছে।

"ৰাতিপুৱাৰে পৰা পেটটো বিষাই আছে। পেটৰ বিষত কান্দি আছিলো। আৰু... আৰু হেৰি... এ নকওঁ যা।" তাই আঙুলিৰ ঠাৰিৰে চকু দুটা মোহাৰি মোহাৰি উচাৎ মাৰি আঁতৰি যাব খুজিলে।

"ভন্টী ভালকৈ ক'চোন কি?"— তাইৰ শুদ্ধ বগা চোলাটোৰ পিছপিনে ৰঙা ফুটুকা-ফুটুকী দাগকেইটা দেখি ৰঙৰ মুখৰ কথা মুখতে ৰ'ল। কিংকৰ্তব্যবিমূঢ় হৈ সি ভনীয়েকৰ মুখলৈ চাই ৰ'ল।

বাণীজনী লাহে লাহে ডাঙৰ হৈ আহিছিল, কিন্তু ঘৰত মাক নথকা অৱস্থাত যে তাই নাৰীদেহৰ পূৰ্ণতা প্ৰাপ্তিৰ দিশত প্ৰথমটো খোজ দিব সেই কথা ৰঙে ভাবিবই পৰা নাছিল। এনে সময়তে এগৰাকী কিশোৰীক এগৰাকী প্ৰাপ্তবয়স্ক নাৰীৰ সান্নিধ্যৰ বৰ প্ৰয়োজন। এতিয়া সি ভনীয়েকক কি উপদেশ দিয়ে? সিটো এইবোৰৰ বিষয়ে ভালকৈ একোৱেই নাজানে। কিছুসময় তাতেই থৰ হৈ থাকি সি বাণীক মূঢ়া এটাতে বহিবলৈ দিলে আৰু কাষৰে বিমলা পেহীয়েকহঁতৰ ঘৰলৈ লৰ মাৰিলে।

বাণী পুস্পিতা হোৱাৰ পঞ্চমদিনাখন ওচৰৰে তিৰোতাসকলে লগ হৈ সকলো নীতি-নিয়ম কৰি অটালে। ৰঙেও সাঁচতীয়া পইচাকেইটাকে খৰচ কৰি সকলো যা-যোগাৰ সাধ্যানুসৰি কৰিলে। আয়তীসকলক মতাই নাম এখনো দিলে। মাক কিন্তু সেইদিনাও নাহিল। বাণীয়ে ৰঙক বাৰে বাৰে মাকৰ কথা সুধি আছিল। দেউতাকেও আগ্ৰহেৰে মাকলৈ বাট চাই আছিল। কিন্তু অৱশেষত নিৰাশ হ'ল। ফোনত সি মাকক খবৰটো দিয়া বুলি ৰঙে দেউতাকক কৈছে। আহিব নোৱাৰিলেও মাকে যে বাণীলৈ এবুকু মৰম আৰু আশীৰ্বাদ পঠিয়াইছে সেই কথা ৰঙে তাইক বাৰে বাৰে বুজাইছে। আহিব খুজিও দোকানখনৰ লগত জড়িত খুব জৰুৰী কাম এটাত ব্যস্ত থকাৰ বাবেহে যে মাক আহিব নোৱাৰিলে, সেয়া ৰঙে মানুহখিনিকি কৈছে।

কিন্তু মানুহেটো তিলটোকে তাল কৰি নিজস্ব কাল্পনিক ৰহণ সানি পৰচৰ্চা কৰি ভালেই পায়। কিছুমানে জীয়েকৰ তোলনিৰ দিনাখন মাক উপস্থিত নথকা কথাটো হজম কৰিব পৰা নাই। ৰঙহঁতে পেহী বুলি সম্বোধন কৰা কাষৰে বিমলাই তিৰোতাবোৰক ফুচফুচাই কৈছে— "হেৰৌ! কিবা বিশেষ ৰহস্য নাথাকিলে জীয়েকৰ ইমান বিশেষ দিন এটাত মাক উপস্থিত নাথাকেনে? ইমাননো কিহৰ ব্যস্ততা? হয়তো তাই চহৰত অন্য কোনো সংগী বিচাৰি লৈছে, সেয়ে ঘৰখনৰ পিনে একেবাৰে পিঠিয়েই দিছে। অৱশ্যে এনে এজন পংগু বেমাৰী মানুহৰ লগত গোটেই জীৱনটো কটোৱাৰ সাহস সকলোৱে কৰিবও নোৱাৰে।" বিমলাৰ কথাত আন তিৰোতাবোৰে ফিচিঙাফিচিং কৰিবলৈ ধৰিলে, কিছুমানে বাৰাণ্ডাতে চকী এখন পাৰি কায়দাকৈ বহুৰাই থোৱা ৰঙৰ দেউতাকৰ পিনে চাই হুমুনিয়াহ এৰিলে।

চকীখনত গছৰ মূঢ়া এটাৰ দৰে লৰচৰ নকৰাকৈ বহি

থাকিলেও বিমলাই কোৱা কথাখিনি দেউতাকৰ কাণত ঠিকেই পৰিল। বিমলাই কোৱা প্ৰতিটো শব্দই হাতুৰী এটাৰ দৰে তেওঁৰ বুকুত প্ৰচণ্ড কোৱ একোটা শোধাই গ'ল। তিৰোতাবোৰৰ পুতৌভৰা চাৱনিয়ে তেওঁৰ কলিজাত কাঁইটে বিন্ধা দিলে। তেওঁৰ চকুৰ পৰা সৰসৰকৈ পানী ব'বলৈ ধৰিলে। পত্নীৰ প্ৰতি থকা তেওঁৰ বিশ্বাসখিনিত আজি যেন কিছু ফাঁট মেলিলে।

খাই লৈ তিৰোতাবোৰো ঘৰাঘৰি গ'লগৈ। দেউতাকে দিনটো আজি একো এটা মুখতে নিদিলে। মাক নহা বাবে অভিমান কৰি বাণীয়ে কিবা অকণ খাই সোনকালেই শুই থাকিল। বঙেও একো নোখোৱাকৈয়ে বিচনাত উঠিল। মানুহক দেখাই হাঁহি-মাতি আছে যদিও আজি দুদিন ধৰি তাৰ মনটো একেবাৰেই ভাল নহয়। কিবা এটা বুজাৰ নোৱাৰা শোকে তাক ভিতৰৰ পৰা খুলি খাইছে।

ৰাতিপুৱা গাটো ধুই অহাৰ পিছতে বঙৰ মোবাইলটো বাজি উঠিল। কলটো বিচিভ কৰি সি সিমূৰৰ পৰা যিটো খবৰ শুনিলে, তাৰ মূৰত সৰগখন ভাগি পৰা যেন হ'ল। মোবাইলটো হাতৰ পৰা সৰি পৰিল। বজ্ৰপাত পৰা মানুহৰ দৰে তাতেই কিছুসময় ঠিয় হৈ থাকি সি মজিয়াৰ পৰা মোবাইলটো তুলি দেউতাকৰ কোঠালৈ সোমাই গ'ল।

বাণীয়ে সেইখিনি সময়ত কাষতে বহি দেউতাকৰ হাত-ভৰিকেইটা মালিচ কৰি দি আছিল। বঙে ভনীয়েকৰ পিনে মোবাইলটো আগবঢ়াই দিলে। তাত এটা বার্তা জিলিকি আছিল; মাকে পঠিওৱা বার্তা। বাণীয়ে সেইটো পঢ়িলে, তাত এগৰাকী ৰজস্বলা নাৰীৰ কৰণীয় আৰু অকৰণীয়খিনি তাই বুজি পৰাকৈ সহজ ভাষাত লিখা আছিল। বার্তাটো পঢ়ি বাণীয়ে একো তৎ ধৰিব নোৱাৰি ককায়েকৰ পিনে ভেবা লাগি চাই ৰ'ল। এইবাৰ ৰঙে মোবাইলটো দেউতাকৰ চকুৰ সন্মুখত দাঙি ধৰিলে। স্ক্ৰীনখনত অন্য এটা বার্তা জিলিকি উঠিল। মাকে দেউতাকলৈ লিখিছিল— "মই মোৰ কথা ৰাখিলো। যমৰ ঘৰলৈ যোৱা বাটত মই এতিয়া আপোনাতকৈ বেগাই দৌৰিছো। মাথো শেষবাৰৰ বাবে আপোনাৰ হাতেৰে সেন্দুৰকণ ল'ব নোৱাৰাৰ দুখটো ৰৈ যাব। আপুনি সময়মতে দৰৱবোৰ খাব আৰু...।" দেউতাকে আৰু পঢ়িব নোৱাৰিলে। চকুৰে সকলো অস্পষ্ট দেখিলে তেওঁ। তেওঁৰ মূৰটো আচন্দ্রাই ধৰিলে।

"দাদা, কি এইবোৰ"? — বাণীয়ে ফেঁকুৰিবলৈ আৰম্ভ কৰিলে।

দেউতাকৰ চকুৰ পিনে চোৱাৰ সাহস ৰঙৰ নাছিল, সেয়ে সি ভনীয়েকৰ পিনে চায়েই ক'লে— "তইঁতে মোক ক্ষমা কৰিবি ভন্টী। আজি দুসপ্তাহ ধৰি মহামাৰীটোৰ কবলত পৰি চিকিৎসালয়তে আছে। তইঁতে খবৰটো পালে মনত ব্যথা পাবি বুলি মায়ে মোক তইঁতক কথাবোৰ ক'বলৈ বাধা দিছিল। ভাবিছিলো সোনকালেই সুস্থ হৈ মা ঘৰলৈ উভতিব, কিন্তু তেনে নহ'ল। পৰহীৰ পৰা ভালদৰে উশাহেই ল'ব পৰা নাছিল যেন। বাবে বাবে অক্সিজেন কমি গৈছিল। মায়ে চাগে ভবিষ্যৎ হ'বলগাখিনি বুজি কালি গধুলিয়েই এই বার্তাকেইটা পঠিয়াই দিলে। কৰ্তব্য সামৰিছিল। আৰু আজি ৰাতিপুৱাই...। ক'ৰোনাই নিলী চিলনী এটাৰ দৰে আমাৰ মাজৰ পৰা মাক থপিয়াই লৈ গ'ল ৰে — কথাখিনি একে উশাহতে কৈ হুকহুকাই কান্দি ৰং কোঠাল পৰা ওলাই গ'ল আৰু ককায়েকৰ পিছে পিছে বাণীও।

বিচনাত পৰি থকা দেউতাকৰ মনত তেতিয়া অন্য এজা পচোৱাই তাণ্ডৱ নৃত্য চলাইছিল। ঘৈণীয়েকক সন্দেহ কৰাৰ বা সৃষ্টি হোৱা আত্মগ্লানিত চাটিফুটি কৰি মৰিছিল মানুহজন। নিজৰ অকামিলা দেহাটোৰ প্ৰতি ঘৃণা উপজিছিল তেওঁৰ।

"তেওঁ এনেকৈ যাব নোৱাৰে। মই তেওঁক সেন্দুৰকণ পিন্ধাই দিবই লাগিব, কপালত বঙা সুৰুযটো আঁকি দিবই লাগিব। নহ'লে তেওঁৰ আত্মাই শান্তি নাপাব। হায়!!! মৃত জন্তু এটাৰ প্লাষ্টিকেৰে মেৰিয়াই তেওঁৰ শৰীৰটো এনেদৰে লৈ নাযাব কোনেও, তেওঁৰ আত্মাই কষ্টত কান্দিব। উফ্!!! মই যাম... যাব লাগিব।" — মানুহজনৰ মুখৰ পৰা কিছুমান অস্পষ্ট অসংলগ্ন শব্দ ভাঁহি আহিল। মনৰ কথাবোৰ প্ৰকাশ কৰিব নোৱাৰি তেওঁ বন্দী পক্ষী এটাৰ দৰে চটফটাবলৈ ধৰিলে। সংজ্ঞা থকা তেওঁৰ দেহৰ অংগবোৰ কঁপিবলৈ ধৰিলে।

মাকক শেষবাৰৰ বাবে চাবলৈ দেউতাকক এই অৱস্থাত নিব পৰা নাযাব আৰু ইফালে বাণীয়েও তাইৰ দেহ-মনত নতুনকৈ হোৱা পৰিৱৰ্তনবোৰ চম্ভালিব পৰাই হোৱা নাই। গতিকে, ৰঙে অকলে যোৱাৰেই সিদ্ধান্ত ল'লে। ৰঙে জপনামুখ পাৰ হৈছিলেই এনেতে ঘৰৰ ভিতৰত এটা ডাঙৰ শব্দ হ'ল- "পি.ই.ৰি.ই.ই.ম্!" বাৰাণ্ডাতে বহি কান্দি থকা বাণীয়ে দেউতা দেউতা বুলি চিঞৰি ঘৰৰ ভিতৰলৈ ততাতৈয়াকৈ সোমাই গ'ল।

সিঁহতৰ বাটেৰে একেলগে পাঁচখন এম্বুলেঞ্চ শাৰী পাতি ডাঙৰ ডাঙৰকৈ ছাইৰেন বজাই পাৰ হৈ গ'ল। এই দেওলগা বেমাৰটোৱে আৰু বা কতজনৰ জীৱনলৈ কাল মাতে; কোনে জানে?

ইফালে ছাইৰেনৰ বিকট মাততে বাণীৰ চিঞৰ বা ৰঙৰ কাণত পৰিল নে নাই... !!!

◈ ◈ ◈

লক্‌ডাউনৰ সুখ-দুখ

প্ৰবাল উপাধ্যায়
স্নাতক চতুৰ্থ ষান্মাসিক



-১-

ঃ "হেৰা আজি কি বনাইছা খাবলৈ? যোৱাকালি মোবাইল ফোনটোত চাই চাই যিহে বনালা সেইবোৰ মুখলৈ নিবই নোৱাৰিলো।"

ঃ "ৰ'ব ৰ'ব, নি আছো খাবলৈ।"

পত্নীয়ে ৰন্ধা সুস্বাদু ব্যঞ্জন খাবলৈ ৰৈ ৰৈ অংকন ভাগৰতীয়ে টিভিটো অন কৰি নিউজ চেনেল এটা চাবলৈ আৰম্ভ কৰি পাকঘৰত থকা পত্নীক চিঞৰি চিঞৰি কৈ আছে— "আজিকালি টিভিটো অন কৰিবই নোৱাৰি। বাতৰিত কেবল ক'ৰোনাৰ পজিটিভ সংখ্যা আৰু লক্‌ডাউন ভাঙি টলৌ টলৌকৈ ঘুৰি ফুৰা মানুহবোৰৰ কথাই দেখাই থাকে।"

তেওঁৰ পত্নী ৰূপালী হাজৰিকাই পাকঘৰৰ পৰাই ক'লে— "কার্যালয়, অনুষ্ঠান সকলো বন্ধ; ৰাস্তাই-ঘাতে মানুহ-দুনুহ নাই। বেলেগ বাতৰি ক'ৰ পৰা দেখাব।"

ইতিমধ্যে খাদ্য সাজু হৈছে আৰু অংকন ভাগৰতীয়ে ধুনীয়াকৈ কাঁহৰ কাঁহীখনত পৰিৱেশন কৰি থোৱা আহাৰ গ্ৰহণ কৰিব খোজোতেই পত্নীয়ে বাধা দি ক'লে— "ৰ'বা ৰ'বা, আগতে ফটো একপি উঠাই লওঁ। তাৰ পিছতহে খাব বহিবা। ফেচবুকত লগৰ কেইজনীক দেখাম।"

ঃ "হ'ব দিয়া। সোনকালে যি কৰিব লগা আছে কৰা। বিৰাট ভোক লাগিছে মোৰ। ফেচবুকৰ কথা কওঁতে মনত পৰিল মোৰ বন্ধু এজনে ফেচবুকত লিখিছে যে এই ক'ৰোনাৰ সমক্ৰমণ বোলে অশিক্ষিত ৰিক্সাৱালা, ঠেলাৱালা আৰু সিঁহতৰ লগৰ শ্ৰেণীটোৰ বাবে হৈছে। ৰাইজৰ কথা নাভাবি মাত্ৰ দুটামান টকাৰ লোভত লক্‌ডাউন ভাঙিবলৈ ওলাই আহে। কথাখিনি অৱশ্যে মোৰো সহমত নথকা নহয়, সিঁহতৰ বাবে সংক্ৰমণ বৃদ্ধি পায় আৰু আমি ঘৰৰ ভিতৰত সোমাই থাকিব লাগে।" ভাগৰতীয়ে অলপ খং মিশ্ৰিত চিন্তাৰে পত্নীক ক'লে।

ঃ "হ'ব হ'ব, সমাজৰ কথা বাদ দি এতিয়া খোৱাত মনোযোগ দিয়া। আৰু ঘৰত সোমাই থাকিলেও কিনো হ'ল, সদায় সদায় নতুন নতুন বস্তু ৰান্ধি ৰান্ধি খুৱাই আছো। এইকেইদিন তুমি নিজৰ পৰিয়ালটোক অলপ

সময় দিব চেষ্টা কৰা আৰু লক্‌ডাউনৰ নিয়ম ভাঙি ওলাই অহাসকলক দেখোন পুলিচে বিভিন্ন ধৰণৰ শাস্তি দি থকা টিভিত দেখিছাই।" গিৰিয়েকৰ চিন্তা দূৰ কৰিবলৈ ৰূপালীয়ে অলপ সহজভাৰে ক'লে।

-২-

ৰ'দ-ৰৰষুণ একোকে বাধা দিব নোৱাৰা ভগা জুপুৰীটোত বাৰ বছৰীয়া আকাশে ৰাতিপুৱাই ওলাই যোৱা মাক অহালৈ অপেক্ষা কৰি ভাগৰি পৰিছে। ভৰ দুপৰীয়াৰ ঘামেৰে জুকলি-জুপুৰি হৈ উভতা মাকক দেখিয়ে উৎকণ্ঠাৰে সুধিলে— "মা, ইমান দেৰি কিয় অহা নাছিলা আৰু খালী হাতে আহিছা যে, খাবলৈ একো নানিলা। কালি দিনৰ পৰা একোৰে খোৱা নাই বুলি জানাইচোন।"

পুতেকৰ অৱস্থাত মিনতিয়ে হাজাৰ কষ্ট কৰিও চকুহালত জমা হোৱা পানীখিনিক বাধা দি ৰাখিব নোৱাৰিলে। দেউতাক ঢুকোৱাৰ পিছৰে পৰাই ল'ৰাটোক কোনেদিনে লঘোণত পৰিব দিয়া নাছিল। সদায় তিনিখনকৈ ঘৰৰ ঘৰুৱা কামখিনি কৰি দিয়াৰ বাবদ মাহেকত পোৱা টকা চাৰিটাৰে অন্ততঃ শুদা পেটে শুব লগা পৰিস্থিতি আহি পৰা নাছিল। কিন্তু এইবাৰৰ পৰিস্থিতি যে বেলেগ। তিনিমাহ হ'ৰৰ হ'ল কাম কৰিব যাব পৰা নাই ক'ৰোনাৰ বাবে। জমা ধন বুলিবলৈ বৰ্তমান হাতত ফটা-চিঙা নোট এখনো নাই। ইমানদিনে শুদা ভাতকেইটা হ'লেও আছিল। পিছে চাউলো শেষ। ইপিনে পুতেকক স্কুলৰ শিক্ষকে আহি কৈ গৈছে অনলাইনত পঢ়িবলৈ মোবাইল ফোন এটা যোগাৰ কৰিব। সিঁহতৰ খাবলৈয়ে পইচা নাই, মোবাইল ক'ৰ পৰা যোগাৰ কৰিব। এই সকলোবোৰ কথা ভাবি বাৰি মিনতিয়ে চকুৰ সন্মুখত কেবল এন্ধাৰহে দেখিছিল। জীৱনত কেতিয়াবা কেতিয়াবা এনেকুৱা জটিল সময় আহে য'ত নিজে কৰিব পৰা একোৱে নাথাকে, কিবা চমৎকাৰ হোৱাৰ আশাত অসহায় হৈ ৰৈ থাকিব লাগে।

মাকৰ এই অৱস্থা দেখি আকাশে হতভম্ব হৈ পৰিছিল। ভাগৰুৱা মাকে কান্দি থকা অৱস্থাতে সি মাকৰ হাতত আঘাতৰ চিন দেখা পালে। ইফালে মিনতিয়ে কান্দি কান্দি পাহৰিয়ে গৈছিল যে আকাশ তাইৰ সন্মুখতে অসহায় হৈ থিয় দি আছে একো বুজি নোপোৱাকৈ। আকাশে সুধিলে— "মা, তোমাৰ হাতত এয়া কি হ'ল? কেনেকৈ দুখ পালা? ৰঙা হৈ আছে দেখোন।"

ঃ "একো হোৱা নাই অ' সোণ। আহি থাকোতে বাটত উজুতি খাই পৰিলো। তুমি অলপ সময় ৰোৱাচোন, মই ৰৰি পৰা শাক কেইমুঠামান লৈ আহো।" থোকাথুকি মাতেৰে কথাখি কৈ তাই আকাশক পতীয়ন নিয়াবলৈ চেষ্টা কৰিলে আৰু তা উত্তৰলৈ বাট নাচাই ঘৰৰ পাছফাললৈ খৰখোজেৰে গুচি গ'ল তাই কেনেকৈ ক'ৰ যে সহায় বিচাৰি কাম কৰা মালিকৰ ঘৰলৈ যাবই নোৱাৰিলে, আধাবাটতে পুলিচে ৰখাই বিনাকাৰণে কোবালে আৰু সাংবাদিক কেইজনে কেমেৰাটো মুখৰ আগত ধৰি ধৰি কিমান কি প্ৰশ্নাৰে ব্যতিব্যস্ত কৰিছিল। তাই মনতে ভাবিলে ল'ৰাটোক সিঁহতে আহি খুবাব নেকি, ক'ৰোনাতকৈ দৰিদ্ৰতা যে কিমান ভয়াবহ শীত নিয়ন্ত্ৰিত কোঠাত বহি টিভিত চাই ক'ৰোনাৰ বাবে আমাক দোষাৰোপ কৰি থকা ধনীকেইজনে কেনেকৈ বুজিব ইফালে ঘৰত খাবলৈ চাউল নাই। সিফালে ল'ৰাই মোবাইল নহ বাবে পঢ়িব পৰা নাই। মই মাকজনী হৈ ঘৰত সোমাই এই আলৈ আথানিবোৰ চাই ল'ৰাটোক লঘোণে মৰিব দিব লাগে!

-৩-

চৰকাৰে লক্‌ডাউনৰ নীতি-নিয়ম অলপ শিথিল কৰাত ৰূপালীয়ে অংকন ভাগৰতীৰ হাতত এখন দীঘল তালিকা তুলি দি সোনকালে বজাৰৰ পৰা বস্তু কেইপদ আনিবলৈ খাটনি ধৰিলে। ভাগৰতীয়ে তালিকাৰ কাগজখন পঢ়ি চাই আচৰিত হৈ সুধিলে— "হেৰা, ঘৰখনত আমি মাত্ৰ তিনিটাই প্ৰাণী। তিনিটা মানুহৰ বাবে ইমান বস্তু লাগেনে?"

ৰূপালীয়ে সামান্য খঙেৰে ক'লে— "সদায় যেবাপেক-পুতেকক নতুন নতুন বনাই খুৱাব লাগে, তাৰ বাবে প্ৰয়োজনীয় বস্তুবোৰটো বজাৰৰ পৰাই আনিব লাগিব ন'। আৰু শুনকচোন বজাৰলৈ যাওঁতে আমাৰ অংকুৰকো লগত লৈ যাব, দিনৰ দিনটো মোবাইল ফোনটোত লাগি থাকিলে তাৰ চকুকেইটা নষ্ট হ'ব এতিয়া।"

ঃ "হয় দিয়া, এনেকৈ থাকিলে তাৰ মূৰটোও বেয়া হ'ব। ওলাব দিয়া তাক সোনকালে।" ভাগৰতীয়ে কথাখিনি কৈ ভাবিলে ল'ৰাই অনলাইন ক্লাছৰ নামত অনলাইন গেম খেলাত বেছি মনোযোগ দিয়ে। স্কুলৰ মাষ্টৰকেইটাই যে কি কৰিব খুজিছে, এনেকৈয়ে থাকিলে মোবাইলটোৱে ল'ৰাৰ ভৱিষ্যত অন্ধকাৰ কৰাটো নিশ্চিত। দিনবোৰ যে কি হ'বলৈ গৈ আছে একো ধৰিব পৰা নাই, হে ভগৱান চকু মেলি চাবা আৰু। পুনৰ চিঞৰি ৰূপালীক

ক'লে— "ৰূপালী মোৰ মাস্ক আৰু ছেনিটাইজাৰৰ বটলটো আনিবাচোন।"

ইফালে মিনতিয়ে ঘৰৰ পাছফালৰ পৰা ঢেঁকীয়া কেইডালমান আৰু ভাতকেৰেলা কেইটামান লৈ বজাৰলৈ ওলাই আহিছে অলপ টকা যোগাৰ কৰি চাউল কিনাৰ আশাত। মাকক সহায় কৰিবলৈ আকাশেও আহিছে দুহাতে বোজা লৈ লৈ। দুয়ো বজাৰ গৈ পাই ঠাই অকণমান চাফ-চিকুণ কৰি গ্ৰাহকৰ বাবে বস্তু কেইপদ মেলি দিলে বস্তা এটাৰ ওপৰত।

ৰাস্তাৰ সিপাৰৰ পৰা ভাগৰতীয়ে অংকুৰক লগত লৈ আহি থাকোতে অংকুৰে তাৰ লগত পঢ়া আকাশক দেখা পালে। সি দেউতাকক লৈ আকাশৰ ওচৰত গৈ সুধিলে— "আকাশ, তই ইয়াত কি কৰিছ আৰু তই যে এদিনো অনলাইন ক্লাছ কৰা নাই কিয়?"

আকাশে এনে অৱস্থাত অংকুৰক লগ পাই লাজতে অসহজ হৈ পৰিল। তথাপি অংকুৰৰ দেউতাকক নমস্কাৰ জনাই তাক ক'লে— "এইখন আমাৰ দোকান অংকুৰ। ঘৰত চাউল নাই বাবে মাই এই দোকানখন দিছে। আৰু দিনতে ভালকৈ দুসাঁজ যোগাৰ কৰিব পৰা নাই, ক্লাছ কৰিবৰ বাবে মোবাইল ক'ৰ পৰা কিনিম।"

আকাশৰ কথাত ভাগৰতীৰ হিয়াই হাহাকাৰ কৰি উঠিলে। তেওঁৰ ল'ৰাই অলপ নিমখ কম হ'লেই খোৱাপাতৰ পৰা উঠি যায় আৰু আনপিনে কোনোবাই খালী পেটে শুই থাকে। তেখেতে আকাশ আৰু অংকুৰক অলপ দূৰৰ পৰা কথা পাতি আহিব কৈ আকাশৰ মাকৰ সৈতে আকাশৰ পঢ়া-শুনা আৰু সিঁহতৰ ঘৰৰ অৱস্থাৰ কথা আলোচনা কৰিব ধৰিলে। মিনতিয়ে চকুলো টুকি টুকি এফালৰ পৰা ক'ৰোনা মহামাৰীৰ বাবে হোৱা সিঁহতৰ দুৰৱস্থাৰ কথা কৈ গ'ল।

আকাশহঁত কথা পাতি আহি পোৱাত ভাগৰতীয়ে ৰূপালীৰ পুৰণি মোবাইলটো আকাশক দিয়াৰ কথা ভাবিলে আৰু আকাশৰ হাতত টকা পাঁচহাজাৰ তুলি দি পিছলৈ যিকোনো সমস্যাত পৰিলে তেওঁলোকৰ ঘৰলৈ আহিবলৈ মিনতিক ক'লে। মিনতি আৰু আকাশে ইমান সকাহ পাই ভাগৰতীৰ ভৰি ধৰিলে গৈ।

ইমানপৰে সকলো কথা চাই থকা অংকুৰে দেউতাকক ক'লে— "দেউতা আমাৰ শ্ৰেণীৰ আশীগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মাত্ৰ সাতাইশ গৰাকীয়েহে অনলাইন ক্লাছ কৰে। বাকীবোৰৰ চাগে আকাশৰ দৰেই মোবাইল কিনিবলৈ পইচা নাই, সিঁহতক তুমি সহায় কৰিবা নে?"

মিনতিক সহায় কৰি প্ৰফুল্ল হৈ থকা ভাগৰতীৰ মন আকৌ সেমেকি গ'ল পুতেকৰ কথা শুনি।

◈ ◈ ◈

"গাঁৱতে হওক নাইবা নগৰতে হওক, নিজৰ ঘৰতে হওক বা পৰৰ ঘৰতে হওক, মানুহৰ দৈনিক জীৱনত কত ঘটনা ঘটে, সেইবোৰৰ ভিতৰত ভাল-বেয়া বিবেচনা নকৰি যিটোকে দেখা যায়, সেইটোকে কিতাপত তুলি দি সম্পদ বঢ়াইছোঁ বুলি ভবাটোৰ সমান ভুল কথা নাই।"

—লক্ষ্মীনাথ বেজবৰুৱা

ৰুক্ষ জীৱনগাঁথা

ডঃ মালকা
স্নাতক প্রথম ষান্মাসিক (ইংৰাজী বিভা

-১-

"No Meat_No Corona Virus_"

অয়নে টুইটাৰটো অন কৰিছিলহে মাত্ৰ, ওপৰোক্ত টুইটাৰ ষ্ট্রোমটোৰে তাক হতচকিত কৰি পেলালে। হঠাত জানো পৰিস্থিতিবোৰ কি হ'ব ধৰিছে। সি টুইটাৰৰ হেচ টেগটোৰ স্ক্রীণশ্বট লৈ চিধাই ৰাটচ্আপ ষ্টেটাচত দিয়েই দিলে, পলম কৰা নাই। তাৰ লগৰে অপৰূপাই তাক সুধিলে—

ঃ অয়ন ব্রইলাৰৰ পৰা ভাইৰাচ বিয়পিছে নেকি?

উত্তৰত শূন্যতাৰ বিৰাজমান। কাৰণ?

সি তদন্ত নকৰাকৈ বাতৰিটো প্রসাৰ কৰিলে। অয়নৰ স্তব্ধতাই নিৰাশ কৰিব পৰা নাছিল। কিয়নো তাই জানিছিল যে ক'ৰোনা ভাইৰাছৰ উৎপত্তি বাদুলি আৰু সম্ভৱতঃ বনৰীয়া।

একেই ঘটনাৰ বলি দ্বিতীয় দিনা অয়নৰ মাক হ'ল। অয়নৰ মাক পঢ়াই-শুনাই বৰ বেছি আগবঢ়া নহয় যদিও অয়নক হায়াৰ ছেকেণ্ডাৰীলৈ ঠিকেই শিক্ষা দিয়ালে।

ঃ অয়নৰ মাক ঘৰ মচিচা?

সৌৱা নির্মলা বাইদেউ, অয়নৰ জেঠায়েক।

ঃ অ' বাইদেউ, যোৱাকালি নিউজত দেখিলো হাজো সমষ্টিৰ হৰিপ্রিয়া মহোদয়াই কৈছে ক'ৰোনা মহামাৰীৰ সৈতে যুঁজিবলৈ গৰুৰ গোৱৰ হেনো বৰ ভাল, সেইয়ে গোৱৰ মাটি মিহলাই ঘৰৰ মজিয়াবোৰ মচি দিলো আৰু নিতৌ পুৱা গৰুৰ মূত্র অকণ খাব পাৰিলে হেনো ক'ৰোনাৰ পৰা সাৰিব পাৰিম।

ঃ হেৱৌ এইবোৰ নিৰৰ্থক কথাৰ পাতনি নেমেলিবি আই, এইটো ভাইৰাচ হে, সত্য নাৰায়ণ পূজাৰ ভোগ নহয়। এনেবোৰ উৰা বাতৰিয়ে সাধাৰণ জনতাক জুৰুলা কৰি মাৰে। গতিকে এইবোৰ বিশ্বাস নকৰি পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিব পাৰিলে জয়ী হ'ম এই যুদ্ধত।

-২-

ঃ মা, মই মাংস নাখাওঁ। ক'ৰোনা বিয়পিব হেনো। আমাৰ চ'চিয়েল মিডিয়াত দেখুবাইছে নহয়।

জেঠায়েক অহাই অয়নৰ মাকে পাৰৰ মাংস বনাইছে। দুয়োকে খাবলৈ মাতি মাকে নিজৰ বাবেও বাটি লৈছিল। কথা শুনি মাকো হতভম্ব। এইবাৰ জেঠায়েকে মাত লগাইছে—

ঃ তহঁত দুয়ো এই উৰাবাতৰিৰ নেজত ধৰি দৌৰি ফুৰিছ কেলেই? ক'ত সত্যতা প্রমাণ হৈছে? ক'ৰোনা ভাইৰাচ বি জানি ল'। তাৰ পিছত হে গম পাবি।

(আজিকালিৰ ল'ৰা, নিজৰটোৱেই শুদ্ধ দেখুৱছু একপ্রকাৰ গুজবি উঠিল জেঠায়েকৰ ওপৰত)

ঃ তুমিয়েই কোৱা তেন্তে কি ক'ৰোনা ভাইৰাচ।

ঃ SARS-CoV2 ৰ বাবে এই মহামাৰীৰ সৃষ্টি এটি অথবা বনৰীৰ বাবে এই সংক্রমণ হয় জাননে? "বৰপাপ চিকিৎসকক প্রহাৰ" কাযতে টিভিত দিয়া নিউজ, হাইলাক আছে একেবাৰে। নহ'বও বা কিয়, হাড়-চাল ওলাই যোৱা মানুহে মানুহক মাৰেনে? এইয়া মানৰতা? হায় বিধি! জেঠা আকৌ আৰম্ভ কৰিছে ক'বলৈ—

ঃ চা অয়ন, এইবোৰ জানো ভাল কাম হৈছে! এ মানুহৰ দায়িত্ব মানুহৰ প্রতি। চ'চিয়েল মিডিয়াত মানুহক দে ডাক্তৰ ভগৱান, নার্চ দেৱী চিঞৰিলে সমস্যাৰ সমাধান নহয়। ডিজিটেল জগতখনৰ পৰা বাহিৰ ওলাই সেউজীয়া পৃথিৱী চা, কিমান দায়িত্ব আছে আমাৰ।

-৩-

সন্ধিয়া নামিছে। পুলিচৰ গাড়ীবোৰ পিয়াপি দি ফুৰিছে অয়নহঁতৰ কাষৰে বৰদেউতাক এজন বজাৰলৈ বুলি ওলাই আহি বাস্তাতে দেখিলে, অয়নৰ মাকে পদুলিমুখৰ পৰা অলপ ভিতৰত থকা তুলসীৰ তলত বন্তি জ্বলাইছে।

ঃ চন্দ্রালী ভালে আছানে?

বৰদেউতাকে মাত লগাইছে।

ঃ আছো ককাইদেউ, ক'লৈনো যায় এতিয়া?

ঃ অলপ বজাৰৰ পৰা আহো ভাবিছো, শাক-পাচলি খাবই নোপোৱাৰ দৰে হ'লো, যিহে জুই চাই দাম, সাহেই নহয় কিনিবলৈ।

ঃ এতিয়া বজাৰলৈ গ'লেনো কি পাব? সব বোৰ বন্ধই কৰিলে। সান্ধ্য আইন দিয়া নাই জানো?

ঃ অ' পাহৰিছিলো হে। স্কুলখন বন্ধ দিবৰে পৰা ঘৰৰ বাহিৰ ওলোৱাই হোৱা নাছিল নহয়। আজিও দাইলকে খাব লাগিব তেন্তে।

ঃ আপুনি বহক মই আহি আছো।

ঃ বেছি সময় নকৰো বুজিছা, ৰাস্তাত পুলিচে পালে আকৌ গাৰ ছাল মহতিয়াই থৈ যাব, বয়স নাচাই কাৰো। গাৰ সর্বোচ্চ শক্তি দি যায় এটা কোবত।

বৰদেউতাকৰ কোৱা শেষ হোৱালৈ অয়নৰ মাকে নিজ ঘৰতে কৰা খেতিভাগৰ পৰা চাৰিটা তিতাঁ কেৰেলা, তিনিটা ভাতকেৰেলা, ৰঙালাও এচহা, জলকীয়া কেইটামান পলিথিন এটাত ভৰাই দিলে।

ঃ এইকেইটা লওঁক। ঘৰতে বাবা-মইয়ে লগ লাগি কৰা খেতি, খাই ভাল পাব।

ঃ তাকেহে বুজিছা। বজাৰৰ সাৰ দিয়া বোৰ খাই খাই জিভা সাৰুৱা হৈছে। অন্ততঃ এসাঁজ ঘৰুৱা সোৱাদ পাম, ভাল কাম কৰিছা। লক্ডাউনত কেইটামান টকা এনেকৈ হ'লেও ৰাহি হৈছে। আহিছো বাৰু।

ঃ বাৰু।

বহু মানুহে আধা খাইছে আৰু ছয়-সাত মহলীয়া বিল্ডিঙৰ তলালৈ আধা খোৱা মাংসৰ হাড় অথবা মাছৰ কাঁইট পেলাই দিছে। ৰাস্তাৰ কাষত এমুঠি অন্নৰ বাবে অনর্গলে চিঞৰি থকা কিছুমানে সেই হাড়বোৰকে বুটলি খাইছে। আকৌ একাংশই বজাৰত হোৱা মূল্যবৃদ্ধিৰ বাবে নিজৰ প্রয়োজন পূৰাব পৰা নাই। আনহাতে নিজৰ স্বাস্থ্য ৰক্ষাৰ স্থিতি অৱলম্বন কৰি নিজ ঘৰতে উদ্যাপন কৰিছে বাদ্যস্ব। দেশৰ দুর্ভিক্ষ পৰিস্থিতিৰ বাবে আচলতে দায়ী কোন?

-৪-

সূর্যৰ প্রখৰ তাপ আৰু দীঘলীয়া শাৰী মানুহৰ। সামাজিক দূৰত্বৰ যেন চিনচাব নাই। মাত্র হেঁচা-থেলা আৰু চিঞৰ-বাখৰ। সকলোকে পইচাৰ প্রয়োজন—

ঃ অলপ আগবাঢ়ি যাওঁক বাইদেউ, বাৰ বজাৰ পিছত নেহক বন্ধ হ'ব।

ঃ আগলৈ ঠায়েই নাই।

ঃ অকণ যাওক আৰু, উপায় নাই নহয়। বন্ধ হ'লে পইচা নাপাম।

সময় উকলিল, চন্দ্রালীয়ে বেংকৰ পইচা উলিয়াব নোৱাৰিলে। ঘৰত দাইল, নিমখ একো নাই, কি কৰিব। ৰ'দৰ উত্তাপ ইমানেই বাঢ়িছে যে তাই লৰালৰিকৈ ঘৰলৈ উভতি আহিল। আহিয়েই সুদা ভাতকেইটা বহুৱাই দি বিচনাখনত দীঘল দি পৰিছে।

পিছফালে বহি থকা অয়নে মাকক মাতি মাতি ঘৰ সোমাই দেখে মাকৰ ভীষণ জ্বৰ, পইচাও হাতত নাই।

মোবাইলটো উলিয়াই এম্বুলেঞ্চলৈ ফোন লগাইছে। আধা ঘন্টা পিছতেই মাকক মেডিকেললৈ অকলেই লৈ গ'ল। এজন লগত থাকিলে সহায় হয় কিন্তু মাকৰ জ্বৰ বুলি কোৱা শুনি কোনো মানুহ ঘৰৰ পৰা ওলাই অহা নাই। দিনটো ভোকে-পিয়াহে পাৰ কৰিছে। মাকৰ এনেকুৱা অৱস্থাত ভাত নেযায় পেটত। বুকুত খুন্দা মাৰি ধৰেহি খোৱাবোৰ যেন আকৌ ওলাই আহিব। নাই খোৱা একো সি, নোৱাৰে খাব।

ৰাতি প্রায় বাৰ মান বজাত মাকৰ অক্সিজেন হ্রাস হোৱা বুলি তাক জনালে। ভয় লাগিছে তাৰ কিন্তু উপায় নাই। মাকৰ সাহস হ'ব লাগিব, যিমান পাৰে মাকৰ বাবে দিন-ৰাতি এক কৰিছে। কিন্তু চতুর্থ দিনা মাকে অনন্ত ধামলৈ গতি কৰিলে তাৰ হাতত সর্বোচ্চ অর্পণ কৰি। মাকৰ অনুপস্থিতিত একেবাৰে অকলশৰীয়া হৈ পৰিছে অয়ন। অনুভৱ কৰিবলৈ শিকিছে জীৱন যন্ত্রণাক। দিনে নিশাই মোবাইলত ব্যস্ত অয়ন এতিয়া আকাশৰ ফালে চাই নিজৰ মাজতেই কথা পাতে।

ক'ৰোনাই সৃষ্টি কৰা ত্রাসৰ ফলত বহুতেই নিজৰ আপোনজনক, পিতৃ-মাতৃয়ে সন্তান, সন্তানে পিতৃ-মাতৃক হেৰুৱাইছে। স্বাস্থ্য বিভাগে দিয়া নিয়ম উলংঘা কৰি আমি নিজৰ ইচ্ছা অনুযায়ী অনাই বনাই ঘুৰি ফুৰিছো। এইবোৰ নিজৰেই বিপদ নহয় জানো? নিজৰ লগতে দহজনৰ প্রতি লক্ষ্য ৰাখি আমি সামাজিক দূৰত্ব বজাই চলিব নোৱাৰো কিয়? এইখিনিতেই শেষ হৈ যায় আমাৰ দায়িত্বৰ। আজি মৃত্যুৰ কিবিলিৰ কাৰণ যে ক'ৰবাত আমিবোৰেই সেইয়া উপলব্ধ কৰো, যেতিয়া নিজেই বুজি উঠো নিজৰ কর্মকাণ্ডৰ ব্যর্থতা। অক্সিজেনৰ অভাৱেও জানো আমাক নিলাজৰ পৰিচয় দিয়া নাই??

তথাপিও আমিবোৰ সদায় প্রকৃতিৰ প্রতি স্বার্থসিদ্ধিৰ কথাই চিন্তা কৰি আহিছো। কাৰণ, আমি মুখা পিন্ধা জীৱশ্রেষ্ঠ...।

◈ ◈ ◈

সুবেণা দাস মহাবিদ্যালয়, হাজো

ক'ৰোনা মহামাৰী আৰু বৰ্তমান জীৱন যাত্ৰা

সুবতি কা
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভা

'সাগৰিকা', 'সাগৰিকা' তোৰ স্কুল যাব হ'ল, সোনকালে উঠ আকৌ। মাকৰ চিঞৰত সাগৰিকা উচপ খাই উঠিল। সাগৰিকা এগৰাকী মেধাৱী ছাত্ৰী। তাই এতিয়া দশম শ্ৰেণীৰ ছাত্ৰী। দেউতাকে দিন হাজিৰা কৰি কোনোমতে তাইক স্কুললৈ যাব পৰাকৈ দুবেলা দুমুঠি খাবলৈ দিছে। যদিও তাইক প্ৰয়োজনীয় কিতাপ-পত্ৰ, উপযুক্ত টিউচন আদিৰ যোগাৰ কৰি দিব পৰা নাই। তেওঁলোকৰ আৰ্থিক অনাটনৰ বাবে দেউতাকে উপযুক্ত সাজ-পোছাক, লাগতিয়াল সামগ্ৰী দিব নোৱাৰা বাবে স্কুলৰ কিছুসংখ্যক সহপাঠীৰ পৰা ইতিকিং, ঠাট্টা-মস্কৰা আদিৰ মুখামুখি হয় সাগৰিকা।

এইবোৰ ঠাট্টা-মস্কৰাক আওকান নকৰি তাই জীৱন যুদ্ধত আগুৱাব বিচাৰে। দেউতাকৰ সপোন পূৰণ কৰিব বিচাৰে তাই। দেউতাকে তাইক লৈ সপোন দেখিছিল ভৰিষ্যতে তাই এগৰাকী ভাল চিকিৎসক হোৱাটো। হঠাৎ এদিন দেউতাকে গাঁওৰ মানুহৰ মাজত আলোচনা হোৱা শুনিলে যে তেওঁলোকৰ গাঁওখনত হেনো ক'ৰোনা মহামাৰীৰ সংক্ৰমণত বহুত কেইজন লোকৰ মৃত্যু হৈছে। সেয়েহে তেওঁলোকৰ গাঁওখন অনিৰ্দিষ্ট কাললৈ বন্ধ কৰি থোৱা হৈছে। সাগৰিকাৰ দেউতাক বিমোহত পৰিল, তেওঁলোকে এতিয়া খাব কি? সাগৰিকাৰ বেমাৰী মাকজনীৰ দৰৱ কেনেকৈ আনিব? যদি তেওঁ হাজিৰা কৰিব যাবই নোৱাৰে ঘৰখন কেনেকৈ চলিব? এনেধৰণৰ কথাবোৰে তেখেতক চিন্তাত পেলালে। এনেকৈ দহটামান দিন বাগৰিল। গাঁওৰ কিছুসংখ্যক ধনী লোকে তেওঁলোকক কিছু পৰিমাণে সহায় কৰিলে। সাগৰিকাৰ দেউতাক অশিক্ষিত সেয়েহে, এই মহামাৰীটোৰ কথা ভালদৰে নুবুজে নাজানে?

কেনেকৈ মহামাৰীটোৰ পৰা অলপ হ'লেও পৰিত্ৰাণ পাব পাৰি তেওঁ নাজানে। সাগৰিকা জনা-বুজা ছোৱালী। তাইৰ বান্ধৱী পাহিৰ মুখত শুনিছে যে সঘনাই হাত ধুলে, মাস্ক পৰিধান কৰিলে, ছেনিটাইজাৰ ব্যৱহাৰ কৰিলে এই মহামাৰীৰ পৰা কিছু পৰিমাণে হ'লেও পৰিত্ৰাণ পাব পাৰি। পাহি সাগৰিকাৰ ভাল বান্ধৱী। পাহি দেউতাকে শিক্ষক। সাগৰিকাৰ মাক-দেউতাকৰ দৰে পাহিৰ মাক-দেউতাকেও মানুহ। পাহিৰ মাক-দেউতাকে সাগৰিকাক নিজৰ ছোৱালীৰ দৰে মৰম কৰে। সাগৰিকাই তৰ পৰিয়ালটো যদিও আৰ্থিক অনাটনত পিছপৰা তেওঁলোক বৰ সুখী আছিল। মাক-দেউতাক অশিক্ষিত ভাৱেই কপমাক লৈ সাগৰিকা বহুত সুখী। কিন্তু, বৰ্তমান কালৰ মহামাৰীৰ ভয়াবহ পৰিস্থিতিৰ বাবে তেওঁলোকৰ অৱস্থা ক্ৰমে বেয়াৰ ফালে ঢাল খাইছে। এই মহামাৰীৰ ফলত যথেষ্ট সংখ্যক মানুহৰ বহুতো ক্ষতি হোৱা দেখা যায়। বহুতো শিশুৰ দেউতাকৰ মৃত্যুৰে তেওঁলোকৰ জীৱনলৈ ঘোৰ অমানিশা আনিলে। সাগৰিকা আৰু কপমো তাৰ ব্যতিক্ৰম নহ'ল। দেউতাকৰ অসাবধানতাই তেওঁলোকৰ মাজলৈ মাতি আনিছিল এই ভয়ংকৰ ভয়াবহ মহামাৰীক। আওকান নকৰি, কোনোধৰণৰ চিন্তা নকৰি গাঁওৰ সিমূৰত বাস কৰা বিখ্যাত ৰঞ্জন চলিহাৰ নাচলাকৈ এদিন হাজিৰা কৰিব গৈছিল, একমাত্ৰ ল'ৰা-ছোৱালীহালৰ চায়। কিয়নো আজি ভালেকেইদিন ধৰি ল'ৰা-ছোৱালীহালৰ ভোকৰ তাড়নাত কোনোমতে জীয়াই আছে। এইফালে ক'ৰোনা মহামাৰীৰ সংক্ৰমণত অহা দহ দিন পাৰ হ'ল এতিয়াও তেখেত মৃত্যুৰ সৈতে যুঁজি আছে। এইফালে মানুহৰ আদান-প্ৰদান যদিও নাছিল, কেইটামান টকাৰ সাগৰিকাৰ দেউতাকে হাজিৰা কৰিবলৈ গৈছিল। তেখেত পোৱা নাছিল, এই সংক্ৰমণ যে এজনৰ সংস্পৰ্শৰ পৰা এজনলৈ আহিব পাৰে। আৰু হঠাৎ এদিন এই ক'ৰোনা সংক্ৰমণে সাগৰিকাৰ দেউতাক আৰু মাকৰ মৃত্যু ঘটিল। সাগৰিকাৰ চিঞৰি ভগবানৰ ওচৰত কাকুতি কৰিছে— "হে ভগবান, মা-দেউতাই কি ভুল কৰিছিল? যি ভুলৰ শাস্তি মা-দেউতাই দি থৈ গ'ল।"

প্ৰকৃত বন্ধুজন আৰু প্ৰকৃত যোদ্ধাজন

বিশাল ডেকা
স্নাতক প্ৰথম ষান্মাসিক

দুয়োজন ভাল বন্ধু। কনকে বিজয়হঁতৰ তাত আহিছে। অলপ কথা-বতৰা চলি আছে দুয়োৰে মাজত। এনে সময়তে লাইনটো গ'ল। দুখীয়া কনকে বিজয়ক ক'লে, "বিজয় লাইটটো গ'ল ব'লা বাহিৰত, বৰ গৰম। এই বুলি দুয়োয়ে দুখন চকী লৈ বাহিৰলৈ গ'ল অৰ্থাৎ চোতাললৈ। মৃদু বতাহ বলি আছে কনকে বিজয়ক ক'লে, "কনক, মনত পৰেনে তাহানিৰ সেই দিনবোৰ যি দিনত লাইট গ'লে আমি বাহিৰত বহি সাধু, গীত, পঢ়া-শুনা এনেকুৱা ধৰণৰ নানা কাম-কাজ সেই তৰা ভৰা সন্ধিয়াৰ আকাশখনৰ তলত কৰিছিলো।" এনেকুৱা ধৰণৰ স্মৃতিবোৰ কনকে বিজয়ৰ আগত ক'লে।

বিজয় ঃ এনেকুৱাকৈ আজিলৈকে বাহিৰত বহি পোৱা নাছিলো। অৰ্থাৎ ডাঙৰ হোৱাৰ পৰা। দুয়োয়ে নিজৰ স্মৃতিবোৰ আজি মনত পেলাই বৰ আনন্দ অনুভৱ কৰিছে। এনেতে কনকে ফেচবুকত এটা বাতৰি পালে মহামাৰী ভাই�ৰাছ। সিঁহত দুয়োজনে ব্যস্ত আছিল যদিও এক মিনিট সময়ত বন্ধ হৈ পৰিল কথা-বতৰা দুয়োজনৰ। এনেকৈ দুমাহ হ'ল কনক নিজয়হঁতৰ তাতে আছে। কাৰণ সকলো তলাবন্ধ হৈ পৰিল। নতুন স্মৃতি গঢ় ল'লে দুয়োৰে মনত, দুয়োয়ে কেতিয়াও দেখা নাছিল এনেকুৱা হোৱা এই পৃথিৱীখনৰ। কনকে বিজয়ক ক'লে—

কনক ঃ নেমাৰ হৈছে এই পৃথিৱীখনৰ বিজয়।

বিজয় ঃ নেমাৰ হ'লে কি হ'ল ভাল হ'ব এই পৃথিৱীখন (মানৱ জাতি)ৰ। আকৌ বিজয়— জাতিও সৃষ্টি যাৰ হয় হয় তাৰ বিনাশ নিশ্চিত। এয়া প্ৰকৃতিৰ নিয়ম। এই নিয়ম মানৱ কে আছে। এই ভাই�ৰাচবিধে যদি মানুহক আক্ৰমণ কৰে অৰ্থাৎ মানুহজন ক'ৰোনা আক্ৰান্ত হয় কেনেদৰে প্ৰতিহত কৰিব পাৰি তাক সম্পূৰ্ণৰূপে বুজাই দিছে। ইমান কথা মোবাইলত আছে বুলি বিজয়ে কনকৰ পৰা মোবাইলটো আনিবলৈ গ'ল। বিজয় আচৰিত হৈ তাৰ মুখেৰে এটা শব্দ ওলাল কনক...। কাৰণ সি তাক চুব পৰা নাছিল। কনকে ক'লে তুমি মোক চুব নোৱাৰিবা। কনক ঃ মই এই পৃথিৱীত নাই। আমি ভাল বন্ধু কাৰণে হয়তো মোক ভগৱানে তোৰ ওচৰলৈ আনিছে। হয়, এই ক'ৰোনা আহিব অলপ দিন হ'ল। কাৰণ মই চীনত আছিলো, যিহেতু মই এজন ডাক্তৰ গতিকে মই ক'ৰোনা হোৱা মানুহক চিকিৎসা কৰোতে মোৰো ক'ৰোনা হ'ল আৰু এই... এই পৃথিৱীখন এৰিলো। মই তোক মিছা কৈ আছিলো। মই মোবাইলত একো চোৱা নাই মাত্ৰ তোক মই যে মোবাইলত কিবা চাই আছো সেই দেখাবলৈ হে মই মোবাইল ব্যৱহাৰ কৰিছো। আমাৰ সৰুকালৰ স্মৃতিবোৰ তই পাহৰিছ বুলি তোক মনত পেলাই দিছো। এইখিনি কৈ কনক নোহোৱা হ'ল আৰু কেইমাহমান পিছত পৃথিৱীখন আকৌ আগৰ দৰে হৈ পৰিল। মানৱ শ্ৰেষ্ঠ জীৱ আকৌ নিজৰ কামত ব্যস্ত হ'ল।

◈ ◈ ◈

সুবীন দাস মহাবিদ্যালয়, হাজো

ক'ৰোনা মহামাৰী
আৰু বৰ্তমান জীৱনযাত্ৰা

বিতোপন কলিতা
স্নাতক তৃতীয় ষান্মাসিক (কলা শাখা)

বৰ্তমান সময়ত আটাইতকৈ চৰ্চিত নামটিয়েই হ'ল ক'ৰোনা ভাইৰাছ। যাক আমি Covid_19 বুলিও কওঁ। এই ক'ৰোনা মহামাৰীৰ উৎপত্তি কেনেকৈ হ'ল তাৰ বিষয়ে মানৱ সমাজ বৰ্তমানেও অৱগত নহয়। সি যি কি নহওঁক, ২০১৯ চনৰ পৰা উৎপত্তি হোৱা এই ভাইৰাচবিধৰ প্ৰভাৱত পৃথিৱীত লাখ লাখ লোক মৃত্যুমুখত পৰিল আৰু যাৰ ফলত ই ক'ৰোনা ভাইৰাচৰ পৰা ক'ৰোনা মহামাৰীলৈ ৰূপান্তৰিত হ'ল। বৰ্তমানেও এই মহামাৰীবিধৰ সংক্ৰমণৰ ফলত মানুহৰ জীৱন যাত্ৰা অস্থিৰ হৈ গৈয়েই আছে।

ক'ৰোনা ভাইৰাছে মানুহৰ জীৱন যাত্ৰা বিপৰ্যস্ত কৰি তোলা কথাটো ক'লে আমাৰ অসম প্ৰদেশৰ কথাকে ক'ব পাৰি। অসমতো মানুহৰ জীৱন যাত্ৰাৰ এনে এটা দিশ নাই, যাক ক'ৰোনাই স্পৰ্শ কৰা নাই। সাধাৰণ লোকৰ আয়ৰ পথ প্ৰায় বন্ধ। ঠেলাৰালা, ৰিক্সাৰালা, টেক্সিচালক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ লগতে মধ্যবিত্ত লোকসকলো ক্ষতিগ্ৰস্ত হৈছে।

ক'ৰোনা ভাইৰাছৰ সৈতে আওপকীয়াকৈ হ'লেও সম্পৰ্ক থকা আন এটা বিষয় হ'ল নিবনুৱা সমস্যা। প্ৰতিবছৰে মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱা লক্ষাধিক বিদ্যাৰ্থীৰ অধিকাংশই নানা কাৰণত উচ্চশিক্ষাৰ সুযোগ নাপায়। আধাতে শিক্ষা জীৱনৰ সামৰণি কৰা সেইসকল যুৱক-যুৱতীয়ে কৰ্ম প্ৰাৰ্থীৰ তালিকাখনত যোগ দিয়েহি। তাৰ লগতে নদীৰ গৰাখহনীয়া, বানপানী আদি প্ৰাকৃতিক দুৰ্যোগত সৰ্বস্বান্ত ক্ৰমবৰ্ধমান নিবনুৱাসকলৰ বাবে কৰ্মসংস্থাপন বিচাৰি চৰকাৰে হাবাথুৰি খাই থকা অৱস্থাতে ২০২০ চনৰ আগভাগতে ভাৰততো ক'ভিড-১৯ ভাইৰাচৰ প্ৰকোপ বৃদ্ধি পালে। এই মাৰাত্মক ভাইৰাছবিধৰ সংক্ৰমণ ৰোধ কৰিবৰ বাবে ২৪ মাৰ্চৰ পৰা দেশজুৰি লক্‌ডাউন জাৰি কৰা হয়। সকলো আৰ্থিক কৰ্মকাণ্ড, ব্যৱসায়-বাণিজ্য, যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰি উদ্যোগ ক্ষেত্ৰটো অচলাৱস্থা আহিল। ফলস্বৰূপে লাখ লাখ শ্ৰমিক কৰ্মহীন হৈ পৰিল। ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা যি উদ্যোগত কৰ্মৰত লোকসকল, যাক প্ৰব্ৰজিত শ্ৰমিক আখ্যা দিয়া হ'ল, নিজৰ গৃহৰাজ্যলৈ উভতি যাবলৈ অধীৰ হৈ পৰিল। তেনে লাখ লাখ প্ৰব্ৰজিত শ্ৰমিকৰ সমস্যা সমাধানৰ বাবে প্ৰথম অৱস্থাত চৰকাৰৰ কোনো ৰননীতি নথকাত গৃহভামুখী অনেক শ্ৰমিক আদবাটতে আওমৰণে মৰিল। তেনেকুৱাকৈ লক্‌ডাউনৰ ফলত কৰ্মচ্যুত হোৱা শ্ৰমিকসকলৰ বাবে কামৰ যোগাৰ কৰি দিয়াত চৰকাৰ ব্যৰ্থ হোৱাৰ ফলশ্ৰুতিত অসমত অসংখ্য। নিবনুৱাৰ সংখ্যা বৃদ্ধি হ'ল। যোৱা বছৰ চেপ্তেম্বৰ মাহৰ পৰা লক্‌ডাউনৰ বাধা নিষেধ যেতিয়া পৰ্যায়ক্ৰমে শিথিল কৰি দিয়া হ'ল, তেতিয়া দেখা হ'ল অনেক ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ বন্ধ হৈ গৈছে। সেইবোৰত কৰ্মৰত শ্ৰমিকসকলে কাম হেৰুৱালে। তাৰ ভিতৰত যিসকল প্ৰব্ৰজিত শ্ৰমিক, তেওঁলোকে পৰিস্থিতি প্ৰায় স্বাভাৱিক হোৱাৰ পাছতো পূৰ্বৰ কৰ্মস্থলীলৈ ঘুৰি যোৱাৰ পথ নাথাকিল।

ইয়াৰোপৰি ক'ৰোনাৰ সংক্ৰমণে আমাৰ শিক্ষা ব্যৱস্থাটো অচল কৰি দিছে। শিক্ষানুষ্ঠানত পাঠদান বন্ধ হৈ আছে। অনলাইন পাঠদানে সীমিতসংখ্যক বিদ্যাৰ্থীকহে সামৰি লৈছে। বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি প্ৰাথমিক পৰ্যায়লৈকে সকলোবোৰ পৰীক্ষা বাতিল কৰা হৈছে। কিন্তু বিদ্যাৰ্থীৰ মূল্যায়ন কৰিবৰ বাবে পৰীক্ষা অপৰিহাৰ্য্য। অসমত স্কুল পৰ্যায়ৰ পৰীক্ষা পাতে SEBA আৰু CBSE এ। SEBA ৰাজ্য চৰকাৰ আৰু CBSE কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণাধীন সংস্থা। তেনেদৰে কেন্দ্ৰীয়, ৰাজ্যিক তথা ব্যক্তিগত বিশ্ববিদ্যালয় অসমত আছে। কিন্তু ক'ভিড প্ৰট'কল সকলোতে প্ৰযোজ্য। এই প্ৰেক্ষাপটত পাঠদান আৰু পৰীক্ষা এই দুটা বিষয়ত বিবুধিত পৰিছে চৰকাৰ। মুঠৰ ওপৰত ক'ভিডৰ বাবে শিক্ষাখণ্ডতো ব্যাপক কু-প্ৰভাৱ পৰিছে।

ওপৰত উল্লেখ কৰা প্ৰত্যাহ্বানবোৰৰ উপৰিও অসমত বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ লোকৰ মাজত নিৰ্বাচনৰ সময়ত গা কৰি উঠা সন্দেহ আৰু অবিশ্বাসৰ ভাৰ দূৰ কৰাটো এক জৰুৰী কাম হৈ পৰিছে। সকলোৱে বিশ্বাস অৰ্জন কৰিবলৈ হ'লে নিৰ্বাচনৰ সময়ত দুটা প্ৰধান সম্প্ৰদায়ৰ মানুহৰ মাজত শাসক দলে যি বিভেদৰ বীজ সিঁচিছিল, সিয়ে যাতে গজালি মেলি বীষবৃক্ষত পৰিণত হ'ব নোৱাৰে, তাৰবাবে আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

ক'ৰোনা মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ ফলত অৱশ্যে কিছুমান ইতিবাচক তথা যোগাত্মক কাৰ্যও সকলোৱে চকুত পৰা পৰিলক্ষিত হৈছে। আমাৰ সমাজত বাস কৰি থকা কিছুসংখ্যক সু-হৃদয়বান লোকে আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকক বিভিন্ন ক্ষেত্ৰত সহায় কৰি আছে। যেনে— খাদ্যবস্তু যোগান, আৰ্থিকভাৱে সহায় কৰা ইত্যাদি। ইয়াৰোপৰি ফুটপাথত থকা দুৰ্ভিক্ষ লোকবোৰকো তেনেকুৱা সু-হৃদয়বান লোকবোৰে সহায় কৰি থকা পৰিলক্ষিত হৈছে। এনেকুৱা দৃশ্যবোৰ চকুত পৰিলে সমাজত যোগাত্মক তথা সুদিন উভতি আহিব বুলি গণ্য কৰিব পাৰি।

ইয়াৰোপৰি ক'ৰোনাৰ এইকেইদিনত বহুসংখ্যক লোকে ঘৰত থাকি বিভিন্ন ধৰণৰ বস্তু নিজহাতে তৈয়াৰ কৰিছে। ইয়াৰ দ্বাৰা বহুসংখ্যক লোকৰ প্ৰতিভাৰো উমান পোৱা গৈছে। ইয়াৰোপৰি এই ঘৰতে প্ৰস্তুত কৰা বস্তুবোৰৰ দ্বাৰা স্বাৱলম্বী হোৱাৰ দিশো মুকলি হৈছে।

লগতে ক'ৰোনাৰ দিনকেইটাত কিছুসংখ্যক লোকে ঘৰত আৱদ্ধ হৈ বিভিন্ন ধৰণৰ শাৰীৰিক ব্যায়ামৰো চৰ্চা কৰা দেখা গৈছে। ই নিঃসন্দেহে সমাজৰ বাবে এটা অতি ইতিবাচক খবৰ।

শেষত অৰ্থাৎ সামৰণিত মই সমাজৰ সকলো লোককে আহ্বান জনাওঁ যে সকলোৱে মাস্ক পৰিধান কৰক, সামাজিক দূৰত্ব মানি চলক, অনাহকত বাহিৰলৈ নোলাব, ভেকচিন লওঁক, উৰাবাতৰিৰ পৰা আঁতৰি থাকক, নিজৰ যত্ন লৈ শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হৈ থাকক। অন্যথা আমি কেতিয়াও ক'ৰোনা মহামাৰীক পৰাস্ত কৰিব নোৱাৰিম।

◈ ◈ ◈

সাঁথৰ

হেলেনা খাতুন
দ্বাদশ শ্ৰেণী

১। গছ হ'ল এজোপা
ফল লাগে সাতোটা
নিতৌ সৰে একোটা
ফল থাকে সাতোটা
উত্তৰ ঃ বাৰ সাতটা

২। অসম দেশৰ বিশাল কথা
কি গছৰ পাত গোটা?
উত্তৰ ঃ পিয়াঁজ

৩। "মই ইয়াত আছোঁ। তাতো আছোঁ। সকলো ঠাইতেই আছোঁ। সকলো ঠাইলৈকে যাব পাৰোঁ। কিন্তু একেৰাহে এখন ঠাইত নাথাকোঁ। মোক কোনেও বাধা দিব নোৱাৰে, ৰুদ্ধ কৰি ৰাখিব নোৱাৰে। মোৰ অবাধ গতি। মই ঘূৰি ফুৰোঁ। মই মাটিৰ বুকুত থাকোঁ। আকাশতো থাকোঁ। কিন্তু মোক কোনেও দেখা নাপায়। মোৰ অবিহনে কোনো চলিব নোৱাৰে, জীয়াই থাকিব নোৱাৰে। কিন্তু মোক চকুৰে দেখা পোৱা নাযায়। অথচ মই যে আছোঁ, সেয়া চকুৰে নেদেখিলেও, সকলোৱে বুজিব পাৰে।"
উত্তৰ ঃ বায়ু

ভ্রমণ কাহিনী—

কলিকতা হৈ বঙ্গোপসাগৰ ফুৰি আহিলোঁ

দিপান্দীতা মহ
স্নাতক প্রথম ষান্মাসিক (কলা শাখা)

ইংৰাজীৰ ২০১৯ চনৰ ২৯ ডিচেম্বৰ তাৰিখে মই মোৰ পৰিয়ালৰ সৈতে কলিকতা ফুৰিব গৈছিলো। যোৱাৰ আগদিনাখন আমি লগত নিবলৈ সকলো বয়-বস্তু ঠিক-ঠাক কৰি থৈছিলো। যোৱাৰ দিনা ৰাতিপুৱা উঠি মা আৰু মই ট্ৰেইনত খাবলৈ কটি-ভাজি, চাওমিন আদি বান্ধিছিলো। আৰু অন্যান্য খোৱা খাদ্যও লগত নিছিলো। তাৰ পিছত আমি ৭.৩০ মান বজাত হাজোৰ পৰা গুৱাহাটীলৈ যাবলৈ ওলাইছিলো। যোৱাৰ দুদিনমান আগতেই ট্ৰেইনৰ টিকট কটা হোৱাৰ বাবে আমাৰ যোৱাৰ দিনা বিশেষ একো অসুবিধা হোৱা নাছিল। তাৰ পিছত আমি ১০.৩০ বজাত গুৱাহাটীৰ পল্টনবজাৰ ষ্টেচন পাইছিলো। আমাৰ ট্ৰেইনৰ সময় ১২.৩০ বজাত হোৱাৰ বাবে আমি দুঘণ্টা ষ্টেচনতে বহি আছিলো ট্ৰেইন আহি পোৱাৰ অপেক্ষাত। তাৰ পিছত সময়তে ট্ৰেইন আহি পোৱাৰ লগে লগে আমি সকলোৱে ট্ৰেইনত উঠিলো। সেইদিনা মোৰ মনটো খুবেই ভাল লাগিছিল কাৰণ প্ৰথমবাৰৰ বাবে মই কলিকতালৈ যাত্ৰা কৰিছিলো। ট্ৰেইন চলাৰ লগে লগে আমাৰো যাত্ৰা আৰম্ভ হৈছিল। ট্ৰেইনত সময়বোৰ হাঁহি-ধেমালিৰে অতিবাহিত হৈছিল। লাহে লাহে আমি আমাৰ কাষত বহা মানুহবোৰৰ লগত চা-চিনাকি হৈছিলোঁ। তেওঁলোকৰ লগত কথা পাতি জানিব পাৰিছিলো যে তেওঁলোকে গুৱাহাটীৰ পৰা বঙাইগাঁওলৈ যাত্ৰা কৰিছিল। এনেকৈয়ে কথা পতা হোৱাৰ পিছত মই দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিলোঁ। আবেলি ৪টা বজাত আমাৰ ট্ৰেইনখনে শ্ৰীৰামপুৰ পাৰ হৈ পশ্চিমবংগত প্ৰৱেশ কৰিছিল। যিহেতুকে ঠাণ্ডাৰ দিন হোৱাৰ বাবে আমি ট্ৰেইনৰ খিৰিকীবোৰ বন্ধ কৰি ৰখাৰ বাবে আমি ভিতৰতে বহি কথা পাতি, পেপাৰ পঢ়ি, বাহিৰা কিতাপ পঢ়ি সময়বোৰ কটাইছিলো। ৰাতি ৯টা মান বজাত ঠাণ্ডা বেছি হোৱাৰ বাবে আমি ৰাতিৰ আহাৰ গ্ৰহণ কৰি শুই পৰিছিলো। যদিও ট্ৰেইনত ভালকৈ টোপনি অহা নাছিল। আৰু এনেকৈয়ে ৰাতিপুৱা ৬টা বজাত ট্ৰেইন আহি কলিকতাৰ হাওড়া ষ্টেচন পাইছিল। ট্ৰেইন আহি নোপোৱাৰ আগতেই আমি সকলো বস্তু ঠিক কৰি থৈছিলো। ট্ৰেইন আহি পোৱাৰ লগে লগে আমি ট্ৰেইনৰ পৰা নামিলো। ষ্টেচনৰ পৰা অলপ দূৰ খোজকঢ়াৰ পিছত কলিকতাৰ হাওড়া ব্ৰীজ আৰু লগতে গংগা নদী দেখিবলৈ পালো। তাৰ পিছত আমি বাহেৰে গংগা নদী পাৰ নহৈ ফেৰীৰে টিকট কাটি গংগা নদী পাৰ হ'লো। গংগা নদীৰ মনোৰম দৃশ্য দেখি মই আপ্লুত হৈছিলো। তাৰ পিছত আকৌ কলিকতাৰ এক ষ্টেচন শিয়ালদাহলৈ গ'লো। তাত আমি লোকেল ট্ৰেইনত উঠি নামখানা ষ্টেচনলৈ যাত্ৰা কৰিছিলো। যিহেতুকে আমি সাগৰ ভ্ৰমণ কৰিব আহিছিলো। এই যাত্ৰা ৩ঘণ্টাৰ হোৱাৰ বাবে আমি খিৰিকীৰে প্ৰাকৃতিক দৃশ্যবোৰ উগুতোৱা কৰিছিলো। আৰু এনেকৈয়ে আমাৰ সময়বোৰ পাৰ হৈছিল। তাতে পিছত আমি শেষত নামখানা ষ্টেচন পাইছিলোঁ। আকৌ এক ঘণ্টা বাছেৰে যাত্ৰা কৰি পশ্চিমবংগৰ মনিচিৰ একেবাৰে শেষ প্ৰান্তৰ ঠাই বকখালীত উপস্থিত হৈছিলোঁ। এই ঠাইখন সুন্দৰবন এলেকাত অন্তৰ্ভূক্ত। ইয়াত চাবলগীয়া বহুতো ঠাই যেনে— বকখালী ব্ৰীজ, ফিচিং হাৰ্বাৰ, মৌচুমী দ্বীপ, জম্মুদ্বীপ, গংগা সাগৰ দ্বীপ, হেনৰি আইলেণ্ড, গ্ৰেনগভ জংঘল আদি। ৰাজ পৰা নামি আমি সেই ঠাইত থকা ত্ৰিভা ল'জ নামেৰে ল'জ তাত কৰিছিলো। আমাৰ ল'জ পাওঁতে দুপৰীয়া ১২টা বাজিছিল। ল'জত ফ্ৰেচ হৈ অকণমান জিৰণি লৈ তাৰ পিছত বাহিৰলৈ ওলাই এখন হোটেলত দুপৰীয়াৰ আহাৰৰ বাবে সোমাইছিলোঁ। হয়াত বিশেষ কেঁকোৰা, মিছামাছ, ইলিশ মাছ, অক্টোপাছ আদি বিখ্যাত। আমি কেঁকোৰা আৰু ইলিশ মাছেৰে ভাত খাইছিলোঁ। আমি ৩টা মান বজাত আমি খোজকাঢ়ি বঙ্গোপসাগৰৰ সমুদ্ৰৰ পাৰলৈ গৈছিলো। সাগৰৰ পাৰৰ দৃশ্য দেখি মোৰ খুবেই ভাল লাগিছিল। আমি তাৰেই সকলো মনোৰম দৃশ্য উপভোগ কৰিছিলো। সাগৰত ঠাইত নানা ঠাইৰ বহুতো লোকে ভ্ৰমণ কৰিব আহিছিল। সাগৰৰ পাৰৰ বালিত বহি আমি কমলা টেঙা খোৱাৰ লগতে জনাজাতিয়ে বহুতো বস্তু খাইছিলোঁ। খাই থকাৰ মাজতেই আমি বহুদূৰলৈ ওচৰ টো দেখিবলৈ পাইছিলোঁ। টো শেষ হোৱাৰ পিছত মই আৰু মোৰ

ভণ্টীয়ে পানীত নামি বহুতো বস্তু দেখিছিলো, যেনে— এনিমন, জীৱিত শঙ্খ আদি। তাৰ পৰা উভতি আমি সাগৰৰ পাৰত বহা দোকানৰ পৰা সামুদ্রিক ভজা মাছ, ফুচকা আদি খাইছিলো। তাৰে মাছবোৰ খাবলৈ খুবেই সোৱাদযুক্ত। তাৰ পৰা আমি বহুতো ধুনীয়া ধুনীয়া বস্তু কেইবিধমান কিনিছিলো। অৱশেষত আহি থাকোতে এখন হোটেলৰ পৰা ৰাতিৰ খোৱাৰ আহাৰ কিনি পুনৰ ল'জলৈ আহিলো। ল'জ আহি পাওঁতে আমাৰ ৮টা মান বাজিছিল। তাৰ পিছত ফ্ৰেচ হৈ ৰাতিৰ আহাৰ খাই সোনকালে শুই পৰিলো। পিছদিনা ৰাতিপুৱা ওচৰৰ দোকান এখনত চাহ, মিঠাই, পৰঠা আদি ব্ৰেকফাষ্ট কৰি আমি ফিচিং হাৰ্বাৰ চাবলৈ গ'লো। তাৰ পৰা গাড়ীৰে ২০ মিনিট যাত্ৰা কৰি আমি ফিচিং হাৰ্বাৰ পালো। সেই ঠাইত সাগৰত মাছ মৰা দৃশ্য দেখিবলৈ পালো। সেই ঠাইত মাছ মৰা পদ্ধতি একেবাৰেই বেলেগ আছিল। মাছমৰীয়াসকলে বাস কৰা গাঁওবোৰো দেখিলো। তাত অলপ সময় কটোৱাৰ পিছত আকৌ জাহাজেৰে জম্মু দ্বীপলৈ যাত্ৰা কৰিলো। সম্পূৰ্ণ ১ ঘণ্টাৰ পিছত আমি জম্মু দ্বীপ দেখিবলৈ পাইছিলো। জম্মু দ্বীপত নমাটো নিষিদ্ধ বুলি কৈছিল আমাৰ গাইডজনে। জম্মু দ্বীপত নামিব নিদিয়াৰ কাৰণটো মই তেওঁৰ পৰা জানিব বিচাৰিলো। তেতিয়া তেওঁ জাহাজত থকা সকলোকে ঘটনাটো বিৰৰি ক'লে, ২০০৮ চনৰ মুম্বাই তাজ হোটেলৰ বোমা বিস্ফোৰণৰ সময়ৰ ঘটনা। কলিকতাতো সেই একে সময়তে বোমা বিস্ফোৰণৰ কথা প্ৰচাৰ হৈছিল। সেইবাবে তেনে বিস্ফোৰণ কলিকতাতো হ'ব পাৰে বুলি আগতীয়াকৈ পশ্চিমবংগ প্ৰশাসনে গম পোৱাত চৰকাৰী আইনমতে জম্মু দ্বীপটোক নিষিদ্ধ কৰিছিল। সেই জনজাতিবোৰক চৰকাৰে গংগা জনজাতিয়েও বাস কৰিছিল। সেই জনজাতিবোৰক চৰকাৰে গংগা সাগৰৰ দ্বীপত থাকিবলৈ ঘৰ নিৰ্মাণ কৰি দিছিল। তেতিয়াৰ পৰা এই দ্বীপটোত হৰিণ, ঘঁৰিয়াল, সামুদ্রিক চৰাই কেইবিধমান আৰু লগতে ২০০৮ চনৰ আগতেই তাত বসবাস কৰা মানুহে এৰি দিয়া কুকুৰা, গাহৰি ইত্যাদি দেখিবলৈ পোৱা যায়। ইয়াৰ বাহিৰেও সেই ঠাইত প্ৰশাসনৰ কোষ্ট গাৰ্ডৰ এটা কাৰ্যালয় আছে, যাতে কোনো মানুহে সেই দ্বীপটোত নামিব নোৱাৰে। তাৰ পৰা উভতি আহি থাকোতে ষ্টেনগভৰ গছৰ জংঘল, ৰঙা কেঁকোৰাও দেখিবলৈ পালো। তাৰ পৰা আমি অন্য বাছেৰে বেলেগ এটা ঘাটলৈ যাত্ৰা কৰিছিলো। এই যাত্ৰা ৬ ঘণ্টাৰ আছিল। বাছৰ পৰা নামি আকৌ ফেৰীৰে মৌচুনী দ্বীপলৈ যাত্ৰা কৰিলো। মৌচুনী দ্বীপ পোৱাৰ পিছত দ্বীপৰ পাৰত বহুতো লোকে টেন্ট সাজি তাতেই থকা দেখিবলৈ পালো। আমি তাৰে ওচৰৰ এখন হোটেলত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিলো। সেইদিনা মঙ্গলবাৰ হোৱাৰ বাবে আমি নিৰামিষ আহাৰ খাইছিলো। এনেকৈয়ে মৌচুমী দ্বীপত ২টা বাজি গ'ল। তাৰ পিছত আমি জানিবলৈ পাৰিলো যে গংগা সাগৰ দ্বীপলৈ যোৱা শেষ ফেৰী ৫ বজাত আছে। সেইবাবে আমি লৰালৰিকৈ তাৰ পৰা উভতি আহি ফেৰীৰে আকৌ বাছ আস্থানলৈ আহিলো। সময় কম হোৱাৰ বাবে আমি ঠাইবোৰ খুব কম সময়ৰ ভিতৰত ফুৰিব লগা হৈছিল। বাছৰ স্থান পোৱাৰ লগে লগে বাছত উঠি বহাৰ পিছত মোৰ ইমানেই ভাগৰ লাগিছিল যে বাছতে টোপনি ধৰিছিল। ৪টা বজাত আমি ফেৰীৰ ঘাট পালো। তাত গৈ ফেৰীৰ টিকট কাটি আমি গংগা সাগৰ দ্বীপলৈ যাত্ৰা কৰিলো গধুলি ৩টা বজাত গংগা সাগৰ দ্বীপ পালো। গংগা সাগৰ দ্বীপ এক ধৰ্মীয় স্থান। ইয়াত কপিল মুনিৰ আশ্রম অৱস্থিত। ইয়াত প্ৰতিবছৰে মকৰ সংক্ৰান্তিৰ দিনা ডাঙৰ মেলা আৰম্ভ হয় আৰু সেইদিনা গংগা সাগৰত বহুতো লোকে গা ধুৱে। পিছদিনা ৰাতিপুৱা আমাৰ গংগা সাগৰৰ মন্দিৰত পূজা দিয়াৰ বাবে মন্দিৰৰ ওচৰে-পাজৰে ল'জত থাকিম বুলি ভাবিছিলো। কিন্তু যিহেতুকে মকৰ সংক্ৰান্তিৰ বাবে ১২ দিন মানহে আছিল সেইবাবে সকলোৱে আগতীয়াকৈ ল'জ বুকিং কৰি থৈছিল। সেইবাবে আমি তাত ল'জ নোপোৱাৰ বাবে তাৰ পৰা অলপ দূৰত ভাৰত সেৱাশ্রমত থাকিলো আৰু এনেকৈয়ে আমাৰ ৮.৩০ বাজি গ'ল। সেইদিনা ৩১ ডিচেম্বৰৰ দিন আছিল। আমি ৰুমত অলপ সময় থাকি বাহিৰলৈ ওলালো। মকৰ সংক্ৰান্তিৰ বাবে মন্দিৰটো আটকধুনীয়াকৈ সজাইছিল। মন্দিৰৰ দুৱাৰ ৮ বজাৰ লগে লগে বন্ধ হোৱাৰ বাবে আমি বাহিৰৰ পৰাই মন্দিৰটো চালো আৰু মন্দিৰৰ কাষৰ দোকানৰ পৰা কেইবাটাও বস্তু কিনিলো। তাৰে ওচৰৰ হোটেল এখনত ৰাতিৰ আহাৰ খাই পুনৰ আমি থকা ঠাইলৈ উভতিলো। তাৰে পিছদিনা ৫টা বজাত গা ধুই সোনকালে মন্দিৰত পূজা দিলো। ২০২০ চনৰ ১ জানুৱাৰী তাৰিখে পূজা কৰাৰ বাবে মোৰ খুব ভাল লাগিছিল। আৰু সেইদিনাই আবেলি আমাৰ ঘৰলৈ উবতি অহাৰ দিন আছিল। আবেলি ৫টা বজাত আমাৰ ট্ৰেইনৰ সময় আছিল। আমি ৰাতিপুৱা ৮টা মান বজাত ব্ৰেকফাষ্ট কৰি তাৰ পৰা ওলাই আহি ফেৰীৰে আকৌ বাছ স্থানলৈ আহিলো। তাৰ পৰা বাছত উঠি পুনৰ কলিকতালৈ যাত্ৰা কৰিছিলো, এই যাত্ৰা ৪-৫ ঘণ্টাৰ আছিল। ট্ৰেফিক জাম থকাৰ বাবে আমাৰ বহুতো পলম হৈছিল। কলিকতা আহি পাই লৰালৰিকৈ দুপৰীয়াৰ আহাৰ খাই আমি হাওড়া ষ্টেচন আহি পাইছিলো। ট্ৰেইন সময়মতে অহাৰ পিছত আমি ট্ৰেইনত উঠি ঘৰলৈ যাত্ৰা কৰিলো। পিছদিনা ২ বজাত আমি নলবাৰী ষ্টেচন পাইছিলো।

◈ ◈ ◈

সুবেন দাস মহাবিদ্যালয়, হাজো

গাঁৱৰ ল'ৰা

ৰঞ্জুমা বেগম
স্নাতক চতুর্থ ষান্মাসিক



এখন গাওঁৰ এজন ল'ৰাই কলেজত পঢ়িবলৈ গ'ল। ৰাজুই কলেজত তেওঁৰ জীৱনৰ সপোনবোৰ সঁচা অর্থত প্রকাশ কৰিবলৈ অশেষ চেষ্টা কৰিলে। ৰাজুৰ জীৱনলৈ ৰাতি এন্ধাৰ নামি অহাৰ দৰে হ'ল। তেওঁ কলেজত বহুত ৰেগিঙৰ মুখামুখী হ'ব লগা হৈছে। তথাপিও তেওঁ পঢ়া বাদ দিয়া নাছিল। কষ্ট কৰি তেওঁ পঢ়ি আছিল তেওঁৰ দেউতাকৰ মৃত্যু হ'ল আৰু জীৱনৰ প্রতিটো সপোন ভাঙি গ'ল, তেওঁ পৰিয়াল চলাব লগা হ'ল। ৰাজুই চাকৰি বিচাৰি ভাগৰি পৰিল। ৰাজুই চাকৰিৰ বিজ্ঞাপন পাই, সেই বিজ্ঞাপন দাখিল কৰিলে। বিজ্ঞাপনত তেওঁৰ ভাল হ'লেও তেওঁ চাকৰি নাপায় কাৰণ, আজিৰ সময়ত চাকৰি পাব লগা হ'লে টকা দিব লগা হয়, ৰাজুৰ হাতত টকা নাই। তেওঁ পৰিয়ালে বহুত কষ্টত এখন পাণদোকান দি দিন কটাব লগা হয়।

◈ ◈ ◈

সাম্প্রতিক সময়ৰ বিশ্ব

ভূমিকা কুমাৰ
স্নাতক দ্বিতীয় ষান্মাসিক

সাম্প্রতিক সময় বুলি কওঁতে বর্তমানৰ সময়খিনিকে সাধাৰণতে বুজা যায়। এই সময়খিনিৰ বহুতো ঘটনাই পুৰণি সময়ৰ ঘটনাতকৈ কিছু পৃথক।

বিশেষকৈ সাম্প্রতিক সময়ত পৃথিৰীৰ সমস্যা, মানুহৰ মাজত সংঘাতৰ সমস্যা আৰু আন আন বহুতো সমস্যাই বিস্তাৰ কৰিছে।

বর্তমান সময়ত পৃথিৰীৰ গোলকীয় সমস্যা অর্থাৎ গোলকীয় উত্তাপ বৃদ্ধি হৈ জীৱ-জন্তু, চৰাই-চিৰিকটি আদিৰ বাবে সমস্যাৰ মূলতে আছে জীৱশ্রেষ্ঠ মানুহ। মানুহেই এই ধ্বংসৰ প্রধান কাৰণ। অবাবত গছ-গছনি কাটি, পাহাৰ কাটি, চৰাই-চিৰিকটি বধ কৰি পৃথিৰীত এক অসুস্থ পৰিৱেশৰ সৃষ্টি কৰিছে।

ইয়াৰোপৰি বিজ্ঞান প্রযুক্তিৰ ক্ষেত্রত সাম্প্রতিক সময়ৰ বিশ্বখনৰ আগতকৈ বহুত উন্নতি হৈছে। অতি কম সময়ৰ ভিতৰত যোগাযোগ কৰিব পৰা ব্যৱস্থা, যাতায়াত কৰিব পৰা ব্যৱস্থা আদি বিজ্ঞান প্রযুক্তিৰে ফল। বিজ্ঞান প্রযুক্তিৰ উন্নতিৰ লগে লগে সমগ্র বিশ্বখন এখন গোলকীয় গাঁৱলৈ পৰিণত হৈছে। বিজ্ঞানৰ উন্নতিৰ লগে লগে মানুহে বহুতো জটিল কাম সহজতে কৰিব পৰা হৈছে। মহাকাশলৈ গৈ বিজ্ঞানীসকলে মহাকাশৰ ৰহস্য ভেদ কৰিব পাৰিছে। মানুহৰ মাজত প্রচলিত অন্ধ-বিশ্বাস, কু-সংস্কাৰ আদিয়ে নোহোৱা কৰিব পাৰিছে।

সাম্প্রতিক সময়ত পুৰণি কালত প্রচলিত নাৰী-পুৰুষৰ মাজত থকা বিভেদ লোপ পাব ধৰিছে। বর্তমান সমাজত নাৰীয়ে পুৰুষৰ সমানে আগবাঢ়ি যাব পাৰিছে। নাৰীৰ প্রতি থকা যি নীচ ভাৰ বর্তমান সময়ত সেয়া প্রায় লুপ্ত হ'ব ধৰিছে। পুৰুষৰ দৰে নাৰীয়েও দুঃসাহসিক কাম কৰিব পৰা হৈছে।

এইবোৰৰ উপৰিও সাম্প্রতিক সময়ৰ এটা গুৰুত্বপূর্ণ সমস্যা হৈছে কৈশোৰ সকলৰ নিচাজাতীয় সামগ্রীৰ প্রতি থকা দুর্বলতা। যাৰ ফলত ভৰিষ্যতৰ সমাজখন ধ্বংসৰ মুখালৈকেও বেয়া হ'ব বুলি বহুতো চিন্তাবিদে ভাবিছে।

এনেদৰে ভাল-বেয়া কামৰ দ্বাৰা সাম্প্রতিক সময়ৰ বিশ্বখন এখন গোলকীয় গাঁৱলৈ ৰূপান্তৰিত হৈছে।

◈ ◈ ◈

অন্ধ বিশ্বাস

মিছ ৰিতুমণি বেগম
স্নাতক চতুর্থ ষান্মাসিক

কি হ'ল? তই যে ইয়াত আছা; তোৰ দেখোন বিয়া হৈছিল এতিয়া ইয়াতে আছা যে? এই ধৰণৰ কথা তাই প্রত্যেক দিনে প্রত্যেক মুহূর্ততে শুনিবলৈ পায় কিয়? তাইৰ কি হ'ল? ভুল কাৰ ক'ত...? সময় তুমি কিয় ইমান নিষ্ঠুৰ? তাই কান্দে মনে মনে। কোনেওঁ নাজানাকৈ। তাই ভাৱে মই দুখ কৰিলে ঘৰৰ মানুহে মনত বহুত দুখ পাব।

স্নাতক মহলাৰ ছাত্রী আছিল তাই। ঘৰৰ তাই দ্বিতীয় সন্তান। প্রথম ছোৱালীজনী মনে মনে বিয়া হৈছিল। সেইবাবে তাইক ঘৰৰ মানুহে কম বয়সতে বিয়া দিলে। মানুহবোৰে ল'ৰাজন বৰ ভাল বুলি ক'লে। আচলতে তেওঁলোকৰ গাত দোষ নাই। ল'ৰাজন গুৰাহাঁটীত থাকে। সি সেইখন ঘৰৰ একমাত্র ল'ৰা। দেউতাক নাই। মাক আৰু ভণ্টিৰ লগত থাকে। তাইৰ বিয়া হৈ গ'ল। দেউতাকৰ মতে মত। তাত যেন কোনেও একো মাত মাতিব নোৱাৰে। বিয়াৰ পিছত তাই যেন পৰিৱর্তন হ'ব ধৰিলে। সকলোৱে ক'বলৈ ধৰিলে।

কাৰণ এয়াই আছিল যে তাইক গিৰীয়েকে কোনো ব্যক্তিৰ লগত মাত-বোল কৰাতো সহ্য কৰিব নোৱাৰে। আনকি তাইৰ ভায়েকৰ লগতো। মামাকৰ ল'ৰা খুড়াকৰ ল'ৰা পিছৰ কথা। তাই এইবোৰ কথা কৰো আগত ব্যক্ত কৰা নাছিল কাৰণ তাইৰ সংসাৰত বেমেজালি লাগিব। কিন্তু নোচকায়াৰ পৰিণাম কি হ'ল? তাইৰ প্রসৱৰ সময়ত ডাক্তৰৰ ওচৰত লৈ গ'ল। লগত খুড়াক মাক আৰু ভিনীয়েক গৈছিল। সেই সময়ত তাই আৰেগিক হৈ মনৰ দুখ প্রকাশ কৰা সকলোকে গিৰীয়েকে অন্ধ বিশ্বাস কৰিলে আৰু ক'লে সন্তানটো হেনো তাৰ নহয়। কি? আচৰিত মানুহ।

◈ ◈ ◈

অমানিশা

ধৰিত্রী কলিতা
স্নাতক ষষ্ঠ ষান্মাসিক

সময় বৰ নিষ্ঠুৰ। সময় আৰু নিয়তিৰ হাতৰ পৰা কোনেও সাৰিব পৰা নাই। এনে এক সময়ৰ পৰিহাসত ৰাজীৱেও নিজৰ দেউতাকক হেৰুৱাবলগীয়া হৈছিল। ষষ্ঠ শ্রেণীত পঢ়ি থকা ৰাজীবে কেতিয়াও ভবা নছিল যে তাৰ জীৱনত এনেকুৱা অমানিশা আহিব, যিয়ে তেওঁৰ দেউতাকক তাৰ পৰা দূৰলৈ লৈ যাব।

সিদিনা আছিল ৰবিবাৰ। আর্থিকভাবে দুর্বল পৰিয়ালটোৰ অন্নমুঠি যোগান কৰাৰ বাবে দেউতাকে চহৰলৈ কাম কৰিবলৈ গৈছিল। দেউতাকে কাম শেষ কৰি সন্ধিয়া ঘৰলৈ অহাৰ পথত এখন ট্রাকে খুন্দা মাৰিলে। লগে লগে দেউতাকক হস্পিতাললৈ লৈ গ'ল যদিও আর্থিক দুৰৱস্থাৰ বাবে বচাব পৰা নগ'ল। সিদিনাৰ পৰা তাৰ জীৱনলৈ নামি আহিল ঘোৰ অমানিশা। তাৰ পাছত মাকে আনৰ ঘৰত কাম কৰি দুপইছা অর্জন কৰি তাক লালন-পালন কৰে। অশেষ কষ্ট কৰি হলেও মাকে তাক পঢ়া-শুনা কৰাৰ বাবে উদগণিহে যোগাইছিল। কিন্তু সুখ বুলিবলৈ মাক আৰু পুতেকেই সহাঁৰি। কিন্তু নিয়তিক কোনে ৰখাই থব পাৰে! অৱশেষত ৰাজীৱৰ একমাত্র সাৰথি মাকো কেন্সাৰ ৰোগৰ কবলত পৰি মৃত্যু হ'ল। মাকৰ মৃত্যুত যেন ৰাজীৱৰ মূৰত সৰগহে ভাগি পৰিল কিয়নো এই পৃথিৰীত মাকৰ বাহিৰে তাৰ কোনো নাছিল।

সময় বৰ নিষ্ঠুৰ। ই কাৰো কথা নামানে।

◈ ◈ ◈

সাম্প্রতিক সময়

জ্যোতিৰাণী বৰ্মণ

সাম্প্রতিক সময়ৰ এটা ভয়াবহ সমস্যা হৈছে ৰেগিঙৰ সমস্যা। মই ইয়াত এই বিষয়ৰ ওপৰত লিখিবলৈ ওলাইছো।

প্রতিজ্ঞা ঃ দিনৰ দুই বাজিছে ৰতনীয়ে বিছনাত পৰি খিৰীকিখনেৰে হৰেণৰ পুতেক ৰমেনৰ ফালে চাইছে আৰু তাই নিজৰ চকু কেইটা মোহাৰিছে। সেইফালে সন্মুখৰ কোঠাটোত বাবুই পঢ়ি আছে। সি মাকৰ দুখ বুজি পাইছে, কাৰণ মাকে সংগ্রাম কৰি তাক পঢ়ুৱাইছে। যি পঢ়া-শুনাত ভাল, খেলা-ধূলাত একেবাৰে সি দদায়েকৰ নিচিনা। বাবুৰ এইবোৰ গুণেই ৰতনীক তাইৰ ডাঙৰ পুতেকৰ কথা বেছিকৈ মনত পেলাই দিয়ে। বাবুৰ ডাঙৰ দদায়েকৰ ছয় মাহ হোৱাৰ পিছত তাৰ দেউতাকৰ মৃত্যু হৈছিল। তাৰ পাছত ৰতনীয়ে সিহঁতক কেনেকৈ ডাঙৰ-দীঘল কৰিলে সেয়া এক ডাঙৰ অধ্যায়। লাহে লাহে ককায়েকে পঢ়া-শুনাত আগবাঢ়ি গ'ল আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত তেওঁ প্রথম বিভাগত উত্তীর্ণ হ'ল আৰু সিহঁতৰ গাঁৱৰ ছাত্র সন্থাই তাক এখন ডাঙৰ বিশ্ববিদ্যালয়ত নাম ভর্ত্তি কৰাই দিলে। কেইদিনমান পিছত ৰতনীয়ে তাৰ খবৰ ল'বলৈ গ'ল কান্দি কান্দি তাই ক'লে তই আৰু ইয়াত পঢ়িব নালাগে। তেতিয়া সি ক'লে কেইদিনমান পিছত সকলো ঠিক হৈ যাব। কিন্তু এসপ্তাহ পিছত তাৰ মৃতদেহতো ঘৰলৈ উভতি আহিল। সেয়েহে আজি হৰেণৰ পুতেকৰ মূৰত চুলি নোহোৱা দেখি তাই বুজি পাইছে তাৰো ছিনিয়ৰৰ অত্যাচাৰত এনেকুৱা অৱস্থা হৈছে। যাৰ বাবে তাইৰ মৰমৰ ডাঙৰ পুতেকলৈ মনত পৰিছে সেয়েহে তাই ৰৰকৈ কান্দিছে। এইফালে বাবুৰে মাকৰ চকুপানী দেখি মনতে প্রতিজ্ঞা লৈছে যে সি ভালদৰে পঢা-শুনা কৰিব আৰু কেতিয়াও কাৰো ওচৰত সি দুৰ্বল নহ'ব। এইবোৰ কথা ভাবি সি ভালদৰে পঢ়িবলৈ কিতাপখন হাতত তুলি ল'লে।

◈ ◈ ◈

ৰেগিং

ৰিতুমণি বেগম
ৰাজনীতি বিজ্ঞান বিভাগ

ৰীমা ঘৰখনৰ সৰু আৰু একমাত্র ছোৱালী। ঘৰত তাইৰ ককায়েক আছে। কিন্তু "নাই মোমাইয়েকতকৈ কণা মোমাই ভাল"-বুলি থকা কথাষাৰৰ নিচিনা ককায়েকজন যেন নামতহে আছে। হাত-ভৰিৰে সি একো কাম কৰিব পাৰে। কিন্তু ৰীমা পঢ়াত চোকা আৰু চাৰিওদিশত পাৰ্গত। সৰুৰে পৰা সপোন এজনী সু-চিকিৎসক হ'ব। মেট্রিক পৰীক্ষাত অসমৰ ভিতৰত সপ্তম স্থান লাভ কৰিলে তাই। কিন্তু, এতিয়া তাইৰ গাঁৱত পঢ়াৰ বাবে ভাল কালেজ নাই। বিজ্ঞান শাখাত পঢ়িবৰ বাবে তাই কটন কলেজত নামভর্তি কৰিলে। ঘৰৰ পৰিবেশ-অবস্থা ঠিক নহয় সত্বেও ৰীমাৰ দিন হাজিৰা কৰ দেউতাকে ৰীমাক গুৱাহাটীত নাম ভর্তি কৰাই দিলে।

হোষ্টেলত তাই গাঁৱৰ পৰা যোৱা একমাত্র ছোৱালী ৰীমা শান্ত-নম্র স্বভাৰৰ ছোৱালী। বাকীবোৰে যি কয় তাই তাকে কৰে। ৰীমাই লাহে লাহে কিছু ব্যতিক্রম অনুভৱ কৰিবলৈ ধৰিলে। ৰীমাই ঘৰখনৰ তথা নিজৰ গাঁৱখনৰ পৰিৰেশতকৈ ইয়াৰ পৰিৰেশ কিছু বেলেগ পালে।

সেইদিনা ৰাতি ২.০০ বাজিল। ৰুমত তাইৰ হোষ্টেলৰ কেইজনীমানে আহি মদ খাবলৈ দিলে। প্রথমতে তাইনা কৰিছিল, কিন্তু তাইক জোৰ যবৰদস্তি কৰি মদ পিয়াই দিলে। ৰীমাই সেই কথা সহজভাৰে ল'ব নোৱাৰিলে। যিহেতু ৰীমাৰ মাক নাছিল, সু-সংস্কাৰী ৰীমাই বাৰ বাৰ ভাবিছিল সেই দেউতাকৰ কথা, একো কৰিব নোৱাৰা ককায়েকৰ কথা। কিন্তু, শেষত তাই আত্মহনন কৰিবলৈ বাধ্য হ'ল। নিজকে পাহৰি সকলো শেষ কৰিলে।

শেষ হ'ল আমাৰ মাজৰ পৰা একেজনী ৰীমা। ভৱিষ্যতৰ একেজনী সপোন দেখোতা চিকিৎসক। শেষ হ'ল—পিতৃ এজনৰ সপোন। সকলো শেষ হ'ল। কিন্তু, একো ন্যায় নহ'ল মানুহবোৰে ভাবিলে যে কিবা বেলেগ ভিতৰুৱা বিষয়। এনেকৈ শেষ হ'ল এটা ভৱিষ্যৎ। পাৰনে আমাৰ মাজত ন্যায় এনেকুৱা একো একোজনী ৰীমাই?

◈ ◈ ◈

বিশ্বাস

ধীৰাজ কুমাৰ
স্নাতক চতুর্থ যান্মাসিক

মহাত্মা গান্ধী হিন্দু পৰিয়ালত জন্মগ্রহণ কৰিছিল আৰু তেওঁ গোটেই জীৱন হিন্দু ধর্ম পালন কৰে আৰু হিন্দু ধর্মৰ অধিকাংশ আদর্শই গ্রহণ কৰে। এজন সাধাৰণ হিন্দু হিচাপে তেওঁ সকলো ধর্মৰে ধর্মগ্রন্থসমূহ অধ্যয়ন কৰিছিল। তেওঁ ব্রহ্মত্ব সম্পর্কে আগ্রহী আছিল। হিন্দুত্ব সম্পর্কে তেওঁ কৈছিল— হিন্দুত্বই মোক পূর্ণৰূপে তৃপ্তিদান কৰে, মোৰ সত্তাক পৰিপূর্ণ কৰে। যেতিয়া মনত সংশয় জন্মে, যেতিয়া হতাশাই মোক আগুৰি ধৰে, আৰু যেতিয়া মই দিগন্তত এক পোহৰো দেখা নাপাওঁ, তেতিয়াই মই ভগৰত গীতাৰ ফালে চাও আৰু নিজকে শান্ত কৰাৰ কাৰণে একোটা পংক্তি বিচাৰো আৰু মই অনতি পলমে অত্যধিক কষ্টৰ মাজতো সুখ অনুভৱ কৰোঁ। মই ভগৰত গীতাৰ শিক্ষাৰ ওচৰত কৃতজ্ঞ। মহাত্মা গান্ধীয়ে গুজৰাটী ভাষাত ভগৰত গীতাৰ সম্পর্কে এটি ধাৰাভাষ্য লিখিছিল। গুজৰাটী পাণ্ডুলিপিটো ইংৰাজী ভাষালৈ অনুবাদ কৰে মহাদেৱ দাসে। দায়ে ইয়াতে এটা অতিৰিক্ত পাতনি আৰু ধাৰাভাষ্য যোগ কৰে আৰু ই গান্ধীৰ এটি ভূমিকাসহ ১৯৪৬ চনত প্রকাশ পায়। মহাত্মা গান্ধীয়ে বিশ্বাস কৰিছিল যে, সকলো ধর্মৰে মূলতে আছে সত্য আৰু প্রেম। কৰুণা সংস্কাৰক আছিল আৰু সকলো ধর্মৰে ভণ্ডামি, অপকর্ম আৰু অন্ধবিশ্বাসৰ বিপক্ষে মাত মাতিছিল। ধর্ম সম্পর্কে মন্তব্য কৰি তেওঁ কৈছিল- যদি খ্রীষ্টান ধর্মক নিখুঁত আৰু সর্বশ্রেষ্ঠ বুলি মানি ল'ব নোৱাৰি, তেন্তে হিন্দু ধর্মকো নিখুঁত আৰু সর্বশ্রেষ্ঠ বুলি ক'ব নোৱাৰি। হিন্দু ধর্মৰো ত্রুটিবিলাক মোৰ দৃষ্টিগোচৰ হৈছে। যদি অস্পৃশ্যতা হিন্দু ধর্মৰে অংশ হয় ই ধর্মৰ এটি বেয়া অংশ। বেদ বাক্যবিলাক ঈশ্বৰৰ অনুপ্রাণিত উক্তি বোলাৰ কাৰণ কি? যদি এইবিলাক ঈশ্বৰ অনুপ্রাণিত হয়, তেন্তে বাইবেল বা কোৰাণ কিয় নহয়। খ্রীষ্টান বন্ধুৰে যেনেদৰে মোক ধর্মান্তৰিত কৰাৰ প্রবল চেষ্টা কৰিছিল, ঠিক তেনেদৰে মুছমিল বন্ধুয়েও কৰিছিল। আব্দুল্লা শেঠে ইছলাম



ধর্ম চর্চা কৰিবলৈ মোক প্রৰোচিত কৰিছিল আৰু সকলো সময়তে এই ধর্মৰ সৌন্দর্য বর্ণনা কৰি থাকে। যেতিয়া আমাৰ নৈতিক ভিত্তি হেৰাই যায়, তেতিয়া ধার্মিক হৈ একো লাভ নাই। উদাহৰণস্বৰূপে মিছলীয়া, নির্দয় আৰু আত্মসংযমহীন লোকে ঈশ্বৰ তেওঁৰ সৈতে আছে বুলি দাবী কৰিব নোৱাৰে।

পৰৱর্তী সময়ত যেতিয়া মহাত্মা গান্ধীক তেওঁ হিন্দু হয়নে নহয় বুলি শোধা হৈছিল, তেওঁ কৈছিল— হয় মই হিন্দু! ইয়াৰ উপৰিও মই এজন খ্রীষ্টান, এজন মুছলমান, এজন বৌদ্ধ আৰু এজন ইহুদী।

◈ ◈ ◈

ফাগুন মাহক লৈ মনৰ কিছু কল্পনাৰ কথা

মুছফিকা আহমেদ
স্নাতক দ্বিতীয় ষান্মাসিক

মাঘ মাহৰ পিছত যেতিয়া ফাগুনৰ প্ৰথমটি পছোৱা আহে আৰু সেই জাক পছোৱাই যেন মনটি উৰুৱাই নিব খোজে। মন বিয়াকুল কৰি তোলা এই ফাগুন মাহত জেতুকাবুলীয়া যি গোন্ধ, সেই গোন্ধই যেন মন মুগ্ধ কৰি তোলে। শত-সহস্ৰ ফাগুনৰ বতাহত ভৰপক যৌৱন আৰু এই বতাহত শুকাই যোৱা গছ-বনবোৰ যেন পিয়াহত ব্যাকুল হৈ থাকে। এনেকুৱা লাগে যেন এজাক বৰষুণে সকলো গছ-বনৰ তৃষ্ণা দূৰ কৰিব, কিন্তু এই বলিয়া ফাগুন মাহত সহজে বৰষুণ হয় জানো?

ফাগুনত অহা পছোৱা জাকে কিন্তু আপোনজনৰ প্ৰতি এটা আচৰিত ভাল এটি লৈ আহে। সেই ভাবত ভয় থাকে, মনৰ ব্যাকুলতা হঠাৎ বাঢ়ি যায়, কিন্তু ফাগুনৰ পছোৱাই উৰুৱাই একোৰে নিনিয়ে বাবে বস্তু তাতে থৈ এই বলিয়া ফাগুন গুচি যায়।

◈ ◈ ◈

দাঁত

শিখৰজ্যোতি দাস
স্নাতক দ্বিতীয় ষান্মাসিক

তোমাৰ দাঁত দুপাৰি মোৰ বৰ ভালে লাগে অ', সঁচাই ডালিমগুটীয়া দাঁত দুপাৰি। আছলতে তোমাৰ এই দাঁতদুপাৰিয়ে মোক তোমাৰ প্ৰেমত পেলাইছিল।" প্ৰেমালাপত ব্যস্ত অৰূপে প্ৰেমিকা কৰবীক কৈ আছিল। সদা অভ্যস্ত লাজকুৰীয়া হাঁহিৰে তাই বিষয়টো সলনি কৰিছিল— "হ'ব দিয়া। চেনি দিব নালাগে। বেছি চেনি দিয়া বেয়া। ঘৰত মাইঁত ভালে আছেনে?

আচৰিতভাবে দুপাৰি দাঁতৰ বাবেই প্ৰেমত পৰিছিল অৰূপ নামৰ যুবকজন, সিহঁতৰ কলেজৰে দীপলিপ ছোৱালী কৰবীৰ প্ৰেমত। অৰূপত ঘৰত তাৰ মাক-ভাইটি-বা দুজনীৰে সম্পূৰ্ণ এখন ঘৰ। সি ঘৰত কথাটো জনাইছিল আৰু কিছুদিনৰ ধুমুহা বতাহৰ অন্তত সকলো মান্তিও হৈছিল।

সিদিনা আছিল সিহঁতৰ প্ৰথম লগ পোৱা দিন। দুয়োটাই সময়মতে সাজি-কাচি গৈ আছিল। গন্তব্য স্থান নেহৰু পাৰ্ক। হঠাৎ অৰূপৰ ফোনলৈ ফোন আহিল। আপুনি অৰূপ হয়নে? মই কৰবীৰ বান্ধৱী। তাইৰ এটা এক্সিডেণ্ট হৈছে। আপুনি জি.এম.চি.লৈ আহক। সি গৈ পালে। এখন বিচনাত পৰি আছিল। কৰবীৰ বিশেষ একো হোৱা নাছিল। মূৰত দুখ পাইছিল অলপ আৰু তিনিটা দাঁত ভাগিছিল। অৰূপৰ বুকুখন কৰবাত লাগি গৈছিল।

হঠাৎ কৰবীয়ে কৈছিল— একো নহয় দিয়া লগাই লম তুমি ভাল পোৱা দাঁতকেইটা। এনেয়ো মোৰ দাঁতকেইটা ২ বছৰ আগতে দাঁতৰ বেমাৰ হওঁতে সৰি গৈছিল আৰু এইকেইটা মোৰ লগোৱা দাঁত।

◈ ◈ ◈

চিঞৰ

ভৃগু দাস
স্নাতক দ্বিতীয় ষান্মাসিক

(মোক এৰি দিয়ক, Please মোক এৰি দিয়ক)

জামুগুৰিত বাস কৰা মৃন্ময় ঘৰখনৰ একমাত্ৰ ল'ৰা, মাক সৰুতে ঢুকায় যোৱাত দেউতাক আলপৈচানত জীৱন নিৰ্বান কৰি পেটে-ভাতে কিবাকে খাই আছে। কিন্তু দেউতাকৰ চোৰ স্বভাৱটোৱে মৃন্ময়ক বাহিৰৰ সমাজত অন্ধকাৰ ৰূপে থিয় দিয়ে আৰু এদিনাখন গাঁওৰ মানুহে চোৰ কৰি ধৰা পৰাত দিয়া শাস্তিৰ ফলত দেউতাক মৃত্যু মুখত পৰিল।

মৃন্ময় এতিয়া ওচৰৰ চহকী মানুহ এঘৰত 'বন্ধা' হিচাপে থাকে। মাজে মাজে স্কুললৈ যায় আৰু ঘৰৰ সকলো কাম-কাজ সম্পন্ন কৰে, এনেদৰে চলি থাকোতেও সি ১৭ বছৰত ভৰি দিলে আৰু তাৰ মেট্ৰিক পৰীক্ষাও আহি পালে। শিক্ষকে কোৱামতে সিয়ে হেনো সিহঁতৰ শ্ৰেণীৰ প্ৰথম।

সি দিনত কামকাজৰ মাজেৰে সময় উলিয়াই পঢ়া-শুনা কৰে। এনেদৰে সময় পাৰ হ'ল আৰু তাৰ পৰীক্ষাও ওচৰ চাপিল। পৰীক্ষাৰ আগদিনা সি থকা মালিকৰ ঘৰত চুৰে লুট-পাট কৰে আৰু গাঁৱৰ মানুহে ইয়াৰ কাৰণ মৃন্ময়ৰ গাত জপিয়াই দিয়ে আৰু তাক গাঁৱৰ পৰা উলিয়াই দিয়ে।

সি বহুতো ঘাট-প্ৰতিঘাত পাৰ কৰি পৰীক্ষা দিলে আৰু পৰীক্ষাৰ ফলাফলো আহি পালে। ফলাফল দিবৰ দিনা মৃন্ময়ে সিহঁতৰ ঘৰৰ ভেটিটোত চাকি-বস্তি দি পূজা কৰি থাকোতে বহুত মানুহৰ চিঞৰ শুনিলে। বাহিৰলৈ ওলাই দেখে যে বহুত মানুহে জোৰেৰে তাৰ ফালে দৌৰি আহিছে আৰু সি ভয় খায় তাক মাৰিব খেদা বুলি দৌৰিলে। আৰু গাঁৱৰ মানুহেও তাক ধৰিলে আৰু তাক মাৰিব খেদাৰ বিপৰীতে আদৰিবলৈহে খেদা বুলি কোৱাৰ কাৰণে সি হেনো মেট্ৰিক পৰীক্ষাত ৯ম স্থান পাইছে। আৰু এনেদৰে সি সুখেৰে জীৱন-যাপন কৰিলে।

◈ ◈ ◈

"...মোৰ মাতৃভূমি অসমত অনা অসমীয়াই যদি অনাহকতে অসমীয়াৰ মূৰৰ চুলি এডালতো হাত দিয়ে, তেওঁলোক যেয়েই হওক, তেওঁলোকৰ বিৰুদ্ধে মোৰ সকলো শক্তি প্ৰয়োগ কৰিম, ই ধ্ৰুপ।"

— লক্ষ্মীনাথ বেজবৰুৱা

কবিতাৰ কণিকা

মানুহ

ইমদাদ আহমেদ
ছাত্র একতা সভাৰ সম্পাদক

মানুহৰ জীৱন হাঁহি কান্দোনৰ
তাতে আছে লুকাই সুখ জীৱনৰ
নুবুজিৰ এই সাঁথৰ।
দুদিনীয়া জীৱৰ ৰংবোৰ শেষ হৈ যায়
বৈ যায় অশ্ৰুৰ সাগৰ
মানুহ যদি হয় নতুন মানুহ
সাহস যদি হয় সাৰথি
পুৱাব দুখৰে ৰাতি।
নকৰে কেতিয়াও একোকে ভয়
যদিহে মানুহ হয়
জীৱন গঢ়িব পাৰে ভৰপূৰ সু-কৰ্মৰে
তেওঁ হে প্ৰকৃত মানুহ হ'ব।।

◈ ◈ ◈

এজাক অচিনাকি বতাহ

ছালমা চুলতানা
স্নাতক প্ৰথম ষান্মাসিক



নিৰিবিলি সন্ধিয়াৰ নিৰ্জান মুহূৰ্তত
বহি আছো আকাশৰ তলত
পাতিছো কথা মেঘৰ লগত
হৃদয়ৰ বহুতো কথা!
গোমোঠা ডাৰৰীয়া আকাশত
সূৰ্যয়ে ভূমুকি মৰাৰ দৰে
মোৰ হৃদয়তো ভূমুকিয়াইছিল
এদিন এজাক চঞ্চল বতাহে,
অনুভৰ কৰিছো মই যেন
অকলশৰীয়া নহয়।।

◈ ◈ ◈

মেঘে সলালে পোছাক

অসীমা বেজ বৰুৱা
তৃতীয় ষান্মাসিক

কাজল মেঘে সলালে পোছাক
আকাশ নীলা সাগৰ যেন
মুগ্ধ দুচকুত ওপঙি ফুৰে
শুকুলা পালতৰা নাও
কহুঁৱা ৰাতি বহাত ব'লে
বতাহে মনলৈ ঢাপলি মেলে
পথাৰে পথাৰে চমকি পৰে
সেউজীয়া নদীৰ ঢল
মোৰ খিৰিকীৰ কাঁচত
নিয়ৰে গোপনে আঁকি দিয়ে
ধোঁৱা ধূসৰ এখন ছবি
অস্পষ্ট
কোমল কৰুণ আহিনৰ
লেণ্ডস্কেপ!

◈ ◈ ◈

মৰমৰ স্কুল

মুচফিকা আহমেদ
তৃতীয় ষান্মাসিক

এৰি অহা সেই স্কুলখন
আজিও মনলৈ আহে।
লৈ লগত কিছু আনন্দ
আৰু অনুভূতিৰ মুহূর্ত।
আছে মনত আজিও স্কুলৰ
আগত আৰম্ভ হোৱা
সেই প্ৰাৰ্থনাটি চকুলো ভৰি আহে
মনত পৰিলে সেই স্কুলীয়া জীৱনী।
ক'ত খেল-ধেমালি ক'ত হাই-কাজিয়া
স্কুলৰ বন্ধু-বান্ধৱীৰ সৈতে।
তথাপিও যেন আজিও প্ৰিয়
সেই বন্ধু-বান্ধৱীকেইজনী।
ক'তনো বিচাৰো জীৱনৰ সেই
সোণালী মুহূর্তখিনি
সময়হে পাৰ হৈ গ'ল।
কিন্তু স্মৃতি
আজিও মনত ৰৈ গ'ল।

◈ ◈ ◈

উভতি নহা দিনবোৰ

মণিষা বেগম
প্ৰথম ষান্মাসিক

সেই দিনবোৰ কেনিনো গ'ল
অহিবনে ঘূৰি?
সেই হাঁহি ধেমালিৰে
মুকলি মুৰীয়া হৈ
ঘূৰি ফুৰা দিনবোৰ
হাবিৰ মাজত, কেতিয়াবা বাগিছাবোৰত
ফুল-ফল বিধে বিধে ফুলি থাকে তাত।
তোমাৰ মনত আছেনে সেই দিনবোৰ?
ৰাতিৰ আকাশ তৰাৰ ধেমালি
মন যায় ডেউকা মেলি চৰাই হৈ
আকাশত ফুৰিম উৰি।
ক'ত সেইবোৰ দিন?
বিচাৰিলেও নাপাওঁ বিচাৰি।
এতিয়া মাত্ৰ থাকি গ'ল।
বিৰহৰ ভঙা দাপোনখনি।
য'ত নাপাও নিজকে ঢুকি।

◈ ◈ ◈

জীৱন যাত্ৰা পথ

চিলিমা পাৰবিন
স্নাতক প্ৰথম ষান্মাসিক

শিকিলো যাত্ৰা কৰিবলৈ
জীৱনৰ প্ৰথম খোজ মা-দেউতাৰ হাত ধৰি
তেতিয়া মোৰ নাছিল উজুঁটি খোৱাৰ ভয়
যদিও মই উজুঁটি খাইছিলো
মই কিন্তু কাহানিও দুখ পোৱা নাই।
লাহে লাহে ডাঙৰ হ'লো মই
লগতে বহল হ'ল যাত্ৰা পথ
মই যাত্ৰা কৰা পথৰ মাজত
আছে তিনি স্তৰৰ সম্পৰ্ক
প্ৰথম স্তৰত মোৰ চিনাকি চৰিত্ৰ
দ্বিতীয় আৰু তৃতীয় স্তৰত
মানুহৰ মুখত মোৰ আলোচনা-সমালোচনা
এই স্তৰ নাথাকিলে যাত্ৰা পথৰ সোঁৱাদ নাইকিয়া।

◈ ◈ ◈



নতুন সৃষ্টিৰ সন্ধানত

ডিম্পী বৰুৱা
স্নাতক প্ৰথম ষান্মাসিক

হৃদয়ৰ সাকোঁৱে গঢ়োতে গঢ়োতে
কেনি গ'ল জীৱনৰ অমিয়া মাধুৰী
উকা কঁপালৰ কেঁচা ঘাম মচি মচি
বুলালা হেঙুলী কিৰণৰ
দেই পুৰি এঙেৰুৱা হোৱা
মোৰ সজীৱ স্মৃতি।
তুমি হাঁহা তুমি কান্দা তোমাৰেই
গৰ্বিত বৃক্ষত ওলমি।
ৰণচণ্ডী হোৱা
বগা এজাক কুকুৰৰ দল।
স্মৃতিৰ উচুপনিত থৰ পৰা
ভাগৰুৱা দেহৰ অৱক্ষয়
তথাপিও তুমি নিমাত নিস্তব্ধ
ভাৱসাম্যতা হেৰুৱাই নতুন
সূৰুযৰ প্ৰভাতী প্ৰতীক্ষাত।

◈ ◈ ◈

নাৰী

শিল্পা ঠাকুৰীয়া
স্নাতক তৃতীয় ষান্মাসিক

চঞ্চলা নিজৰা তুমি
বৈ আহা সৰগৰ পৰা
তোমাৰ ৰূপ সুধা পান কৰিবলৈ
সমগ্ৰ জগত বলিয়া।
আকৰ্ষণৰ তুমিয়েই কেন্দ্ৰ বিন্দু
তোমাৰ দেহতে অমৃত সিন্ধু
তোমাৰ হৃদয়তে যেন অমৃত পাও
বিধাতাই সাধিলে অদ্ভূত কাণ্ড।
যদিও তোমাৰ সৌন্দৰ্য ক্ষন্তেকীয়া
সেই সৌন্দৰ্য্যই সৃষ্টি কৰে
এক অপূৰ্ব সংগীত
যাৰ স্মৃতি হয় চিৰযুগমীয়া।

◈ ◈ ◈

শৰতৰ নিশা

ৰৰষা কলিতা
স্নাতক প্ৰথম ষান্মাসিক

শৰতৰ নিশাটো
কি যে ভাল লাগে
যেতিয়া চাৰিও পিনে
শেৱালীৰ সুৱাসে
বিয়পি পৰে।
আৰু ভাল লাগে
সেই নিশাটোৰ
জোনটিৰ পোহৰত
দুৱৰি বনত পৰা
মুকুতাৰ দৰে সেই
নিয়ৰৰ কণাবোৰ।

◈ ◈ ◈

জীৱন যেন এপাহি ৰক্তজৱ

অপৰ্ণা ডেকা
স্নাতক প্ৰথম ষান্মাসিক

জীৱন মোৰ এপাহি ৰক্তজবা
ৰক্ততেই জন্ম আৰু
ৰক্তই হ'ব অন্ত।
চৌদিশে চলিছে ৰক্তৰ হাট
ৰক্ত অবিহনে নাই কোনো বাট
ৰক্তই চলিছে জীৱনৰ ঘাট-প্ৰতিঘাট।
ফুলি থকা জবাটিও কলিতেই ৰঙা
প্ৰকৃতিৰ নিয়ম কাহানিও নাযায় ভঙা
ইয়াৰ অন্তিম সময়তো থাকিব সেই ৰং
নোৱাৰে সলাব গ'লেও কাৰোবাৰ মন।
সকলোৰে জীৱন অজ্ঞেয়ৰ ৰঙত সজা
অন্ত হ'ব ই এদিন হৈ এটি ৰক্তজবা।

◈ ◈ ◈

অসম

আমিছা বেগম
স্নাতক প্ৰথম ষান্মাসিক

সোণোৱালী সুন্দৰী বসুন্ধৰা
ৰূপহী অসম
ক'ত নদ-নদী বুকুৰে বাগৰে
কহুঁৱা ফুলে
কুল কুল নিজৰাৰ শব্দত
দেহ প্ৰাণ উপচি পৰে
মিচিং, গাৰো, ডিমাচা, কছাৰী
আৰু যে ক'ত জাতি
ভিন ভিন জাতিৰ সমন্বয়ৰ দেশ অসম
প্ৰকৃতিৰ লীলাভূমি।
বিহুৰ বতৰত কপৌ পাহি ফুলে
শৰতত ফুলে শেৱালি
নতুন দিগন্তক
আনো আমি আদৰি।

◈ ◈ ◈

মৰহা ফুলৰ সুবাস

ফাৰহানা বেগম
স্নাতক পঞ্চম ষান্মাসিক

হৃদয় নাভাঙিবা মোৰ...
বহুতো দুখ, বেদনাৰে আছে আৱৰি,
যদিও ভাবিছা তুমি এদিন যাম আঁতৰি
মইটো এটি মৰহি যোৱা ফুলৰ পাপৰি।
ক'ত দিন, ক'ত কাল নেওঁচি আহিছিলোঁ
হয়তো কোনোৱা এটি ৰাতিৰ জোনাক বিচাৰি
আঁউসীৰ ৰাতিয়ে জোনাক নিদিলে,
তুমি জানো দিবা এধানি।
এতিয়াও তুমি মোৰ মন ফুলনিৰ মালিনী
নাভাবিলেও সঁচা সঁচা যেন লাগে
তুমি যেন নাই দূৰণিত
কালৰ সোঁতত উটি ভাঁহি যাম
নাথাকিব একো চিন।
জন্ম-জন্মান্তৰলৈ ৰৈ যাব মাথোঁ
তোমাৰ মোৰ স্মৃতিৰ পাপৰি।



◈ ◈ ◈

এইখন মোৰ দেশ

বিতুমণি বেগম
স্নাতক চতুর্থ ষান্মাসিক

মোৰ দেশ
য'ত আছে...
নানা জাতি-উপজাতি।
আৰু বহু ভাষা-ভাষিকৰ সম্প্রদায়।
এই দেশতে জন্ম
লাচিত, কণক লতা,
আৰু মূলাগাভৰুৱ।
এই দেশতে আছে
ঐক্য, শান্তি আৰু সম্প্রিতি।
এইখনে মোৰ দেশ।

◈ ◈ ◈

বেদনা

চেহনাজ চুলতানা
স্নাতক প্রথম ষান্মাসিক

তুমি যেতিয়া নীৰৱে থাকা
মোৰ হৃদয়ত ৰাগিনী জ্বলে
তুমি কথা ক'লে
মোৰ হৃদয়ত বন্তি জ্বলে
ফুলনিৰ ফুলবোৰ দেখিলে
মোৰ ওঁঠত হাঁহি জ্বলে
তোমাৰ হাতৰ পৰশ পালে
মোৰ হৃদয়ত হেজাৰ ফুল ফুলে।

◈ ◈ ◈

এটি ফুল

নার্জিনা বেগম
স্নাতক পঞ্চম ষান্মাসিক

মোৰ জীৱনৰ যৌৱন কালত
মোৰ পদুলিৰ সন্মুখত
চাই আছিলো গোলাপ ফুল এটি
অজানিতে মোক ফুলটোৱে
আত্মহাৰা কৰিলে..
ফুলটোৱে হ'ল মোৰ জীৱন সংগী
আৰু নাই এই জগতত...
একো সংগী,
লাহে লাহে এদিন ফুলটো
মৰহি গ'ল,
মোৰ জীৱন অকলশৰীয়া হ'ল
মই ভৰাই নাছিলো
পৃথিৱী খনত জীৱন যে
ক্ষণস্থায়ী হয়,
সেই দিনাই হে মই বুজিলো
যিদিনা ফুলটো মৰহি গ'ল,
মোৰ জীৱন অকলশৰীয়া হ'ল
আৰু কাহানিও...
নাচাও নাচাও নাচাও...
এ মৰহি যোৱা এই শুকাই যোৱা
এই হৃদয়হীন ফুল,
এয়াই আছিল মোৰ
জীৱনৰ যৌৱনৰ
এটি ফুল।

◈ ◈ ◈

আমি অসমীয়া

মুর্ছিদা বেগম
স্নাতক প্রথম ষান্মাসিক

আমি অসমীয়া অসমতে থাকো
অসমীয়া ভাষা কওঁ।
ইয়াতে জন্মিছো ইয়াতে খাইছো
ইয়াৰ বায়ুকে লওঁ।
ভাৰতবর্ষৰ পূৱ প্রান্তত আমি
অসমীয়াবোৰ থাকো
মেখেলা-চাদৰ, চুৰিয়া চোলাৰে
আমাৰ শৰীৰ ঢাকো।
স্বাধীনতাত পূর্ব পুৰুষৰ
আছে যে অনেক দান
অসমীয়া বুলি কৰিছে গৌৰৱ
তেনে যে লাগিম কাম।
লাচিতৰ দৰে বীৰত্ব লাগিব
যদিহে অসমৰ হোৱা,
অহিংসা নীতি-মানিব লাগিব
আমাৰ বাপুজীয়ে কোৱা।
জ্যোতি প্রসাদৰ জ্ঞান লাগিব।
অম্বিকাগিৰীৰ বাণী
অসমীয়া বুলি কৰিবা গৌৰৱ
শংকৰ গুৰুক মানি।
আজান ফকিৰৰ জিকিৰ গাবা
ন-অসমীয়া বুলি
শংকৰ মাধৱৰ নাম ধৰিবা
সকলোৱে মিলি-জুলি।

◈ ◈ ◈

স্রোতস্বিনী

দেৱাঞ্জলী শইকীয়া
সহকাৰী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান

বৈ যোৱা তুমি নৈ হৈ,
ফেনে ফুটুকাৰে উফন্দি।
মচি যোৱা যুগ যুগৰ অৱহেলাবোৰ,
শোষণৰ দাগবোৰ,
নৰ-পিশাচৰ নখৰ আচোৰবোৰ।
সমাজৰ পায়-নাপায়, পাৰা-নোৱাৰাৰ
মাজত ফুলি উঠা সূৰুযমুখী ফুল হৈ
বৈ যোৱা বান্ধোনৰ মথাউৰি ভাঙি,
জীপাল কৰা মৰুজ ভূমি।
গোৱা মুক্তিৰ জয়গান
উদাত্ত কণ্ঠৰে।

◈ ◈ ◈

ফাগুন

ফিৰুজা বেগম
স্নাতক দ্বিতীয় ষান্মাসিক

ফাগুনৰ কথা মনলৈ আহিলে
মনত পৰে সেই জীৱনৰ
যৌৱনৰ ধুমুহাৰ কথা।
ফাগুন আহিলে যেনেকৈ
প্রকৃতিৰ ৰূপ সলনি কৰে
চৌদিশে চূর্ণ-বিচূর্ণ
ধূলিয়ৰি বাট।
ফাগুনৰ বতাহত, যিদৰে
শিমলু, পলাশ মদাৰ
হালি-জালি নাচে
মানুহৰ মনও নাচি উঠে
জীৱনৰ নতুন সন্ধানত।

◈ ◈ ◈

আশাৰ মৰীচিকা

আফিয়া চুলতানা
স্নাতক প্ৰথম ষান্মাসিক

"মই গাৱলীয়া ছোৱালী
নেজানো মই ইংৰাজী ক'ব
নেজানো ভালকৈ কথা ক'ব
কিন্তু মোৰ কাল্পনিক আশাৰ সমুদ্ৰত
সাঁতুৰি ভাল পাওঁ
মই গাৱলীয়া ছোৱালী
যান্ত্ৰিকতা মই ভাল নাপাও
কংক্ৰিটৰ হাবি মই ভাল নাপাও
পথাৰত এক আঁঠু বোকা
নৈখনৰ জিৰ জিৰ শব্দ মোৰ প্ৰিয়
মই নিবিচাৰো বিলাসীতা
মই নিবিচাৰো স্বৰ্গীয় সুখ
বিচাৰো মাথো জীৱন যাত্ৰাৰ এক সফলতা।
মোৰ ওচৰত একো নাই
মোৰ ধন নাই মই ধনী নহয়
আছে মাথো বহুতো আশা বান্ধি বখা
এটা বিশাল মন
মোৰ ঘৰত একো নাই
তাত সোণ নাই ৰূপ নাই
আছো মাথো মাৰ মৰম অতীতৰ স্মৃতি
এই পৃথিৱীৰ মই দুদিনৰ আলহী
নেজানো কেতিয়া গুছি যাম।
ভৰি দুখন মাটিত
লক্ষ্য আকাশত ৰাখি
কেৱল মাথো গৈ আছো
আৰু গৈ আছো।"

◈ ◈ ◈

বেদনা

চুস্মিতা তালুকদাৰ
স্নাতক প্ৰথম ষান্মাসিক

এদিন মুক্ত মনেৰে পাখি মেলিছিল
বেদনা বিহীন মোৰ জীৱনটোৱে
হেঁপাহৰ আকাশৰ ফালে উৰা মাৰিছিল
আশাৰ বেঙণি বিচাৰি
বহুত আশা বুকুত বান্ধি
উৰা মাৰিছিল মোৰ বেদনাবিহীন মনটোৱে
আশাৰ বেঙনিত পোহঁৰ কিৰণৰ
ছাঁ দেখা গৈছিল।
কিন্তু এজাক বলিয়া বতাহৰ
ধুমুহা জাকত উৰুৱাই নিছিল
মোৰ বেদনা বিহীন মনটো
বতাহৰ খুন্দাত বৈ গৈছিল
কাৰোবাৰ পৰা এক নিষ্ঠুৰ
ৰূপত অহা অভিশপ্ত জীৱনৰ
এক বেদনা যুক্ত মন
দুখ, স্মৃতি সকলো আছিল
এই বেদনাযুক্ত মনটোত
সকলোৱে অন্তত দি থৈ গৈছিল
কেৱল মাত্ৰ এটা
ভগা সপোনৰ ছাঁহু যাক কয়
বেদনা মাথো বেদনা।

◈ ◈ ◈

মোৰ আই

ভূমিতা কুমাৰ
স্নাতক দ্বিতীয় ষান্মাসিক

তোমাৰ বুকুত জন্ম হে মই
দেখিছো বিপ্লৱীৰ ত্যাগৰ চিন
সেই প্ৰেৰণাতেই আজি মই
মৰণ পণ কৰিছো
দেশৰ হ'কৈ জীৱন দীন দিম বুলি।
সমগ্ৰ বিশ্বৰ প্ৰথম শ্ৰেণীত
থাকিব লাগিব মোৰ দেশ।
শত-সহস্ৰ জনগণৰ তেজেৰে
উজ্বলি উঠিব মোৰ দেশ।
পদে পদে দেখিছো সপোন
মোৰ দেশৰ উজ্বল গৰিমা।
বহু ঠাই ঘুৰি ফুৰি
পুনৰ উভতিম মোৰ দেশলৈ
য'ত আছে শান্তিৰ মলয়া বা
আৰু আছে জনগনৰ মনত সাহস
নিজৰ দেশক ৰক্ষা কৰিবলৈ
ধ্বংসৰ গৰাহত নিদিও পৰিব
মোৰ অতিকে আপোন
মৰমৰ আইক।
আশা কৰিছো মৃত্যু সময়ত যেন
শুই থাকিব পাৰো
তেওঁৰেই কোলাত।

◈ ◈ ◈

মাৰ সৈনিকজন

ৰিতুমণি বেগম
স্নাতক দ্বিতীয় ষান্মাসিক

মা; তোমাৰ সপোণ
মোৰ বাবা সৈনিক হ'ব।
অ' মা মই আজি
তোমাৰ বাবা সৈনিক
সপোনৰ সৈনিকজন।
বহুত ভাল লাগিছিল মা,
বন্দুকটো হাতত থাকিয়েই
মোৰ যৌৱনটো শেষ হৈছিল মা।
তথাপিও,
মা দেশমাতৃৰ সেৱাৰ বাবে
মই আত্মহাৰা হে পৰিছিলো।
আজি মই নাই নাম,
সীমান্তত শত্ৰুপক্ষৰ গুলীত
নিহত হ'লো।
তথাপি তোমাৰ সপোনৰ
বাবা মোৰ সৈনিক
তোমাৰ গৰ্ব সদায়।

◈ ◈ ◈

দেশভক্তিৰ সোণৰ শিকলি

ভৃগু দাস
স্নাতক দ্বিতীয় ষান্মাসিক

সোণৰ শিকলীৰে বন্দি কৰিছো জোৱান তোমাক
কেতিয়াও হ'ব নোৱাৰা মুক্ত।
দেশৰ প্ৰতিটো চিন্তাৰ আঁহে আহে, কোঁহে কোঁহে
তুমিয়েই টো প্ৰতিটোপাল তেজৰ মাজত সিক্ত,
অ' মোৰ এই দেশৰ সাহসী পুত্ৰ
ৰাতিতেই যতনাই থৈছো তোৰ কাৱণে কাব্য বস্ত্ৰ,
পৰিধান কৰা আৰু যোৱা,
যোৱা তুমি যুদ্ধলৈ, সিহঁতক পৰাস্ত্ৰ কৰা
তোমাৰ এই টোপনি ময়েই ভাঙিব লাগিব
তুমিয়েই এই দেশক ৰক্ষা কৰিব লাগিব
প্ৰেমিক কন্দৰ্প কুমাৰৰ দৰে এই দেশক
প্ৰেম কৰিব লাগিব।
দৰকাৰ হ'লে আত্মীয় কুটুম্ব পাহৰিব লাগিব
তথাপিও এই দেশক ৰক্ষা কৰিব লাগিব।
তোমাৰ অন্তৰত নিহিত হৈ থকা জুইখিনিক
উলিয়াই দিয়া চোন
প্ৰতিটো আক্ৰমণকাৰীৰ বুকু থৰ্ থৰ্ কৈ কঁপিব
আৰু ক'ব
'মোক এৰি দিয়ক'
এইখন আপোনাৰ দেশ আছিল
'এইখন এতিয়াও আপোনাৰ দেশ
এইখন দেশ আপোনাৰ এ হৈ থাকিব।

◈ ◈ ◈

দেশপ্ৰেম

শিখৰজ্যোতি দাস
স্নাতক দ্বিতীয় ষান্মাসিক

দেশপ্ৰেমিক মই...
মই দেশপ্ৰেমিক।
দেশক ভাল পাওঁ মই
কিন্তু কিমান?
প্ৰশ্ন কৰো নিজক
প্ৰশ্ন কৰো মোৰ সত্ত্বাক
আজিৰ এই সন্ধিক্ষণত
দেশৰ ঐক্য ৰক্ষাৰ আজিৰ দিনত
দিৱস উদ্‌যাপন বা
এটা ধৰ্ণাই জানো প্ৰতিফলিত কৰিব
মোৰ দেশপ্ৰেমক
এটা জঙ্গী আন্দোলনে জানো সূচাব
মোৰ দেশৰ প্ৰতি থকা মোৰ প্ৰেমক?
প্ৰশ্ন কৰো নিজক
প্ৰশ্ন কৰো মোৰ সত্বাক।

◈ ◈ ◈

জীৱন

সুৱভী বৰ্মন

জীৱন যুদ্ধত সকলো মাথোঁ
দৌৰিছে আৰু দৌৰিছে।
এয়া কিহৰ দৌৰ?
পৃথিৱীৰ প্ৰাকৃতিক সৌন্দৰ্য্যই
মোহিত কৰিছে মোৰ মনটোক।
একোজল বৰষুণে জীপাল কৰিছে,
মোৰ সপোনবোৰ।
মোৰ কণমানি পৃথিৱীখনত,
নিজে নিজকে প্ৰশ্ন কৰিছোঁ।
ৰাতিপুৱাৰ হেঙুলীয়া সূর্যটোৰ,
দৰে ৰঙীণ যে মোৰ জীৱনটোও?
মাথোঁ, মনৰ ভিতৰত গুজৰি-গুমৰি
থকা কিছুমান ৰহস্যজনক কথা
এক নুবুজা সাঁথৰ হৈ ৰ'ল।
এই জীৱন কিহৰ বাবে?
যদি সকলোৰে মৃত্যু নিশ্চিত...।
তেন্তে, এই জীৱন কাৰ বাবে??

◈ ◈ ◈

চোতাল

সবিতা কলিতা

এক অবুজ শিহৰণ
আজিও শিহৰিত গা-মন।
'চোতাল'
জীৱনৰ আদিপাঠ
য'ত আছিল
আলসুৱা ল'ৰালি
শৈশৱৰ ধেমালি
পকা ধানৰ গোন্ধ
আৰু ক'ত কি?
তুলসীৰ তলৰ চাকিগছ আজিও মনত পৰে
সৰুতে যে গাইছিলো
কাতি বিহুও—
'তুলসীৰ তলে তলে মৃগ পহু চৰে।'
ককা-আইতাৰ সাধুকথা
ঢাৰিত বহি বিচনীৰ বা লৈ
গ্ৰীষ্মৰ ৰাতি
বিচাৰিছিলো নেজাল তৰাটি।
হঠাতে-
অমানিশা
ডাঙৰসকলে কয়
চোতালৰ সৌখিনি ঠাই নগচিবি
সাধুকথাও শেষ হয়।
জানানে—
আজি সকলোবোৰ কংক্রিয় হ'ল
'চোতালো' নাইকিয়া হ'ল।

◈ ◈ ◈

সান্ত্বনা

চাহনোৱাজ আহমেদ

বন্ধু তোমাৰ জীৱন বাটত
হয়তো বহুত বিপদ পাবা
হেলাৱঙে আকোঁৱালি
সিহঁতকো ল'বা।
পাবা জানো ঘূৰাই তুমি
যি হেৰুৱালা
তেনেহ'লে কিয় তুমি
দুখত ভাগি পৰা?
নাচায় ঘূৰি পিছফালে
আগফালে চোৱা
তোমাতকৈও দুৰ্ভগীয়া
আছে বহুত জনা।
তাকে ভাবি মনৰ মাজত
সান্ত্বনা ল'বা।

◈ ◈ ◈

নীৰৱ বৰষুণজাক

আৰ্জুমণি চুলতানা

সিদিনাৰ বৰষুণজাক যেন সঁচাই নীৰৱ আছিল
নিৰৱতাৰ মাজেৰে কৈ গৈছিল
বহু বহস্য....
বৰষুণৰ সেই টোপালবোৰ
টিপ্ টিপ্ টপ্ টপ্ মাতে
মৃদুকৈ বলা সেই বতাহজাকে
চুই গৈছিল হিয়া...!
সিদিনাৰ বৰষুণজাক যেন সঁচাই নীৰৱ আছিল
নিৰৱতাৰ মাজেৰে ধুই নিছিল
সকলো ভুল ধাৰণা...
আজি যেন...
পুনৰ সেই দিনটোলৈ উভতি যাব মন যায়
কল্পনাৰ ৰাজ্যত থাকিব মন যায়
বৰষুণৰ সেই টোপালবোৰ
মৃদুকৈ বলা সেই বতাহজাক
পুনৰ আকোঁৱালি ল'ব মন যায়
এতিয়া...
অপেক্ষা মাথো সিদিনাৰ বৰষুণজাকলৈ
নিৰৱতাৰে নামি আহি
দি যাৰ জীৱনত
ৰামধেনু সদৃশ ৰং।

◈ ◈ ◈



সপোন কুঁৱৰী

নিংকুমণি তালুকদাৰ

যেতিয়া অমানিশা গুছি
পোহৰ নামে
অমাৱশ্যাৰ আন্ধাৰ গুছি
পূৰ্ণিমাৰ পোহৰৰ ৰেঙনি আহে
তেতিয়াই আগনম ঘটে তোমাৰ
মোৰ সপোন কুঁৱৰী
তোমাৰ আগমনে আনে
পোহৰৰ ৰেঙনি
সপোনতো জিলিকি উঠা
দিঠকৰ পোহৰ সুঁৱৰি
সপোনৰ ৰাণী তুমি
সপোন কুঁৱৰী
সপোনৰ কুঁৱৰী তুমি
অপূৰ্ব সুন্দৰী
দিঠকত ও হ'বা নে মোৰ
জীৱনৰ অৰ্ধাঙ্গিণী
তুমিয়ে মোৰ সপোন দেশৰ
সপোনৰ কুঁৱৰী।

◈ ◈ ◈





কলম

হেলেনা খাতুন

মোৰ নাম কলম
দেখোতে মই বৰ নৰম
মোক কিনোতে খৰছ কম
মোক লৈ সকলোৱে কৰে গৰম।
মোৰ নাম কলম
মই বিছাবিছো ধৰম
মাই-দেউতাই দিয়ে জনম
মই শিকাও সকলো কৰম।
মোৰ নাম কলম
মোৰ অবিহনে অধম
মই কি কাম কৰো?
ধন্য কৰোঁ মানুহৰ জনম।

◈ ◈ ◈

জ্ঞানদাতা

ইমৰান হ'ক চৌধুৰী

জীৱনৰ ডিঙা বাই ভাগৰি পৰা নাই
যুঁজিছা সৎ সাহসেৰে।
সুৰুজৰ কিৰণ দেখি ভাহি ভাহি আহে ছবি
মমতাৰ নাই খালী ঠাই।
ত্যাগৰ মালিতা শাৰী শাৰী ফুল বছাঁ
গাঁঠিবনে আন কোনোবাই?
মমতাৰ ভাষা চাই ভাগৰি পৰো মই
এই জীৱন নহয় সৰল।
সাগৰত শলিতা জ্বলাই এন্ধাৰ মোচন কৰা
অজ্ঞানীক পথ দেখুৱাই।
স্বাৰ্থক জোখা দেকো তুলাচনী নাই তাত
দেখোঁ মাথো দুয়োফালে সমতুল।
ধুমুহা আহিছে উটি ভাঁহি যোৱা
নাই ধৈর্যৰ পৰিসীমা মই কেনেকৈ বর্ণাও।
মৰতত গুচি যোৱা হাঁহি হাঁহি সব ঠাই
পাৰিবনে আন কোনোবাই?
জ্ঞানদাতা তুমিয়ে তুমিয়েটো ঈশ্বৰ
তোমাক কৰোঁ মই শত শত প্রণাম।

◈ ◈ ◈



ফাগুনৰ ৰঙে কি আনে

কিশোৰ কলিতা

ফাগুনৰ ৰঙে আনে,
জীৱনৰ আশাৰ বতৰা।
ফাগুনৰ ৰঙে আনে,
স্মৃতিৰ প্ৰৱল বতৰা।
জীৱনৰ সেই ৰং বিৰঙীৰ দিনবোৰ,
ফাগুনৰ ৰঙৰ সমতলীয়া।
সকলোফালেই যেন বিয়পি আছে,
মধু লগনৰ আশাৰ বতৰা।
পছোৱা বতাহৰ প্ৰৱাহে,
মন আমনি কৰে।
সেই বতাহৰ প্ৰৱাহে
পৃথিৱীক জীৱন্ত কৰে।
জীৱন যুদ্ধৰ সমভাগী হৈ,
ফাগুনৰ ৰঙে সমনীয়া।
পৃথিৱীৰ চকুলো জীপাল হৈ,
আনে স্মৃতিৰ বতৰা।
ফাগুনে আনে প্ৰেমৰ বতৰা,
জীৱনৰ মধু লগনত।
ফাগুনে আনে আশাৰ বতৰা,
জীৱনৰ সুন্দৰ লগনত।

◈ ◈ ◈

ফাগুন

জিতুল কোঁৱৰ

ফাগুন নহয় এটি মাথো শব্দ,
ফাগুন এক অনুভৱ,
ফাগুন এক জীয়াই থকা স্মৃতি,
আৰু এই ফাগুনৰ ৰং,
এই ৰঙেই জীপাল কৰে জীৱন!
যেনেকৈ শীতৰ প্ৰথমজাক
অনিমন্ত্রিত বৰষুণে নমাই আনে
হাজাৰ ভাল লগা স্মৃতি,
ঠিক তেনেকৈ এই ফাগুনেও
জীপাল কৰে জীৱনৰ স্মৃতি
প্ৰতিটো নষ্টালজিক অনুভৱৰ আঁৰত
থকা যেন এটি মিঠা হাঁহি এই
ফাগুনৰ ৰং!!



ফাগুনৰ স্মৃতি

মনোৰাৰ হুছেইন

সৰুতে খেলিছিলো খেল,
ফাগুনৰ ৰংৰ লগত।
নাজানো আজি সেই ৰং বোৰ
ক'লৈ গ'ল,
ক'ত বিচাৰি পাম আৰু।
নাজানো ল'ৰালি কালৰ সেই
অমিয়া দিনবোৰ
ক'লৈ গ'ল,
ক'ত বিচাৰি পাম আৰু।
বিচাৰিলো যদিও বিচাৰি নাপালো,
মাত্ৰ স্মৰণহে কৰিব পাৰিলো
দুখ মনে উভতি আহিলো।
শেষত ফাগুনৰ ৰঙবোৰ
অনুসৰণহে কৰিলোঁ।

◈ ◈ ◈

ফাগুনৰ ৰং বলিয়া এজাক বতাহ

চিত্তৰঞ্জন কলিতা

এজাক বতাহ...
ফাগুনৰ ৰং বলিয়া এজাক বতাহ
হঠাৎ নামি আহিল
মোৰ জীৱনলৈ।
মোৰ হৃদয়ত ৰং সানি দিলে
মই গমেই নাপালো
মোৰ হৃদয়ত সপোনেৰে সজাই তুলিলে
মই চাই থাকোতেই গ'ল।
মই ভাবিলো
বতাহজাকে যেন
মোৰ জীৱনক কিবা এটা দিলে
অনুভৱৰ এমোকোশ হাঁহি
উপহাৰ দিলে।
কিন্তু এতিয়া...
এতিয়া ৰং বলিয়া
সেই বতাহজাক নাই
মোৰ হৃদয়ত
মোৰ জীৱনত
এতিয়া হেৰাই গ'ল
বতাহজাকৰ
বাৰেৰণীয়া ৰংবোৰ
এতিয়া হেৰাই গ'ল
মোৰ
উন্মুক্ত হৃদয়ৰ গভীৰ বেদনা
এতিয়া মই
ফাগুনৰ ৰং বিচাৰি ফুৰা
এজন ৰুদ্ধ পথিক
দিন ৰাতি একাকাৰ কৰি ফুৰা
ৰং বলিয়া বতাহজাকৰ প্ৰেমিক।

◈ ◈ ◈

ফাগুনৰ ৰং

অলিভা কলিতা

ফাগুন, অ' ফাগুন
তই আহিলি যে!
জান তই, মই তোলৈ বাট চাই
আছিলো!
সেই পছোৱাজাক,
মই যে তালৈ এ ৰৈ আছিলো।
সেই ৰঙা শিমলু জোপা যে
প্ৰভাতী সূৰযৰ দৰে সেন্দুৰীয়া হৈ পৰিছে,
শুই থকা ধৰিত্ৰী আইক,
তই জ্বলাই দিলি!
ফাগুন, মাজে মাজে ভাৰ হয়
তই বৰ দুষ্ট।
তোৰ পছোৱা বাৰ আঘাতত ভাঙি
যায় ক'ত মানুহৰ সপোনৰ ঘৰখন,
তথাপিও ফাগুন তোৰ ৰং যে
কিবা অনন্য!
অ' অনন্য!
ফাগুন তই মোৰ বৰ প্ৰিয়।

◈ ◈ ◈

তোমাৰ অপেক্ষাত

জিন্তী মালাকাৰ
তৃতীয় ষান্মাসিক

যদি কেতিয়াবা লগ পাঁও তোমাক
মোৰ জীৱন বাটত
তেতিয়াও কম মোৰ বেদনা বিভোৰ হৃদয়ৰ কথা
তোমাক হেঁচুৱাই কিদৰে দীয়াই আছোঁ
এবাৰ নুসুধিলা তুমি?
নীৰৱতাৰ বুকুত সাৰটি
সোঁৱৰণীক সংগী বিচাৰি ফুৰোঁ
হেৰোৱা সপোনৰ বস্তি!
কাৰণ তুমিয়ে মোৰ যৌৱনত প্ৰেমৰ সপোন
মোৰ হৃদয়ৰ সাগৰখন চোন
তুমিয়ে সৃষ্টি কৰিছিলা
হৃদয়ৰ কঠিয়াতলীত সিঁচি দিছিলা
আশা আৰু সপোনৰ বীজ
স্মৃতিৰ দলিচাত পাৰি থোৱা আছে
মাথো মৰহা সপোনৰ পাহি।
মোৰ হৃদয়ে তোমাক বুজি পোৱাৰ আগতে
তুমিয়েচোন আঁতৰি গ'লা।
মোৰ হৃদয়ে এতিয়াও মাথোঁ তোমাক বিচাৰে
মই যে এতিয়াও তোমাৰ অপেক্ষাত।

◈ ◈ ◈



SUREN DAS COLLEGE LIBRARY
Estd.....
Date.....
HAJO : KAMRUP

ব'হাগ, তুমি অনন্যা

হেলেনা খাতুন
দ্বাদশ শ্ৰেণী

হে ব'হাগ,
ৰূপে-গুণে তুমি তুলনাবিহীন।
তুমি কন্যা নে গাভৰু?
জীয়ৰী নে বোৱাৰী?
নে, গছৰ ডালৰ কোমল কুঁহিপাত?
শুনা পাওঁ তোমাতেই কুলিৰ মাত।
ঢুলীয়াৰ ঢোলৰ মাতেৰে
নাচনীৰ গগনা সুৰেৰে
তোমাক শুৱনি কৰে ব'হাগ
তোমাক শুৱনি কৰে ব'হাগ।

◈ ◈ ◈

এক মহান শিক্ষানুষ্ঠান
সুৰেন দাস মহাবিদ্যালয়

হেলেনা খাতুন
দ্বাদশ শ্রেণী

১৯৭৯ চনত স্থাপিত আমাৰ মহাবিদ্যালয়খনি
উজলি থাকিব সদায় শিক্ষা-দীক্ষাৰে ভৰপূৰ
ৰাখিম মহাবিদ্যালয়ৰ নাম
সদায় সত্য পথৰ সন্ধান বিচাৰি যাম।
শ্রদ্ধা নিবেদিছোঁ সেই সকল মহান ব্যক্তিলৈ
যাৰ ত্যাগৰ ফলত স্থাপিত হৈ উঠিল
এই মহান শিক্ষানুষ্ঠান।
কিমান যে ধুনীয়া মহাবিদ্যালয়ৰ পৰিৱেশ
নকৈ নোৱাৰি থাকিব
জীৱনত নোৱাৰিম সঁচাকৈ পাহৰিব।
বহুত কষ্টৰে শিক্ষা দিয়ে
আমাৰ শ্রদ্ধাৰ শিক্ষাগুৰুসকলে
অশেষ কষ্ট কৰে তেখেতসকলে
আমাৰ ভৰিষ্যত জীৱনটো উজ্বলাই তুলিবলে
হে মহান শিক্ষাগুৰুসকল
আমাক লাগে আপোনালোকৰ
দিহা-পৰামর্শ আৰু আশীর্বাদ
আমি যেন জীৱনৰ সঠিক পথ বিচাৰি পাওঁ।
ভগৱানৰ ওচৰত প্রার্থনা কৰিছোঁ
মহাবিদ্যালয়খনক লৈ মনত বহুত সপোন ৰচিছোঁ
সকলো সপোন দিঠকত পৰিণত কৰিবলৈ
পৰম পিতাৰ ওচৰত প্রণিপাত জনাইছোঁ।
কিদৰে ৰাখিম এই মহান শিক্ষানুষ্ঠানৰ নাম
কৈ শেষ কৰিব নোৱাৰো
এই বিদ্যালয়ৰ জয়গান।
সাংস্কৃতিক দিশটো উজ্বলি থাকিব
গীত-মাত, খেল-ধেমালিৰে
এই শিক্ষানুষ্ঠান হৈ থাকিব আগৰণুৱা
শান্তি-সম্প্রীতি, একতাৰ বান্ধোনেৰে হওঁক পৰিপূর্ণ।

◈ ◈ ◈

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱমহোৎসৱৰ (কেন্দ্রীয় মণ্ডল) সাহিত্য শাখাৰদ্বাৰা সুৰেন দাস মহাবিদ্যালয়ত ২০১৮-২০১৯ বর্ষত অনুষ্ঠিত কৰা স্বৰচিত কবিতা প্রতিযোগিতাৰ নির্বাচিত কবিতাসমূহ —

বসন্তৰ ৰং

লক্ষ্যজিৎ বৰুৱা
ষষ্ঠ ষান্মাসিক
কর্মশ্রী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়

(১)

কপৌ-তগৰৰ গোন্ধত নাছি উঠা বতাহজাকৰ ছন্দত
কাকতালীয় সময় এটাই দেও দি দি যায়
চেনাই ওঁঠৰ সুহৰিত
কোন পাট গাভৰুৰ বুকুৰ আৰেগেৰে দুকুল টকাত
সংজ্ঞা হেৰুৱায়!
কুলি-কেতেকীৰ গীতৰ শৰাইত
শতিকা পুৰণি বিষাদবোৰে কেনি পলায়?

(২)

আইৰ হাতত ঘৰখনি ৰমকজমকায়,
পিতাইৰ ওহোমা দেহত তেজৰ নতুন খৰস্রোতা বৈ যায়,
তেওঁৰ তাঁতৰ চানেকীত
ভালপোৱাৰ ফুল-আঁচুবোৰ জিকমিকায়
উদাস আকাশেদি নামি অহা ভালপোৱাৰ কেঁকুৰিত
পৃথিৱীয়ে কাকনো ন-সাজেৰে সাজিকাঁচি চায়...।

(৩)

আই তাই কয়—
এইহেন বুকু জুৰোৱা বতৰত
তই জানো নিলগে থাকিব পায়?
আৰু আইতাই হয়তু জনা নাই
বসন্তৰ ৰঙে আজীৱন যে মোৰ তেজত
তগবগায়।

(৪)

তেওঁ মনত কৰিলেই,
আই পিতাইৰ চিঠি পালেই
অসামঞ্জস্য সুখৰ ভাৱনাত
মইটোৰ ঠিকনা হেৰায়...
ভনীজনীয়ে চিঠিত কৈ পঠায়
"এইবাৰ বিহুত আহিলে মোলৈ বসন্তৰঙী
সাঁজ এযোৰ আনিবিদেই ককাই..."
— এইবোৰ অবিহনে মইটোৱেচোন
এই কংক্রিটৰ অৰণ্যখনত
বসন্তৰ আন ৰংবোৰ বিচাৰি নাপায়...।



◈ ◈ ◈

বসন্তৰ ৰং

বিপুল গোস্বামী
গুৱাহাটী কমার্চ কলেজ

(১) চিপ চিপ ৰৱষুণ!
মোৰ গাঁৱৰ শুকান পথাৰখন জিলিকি উঠিছে
সৃষ্টিৰ প্ৰথম কিৰণত!
শ্যামৱৰণীয়া ধাননিৰ কুঁহিপাত
আমালৈ আগমণি বসন্তৰ বতৰা হৈ আহিছে।
(২) ঘৰ্মাক্ত আবেলিৰ ছাঁত হাবুডুবু খোৱা
মোৰ পিতাইৰ বাৰীৰ পাছফালৰ খেতিডৱা
চাই মই কওঁ—
বসন্তই ধৰাৰ বুকুত আহি হাত থ'লেহি।
(৩) অথবা—
তাইৰ লাৱনি হাতত দুপাহি গোলাপ
মানেও বুজিব পাৰোঁ
মোৰ বসন্তৰ আগলি বতৰা।
(৪) পিতায়ে যেনি খেতিডৱালৈ চায়
মুখত বিৰিঙা প্ৰত্যেকটো হাঁহিৰ থুনুকে
মোক সুখ চৰাইৰ উপলব্ধি কৰায়।
(৫) প্ৰেমো তেনেকুৱাই!
মই ভৱা একোটা গানৰ আৰম্ভণিয়ে
তাইৰ হৃদয়ৰ প্ৰত্যেক খৰিকাজাইত লিখা থাকে
প্ৰেমবেলিৰ সোণোৱালী উশাহ!
(৬) বিজুলীৰ গুণগুণনিবোৰ...
পিতাইৰ পদুলিমুখত আউলি থকা
সতেজ গছজোপা লহপহকৈ বাঢ়ি গৈছে!
অথবা
কিবা এটা বাংময় বসন্ত!

◈ ◈ ◈

বসন্তৰ ৰং

ভাস্কৰ বৰুৱা
কে. চি. দাস কমার্চ কলেজ

চিনাকী আকাশখন আজি অচিনাকী হ'ব ধৰিছে,
অভিমানী ডাৱৰবোৰৰ মাজেৰে ধাৰাসাৰ ৰৱষুণ নামিছে।
এজাক প্ৰচণ্ড বতাহে কোবাই গৈছে চৌপাশ,
কুলিৰ সুললিত কণ্ঠৰ সুৱাসত
গছবোৰেও পিন্ধিছে নতুন আৱৰণ।
আৰু এইদৰেই ক্ৰমান্বয়ে ধৰাৰ বুকুলৈ নামিব ধৰিছে,
প্ৰকৃতিৰ অন্য এক ৰূপ
নাম যাৰ বসন্ত।
শীতৰ শেষত আহিল বসন্ত,
উপচি পৰিল দেশ দেশান্তৰ।
ডাকিনী যোগিনী সবে উন্মাদিনী
আৰু যত জীৱ এই মৰতৰ।
কাৰ জীয়ৰী যৌৱন উজাৰি
কিয় বিলালি প্ৰেমৰ ধাৰা?
সুখতে বিভোৰ প্ৰকৃতি মোৰ
তোৰ প্ৰেমতেই আত্মহাৰা।
ধৰে গছে পাত পক্ষী মাতে মাত
তোৰেই প্ৰেমতে মচগুল
তোৰ আগমনত হৈ বিয়াকূল
ফুলে নানাৰঙী নানা ফুল।
বসন্ত, তই জীয়াই থাক এনেদৰেই
ৰঙৰ প্ৰতীক হৈ
প্ৰীতিৰ সুৱাস হৈ
আৰু দুখন হৃদয়ৰ মাজৰ এখন সাঁকো হৈ।

◈ ◈ ◈

হায় মোৰ বসন্ত

অংকিতা গোস্বামী
বি. ৰৱৱা কলেজ

ধুমুহাজাকৰ পিছতেই কপৌফুলীয়া
ৰাটটোৰেদি তোমাৰ আগমন
ঢোল পেঁপাৰ ছন্দত আঁতৰে আমাৰ
লাজৰ আৱৰণ
বসন্ত গৰকা সপোনৰ এয়া নতুন জাগৰণ।
জীৱনৰ ৰংবোৰো ফাগুনৰ দৰেই আৰম্ভ হৈছিল
ধূলিবোৰ যেনিয়ে তেনিয়ে লিপিট খাই পৰিছিল।
পৰিৱৰ্তন...
হঠাতে ৰৱদৈচিলাই ৰংবোৰ মচি পেলালে
ঠিক মানুহৰ দৰে
ব্লেক এণ্ড হোৱাইট ফ্লেচবেকত থকা
ফাগুনৰ ৰংবোৰে বসন্তৰ ৰং হৈ
লুকাভাকু খেলিলে।
যৌৱনপ্ৰাপ্ত বসন্তৰ বুকুত এয়া ৰঙৰ উৎসৱ
কুলি-কেতেকীৰ মুখত বসন্তৰ গান...
ৰং ৰং ৰং নানা ৰং
বসন্তৰ ৰঙত আছে আমাৰ জীৱনৰ ৰং
আনন্দ
সমন্বয়
বান্ধোন
একতাৰ ৰং
এয়াই যে নৱজীৱনৰ ৰং।

বসন্তৰ বিপন্ন সময়...
ৰং ৰং ৰং ৰঙা ৰং
বসন্তৰ ৰঙত আছে তেজৰেই ৰং
চৌপাশে মৃত মানুহৰ তেজৰ ৰং
বসন্তৰ গোন্ধত তেজ
ৰৱদৈচিলাত তেজ
কপৌফুলত তেজ
নাহৰজোপাত তেজ
জেতুকাৰ ৰঙতো তেজ
হায়! মোৰ বসন্ত
ৰঙৰ সুৱাসত বুৰ গৈ থাকোতেই
পাহৰিলি তই তোৰ অস্তিত্ব
হায়! মোৰ বসন্ত।

◈ ◈ ◈

চিৰস্থায়ী বসন্তৰ হেজাৰ ৰং

কিন্নৰী ডেকা
চতুর্থ ষান্মাসিক
সন্দিকৈ ছোৱালী মহাবিদ্যালয়

(১)
অৱশেষত অতিষ্ঠ হৈ তেওঁ আঁতৰি গৈছিল
যিদিনা, আম গছজোপাৰ পৰা ভাঁহি অহা
কুলিৰ মাতত মই অতিষ্ঠ হৈ গৈছিলো।
মোৰ দৰে মানুহে, জীৱনৰ ৰং নুবুজে যি
তেওঁ বুজিব নোৱাৰে বসন্ত ঋতুৰ ৰঙৰ কথা,
এয়া তেওঁৰ দৃঢ়বিশ্বাস। তেওঁ হয়তো শুদ্ধ।
পৃথিৱীৰ অইন মানুহবোৰৰ দৰে, তেওঁৰ দৰে
মই এজন সুস্থ মানুহ নহয়।
সুস্থ মানুহবোৰে বিশ্বাস কৰে
নির্দিষ্ট অনুভূতি আৰু নির্দিষ্ট ঋতুৰ
আগমনৰ থাকে নির্দিষ্ট ধৰা-বন্ধা নিয়ম।
অথচ মই বিশ্বাস কৰো
চিৰস্থায়ী অনুভূতি আৰু চিৰস্থায়ী ঋতুত,
সময়ৰ বান্ধোনৰ বিপৰীতে।
আৰু সেয়েহে সেইদিনা তেওঁ আঁতৰি গৈছিল
এটা প্ৰেমৰ কবিতা লিখিব নোৱাৰি, যিদিনা
তুলি দিছিলো তেওঁৰ হাতত শূণ্যতাবোৰ।

(২)
যোৱানিশা ৰৱদৈচিলা আহিছিল,
মোৰ বেৰৰ ঘৰটোৰ টিংবোৰ উৰুৱাই নিছিল,
নামি আহিছিল মূষলধাৰ ৰৱষুণ সেই সুৰুঙাৰে
ভিজাই পেলাইছিল পিতাই শোৱা আধাভঙা শেতেলীৰ তুলি
আৰু এতিয়া ৰাতিপুৱা
ঘৰৰ বাহিৰত বতৰ ফৰকাল। ৰৱষুণ নাই। নাই ধুমুহা।
আছে মাথো কিছু ৰং...
ডাৱৰবিহীন আকাশৰ নীলা, গছৰ কুঁহিপাতৰ সেউজীয়া
আৰু লাহে লাহে বিৰিঙি অহা এচেৰেঙা ৰ'দৰ
সোণ ৰৱণীয়া ৰং। একেদৰে,
ঘৰৰ ভিতৰছোৱাত দেখিছিলো বোকাপানী,
বাঁহপাতৰ শুকান ৰং।
ইমানবোৰ ৰঙৰ মাজত বসন্তৰ ৰং বিচাৰি
হাবাথুৰি খালো!
মোৰ বিশ্বাস...
ভগা পজাই নিগৰোৱা মোৰ আইৰ চকুলো
বসন্তৰ ৰং নহয়! হ'ব নোৱাৰে।

(৩)
দূৰৈৰ পৰা ভাঁহি আহিছে ঢোলৰ মাত
বিহুৰ আখৰালৈ বুলি সৌৱা ৰাঙলী আৰু চাল্‌মা
পিছে পিছে দেখিলো এমুঠি ৰং,
ৰহিমলাৰ ঘৰলৈ ৰেজবিনা আহিছিল
বিহুৰ বাবে চাউল খুন্দিবলৈ। খুন্দি নিয়া দেখিলো
এখৰাহি ৰং।
নৈৰ দুয়োপাৰৰ গাঁও দুখনৰ কাজিয়াখন শেষ হ'ল
ৰাইজে হেনো মিলাপ্ৰীতিয়েই শেষ ধৰ্ম বুলি কৈছে।
নৈৰ পানীখিনিতো এমোকোৰা ৰং।
টিং নোহোৱা মোৰ ঘৰটোৰ টিংবোৰ লগাই লগাই
পিতায়ে আইক কোৱা শুনিলো,
যোৱাৰাতিৰ ৰৱষুণজাকত কৃষকৰ মংগল হ'ল।
পিতাইৰ হাঁহিত সৰি পৰিল মোৰ বুকুভৰা ৰং।
মই বুজিলো, এইবোৰেই বসন্তৰ ৰং।

(৪)
তেওঁ কোৱাৰ সময়ত নোৱাৰিলেও, তেওঁৰ অজ্ঞাতে লিখিছো
বহু প্ৰেমসনা কবিতা। বসন্ত প্ৰেমৰ ৰং।
তেওঁ নিজেই কৈছিল। অথচ বুজিবলৈ ব্যর্থ,
প্ৰেম ঋতু সাপেক্ষে নাহে।
ঋতুওঁটো স্বয়ং নাহে ঋতু সাপেক্ষে, নাইবা
ডিচেম্বৰৰ শীতত ফুটপাথত কঁপি থকা শিশু দেখি
তেওঁৰ বুকু কঁপি উঠা নেদেখিলোহেঁতেন।

(৫)
হে ঋতু বসন্তৰ প্ৰেমিক,
মই আপোনাৰ বাবে লিখিব নোৱাৰিম
বসন্তৰ ৰংসনা প্ৰেমময় কবিতা।
আপোনাক বা পৃথিৱীক ভাল পাবলৈ
মোক ঋতুৰ প্ৰয়োজন নাই।
যিদৰে বসন্তই প্ৰয়োজনবোধ নকৰে, ঋতুমতে অহাৰ
যিদৰে বসন্তই প্ৰয়োজনবোধ নকৰে
নির্দিষ্ট ৰং ধাৰণ কৰাৰ...
বসন্তৰ প্ৰকৃত ৰং কি?
ৰঙা, নীলা, হালধীয়া নে অইন কিবা?
বিচাৰিব পাৰিলে মোকো জনাব
তেতিয়ালৈ মই লিখি যাম।
সামাজিক জীৱনত বিয়পি থকা
চিৰস্থায়ী বসন্তৰ হেজাৰ ৰঙৰ কথা।

◈ ◈ ◈

VASANT K RANG

Trisha Paul
Arya Vidyapith College

Jab baaghion pe jha jaye peela rang,
Hawaion k saath aayein bheeri tarang
Samajh lena vasant aya hain.

Jab ek ho aatma aur par-aatma,
Jaha tamasha ka ho khatma,
Samajh lena, vasant aya hain.

Jab aasman pe jha jaye noor,
Mausam pe thrah jaye fitoor,
Samajh lena vasant aya hain.

Jab perion ki shikhayein jhule,
Aur dalion par pare jhule,
Samajh lena vasant aya hain.

Jab koyel lage amrit si boli lagane,
Lage sehed si mitthi dhun sunane,
Samajh lena vasant aya hain.

Jab per nayi posakh banwale,
Haraye ban ke matwale,
Samajh lena, wahi vasant aya hain.
Bus wahi vasant aya hain.

◈ ◈ ◈

বসন্তৰ ৰং

মাহমুদুল হাচান

সেৱেঙা লগা জাঁৱত মুখখনি লুকুৱাই
আকাশে যেতিয়া চিঞৰিছিল
অসহ্য যন্ত্ৰণাত,
তুমি শুনিছিলানে সখী
শূণ্যতাত আলোড়িত
সেই শকৰুণ আৰ্তনাদ?

ৱৈ ৱৈ সাগৰলৈ
নৈখনে যেতিয়া কান্দিছিল
ধূসৰ বাটৰ ছৰি চাই,
দেখিছিলানে তুমি চিলা উৰা আকাশত
শিশুৰোৱৰ শংকিত প্ৰাণ?

সেউজীয়া ভালপোৱা কোনো কবিৰ কাপেৰে
নিগৰিছিলনে কোনোবাদিনা
সুখময় 'ইলিয়াড' (হোমাৰৰ এখন মহাকাব্য),
যদিওবা তেওঁ নহয় হোমাৰ?

আৰু এতিয়া...
এতিয়া আকাশত বিজয় উৎসৱ।
আকাশত এতিয়া শিমলুৰ জুই
পলাশ-মদাৰৰ উতলা যৌৱন।
হালধীয়া চামনি মচি চাব পাৰা যদি,
দেখিবা গোটেই মেদিনী আজি
সেউজীয়া ৰঙাতল।
আঁহতৰ ডালে ডালে
জীৱনৰ নতুন গুঞ্জন।
অটব্য অৰণ্যবোৰতো
সৰাপাতৰ সুৰীয়া সংগম।

যোৱানিশা আমাৰ আকাশেৰে
পাৰ হৈ গ'ল বৰদৈচিলাজনী
মাকৰ ঘৰলৈ।
আয়ে পাৰি দিয়া আইনা-ৰঙপীৰা
এতিয়াও চোতালতে দিছো থৈ।
আকাশ চুব খোজা মনবোৰত
ডেউকা লগাই
শিশুবোৰে এতিয়া উৰুৱাইছে
নিজৰেই সপোন জীৱনৰ।
ৰ'হাগলে আৰুনো কিমান দিন!
তাঁতৰ পাততে চলিছে
আইৰ দুৰ্জেয় মহাৰণ।
বিয়াকূল হৈ কেতেকীৰ সু�ৰভিত
কপৌপাহো ফুলিছে পদুলিমুখত
নতুন উছাহত।

কুলিৰ লাজুকী গীতে চেনেহীৰ যৌৱনক ছাগে
ৰঙকৈ আমি কৰিছে।
ঢোল-পেঁপাৰ অমিয়া মাততে
কঁপিছে আমাৰ মন আঁহতৰ পাত।

শুনিছা সখী!
বিবর্ণ ধৰণীত এয়া
নতুনৰ অমিয়া ঝংকাৰ।
মন, মাটি, মানুহৰ বুকুয়ে বুকুয়ে
বসন্তৰ ৰঙীণ সংবাদ।
বসন্তৰ ৰঙীণ সংবাদ।

◈ ◈ ◈

ENGLISH SECTION



INCULCATION OF VALUE EDUCATION AMONG ADOLESCENTS

Dr. Papari Deka Choudhury
Assistant Professor
Dept. of Education
Suren Das College Hajo

Value means primarily to prize, to esteem, to appraise, to estimate, it means the act of cherishing something, holding it dear and also the act of passing judgment upon the nature and amounts of values as compared with something else. A value stands for ideas men that he/she live for. They are the part and parcel of the philosophy of a nation and hat of its educational system. They are the guiding principle of life. Values are the norms of behavior which have been evolved during the course of time in the social, moral and spiritual fields. It refers to the ideals various acts of behavior. Values are considered to be organizing factors with in personality and especially important to moral character. Life with values is always meaningful. Philosophically speaking, a human being supposed to conduct himself and shape his/her life patterns by integrating his beliefs, ideas and attitudes. Values are those standards or codes of moral behavior conditioned by one's cultural tenants and guided by his/her consciences. Thus, to be good in all qualities can be taken as the only criterion for values.

From psychological point of view, value is associated with the feeling aspect of behavior. It means that receiving knowledge about the value is not enough; it is necessary that it must be integrated into the personality of an individual so that it may be characterized. Thus as the individual grows he learns from his/her experience behaviors. These guides which tend to give direction to life may be called values.

Values are very important for living in the society. Activities which are considered to be useful and desirable from the social and cultural point of view are called valuable. Values are therefore norms of behavior, habits and attitudes and stands for the ideals of a happy and contended life. Values are concerned with what people believe in, and what are good for the individuals and society. In the age of rapid social change and influenced by technology, there appear value crises in the society. Some values seem to die, some submerging into others, some new have immerged and some new ones are gaining credibility. In this situation education plays a vital role in making an adjustable society.

Need of value education among adolescents:

Our society has been the erosion of social and moral values in the younger generation as a result there has been a rise in social and moral conflict in society. Value education has been extremely necessary in the context of today as it is only positive

intervention to counter the erosion of value in the society. With the rapid scientific growth and technological development resulting in industrialization has threatened the old moral standard values in the society as today's human being has become more materialistic and thereby lost its gravity to differentiate the right and wrong ,good and bad.

In order to lead a superlative life it is very important to have value education as it refined human behavior. Eternal and universal values like truth, love, beauty, respect for all religions and respect for dignity of labor help to develop human personality and live a contended life. Absence of social and moral values creates many social and ethical problems.

Value education is a powerful tool to cultivate social and moral values in an adolescent as adolescence is a transitional period so value education helps to develop a balance personality. It develops the qualities like respect for one another, cooperation, sacrifice, mutual understanding. It promotes social efficiency among adolescents and inculcates good habits and develops cultural value. Value education needed among adolescents to teach the skill for living in the materialistic society as modern world is in the grip of materialistic values like money, property, land or other kind of wealth etc. So value education is more relevance in the need of hour. Without values, life becomes a series of meaningless events.

Adolescence is a transitional period from childhood to adulthood where individual faces many difficulties. Because the individual's physical, mental, social, moral and spiritual outlooks undergo revolutionary changes in this stage. The changes are due to development within the adolescents himself and to demands placed upon him by culture in which he lives his social concepts and their manipulation them within the larger context of rights and duties. So to lead their life in organizing and socially acceptable manner a reappraisal value education is utmost important.

Value education means inculcating a sense of humanism, a deep concern for the wellbeing of other of others and the nation among children. It is the training of the heart and mind. It enables the children to understand by giving values and virtues. Through value education we like to develop the social, moral, aesthetic and spiritual sides of a person which are often undermined in formal education. Value education teaches us to preserve whatever is good and worthwhile in what was inherited from our culture. It helps us to accept respect, the attitude and behavior of those who differ from us. Value education helps oneself and one's relation to society.

Value inculcation serve s a general indicator of the orientation of interests, needs, personal requirements and position in society and level of spiritual development. The path and perspectives of development of a society depend on the values formed among adolescents today and their level of awareness for the new changes in social relations. So, the perception in the way of forming of values and the profile of values of adolescents needs helps for those who plan and realize the educational politics so as they can properly determine the goal of teaching and education and realize them successfully.

Role of education in formation and implementation of values among adolescents:

Education is one of the important sources of inculcating values among adolescents to equip for lead a life in accordance with esteem value and ideals of the society. Philosophers, spiritual leaders and educationist of our country all in various ways have emphasize the role of education for character development, bringing out the latent potentialities and inherent personality for wellbeing of the individual and the society at large. Education is a systematic attempt towards human learning. Good education is in essence a process of developing human personality in all its dimension- intellectual, physical, social, ethical and moral. Value orientation is integral to all stages of upbringing, formal education, interaction between individuals and social groups. That's why education is an essential requirement, an integral point of education as values are inseparable from life of the individual, the aims of education, content of education and methodology of education is viewed in terms of value development. Human development cannot be conceived in the absence of values. Education aims at growth or development both intellectual and mental.

Education is the process of developing a desirable from of thinking and ability to deal with issues related to values. It is also important that value education is not a separated domain but are inter connected and interrelated as it creates and inbuilt ethics within an individual which is also one of the essence of life. Today's society is a web of relationship and responsibilities, education empowers individual to handle the complex relationship and take responsibilities. Quality education equips individuals to live creatively, responsibly and peacefully in a society and become agents of change for a better society. Adolescence is the period of rapid development so value education should be imparted in such a manner that they should be gain in achieving good qualities and thereby becoming a cultured human being in the society. Sense of freedom, equality, fraternity and social justice can be promote among adolescents through education. As adolescents is a period of change, in this context education is not only to impart information and to teach skills but also inculcate the values of humanism, liberty, socialism, secularism and integrity between every individuals living in the society.

Mode of inculcating value education among adolescents :

Adolescents are the future of tomorrow so lake of values especially among is important section of society is a serious issue. It is responsibility of parents, teachers, social authority in create a value based society.

Value education can be imparted in schools and colleges through various curricular and curricular activities. General education only aims at training in the cognitive and intellectual aspects of experience the growing individuals. It does not aim at training in the feeling aspects of mind and behavior. To develop the value in the mind of young learner various kinds of program can be organized like-

Activity programme to develop values in school situation :

- Community prayer in the educational institution
- Community performance in the school

situation

- Community service programme
- Social service programme
- Social service programme in fairs and festivals.
- First aid programmes
- Celebration of National festivals and national and international days.
- Organizing and practicing the different plays and athletics activites.
- Organizing of school panchayat, union society, co-operative etc.
- Emphasis should be laid on the unity of all religious, harmony among different communities and National integration. Awareness can be developed through talks, debate and symposium etc.
- Classroom learning activities with the help of biographies, stories, articles, classics newspaper etc.
- To give some personal examples. Teacher should set examples of good conduct and behavior through which students can gather lessons of good values.

The most important aspects of the program is that the teacher should set some examples of good conduct and behavior before the students so that students are able to imitate them and form their behavior according to such examples,

National Council of Education Research and Training (NCERT) have published a list on value-oriented education for school situation. It includes the following dimensions-

- To understand the rights and duties of citizenship as envisaged in the Indian Constitution.
- To realize the importance of mortality that is essential for the stability and progress of the society. It includes the norms of conduct such as respect and obedience, affection and consideration for others, discipline and civic sense, honesty in work and dealing with others, co-operation and observance of proper manner.
- To understand the criteria which make an action moral that is related to social aspects.
- To practice practices values such as courage, truth, universal love, dignity of manual labour, service, cleanliness, purity, courtesy, peace and joy.

NCERT (National Council of Educational Research and Training) suggested the following activities that would evoke or influence the value development among the students in school:

- Community prayer programmes
- Health and cleanliness activities
- Classroom teaching
- Productive manual work oriented programmes
- Activities for training in citizenship and other cultural and recreational activities and social service activities.

Recommendation of commission, government policies and documents of value education:

The secondary commission 1952-53 laid special emphasis on the following values in the formation of character of the students:

- Efficiency
- Integrity
- Discipline
- Co-operation
- Good Temper

The Committee of religious and moral Instruction headed by Shri Prakash made a special mention of dignity of labor, love of humanity, patriotism and self- discipline. Moral values particularly refer to conduct of man towards man in various situations good manners. The Committee of Emotional integration referred to mutual appreciation of the various religious in the country spiritual values, national unity and the unity of mankind.

The education Commission emphasized in inculcation of the values of cooperation and mutual regard, honesty and integrity, discipline and social responsibility. It also stressed the development of scientific temper of mind, respect for manual labour, capacity to put in hard and responsible work, respect for a proper pride in the past faith and confidence in the future, national consciousness, sprit of social service for promoting social and national integration, equally essentials are values which help to make democracy a way of life and thereby strengthen it as a form of government, readiness to appreciate other's view and patience.

National Policy on Education 1986 on Value Education

Recognizing the urgent need for value education the National Policy on Education (1986) observed that,

- The growing concern over the erosion of essential values and an increasing cynicism in society has brought to focus the need for readjustments in the curriculum in order to make education a forceful tool for the cultivation of social and moral values.
- In our culturally plural society, education should foster universal and eternal values, oriented towards the unity and integration of our people. Such value education should help eliminate obscurantism, religious fanaticism, violence, superstition and fatalism.
- Apart from this combative role, value education has a positive content, based on our heritage, national and universal goals and perceptions. It should lay primary emphasis on this aspect.

Value crisis is one of the serious threats not only for adolescents but also for other grown up individual of a society, the nation and globe at large. Our present education system of education is not quite effective in inculcating values among adolescents. Education is becoming day by day more expensive and thereby today's individual has become more materialistic &more rational in order to cope with the present competitive life and also to fulfill its increasing demands as a result the growth of value tradition has slowed down. It is very important to inculcate value in our day to day life otherwise an individual will lose its capacity of decision making power of good & bad, right & wrong therefore the studying and inculcating of value inside an adolescent is utmost necessary as an adolescent is that early stage where an individual learns and gains the knowledge and experience to sustain in the society, if these values are diminished inside an individual then the society will become a world of living machines have no emotions, value etc. Understanding of value is a complex and multidimensional and involves lots of challenges but the path to follow the same is not difficult.

◈ ◈ ◈

SOCIO-ECONOMIC CONDITIONS OF NAYANPUR VILLAGE OF HAJO A CASE STUDY

Abhijit Baishya,
Bitupan Das,
Sanjib Bhandear Kayasthya,
Archana Patowary,
Bhaswati Choudhury and
Parishmita Das
B.A. Fifth Semester (Geography Honours)

Acknowledgement: The authors are highly grateful to their teachers Dr. Jayanta Kr. Das (HoD) and Mrs. Bharati Medhi (Asstt. Prof.) of Geography Department of Suren Das College, Hajo for giving necessary guidance during the field work.

Introduction

Geography enjoys a high position in respect of field study. The study of Geography remains practically incomplete without a serious field study. We, the students and teachers of Geography Department of Suren Das College, Hajo had a discussion to select an area to be undertaken for field study. Being the students of Geography Honours Course, we have to know the local Geography. We have to know our locality and its landscape. We are interested in and around of our locality, which may be a village or a ward. That is why, we all selected the Saktibari Village of Hajo which is located near our college. The main aim of our study was to study the socio-economic condition of the village.

Nayanpur village is located in Hajo Development Block under Kamrup district of Assam. It is a medium size village and situated to the North-West of Niz- Hajo census town. It is about 32 km west of Guwahati. The latitudinal and longitudinal extension of the village is 91°54/ E latitude and 26°28/ N longitude.

Population and size of family

A total of 135 families are residing in the village. Total population of the village is 570, out of which 293 are male and 277 are female. The family size of the village is as follows-

Table 1:Size of family

Size	No. of family
1 to 4 members	30
5 to 10 members	105

Source: Survey Report

Religion and caste

All the people in the village are Hindus. There is a *Namghar* (community prayer hall) in the village. Besides, some small *Namghars* are also found in front of some houses. They celebrate various religious festivals every year. Assamese national festival *Bihu (Magh bihu, Bohag bihu and Kati bihu)* is celebrated in the village with great joy. Besides, Durga Puja, Shivaratri, Holi, Diwali, *Mahaho*, Janmastami, *Tithi* of Sankardeva and Madhavdeva etc. are also celebrated by the people with great enthusiasm. 50% of the total population of the village is belonging to Genaral category, 24% is OBC and 25% is SC population. ST population is nil in the village.

Table: 2: Caste composition

Category	No. of families
Scheduled Caste	35
Scheduled Tribe	Nil
Other Backward Classes	33
General	67
Total	**135**

Source: Survey Report

House type

Majority of the houses are of Assam types which are made of bamboo, straw, wood and tin. Some concrete houses are also found in the village. Moreover, a limited number of RCC houses are also seen in the village.About 44% houses are of average quality. On the other hand, 39% houses are of low quality and only 16% houses are of improved quality.

Table 3: Quality of houses

Quality	No. of houses
Low quality	53
Average quality	60
Improved quality	22
Total	**135**

Source: Survey Report

Occupational structure and income :

Total working population of the village is 156. That means, 27% of the total population is regarded as working population. The rest 73% is non-workers which show high dependency ratio. Number of people engaged in different categories of occupations is as follows-

Table 4: Occupational structure

Category	No. of people
Govt. service	17
Non-Govt. Service	33
Agricultural work	32
Small business	36
Daily labourers	14
Driver	17
Ex-servicemen	7
Total	**156**

Source: Survey Report

The economic condition of the villagers is not so good. Income level of the people is not so high. Most of the people are engaged in agricultural activities and their annual income is very low. The monthly income of the families as disclosed by them during our survey time is given below.

Table 5: Level of income

Range of income	No. of families
Rs. 1000/- to 10,000/-	35
Rs. 10,000/- to 20,000/-	19
Rs. 20,000/- to 30,000/-	28
Rs. 30,000/- to 40,000/-	21
Rs. 40,000/- to 50,000/-	5
Rs. 50,000/- to 60,000/-	10
Rs. 60,000/- to 70,000/-	2
Rs. 70,000/- to 80,000/-	5
Rs. 80,000/- to 90,000/-	10
Total	**135**

Source: Survey Report

Food habit and dress pattern

The people of the village are mostly non-vegetarian, and their staple diet is rice. Fish, chicken and duck are widely consume and quite popular. Fish curry is prepared as a sour dish called *Machor tenga*. Other interesting food items are *alu-pitika, pachala*, chutney, pickles etc. The Mekhela Chador is the traditional dress for the women of the village. It is worn by women of all ages except children. This two-piece garment has a long piece of cloth

that is draped from the waist downwards and then it is folded into pleats and tucked in. The male wears the traditional dresses like *Dhoti, Pyjama* and *Gamocha*. But at present, all male and female wear the modern dresses.

Academic facility and literacy rate

There is an LP school in Dhoparguri village which is about ½ km away from the village. An Anganbadi Centre is there in the village. Aryan International School, a private school, is located in the village. Panchatirtha Sishu/Bidya Niketan, Holy Home Public School, Hajo and Hajo HS School are located about ½ km away from the village. Again, students can pursue higher education in the nearby Suren Das College, Hajo. Out of total population, 458 are literate. Literacy rate of the village is 80.35%. As per survey report, number of people receiving formal education is as follows-

Table 6:Level of education

Educationlevel	No. of people
Lower Primary	124
HSLC	190
HS	77
BA	33
MA	7
Technical Education	27
Total	**458**

Source: Survey Report

Land holding size

So far as land property is concerned, amount of land per family is not more. Even some families do not have any land property except the only plot of land where their dwelling houses stand. Size of land holdings in the village are shown below.

Table 7: Size of land holding

Size of land holding	No. of families
0-5 Bighas	82
5-10 Bighas	41
Above 10 Bighas	12
Total families	**135**

Source: Survey Report

Political awareness

People are politically aware and they cast their votes during elections. Some of them participate in the campaigning during elections and some of them have membership of political parties. Some people, especially the women folk are not even aware of different plans and programmes undertaken by the government for improvement of the living conditions of the people.

Socio-Economic Problems of Saktibari Village

The village, we studied, is facing some socio-economic problems which hinder in the economic development. They are as follows-

1. As most of the villagers are cultivators, agricultural workers, daily wage labourers etc., the economic condition of the people is not sound.
2. Unemployment is one of the major problems in the village as only 156 (27%) people are regarded as working population.
3. Scarcity of pure drinking water also stands as a problem of the villagers.
4. Lack of irrigation facilities also regarded as a major problem for the farmers. As they are economically poor, they are not able to supply water to their agricultural farms,especially during winter.
5. Some people of the village are still illiterate which cause some social problems in the village.
6. Flood is also a major problem of the village.

Conclusion

We visited the village Nayanpur in a very short period of time. Nayanpur village is located in Hajo Revenue Circle under Kamrup district Assam. The village is situated to the North-West of Niz-Hajo census town. It is situated on the southern bank of the river

Puthimari, locally known as Lakhaitora. A total of 479 populations are living in a geographical area of 239.31 hectares. Most of the villagers are engaged in agriculture and allied activities. The village is facing some problems like unemployment, lack of pure drinking water, lack of irrigation facility, illiteracy etc. which affect the socio-economic development of the village. Hence, the living standard of the people is not so high. They live a simple life with peace and harmony. A feeling of unity and brotherhood among them is one of the noteworthy aspects of the village.

For future development of the village, some measures should be taken such as-

1. Skill-based training to the workers should be provided by the government and private agencies.
2. Financial assistance should provide to the farmers from Hajo Development Block and Gaon Panchayat.
3. Proper irrigation facility should be provided in the village by the government.
4. Government should provide easy loan with sufficient subsidy to the educated youths so that they can start new business.
5. More initiatives should be taken by the government for strengthening the Self-Help Groups in the village.

References :

1. Das, J. K. (2019): Hajo Anchalor Eti Samu Bhougolik Rup-Rekha, *Samanvay*, Souvenir, Manikut Utsav and Samanvay Sobhayatra.
2. Deka, S. K. (1999): Brihattar Hajo: Eti Bhougolik Bishleshon, *Manikut*, Souvenir, Asam Sahitya Sabha, 65th Hajo session.
3. https://www.indiagrowing.com/Assam/Kamrup/Hajo
4. https://villageinfo.in/assam/kamrup/hajo/saktibari.html

◈ ◈ ◈

CRYOPRESERVATION:

A way towards infertility and biodiversity conservation

Dr. SangitaMedhi
Assistant Professor, Department of Zoology,
Suren Das College

Cryopreservation is a long-term storage technique, which is mainly used for preserving and maintaining viability of the biological samples for a longer duration which may be more than a decade. This method of preservation is widely used in different sectors including cryosurgery, molecular biology, ecology, food science, plant physiology, and in many medical applications. An important application of cryopreservation is in the freezing and storage of hematopoietic stem cells

Cryopreservationis the process of cooling and storing cells, tissues, or organs at very low temperatures to maintain their viability.In this method live cells, tissues and other biological samples are kept in a deep freeze at "196°C temperature for the storage or preservation. Cryopreservation is based on the ability of certain small molecules known as cryoprotective agents to enter cells and prevent dehydration and formation of intracellular ice crystals, which can cause cell death and destruction of cell organelles during the freezing process. Two common cryoprotective agents are dimethyl sulfoxide (DMSO) and glycerol. Glycerol is used primarily for cryoprotection of red blood cells, and DMSO is used for protection of other cells and tissues. Sugar like trehalose, which leads the organisms capable of surviving extreme dehydration, is used for freeze-drying methods of cryopreservation. Trehalose stabilizes cell membranes, and it is particularly useful for the preservation of sperm, stem cells, and blood cells. Dry Ice and liquid nitrogen are generally used for preservation.

The sample is first collected and the ncryo-protectants are added which reduces the freezing point of the medium and also allow slower cooling rate, which further reduces the risk of crystallization. After that the sample is freezed by different freezing method such as slow freezing, rapid freezing or dry freezing etc. which protect cells from damage and cell death by their exposure to the warm solutions of cryoprotective agents.The cryopreserved samples are stored in extreme cold from -80°C to -196°Cin a freezer with liquid nitrogen for future storage. When sample is needed for use, it is slowly warmed to normal temperature.

Cryopreservation technique has many applications in the present situation. Preserving embryo, eggs and sperms has contributed to a great extend in infertility treatment and embryo transfer, especially in the field of in-vitro fertilization. It is useful in storing germplasm, which acts as a safeguard of genetic integrity of many valuable and threatened species. This has a great contribution towards biodiversity conservation. It contributes to the seed bank and gene bank. Cryopreservation also helps in organ transplantationand blood transfusion.

Hence, we can say that cryopreservation have occupied a great space in the medical biology and in the field of conservation biology. It has contributed towards many health issues.

◈ ◈ ◈

WOMEN IN SCIENCE

Dr. Kanan Kumari Ojah
Assistant Professor, Dept. Of Mathematics,
Suren Das College, Hajo

India's rich history is replete with examples of several great scientists who have brought immense pride to the nation. Among them there are several women scientists who have contributed significantly to various disciplines of science. Their lives are role models for all girls who aspire to make a mark in the field of science and technology. Here in this article I want to write about some of the greatest Indian women scientists of all time.

Anandibai Gopalrao Joshi (1865 – 1887)

Joshi was the first Indian woman physician and the first woman to have graduated with a two-year degree in Western Medicine in the United States. Her personal life led her to take up medicine.

She was married at the age of nine to a widower who was 20 years older to her. At the age of 14 she gave birth to a son who died soon after, due to lack of enough medical facilities. The death of her new-born inspired her to become a physician. Her husband encouraged her to study medicine abroad. She studied at the Women's Medical College of Pennsylvania in 1886..

Janaki Ammal (1897 – 1984)



Ammal was the first Indian scientist to have received the Padma Shri Award in 1977, who went on to occupy the reputed post of the director-general of the Botanical Survey of India. In 1900s, Ammal took up botany, which was an unusual choice for women. She obtained an honours degree in botany from the Presidency College in 1921.

She pursued scientific research in cytogenetics — a branch of genetics that is concerned with how the chromosomes can relate to the cell behaviour and phytogeography — concerned with the geographic distribution of the plant species. Ammal's most renowned work is on sugarcane and Brinjal.

Kamala Sohonie (1912 – 1998)

Sohonie was the first Indian woman to have bagged a PhD degree in the scientific discipline. She applied to the IISc for a research fellowship and met with rejection merely because she was a woman.

She was the first female student of Prof. CV Raman, who was the then IISc director.

Her most notable work includes research on vinca alkaloids (derived from the periwinkle that is known for its anti-cancer properties), and the development of anti-epileptic and anti-malarial drugs

Due to her excellent performance, Raman gave her permission to pursue further research. She discovered that every cell of a plant tissue contained the enzyme 'cytochrome C' which was involved in the oxidation of all plant cells.

Asima Chatterjee (1917 – 2006

An Indian chemist, she is regarded highly for her works in the fields of organic chemistry and phytochemistry (chemicals derived from plants).

She graduated in chemistry from the Scottish Church College of the University of Calcutta in 1936 and then pursued research.

Her most notable work includes research on vinca alkaloids (derived from the periwinkle that is known for its anti-cancer properties), and the development of anti-epileptic and anti-malarial drugs.

Rajeshwari Chatterjee (1922 – 2010)



First woman engineer from the state of Karnataka, Rajeshwari received a government scholarship to study abroad in 1946.

She studied at the University of Michigan where she obtained her Master degree from the Department of Electrical Engineering.

After obtaining a doctorate degree, she returned to India and joined the Department of Electrical Communication Engineering at IISc as a faculty member where she along with her husband set up a microwave research laboratory where they did pioneering work on microwave engineering.

Kalpana Chawla (1962 – 2003)



Chawla is the first astronaut of Indian origin to have forayed into the space.

She went to the United States in 1982 and obtained a Master of Science degree in Aerospace Engineering from the University of Texas at Arlington in 1984 and earned a second Masters in 1986 and a PhD in aerospace engineering in 1988 from the University of Colorado Boulder. She first flew on a Space Shuttle Columbia in 1997 as a mission specialist and primary robotic arm operator.

Chawla was one of the crew members who died in the space shuttle Columbia disaster on February 1, 2003. The tragedy occurred when the space shuttle disintegrated while returning into the Earth's atmosphere.

Dr. Indira Hinduja

Dr. Indira is one of the renowned gynecologist, obstetrician and infertility specialist who introduced GIFT (Gamate Intra fallopian Transfer). Her research work in GIFT has been published in many prestigious national and international journals. She delivered India's first test tube baby.

Dr. Aditi Pant

A successful oceanographer, Dr. Aditi Pant was the first Indian woman to visit Antarctica in 1983 as a part of the Indian expedition to study Geology and Oceanography.

Pant was inspired to take up Oceanography when she came across the book The Open Sea by Alister Hardy when she was a BSc student at the University of Pune.

She got a US government scholarship to study an MS in Marine Sciences in the University of Hawaii. She did her PhD in Westfield College, London University.

Her Ph.D. thesis was based on the physiology of marine algae. She has worked at the National Institute of Oceanography and the National Chemical Laboratory.

Tessy Thomas

Tessy Thomas (born in 1963) is known as the 'Missile lady' due to the successful launch of Agni series of missiles. She was the Project Director for the Agni-IV and Agni-V missile in Defence Research and Development Organisation and is the first Indian woman scientist to have headed a missile project. She is also a recipient of the Lal Bahadur Shastri National Award.

Sujatha Ramdorai



Sujatha ramdorai (born in 1962) is the first and only indian to win the prestigious ICTP Ramanujan Prize in 2006.

She is an algebraic number theorist known for her work in Iwasawa theory.

She is a professor of mathematics at University of British Columbia, Canada. She was previously a professor at Tata institute of Fundamental Research.

Reference : www.google.com

◈ ◈ ◈

Learning - in Lockdown

Ms Amilee Konwar
Assistant Professor, Dept. of Zoology



Our country India was never one of the best in terms of education in global scenario. But with the breakout of covid 19 it faced a never prepared setback. The educational institutions were shut down , students were locked up in homes. But admidst all these chaos, one thing that had to continue was the process of learning. The main source of imparting and gaining knowledge turned out to be online learning or e-learning. The internet was found to be flooded with learning materials, videos and schemes for imparting knowledge. But here the question arises- Could every student have access to those materials ?? How much the students could gain throughout?? We cannot ignore the fact that India is still a developing country and it is still on its way to being 'digitalised' Or 'digital India' is still a distant dream in many parts of India specially the rural areas.

Few of the key issues that came up on the path of dissemination of knowledge during the covid 19 pandemic lockdown are :

Inequality :

One of the principle of our constitution is "equality of opportunity". But the same cannot be said about the online education scenario during the lockdown in India. The covid 19 pandemic paved the way for e-portals and online education . Many online education programmes were also taken up by the government. But a large section of students could never avail these resources. The rural and poorer sections were affected deeply. 'Digital India' have become even more unequal and divided than it already was due to the pandemic. Despite being against the principal of inequality , the educators had to move ahead with the idea of 'something is better than nothing' or 'some is better than none' and indeed on the brighter side , at least some of the students could benefit themselves through the online mode in the days of utter hopelessness.

Question on quality :

The internet was flooded with videos, online streams and e-resources of almost every subject during the pandemic but if one carefully assess the quality of the most of the contents , one can hardly avoid noticing problems. Much more doubtful is about the quantum and depth of learning. It was seen that stress was given more to cover the syllabus and conduct the examinations than to focus on real concept gaining of the students. Morever, the lectures that were streamed through mobile phones or tablets were posed with frequent network issues which further highlighted the incompatibility of the system.

Effect on students :

In an educational institution, students themselves create an environment that support their growth morally, socially and intellectually which online mode of education can never do. Attending classes online without break was said to be causing problems like dry eye syndrome, burning sensation on eyes and auditory problems etc. Physicians recommend the use of laptops or computers with external speakers over mobile phones or laptops. This is again practically infeasible for most of the students. Online classes for very young children may cause stress on their growing brains. In normal classes, breaks , recreation and regular interactions optimise the learning process. All round development of a student is a pretty tough job through online mode of education.

What lies in future ??

The NCERT reports states that " covid 19 created a situation which demands transformation in school education .....the transaction mechanisms in school education may go through a drastic change. Therefore even if the pandemic may get over, its traces will be there and school education needs to remodel itself". Besides the conventional modes of education, alternative modes of education like internet based , radio podcasts and such other developments were recommended. The sudden thrust in online education during the pandemic was an unplanned and rapid move and most of the faculties had to undertake these programmes untrained and unprepared, the bandwidth was insufficient and there was no ample time for planning and preparation during the sudden lockdown.

Active integration of Information and Communication Technology (ICT) in education would accelerate advances in online education which would make online education an integral component of education right from the grass root level. No matter how advanced or unique the e-learning system might be, it should always be backed by a team of competent and skilled teachers who can design the contents according to the need and grasping potentialities of the students. For this, advanced faculty development programmes should be developed for a better preparedness and impact at times of emergency in future. Focus should be on improving the critical thinking and adaptability of the students than focusing solely on traditional academic skills and rote learning. The covid 19 pandemic made it clear that dissemination of knowledge is a continuous process and it has to be done crossing barriers and borders to all parts of the society. Government can undertake plans and programmes for equal dissemination of knowledge to all the sections of society. If online education has to play such a pivotal role to disseminate knowledge , as such as was seen in this pandemic, it needs to be worked upon , improved in order to make it a fruitful venture in the near future.

◈ ◈ ◈

SUREN DAS COLLEGE LIBRARY
Estd.....
Date.....
HAJO : KAMRUP

Understanding the Origin of Life

Dr. Mukesh Sharma

It is well known that the bodies of all living organisms primarily consists of four basic elements- Hydrogen (10%), Carbon (23%) Oxygen (61%) and Nitrogen (3%). Likewise, only a few types of molecules like water (67%), proteins (15%), lipids (13%) etc. constitute 96% of all the molecules present in the body of living organism while the minerals constitute about 4%. Many chemists and biologists feel that life is a product of the complex molecular reactions. In this paradigm it should be possible to create life within the laboratory. However, chemical evolutionists face a very difficult task explaining the origin of life within their scientific framework. In other words, this material paradigm of life is not making much in an attempt to create life from a mixture of bio-molecules. It should be noted that if life is a product of complex molecular reactions, at this stage of scientific advancement, a biochemist should be able to produce life in a laboratory. Since all the complex biomolecules such as DNA, proteins, carbohydrates, lipids, etc., can be easily isolated, one does not need to start from small molecules.

As per the holistic perception of life, we can see that material life, as we all know, has a physical body which is made up of (a) complex molecules (b) mind and intelligence; and (c) a spiritual life particle called *atman* (soul). The body is thus animated by the presence of the atman. All the spiritual traditions proclaim that atman (life) is not made up of molecules. Rather it is beyond molecules. A body is meaning as long as the atman is within the body. As stated earlier, molecules do not have meaning and value. Professor Arber says, "The most primitive cell may require at least several hundred different specific biological macro-molecules. How such an already quite complex structure may have come together remains a mystery to everyone. *The possibility of existence of a creator, God, represents a satisfactory solution to this problem.*" In this way through our scientific research we can appreciate the spiritual paradigm of life. For a person following the materialistic prototype of life, the whole thing ends with death and thus his goal of life may be to practice a life of materialistic gratification and teach others the same. But a person, who accepts life to be of spiritual nature, strives for mortality, peace and higher values in order to evolve into a higher level of consciousness. In this way, a paradigm shift from a materialistic to a spiritual paradigm will play a key role in pursuing and achieving a lasting world peace.

◈ ◈ ◈

Indian Agriculture Acts & Farmer's Anticipation

Trikha Rani Das
Assistant Professor
Dept. of History

The Reform in agricultural sector is a lifelong process. To cope up with growing agricultural demand, we need reform in agriculture to increase the production. In India, the origin of agriculture dates back to Rig Vedic period. From then till now reform is going on in agricultural sector just to cater the high demand of agricultural produces. It is estimated that India's agricultural sector accounts only around 14% of the country's economy, but for 42% of total employments. Therefore a good number of populations depend on agriculture.

Reform in agriculture sector in India after its independence has its own history. In every five years plan, the government of India takes measures to protect the farmer from growing indebtedness. Yet the tragedy of Indian agriculture is not unknown to anyone. India's 90 million farmer families face tremendous challenges in every season. Despite of governments regulation and care schemes, two out of every three families have average annual farm losses of about rupees 500 . Only one out of every 15 farmers has technical knowledge of agribusiness and only one out of every two farmers has accounts to bank loans for farming. In India the situation is so deplorable that due to severe challenges of farm lose and growing indebtedness that one farmer commits suicide in every 42 minutes. According to National Crime records Bureau of India, since 1995 a total 296,438 Indian farmers had committed suicide which is 11.20% of all suicide cases in India. Now common concern of people is that the govt. should take initiative to protect our farmers. Actually the fact is that, since its independence the government of India had introduces a number of regulations but all these initiation are not working well. Therefore, the government of India brought three reform bills in 2020 aiming transmission of agriculture in the country and raising farmer's income.

WHY THERE IS REFORM ACT?

These legislations sought to bring much needed reforms in the agricultural marketing systems such as removing restrictions of private stock holding of agricultural produce or creating trading areas free of middlemen and take the market to the farmers. The key points of the bills have been discussed below.

FARM ACT 1:

The Farmers Produce Trade and Commerce (promotion and facilities) Act 2020

1. The farmers produce trade and commerce (promotion and facilities) Act allows barrier free produce.
2. Previously farmer produce was sold at notified wholesale markets or mandis, there were 7000 agricultural produce marketing committee (APMC) Krishi Mandi.
3. Each APMC had licensed middleman who would buy from farmers. Unlimited stocking can lead to artificial price fluctuation and low price for farmer after harvest.

FARM ACT 02 :

The Farmer's (Empowerment and Protection) Agreement of Price Assurance and Farm Service Act, 2020.

This law will allow farmers to later into agreements with agro firms, exporters or large buyers to produce a crop for a pre agreed price. At this point farmers are worried that MSP will be removed and hence demand to link MSP to contract prices.

FARM ACT 03 :

The Essential Commodities (Amendment) Act 2020.

The essential commodities (Amendment) Act proposes to allow economic agents to stock food articles freely without the fear of being prosecuted for hoarding.

However, the farmers are seemed unsatisfied with the acts and engage in prolonged strikes against the acts. More than half of all government procurement of wheat and paddy in the last five years has taken place in Punjab and Haryana, according to Agriculture Ministry data. More than 85% of wheat and paddy grown in Punjab, and 75% in Haryana, is bought by the government at MSP rates. Farmers in these States fear that without MSPs, market prices will fall. These States are also most investing states in the APMC system, with a strong mandi network. A well system of arthiyas or commission agents facilitating procurement, and link roads connecting most villages to the notified markets and allowing farmers to easily bring their produce for procurement. The Punjab government charges a 6% mandi tax (along with a 2.5% fee for handling central procurement) and earns an annual revenue of about ₹ 3,500 crore from these charges. Here are some demands of the farmers.

DEMAND OF FARMER'S ORGANIZATION :

1. The acts are more favorable towards the companies and not legally empowering the farmers.
2. Strengthen MSP-MSP to be made a legal right.
3. APMC reforms are needed, not its removal.
4. The middleman will not go away.
5. Investment in agriculture sector must be from government not by private sectors.

GOVERNMENT'S CLAIM FOR THE BENEFITS OF FARMERS:-

Thus it has been noticed that the farmers are very skeptical about their future after implementation of the acts. Yet the government is expecting favorable outcome for the farmers through these acts. The Economic Survey claimed that the increase in the Minimum Support Price (MSPs) for all Kharif & Rabi crops for 2018-19 season at a level of at least one and half times of the cost of production as giving major boost for farmers' income.Further, the Survey has listed a new Central Sector Scheme for providing old age pension of Rs 3000/- to the eligible small and marginal farmers, subject to certain exclusion clauses, on attaining the age of 60 years. The scheme aims to cover around 5 crore beneficiaries in the first three years. It would be a voluntary and contributory pension scheme, with entry age of 18 to 40 years. The Government has approved a budgetary provision of Rs 10,774.50 crore for the scheme till March 2022.

◈ ◈ ◈

Civil Service Examination (UPSC)

Tauhidul Islam
B.A. 1st Semester
English Department

The Civil Services Examination (CSE) is a nationwide competitive examination in India conducted by the Union Public Service Commission for recruitment to higher Civil Services of the Government of India, including the Indian Administrative Service, Indian Foreign Service, and Indian Police Service. Also simply referred to as the UPSC examination, it is conducted in three phases - a preliminary examination consisting of two objective-type papers (General Studies Paper I and General Studies Paper II also popularly known as Civil Service Aptitude Test or CSAT), and a main examination consisting of nine papers of conventional (essay) type, in which two papers are qualifying and only marks of seven are counted followed by a personality test (interview). A successful candidate sits for 32 hours of examination during the complete process.

Process

The Civil Services Examination is based on the British era Imperial Civil Service tests, as well as the civil service tests conducted by old Indian empires such as the Mauryan Empire and Mughal Empire. It is one of the most difficult competitive examinations in India. A single attempt can take two complete years of preparation - one year before the prelims and one year from prelims to interview. On average, 900,000 to 1,000,000 candidates apply every year and the number of candidates sitting in the preliminary examination is approximately 550,000. Results for the Prelims are published in mid-August, while the final result is published in May of the next year.

- Stage I: Preliminary Examination - Held in June every year. Results are announced in August.
- Stage II: Mains

1. Examination - Held in October every year. Results are announced in January.
2. Personality Test (interview) - Held in March. Final results are usually announced in May.

Eligibility

Eligibility for the examination is as follows:

Nationality

- For the Indian Administrative Service, the Indian Police Service and the Indian Foreign Service the candidate must be a citizen of India.
- For other services, the candidate must be one of the following:

1. A citizen of India.
2. A citizen of Nepal or a subject of Bhutan.
3. A Tibetan refugee who settled permanently in India before 1 January 1962.
4. A person of Indian origin who has migrated from Pakistan, Myanmar, Sri Lanka, Kenya, Uganda, Tanzania, Zambia, Malawi, Zaire, Ethiopia or Vietnam with the intention of permanently settling in India.

Educational qualification

All candidates must have as a minimum one of the following educational qualifications

- A degree from a Central, State or a Deemed university
- A degree received through correspondence or distance education

- A degree from an open university
- A qualification recognized by the Government of India as being equivalent to one of the above

The following candidates are also eligible, but must submit proof of their eligibility from a competent authority at their institute/university at the time of the main examination, failing which they will not be allowed to attend the exam.

- Candidates who have appeared in an examination the passing of which would render them educationally qualified enough to satisfy one of the above points.
- Candidates who have passed the final exam of the MBBS degree but have not yet completed an internship.
- Candidates who have passed the final exam of ICAI, ICSI and ICWAI.
- A degree from a private university.
- A degree from any foreign university recognized by the Association of Indian Universities.

Age

The candidate must have attained the age of 21 years and must not have attained the age of 32 years (for the General category candidate) on 1 August of the year of examination. Prescribed age limits vary with respect to caste reservations.

- For Other Backward Castes (OBC) the upper age limit is 35 years.
- For Scheduled Castes (SC) and Scheduled Tribes (ST), the limit is 37 years.
- For Defence Services Personnel disabled in operations during hostilities, the limit is 40 years.
- For Candidates belonging to ex-servicemen including Commissioned officers and ECOs/ SSCOs who have rendered military services for at least five years as on 1 August, of the year and have been released

1. On completion of assignment (including those whose assignment is due to be completed within one year from 1 August of the year otherwise than by way of dismissal or discharge on account of misconduct or inefficiency or

2. On account of physical disability attributable to Military Service or

3. On invalidation or

Relaxation of up to a maximum of five years will be given in the case of ECOs/SSCOs who have completed an initial period of assignment of five years of Military Service as on 1 August of the year and whose assignment has been extended beyond five years and in whose case the Ministry of Defence issues a certificate that they can apply for civil employment and that they will be released on three months' notice on selection from the date of receipt of offer of appointment, the limit is 32 years.

- For ECOs/SSCOs who have completed an initial period of assignment of five years of Military Service, the limit is 32 years.
- For PwD candidates, the limit is 37 years.
- For Domiciles of Jammu and Kashmir from 1 January 1980 to 31 December 1989, the limit is 32 years.
- For the Economically Weaker Section (EWS) category, the standard age limits apply.

Number of attempts

The number of times a candidate can appear for the exam are given below.

- General category candidates – 6
- OBC category candidates – 9
- SC/ST candidates – unlimited attempts till 37 years of age.

Appearing to attempt one of the papers in the preliminary examination is counted as an attempt, including disqualification/ cancellation of candidature. However, applying to sit the exam but failing to attend is not counted as an attempt.

All India Services

- Indian Administrative Service (IAS)
- Indian Police Service (IPS)

Central Services (Group A)

- Indian Foreign Service (IFS)
- Indian Audit and Accounts Service (IA&AS)
- Indian Civil Accounts Service (ICAS)
- Indian Corporate Law Service (ICLS)
- Indian Defence Accounts Service (IDAS)
- Indian Defence Estates Service (IDES)
- Indian Information Service (IIS)
- Indian Telecommunication Service (ITS)
- Indian Ordnance Factories Service (IOFS)
- Indian Postal Service (IPoS)
- Indian P&T Accounts and Finance Service (IP&TAFS)
- Indian Railway Accounts Service (IRAS)
- Indian Railway Personnel Service (IRPS)
- Indian Railway Protection Force Service (IRPFS)
- Indian Railway Traffic Service (IRTS)
- Indian Revenue Service (IRS-IT)
- Indian Revenue Service (IRS-C&CE)
- Indian Trade Service (ITrS)

Group B Services

- Armed Forces Headquarters Civil Services (AFHCS)
- Delhi, Andaman and Nicobar Islands Civil Service (DANICS)
- Delhi, Andaman and Nicobar Islands Police Service (DANIPS)
- Pondicherry Civil Service (PCS)
- Pondicherry Police Service (PPS)

◈ ◈ ◈



Remember, Woman

Yasminul Choudhury
B.A. 3rd semester
(Political Science Honours)

Remember, Woman you were born given
giver, miracle creator, magic maker.

You were born with the heart of a thousand
mothers, open and fearless and sweet.
You were born with the fire of Queens &
conquerors. Warrioress blood you not bleed.
You were born with the wisdom of sages &
shamans , no wound can you not heal.
You were born the teller of your own tole,
before none should you kneel.
You were born with an immeasurable soul
reaching out post infinity.
You were born to disire with passion , abandon,
and to name your own destiny.

Remember, Woman, remember
you are more then you can see.
Remember, Woman, remember
you are loved endlessly.

Remember, Woman your power and grace,
the depth of your deep sea heart.
Never forget you are Woman divine,
as you have been, from the start.

◈ ◈ ◈

I'm no more here

Tauhidul Islam
B.A 1ST Semester, English Department

I was always there
Waited for you so long
Now I am gone
I am no more here
If you ever came
I will not be there
You will see the place
It will be the same
With its hanging bowers
The grass may be green
And the trees that tower
The house will stare
With the rooms all bare
While walking on the pave
You will crunch some dead leaves
You may think you heard
Someone scream
You will clutch your heart
You may depart
But I will not be there
I am gone for good
Now it is me
Who is lost forever !

◈ ◈ ◈

I Like to be....

Nandita Talukdar

I like to be the Sun
To spread light all over the earth.
It's not easy but too much hard
To make the earth beautiful
To see happiness on men's faces
I like to be a butterfly
To Spread the honey of flowers,
And make the earth sweeter and brighter.

◈ ◈ ◈

বিবিধ

শিতান

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই সুৰেন দাস মহাবিদ্যালয়ৰ ভৱন দাতা পৰম শ্ৰদ্ধাৰ প্ৰয়াত সুৰেন দাস দেৱক তথা এই মহাবিদ্যালয়খন স্থাপনৰ হকে আগভাগ লোৱা প্ৰয়াত তথা জীৱিত ব্যক্তি সকলক সুৱৰিছোঁ। লগতে অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্ৰহীদ সকললৈ শ্ৰদ্ধা নিবেদন কৰিলোঁ।

হাজোৰ সকলোৰে মৰমৰ এই শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদটোৰ বাবে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ সেৱাৰ সুবিধা দিয়া আটাইকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুক্ষে মাননীয় শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী বৃন্দলৈ সেৱা আগবঢ়াই মোৰ চমু প্ৰতিবেদন আৰম্ভণি কৰিবলৈ প্ৰয়াস কৰিছোঁ—

যোৱা ইং ২৮-১০-২০১৮ তাৰিখে ২০১৮-১৯ বৰ্ষৰ সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ৱবীয়া তথা কাৰ্যনিৰ্বাহক সদস্যসকলে কাৰ্যভাৰ গ্ৰহণ কৰোঁ। সাধাৰণ সম্পাদকৰ দৰে মৰ্যদাসম্পন্ন পদটো লাভ কৰি সততা আৰু নিষ্ঠা সহকাৰে মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ অতি উন্নত আৰু সকলোৰে মাজত একতা আনিবলৈ কাৰ্যকাল চলাই নিজলৈ চেষ্টা কৰিছিলো পৰম আল্লাহৰ ওপৰত ভৰষা কৰি মই মোৰ কৰ্তব্য পথত আগবাঢ়ি গৈছিলোঁ। কিমানখিনি কৃতকাৰ্যতা লাভ কৰিছিলোঁ হয়তো মই ক'ব নোৱাৰিম।

মোৰ তথা আমাৰ কাৰ্যকালত কৰি অহা কামৰ এটি চমু আভাস তলত দাঙি ধৰিলোঁ—

বাৰ্ষিক কলা ক্ৰিয়া ঃ ২০১৯ চনৰ ২৯, ৩০, ৩১ জানুৱাৰী আৰু ০১, ০২ তাৰিখে বাৰ্ষিক কলা ক্ৰীড়া মহোৎসৱ পাঁচদিনীয়া সূচীৰে অনুষ্ঠিত কৰা হয়। বাৰ্ষিক কলা ক্ৰীড়া মহোৎসৱ উপলক্ষে বঁটা বিতৰণী সভাত সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই সভাপতিত্ব কৰে। লগতে মূখ্য অতিথি হিচাপে এমট্ৰনৰ উপ প্ৰৱন্ধক শ্ৰীযুত দিনমণি ভাণ্ডাৰ কায়স্থ দেৱ আৰু সন্মানীয় অতিথি চিপে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী দেৱ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে।

সুৰেন দাস মহাবিদ্যালয়, হাজো

নৱাগত আদৰণি সভা ঃ নতুনক আদৰি পুৱণিক বিদায় দিয়া প্ৰকৃতিৰ এটা নিয়ম। নানা উলহ-মালহেৰে স্থানীয় আৰু দূৰ-দূৰণিৰ পৰা আহি নতুনকৈ নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰী সকলক আনুষ্ঠানিক ভাৱে আদৰণি জনাবলৈ বিভিন্ন কাৰ্যসূচীৰে ১৪-০৯-২০১৯ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়।

উৎসৱ পালন ঃ মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে প্ৰতিবছৰে উৎসৱ পালন কৰা হয়। অহন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত সৰস্বতী পূজা আৰু ফাতেজা-ই দোৱাজ দহম পৰ্ব উলহ-মালহেৰে পালন কৰা হয়।

অন্য কিছু কাম ঃ ছাত্ৰ একতা সভাৰ উদ্যোগত ২৪ জুন, ২০১৯ তাৰিখে হাজো মাজৰ চুপাত আৰ্থ সামাজিক জৰীপ আৰু ২৮ জুন, ২০১৯ তাৰিখে পৰিৱেশ সংৰক্ষণৰ ওপৰত ভিত্তি কৰি দলেতোলা চৌকত আলী উচ্চ মাধ্যমিক বিদ্যালয়ত গছপুলি ৰোপণ কৰাৰ লগতে এখন সভা অনুষ্ঠিত কৰা হয়। লগতে ২০১৯ চনৰ ২৫, ২৬, ২৭ এপ্ৰিলত অনুষ্ঠিত যুৱ মহোৎসৱত সহায়-সহযোগ কৰোঁ।

অভাৱ অভিযোগ ঃ সুৰেন দাস মহাবিদ্যালয় এখন অতি আগশাৰীৰ শিক্ষানুষ্ঠান। তথাপি বহুত কিবাকিবি বস্তুৰ অভাৱ। আমি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বিভিন্ন অভাৱ পূ�ৰণৰ উদ্দেশ্যে মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰিছিলোঁ। তাৰ কিছুমান পূৰণ হৈছিল আৰু কিছুমান নহ'ল। আমি আশা ৰাখিছোঁ নতুন ছাত্ৰ একতা সভাই আধৰুৱা কামখিনি সম্পূৰ্ণ কৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কৰিব।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্যকালত সকলো প্ৰকাৰে সহায়-সহযোগ কৰা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দৰ লগতে অধ্যক্ষ মাননীয় ড° হিৰণ্য কুমাৰ শৰ্মাদেৱে সহায় তথা দিহা পৰামৰ্শ আগবঢ়াইছিল। তেওঁলোকৰ ওচৰত মই চিৰঋণী হৈ ৰ'লো। তদুপৰি মোক সহায়-সহযোগিতা কৰি অহা নয়নজ্যোতি কলিতা, নিপু কলিতা, ৰফিকুল ইছলাম, চফিকুল আলী, চাকিল আহমেদ আদি বন্ধু-বান্ধৱীৰ প্ৰতিও চিৰকৃতজ্ঞ হৈ ৰ'ম।

ভুল স্বীকাৰ ঃ সদৌ শেষত মোৰ কাৰ্যকালত হোৱা জ্ঞাত-অজ্ঞাত ভূল-ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা ভিক্ষা মাগি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়, হাজো
'জয়-আই-অসম'।

শ্ৰদ্ধাৰে —

ইফতিকাৰ হুছেইন
সাধাৰণ সম্পাদক
সুৰেন দাস মহাবিদ্যালয়,
ছাত্ৰ একতা সভা
২০১৮-১৯ বৰ্ষ

◈ ◈ ◈

সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল বীৰ শ্বহীদে তেওঁলোকৰ বৰ্তমান ভৱিষ্যৎ আমাৰ বাবে উচৰ্গা কৰি থৈ গ'ল সেই বীৰ শ্বহীদসকলক মই শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। দ্বিতীয়তে মহাবিদ্যালয়ৰ জন্ম লগ্নত জড়িত থকা পৰলোকগত আৰু জীৱিত ব্যক্তিসকলক শ্ৰদ্ধাৰে সুৱৰিছোঁ। লগতে ধন্যবাদ জনাব বিচাৰিছোঁ ২০১৮-১৯ চনৰ সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক যিসকলে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি সহকাৰী সাধাৰণ সম্পাদক পদত দায়িত্ব বহন কৰাৰ সুবিধা দিলে।

সুৰেন দাস মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক বিভাগত দায়িত্বভাৰ অৰ্পন কৰাৰ বাবে মহাবিদ্যালয়ৰ নিৰ্বাচক মণ্ডলীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মোৰ দায়িত্ব কিমান সুকলমে পালন কৰিছো সেয়া বিচাৰৰ দায়িত্ব আপোনালোকৰ হাতত তুলি দিলোঁ। মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° ৰমেন মেধি, মুনীন্দ্ৰ দাস, আহমেদ মুকুট চৌধুৰী, জয়ন্ত কুমাৰ দাস, অমূল্য কলিতা আৰু ভাৰতী মেধিৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মা প্ৰমূখ্যে যি সকল সদাশয় ব্যক্তিয়ে মোক সহায় তথা দিহা পৰামৰ্শ আগবঢ়াইছিল, তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো। তদুপৰি মোক মহাবিদ্যালয়ৰ সকলো কাম-কাজত সহায়-সহযোগিতা কৰি অহা হৃষীকেষ, কংকন, ৰিদিপ, শশাংক, নিপু, ৰেজাউল, ইফ্‌টিকাৰ, ভিতালী, শিখৰ আদি বন্ধু-বান্ধৱীৰ প্ৰতিও চিৰকৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ কাৰ্যকালত সকলো দিশত সহায় কৰা সতীৰ্থ সকললৈ মোৰ ধন্যবাদ জনালোঁ। লগতে মোৰ কাৰ্যকালত নানা দিশত অজানিতে হোৱা ভূল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি সহঃসাধাৰণ সম্পাদকৰ চমু প্ৰতিবেদন সামৰণি মাৰিলোঁ।

নয়নজ্যোতি কলিতা
সহঃ সাধাৰণ সম্পাদক
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৮-১৯ বৰ্ষ

◈ ◈ ◈

তর্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

I believe that the pursuit of truth and right ideas through honest debate and rigorous argument is a noble undertaking. - Charles Krauthammer.

"হে মূৰ্ত সোঁৱৰণি
মেলি দিয়া স্মৃতিৰ দুৱাৰ,
প্ৰাণ ভৰি চাওঁ মই
অতীতৰ সোণালী দিনৰ মোৰ
সপোন সপোন লগা
ধূলি ধেমালিবে ভৰা
লীলা খেলাবোৰ।"

প্ৰতিবেদনৰ আৰম্ভণিতে দেশমাতৃৰ অস্তিত্ব ৰক্ষাৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়া জননী আইৰ বীৰ সন্তান সকলোলৈ মোৰ অশ্ৰুঅঞ্জলি ও শ্ৰদ্ধা নিবেদিছোঁ। যিসকল মহান মনীষী, শিক্ষাৰ ৰৰভিঠাত ৰৰপীৰা পাৰি দি শিক্ষাৰ নতুন জোঁৱাৰ অনা সাধকৰ অক্লান্ত শ্ৰম, মহান ত্যাগ তথা সু-পৰিকল্পিত প্ৰচেষ্টাত শিক্ষাৰ ৰেঙণিৰে প্ৰজ্ঞাৰ প্ৰাণ উজ্জিত কৰা পঞ্চতীৰ্থ হাজোত ১৯৭৯ চনত প্ৰতিষ্ঠা লাভ কৰা সুৰেন দাস মহাবিদ্যালয়ৰ বাবে ত্যাগ স্বীকাৰ কৰা মহান মনীষী সকলোলৈ মই আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে মহাবিদ্যালয়খনৰ ধ্বজা বহন কৰা, শিক্ষাক ন-দিগন্তত বিশ্বৰ লগত চিনাকি কৰাই দিব খোজা শ্ৰদ্ধাৰ সন্মানীয় অধ্যক্ষ ড° হি�ৰণ্য কুমাৰ শৰ্মা ছাৰক আৰু জ্ঞান পূজাৰী শিক্ষাগুৰুসকলক, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ, তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক হিয়াভৰা মৰম, শ্ৰদ্ধা তথা ওলগ জনাইছোঁ।

Debate and divergence of views can only enrich our history and culture. - Ibrahim Babangida.

যুক্তিক সাৰথি কৰি মুক্তিৰ পথ প্ৰশস্ত কৰা মানৱ জাতিৰ এটি শুভ লক্ষণ। বিশ্বৰ বিভিন্ন বিষয়ে মানৱ জীৱনৰ মনত অৱসাদ সৃষ্টি কৰিছে। তাক সূক্ষ্ম বিশ্লেষণ কৰি প্ৰকৃত অৰ্থ তথা জ্ঞানৰ সুধা পাণ কৰাটো এটা তৰ্ক বিজ্ঞানৰ বিষয়। যুক্তিক প্ৰাধান্য নিদিয়াকৈ হয়তো বহুত বিষয়বস্তু ফালৰি কাটিব নোৱাৰি। সেইকাৰণে যুক্তিয়ে মুক্তিৰ পথ। পৃথিৱীৰ বিশ্ববিখ্যাত বিজ্ঞানীৰ পৰা আৰম্ভ কৰি শিক্ষাবিদ, সমালোচক আদি সকলোৱে যুক্তিৰে বিষয়বস্তুসমূহৰ সমিধান দিছিল। গতিকে যুক্তি বা তৰ্কই মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে সত্য আৰু শুদ্ধ সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে।

পঞ্চতীৰ্থ হাজো সমষ্টিৰ এই পৰিত্ৰ শিক্ষানুষ্ঠানটিৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত তৰ্ক বিভাগৰ সম্পাদক সম্পাদক হিচাপে বিনা প্ৰদিদ্বন্দিতাৱে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ঈশ্বৰৰ শপত খাই দায়িত্বভাৰ গ্ৰহণ কৰিয়েই বিভিন্ন ঠাইত তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলোঁ। মই এজন নিজেই তাৰ্কিক তথা অসমৰ লেখতল'বলগীয়া বাতৰি কাকতৰ সম্পাদকীয় পৃষ্ঠাত লিখা-মেলা কৰা এজন সাধাৰণ ল'ৰা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাণ্ডলিক পৰ্যায়ত হোৱা তৰ্ক প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাত পুৰস্কাৰ বিজেতা। অসমৰ বিভিন্ন কুইজ প্ৰতিযোগিতা, প্ৰবন্ধ প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰান্তলৈ নিয়া হৈছিল। মহাবিদ্যালয়ৰ খেল সপ্তাহত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ একান্ত নিষ্ঠা আৰু শ্ৰমে মোক দুগুণ উৎসাহিত কৰিছিল আৰু মই তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ।

মই মহাবিদ্যালয়খনৰ বিশেষকৈ বাক্‌শক্তিক প্ৰাধান্য দিয়া প্ৰতিযোগিতাসমূহৰ বিষয়ে বাৰে বাৰে কৰ্মশালা অনুষ্ঠিত কৰিছিলোঁ। মহাবিদ্যালয়খনলৈ নতুন প্ৰভাতৰ ৰেঙণিৰ ৰশ্মি এদিন পৰিব বুলি দৃঢ়বিশ্বাস। মোৰ এটি কৰ্তৃপক্ষলৈ অনুৰোধ এখন অসম ভিত্তিত সুৰেন দাস স্মাৰক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব বুলি আশা কৰিলোঁ আৰু বিভিন্ন সময়ত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব বুলি আশা কৰিলোঁ।

মোৰ কাৰ্যকালত বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়োৱা সন্মানীয় অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মা, তত্বাৱধায়ক আৰতী ডেকা আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ ওচৰত চিৰকৃতজ্ঞ, ছাত্ৰ একতা সভাৰ ওচৰত কৃতজ্ঞ। মানুহৰ ভুল-ভ্ৰান্তিতে চৰিত্ৰ গঠন হয়। ভুল হোৱাতো স্বাভাৰিক। অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু সুৰেন দাস মহাবিদ্যালয় ।।
।। জয় আই অসম ।।

আজিজুৰ ৰহমান
সম্পাদক, তৰ্ক বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৮-১৯ বৰ্ষ

◈ ◈ ◈

ছাত্ৰী কল্যাণ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল অসম শ্বহীদে অসমৰ মান ৰক্ষা কৰিবলৈ অসমী আইৰ চৰণ ধুৱালে সেইসকল বীৰ শ্বহীদৰ লগতে যিসকলৰ সহায়-সহযোগিতাত আৰু দান-বৰঙণিৰে হাজো সুৰেন দাস মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছিল সেই চিৰনমস্য ব্যক্তিসকলক মই প্ৰণাম জনাই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধাৰে মূৰ দোৱাইছোঁ। লগতে ছাত্ৰী কল্যাণ বিভাগৰ সম্পাদিকা পদত নিৰ্বাচিত কৰি মোক যি দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী কল্যাণ বিভাগৰ সম্পাদিকা হিচাপে বাঁচনি হৈ মোৰ দায়িত্ব কিমান সুন্দৰভাৱে পালন কৰিছো সেয়া আপোনালোকৰ বিচাৰ্য, কিন্তু পৰাপক্ষত মই যিখিনি পাৰো কৰিবলৈ চেষ্টা কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাটো আৰু অলপ উন্নত কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° হিৰণ্য কুমাৰ শৰ্মা ছাৰক মই কেইবাবাৰো অৱগত কৰিছিলোঁ কিন্তু মহাবিদ্যালয়ৰ আৰ্থিক অসুবিধাৰ হেতু মোৰ কাৰ্য্যকালত কোঠাটো বিশেষ একো মেৰামতি কৰিব নোৱাৰিলোঁ। লগতে 'মহাবিদ্যালয় সপ্তাহ'ত মোৰ ভাগত থকা প্ৰতিযোগিতসমূহ সুকলমে চলাই নিয়াত সহায় কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ভাৰতী মেধি বাইদেউক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো। সুৰেন দাস মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি হোৱাৰ কামনাৰে।

জয়তু সুৰেন দাস মহাবিদ্যালয়, হাজো।

ভিতালী দাস
সম্পাদিকা, ছাত্ৰী কল্যাণ বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৮-১৯ বৰ্ষ

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

লিখনিৰ প্ৰাকমুহূর্তত যিসকল মহান ব্যক্তিয়ে অক্লান্ত শ্ৰম আৰু আশাশুধীয়া প্ৰচেষ্টাৰে বৃহত্তৰ হাজো অঞ্চলত এইখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ় দিলে, সেইসকল ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ গুৰুত্বপূৰ্ণ পদ এটিত নিৰ্বাচিত কৰি মোক যি দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০১৮ চনৰ ডিচেম্বৰ মাহৰ ২০ তাৰিখে আমি ফাতেহা-ই-দোৱাজ দহম পৰ্ব উদ্‌যাপন কৰিছিলোঁ। সেয়া আছিল মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্য্যসূচী। উক্তদিনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি জিকিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। তাৰ পিছৰ কাৰ্য্যসূচী আছিল সৰস্বতী পূজা আৰু মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহ মানে সাংস্কৃতিক সমাবোহ। আমি ৫ দিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিছিলোঁ। প্ৰথম দিনত বাৰেৰহণীয়া প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ কৰোঁ মহাবিদ্যালয় সপ্তাহ। তাৰ পাছত মোৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ যেনে— ভূপেন্দ্ৰ সংগীত, ৰাভা সংগীত, জ্যোতি সংগীত, ৰৰগীত, লোকগীত, আধুনিক গীত, হিন্দী গীত আৰু নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। এই প্ৰতিযোগিতাসমূহ পৰিচালনা কৰাত মোক যথেষ্টখিনি সহায় কৰিছিল মোৰ বিভাগৰ তত্বাৱধায়ক আহমেদ মুকুট চৌধুৰী ছাৰ আৰু মোৰ বন্ধু-বান্ধৱীসকলে।

মহাবিদ্যালয় সপ্তাহত যিমান দায়িত্ব আহি পৰিছিল তাতকৈ বহু বেছি দায়িত্ব আহি পৰিছিল যেতিয়া যুৱ মহোৎসৱ অনুষ্ঠিত হৈছিল। কাৰণ সেই বছৰ মহোৎসৱ অনুষ্ঠিত হৈছিল পোন প্ৰথমবাৰৰ বাবে সুৰেন দাস মহাবিদ্যালয়ত। তাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে উন্নতমানৰ অনুষ্ঠান পৰিৱেশন কৰিছিল যাৰ ফলত আইন বছৰৰ তুলনাত অধিক পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্য্যকালৰ অন্তিম কাৰ্যসূচী আছিল নৱাগত আদৰণি সভা আৰু তাত মুখ্য সংগীত শিল্পী হিচাপে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰূপাংকৃতা কলিতা আৰু অলংকৃতা কলিতা (wonder sister) ক নিমন্ত্ৰণী শৰাই আগবঢ়াইছিলোঁ। আৰু নিৰ্দিষ্ট বক্তা হিচাপে জ্যেষ্ঠ সাংবাদিক অনুপম চক্ৰৱৰ্তী ডাঙৰীয়াক আমন্ত্ৰণ কৰি আনিছিলো। তেওঁলোকে নিজৰ নিজৰ প্ৰতিভাৰে সেই দিনটোত উপস্থিত সকলোকে মনোৰঞ্জন দিছিল আৰু দিনটো আটকধুনীয়া কৰিছিল।

মোৰ দায়িত্ব পালনত উপদেশ আৰু সহায়-সহযোগিতা আগবঢ়োৱা মোৰ শিক্ষাগুৰু আহমেদ মুকুট চৌধুৰী ছাৰ, ড° ৰঞ্জু ঠাকুৰীয়া বাইদেউ, মুনিন্দ্ৰ দাস ছাৰ, ড'' অমূল্য কলিতা ছাৰ, ৰাজীৱ দাস ছাৰ, ড'' জিতেন্দ্ৰ ডেকা ছাৰ, ভাৰতী মেধি বাইদেউলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। আৰু মোৰ বন্ধু- ৰেজাউল, হৃষিকেশ (বাবু), তিকলু, শশাংক, ভাস্কৰ, জয়প্ৰকাশ (গণেশ), নয়ন, ভৃগু, ভিতালী, ৰিকি, উজ্বল (বিকি), ইফটিকাৰ, ইমদাদ, শিখৰ, আজিজুৰৈলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত অজানিতে কৰা ভূলৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছোঁ আৰু শেষত আমাৰ মহান অনুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়, হাজো।

নিপু কলিতা
সম্পাদক, সাংস্কৃতিক বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৮-১৯ বৰ্ষ

সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিত যিসকল বীৰ বীৰাংগনাই অসম মাতৃৰ হকে যুঁজি অকালতে প্ৰাণ দি শ্ৰহীদ হ'ল সেইসকললৈ মোৰ ভক্তি ভৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

২০১৮-১৯ বৰ্ষৰ সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিনা প্ৰতিদন্দ্বিতাৰে নিৰ্বাচিত কৰি সমাজ সেৱাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়টোৰ সম্পাদক পদটিৰ বাবে মনোনীত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুবিধা কৰি দিয়াৰ বাবে এই সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সমাজসেৱা সমাজৰ এক গুৰুত্বপূৰ্ণ বিষয়। সুৰেন দাস মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মোৰ দায়িত্ব কিমান সুকলমে পালন কৰিছো সেয়া বিচাৰৰ দায়িত্ব আপোনালোকৰ হাতত তুলি দিলো। কিন্তু মই যিখিনি পাৰো সেইখিনি কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিলো। মোৰ কাৰ্য্য কালত মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। মহাবিদ্যালয়খনক পৰিষ্কাৰ আৰু পৰিপাটিকৈ ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মনত এক নতুন চেতনা যোগাই তোলাৰ উদ্‌গণি যোগাবলৈ মহাবিদ্যালয় চৌহদত বৃক্ষৰোপণ কৰা হয়। মহাবিদ্যালয় সপ্তাহত আৰু উদ্‌যাপিত বিভিন্ন উৎসৱ অনুষ্ঠানটো সমাজসেৱা বিভাগে সহায়-সহযোগিতা আগবঢ়ায়।

মোৰ এবছৰীয়া কাৰ্য্যকালত সকলো সময়ত দিহা পৰামৰ্শ দিয়া সমাজসেৱা বিভাগৰ তত্বাৱধায়ক ৰাজীৱ দাস ছাৰৰ ওচৰত সদায় কৃতজ্ঞ। ছাৰক বিশেষভাৱে ধন্যবাদ জনালোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভূল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো। সদৌ শেষত সুৰেন দাস মহাবিদ্যালয় এখন জাকত জিলিকা মহাবিদ্যালয় হওক, তাকেই মনে-প্ৰাণে কামনা কৰিছোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

ধন্যবাদেৰে —

ৰেজাউল হুছেইন
সম্পাদক, সমাজ সেৱা বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৮-১৯ বৰ্ষ

ছাত্র কল্যাণ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল অসম শ্বহীদে অসমৰ মান ৰক্ষা কৰিবলৈ অসমী আইৰ চৰণ ধুৱালে সেই সকল বীৰ শ্বহীদৰ লগতে যি সকলৰ সহায়-সহযোগিতা আৰু দান-বৰঙণিৰে হাজো সুৰেন দাস মহাবিদ্যালয় প্ৰতিষ্ঠা লাভ কৰিছিল সেই চিৰনমস্য ব্যক্তি সকলক মই প্ৰণাম জনাই শ্ৰদ্ধাৰে সুৰবিছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ মূৰ দোৱাইছোঁ। আপোনাসৰে ছাত্ৰ কল্যাণ বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মোক যি দায়িত্ব অৰ্পন কৰিলে তাৰ বাবে মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ কল্যাণ বিভাগৰ সম্পাদক হিচাপে বাচনি হৈ মোৰ দায়িত্ব কিমান সুচাৰুৰূপে পালন কৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য কিন্তু পৰাপক্ষত মই যিখিনি পাৰো কৰিবলৈ চেষ্টা কৰিছোঁ।

ছাত্ৰ জিৰণি কোঠাটো আৰু অলপ উন্নত কৰাৰ বাবে চেষ্টা কৰিছিলো যদিও মহাবিদ্যালয়ৰ আৰ্থিক পুঁজিৰ অভাৱৰ বাবে মোৰ কাৰ্য কালত কোঠাটো বিশেষ একো মেৰামতি কৰিব নোৱাৰিলোঁ। আনহাতে মহাবিদ্যালয়ৰ সপ্তাহত মোৰ ভাগত থকা প্ৰতিযোগিতা সমূহ সুকলমে চলাই নিয়াৰ লগতে এইক্ষেত্ৰত সহায়-সহযোগিতা তথা পৰামৰ্শ আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল আৰু বন্ধু-বান্ধৱীসকলে সহায় কৰাৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি সুৰেন দাস মহাবিদ্যালয়ৰ সর্বতো প্ৰকাৰৰ উন্নতি কামনা কৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

ধন্যবাদেৰে—

ইমদাদ আহমেদ
সম্পাদক, ছাত্ৰ কল্যাণ বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৮-১৯ বৰ্ষ

সভাপতিৰ প্ৰতিবেদন

দেশ আৰু জাতিৰ হ'কে প্ৰাণ বলি দিয়া বীৰ শ্বহীদ সকলৰ কথাৰে, সাহিত্যৰ কথাৰে অথবা এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত আজিৰ আই-মাতৃৰ কথাৰে আৰম্ভণিতে কওঁ এয়া কোনো তত্ত্ব গধূৰ কথাৰে সমৃদ্ধ সাহিত্য, শিক্ষা অথবা সমাজ ব্যৱস্থাৰ দলিল নহয়। এয়া এজন ছাত্ৰ হিচাপে অথবা নৱ প্ৰজন্মৰ সদস্য হিচাপে ভৱিষ্যতৰ সমাজখনৰ বাবে দেখা সপোন, বর্তমান সমাজ তথা শিক্ষা ব্যৱস্থাৰ প্ৰতি থকা ক্ষোভ, তাক শুধৰাবৰ বাবে আমাৰ দ্বায়িত্ব বোধ, কৰণীয় ইত্যাদিৰ ভৰপুৰ এখন ছবি দাঙি ধৰিবৰ প্ৰয়াস হে মাথো।

'সঙ্গম' সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সপোনৰ জীৱন্ত ছবি। আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ সপোনবোৰ প্ৰস্ফুটিত হোৱাত কিমান দূৰ সফল হৈছে সেয়া ক'ব নোৱাৰো কিন্তু প্ৰয়াস কৰিছোঁ ইয়াক আগুৱাই লৈ যাবলৈ।

সুৰেন দাস মহাবিদ্যালয়ৰ ২০১৯-২০ বর্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে কার্যভাৰ লৈ মই নিজকে গৌৰৱান্বিত অনুভৱ কৰিছিলোঁ। কিন্তু সমগ্ৰ বিশ্বতে দেখা দিয়া ক'ভিদ-১৯ মহামাৰীৰ বাবে মহাবিদ্যালয় বন্ধ আছিল। সেয়ে আশা কৰামতে কোনো কাম ভালদৰে কৰিব নোৱাৰিলোঁ। সেয়েহে আগন্তুক ছাত্ৰ একতা সভাৰ সদস্য সকলে যাতে কামবোৰ সম্পূর্ণ ভাৱে কৰে এয়াই মোৰ আশা থাকিল।

মোৰ কার্যকালত সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ডঁ হিৰণ্য কুমাৰ শর্মা ছাৰ প্ৰমুখ্যে যি সকল সদাশয় ব্যক্তিয়ে মোক সহায় তথা দিহা পৰামর্শ আগবঢ়াইছিল তেখেত সকলৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম। তদুপৰি মোক সহায়-সহযোগিতা আগবঢ়াই অহা বন্ধু-বান্ধৱী আৰু ছাত্ৰ একতা সভাৰ সকলো বিভাগীয় সম্পাদক-সম্পাদিকা সকলক এই চেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সুৰেন দাস মহাবিদ্যালয়ৰ এজন শিক্ষার্থী হিচাপে সদায় মহাবিদ্যালয়ৰ হিতৰ বাবে কাম কৰি যোৱাৰ প্ৰতিশ্রুতিৰে—

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

আব্দুল মতিন
সভাপতি
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ

উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দেশ বুলিলে নালাগে আদেশ বুলি নিজ দেশৰ অস্তিত্বৰ যুঁজত অসম মাতৃৰ সন্মান ৰক্ষাৰ্থে নিজৰ প্ৰাণ আহুতি দিবলৈ কুণ্ঠাবোধ নকৰি নিৰ্ভীকভাৱে যুঁজি যিসকলে নিজৰ বুকুৰ কেঁচা তেজ বোঁৱালে সেই সকল শ্বহীদ তথা সংগ্ৰামী সতীৰ্থলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

হাজো সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰধান উদ্দেশ্য হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন সুবিধা-অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ নিয়মানুৱৰ্তিতা আৰু শৈক্ষিক পৰিৱেশ অটুত ৰখা। বিগত বৰ্ষত ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ বাবে আমাৰ ছাত্ৰ একতা সভাই বিভিন্ন পন্থা হাতত লৈছিল।

সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনিত এবছৰ সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মানুহ মাত্ৰেই ভুল হয়, ময়ো যদি মোৰ কাৰ্যকালত আৱেগৰ বশৱৰ্তী হৈ ভুল কৰিছিলোঁ তাৰবাবে মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলৰ ওচৰত ক্ষমা মাৰ্জনা বিচাৰিছোঁ। অৱশেষত এই মহান শিক্ষানুষ্ঠান হাজো সুৰেন দাস মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি আৰু মঙ্গল কামনা কৰি মই মোৰ চমু প্ৰতিবেদনখনিৰ ইমানতে সামৰণি মাৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

ইফ্‌তিকাৰ হুছেইন
উপ-সভাপতি
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

পঞ্চতীৰ্থৰ মিলনভূমি হাজোত ১৯৭৯ চনৰ ২৯ আগষ্ট তাৰিখে স্থাপন হোৱা সুৰেন দাস মহাবিদ্যালয় এই অঞ্চলটোৰ বাবে ঈশ্বৰৰ এক আশীৰ্বাদস্বৰূপ। সুকলমে ৪০ বছৰ অতিক্ৰম কৰা আমাৰ মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী ও ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰদ্ধা, মৰম, সন্মান অবিচলিতভাৱে প্ৰৱাহমান হৈ আছে আৰু ভৱিষ্যতেও থাকিব বুলি মোৰ বিশ্বাস। সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্দেশ্য হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা-অসুবিধাৰ প্ৰতি লক্ষ্য ৰখা আৰু মহাবিদ্যালয়ৰ নিয়মাৱলী, শৈক্ষিক পৰিৱেশ ও সৰ্বাংগীন দিশ অটুত ৰখা। বিগত বৰ্ষত বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ, বিশেষকৈ ক'ৰণা মহামাৰী আৰু ৰাজ্যৰ পৰিস্থিতিৰ ফলত কৰিবলগীয়া বহুতো কাৰ্যকলাপ আৰু অনুষ্ঠান কাৰ্যকৰী কৰা সম্ভৱ হৈ নুঠিল। আনন্দৰ বিষয় এই যে এইবেলি আমাৰ মহাবিদ্যালয়ত অধ্যক্ষ মহোদয় আৰু সকলো শুভাকাঙ্ক্ষীৰ আপ্ৰাণ চেষ্টাত বিজ্ঞান শাখাৰ চৰকাৰী অনুমোদনৰ লগতে B.Voc পাঠ্যক্ৰম আৰম্ভ হৈছে। সুৰেন দাস মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে এই পৱিত্ৰ তথা মহান শিক্ষানুষ্ঠানখনত এবছৰ সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ সমৰ্থনক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সম্ভৱতঃ মোৰ কাৰ্যকালত জনা-নজনাকৈ হয়তো বুজা-নুবুজাকৈ বহুতো ভুল হৈছে তাৰ কাৰণে মই মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত ক্ষমা মাৰ্জনা বিচাৰিছোঁ।

অৱশেষত এই মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি তথা মঙ্গল কামনা কৰি মই মোৰ প্ৰতিবেদনখনি সামৰণি মাৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

আবুল কালাম
সাধাৰণ সম্পাদক
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ

সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই যিসকল বীৰ শ্বহীদে আমাৰ বাবে প্ৰাণ আহুতি দি গ'ল সেই পৰম পূজ্য বীৰ শ্বহীদসকলক মই শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। দ্বিতীয়তে মহাবিদ্যালয়ৰ জন্মলগ্নৰ পৰা জড়িত হৈ থকা পৰলোকগত আৰু জীৱিত ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে মই আমাৰ সুৰেন দাস মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ প্ৰতি মোৰ সেৱা ধন্যবাদ জনাব বিচাৰিছোঁ।

সুৰেন দাস মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ নিৰ্বাচন মণ্ডলীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সহঃ সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ ঠিক তিনিমাহ পিছতেই ক'ৰোনা মহামাৰীয়ে বিশ্বতে তাণ্ডৱৰ সৃষ্টি কৰাৰ ফলত শিক্ষানুষ্ঠানসমূহ সম্পূৰ্ণৰূপে বন্ধ হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত আমাৰ কাৰ্যত যথেষ্ট ব্যাঘাত জন্মে। যাৰ বাবে উন্নয়ন কৰাৰ তীব্ৰ ইচ্ছা স্বত্বেও আমি কাৰ্যসূচীসমূহ সূচাৰুৰূপে সম্পাদন কৰিব নোৱাৰিলোঁ। সহঃ সাধাৰণ সম্পাদক হিচাপে বাচনি হৈ মোৰ দায়িত্ব কিমান সুস্থ আৰু নিকাৰূপে পালন কৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য, কিন্তু যথাসম্ভৱ মই মোৰ চেষ্টাত ত্ৰুটি কৰা নাছিলোঁ।

মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা অমূল্য কলিতা, ড° আলি আকবৰ হুছেইন, ড° ৰঞ্জু ঠাকুৰীয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মা প্ৰমুখ্যে যিসকল সদাশয় ব্যক্তিয়ে মোক সহায় তথা সু দিহা-পৰামৰ্শ আগবঢ়াইছিল তেওঁলোকৰ ওচৰত মই চিৰঋণী হৈ ৰ'লো। তদুপৰি মোক সহায় কৰি অহা বুবুল, ছোনিয়া, মৃদুল, আমিনুল, জুমি, জেউতি, উজ্জ্বল, ছেহনাজ, তাজউল, মুছাদ্দিকুৰ আদি বন্ধু-বান্ধৱীৰ প্ৰতিও চিৰকৃতজ্ঞ হৈ ৰ'ম।

প্ৰতিবেদনৰ শেষত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি সহঃ সাধাৰণ সম্পাদকৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

ইমৰান হক চৌধুৰী

সহঃ সাধাৰণ সম্পাদক

সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা

২০১৯-২০ বৰ্ষ

ছাত্ৰ কল্যাণ বিভাগৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ শ্বহীদে তেওঁলোকৰ ভৱিষ্যত আমাৰ বৰ্তমানৰ বাবে উৎসৰ্গা কৰি থৈ গ'ল সেই বীৰ শ্বহীদ সকলক মই শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। দ্বিতীয়তে মহাবিদ্যালয়ৰ জন্মলগ্নত জড়িত থকা পৰলোকগত আৰু জীৱিত ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। মই আমাৰ সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধাৰে মূৰ দোঁৱাইছোঁ। লগতে ছাত্ৰ কল্যাণ বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মোক যি দ্বায়িত্ব অৰ্পণ কৰিলে তাৰবাবে মোৰ শ্ৰদ্ধাৰ শিক্ষা গুৰুসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কাৰ্যভাৰ পোৱাৰ কিছুদিন পাছতেই মহাবিদ্যালয়ত মহৰম অনুষ্ঠিত হৈছিল, তাত যথেষ্ট আগভাগ লৈছিলোঁ। তাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰিবলৈ চিঠি ছপা হৈছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে তেতিয়াৰ পৰা ক'ৰণা ভাই�ৰাছে দেশত মহামাৰীৰ ৰূপ ধা�ৰণ কৰিলে। যাৰ ফলত বিদ্যালয়, মহাবিদ্যালয়, চৰকাৰী-বেচৰকাৰী, অনুষ্ঠান-প্ৰতিষ্ঠান আদি সকলোবোৰ বন্ধ কৰি দিয়া হৈছিল। ফলত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰিব নোৱাৰিলোঁ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাটোৰ বাবে কৰিবলগীয়া বহুতো কাম আছে। কিন্তু দেশত এনে মহামাৰী ক'ৰণা ভাইৰাছৰ ফলত মহাবিদ্যালয়ত নিয়মিতভাৱে খোলা হোৱা নাছিল। যাৰফলত কৰিবলগীয়া বহুতো কাম কৰিব নোৱাৰিলোঁ। শেষত মই মোৰ কাৰ্যকালত নজনাকৈ যদি কিবা ভুল কৰিছোঁ তাৰ বাবে ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো। লগতে মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়।

জয় আই অসম।।

চামচুল হ'ক

সহঃ সাধাৰণ সম্পাদক

সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা

২০১৯-২০ বৰ্ষ

ছাত্রী কল্যাণ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ ৰক্ষাৰ বাবে যিসকল বীৰ শ্বহীদে প্ৰাণ আহুতি দিছিল সেই বীৰ শ্বহীদ সকললৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

সুৰেন দাস মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী কল্যাণ বিভাগৰ সম্পাদিকাৰ পদত নিৰ্বাচিত হৈ মহাবিদ্যালয়খনৰ বাবে সেৱা আগবঢ়াব পাই মই পৰম সুখী অনুভৱ কৰিছোঁ।

কাৰ্যভাৰৰ কেইদিনমান পিছতে মহাবিদ্যালয়ত মহৰম অনুষ্ঠিত হৈছিল, তাত আগভাগ লৈছিলোঁ। তাৰ কিছুদিন পিছতেই অনুষ্ঠিত হ'বলগীয়া আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ, তাৰবাবে আমি ছাত্ৰ একতা সভাৰ সদস্যবৃন্দই আয়োজন কৰিছিলো যদিও ক'ৰোণা ভাই�ৰাচৰ বাবে এই সকলোবোৰ বন্ধ কৰিব লগীয়া হয়। বহুদিন মহাবিদ্যালয় বন্ধ থকাৰ বাবে বিশেষ কোনো কাম কৰা নহ'ল যদিও মহাবিদ্যালয়ৰ ছাত্ৰী সকলক যিকোনো অসুবিধাৰ বাবে যিমান পাৰো সহায় কৰিবলৈ চেষ্টা কৰিছিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ বাবে কৰিবলগীয়া বহুখিনি কামেই বৈ আছে; সেইবাবে আশা ৰাখিলো আগন্তুক দিনত অধ্যক্ষ মহোদয়ে যেন এই কামবোৰ পূৰণ কৰি দিয়ে।

শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে কৰা ভুলৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছোঁ। তীৰ্থভূমিৰ উচ্চ শিক্ষাৰ অনুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়
জয় আই অসম।।

নাজমা চুলতানা
সম্পাদিকা, ছাত্ৰী কল্যাণ বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ

গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ বুলিলে নালাগে আদেশ বুলি নিজ দেশৰ অস্তিত্বৰ যুঁজত অসম মাতৃৰ সন্মান ৰক্ষার্থে নিজৰ প্ৰাণ আহুতি দিবলৈ কুণ্ঠাবোধ নকৰি নিৰ্ভীকভাৱে যুঁজি যিসকলে নিজৰ বুকুৰ কেঁচা তেজ বোঁৱালে সেই সকল শ্বহীদ তথা সংগ্ৰামী সতীৰ্থলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। হাজো সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেল সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদবীত দায়িত্বভাৰ অৰ্পণ কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, তথা মোৰ বন্ধু-বান্ধৱী আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ক্ৰীড়া হ'ল শাৰীৰিক আৰু মানসিক উত্তৰণৰ এক অন্যতম আহিলা। শাৰীৰিক আৰু মানসিক উত্তৰণৰ লগে লগে বৰ্তমান সময়ত ক্ৰীড়া দেশ এখনৰ, ৰাজ্য এখনৰ বা জাতি এটাৰ গৌৰৱৰো পৰিচয়ক হৈ পৰিছে। আমাৰ বোধেৰে ক্ৰীড়াৰ মাজত অন্তনিৰ্হিত হৈ থকা প্ৰকৃত সত্যটো হ'ল খেলুৰৈ সুলভ মানসিকতা। খেলত হৰা-জিকা ডাঙৰ কথা নহয়। কিদৰে খেল খেলা হয় সেয়াহে আচল কথা। এই মানসিকতাতে নিহিত হৈ থাকে খেলুৰৈ এজনৰ মহানতা, হৃদয়ৰ বিশালতা। মোৰ কাৰ্যকালত যেতিয়া মহাবিদ্যালয়ত খেল সপ্তাহ পালন কৰিব লৈছিলোঁ, ঠিক সেই সময়তে গোটেই বিশ্বতে ক'ৰোণা মহামাৰী দেখা দিছিল আৰু সেইবাবে সকলো অনুষ্ঠান, প্ৰতিষ্ঠান, স্কুল-কলেজ আদি বন্ধ কৰি দিয়া হৈছিল আৰু দেশত লকডাউন দিয়া হৈছিল। যাৰফলত হ'বলগীয়া মহাবিদ্যালয় খেল সপ্তাহ ৰখাই দিয়া হৈছিল। পিছত আকৌ যেতিয়া লকডাউন খুলি দিয়ে, তেতিয়া পুনৰবাৰ আকৌ নতুনকৈ ৩০/৩/২০২১ ৰ পৰা মহাবিদ্যালয়ত খেল সপ্তাহ পালন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহতে বিভিন্ন খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহ হ'ল- ফুটবল, ক্ৰিকেট, ভলীবল, কাবাদী, বেড্‌মিণ্টন, দৌৰ, বাস্কেটবল ইত্যাদি। ২০২০ চনৰ অসম সাহিত্য সভাত মহাবিদ্যালয়ৰ পৰা সাংস্কৃতিক সম্পাদিকাৰ লগত জিকিৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব গৈছিলোঁ। মই এজন খেল সম্পাদকে নহয় মহাবিদ্যালয়ৰ এজন ভাল ছাত্ৰ হিচাপে ও সকলো কামতে অংশগ্ৰহণ কৰিছিলোঁ, তাৰে ভিতৰত মহাবিদ্যালয়ৰ ফালৰ পৰা হোৱা NSS Campaining মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা নাটকত অভিনয় আৰু ক'ৰণা মহামাৰীৰ সময়ত মাস্ক, চেনিটাইজাৰ বিতৰণ কৰা ইত্যাদি এই সকলোবোৰ কামেই মই মোৰ কাৰ্যকালত কৰিছিলোঁ। সদৌ শেষত মোৰ কাৰ্যকালত বিভিন্ন সু দিহা-পৰামৰ্শৰ লগতে সহায়ৰ হাত আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ডঁ হিৰণ্য কুমাৰ শৰ্মা ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কাৰ্যকালত সু দিহা-পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱা আন দুগৰাকী শিক্ষা গুৰু অমূল্য কলিতা, জয়ন্ত কুমাৰ নাথ, দেৱাশিষ ভট্টাচাৰ্য, সংগীতা মেধী, ৰাহুল কেম্প্ৰাই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু মোক সকলো দিশতে সহায় কৰা মোৰ বন্ধু-বান্ধৱী লৈও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। মোৰ কাৰ্যকালটো নিয়াৰিকৈ চলাই নিবলৈ মই যথোপযুক্ত চেষ্টা চলাইছোঁ। তৎসত্ত্বেও মই যদি অজানিতে কাৰোবাৰ ওচৰত ভুল-ত্ৰুটি কৰিছোঁ তেন্তে মই বিনম্ৰভাৱে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। শেষত মহাবিদ্যালয়ৰ ভৱিষ্যত মঙ্গল কামনাৰে আৰু পুনৰবাৰ ক্ষমা বিচাৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি কৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

জয়নাল আলী
সম্পাদক, গুৰু খেল বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ

সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

তীর্থনগৰী হাজোত ১৯৭৯ চনৰ ২৯ আগষ্ট তাৰিখে জন্ম হোৱা সুৰেন দাস মহাবিদ্যালয়খন হাজোবাসীৰ লগতে ইয়াৰ ওচৰ-চুবুৰীয়া অঞ্চলসমূহৰ বাবে এক ডাঙৰ উপহাৰ। দুকুৰি বছৰ অতিক্ৰম কৰা আমাৰ এই পৱিত্ৰ মহাবিদ্যালয়খনৰ শিক্ষাগুৰুৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰদ্ধা, ভক্তি আৰু সন্মান বিৰামহীনভাৱে অব্যাহত হৈ আছে আৰু অনাদি অনন্তকাললৈ এই যাত্ৰা অব্যাহত হৈ থাকিব বুলি মই ভাবো।

সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা-অসুবিধা, মহাবিদ্যালয়খনৰ আইন-শৃংখলাৰ লগতে শৈক্ষিক পৰিৱেশৰ দিশবোৰ তদাৰক কৰাই হৈছে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মূল উদ্দেশ্য। সমগ্ৰ পৃথিৱীক অশান্ত কৰা ক'ৰোনা মহামাৰীৰ বাবে আমাৰ মহাবিদ্যালয়ত বহুতো কার্যক্ৰম সফল হৈ নুঠিল। আমাৰ মহাবিদ্যালয়ত অধ্যক্ষ ডº হিৰণ্য কুমাৰ শর্মা মহোদয়ৰ লগতে আন শুভাকাংক্ষীৰ প্ৰচেষ্টাত বিজ্ঞান শাখাৰ চৰকাৰী অনুমোদন লগতে B. VOC পাঠ্যক্ৰমে স্বীকৃতি পাইছে। সাংস্কৃতিক সম্পাদিকা হিচাপে এই পৱিত্ৰ মহাবিদ্যালয়ত আগবঢ়োৱা এবছৰীয়া সেৱাত মোক সহায় কৰা শিক্ষাগুৰুৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক সেৱা যাঁচিছো। মোৰ এই কার্যকালত বহুতো ভুল-ত্ৰুটি হ'ব পাৰে তাৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰশাসনীয় ভৱনৰ সমূহ কর্মচাৰীবৃন্দৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

শেষত মহাবিদ্যালয়ৰ উন্নতি তথা মঙ্গলৰ লগতে দীর্ঘায়ু কামনা কৰি মই মোৰ প্ৰতিবেদনখনি সামৰণি মাৰিলো।

জয়তু সুৰেন দাস মহাবিদ্যালয়।

জয় আই অসম।।

জ্যোতিষ্মিতা ৰাজবংশী

সম্পাদিকা, সাংস্কৃতিক বিভাগ

সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা

২০১৯-২০ বর্ষ

তর্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণাহুতি দিয়া শত শত শ্বহীদলৈ মোৰ অশ্ৰুভৰা শ্ৰদ্ধা যাঁচিছো লগতে জন্মভূমি আৰু জাতিৰ কাৰণে যিসকলে বুকুৰ কেঁচা তেজ ঢালি দেশপ্ৰেমৰ ইতিহাস লিখি গ'ল, সেই সকল বীৰ শ্বহীদলৈ, সেই সকল সংগ্ৰামী সতীর্থলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

হাজো সুৰেন দাস মহাবিদ্যালয়ৰ ২০১৯-২০২০ বর্ষৰ ছাত্ৰ একতা সভাৰ "তর্ক" বিভাগৰ পদবীত দায়িত্বভাৰ অর্পণ কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু কর্মীবৃন্দলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

মোৰ দায়িত্ব আছিল তর্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতাসমূহ চলাই নিয়া, কিন্তু ২০১৯ চনৰ শেষৰ ফালৰ পৰা অর্থাৎ ডিচেম্বৰ মাহ মানৰ পৰা পৃথিৱীত দেখা দিয়া ক'ৰোনা ভাই�ৰাচৰ বাবে ২০২০ৰ খেল সপ্তাহৰ পূর্বেই অসমত হোৱা লকডাউনৰ বাবে কলেজত খেল সপ্তাহ অনুষ্ঠিত নহ'ল। কিন্তু ২০২০ৰ শেষভাগত কলেজ খোলাত খেল সপ্তাহ চলাত মই মোৰ দায়িত্ব পালন কৰি গোটেইকেইখন প্ৰতিযোগিতা পাতিবলৈ সক্ষম হৈছিলো।

সদৌ শেষত মোৰ কার্যকালত সকলো দিশত সহায় কৰা মোৰ শিক্ষাগুৰু শ্ৰদ্ধাৰ জয়ন্ত কুমাৰ দাস ছাৰ, অমূল্য ছাৰ, মোৰ বন্ধু নয়ন, কংকন, সঞ্জীৰ, নিপু, শশাংকহঁতলৈ মোৰ তৰফৰ পৰা আন্তৰিক শুভকামনা জনালো। লগতে মোৰ কার্যকালত নানা দিশত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সমূহ বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰুসকলৰ পৰা ক্ষমা প্ৰার্থনা বিচাৰিছো।

হাজো সুৰেন দাস মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু সুৰেন দাস মহাবিদ্যালয়।

জয় আই অসম।।

ৰিদিপ ভাণ্ডাৰ কায়স্থ

সম্পাদক, তর্ক বিভাগ

সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা

২০১৯-২০ বর্ষ

শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিয়ে স্বদেশ আৰু স্বজাতিৰ কাৰণে প্ৰাণ আহুতি দি দেশপ্ৰেমৰ চানেকি থৈ গ'ল সেইসকল বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। হাজো সুৰেন দাস মহাবিদ্যালয়খন যিসকল মহান ব্যক্তিৰ সহায়-সহযোগিতাত আৰু দান-বৰঙণিৰ ফলত প্ৰতিষ্ঠা লাভ কৰিছিল সেই চিৰনমস্য ব্যক্তি সকলক মই প্ৰণাম জনাই শ্ৰদ্ধাৰে সুৰবিছোঁ। মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধাৰে মুৰ দোৱাইছোঁ। শৰীৰ চৰ্চা সম্পাদকৰ পদত নিৰ্বাচিত কৰি মোক যি গুৰু দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মই শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কাৰ্যভাৰৰ কিছুদিন পাছতেই মহাবিদ্যালয়ত মহৰম অনুষ্ঠিত হৈছিল, তাত যথেষ্ট আগ-ভাগ লৈছিলোঁ। তাৰ কিছুদিন পিছতে শ্ৰীশ্ৰীসৰস্বতী পূজা অনুষ্ঠিত হৈছিল আৰু তাতো মই যথেষ্ট আগ-ভাগ লৈছিলোঁ। এমাহ মান পিছতে মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰাৰ বাবে সকলো ধৰণৰ কাম-কাজ আৰম্ভ হৈছিলে, কিন্তু দুৰ্ভাগ্যক্ৰমে ক'ৰোণা মহামাৰিৰ বাবে গোটেই বিশ্বতেই যেতিয়া স্কুল-কলেজ, অফিচ-কাছাৰী ইত্যাদি বন্ধ হৈছিল আৰু দেশত লকডাউন চলিছিল, এই লকডাউনৰ কাৰণে আমাৰ মহাবিদ্যালয়ৰ হ'বলগীয়া বাৰ্ষিক ক্ৰীড়া সপ্তাহ ৰখাই দিয়া হৈছিলে। পিছত যেতিয়া সমগ্ৰদেশত লকডাউন খুলিদিয়া হৈছিল। তেতিয়া পুনৰবাৰ আকৌ মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহ পালন কৰা হয়।

শৰীৰ চৰ্চা হ'ল শাৰীৰিক আৰু মানসিক উত্তৰণৰ এক অন্যতম আহিলা। মোৰ কাৰ্যকালত মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহত শৰীৰ চৰ্চা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহ হ'ল দেহশ্ৰী প্ৰতিযোগিতা, পাঞ্চা, পুছ আপ প্ৰতিযোগিতা ইত্যাদি। আৰু ইয়ালে ভিতৰত মই পাঞ্জা, পুছ আপক ধৰি আৰু কেইবাখনো খেলত প্ৰথম স্থান দখল কৰিছিলোঁ। মই মোৰ কাৰ্যকালত ২২/২/২০২০ তাৰিখে মহাবিদ্যালয়ৰ তৰফৰ পৰা ছাত্ৰ একতা সভাৰ খেল সম্পাদক জয়নাল আলীৰ লগত আৰু শ্ৰদ্ধাৰ মুখতাৰ হুছেইন ছাৰৰ লগত আমি মহাবিদ্যালয়ৰ কেইজনমান ছাত্ৰ-ছাত্ৰী গুৱাহাটী ইউনিভাৰ্চিটিৰ কলেজ ইফেলিটিষ্ক আৰু বক্সিং চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিব গৈছিলো। মই ১/২/২০২০ ত মহাবিদ্যালয়ৰ পৰা ছাত্ৰএকতা সভাৰ সাংস্কৃতিক সম্পাদক, খেল সম্পাদক আৰু কেইবাজন সম্পাদক-সম্পাদিকাৰ লগত লগ হৈ আমি অসম সাহিত্য সভাত জিকিৰ-জাৰিৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলোঁ। মই মোৰ কাৰ্যকালত নাটক, বাটৰ নাট আদিত অভিনয় কৰাৰ বাবে অংশগ্ৰহণ কৰিছিলোঁ। মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ বন্ধ হৈ থকা শৰীৰ চৰ্চা কেন্দ্ৰটো শুভ মুকলি কৰিছিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত সকলো দিশত সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত বিভিন্ন সু-দিহা পৰামৰ্শৰ লগতে সকলো দিশত সহায়-সহযোগিতা আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ ড° হিৰণ্য কুমাৰ শৰ্মা ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কাৰ্যকালত সু-দিহা পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা আন চাৰিগৰাকী শিক্ষাগুৰু ড° আলী আকবৰ হুছেইন, অনিৰুদ্ধ মেধী, নৱদীপ কলিতা ড° মুকেশ শৰ্মা আৰু ৰঞ্জু ঠাকুৰীয়া বাইদেউলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি মোক সকলো কামত সহায়-সহযোগিতা কৰি অহা খেল সম্পাদক জয়নাল আলী, বেগম মনিজা আখটাৰ, ইমদাদ আলী আদি বন্ধু-বান্ধৱীৰ ওচৰতো মই চিৰকৃতজ্ঞ হৈ থাকিম। মোৰ কাৰ্যকালত নানা দিশত অজানিতে হোৱা ভুল-ত্ৰুটি বা সমূহ শিক্ষাগুৰু সকলৰ পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। শেষত এই মহান শিক্ষানুষ্ঠান হাজো সুৰেন দাস মহাবিদ্যালয়ৰ উন্নতি আৰু উজ্বল ভৱিষ্যত কাম কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

ওচমান আলী
সম্পাদক, শৰীৰ চৰ্চা বিভাগ
সুৰেন দাস মহাবিদ্যালয়, ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ

LIST OF TEACHING STAFF

ARTS STREAM

Department of Assamese

Dr. Ranju Thakuria (HoD)	Assistant Professor	M.A. Ph.D.
Dr. Binita Baishya	Assistant Professor	M.A. (Double), M.Phil., Ph.D.
Mr. Rahul Kuli	Assistant Professor	M. A., M.Phil. (NET)
Mrs. Sumi Kathar	Assistant Professor	M. A. (NET, SLET)
Dr. Bhanita Nath	Assistant Professor	M. A., Ph. D. (NET)

Department of Economics

Mr. Ahmed Mukut Choudhury (HoD)	Assistant Professor	M.A., (SLET)
Mrs. Chayanika Goswami	Assistant Professor	M.A., M. Phil. B. Ed., (NET)
Mrs. Bandita Deka	Assistant Professor	M.A., M. Phil., (NET)

Department of Education

Dr. Binita Das (HoD)	Assistant Professor	M. A., Ph.D.
Dr. Binita Devi	Assistant Professor	M. A., B. Ed., M. Phil. Ph.D.
Dr. Papari Deka Choudhury	Assistant Professor	M. A., M.Phil., Ph. D.

Department of English

Dr. Ali Akbar Hussain (HoD)	Associate Professor	M.A., B.Ed., Ph. D.
Mr. Biswajit Kalita	Assistant Professor	M.A., M. Phil.
Dr. Rupanjoli Hazarika	Assistant Professor	M.A.(Double), B.Ed., M. Phil., Ph. D.
Mr. Aniruddha Medhi	Assistant Professor (Cont.)	M. A. (NET)

Department of Political Science

Dr. Ripima Buzarbaruah (HoD)	Associate Professor	M. A., L.L.B, Ph. D.
Dr. Ramen Medhi	Associate Professor	M. A., Ph. D.
Dr. Arup Kumar Deka	Assistant Professor	M. A., M. Phil., Ph. D.
Dr. Nirmalee Kakati	Assistant Professor	M.A., B.Ed., Ph. D.

Department of History

Dr. Amulya Kalita (HoD)	Assistant Professor	M. A., M. Phil.,Ph.D.
Mrs. Trikha Rani Das	Assistant Professor	M. A.,M.Phil,(NET.,SLET)

Department of Geography

Dr. Jayanta Kumar Das(HoD)	Assistant Professor	M. A., M. Phil.,Ph. D., B. Ed.
Mrs. Bharati Medhi	Assistant Professor	
(Non-Sanctioned)	M. A. (NET.,SLET)	

Department of Linguistics

Mr. Munindra Das (HoD)	Assistant Professor	M. A., M. Phil.

Department of Folklore

Mrs. Monmi Kakati (HoD)	Assistant Professor	M. A., PGD in ELT

Department of Philosophy

Mrs. Sabita Kalita (HoD)	Assistant Professor	M. A., B. Ed.
	(Non-Sanctioned)	

Department of Computer Science & Application

Mrs. Mridula Devi	Assistant Professor (Cont.)	MCA
Mr. Ranjan Deka	Assistant Professor (Cont.)	MCA, (NET, GATE)

SCIENCE STREAM

Department of Mathematics

Mr. Rajib Das (HoD)	Assistant Professor	M. Sc., M. Phil.
Dr. Kanan Kumari Ojah	Assistant Professor	M. Sc., Ph. D., (SLET)
Dr. Himashree Kalita	Assistant Professor	M. Sc., Ph. D., M.Phil.,(SLET)
Dr. Pranab Jyoti Parashar	Assistant Professor	M. Sc., Ph. D., (NET)

Department of Physics

Mr. Amar Das (HoD)	Assistant Professor	M. Sc., (SLET)
Ms. Jyotishmita Doley	Assistant Professor	M. Sc., (NET)
Mr. Naba Kumar Kalita	Assistant Professor	M. Sc., (NET)

Department of Chemistry

Dr. Mukesh Sharma (HoD)	Assistant Professor	M. Sc., Ph. D., (SLET)
Mr. Rahul Kemprai	Assistant Professor	M. Sc., (NET)
Dr. Gitashree Darabdhara	Assistant Professor	M. Sc., Ph. D.

Department of Botany

Ms. Debanjali Saikia (HoD)	Assistant Professor	M. Sc., M. Phil., (SLET)
Mr. Debasish B. Krishnatreya	Assistant Professor	M. Sc., (SLET)
Ms. Rashmeeta Hajowary	Assistant Professor	M. Sc., M. Phil., (NET)

Department of Zoology

Dr. Sangita Medhi (HoD)	Assistant Professor	M. Sc., Ph. D., B.Ed (SLET)
Ms. Amilee Konwar	Assistant Professor	M. Sc., (SLET)
Mr. Jayanta Kumar Nath	Assistant Professor	M. Sc., (NET, SLET)

B. VOC.

Department of Medical Laboratory Technician

Mr. Saidul Islam	Microbiology
Ms. Nazma Haptula	Bio-Chemistry
Dr. Diganta Kr. Sharma(Honorary)	Pathologist
Dr. Ashok Sharma (Honorary)	Pathologist
Dr. Sangita Medhi	Guest Faculty
Mr. Jayanta Kumar Nath	Guest Faculty
Dr. Mukesh Sharma	Guest Faculty
Mr. Debasish Bhattacharjee	Guest Faculty
Ms. Amilee Konwar	Guest Faculty
Mr. Rahul Kemprai	Guest Faculty
Mr. Bikash Bania	Guest Faculty

Department of Dress Designing & Tailoring

Mr. Naba Kumar Das	Guest Faculty
Mr. Nayanjyoti Bharali	Guest Faculty

Department of Tourism & Hospitality Management

Ms. Debahuti Barpujari	Guest Faculty

ADMINISTRATIVE STAFF

Dr. Hiranya Kumar Sarma, M.Sc., PGDBL, Ph.D.	Principal
Mr. Champak Choudhury	Senior Assistant
Mr. Kishor Kumar Das	Junior Assistant
Mr. Nayanjyoti Baishya	Laboratory Assistant
Mr. Surya Kanta Bharali	Office Bearer

Mr. Ratan Baruah	Gate Man (Cont.)
Mr. Gabinda Malakar	Peon (Cont.)
Mr. Khagen Das	Lab. Bearer (Cont.)
Mr. Tankeswar Das	Electrician (Cont.)
Mr. Dipak Ch. Baishya	Night Chowkidar (Cont.)
Mr. Krishnakar Ojah	Dept. Bearer (Cont.)
Mr. Pulak Das	Night Chowkidar (Cont.)

LIBRARY STAFF

Mr. Hirendra Nath Bhattacharyya, M.Sc. Lib. Sc.,	Librarian
Vacant	Library Assistant
Mr. Kamal Krishna Das,	Library Bearer (Cont.)
Mrs. Dipamoni Bharali Hatkhowa	Library Bearer (Cont.)

COMMITTEES OF THE COLLEGE, SESSION: 2022-23

Name of the Committee/Cell	Name of the Co-ordinator	Contact Number
Internal Quality Assurance Cell	Dr. Ripima Buzarbaruah	9101560942
Academic Cell	Dr. Ali Akbar Hussain	8011268633
RUSA	Mr. Biswajit Kalita	8822789736
UGC-Nodal Officer	Mr. Rahul Kuli	7086529660
B. Voc. Nodal Officer	Ahmed Mukut Choudhury	9101094219
Public Information Officer (RTI)	Mr. Biswajit Kalita	8822789736
Asstt. Public Information Officer	Dr. Arup Kumar Deka	7002776550
Institution Innovation Cell (IIC, Convener)	Dr. Gitashree Darabdhara	9365113487
Research Cell	Dr. Amulya Kalita	9706636835
Yuva Arohan Nodal Officer	Ahmed Mukut Choudhury	9101094219
Extension Cell	Mr. Biswajit Kalita	8822789736
Mentoring Committee	Mr. Jayanta Kumar Das	8723845596
Gender Sensitization Committee	Ms. Bharati Medhi	7578964321
Grievance Redressal Cell	Mr. Munindra Das	8472017378
Discipline & Anti-ragging Committee	Mr. Munindra Das	8472017378
Counselling Committee	Dr. Binita Devi	9864036559

Cleanliness & Beautification Committee	Dr. Binita Das	9864014601
Feedback Committee	Dr. Arup Kumar Deka	7002776550
Information and Career Guidance Cell	Ahmed Mukut Choudhury	9101094219
N.S.S. Advisory Committee	Mr. Rajib Das	9864201241
Students' Welfare Committee	Dr. Amulya Kalita	9706636835
Allumni Committee	Dr. Ranju Thakuria	8404022355
Women's Studies Cell	Dr. Rupanjoli Hazarika	6003553364
ICT in Education Cell	Mr. Biswajit Kalita	8822789736
Canteen Committee	Ms. Monmi Kakati	8638513082
Prospectus Preparation Committee	Dr. Ali Akbar Hussain	8011268633
Admission Committee	Dr. Ali Akbar Hussain	8011268633
Routine Preparation Committee	Dr. Ali Akbar Hussain	8011268633
Library Advisory Committee	Mr. Hirendra Nath Bhattacharyya	9854980083
Green Campus Committee	Dr. Rupanjoli Hazarika	6003553364
Innovation and Intellectual Property Cell	Dr. Jayanta Kr. Das	8723845596
Equal opportunity Cell	Mr. Ranjan Deka	7002714586
B.Voc Advisory Committee	Ahmed Mukut Choudhury	9101094219
Transport Committee	Mr. Munindra Das	8472017378

◈ ◈ ◈

সুৰেন দাস মহাবিদ্যালয়ৰ বৰ্তমানলৈ প্ৰকাশিত আলোচনীসমূহৰ তত্ত্বাৱধায়ক আৰু সম্পাদকসকলৰ তালিকা

ক্ৰমিক সংখ্যা	সংখ্যা	চন	সম্পাদক	তত্ত্বাৱধায়ক
১	১ ম	১৯৮৭-৮৮	আছান উল্লাহ আহমেদ	জ্যোতিষ চন্দ্ৰ বৰ্মন
২	২ য়	১৯৮৮-৮৯	গৌতম শইকীয়া	জ্যোতিষ চন্দ্ৰ বৰ্মন
৩	৩ য়	১৯৯০-৯১	প্ৰবীন মেধি	বিষ্ণুকান্ত শৰ্মা
৪	৪ র্থ	১৯৯১-৯২	আফজল হুছেইন	লোপা ডেকা বৰুৱা
৫	৫ র্থ, ৬ ষ্ঠ	১৯৯২-৯৩, ১৯৯৩-৯৪	পলাশ কুমাৰ ডেকা খনিন্দ্ৰ দাস	লোপা ডেকা বৰুৱা
৬	৭ ম	১৯৯৯-২০০০	বিপুল মালাকৰ	প্ৰসন্ন কুমাৰ চহৰীয়া
৭	৮ ম	২০০২-২০০৩	সঞ্জীৱ কুমাৰ ডেকা	বিষ্ণুকান্ত শৰ্মা
৮	৯ ম, ১০ ম	২০০৩-০৪, ২০০৪-০৫	মাধৱ চন্দ্ৰ দাস	ড° জ্যোতিষ চন্দ্ৰ বৰ্মন
৯	১১ শ	২০০৬-২০০৭	জেবিন দেৱান	বিশ্বজিৎ কলিতা
১০	১২ শ	২০০৭-২০০৮	ব্ৰজেন চন্দ্ৰ মালাকাৰ	বিশ্বজিৎ কলিতা
১১	১৩ শ	২০০৮-২০০৯	ব্ৰজেন চন্দ্ৰ মালাকাৰ	বিশ্বজিৎ কলিতা
১২	১৪ শ, ১৫ শ	২০০৯-১০, ২০১০-১১	জিয়াউল হ'ক পাৰ্থপ্ৰতীম ৰাজবংশী	মুনীন্দ্ৰ দাস, ৰাজীৱ দাস, জয়ন্ত কুমাৰ দাস
১৩	১৬ শ	২০১১-১২	মইদুল ইছলাম	ড° গীতা ডেকা, বিশ্বজিৎ কলিতা
১৪	১৭ শ, ১৮ শ	২০১২-১৩, ২০১৩-২০১৪	আছিক ইকবাল মিৰ্জাদুৱ ৰহমান	ড° গীতা ডেকা, বিশ্বজিৎ কলিতা
১৫	১৯ শ	২০১৪-১৫	সুৰৎ জামাল	ড° গীতা ডেকা, ড° ৰীপিমা বুজৰবৰুৱা
১৬	২০ শ	২০১৫-১৬	চহিদুল ইছলাম	ড° ৰীপিমা বুজৰবৰুৱা
১৭	২১ শ আৰু ২২ শ (একত্ৰে)	২০১৬-১৭ আৰু ২০১৭-১৮	মহিদুল ইছলাম ৰঞ্জুমা বেগম	ৰাজীৱ দাস জয়ন্ত কুমাৰ দাস
১৮	২৩ শ (একত্ৰে)	২০১৮-২০১৯	শিখৰজ্যোতি দাস	ড" মীনা কুমাৰী দেৰী
		২০১৯-২০২০ ২০২০-২০২১	তৌহীদুল ইছলাম	ড" ৰঞ্জু ঠাকুৰীয়া

মহাবিদ্যালয়ৰ গৌৰৱ

ড° অমূল্য কলিতা (বুৰঞ্জী বিভাগ)
পি.এইচ.ডি. ডিগ্ৰী লাভ

ড° ৰূপাঞ্জলী হাজৰিকা (ইংৰাজী বিভাগ)
পি.এইচ.ডি. ডিগ্ৰী লাভ

দিক্ষীতা ঠাকুৰীয়া
সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত স্নাতক (২০১৯-২০)

চেমিয়াৰা বেগম
বিজ্ঞান শাখাৰ সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত স্নাতক
(২০২০-২১)

তৰালী দাস
কলা শাখাৰ সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত স্নাতক
(২০২০-২১)

SURENDRA DAS COLLEGE LIBRARY
Sold
Date
P.O: KAMRUP

মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ পঢ়ুৱৈ

তৌহীদুল ইছলাম
প্ৰথম ষান্মাসিক, কলা শাখা
(২০১৯-২০)

হিমাশ্ৰী বেজবৰুৱা
চতুৰ্থ ষান্মাসিক, বিজ্ঞান শাখা
(২০১৯-২০)

আবুল কালাম
চতুৰ্থ ষান্মাসিক, কলা শাখা
(২০২০-২১)

সীমা মেধি
চতুৰ্থ ষান্মাসিক, কলা শাখা
(২০২০-২১)

গুঃ বিঃ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ কেন্দ্রীয় মণ্ডলৰ বিভিন্ন কার্যসূচীৰ কিছু স্থিৰ আলোক চিত্র





মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন কার্যসূচীৰ কিছু স্থিৰ আলোক চিত্র



মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন কার্যসূচীৰ কিছু স্থিৰ আলোক চিত্ৰ

মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন কার্যসূচীৰ কিছু স্থিৰ আলোক চিত্ৰ

মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন কার্যসূচীৰ কিছু স্থিৰ আলোক চিত্ৰ

প্ৰাচীৰে কথা কয়.....





অসমীয়া বিভাগ

অর্থনীতি বিভাগ

ইংৰাজী বিভাগ

শিক্ষা বিভাগ

ৰাজনীতি বিজ্ঞান বিভাগ

বুৰঞ্জী বিভাগ

দর্শন বিভাগ

ভূগোল বিজ্ঞান বিভাগ

ভাষাতত্ত্ব বিভাগ

লোক-সংস্কৃতি বিভাগ

কম্পিউটাৰ বিভাগ

কাটিং-নিটিং-এম্ব্রইদাৰি বিভাগ

লেৱৰেটৰী বিভাগ

গণিত বিভাগ

ৰসায়ন বিজ্ঞান বিভাগ

মহাবিদ্যালয়ৰ শিক্ষক কর্মচাৰীবৃন্দ

উদ্ভিদ বিজ্ঞান বিভাগ

প্রাণী বিজ্ঞান বিভাগ

পদার্থ বিজ্ঞান বিভাগ

গ্ৰন্থগাৰীক সমন্বিতে গ্ৰন্থাগাৰৰ কর্মচাৰীবৃন্দ

কার্যালয় সহায়কবৃন্দ

চতুর্থ শ্রেণীৰ কর্মচাৰীবৃন্দ

মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰ, গ্ৰন্থাগাৰ আৰু জিমৰ কিছু আলোক চিত্ৰ

ছাত্র একতা সভাৰ একাংশ বিষয়ববীয়া, ২০১৮-২০১৯ বর্ষ

ছাত্র একতা সভাৰ একাংশ বিষয়ববীয়া, ২০১৯-২০২০ আৰু ২০২০-২০২১ বর্ষ

মহাবিদ্যালয় চৌহদৰ কেইটিমান স্থিৰ আলোক চিত্র





SUREN DAS COLLEGE, HAJO

Kamrup : Assam

PIN- 781102